অগ্নিগৰ্ভা অসম আৰু শুভ উত্তৰণৰ প্ৰচেষ্টা

(দলিল সংকলন)

ড° হীৰেন গোহাঁই

অশোক বুক ষ্টল
পাণবজাৰ, গুৱাহাটী-১

Agnigarbha Asom Aru Subha Uttaranor Prachesta : A collection of essays written by Dr. Hiren Gohain and Other relevant documents, Published by Madhab Das on behalf of Ashok Book Stall, Panbazar, Guwahati-1.

First Edition : Dec, 2010 **Price :** Rs. 160.00 only.

প্ৰকাশক ঃ মাধৱ দাস
অশোক বুক ষ্টল
পাণবজাৰ, গুৱাহাটী-১

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০১০ চন

বেটুপাত ঃ আমিৰ আলি

মূল্য ঃ ১৬০.০০ টকা

মুদ্ৰণ ঃ অৰিন্দম অফ্‌চেট এণ্ড ইমেজিং চিষ্টেমচ
ৰাজগড়, গুৱাহাটী-৩

পাঠক সকলৰ প্ৰতি

২০১০ চনৰ ২৪ এপ্ৰিল তাৰিখে গুৱাহাটীত অসমৰ ১৩০টা দল-সংগঠনৰ প্ৰতিনিধি সমন্বিতে আৰু বিশিষ্ট সচেতন নাগৰিক তথা বুদ্ধিজীৱীৰ উপস্থিতিত, দুহেজাৰৰো অধিক লোকৰ এখন "সন্মিলিত জাতীয় অভিৱৰ্তন" হৈ যায়। উদ্দেশ্য আছিল সংযুক্ত মুক্তি বাহিনী আৰু চৰকাৰৰ মাজত ৰুদ্ধ হৈ পৰা আলোচনাৰ দুৱাৰখন পুনৰ মুকলি কৰা।

ইতিপূৰ্বে একে উদ্দেশ্যৰে গঠন কৰা আন এক সংগঠনে আশাব্যঞ্জকভাৱে আলোচনাৰ বাট মুকলি কৰিছিল, কিন্তু অলপ আগবঢ়াৰ পিছত অজ্ঞাত কাৰণত সেই উদ্যোগ বন্ধ হৈ যায়। তাৰ পিচত সংযুক্ত মুক্তি বাহিনীৰ কাৰাবন্দী নেতা সকলে চাৰিওপিনে দূত পঠিয়াই আলোচনাৰ পৰিৱেশ ৰচনা কৰিবলৈ আবেদন জনাইছিল।

এই লেখকৰ উদ্যোগত গুৱাহাটীতে এঘাৰজন নাগৰিকে পৰিস্থিতিটো বিচাৰ কৰি অসমৰ মংগলৰ স্বাৰ্থতে উক্ত আবেদনৰ প্ৰতি সঁহাৰি জনাবলৈ সিদ্ধান্ত লয়। তেওঁলোকে পূৰ্বৰ ব্যৰ্থতাৰ সম্ভাব্য কাৰণবোৰ নিৰ্ধাৰণ কৰে আৰু সেই কাৰণবোৰ এৰাই বা একাষৰীয়া কৰি থৈ আলোচনাৰ প্ৰস্তাৱ দিবলৈ মনস্থিৰ কৰে। কথাখিনি সংযুক্ত মুক্তি বাহিনীৰ সভাপতি অৰবিন্দ ৰাজখোৱাকে ধৰি কাৰাৰুদ্ধ জ্যেষ্ঠ নেতা সকলক জনোৱা হয় আৰু তেওঁলোকে তাৰ প্ৰতি ইতিবাচক সঁহাৰি দিব বুলি আশ্বাস দিয়ে।

উক্ত বাধা-বিঘিনিবোৰৰ ভিতৰত এই নাগৰিক সকলৰ মতে আলফাৰ পিনৰ পৰা অসমৰ সাৰ্বভৌমত্বৰ দাবী আৰু কাৰাৰুদ্ধ নেতা সকলক মুক্ত কৰি আলোচনাৰ বাবে সাজু হ'বলৈ সুযোগ দিয়াত চৰকাৰৰ প্ৰবল অনিচ্ছা, এই দুটাই আছিল বিশেষ গুৰুত্বপূৰ্ণ। নাগৰিকসকলে উপলব্ধি কৰিলে যে যুদ্ধ কৰি ভাৰতীয় সেনাবাহিনীক সংযুক্ত মুক্তি বাহিনীয়ে পৰাস্ত কৰিব পৰাৰ আশা কম। সংযুক্ত মুক্তি বাহিনীৰ প্ৰতি অসমৰ ৰাইজৰ কিছু সহানুভূতি থাকিলেও

সি এতিয়া স্থায়ী আৰু প্ৰবল গণবিদ্ৰোহৰ ৰূপ লোৱাৰ সম্ভাৱনাও ক্ষীণ। তেওঁলোকৰ কিছুমান হঠকাৰী কাৰ্যকলাপৰ সুযোগ লৈ সেনা-আৰক্ষী মিলি গাঁৱে-ভূঞে চলোৱা ব্যাপক নিৰ্যাতনেও ৰাইজক অতিষ্ঠ কৰিছে। এনেস্থলত সাৰ্বভৌমত্ব ন্যায়-সংগত দাবী হওক বা নহওক, আকাশ-কুসুম মাত্ৰ। সেয়ে হেঙাৰ গুচাবলৈ তাক প্ৰথম আৰু প্ৰধান দাবীৰ স্থানৰ পৰা গুচাই দিয়া হ'ল। আনহাতে কাৰাৰুদ্ধ নেতাসকলে যাতে চৰকাৰী ৰখীয়া-পৰীয়াৰ পৰা আঁতৰত স্বাধীন মনেৰে আনুষ্ঠানিকভাৱে আলোচনাৰ সিদ্ধান্ত ল'ব পাৰে, তাৰ বাবে তেওঁলোকক মুক্ত কৰি দিয়াটো সাৰ্থক আলোচনাৰ বাবে অপৰিহাৰ্য চৰ্ত বুলি নাগৰিক সমিতিখনে তাত খামোচ মাৰি ধৰি থাকিল। তদুপৰি ভাৰতৰ অংগৰাজ্য অসমৰ প্ৰাপ্য অধিকাৰ পুনৰুদ্ধাৰ কৰিবলৈ আলোচনাৰ বিষয়ৰ মাজত ৰাজ্যৰ ক্ষমতা আৰু অধিকাৰৰ প্ৰশ্নটো অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰা হ'ল।

কিন্তু অভিৱৰ্তন অনুষ্ঠিত নৌ হওঁতেই সংযুক্ত মুক্তি বাহিনীৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই তীব্ৰ সুৰত উদ্যোগটোৰ প্ৰতি সংশয় প্ৰকাশ কৰিলে আৰু "সাৰ্বভৌমত্ব"ক কেন্দ্ৰীয় বিষয় নকৰিলে সেইটো বিশ্বাসঘাতকতা হ'ব আৰু তেওঁ তাত সহযোগিতা নকৰে বুলি ঘোষণা কৰিলে। মাধ্যম সমূহৰ একাংশ, পিচিজিৰ কোনো-কোনো সদস্য আৰু কিছুমান অনুগামীয়ে পৰেশ বৰুৱাৰ এই আক্ৰমণত উৎসাহেৰে সমৰ্থন জনালে। অভিৱৰ্তন অনুষ্ঠিত হোৱাৰ পিছত আক্ৰমণ তীব্ৰতৰ হ'ল। সম্ভৱতঃ অভিৱৰ্তনৰ ফল ইতিবাচক হ'ব পাৰে বুলি কোনো-কোনো মহল উদ্বিগ্ন হৈছিল। পৰেশ বৰুৱাই আমাৰ যোগ্যতা, দেশপ্ৰেম আদিৰ বিষয়ে ঘোৰ সন্দেহ প্ৰকাশ কৰিলে, কিন্তু তেওঁক উভতি ধৰিলে ব্যক্তিগত আক্ৰোশত তেওঁৰ প্ৰসংগ "টানি অনা" বুলিও আপত্তি কৰা দেখা গ'ল। তেওঁ কেতিয়াবা কয় যে সংযুক্ত মুক্তি বাহিনীৰ লক্ষ্যৰ পৰা আঁতৰি গৈ সন্মিলিত জাতীয় অভিৱৰ্তনে চৰকাৰৰ ওচৰত নিৰ্লজ্জ আত্মসমৰ্পণ কৰিছে, কেতিয়াবা আকৌ কয় যে সংযক্ত মুক্তি বাহিনীৰ দাবী সবলভাৱে উত্থাপন নকৰা হেতুকে সন্মিলিত জাতীয় অভিৱৰ্তনৰ এই উদ্যোগ ব্যৰ্থ হোৱাটো নিশ্চিত। লগে লগে একাংশ টি-ভি চিনেল আৰু সংবাদপত্ৰত কিছু সংখ্যক ব্যক্তিয়ে পাকেপ্ৰকাৰে পৰেশ বৰুৱাৰ পক্ষ লৈ আমাক নিৰুৎসাহ কৰিবলৈ যত্নপৰ হয়। এই নতুন উদ্যোগটোৰ গুৰি ধৰোঁতা ব্যক্তি সকলৰ বিষয়েও সন্দেহ আৰু অপবাদ ৰটনা কৰা হ'ল।

এইবোৰ বিৰুদ্ধবাদী ৰচনা আৰু মন্তব্যত সংযুক্ত মুক্তি বাহিনীৰ মাৰাত্মক ভুল-ক্ৰটিৰ উল্লেখ কৰা নহ'ল এবাৰে। অথচ তেওঁলোকৰ কাৰ্যকলাপে অসমৰ সমাজত ব্যাপক অৰাজকতাৰ লগতে বিভ্ৰান্তিৰ জন্ম দিছিল। তদুপৰি চৰকাৰকো আইন-শৃংখলাৰ নামত গাঁৱে-ভূঞে চিকাৰী কুকুৰৰ দৰে চি আৰু পি আৰু সেনাবাহিনী মেলি দিবলৈ সুযোগ দিছিল। আৰক্ষীৰ কাম চি-আৰ-পি বা সেনাই কৰিব নোৱাৰে। এখন শান্তিপ্ৰিয় আৰু শান্তিময় গাঁৱত এজন সংযুক্ত মুক্তি বাহিনীৰ সদস্য লুকাই থকা বুলি খবৰ পালেই হ'ল। দলে বলে ঘৰে-ঘৰে সোমাই শিশু বৃদ্ধক নিৰ্যাতন কৰাৰ উপৰি মহিলাৰ শালীনতা ভংগ কৰাৰ (আনকি ধৰ্ষণৰ দৰে জঘন্য ঘটনা ঘটোৱাৰো) দৰে তুমুল অত্যাচাৰ চলায়। সেনাৰ কাম শত্ৰু সেনাৰ বিৰুদ্ধে যুঁজ দিয়া, চি-আৰ-পিৰ কাম শান্তিৰক্ষাৰ স্বাৰ্থত উন্মত্ত জনতাক বাধা দিয়া। কিন্তু গাৱঁত থকা "সন্দেহযুক্ত" আলফাক শাসন কৰিবলৈ সেনা–চি আৰ পিক ব্যৱহাৰ কৰাৰ ফলত বহু নিৰ্দোষী মানুহ মৃত্যুমুখত পৰিল বা চিৰকাললৈ পংগু হ'ল। লুটপাতো কিছু চলিছিল বুলি জনা যায়। গঞা ৰাইজৰ সেই বিপদৰ সময়ত আমি একাংশ গণতন্ত্ৰবাদী ব্যক্তি তেওঁলোকৰ সুৰক্ষাৰ বাবে সক্ৰিয় হৈছিলোঁ। আনহাতে বন্দুকৰ ক্ষমতাৰে বলীয়ান হোৱা সংযুক্ত মুক্তি বাহিনীয়ে বিনাবিচাৰে বহুতক মৃত্যুদণ্ডও দিলে। আনকি সংযুক্ত মুক্তি বাহিনীৰ বিৰোধিতা কৰা দল-সংগঠনৰ সদস্য হ'লেই হত্যা কৰাৰ নজীৰ আছে। এইবোৰ কথা ৰাইজে যিহেতু পাহৰি গৈছে, আৰু নতুন প্ৰজন্মই নাজানে, কিতাপখনৰ প্ৰথম ছোৱাত তেনে সময়ত আমি লিখা কেতবোৰ নিবন্ধ প্ৰকাশ কৰা হৈছে যাতে সংযুক্ত মুক্তি বাহিনীয়ে সৃষ্টি কৰা পৰিস্থিতিৰ বিষয়ে পাঠকে উমান পায়। আনহাতে সেই নিবন্ধবোৰত সংযুক্ত মুক্তি বাহিনীৰ বিদ্ৰোহক সম্পূৰ্ণ যুক্তিহীন খামখেয়ালি বুলিও ক'তো কোৱা হোৱা নাই। চৰকাৰৰ অবিবেচক দমননীতিৰো বিৰোধিতা কৰা হৈছে।

দ্বিতীয় ছোৱাত পৰেশ বৰুৱা তথা তেওঁৰ সমৰ্থক সকলৰ মতামত আৰু আমাৰ প্ৰতিবাদ/প্ৰত্যুত্তৰৰ নিৰ্বাচিত অংশ ছপোৱা হৈছে। তেওঁলোকৰ কিছুমান অভিযোগৰ উত্তৰ দিয়াৰ প্ৰয়োজন বোধ নকৰিলোঁ, কাৰণ সেইবোৰ হয় টুলুঙা নহয় অপ্ৰাসংগিক। কিন্তু আমি আগবঢ়োৱা আলোচনাৰ প্ৰস্তাৱ যে কেন্দ্ৰৰ ওচৰত মামুলি আত্মসমৰ্পণ নহয়, কথাটো পৰিষ্কাৰ কৰি দিয়া হৈছে। আনহাতে এইখন কিতাপ সংযুক্ত মুক্তি বাহিনীৰ পূৰ্ণাংগ ইতিহাসো নহয় অথবা কোনো সাংবাদিকে তেওঁলোকৰ বিষয়ে লিখা প্ৰশস্তিও নহয়।

সংযুক্ত মুক্তি বাহিনীৰ হৈ আমাৰ বিৰুদ্ধে প্ৰকাশিত হোৱা আক্ৰমণবোৰৰ ৰচয়িতা পৰেশ বৰুৱাই হওক বা তেওঁলোকৰ কোনো অজ্ঞাতনামা মন্ত্ৰণাদাতাই হওক, তাত থকা দুটামান গুৰুতৰ তথ্যগত ভ্ৰান্তিয়ে প্ৰমাণ কৰে যে সংযুক্ত মুক্তি বাহিনীৰ অধ্যয়ন আৰু জ্ঞানত এনে কেতবোৰ ফাঁক আছে যিবোৰে বাস্তৱৰ যথাযথ উপলব্ধিত বাধাৰ সৃষ্টি কৰিব। উদাহৰণ স্বৰূপে অসমৰ "দীৰ্ঘদিনীয়া স্বাধীনতা সংগ্ৰামৰ কথা ক'বলৈ গৈ তেওঁলোকে এনে ধাৰণা দিব খোজে যেন এইটোৱেই অসমৰ ৰাজনৈতিক জীৱনৰ মূলধাৰা। কিন্তু অম্বিকাগিৰী আৰু হেম বৰুৱাই ভাৰতৰ বিৰুদ্ধে বিদ্ৰোহত কেতিয়াও উচটনি দিয়া নাছিল। ব্ৰিটিছৰ গ্ৰুপিং আঁচনিয়ে বংগ আৰু অসমক একেটা গ্ৰুপত সামৰাৰ ফলত অসমৰ অস্তিত্ব লোপ পাব পাৰে বুলি অসম কংগ্ৰেছৰ নেতৃত্বই ঘোৰ প্ৰতিবাদ জনোৱা সত্বেও ক্ষমতা লাভৰ বাবে উদ্‌গ্ৰীৱ হৈ পৰা সৰ্বভাৰতীয় নেতৃত্বই কাণ নকৰাত গোপীনাথ বৰদলৈয়ে "তেনেহ'লে অসম স্বাধীন হ'ব" বুলি গুঁজৰি উঠিছিল। এই বিক্ষোভৰ বাবেই ঘাইকৈ কংগ্ৰেছৰ সৰ্বভাৰতীয় নেতৃত্বই অৱশেষত গ্ৰুপিং আঁচনি অনিচ্ছাসত্বেও বৰ্জন কৰিবলগীয়া হৈছিল। বৰদলৈদেৱে তাৰ পিচত আৰু "স্বাধীন অসম"ৰ আহ্বান দিয়া নাছিল। অৰ্থাৎ পৰাগ দাস আৰু নিবাৰণ বৰাই প্ৰচাৰ কৰা "অসমৰ ভাৰত বিৰোধী স্বাধীনতা সংগ্ৰামৰ" ইতিবৃত্ত এটা উপাখ্যানহে। মনত ৰখা ভাল যে ৰাজনৈতিক জীৱনৰ আদিতে বৰা ডাঙৰীয়া পূব পাকিস্তানৰ বঙালী ভগনীয়াক ৰক্ষণাবেক্ষণ দিয়া নেতা আছিল।

তেনেকৈ ৰাষ্ট্ৰসংঘৰ মজিয়াত সংযুক্ত মুক্তি বাহিনীৰ সভাপতি-সম্পাদকে স্বাধীন অসমৰ দাবী উত্থাপন কৰা কথাটোও হয় তথ্যৰ বিকৃতি নহয় দুৰ্ভাগ্যজনক প্ৰমাদ। ৰাষ্ট্ৰসংঘ কিছুমান ৰাষ্ট্ৰৰ সন্মিলিত সংগঠন। কোনো সদস্য ৰাষ্ট্ৰৰ অভ্যন্তৰত তাৰ বিৰুদ্ধে বিদ্ৰোহ কৰা সংগঠনৰ প্ৰতিনিধিক তাৰ মজিয়াত বক্তব্য প্ৰকাশ কৰিবলৈ দিয়াৰ প্ৰশ্নও নুঠে। তাৰ শাখা বিলাকো এই নিয়মৰ অধীন।

আচলতে UNPU নামৰ এখন বেচৰকাৰী আন্তৰ্জাতিক মঞ্চ আছে। তাৰ নামৰ আদিতে UN শব্দ দুটা দেখি তাক বহুতে ৰাষ্ট্ৰসংঘৰ শাখা বুলি ভুল কৰে। আখৰ কেইটাৰ পূৰ্ণ পাঠ হ'ল **UNREPRESENTED NATIONS AND PEOPLES' ORGANISATION** (প্ৰতিনিধিত্বহীন জাতি আৰু

গোষ্ঠীৰ সংগঠন)। তাৰ লগত ৰাষ্ট্ৰসংঘৰ কোনো সম্পৰ্ক নাই। কিছুমানে কয়, ৰাষ্ট্ৰসংঘৰ বাহিৰত ৰৈ যোৱা কেতবোৰ নিপীড়িত জাতি বা জনগোষ্ঠীৰ ন্যায্য অধিকাৰ উদ্ধাৰৰ এইখন মঞ্চ। কিছুমানে আকৌ কয় যে বিদেশত গোলমাল লগাবলৈ সুযোগ বিচাৰি থকা চি-আই-এ'ৰ (CIA) দ্বাৰা সৃষ্ট সংগঠন।

সংকলনত থকা আন কেইটামান চমু বিবৃতি আৰু মন্তব্য চৰকাৰী মহল কিছুমানৰ বিৰুদ্ধে। এইবোৰ মহলে আলোচনাৰ জৰিয়তে সংযুক্ত মুক্তি বাহিনীৰ দাবী বিবেচনা কৰি সমাধানলৈ আহিবলৈ নিবিচাৰে। সেয়ে তৰ্ক-বিতৰ্ক লাগি আমাৰ উদ্যোগটো বাধাগ্ৰস্ত হ'লে সিহঁতে ভালেই পায় আৰু মাজে সময়ে একোটা বিভ্ৰান্তিজনক উক্তি কৰি প্ৰতিপক্ষক ইন্ধন যোগায়। সিহঁতৰো স্বৰূপ উন্মোচন কৰা দৰকাৰ।

সকলোৰে শেষত ১৯৮৯ চনত প্ৰকাশিত আমাৰ ইংৰাজী নিবন্ধ এটাৰ অসমীয়া ভাঙনি দিয়া হৈছে, যাতে অসমৰ বিকাশহীন স্থবিৰ অৰ্থনীতিৰ পৰিৱেশত পুষ্টিলাভ কৰিব নোৱাৰা অসমীয়া জাতীয়তাবাদে কেনেকৈ উগ্ৰতাৰ পিনে গতি কৰিলে, আৰু নিজে সৃষ্টি কৰা সমস্যাৰ সমাধান কৰিব নোৱাৰি উগ্ৰপন্থী সংগ্ৰামৰ জন্ম দিলে, তাৰ আভাস এটা দিয়া হৈছে। সংযুক্ত মুক্তি বাহিনীৰ উত্থানৰ অন্তৰালত যে কেৱল প্ৰকৃত, বাস্তৱ বঞ্চনা আৰু দমনেই নাছিল, অসমীয়া উগ্ৰজাতীয়তাবাদো আছিল, নিৰ্মোহ পাঠকে সেইটো পঢ়িলে উপলব্ধি কৰিব পাৰিব। অসম আন্দোলনৰ সময়ৰে পৰা নানা ধৰণৰ আন্দোলন আৰু সংগ্ৰামে কঁপাই থকা অসমখনৰ বহল পৰিসৰৰ ছবি এখন দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে, যাতে পটভূমিত থকা শক্তিবোৰ আৰু সিহঁতৰ নানা ক্ৰিয়া-প্ৰতিক্ৰিয়া পাঠকে বিচাৰ কৰি চাব পাৰে। অসমীয়া বিচ্ছিন্নতাবাদৰ লগতে জনগোষ্ঠীয় বিচ্ছিন্নতাবাদকো গৰিহণা দিয়া হৈছে।

অশোক বুক ষ্টলৰ স্বত্বাধিকাৰী শ্ৰীমাধৱ দাসৰ আগ্ৰহতে এনে এখন কিতাপ প্ৰস্তুত কৰাৰ কথা মই ভাবিব পাৰিলোঁ। তাৰ বাবে তেওঁক ধন্যবাদ দিছোঁ। ইতি।

হীৰেন গোহাঁই
৪/১০/২০১০

সূচীপত্ৰ

প্ৰথম ছোৱা ঃ পটভূমিৰ আভাস

❖ অৱতৰণিকা ১
❖ আলফাৰ বিষয়ে আকৌ এবাৰ, ভি পিৰ বিদ্যাৰম্ভ ১১
❖ 'আলফা'ৰ ভৱিষ্যৎ কি? ১৩
❖ আলফাৰ বিষয়ে ৰটনা আৰু ঘটনা ১৫
❖ আলফা, আছু আৰু অনশন, হিন্দী সম্প্ৰসাৰণবাদ নে কৌটিল্যবাদ? ১৮
❖ মৃত্যুদণ্ড মকুব হ'ল? ২২
❖ আলফাৰ মৃত্যুদণ্ড ২৪
❖ সংযুক্ত মুক্তি বাহিনীৰ নতুন সাংগঠনিক ৰূপ ২৬
❖ সংযুক্ত মুক্তি বাহিনীৰ কাৰ্যকলাপ ৩০
❖ অসমৰ নেতৃবৃন্দৰ দুৰ্বলতা ক'ত? ৩২
❖ শইকীয়া চৰকাৰৰ দৌৰাত্ম্য, জনগোষ্ঠীসমূহৰ সম্প্ৰীতি, ইত্যাদি ৩৫
❖ অৰবিন্দ ৰাজখোৱাৰ বিবৃতি ৩৯
❖ গণতান্ত্ৰিক নাগৰিক সন্থাৰ আবেদন সম্পৰ্কে ৪০
❖ চিন্তাৰ বিভ্ৰান্তি ৪৩
❖ প্ৰদীপ গগৈৰ স্বীকাৰোক্তি ৪৮
❖ সংযুক্ত মুক্তি বাহিনীৰ এটা বিবৃতিৰ সন্দৰ্ভত ৫০
❖ ৰক্ত পিপাসু ৰাজনীতি, মৌলবাদৰ বিপদ আৰু এটি মৃতদেহৰ দুঃস্বপ্ন ৫৫
❖ দিল্লীলৈ 'গছ'ৰ সঁজাতী দল ৬২
❖ আলফাৰ কাৰ্য পদ্ধতি সম্পৰ্কে ৬৯
❖ সেনাবাহিনীৰ বিশেষ ক্ষমতা আইন (১৯৫৮) ৭১
❖ আঞ্চলিকতাবাদ আৰু অসম ৭৩
❖ আলফাৰ আলোচনাৰ প্ৰস্তাৱ ৮৩
❖ বোমা, গুলী আৰু আলোচনা ৮৫
❖ সাৰ্বভৌমত্বৰ জলছবি ৮৯
❖ সংযুক্ত মুক্তি বাহিনীৰ প্ৰতি এটি কাকুতি ৯২
❖ শান্তি আলোচনা আৰু তাৰ গতিপথ ৯৫

দ্বিতীয় ছোৱা ঃ সংঘাত আৰু আলোচনা

❖ সন্মিলিত জাতীয় অভিবৰ্ত্তন সম্পৰ্কে বিতৰ্কৰ দলিল ১০৩
❖ সন্মিলিত জাতীয় অভিবৰ্তন (অসমৰ) উদ্দেশ্য ব্যাখ্যা ১০৭

❖ সন্মিলিত জাতীয় অভিৱৰ্তনৰ প্ৰাকমুহূৰ্তত পৰেশ বৰুৱাৰ সঁকিয়নি ১১৩
❖ পৰেশ বৰুৱা অধৈৰ্য নোহোৱাই ভাল ১১৯
❖ অভিৱৰ্তনৰ পৰিৱৰ্ধিত দিক্‌নিৰ্ণায়ক সমিতিৰ আগত দিয়া ভাষণ ১২১
❖ এঘাৰ মেই তাৰিখে প্ৰকাশ পোৱা পৰেশ বৰুৱাৰ বিবৃতি সম্পৰ্কে ১২৬
❖ অসমৰ জাতীয় মুক্তি সংগ্ৰামলৈ ড° হীৰেন গোহাঁইৰ অৱদান শূন্য ১৩১
❖ সন্মিলিত জাতীয় অভিৱৰ্তনৰ বিৰুদ্ধে অপপ্ৰচাৰৰ প্ৰত্যুত্তৰ ১৩৭
❖ সাৰ্বভৌমত্ব বিষয়টো কৌশলেৰে অন্তৰ্ভুক্ত কৰা হ'ল! ১৪২
❖ পিল্লাইৰ মন্তব্যই আলোচনাৰ পৰিৱেশ নষ্ট কৰিব ১৪৬
(জাতীয় অভিৱৰ্তনৰ ষ্টিয়েৰিং কমিটীৰ ৰাজহুৱা বিবৃতি)
❖ আলফাত বিভাজনৰ উদ্দেশ্য মোৰ নাই ১৪৯
❖ স্বাধীনতাৰ বাবে আৰু তেজ দিবলৈ সাজু আছে আলফা ১৫২
❖ দিল্লী যাত্ৰা সম্পৰ্কে ঃ
সন্মিলিত জাতীয় অভিৱৰ্তনৰ সঁজাতী দলৰ প্ৰতিবেদন ১৫৭
❖ বিভ্ৰান্তিৰ সৃষ্টি নকৰিব ১৬১
❖ সন্মিলিত জাতীয় অভিৱৰ্তনৰ নলবাৰী আঞ্চলিক অভিৱৰ্তনৰ উদ্বোধনী ভাষণ ১৬৩
❖ মই অসমৰ ভাগ্যনিয়ন্তা নহয় ঃ পৰেশ বৰুৱা ১৭০
❖ শেষ প্ৰতিক্ৰিয়া ঃ পৰেশ বৰুৱাইহে আলফাৰ পূৰ্ণাংগ ইতিহাস নাজানে ১৭৫
❖ আলোচনালৈ পৰেশ বৰুৱা অহা-নহা ইত্যাদি প্ৰসংগ ১৭৮
(সুবীৰ ভৌমিকৰ প্ৰথম প্ৰবন্ধৰ প্ৰতিবাদ)
❖ শান্তি আলোচনা প্ৰসংগ ঃ আৱেগে সমস্যা সমাধানৰ নিশ্চিতি নিদিয়ে ১৮১
(সুবীৰ ভৌমিক)
❖ জাতীয় অভিৱৰ্তনে জাতিৰ হৈহে মাত মাতিব ১৮৬
(সুবীৰ ভৌমিকৰ মতৰ উত্তৰত)
❖ জাতীয় অভিৱৰ্তন ঃ আলফা আৰু বাস্তৱ (সুবীৰ ভৌমিক) ১৯৫
❖ আলফা, বাস্তৱ আৰু সশস্ত্ৰ বিদ্ৰোহ (সুবীৰ ভৌমিকৰ উত্তৰৰ প্ৰত্যুত্তৰ) ২০২
❖ আলফা-জাতীয় অভিৱৰ্তন আৰু বাস্তৱতা
(বিভাজন নীতি ভাৰত চৰকাৰৰ কৌশল) (সুবীৰ ভৌমিক) ২০৬
❖ বিভাজন চৰমপন্থায়ো ঘটাব পাৰে ২১৪
(সুবীৰ ভৌমিকৰ ২৭ চেপ্টেম্বৰ, ২০১০ৰ নিবন্ধৰ উত্তৰ)
❖ গৃহদপ্তৰৰ অনিৰ্দিষ্ট স্থিতি * (ফেক্সযোগে পঠোৱা পত্ৰ) ২১৯
❖ উত্তৰ-পূৰ্বাঞ্চল আৰু ভাৰতীয় গণতন্ত্ৰৰ সংকট ২২২
(একৈশ বছৰৰ আগতে প্ৰকাশিত এক নিবন্ধ)

প্ৰথম ছোৱা

(ক) পটভূমিৰ আভাস

অৱতৰণিকা

১৯৭৯ চনত ৰংঘৰৰ বাকৰিত বন্দুকৰ বুলে'ট কামুৰি অসম স্বাধীন কৰিবলৈ সংযুক্ত মুক্তি বাহিনী গঠিত হ'লেও জন-মানস তথা গণ-মাধ্যমত তাৰ বিৰাটকায় ভাবমূৰ্তি প্ৰতিবিম্বিত হৈছিল প্ৰথম অগপ চৰকাৰৰ দিনত— ১৯৮৭ চন মানৰ পৰা। সেই সময়তে গাৱেঁ-ভূঞে মুক্তি বাহিনীয়ে ৰাইজক কঠোৰ নেতৃত্বৰে বাটপথ, মঠাউৰি সজা কামত লগোৱাৰ খবৰ ওলাইছিল। মটৰবাইকত উঠি বন্দুকধাৰী যুৱকে কৰ্মৰত ৰাইজক ক্ষণে ক্ষণে সঁকিয়নি দি খৰতকীয়া গতিত কাম আগবঢ়াই নিছিল। যদিও সেই কাম জনহিতকৰ বুলি আটায়ে মানিছিল, ৰাইজৰ নিৰ্দিষ্ট দাবী বা আবেদনৰ সঁহাৰিত সেই কাম হাতত লোৱা হোৱা নাছিল। তেনেকৈ গাঁৱত মদ, ভাং খাই সময় নষ্ট কৰা বা উদ্ভগালি কৰা মানুহক আৰু মদবেপাৰীক দৃষ্টান্তমূলক শাস্তি দিয়া হৈছিল। চহৰবোৰত তথা গণ-মাধ্যমত এনে উদ্যোগৰ প্ৰতি উৎসাহী সমৰ্থন থাকিলেও জনজাতি অধ্যুষিত গাঁওবোৰত— য'ত মদ উৎসৱে-পাৰ্বনে লগা সাংস্কৃতিক সমল— অসন্তোষৰ তুঁহ-জুই জ্বলিছিল। অৰ্থনৈতিক দুৰ্দশাত পৰি মদ বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰা দুৰ্ভগীয়া মহিলা চামৰ বিকল্প সংস্থানৰ ব্যৱস্থাও কৰা হোৱা নাছিল। এইবোৰ ভুল নিঃসন্দেহে অত্যুৎসাহী আদৰ্শবাদৰ পৰা উদ্ভুত আছিল, কিন্তু তাৰ পৰিণামবোৰৰ সন্মিলিত নেতিবাচক প্ৰভাৱ পিছলৈ সংযুক্ত মুক্তি বাহিনীৰ ওপৰত পৰিছিল। মদ নিষিদ্ধ কৰাটো URMCA (আৰ্মকা)ৰ মঞ্চত আলফাৰ বিৰুদ্ধে প্ৰধান অভিযোগৰূপে উত্থাপিত হৈছিল।

চহৰবাসী মধ্যবিত্তক ঘাইকৈ আকৰ্ষণ কৰিছিল এনেদৰে সংগঠিত হোৱা যুৱকসকলৰ দেশপ্ৰেম, শৃংখলাবোধ আৰু উদ্ভাৱনীশক্তিয়ে। এদল চহৰীয়া সাংবাদিকক গহন অৰণ্যৰ মাজত থকা মুক্তি বাহিনীৰ শিবিৰ পৰিদৰ্শন কৰিবলৈ চকুত গামোছা বান্ধি লৈ যোৱা হৈছিল। তেওঁলোকে জলফাই ৰঙৰ সামৰিক পোছাক পিন্ধা যুৱকসকলৰ কৰ্মোদ্যম, উদ্ভাৱনী শক্তি, সেনাসুলভ

শৃংখলা দেখি চমৎকৃত হৈছিল, আৰু উভতি আহি তেওঁলোকক ভুৰি ভুৰি প্ৰশংসা কৰিছিল বাতৰি কাকতৰ পৃষ্ঠাত।

তেওঁলোকে এইটোও লক্ষ্য কৰিছিল যে আধুনিক বৈজ্ঞানিক যন্ত্ৰপাতি তথা প্ৰযুক্তিৰ ব্যৱহাৰতো মুক্তি বাহিনীৰ সদস্যসকল পাৰদৰ্শী আছিল। দেশপ্ৰেমিক সংগীত, গ্ৰন্থ অধ্যয়ন, মতাদৰ্শ বিষয়ক পাঠদান আদিও চলিছিল বিশেষ নিষ্ঠা আৰু উদ্দীপনা সহকাৰে। এইবোৰৰ বিৱৰণে বাতৰি কাকতৰ পাঠককো পুলকিত কৰিছিল।

নেতাসকলৰ মুখত বৈজ্ঞানিক সমাজতন্ত্ৰৰ কথা শুনিলেও সাংবাদিকসকলে তেওঁলোকৰ মতাদৰ্শ বুজিবলৈ বা পৰীক্ষা কৰি চাবলৈ বিশেষ চেষ্টা কৰা নাছিল। জনসাধাৰণৰ "মুক্তি" আৰু "মংগলৰ" বাবে সংগঠনটো উৎসৰ্গিত— এই কথাই তেওঁলোকৰ বাবে যথেষ্ট আছিল। ফলত মতাদৰ্শৰ অসম্পূৰ্ণতা বা ক্ৰুটিৰ ফলত ভৱিষ্যতে হ'ব পৰা বিপদ সম্পৰ্কে মুক্তি বাহিনীক তেওঁলোকে সচেতন কৰি দিয়াৰ কোনো অৱকাশ নাছিল। বেছিভাগ বুদ্ধিজীৱীয়ে এই পথকে অনুসৰণ কৰিছিল। অথবা "চাওঁচোন, কি হয়" ধৰণৰ মনোভাবেৰে নীৰৱতা অৱলম্বন কৰিছিল।

কিন্তু এই কথাও আজি স্পষ্টকৈ কোৱা দৰকাৰ যে অসম গণ পৰিষদ চৰকাৰৰ প্ৰত্যক্ষ বা পৰোক্ষ সহিষ্ণুতা বা প্ৰশ্ৰয়ৰ ফলতে গণ-মাধ্যম আৰু জন-মানসত সংযুক্ত মুক্তি বাহিনী সম্পৰ্কে এনে ৰোমাণ্টিক, উৎসাহভৰা আৰু অনুৰাগমিশ্ৰিত মনোভাব সঞ্চাৰ হৈছিল।

অসম আন্দোলনৰ জৰিয়তে মুক্তি বাহিনীৰ নেতাসকল ব্যক্তিগতভাৱে আন্দোলনটোৰ নেতাসকলৰ লগত ঘনিষ্ঠভাৱে পৰিচিত হৈছিল। সম্ভৱতঃ আন্দোলনৰ কালছোৱাত আৰক্ষী-চি আৰ পিৰ আক্ৰমণৰ বিৰুদ্ধে নিৰাপত্তাৰ খাটিৰত আন্দোলনৰ নেতাসকল মুক্তি বাহিনীৰ নেতাসকলৰ ওচৰ চাপি গৈছিল। অগপ চৰকাৰ প্ৰতিষ্ঠিত হোৱাৰ পিছত এই বন্ধুত্বত ফাঁট মেলা নাছিল। কিন্তু সংবিধান অনুযায়ী চলা দলীয় চৰকাৰ আৰু সংবিধান উলংঘা কৰিবলৈ বদ্ধপৰিকৰ সংগঠন এটাৰ মাজত স্থায়ী সহ-অৱস্থান সম্ভৱ নহয়। দুয়োটা সংগঠনেই কথাটোৰ বিপজ্জনক সম্ভাৱনা গভীৰভাৱে বিবেচনা নকৰি স্থিতাৱস্থা ৰক্ষা কৰি চলিবলৈ বিচাৰিছিল। কেন্দ্ৰত ইতিমধ্যে অগপৰ প্ৰতি বন্ধুভাবাপন্ন চৰকাৰ স্থাপিত হৈছিল। তেতিয়াৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী ৰাজ্যিক

গৃহমন্ত্ৰীয়ে ভৃগু ফুকনক এই বিপদ সম্পৰ্কে আওপকীয়াকৈ সঁকিয়নি দিয়াত ফুকনে তাক চম্ভালিবলৈ কিছু তৎপৰ হৈছিল। কিন্তু দলীয় নেতৃবৃন্দৰ মাজত তাৰ প্ৰতি আগ্ৰহ বা সমৰ্থন নাছিল বুলি ফুকনে পৰৱৰ্তী কালত আমাক কৈছিল। দুখৰ বিষয় যে পিছত সংযুক্ত মুক্তি বাহিনীক সহায় কৰা বুলি ফুকনৰ শত্ৰুসকলে তেওঁৰ বিৰুদ্ধে দুৰ্নাম ৰটনা কৰিছিল!!

সি যি নহওক, অগপ দলৰ প্ৰথম শাসনকালৰ শেষছোৱাত প্ৰফুল্ল কুমাৰ মহন্ত আৰু অগপ চৰকাৰৰ বিৰুদ্ধে মোহভংগ হোৱা আশাহত অসমীয়া ৰাইজে বিভিন্ন অভিযোগ ক্ষুব্ধ সুৰত উত্থাপন কৰিছিল। ডেকাচামৰ বৌদ্ধিক নেতৃত্বলৈ আহিছিল পৰাগ কুমাৰ দাস ঘাইকৈ "বুধবাৰ" কাকতৰ জৰিয়তে। এই পৰিস্থিতিত সংযুক্ত মুক্তি বাহিনীৰ সশস্ত্ৰ সংগ্ৰামৰ সূচনাই অসম আন্দোলনৰ জাতীয়তাবাদী ভাবধাৰাত নিমগ্ন ৰাইজৰ মনত নতুন নতুন আশাৰ সঞ্চাৰ কৰিছিল।

তাৰ পিছৰ পৰ্যায়ত কিন্তু ঘটনা অবাধ স্বাভাৱিক গতিত প্ৰবাহিত হৈ নাথাকিল। কেৱল প্ৰতাপী আৰক্ষী বিষয়াকে নহয়, অথবা "অসমবিৰোধী" বুলি চিনাক্ত কৰা আৰু সংযুক্ত মুক্তি বাহিনীৰ ধনদাবীৰ ওচৰত সৈমান নোহোৱা বহিৰাগত চাহ-উদ্যোগৰ পৰিচালক, প্ৰভাৱশালী ব্যৱসায়ীকে নহয়, সংযুক্ত মুক্তি বাহিনীৰ বিৰোধিতা কৰা ৰাজনৈতিক-অৰাজনৈতিক ব্যক্তিকো মুক্তি বাহিনীয়ে গুলীয়াই বা বোমা ফুটাই হত্যা কৰিবলৈ ধৰিলে। গণতান্ত্ৰিক ৰাইজৰ মাজত হুৱাদুৱা লাগিল। আনকি পৰাগ দাসৰ দৰে মুক্তি বাহিনীৰ দৃঢ় আৰু একনিষ্ঠ সমৰ্থক সকলো বিচলিত হ'বলৈ ধৰিলে। কমলা শইকীয়া, মানবেন্দ্ৰ শৰ্মা, সঞ্জয় ঘোষ (পৰৱৰ্তীকালত) প্ৰমুখ্যে সাধাৰণৰ শ্ৰদ্ধাভাজন বহুলোকক মুক্তি বাহিনীয়ে মৃত্যুদণ্ডেৰে দণ্ডিত কৰিলে। তাই আহোম ছাত্ৰ সন্থাৰ ডিম্বেশ্বৰ গগৈ ইত্যাদি ৰাজনৈতিক কৰ্মীৰ মৃত্যুৱেও ব্যাপক বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছিল। গুৱাহাটীত এই লেখক আৰু কিছু সংখ্যক লোকে প্ৰকাশ্যভাৱে মুক্তি বাহিনীৰ কাৰ্যকলাপৰ কটু সমালোচনা কৰিবলৈ ধৰিলে। অসমীয়া ৰাইজৰ মাজত ক্ৰমে মুক্তি বাহিনীৰ সপক্ষে বা বিপক্ষে জনমতৰ মেৰুভৱন ঘটিল।

অৱশেষত ঘাইকৈ শক্তিশালী চাহ-উদ্যোগৰ হেঁচাত কেন্দ্ৰীয় চৰকাৰে পোনতে চৌদ্ধজন চাহ-বাগানৰ পৰিচালকক কলিকতালৈ হে'লিকপ্তাৰেৰে

স্থানান্তৰিত কৰি "অপাৰেশ্যন বজ্ৰং" নামেৰে সংযুক্ত মুক্তি বাহিনীৰ বিৰুদ্ধে অভিযান চলালে। বিদ্যুৎ গতিত "পাঞ্জাৱ মাউণ্টেন ডিৱিজ্যনে" তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ মুক্তি বাহিনীৰ ঘাঁটিত আঘাত হানিলে। নেতাসকলে আগতীয়াকৈ খবৰ পাই শিবিৰ এৰি পলাই গ'ল। কিন্তু তেওঁলোকৰ অসামৰিক সমৰ্থকসকল ঘোৰ সংকটত পৰিল। বহুতকে মুক্তি বাহিনীৰ খবৰ বিচাৰি প্ৰচণ্ড নিৰ্যাতন কৰি সেনাই হত্যা কৰিলে। এওঁলোকৰ ভিতৰত "জাতীয় উন্নয়ন পৰিষদ"ৰ সুৰেশ ফুকন, দশম সোণোৱাল (শিৱসাগৰ), চেনিৰাম নাথ (নগাওঁ), আইনুল হক (হাজো) আদি সমাজত ভাবমূৰ্তি থকা শিল্পী, মানৱ অধিকাৰ কৰ্মী, সমাজসেৱকো আছিল। চৰাইপুং আৰু ওচৰ-পাজৰৰ গাঁও-ভূঁইৰ ডেকাসকলক মুক্তি বাহিনীৰ সমৰ্থক বুলি নিষ্ঠুৰভাৱে অত্যাচাৰ কৰিলে। মুক্তি বাহিনীৰ লগত কোনো সম্পৰ্ক নথকা লোককো সন্দেহ বশতঃ Armed Forces (Special Powers) Act অনুসৰি হত্যা কৰা হ'ল।

ইতিমধ্যে সংযুক্ত মুক্তি বাহিনীৰ বিৰোধিতা কৰা বুদ্ধিজীৱীসকল আৰু নাগৰিকসকল একগোট হ'বলৈ ধৰিলে। মুক্তি বাহিনীৰ স্বৈৰতন্ত্ৰৰ ঠাইত সেনাৰ স্বৈৰতন্ত্ৰ তেওঁলোকে বিচৰা নাছিল। তেওঁলোকে "গণতান্ত্ৰিক অধিকাৰ সুৰক্ষা সমিতি" গঠন কৰিলে। জিলা পুথিভঁড়ালত অনুষ্ঠিত তাৰ সদৌ অসম ভিত্তিত হোৱা অভিৱৰ্তনত মুক্তি বাহিনীৰ সমৰ্থকসকলৰ তুমুল প্ৰতিৰোধ সত্বেও হিংসাত্মক পথ পৰিহাৰ কৰাৰ এটা প্ৰস্তাৱ গৃহীত হ'ল, কিন্তু মুক্তি বাহিনীক গৰিহণা দিয়াৰ চেষ্টাও ব্যৰ্থ হ'ল। চৰাইপুঙত "সাদিন"ৰ দিলীপ চন্দন আদি সংবাদদাতাই তোলা সেনাই প্ৰচণ্ড আৰু ব্যাপক নিৰ্যাতন চলোৱাৰ অভিযোগৰ চৰজমীন তদন্ত কৰিবলৈ এই লেখক, শ্ৰীযুতা প্ৰীতি বৰুৱা, শ্ৰী নিত্য বৰা, শ্ৰী প্ৰদীপ আচাৰ্য্য আৰু পৰেশ মালাকাৰেৰে গঠিত এটা সঁজাতী দল অপাৰেশ্যন বজ্ৰঙৰ দুসপ্তাহমান পিছতে চৰাইপুঙলৈ গৈ তদন্ত কৰি সকলো বাতৰি কাকতত সুদীৰ্ঘ প্ৰতিবেদন দাখিল কৰিছিল। তদন্তত প্ৰকাশ পাইছিল যে সেই গাঁও-ভূঁই বিলাকত মুক্তি বাহিনীৰ সদস্য নাছিল, অথচ নিৰ্যাতনৰ পৰা ৰাইজে ৰেহাই পোৱা নাছিল। সেনাৰ অভিযানে খেতিপথাৰ কিছু নষ্ট কৰিছিল। কিছুসংখ্যক নিৰীহ লোকৰ সেনাৰ হাতত মৃত্যু ঘটিছিল। আনহাতে সংযুক্ত মুক্তি বাহিনীৰ প্ৰতি অঞ্চলটোত একধৰণৰ

নিষ্ক্ৰিয় সমৰ্থন লক্ষ্য কৰা গৈছিল। অৰ্থাৎ সংগঠনটোক "আকাশী লতা"ৰ দৰে পোতন নোহোৱা বুলি ভবাৰ থল নাছিল। প্ৰতিবেদনে দ্ৰুত আৰু ব্যাপক অৰ্থনৈতিক উন্নয়নেৰে যুৱসমাজৰ মাজত গঠনমূলক মনোভাৱত উৎসাহ দিবলৈ চৰকাৰক পৰামৰ্শ দিছিল আৰু শাসকশ্ৰেণীৰ অবিচাৰ অৱহেলাকো পৰিস্থিতিৰ বাবে জগৰীয়া কৰিছিল। "বুধবাৰ" কাকতত কিন্তু আমাক "ৰজাঘৰীয়া বুদ্ধিজীৱী" বুলি উপহাস কৰা হৈছিল।

সেই সময়ত "সন্ত্ৰাসবাদৰ বিৰোধিতা" শিল্পী-সাহিত্যিকৰ মাজত জনপ্ৰিয় শ্লোগান হৈ উঠা নাছিল। সন্ত্ৰাসৰ উদ্ভৱ লৈও মতভেদ হৈছিল। "বুধবাৰ" কাকতত পৰাগ দাস, ডাঃ ধ্ৰুৱজ্যোতি বৰা আদিয়ে ঘাইকৈ ৰাষ্ট্ৰ সন্ত্ৰাসৰ বাবে ব্যক্তি সন্ত্ৰাসৰ (অৰ্থাৎ মুক্তি বাহিনীৰ হত্যাকাণ্ডবোৰৰ) উদ্ভৱ হ'ল বুলি কৈছিল, আৰু আমি কৈছিলো যে গণতান্ত্ৰিক প্ৰতিবাদ চেৰাই ব্যক্তি সন্ত্ৰাসৰ পথ অৱলম্বন কৰা বিদ্ৰোহীয়ে ৰাষ্ট্ৰসন্ত্ৰাস আৰু ৰাষ্ট্ৰীয় দমননীতিৰ পথ সুগম কৰি দিয়ে। আচলতে দুয়ো পক্ষই এন্ধাৰতে ফৰ্মুটি মাৰিছিল। সংযুক্ত মুক্তি বাহিনীৰ সদস্য আৰু সমৰ্থকসকলে "ৰাষ্ট্ৰসন্ত্ৰাস"ৰ দ্বাৰা বুজাইছিল অসম আন্দোলনৰ সময়ত পুলিচ-চি আৰ পিৰ গুলীচালনা আৰু নিৰ্যাতন— য'ত ৮০০ৰো ওপৰ যুৱকে প্ৰাণ হেৰুৱাইছিল। আনহাতে গণতান্ত্ৰিক নাগৰিক সমিতিয়ে তাৰ দ্বাৰা বুজাইছিল বিৰোধীসকলৰ বিৰুদ্ধে মুক্তি বাহিনীৰ ধাৰাবাহিক হত্যালীলা। এটা আনটোৰ প্ৰতিক্ৰিয়া হোৱাৰ প্ৰশ্নই নুঠে। কিন্তু মুক্তি বাহিনীৰ হত্যাকাণ্ডসমূহে অসমত ৰাষ্ট্ৰীয় স্বৈৰতন্ত্ৰ চলাৰ সুবিধা কৰি দিয়াটো সঁচা।

সংযুক্ত মুক্তি বাহিনীয়ে সৃষ্টি কৰা বিশৃংখলাই যে ৰাইজক বিৰূপ কৰি তুলিছিল, (অগপ দলৰ চৰকাৰৰ খেলিমেলি, অকৰ্মণ্যতা আৰু প্ৰতিশ্ৰুতি পালনত ব্যৰ্থতাৰ লগতে) তাৰ অন্যতম পৰিণাম আছিল শাসক দল হিচাবে হিতেশ্বৰ শইকীয়াৰ প্ৰত্যাৱৰ্তন। শইকীয়া দক্ষ প্ৰশাসক আছিল; কিন্তু তেওঁ শাসন মানে বুজিছিল কেন্দ্ৰৰ আদেশ পালন। অসমৰ আঞ্চলিকতাবাদী ৰাজনীতিৰ প্ৰতি তেওঁৰ আস্থা নাছিল, আৰু সংযুক্ত মুক্তি বাহিনীয়ে তেওঁৰ প্ৰাণনাশৰ চেষ্টা কৰাৰ উপৰি তেওঁৰ নিকট আত্মীয়ক হত্যা কৰিছিল। কিন্তু সংযুক্ত মুক্তি বাহিনী তেতিয়া ৰণক্ষেত্ৰত পৰাজিত হ'লেও অসমত তেওঁলোকৰ যথেষ্ট প্ৰভাৱ প্ৰতিপত্তি আছিল। শইকীয়া মন্ত্ৰীসভাৰ শপত

গ্ৰহণৰ দিনাই চৌদ্ধজন মন্ত্ৰীক অপহৰণ কৰি নিছিল। শইকীয়াই দূৰদৰ্শন যোগে শান্তিপূৰ্ণ মীমাংসাৰ বাবে আহ্বান দি কৈছিল যে মুক্তি বাহিনীৰ দাবীসমূহ চৰকাৰে সম্পূৰ্ণ নিৰাধাৰ বুলি ভবা নাই!!

কিন্তু সেই প্ৰতিশ্ৰুতি উদ্বেগৰ মুহূৰ্তত যিমান আন্তৰিকতাৰে শইকীয়াই দিছিল কাৰ্যক্ষেত্ৰত সিমানখিনি নিষ্ঠা দেখা নগ'ল। বৰং তেওঁ মুক্তি বাহিনীৰ একাংশ নেতাক, তেওঁলোক বন্দী হোৱাৰ পিছত, নিজৰ ফলীয়া কৰি ল'লে, আৰু সেইসকল নেতা আৰু তেওঁলোকৰ অনুগামীসকলক Surrendered ULFA, SULFA, "ছালফা" নামধাৰী এক বেচৰকাৰী সশস্ত্ৰ বাহিনীত পৰিণত কৰিলে। তেওঁলোকক "মূল সুঁতি'লৈ ঘূৰাই অনাৰ নামত ঠিকা-ঠুকলি আদিৰে ধন উপাৰ্জনৰ যথেষ্ট সুবিধা কৰি দিলে। আলোচনাবিৰোধী সকলৰ পৰা আত্মৰক্ষা কৰিবলৈ তেওঁলোকক আগ্নেয়াস্ত্ৰ ৰখাৰ অনুমতি দিয়া হ'ল। কিন্তু সাধাৰণ মানুহৰ লগত, সমাজৰ লগত, তেওঁলোকৰ নতুন যোগাযোগ স্থাপিত নহ'ল। নতুনকৈ প্ৰচুৰ ধন-ক্ষমতাৰ অধিকাৰী হৈ আৰু চৰকাৰী মহলৰ সমৰ্থন লৈ তেওঁলোকে সংযুক্ত মুক্তি বাহিনী আৰু সেনাবাহিনীৰ সংঘৰ্ষত প্ৰায় অৰাজক অৱস্থা পোৱা পৰিৱেশত ধন-ক্ষমতাৰ অবাধ প্ৰয়োগ আৰু দাম্ভিক প্ৰদৰ্শনেৰে ৰাইজৰ ঘৃণা-বিদ্বেষহে বুটলিলে। কেবাজনকো আলোচনাবিৰোধীয়ে হত্যা কৰিলে। অৱশেষত আত্মৰক্ষাৰ তাড়নাত তেওঁলোকৰ বহুতেই চৰকাৰী নিৰাপত্তাবাহিনী আৰু সেনাবাহিনীৰ চিকাৰী কুকুৰত পৰিণত হ'ল। মাজে সময়ে উদণ্ড আচৰণ কৰি সমাজৰ আস্থা সম্পূৰ্ণৰূপে হেৰুৱালে। কিন্তু তলৰ স্তৰৰ বহু সাধাৰণ সদস্যই সংগঠনৰ পৰা অব্যাহতি লৈ অতি কষ্টে সৎ জীৱন যাপন কৰিছিল।

অসমৰ পৰা সংযুক্ত মুক্তি বাহিনীক সম্পূৰ্ণৰূপে উৎখাত কৰাৰ ব্ৰতত যেন হিতেশ্বৰ শইকীয়াই আত্মোৎসৰ্গ কৰিলে। যিহেতু সেইটো তেওঁৰ শাসনৰ সৰ্বপ্ৰথম আৰু সৰ্বপ্ৰধান লক্ষ্য আছিল, সৰ্বসাধাৰণৰ নিৰাপত্তা, গণতান্ত্ৰিক দেশৰ নাগৰিক অধিকাৰ, উন্নয়নমূলক কাম-কাজ, জনকল্যাণ, এনে সকলো লক্ষ্য উপেক্ষিত হৈ থাকিল। চৰকাৰ প্ৰায় এশ শতাংশই স্বৈৰতন্ত্ৰত পৰিণত হ'ল। তাৰ ছত্ৰছাঁয়াত প্ৰতাপী আমোলা, আৰক্ষী বিষয়া; ৰাজনীতিবিদ আদিয়ে সাধাৰণ মানুহৰ আশা-আকাঙ্ক্ষা ভৰিৰে গচকি অনিয়ম আৰু বিভিন্ন ধৰণৰ দুৰ্নীতিত লিপ্ত হ'ল। সেনা আৰক্ষীৰ হাতত সাধাৰণ মানুহৰ জীৱন, মান-মৰ্যাদা, নিৰাপত্তা নিষ্পিষ্ট হ'ল।

স্বাভাৱিকতে এই পৰিস্থিতিত লাহে লাহে ৰাইজৰ সচেতন গণতান্ত্ৰিক শিবিৰবোৰ ঐক্যবদ্ধ হৈ স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তুলিলে। মুক্তি বাহিনী আৰু তাৰ সমৰ্থকসকলৰ লগত তেওঁলোকৰ পূৰ্বৰ বৈৰী অথবা বিৰোধী গণতান্ত্ৰিক ব্যক্তিসকলৰ সংস্পৰ্শ ঘটিল। সেই সময়ত সদৌ অসম ছাত্ৰ সন্থা, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, মানৱ অধিকাৰ সংগ্ৰাম সমিতি আৰু শৰৎ সিংহ, প্ৰফুল্ল মহন্তৰ দৰে বিৰোধী শিবিৰৰ ৰাজনীতিবিদ, জমিয়ত উলেমা-ই-হিন্দৰ নেতা মৌলানা আবদুল হক, পৰাগ দাস, অজিত ভূঞাৰ দৰে সংযুক্ত মুক্তি বাহিনীৰ সমৰ্থক সাংবাদিক, ধীৰেন বেজবৰুৱা, ৰাধিকা মোহন ভাগৱতী আৰু বৰ্তমান লেখকৰ দৰে সাংবাদিক-বুদ্ধিজীৱী কেতিয়াবা একগোট হৈ, কেতিয়াবা একে লক্ষ্য কিন্তু বিভিন্ন পথেৰে, স্বৈৰতন্ত্ৰী শাসন আৰু অনাচাৰৰ বিৰুদ্ধে সংগ্ৰাম চলাইছিল। সভা-সমিতিত বাধা দিয়া হৈছিল, বাক্‌স্বাধীনতা খৰ্ব কৰি বিৰোধী সাংবাদিকক TADA আইনৰ অধীনত বিনা বিচাৰে কাৰাৰুদ্ধ কৰা হৈছিল, কিন্তু ৰাইজৰ গণতান্ত্ৰিক স্বাধীনতাৰ হাবিয়াস ৰুদ্ধ কৰিব পৰা নাছিল চৰকাৰেও। এনে পৰিৱেশত স্বাভাৱিকতে সংযুক্ত মুক্তি বাহিনীয়ে পুনৰ শক্তি সঞ্চয় কৰিব পাৰিছিল। তেওঁলোকে বাছি বাছি কংগ্ৰেছৰ নেতা মন্ত্ৰী আদিক হত্যা কৰিলেও স্বৈৰতন্ত্ৰক ঘৃণা কৰা ৰাইজে তাত বিশেষ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাছিল। কোৱা বাহুল্য, নিজে সজা বন্দীশালৰ ভিতৰত তেখেতৰ অনস্বীকাৰ্য প্ৰশাসনীয় দক্ষতা দেখুৱাবৰ কোনো সুযোগ শইকীয়াই পোৱা নাছিল।

ছাত্ৰসন্থাৰ উদ্যোগত আমাৰ সহযোগিতাত হোৱা প্ৰতিবাদৰ ফলত সেনাবাহিনীৰ নিৰ্মম আতিশয্যৰ বিৰুদ্ধে হিতেশ্বৰ শইকীয়াই ভাস্কৰ বৰুৱাৰ এজনীয়া আয়োগ গঠন কৰি সেনাৰ জোৱান আৰু বিষয়াক দোষী সাব্যস্ত কৰাইছিল। আৰু দুটামান উদাহৰণে প্ৰমাণ কৰে যে যি কাৰণতে নহওক, শইকীয়াই কেতিয়াবা জনমতৰ প্ৰতি সন্মান জনাইছিল। কিন্তু তেওঁৰ কূটকৌশল, বিভাজনৰ ৰাজনীতি আৰু লেকামহীন দমননীতিয়ে ৰাইজৰ স্বীকৃতি বা শ্ৰদ্ধাৰ পৰা তেওঁক বঞ্চিত কৰিছিল। আনকি মেডিকেল, ইঞ্জিনীয়াৰিং কলেজৰ নামভৰ্তি আদি ক্ষেত্ৰতো হস্তক্ষেপ কৰি, প্ৰশাসনীয় সেৱা পৰীক্ষাত প্ৰভাৱ খটুৱাই শইকীয়া আৰু তেওঁৰ অনুচৰসকলে কেউপিনে ধিক্কাৰ অৰ্জন কৰিছিল। দুখৰ বিষয় যে এনে দুৰ্নীতি আৰু স্বজন-তোষণ

শইকীয়াৰ বিদায়ৰ পিছতো পুৰা মাত্ৰাই চলি গৈছিল, কাৰণ শইকীয়াৰ দিনতে সি এক ব্যৱস্থাগত (Systemic) ৰূপ লয়।

সেই পৰিৱেশত নানা সংগ্ৰামী আৰু লক্ষ্যৰ পিনৰ পৰা পৰস্পৰৰ লগত মিল নথকা বিৰোধী দল-সংগঠন মিলি "গণতান্ত্ৰিক অধিকাৰ সুৰক্ষা সমিতি" (GASS বা গছ!!) গঠিত হৈছিল। "গছে"ও ৰাইজৰ মাজত শুভ দিনৰ পুনৰাগমনৰ আশা সঞ্জীৱিত কৰিছিল। সেই কালছোৱাত সংযুক্ত মুক্তি বাহিনীৰ প্ৰকৃত সদস্য বা সন্দেহভাজন সদস্য হত্যা কৰি ইটোৰ ওপৰত সিটো মৰাশ তুলি পে'ট্ৰল ঢালি টায়াৰেৰে জুই লগাই দিয়াৰ দৃশ্য উৎপল বৰুৱা নামৰ এজন ফটোগ্ৰাফাৰৰ প্ৰত্যুৎপন্নমতিতাৰ ফলত আলোকচিত্ৰত ধৰা পৰে। আলোকচিত্ৰখনে সমাজৰ বিবেক জোঁকাৰি গ'ল। তেতিয়া দমন-নীতি আৰু কুশাসনৰ বিৰুদ্ধে দিল্লীৰ চৰকাৰৰ উচ্চতম পৰ্যায়ত গোচৰ দিবলৈ "গছ"ৰ এটা সঁজাতী দল (শৰৎ সিংহ, প্ৰফুল্ল কুমাৰ মহন্ত, বৃন্দাবন গোস্বামী, পাচুগোপাল বৰুৱা, হাইদৰ হুছেইন, দুলাল বৰুৱা আৰু বৰ্তমান লেখকৰে গঠিত) দিল্লীলৈ গৈছিল। সি আছিল গছৰ কাৰ্যকৰীতাৰ শীৰ্ষবিন্দু।

নিৰ্বাচন ওচৰ চাপি অহাত ৰাইজে দমননীতিৰ পৰা উদ্ধাৰ পোৱাৰ পথ যেন বিচাৰি পালে। সকলোৰে গাত উলাহৰ এছাটি বা লাগিল। দুৰ্ভাগ্যবশতঃ "গছ"ৰ উদ্যোক্তাসকলো নিৰ্বাচনী ৰাজনীতিত লিপ্ত হ'ল। ঘাইকৈ পৰাগ দাস, অজিত ভূঞা আৰু মৌলানা হকৰ সহায়ত ৰাজনীতিৰ কুশলী খেলোৱাৰ প্ৰফুল্ল মহন্ত পুনৰ ক্ষমতালৈ আহিল। কিন্তু অভ্যস্ত চাতুৰ্যৰে তেওঁৰ ক্ষমতা আৰু প্ৰভাৱৰ পৰিসৰ মহন্তই কাকো জানিবলৈ দিয়া নাছিল। পৰাগ দাস, অজিত ভূঞা, অতুল বৰা— সকলোৰেই ভাবিছিল মহন্তক তেওঁলোকে ইচ্ছামতে চলাই লৈ ফুৰিব পাৰিব। প্ৰত্যেকেই এদিন ভয়ানকভাৱে চমকিত হৈ উপলব্ধি কৰিছিল যে মহন্তৰ কৌশলৰ সমুখত তেওঁলোক শিশু ছৱাল মাত্ৰ। হয়তো প্ৰভাৱৰ মৰীচিকাই তেওঁলোকৰ বিচাৰবুদ্ধি আচ্ছন্ন কৰিছিল।

নাটকীয়ভাৱে মহন্ত মুখ্যমন্ত্ৰীৰ আসনত বহাৰ দিনাই অসম প্ৰশাসন, আৰক্ষী, চোৰাংচোৱা বিভাগৰ মুৰব্বীসকল পলাই দিল্লী পালেগৈ। নিৰ্বাচনত শইকীয়া বিধ্বস্ত হ'ব বুলি তেওঁলোকে ভবাই নাছিল। শইকীয়াই নিজেও পুৰণা ৰোগত বেয়াকৈ আক্ৰান্ত হৈ মৃত্যুবৰণ কৰিলে।

অগপ চৰকাৰৰ দ্বিতীয় শাসনকাল কম বেছি পৰিমাণে আটাইৰে মনত আছে। কিন্তু সংযুক্ত মুক্তি বাহিনীয়ে মহন্তৰ পৰাও আশানুৰূপ সমৰ্থন

নাপালে। সংবিধানৰ গণ্ডীৰ ভিতৰত মহন্তৰ পৰা তেনে সমৰ্থন বিচৰাও দুৰাশা আছিল। ফলত পুনৰ "আলফা সমস্যা"ই বেয়াকৈ উক দিলে। মহন্ত মন্ত্ৰীসভাৰো এজন সদস্য মুক্তি বাহিনীৰ হাতত নিহত হ'ল, আন এজনে কথমপি মৃত্যুৰ পৰা বাচিল। অৱশেষত মহন্তও আততীয়াৰ আক্ৰমণৰ সন্মুখীন হ'ল। অগপ— আলফা সংঘাতে চূড়ান্ত ৰূপ ল'লে।

এই সময়ছোৱাত গণতান্ত্ৰিক বুদ্ধিজীৱী অধিকাংশৰ স্খলন আছিল দুখ লগা। চৰকাৰে ছটিয়াই দিয়া ধন ক্ষমতা খ্যাতিৰ লোভত তেওঁলোকে গণতান্ত্ৰিক সংগ্ৰামৰ আদৰ্শ আৰু প্ৰতিশ্ৰুতি পাহৰি তোষামোদত নিমগ্ন হৈছিল। তাকেই "জনমত" বুলি প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলিছিল। বাতৰিকাকতো নানা উপায়ে লেকাম লগোৱা হৈছিল।

এই পৰ্যায়ৰ ৰোমহৰ্ষক বৈশিষ্ট্য আছিল গুপ্ত হত্যা। প্ৰথমে আলফাৰ সদস্য বা সমৰ্থকক গোপনে হত্যা কৰি টুকুৰাটুকুৰকৈ কাটি নদীত ভহাই দিয়া হৈছিল। মৃতদেহৰ টুকুৰা— যেনে মূৰ, হাত, ভৰি— বেলেগে বেলেগে উটি আহি কোনো ঠাইত যেতিয়া নদীৰ পাৰত লাগি ধৰি স্থানীয় ৰাইজক বিচলিত কৰিছিল, তৎক্ষণাৎ আৰক্ষী মহলে তাত ভূত-প্ৰেতৰ লীলা চলিছে বুলি ভয় খুৱাই সেই ঠাইখনৰ পৰা ৰাইজক বহু যোজন দূৰত ৰাখিছিল। তাৰ পিছত আহিল দিবালোকত অজ্ঞাত অচিন আততায়ীৰ দ্বাৰা আলফাৰ সমৰ্থক বা আত্মীয়-কুটুম্বক হত্যা কৰাৰ ভয়াবহ চক্ৰান্ত। এনে গুপ্ত হত্যাৰ প্ৰথম বলি আছিল তেজস্বী যুৱ সাংবাদিক পৰাগ দাস। তাৰ আটাইতকৈ পৈশাচিক নিদৰ্শন আছিল মিথিংগা দৈমাৰীৰ অৰাজনৈতিক ভ্ৰাতৃ, বৌৱেক, মাক আদি তেওঁৰ পিতৃ আৰু ভতিজাকক বাদ দি পৰিয়ালৰ সকলোকে হত্যা কৰাৰ ঘটনা। খগেন শইকীয়া আয়োগে পৰৱৰ্তী এনে বহু ঘটনাত চক্ৰান্তৰ উমান পাইছিল আৰু বিতং তদন্তৰ পৰামৰ্শও দিছিল। সেই পৰামৰ্শ আজিও কাৰ্যকৰী কৰা নহ'ল।

মহন্তৰ কাৰ্যকালৰ ওৰ পৰে এনেবোৰ ঘটনাৰ পৰিণাম স্বৰূপে। তাৰ পিছত আহিল তৰুণ গগৈ চৰকাৰ। গগৈ চৰকাৰৰ দিনতে পোনপ্ৰথমে পৰেশ বৰুৱাৰ উদ্যোগ আৰু মামনি ৰয়চম গোস্বামীৰ মধ্যস্থতাত কেন্দ্ৰৰ লগত আলফাৰ আলোচনাৰ প্ৰস্তুতি চলোৱা হৈছিল। PCG (পি-চি-জি)ৰ লগত কেন্দ্ৰৰ বৈঠকত প্ৰধানমন্ত্ৰীও প্ৰথমতে উপস্থিত আছিল। কিন্তু যিমান দূৰ জনা যায়

আলফা সাৰ্বভৌমত্বৰ দাবীত অটল হৈ থকা বাবে কেন্দ্ৰই আলোচনাৰ প্ৰতি আগ্ৰহ নেদেখুৱালে।

সম্প্ৰতি সন্মিলিত জাতীয় অভিবৰ্তনৰ জড়িয়তে এই লেখক আৰু দহজন বিশিষ্ট নাগৰিকৰ উদ্যোগত আলোচনা পুনৰজীৱিত কৰাৰ প্ৰচেষ্টা চলি আছে। সেই বিষয়ে নানা বাদানুবাদ মাধ্যমসমূহত চলি আছে। আন কেইগৰাকী হ'ল ডঃ ইন্দিৰা গোস্বামী, ডঃ নিৰ্মল কুমাৰ চৌধুৰি, শ্ৰীযুত হৰে কৃষ্ণ ডেকা, শ্ৰীযুত হিৰণ্য কুমাৰ ভট্টাচাৰ্য্য, শ্ৰীযুত ৰোহিণী কুমাৰ বৰুৱা, শ্ৰীযুত ইন্দ্ৰধৰ দেউৰি, শ্ৰীযুত ৰত্নেশ্বৰ বসুমাতাৰি, অধ্যাপক খোৰছেদ আলম্, শ্ৰী দিলীপ পাটগিৰি, লাচিত বৰদলৈ (বৰ্তমান অব্যাহতি লৈছে)। অসমৰ ৰাজনৈতিক জীৱনত ই এক উল্লেখযোগ্য পৰ্ব। তাৰ পৰিণতি যিয়েই নহওক, তাৰ তাৎপৰ্য ভৱিষ্যতেও থাকিব। সেয়ে নব্বৈৰ দশকৰ পৰা আজিলৈকে ঘটা ঘটনাৱলী সম্পৰ্কে লিখা আমাৰ সমসাময়িক নিবন্ধবোৰ দলিলৰূপে সংকলন কৰা হ'ল। তপতে তপতে দিয়া তৎকালীন মন্তব্যবোৰ ঘটনাপ্ৰবাহৰ জীৱন্ত ৰূপ এটা দাঙি ধৰাৰ উপৰি সংযুক্ত মুক্তি বাহিনীৰ শক্তি আৰু দুৰ্বলতাৰ বিষয়ে সামগ্ৰিক ধাৰণা কৰাত পাঠকক সহায় কৰিব। তাৰ পৰৱৰ্তী কালছোৱাত সন্মিলিত জাতীয় অভিবৰ্তনৰ "দিক্ নিৰ্ণায়ক সমিতি"ৰ অন্তৰ্ভুক্ত হৈছিল শ্ৰীযুতা দীপালি চলিহা (শিৱসাগৰ), শ্ৰীযুত ৰমনী বৰ্মন (নলবাৰী), শ্ৰীযুত প্ৰদীপ শইকীয়া (নগাঁও), শ্ৰীযুত অৰুণ গোস্বামী (দেৰগাঁও), শ্ৰীযুত অম্বিকাচৰণ চৌধুৰী (বঙ্গাইগাঁও), ডঃ মংগল সিং হাজোৱাৰী (কোক্ৰাঝাৰ), ডঃ বসন্ত দলে (ধেমাজী), শ্ৰীযুত পূৰ্ণেশ্বৰ নাথ (তেজপুৰ)।

আলফাৰ বিষয়ে আকৌ এবাৰ ভি পিৰ বিদ্যাৰম্ভ

আলফাৰ বিষয়ে আকৌ এবাৰ

অসম গণ পৰিষদৰ হাতত বঁটা পোৱা, আৰু অসম গণ পৰিষদৰ হাতত গতা খোৱা— এই দুই শ্ৰেণীৰ বহু লোকেই আলফাৰ প্ৰশংসাত মতলীয়া হৈছে। বুজা যায় যে দুয়ো শ্ৰেণীৰে আলফাৰ পৰা কিবা প্ৰত্যাশা আছে। আমি দুয়ো শ্ৰেণীতে নপৰো। সেয়ে আমি ধৰি লৈছো যে উচিত কওঁতা বন্ধু বুলি আমাৰ প্ৰতি বন্দুক নোটোঁৱাই আলফাই আমাৰ কথাবোৰ বিবেচনা কৰিব। এতিয়াও বিশেষ লোকচান নোহোৱাকৈ আন বাটে যোৱাৰ সুযোগ তেওঁলোকৰ আছে। বন্দুকেই সমস্যা সমাধানৰ উপায় হোৱা হ'লে লে'বানন আৰু শ্ৰীলংকাত হত্যালীলাৰ কেতিয়াবাই ওৰ পৰিলহেঁতেন।

এসময়ত অসম আন্দোলনৰ ছাত্ৰনেতাসকলক প্ৰশংসাৰ বেলুনেৰে আকাশলৈ যিসকলে উৰাই পঠিয়াইছিল, তেওঁলোকে আলফাতকৈ ক্ষিপ্ৰগতিৰে আমাৰ প্ৰতি শৰনিক্ষেপ কৰিছে। ১৪ ডিচেম্বৰৰ 'প্ৰসংগ ক্ৰমে' ওলালহে মাত্ৰ তাৰ ওপৰত টিপ্পনী বজাৰত তৎমুহূৰ্ততে ওলাই গ'ল। আমাৰ অৱশ্যে ধাৰণা এই টিপ্পনীবোৰ আলফাৰ কাৰ্যপন্থাৰ দৰেই অপৰিণামদৰ্শী আৰু অপৰিণত বুদ্ধি। এইবোৰ টিপ্পনীত এটা যুক্তিতে বেছি জোৰ দিয়া হৈছেঃ আমি ভবাদৰে আলফা 'পাফু' বা 'ৰবিন হুড'ৰ লেখীয়া নহয়, তেওঁলোক সমাজ তন্ত্ৰত বিশ্বাসী বিপ্লৱী।

কোনো এটা দলে নিজৰ বিষয়ে যি কথা কয়, সেয়েই তেওঁলোকৰ নিৰ্ভুল পৰিচয় নহয়। সমাজতন্ত্ৰত বিশ্বাসী বুলি ভাৰতৰ বহুত প্ৰতিক্ৰিয়াশীল দলেই নিজৰ কথা কয়! দলৰ লক্ষ্য, কাৰ্যপন্থা, সামাজিক ভিত্তি আদি পৰীক্ষা কৰিহে এইক্ষেত্ৰত এটা মোটামুটি সঠিক সিদ্ধান্তত উপনীত হ'ব পাৰি।

'পাফু' বা 'ৰবিন হুড'ৰ (অথবা চম্বলৰ ডকাইত মান সিঙৰ) উদ্দেশ্য বেয়া আছিল বা মনোভাৱ অসৎ আছিল বুলি কোনেও নকয়। তেওঁলোকে হেনো

শোষক শ্ৰেণীৰ লোকৰ ধন-সম্পত্তি ডকাইতি কৰি দৰিদ্ৰ আৰু অভাৱগ্ৰস্ত জনৰ মাজত বিলাই দিছিল। বহু দৰিদ্ৰ লোকে মানসিঙক অন্তৰেৰে ভক্তি কৰিছিল। কিন্তু সমাজৰ সংগ্ৰাম আৰু বৈপ্লৱিক ৰূপান্তৰত এনে ধৰণৰ নেতাই কোনো বৰঙণি যোগাব পাৰে বুলি আমি নাভাবো। সমাজৰ নিপীড়িত নিৰ্যাতিত সকলৰ লগত একাত্ম হৈ, তেওঁলোকৰ সুখ-দুখৰ সমভাগী হৈ তেওঁলোকক সংগঠিত কৰি, তেওঁলোকৰ সংগ্ৰামত নেতৃত্ব দিয়া লোককহে আমি বিপ্লৱী সমাজতন্ত্ৰবাদী বুলিব পাৰো। এনে ধৰণৰ দলেহে স্থায়ীভাৱে সমাজৰ ৰূপান্তৰ ঘটাব পাৰে।

এই যুক্তি নমনা মানুহক আমি ভাবি চাবলৈ অনুৰোধ কৰোঁ, চাৰু মজুমদাৰৰ দিনত সশস্ত্ৰ বিপ্লৱৰ নামত সন্ত্ৰাস আৰু খতম অভিযান চলোৱা 'নক্সালাইট'সকলৰ অভিজ্ঞতা কি হৈছিল। তেওঁলোকৰ বেছিভাগেই এতিয়া গণ সংগঠন আৰু গণ সংগ্ৰামৰ ওপৰত গুৰুত্ব দিছে, নিৰ্বাচনকো অৱহেলা কৰা নাই। তাৰ পৰা শিক্ষা লোৱাত বাধা কি? আজি যে ৰাজ্যৰ চাৰিওপিনে 'নকল আলফা' ওলাই মানুহক জুলুম কৰা বুলি টিপ্পনীকাৰ সকলে নিজেই স্বীকাৰ কৰিছে, তাৰ সুযোগ সিহঁতে কেনেকৈ পালে? আলফাৰ কাৰ্যপন্থাই সিহঁতৰ সুযোগ দিয়া নাইনে? সমাজৰ বাহিৰত অৱস্থান লৈ বন্দুকৰ জোৰত সমাজখন বদলাব খুজিলে এনে ঘটনাই ঘটিব। হঠকাৰী লোকসকলক সদায় উচটনি দিয়ে সুবিধাবাদী বুদ্ধিজীৱীয়ে— এইটো ভাৰতৰ বিভিন্ন ঠাইত ৰাইজৰ অভিজ্ঞতা। টিপ্পনীকাৰসকল অসম স্বাধীন কৰাৰ উদ্দেশ্য সম্পৰ্কে নীৰৱ কিয়? তেওঁলোকেও সুবিধাবাদৰ কবলত পৰি আলফাৰ ডেকা কৰ্মীসকলক উচটাব খুজিছে নেকি?

আজিৰ অসম, ২২ ডিচেম্বৰ, ১৯৮৯

(কুৰি বছৰৰ আগৰ এক সাক্ষাৎকাৰ)

'আলফা'ৰ ভৱিষ্যৎ কি?

১। **প্ৰশ্ন ঃ** আলফা সংগঠনটোৰ জন্মৰ কাৰণ কি বুলি আপুনি ভাবে? সংগঠনটিৰ জন্মই আপোনাৰ মনত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে?

ড° গোহাঁই ঃ অসম আন্দোলনৰ মাজেদি অসমীয়া মানুহৰ কিছুমান গুৰুতৰ অভাৱ-অভিযোগ প্ৰকাশ পাইছিল। কেন্দ্ৰীয় চৰকাৰ আৰু ভাৰতৰ শোষক গোষ্ঠীয়ে অসমৰ উন্নতিৰ প্ৰতি মনোযোগ নিদিয়া কাৰণে সেইবোৰ অভাৱ-অভিযোগৰ সৃষ্টি হৈছিল বুলি অসমীয়া মানুহে ভাবিছিল। আন্দোলনৰ সময়ত চৰকাৰৰ অত্যাচাৰ উৎপীড়নে এচাম যুৱকৰ মাজত সশস্ত্ৰ সংগ্ৰামৰ প্ৰতি ধাউতি জন্মালে। অৰ্থাৎ অসম আন্দোলনৰ পৰাই 'আলফা'ৰ জন্ম বুলি মোৰ ধাৰণা।

সংগঠনটোৰ জন্মই প্ৰমাণ কৰে যে অসমৰ অভাৱ অভিযোগবোৰৰ কোনো যথাযথ সমাধান আজিও নহ'ল। আনহাতে সশস্ত্ৰ সংগ্ৰামৰ সহায়েৰে সেইবোৰ সমস্যা সমাধান কৰিবলৈ গ'লে নানা খেলিমেলি হ'ব বুলি মোৰ সংশয় হয়।

২। **প্ৰশ্ন ঃ** "আলফা"ৰ কাৰ্যপন্থা আৰু উদ্দেশ্য সম্বন্ধে আপোনাৰ মতামত কি?

ড° গোহাঁই ঃ "আলফা"ই অসমীয়া ৰাইজক সমস্যাৰ পৰা মুক্ত কৰিবলৈ প্ৰথমতে অসমক স্বাধীন কৰিব বিচাৰিছে। এই দুয়োটা বস্তুৰ প্ৰতি মোৰ সন্দেহ আছে। কাৰণ ইয়াৰ ফলত প্ৰথমতে ভাৰতৰ অন্যান্য শোষিত সংগ্ৰামী জনগণৰ লগত আমাৰ যোগাযোগ নাথাকিব। আৰু দ্বিতীয়তে এতিয়াই সশস্ত্ৰ সংগ্ৰাম আৰম্ভ কৰিলে জন-সাধাৰণ সচেতন আৰু সংগঠিত হ'বলৈ সুযোগ নাপাব।

৩। **প্ৰশ্ন** ঃ অসমৰ ঔপনিবেশিক শোষণ আৰু পুঁজিবাদ ধ্বংস কৰিবলৈ 'আলফা'ই বৰ্তমান যি ব্যৱস্থা হাতত লৈছে সি যুক্তি সংগত হয়নে নহয়?

ড° গোহাঁই ঃ আলফাই বস্তু-বেহানিৰ দামো কমাব পৰা নাই, বাহিৰৰ ব্যৱসায়ীক অসমৰ মানুহৰ সুবিধাৰ্থে উদ্যোগ আদি খুলিবলৈকো বাধ্য কৰিব পৰা নাই আৰু তেল-চাহৰ পৰা অসমৰ উপাৰ্জন বৃদ্ধি কৰাৰো কোনো ব্যৱস্থা কৰিব পৰা নাই। কেৱল কেইজনমান ব্যৱসায়ীক হত্যা কৰিছে আৰু বাকী সকলৰ পৰা চান্দা লৈছে। সি কেনেকৈ ঔপনিবেশিক শোষণ বন্ধ কৰিব পাৰে মই বুজি নাপাওঁ।

৪। **প্ৰশ্ন** ঃ সমাজ সংগঠনমূলক কাম-কাজৰ মাজেদি সংগঠনটোৱে ৰাইজৰ প্ৰিয়ভাজন হ'বও পাৰিছে। ভৱিষ্যতলৈ "আলফা"ৰ এই জনপ্ৰিয়তা অক্ষুণ্ণ থাকিব বুলি আপুনি ভাবেনে? সংগঠনটোৰ ভৱিষ্যৎ সম্পৰ্কে আপোনাৰ ধাৰণা কেনেকুৱা?

ড° গোহাঁই ঃ সমাজ সংস্কাৰমূলক যিবোৰ কাম কৰিছে তাৰ পৰা সমাজ সংস্কাৰ হোৱা বুলি কব নোৱাৰি। কাৰণ বন্দুকৰ ভয় আঁতৰি গ'লেই মদ বেপাৰী, জুৱাৰী আৰু নাৰী ব্যৱসায়ীৰ দল পুনৰ সক্ৰিয় হৈ পৰিব। সমাজৰ গাঠনিৰ পৰিৱৰ্তন নহ'লে এনেবোৰ সংস্কাৰ ক্ষণস্থায়ী হয়। ভৱিষ্যতে আলফাৰ লগত যদি কেন্দ্ৰীয় সেনা বাহিনীৰ যুদ্ধ লাগে, তেতিয়া তাৰ ফলাফল কি হয় ক'ব পৰা নাযায়। সামাজিক অস্থিৰতা বাঢ়িলে সৰ্বসাধাৰণ ৰাইজে আলফাক সমৰ্থন কৰে নে নকৰে এতিয়াই ক'ব নোৱাৰি। আলফাৰ লক্ষ্য আৰু কাৰ্য পদ্ধতি সলনি নহ'লে, কেন্দ্ৰীয় চৰকাৰৰ সৈন্য বাহিনীৰ লগত আলফাৰ সংঘৰ্ষ অনিবাৰ্য। এনেহ'লে অসমত নানা অৰ্থনৈতিক ক্ষতি আৰু সামাজিক বেমেজালি হোৱাৰ আশংকা আছে।

সূৰ্যস্নান, মাৰ্চ ১৯৯০

আলফাৰ বিষয়ে ৰটনা আৰু ঘটনা

সম্প্ৰতি ULFA সম্পৰ্কে কলিকতাৰ কাকতে-পত্ৰই খুব লিখা-লিখি হৈছে। বহিৰাগতৰ বাবে অসমত শিল্প ব্যৱসায় নিষিদ্ধ— কথাষাৰ মানি ল'বলৈ বহুতে টান পাইছে। কেন্দ্ৰীয় চৰকাৰক কিছুমানে অনুৰোধ কৰিছে যাতে আলফাৰ ভাবুকিৰ পৰা অনা-অসমীয়া ব্যৱসায়ী আৰু শিল্পপতিসকলক মুক্ত কৰে।

এনে সময়তে কলিকতাত থকা অসমৰ চাহ কোম্পানীবোৰৰ প্ৰধান কাৰ্যালয়বোৰৰ পৰা পইচা দাবী কৰি ফুৰা চাৰিজন যুৱকক অসম ভৱনত কলিকতাৰ পুলিচে গ্ৰেপ্তাৰ কৰিলে। তেওঁলোকক ULFAৰ অগ্ৰদূত বুলি এচাম চাঞ্চল্যপ্ৰেমী সাংবাদিকে হুলস্থূল লগালে। পিছত দেখা গ'ল, তেওঁলোকৰ উপাধি পোদ্দাৰ, আগৰৱালা, এনে ধৰণৰ। কোৱা বাহুল্য এনে ধৰণৰ সাংবাদিকতাই অৱশেষত জনমত গঠন কৰাতকৈ জনমত বিভ্ৰান্তহে কৰে।

সন্দেহ নাই যে ULFAৰ বিষয়ে ওলোৱা কেতবোৰ খবৰ-বাতৰি এনে ধৰণৰ। কিন্তু ULFAৰ কাৰ্যপদ্ধতিত থকা বিসংগতিবোৰৰ বাবেই নিশ্চয় এনে ঘটনা ঘটিব পাৰিছে। সেই সম্ভাৱনা সম্পৰ্কে উচিত সময়তে কেইবাগৰাকীও বিশিষ্ট লেখক আৰু সাংবাদিকে সঁকীয়াই দিছিল। কিন্তু তেওঁলোকৰ সঁকীয়নিলৈ কাণ নকৰা বাবে আজি এনে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। ধেমাজিৰ পৰা এগৰাকী ভদ্ৰলোকে মোলৈ চিঠি এখন দিছে ULFAৰ সমাজ সেৱাৰ বিষয়ে। তেওঁ লিখা কথাখিনি বিশেষ উদ্বেগজনক, কাৰণ তেওঁ মিছা ৰটনা কৰা মানুহ নহয়। তেওঁ লিখা মতে ULFA ই বাট-পথ নিৰ্মাণ, মথাউৰি মেৰামতি, আদি জনকল্যাণমূলক কাম-বন যি ধৰণে সংগঠন আৰু পৰিচালনা কৰিছে, তাত ভুক্তভোগী স্থানীয় ৰাইজ অতিশয় অসন্তুষ্ট আৰু ক্ষুব্ধ। কোনো এখন ঠাইত এটা আলিবাট বান্ধিবৰ বাবে বোলে বি ডি অ', ডাক্তৰকে আদি

কৰি বনুৱা হজুৱাকে ধৰি সকলো সমৰ্থ মানুহকে ন'টিচ দি লৈ যোৱা হ'ল। কিন্তু আলিবন্ধা কামত হেনো ULFAৰ কোনো নেতা বা কৰ্মীয়ে অংশগ্ৰহণ নকৰিলে। তেওঁলোকে বোলে কেৱল কান্ধত বন্দুক ওলোমাই লৈ মটৰ চাইকেলত উঠি কৰ্মব্যস্ত মানুহৰ মাজে মাজে ঘূৰি কামৰ তদাৰক কৰিলে ঠিকাদাৰৰ দৰে। কামত ভুল কৰা বাবে নাইবা পলম কৰা বাবে শ্ৰমদান কৰা কোনো কোনো লোকক অতি কৰ্কশভাৱে ধমক দিলে ULFAৰ কৰ্মীয়ে। বন্দুকৰ ভয়ত নীৰৱ হৈ থাকিলেও ৰাইজ হেনো বিতুষ্ট।

কোৱা বাহুল্য যে এনে নেতৃত্বৰ ফলত 'হিতে বিপৰীত' হোৱাৰ সম্ভাৱনা। চৰকাৰে ULFAৰ বিৰুদ্ধে দমন-নিৰ্যাতনৰ পন্থা গ্ৰহণ কৰিলে এনেদৰে বিতুষ্ট হৈ পৰা ৰাইজে মৌন হৈ সম্মতি জনোৱাৰ সম্ভাৱনাহে বেছি। এই ধৰণৰ স্বেচ্ছাচাৰী আৰু কৰ্কশ নেতৃত্বই জানো সমাজৰ ৰূপান্তৰৰ প্ৰতি ৰাইজক আগ্ৰহী কৰিব পাৰিব? বৰং জনসাধাৰণৰ পৰা এনে নেতৃত্ব বিচ্ছিন্ন হোৱাৰ ভয়হে বেছি। তাহানি হেনো যীশু খ্ৰীষ্টৰ শিষ্যসকলৰ মাজত কোন ডাঙৰ, কোন সৰু, তাকে লৈ উখনাউখনি লাগিছিল। তেতিয়া যীশুৱে কৈছিল, আটাইতকৈ যদি ডাঙৰ হ'ব খুজিছা তেন্তে সকলোৰে সেৱক হ'বলৈ শিকা। আজিও বোধহয় সফল নেতৃত্বৰ মূল সূত্ৰ ইয়াতকৈ বেলেগ নহয়। ৰাইজৰ ভাগ্যনিয়ন্তাৰ আসনত নিজকে বহুৱাই লৈ ৰাইজৰ নেতৃত্ব দিব নোৱাৰি।

সৰ্বভাৰতীয় শক্তিবোৰে যে অসমক অন্যায় কৰা নাই তেনে নহয়। বৃহৎ পুঁজি আৰু কেন্দ্ৰীভূত ৰাষ্ট্ৰই ইমান সহজে দিক্ পৰিৱৰ্তন কৰিব নোৱাৰে। এটা উদাহৰণ দিয়া যাওক। অসমৰ তেল কেৱল অসমতে ব্যৱহাৰ হ'ব লাগে বুলি অসমৰ মানুহে কেতিয়াও কোৱা নাই। সেই তেল ভাৰতৰ সকলো ঠাইলৈকে যাওক। কিন্তু অসমৰ মানুহৰ চকুত ধূলি মাৰি খাৰুৱা তেল বাহিৰলৈ নি অসমত তেলশোধনৰ ব্যৱস্থা সীমাবদ্ধ ৰখাৰ চক্ৰান্ত কৰা হয় কিয়? এনেবোৰ কাৰণতে ULFAৰ দৰে বিচ্ছিন্নতাবাদী সংগঠনে ৰাইজৰ সমৰ্থন লাভ কৰে।

কিন্তু ক্ৰমে আমাৰ মনত সন্দেহ ঘনীভূত হৈছে যে অসম গণ পৰিষদৰ দৰে ULFAও ন্যায্য আঞ্চলিক দাবীবোৰ আন্তৰিকতাৰে আৰু শুদ্ধ পথেৰে দাঙি ধৰিব নোৱাৰা বাবে আঞ্চলিক দাবীবোৰে সিহঁতৰ মৰ্যাদা হেৰুৱাব। আঞ্চলিক আৱেগৰ প্ৰতি হয়তো এদিন সৰ্বসাধাৰণ ৰাইজৰ বিতৃষ্ণাহে জন্মিব।

ULFAৰ নেতা আৰু কৰ্মীসকলে পৰিস্থিতিটো হৃদয়ংগম কৰিছেনে?

"Power comes out of the barrel of a gun"— মাও ছে'-তুঙৰ এই উক্তিৰ প্ৰায়ে অপব্যাখ্যা হয়। সেয়ে মাৰ্ক্সৰ আন এটা উক্তি মনত ৰখা উচিত ঃ "The greatest revolutionary force is the revolutionary masses" Power বা ক্ষমতাৰ প্ৰকৃত উৎস বিপ্লৱী জনগণহে। নহ'লে আমেৰিকাৰ বিয়াগোম কামানে ভিয়েটনামৰ খাজিমৰা বন্দুক কেতিয়াবাই উৰাই দিব পাৰিলেহেঁতেন।

আজিৰ অসম, ২৪ মে' ১৯৯০

আলফা, আছু আৰু অনশন, হিন্দী সম্প্ৰসাৰণবাদনে কৌটিল্যবাদ?

আলফা, আছু আৰু অনশন

ইণ্ডিয়ান অয়লৰ জেনেৰেল মেনেজাৰ হৰকিষণ লাল দাস, তেওঁৰ বৰপুতেক, আৰু গাড়ীৰ চালকক অপহৰণ কৰি আলফাই হীৰকজ্যোতি মহন্ত প্ৰমুখ্যে তিনিজন বন্দীৰ মুক্তিদাবী কৰিছে। দাসৰ পত্নী ভয় আৰু উদ্বেগত শয্যাগতা। পতি-পুত্ৰৰ মুক্তিৰ বাবে তেওঁ আলফাৰ ওচৰত কৰুণ অনুৰোধ জনাইছে।

সন্দেহ নাই যে জম্মু-কাশ্মীৰ লিবাৰেচন ফ্ৰণ্টে মুফটি মহম্মদ ছৈয়িদৰ কন্যাক অপহৰণ কৰি যি দৃষ্টান্ত দেখুৱালে, আলফাই তাকে অনুসৰণ কৰিছে। এইবোৰ ঘটনাই ইংগিত দিয়ে যে বেছিভাগ সন্ত্ৰাসবাদীৰে চৰকাৰী আইন-শৃংখলা যন্ত্ৰৰ প্ৰতি বিশেষ ভয় নাই। তদুপৰি অনুমান কৰা কঠিন নহয় যে অসম গণ পৰিষদৰ এচাম প্ৰধান নেতাৰ লগত তেওঁলোকৰ ঘনিষ্ঠতাৰ বাবেও আলফাৰ নেতা আৰু সদস্যসকলে পুলিচক বেছি ভয় নকৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে অসম গণ পৰিষদ চৰকাৰক বিব্ৰত কৰিব নুখুজি তেওঁলোকৰ হাততে আলফাক নিয়ন্ত্ৰণ কৰাৰ বা শাসন কৰাৰ দায়িত্ব দিছে। আনহাতে আলফাই ভাবিছে যে এই দুৰ্বলতাৰ সুযোগ লৈ অসমত তেওঁলোকৰ প্ৰভাৱ প্ৰতিপত্তি বিস্তাৰ কৰিব। সন্দেহ নাই যে অসম গণ পৰিষদ চৰকাৰৰ দুৰ্বলতাৰ বাবেই আলফাৰ হিংসাত্মক কাৰ্যকলাপ বৃদ্ধি পাইছে।

অসম গণ পৰিষদৰ নেতাসকলে ভাবিছে যে এনেকৈ বেচৰকাৰী দমননীতিৰে অসমৰ ৰাজনীতিত তেওঁলোকৰ ক্ষীয়মান প্ৰভাৱ অক্ষুণ্ণকৈ ৰাখিব পৰা যাব। এই হিচাপ অতি অনিশ্চিত। আলফাৰ যদি নিজস্ব লক্ষ্য থাকে, আৰু যদি আলফাৰ নেতাসকল তৰুণ সদস্য সকলৰ হাতত ধৰা পৰি যাব নালাগে, তেন্তে শীঘ্ৰে তেওঁলোকে অসম গণ পৰিষদৰ আশ্ৰয় এৰি

স্বতন্ত্ৰীয়া নীতি গ্ৰহণ কৰিবই লাগিব। তেতিয়া অসম গণ পৰিষদৰ নেতাসকলৰ অৱস্থা উগ্ৰপন্থীৰ বেহুত বন্দী পঞ্জাৱৰ অকালী নেতা প্ৰকাশ সিং বাদল বা গুৰুচৰণ সিং টোহৰাৰ দৰেই হ'ব।

আলফাই স্পষ্টীকৰণ দি কৈছে যে আলফা-বিৰোধী হ'লেই অসম বিৰোধী নহয়। কিন্তু কাৰ্যক্ষেত্ৰত দেখা গৈছে যে অসম গণ পৰিষদ বিৰোধী হ'লেই অসম বিৰোধী বুলি ধৰা হৈছে। হিতেশ্বৰ শইকীয়াৰ ভায়েক ৰোহিতেশ্বৰ শইকীয়াৰ মৃত্যুদণ্ডৰ কাৰণো তেনেবিধৰ বুলি অনুমান হয়। ৰোহিতেশ্বৰ শইকীয়াই যদি অসমৰ স্বাৰ্থত ক্ষতিগ্ৰস্ত কৰিব পৰা কিবা ভয়ানক ষড়যন্ত্ৰত লিপ্ত হ'লহেঁতেন, তেনেহলে কথা বেলেগ আছিল। কিন্তু তেনে কোনো বিশ্বাসযোগ্য প্ৰমাণ আলফাই দাঙি ধৰা নাই। সেয়ে এই পাশৱিক হত্যাকাণ্ডক আমি তীব্ৰ গৰিহণা দিওঁ আৰু অসমৰ আইন-শৃংখলাৰ দ্ৰুত অৱনতিৰ বাবে আলফাক জগৰীয়া কৰো।

অসমত সম্প্ৰতি সৎ উপায়ে পৰিশ্ৰম কৰি জীৱিকা আৰ্জন কৰাতকৈ ঠগ-জুৱাচুৰি কৰি লাখপতি হোৱাৰ প্ৰতি ডেকাসকলৰ আগ্ৰহ বাঢ়িছে। "কংগ্ৰেছ কালচাৰ", (পিছত অগপ কালচাৰে) অসমৰ সমাজক এনে অৱদানেই দিছে। সেয়ে চুৰি ডকাইতি, বলপ্ৰয়োগ কৰি চান্দা আদায় কৰাৰ মাত্ৰা বাঢ়িছে। ভুৱা আলফাক আলফাই যিমানেই কঠোৰ শাস্তি বিধান নকৰক, ধনৰ লালসাত বলিয়া বহুতো ডেকাই কেৰেপ নকৰে। কোনো কোনো ঠাইত এতিয়া বেংকৰ আগত কিছু সংখ্যক ডেকা বৈ থাকে-টকা তুলি অনা মানুহ দেখিলেই ধনৰ এভাগ দাবী কৰে। আলফাৰ প্ৰভাৱৰ এই বিষাক্ত দিশটো তেওঁলোকৰ নজৰত পৰিছে নে নাই, নাজানো।

সৰ্বসাধাৰণ মানুহক অভয় দি আলফা ৰণক্ষেত্ৰত নামিছে। তেওঁলোক নিজে আইন-শৃংখলাৰ ভক্ত নহয়— তেওঁলোকৰ বাবে তাৰ প্ৰয়োজন নাথাকিবও পাৰে। কিন্তু সৰ্বসাধাৰণৰ বাবে জীৱন, জীৱিকা যৎসামান্য সম্পত্তিৰ নিৰাপত্তা ধেমালিৰ বস্তু নহয়। আলফাই আইন-শৃংখলাৰ অৱনতিত সহায় কৰি সৰ্বসাধাৰণ ৰাইজক বিপদতে পেলাইছে।

জেনেৰেল মেনেজাৰ হৰকিষণ লাল দাসে হীৰকজ্যোতি মহন্ত আদি আলফাৰ কৰ্মীসকল গ্ৰেপ্তাৰ হ'বৰ সময়ত পুলিচক কোনো সহায় কৰা নাছিল। তেওঁ এজন উচ্চ পদস্থ কিন্তু সাধাৰণ প্ৰশাসনীয় বিষয়া, চাকৰিৰ দায়ত অসমলৈ আহিছে। তেওঁক আটক কৰি আৰু হত্যাৰ ভাবুকি দি আলফাই

সুবিবেচনাৰ পৰিচয় দিয়া নাই। কোনো কোনো বিশিষ্ট লোকে তেওঁৰ প্ৰতি ক্ষমাৰ মনোভাৱ ল'বলৈ আলফাৰ ওচৰত গোহাৰি জনাইছে। হৰকিষণ লাল দাসে আলফাৰ ওচৰত কি জগৰ লগাইছে যে তেওঁ ক্ষমাৰ প্ৰত্যাশী হ'ব লাগে? ক্ষমা নহয়, ন্যায়বিচাৰৰ স্বাৰ্থতে হৰকিষণলাল দাসক তুৰন্তে এৰি দিয়া উচিত। কিন্তু ন্যায় অন্যায়বোধ এতিয়াও আলফাৰ মাজত সজীৱ হৈ আছেনে?

পুলিচে দাসৰ অপহৰণৰ তদন্ত কৰিবলৈ গৈ পূৱ গুৱাহাটীৰ দুজন ছাত্ৰ নেতাক গ্ৰেপ্তাৰ কৰিলে। তাৰ প্ৰতিবাদত ছাত্ৰ সন্থাই উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা, অনশন, আদিৰ আয়োজন কৰিলে। ছাত্ৰনেতা দুজনৰ বিৰুদ্ধে স্বামান্যতম সাক্ষ্যপ্ৰমাণ থাকিলেও ঘোষণা কৰিবলৈ অসমৰ ৰাজ্যিক চৰকাৰক প্ৰত্যাহ্বান জনোৱা হ'ল। কিন্তু আচৰিত কথা যে উত্তৰত গৃহবিভাগ তথা পুলিচ কৰ্তৃপক্ষই ৰহস্যময় নীৰৱতা অৱলম্বন কৰিলে। ইয়াৰ কাৰণ কি? ছাত্ৰনেতা দুজন সঁচাকৈ নিৰপৰাধ আছিল নেকি? তেনেহ'লে প্ৰশাসনক তীব্ৰ গৰিহণা দিবই লাগিব। আৰু যদিহে ছাত্ৰনেতা দুজন দোষী, অথচ কিবা কাৰণত পুলিচে প্ৰকাশ্যভাৱে সেই কথা ক'ব নোৱাৰে, তেন্তে পুলিচ প্ৰশাসনক কাপুৰুষালি বা ৰাজনৈতিক দুৰ্নীতিৰ বাবে দোষাৰোপ কৰিব লাগিব। এতিয়া ছাত্ৰ নেতা দুজনক বিনাচৰ্তে মুক্তি দিয়া হ'ল। কিন্তু পুলিচৰ ভূমিকা সম্পৰ্কে প্ৰশ্নবোধক চিন ৰৈ গ'ল।

ছাত্ৰ সন্থাৰ নেতাসকলেও দাবী কৰিছে যে তেওঁলোকৰ সংগঠনৰ কোনো সদস্য আলফাৰ সদস্য নহয়, কাৰণ তেওঁলোক শান্তিপূৰ্ণ আন্দোলনৰ পক্ষপাতী আৰু হিংসাৰ বিৰোধী। ৰাইজৰ বাবে এই ঘোষণাই যথেষ্ট নহয়। ছাত্ৰ সন্থাৰ কোনো সদস্য আলফাৰ লগত জড়িত বুলি প্ৰমাণিত হ'লে তেওঁক বহিষ্কাৰ কৰা হ'বনে? আজিকালি পঢ়া-শুনাৰ বাহিৰে অসমৰ আন সকলো কথাতে ছাত্ৰ সন্থাই মাত মাতে। তেনেস্থলত হৰকিষণ লাল দাসৰ অপহৰণৰ সম্পৰ্কত কোনো মত নিদিলে কিয়? পুলিচে ধৰি নিয়া ছাত্ৰনেতা দুজনৰ মুক্তিৰ বাবে তেওঁলোকে আন্দোলন কৰাটো স্বাভাৱিক। কিন্তু ইণ্ডিয়ান অয়লৰ জেনেৰেল মেনেজাৰৰ অপহৰণ আৰু ৰোহিতেশ্বৰ শইকীয়াৰ মৃত্যু সম্পৰ্কত তেওঁলোকৰ নীৰৱতা অৰ্থবহ।

আমাৰ মনত তিলমানো সন্দেহ নাই যে অসমৰে এচাম বিশিষ্ট নাগৰিক সাংবাদিক আৰু ৰাজনীতিবিদে আলফাৰ প্ৰভাৱ বৃদ্ধিত বিশেষভাৱে সহায়

কৰিছে। তাৰে কিছুমানে এতিয়া আলফাৰ কু-কীৰ্ত্তিত বিব্ৰত হৈ ঘৰিয়ালৰ চকুলো টুকিছে। এনে দুৰাকাংক্ষী "দেশপ্ৰেমিক"ৰ উচটনি আৰু পৰিচালনাতে অসম আন্দোলনে অসমীয়া জাতিক মৃত্যুমুখলৈ ঠেলি দিলে। এতিয়া ইহঁতেই আলফাৰ শক্তিবৃদ্ধি কৰি অসমীয়া জাতিৰ শেষকৃত্য কৰিবলৈ ওলাইছে। সময় থাকোতে যদি সাৱধান নহওঁ সকলো অসমীয়া এদিন অসম এৰি পলাব লাগিব। দুতলীয়া দেশপ্ৰেমিকৰ পৰা (আচলতে আত্মপ্ৰেমিকৰ পৰা) সাৱধান হওক।

হিন্দী সম্প্ৰসাৰণবাদ নে কৌটিল্যবাদ?

দূৰদৰ্শনৰ গুৱাহাটী কেন্দ্ৰৰ পৰা হিন্দী কাৰ্যসূচী প্ৰচাৰিত হ'বলৈ ধৰাত এচাম লোকে তিক্ত প্ৰতিবাদ জনাইছে। তেওঁলোকৰ যুক্তি নিশ্চয় দলিয়াই দিব পৰা বিধৰ নহয়। থলুৱা ভাষা সংস্কৃতিৰ প্ৰচাৰৰ বাবেই গুৱাহাটী কেন্দ্ৰৰ কাৰ্যসূচীৰ তিনিঘণ্টালৈ বঢ়োৱা হৈছে। তাৰ বাহিৰে গোটেই দিনটো হিন্দী ভাষাতে কাৰ্যসূচীৰ প্ৰচাৰিত হয়। এনে স্থলত য'ত অসমৰ আন আন থলুৱা ভাষালৈ কাৰ্যসূচী জাগা নাই, তাত হিন্দীৰ নিয়মিত প্ৰচাৰ কেনেকৈ চলিবলৈ পালে, সি দুৰ্ভাৱনাৰ বিষয়। হিন্দী অথবা কেতিয়াবা বঙালীত কাৰ্যসূচী প্ৰচাৰ হোৱাত আমাৰ আপত্তি নাই। কিন্তু নিয়মিত ভাৱে হিন্দীত কাৰ্যসূচী প্ৰচাৰ হোৱাৰ অৰ্থ থলুৱা ভাষাবোৰক বঞ্চনা কৰা।

শুনা গৈছে, গুৱাহাটী কেন্দ্ৰৰ এজন উচ্চপদস্থ হিন্দীভাষী বিষয়াই এই সিদ্ধান্ত জাৰি কৰিছে। কিন্তু যেতিয়া হিন্দী সম্প্ৰসাৰণ বাদৰ অভিযোগত আলফাই কামৰূপ বণিক সংঘৰ (Kamrup Chamber of commerce) সভাপতিক হত্যা কৰিছে, তেতিয়া এনে উত্তেজনা মূলক সিদ্ধান্ত ল'বলৈ সেই বিষয়াজনে ক'ৰ পৰা সাহস পালে?

ইয়াৰ পৰা দুটা ধাৰণাই মনলৈ আহে। হয় উক্ত বিষয়াজন অন্ধ আৰু মূৰ্খ। নহয় কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশতে তেওঁ এই সিদ্ধান্ত লৈছে। কেন্দ্ৰীয় চৰকাৰে ভালকৈ বুজে যে এই ঘটনাই অসমত উগ্ৰ জাতীয়তাবাদী প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব। আলফাৰ প্ৰতিও ৰাইজৰ পৰোক্ষ সহানুভূতি জন্মিব। সেয়ে ক'ব পাৰি সম্পূৰ্ণ নিজৰ দখলত থকা দূৰদৰ্শন মাধ্যমত কেন্দ্ৰীয় চৰকাৰে এই চাল খেলিছে। প্ৰশ্ন হ'ল, আলফাৰ জনপ্ৰিয়তা বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ এই আগ্ৰহ কিয়?

আজিৰ অসম, ২৭ জুলাই, ১৯৯০

মৃত্যুদণ্ড মকুব হ'ল?

সাংবাদিকৰ বিৰুদ্ধে ফতোৱা জাৰি কৰি আলফাই চাঞ্চল্য সৃষ্টি কৰিছিল, সেই চাঞ্চল্য মাৰ নৌ যাওঁতেই সেই বিষয়ে আলফাই আকৌ মুখ খুলিলে। বিষয়টো যিহেতু ব্যক্তিগত নহয়, ৰাজহুৱা, সেয়ে আমিও আমাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছোঁ।

আলফাৰ এগৰাকী মুখপাত্ৰই কৈছে যে তেওঁলোকে নিৰ্বিচাৰে সাংবাদিকসকলৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰা নাছিল। কেৱল আলফাৰ বিৰুদ্ধে চলোৱা প্ৰচাৰহে বন্ধ কৰিবলৈ ওলাইছিল। নিৰপেক্ষ সাংবাদিকতাৰ ওপৰত তেওঁলোকে হাত দিব খোজা নাই হেনো।

বিপ্লৱী দল হিচাপে আলফাৰ এই বক্তব্যৰ অস্পষ্টতা আৰু দ্ব্যৰ্থবাচকতাত আমি পুনৰ নিৰাশাবাদী হ'বলৈ বাধ্য হৈছোঁ। কামৰূপ জিলাৰ সংযুক্ত মুক্তি বাহিনীৰ অধিনায়ক হীৰেন পাঠকে বাতৰি কাকতলৈ যি হুকুম নামা পঠাইছিল, তাত খোলাখুলিকৈ ঘোষণা কৰা হৈছিল যে আলফাৰ বিনা অনুমতিত আলফাৰ বিষয়ে কিবা খবৰ আদি লিখিলেই মৃত্যুদণ্ড দিয়া হ'ব। আলফাই এতিয়া সেই নিষেধাজ্ঞা তুলি লৈছে নে নাই? আগৰ সিদ্ধান্ত ভুল আছিল নে নাই? তদুপৰি কোৱা হৈছে যে "নিৰপেক্ষ সাংবাদিকতা"ৰ প্ৰতি আলফাৰ কোনো বিৰাগ বা বিদ্বেষ নাই। এতিয়া কথা হ'ল, "নিৰপেক্ষ সাংবাদিকতা" কি বস্তু? আলফাৰ কিবা নীতি বা কাৰ্যকলাপৰ তীব্ৰ সমালোচনা কৰিলে তাক "নিৰপেক্ষ" বোলা হ'ব নে নহয়? নে আলফাৰ প্ৰশংসা কৰিলেহে তাক "নিৰপেক্ষ" বোলা হ'ব?

আলফাৰ মুখপাত্ৰই হৰেকৃষ্ণলাল দাসক অপহৰণ কৰাৰ পিছত ঘটা ঘটনাৱলী সম্পৰ্কেও মত প্ৰকাশ কৰিছে। তেওঁলোকে আৰক্ষী অধীক্ষক দৌলত সিং নেগীৰ লগতে গাড়ীচালকৰ মৃত্যু হোৱাত দুখ প্ৰকাশ কৰিছে আৰু কৈছে যে অসমৰ ৰাইজে এনে অসমবিৰোধী সকলৰ পৰা আঁতৰত

থাকিলে দুৰ্ভাগ্যজনক মৃত্যুৰ হাত সাৰিব পাৰিব। এতিয়া কথা হৈছে, আলফাই "অসমবিৰোধী" সকলৰ তালিকা এখন প্ৰকাশ কৰা নাই। তেওঁলোকে কি যুক্তিত কেতিয়া কাক "অসম বিৰোধী" বোলে, ঠিকনা নাই। তেনেহ'লে সাধাৰণ ৰাইজে কেনেকৈ গম পাব কাৰপৰা আঁতৰি থাকিব লাগে? আৰু গাড়ীচালক আদি চাকৰি কৰা মানুহ আঁতৰি থাকেই বা কেনেকৈ?

আলফাই "অসম বিৰোধী" বুলি হিতেশ্বৰ শইকীয়াৰ এজন ভায়েকক হত্যা কৰিলে। তেওঁ "অসম বিৰোধী" কেনেকৈ হ'ল তাৰ কোনো উল্লেখ তেওঁলোকৰ বিবৃতিত নাই। ইন্দিৰা কংগ্ৰেছক আমিও সমৰ্থন নকৰোঁ আৰু তেওঁলোকৰ কাৰ্যকলাপ বা নীতি দেশৰ বাবে ক্ষতিকৰ বুলি ভাবো। কিন্তু ইন্দিৰা কংগ্ৰেছত যোগ দি কাম কৰিবলৈ অধিকাৰ যিকোনো ব্যক্তিৰে আছে— সেই অধিকাৰ আমি বাতিল কৰিব নোৱাৰো। স্বৰ্গীয় ৰোহিতেশ্বৰ শইকীয়া আছিল ইন্দিৰা কংগ্ৰেছৰ তেনে এজন সদস্য। তেওঁৰ সেইটোৱেই দোষ আছিল নেকি?

সদৌশেষত, আলফাই কৈছে যে তেওঁলোকে বিমূৰ্তভাৱে গণতন্ত্ৰৰ সেৱা কৰিব খোজা নাই। বিপ্লৱৰ স্বাৰ্থতহে তেওঁলোকে গণতন্ত্ৰ সমৰ্থন কৰে। সম্ভৱতঃ তেওঁলোকে ক'বলৈ বিচাৰিছে যে আলফাক সমৰ্থন কৰি কোৱা কথাহে তেওঁলোকে গণতান্ত্ৰিক বুলি মানিব। কাৰণ তেওঁলোকৰ মতে আলফাই বিপ্লৱৰ একমাত্ৰ স্বীকৃত প্ৰহৰী।

কথাটো সিমান সহজ নহয়। বিপ্লৱটো শূন্যত ভাহি নাথাকে। অসম তথা ভাৰতৰ বৰ্তমান পৰিস্থিতিত মুক্ত গণতন্ত্ৰৰ প্ৰতিষ্ঠাইহে বিপ্লৱক আগবঢ়াই নিব পাৰে। নানা ধৰণৰ দমন-পীড়ন আৰু অৱদমনৰ পৰা জনসাধাৰণক মুক্ত কৰাটো গণতন্ত্ৰৰ লক্ষ্য। বাতৰি কাকতৰ স্বাধীনতা তাৰ অন্যতম ভিত্তি। তাৰ জোৰতেই আজি আলফাৰ বক্তব্য বাতৰি-কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশিত হ'ব পাৰিছে। গণতন্ত্ৰ বাতিল হ'লে আলফাৰ মুখতো সোপা পৰিব। সেয়ে গণতন্ত্ৰ সম্পৰ্কে উন্নাসিকতা ভাল লক্ষণ নহয়।

আলফাই সুধিছে, অসমৰ গণতন্ত্ৰবাদীসকলে সৰ্বসাধাৰণ বড়ো ৰাইজৰ ওপৰত পুলিচে চলোৱা অত্যাচাৰৰ প্ৰতিবাদ কৰিছে নে নাই? আমি নকৰাকৈ থকা নাই। সেয়ে এনে কথা ক'বলৈ সাহ কৰিছোঁ।

আজিৰ অসম, ১৮ আগষ্ট, ১৯৯০

আলফাৰ মৃত্যুদণ্ড

এই কথা কাৰো অবিদিত নহয় যে কেন্দ্ৰৰ বৈধ, সাংবিধানিক শোষণ-নিপীড়নৰ বিপৰীতে সংযুক্ত মুক্তি বাহিনীৰ অবৈধ, অসাংবিধানিক বিদ্ৰোহৰ প্ৰতি অসমৰ বহু লোকৰ সহানুভূতি আছে। কিন্তু তেওঁলোকৰ হঠকাৰিতাই অসমৰ গাঁৱে-ভূঞে ভাৰতীয় সেনাবাহিনীক নৃশংস অত্যাচাৰ চলাবলৈ সুযোগ দিলে। তেওঁলোকৰ প্ৰতিৰোধেও চৰকাৰী সেনাবাহিনীক বিশেষ বিব্ৰত কৰা দেখা নগ'ল। আনহাতে অসমীয়া মানুহৰ মাজত তেওঁলোকে বিধান কৰা কেতবোৰ মৃত্যুদণ্ড অন্যায় আৰু অমানুষিক বুলি বিবেচিত হ'ল। এইবোৰ কাৰণত সংযুক্ত মুক্তি বাহিনীৰ প্ৰতি অসমৰ ৰাইজৰ আস্থা বা সমৰ্থন আগৰ দৰে প্ৰবল নহয়।

ৰাইজে আশা কৰিছিল যে ৰাইজৰ এনে মনোভাৱৰ প্ৰতিক্ৰিয়া স্বৰূপে সংযুক্ত মুক্তি বাহিনীয়ে তেওঁলোকৰ আচৰণ আৰু কাৰ্যপন্থাৰ সংশোধন কৰিব। আলোচনাবিৰোধী অংশৰ নেতাসকলে তেনে এক ৰাজহুৱা আশ্বাস দিয়াৰ উপৰি মৃত্যুদণ্ড স্থগিত ৰখা হৈছে বুলি ঘোষণা কৰিছিল। কিন্তু তাৰ পিছত দেখা গৈছে মঙলদৈত তিনিজন লোকক পুলিচৰ গুপ্তচৰ বৃত্তি কৰাৰ অপৰাধত নিষ্ঠুৰভাৱে হত্যা কৰা হৈছে। তাৰ পিছত আন ঠাইতো মৃত্যুদণ্ড দিয়া হৈছে।

এতিয়া প্ৰশ্ন হৈছে, এইবোৰ কিয় আৰু কেনেকৈ হ'ব পাৰে? হয় আঞ্চলিক শাখাসমূহে কেন্দ্ৰীয় কমিটীৰ সিদ্ধান্ত আৰু নিৰ্দেশ মানি চলা নাই, নহয় কেন্দ্ৰীয় কমিটীয়ে মনে মনে সিদ্ধান্ত সলনি কৰিছে। দুয়োটাই সংযুক্ত মুক্তি বাহিনীৰ নেতৃত্বৰ প্ৰতি ৰাইজৰ আস্থা খৰ্ব কৰিব। ৰাইজে ভাবিব, এনে নেতৃত্বই কেনেবাকৈ দেশ স্বাধীন কৰিলেও টোগলকী শাসন চলাব নেকি?

আলোচনাপন্থীসকলৰ কথাও পৰিষ্কাৰ নহয়। যি দেখা গৈছে তেওঁলোকে অসমৰ ভৱিষ্যত সম্পৰ্কে কেন্দ্ৰৰ লগত কোনো আলোচনা কৰিব নোখোজে,

অসমৰ নিৰাপত্তাৰ বাবে কোনো গণ আন্দোলন আদিও কৰিব নোখোজে। তেনে স্থলত তেওঁলোকে খোলাখুলি ৰাজনীতিৰ পৰা অৱসৰ লোৱা বুলি ঘোষণা কৰি জীৱিকা উপাৰ্জনৰ কামত লাগি যাব লাগে। কিন্তু উদ্দেশ্য অস্পষ্ট ৰাখি ৰাইজৰ পৰা সন্মান বিচাৰিলে বিভ্ৰান্তি বৃদ্ধি পাব, আলোচনা বিৰোধীসকলৰ সন্দেহো তীব্ৰ হ'ব।

আজিৰ অসম, ১৫ ডিচেম্বৰ, ১৯৯২

সংযুক্ত মুক্তি বাহিনীৰ নতুন সাংগঠনিক ৰূপ

আজি কিছুদিন ধৰি সকলোৰে সন্দেহ কৰা অথচ সংযুক্ত মুক্তি বাহিনীয়ে দায়িত্ব স্বীকাৰ নকৰা কেতবোৰ হত্যাকাণ্ডই ৰাইজক দুৰ্ভাৱনাত পেলাই আছিল। নিহত লোকসকলৰ অপৰাধ কি, কিয় মৃত্যুদণ্ড দিবলগীয়া হ'ল, সেই বিষয়ে কোনেও একো খা-খবৰ পোৱা নাছিল। নিঃসন্দেহে এনে গুপ্তহত্যাই সংযুক্ত মুক্তি বাহিনীৰ কৰ্মসূচী সম্পৰ্কে সংশয়ৰহে সৃষ্টি কৰিছিল।

সি যি নহওক সম্প্ৰতি বাতৰি কাকতত প্ৰকাশ পাইছে যে সংযুক্ত মুক্তি বাহিনীৰ পদমৰ্যাদা আৰু ক্ষমতাৰ গাঁথনিৰ কিছু সালসলনি কৰি মুখ্য সেনাধ্যক্ষক চতুৰ্থ স্থানত ৰখা হৈছে। তদুপৰি মৃত্যুদণ্ডত দণ্ডিত লোকৰ তালিকা কেন্দ্ৰীয় কমিটীৰ উচ্চতম মহলে বিবেচনা কৰি অনুমোদন কৰিব লাগিব বুলি থিৰাং কৰা হৈছে।

যদি বাতৰিটো সত্য হয় তেনেহ'লে এই প্ৰথমবাৰ সংযুক্ত মুক্তি বাহিনীয়ে স্বীকাৰ কৰিছে যে তেওঁলোকে কাৰ্যকৰী কৰা মৃত্যুদণ্ড বা হত্যাকাণ্ড এটা বিশুদ্ধ সামৰিক সিদ্ধান্ত নহয়— তাৰ এক গুৰুত্বপূৰ্ণ ৰাজনৈতিক দিশ আছে। কেৱল সামৰিক দৃষ্টিভংগী থকা মানুহে যিটো দিশ বিচাৰ কৰিব নোৱাৰে। দ্বিতীয়তে সামৰিক দৃষ্টিভংগীৰ লোকৰ প্ৰতিপত্তিয়ে মাৰাত্মক ৰাজনৈতিক বিচ্যুতি বা ভ্ৰান্তিৰ জন্ম দিছিল। যদি এই নতুন দৃষ্টিকোণ কাৰ্যকৰী হয়, তেনেহ'লে জধেমধে হোৱা আৰু ৰাইজক বিচলিত কৰা হত্যাকাণ্ডবোৰৰ সংখ্যা হ্ৰাস পাব।

কিন্তু আমি দেখিছো যে ইয়াৰ আগতেও এনে হত্যাকাণ্ডত ৰাইজৰ বিৰূপ প্ৰতিক্ৰিয়া হ'লে ঠিক এইধৰণৰ কিবা ঘোষণা কৰা হয়। তিনিমাহৰ পৰা ছমাহলৈ হত্যাকাণ্ড বন্ধ হয়। তাৰ পিচত আকৌ আৰম্ভ হয় ক্লান্তিকৰ জিঘাংসা আৰু নৃশংসতা। এইবাৰো তাৰ পুনৰাবৃত্তি নহ'বতো? সংযুক্ত মুক্তি বাহিনীৰ শৃংখলা তথা নীতিৰ এই দুৰ্বলতা অতিশয় উদ্বেগজনক। ইয়াৰ কাৰণ আমি

আগতেই আঙুলিয়াই দিছো। যথাৰ্থ মতাদৰ্শগত শিক্ষা আৰু অনুশাসন অবিহনে কেৱল সামৰিক শৃংখলাৰ ওপৰত অত্যধিক গুৰুত্ব দিয়া বাবেই কৰ্মসূচীৰ মাজত হত্যাকাণ্ডই প্ৰাধান্য লাভ কৰিছে আৰু মাজে সময়ে যুক্তিহীন, অৰ্থহীন জিঘাংসাই কৰ্মীৰ চেতনা আচ্ছন্ন কৰিছে।

এনে হত্যাকাণ্ডত বিত্তৰ পুঠি-খলিহনা নষ্ট হ'লেও ৰৌ-বৰালি সাৰি গৈছে। ৰাইজৰ মনত সেয়ে খুচুৰা হত্যাকাণ্ডই কোনো স্বস্তিৰ ভাব সৃষ্টি কৰিব নোৱাৰে। তদুপৰি এই মুহূৰ্তত শোষকশ্ৰেণীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ পৰা বন মহাবিদ্যালয় স্থানান্তৰিত কৰিবলৈ ওলাইছে, বিদ্যুৎ উৎপাদনৰ নামত লুণ্ঠন কৰিবলৈ ওলাইছে, ল'টাৰী আৰু অপ-সংস্কৃতিয়ে সমাজ ৰঘুমলাৰ দৰে চানি ধৰিছে। এনেবোৰ ক্ষেত্ৰত সংযুক্ত মুক্তি বাহিনী নিষ্ক্ৰিয় হৈ থকাই লক্ষ্য কৰা যায়। গুৱাহাটী ষ্টেচনৰ পৰা আসন সংৰক্ষণৰ নামত ৰাইজৰ ওপৰত জুলুম হোৱাও দেখা যায়। তাৰ বিৰুদ্ধে জনসাধাৰণক নিজৰ ন্যায্য অধিকাৰ সম্পৰ্কে সজাগ কৰা কোনো প্ৰচেষ্টা আমাৰ চকুত পৰা নাই। হত্যাকাণ্ডতে আৰু বিবৃতিতে (যিবোৰ গুৱাহাটীতে বহি কোনোবাই লিখি আছে) সকলো শেষ হৈছে।

এইটো সংগঠনৰ ৰুগ্ন অৱস্থাৰহে লক্ষণ। গতিকে তেওঁলোকক আত্মসমালোচনা কৰিবলৈ আমি টানি অনুৰোধ জনাও। আগৰ দৰে নিৰ্বিচাৰে তেওঁলোকক সমৰ্থন দি ৰাইজে বিপৰ্যয়ৰ সন্মুখীন হ'ব খোজা নাই। তেওঁলোকৰ সংশোধন নোহোৱা বাবেই 'গণশত্ৰু'জনৰ* শিবিৰত সমৰ্থকৰ সংখ্যা বৃদ্ধি পাইছে। সুবিধাবাদীক বিবৃতিত গৰিহণা দিয়াটো ভাল কথাই। হঠকাৰিতাক কঠোৰ হস্তে শাসন নকৰিলে ৰাইজক হতাশা আৰু সুবিধাবাদৰ পিনেহে ঠেলি দিয়া হ'ব।

এখন সমাজ, তাৰ অৰ্থনীতি, তাৰ সংস্কৃতিৰ পুংখানুপুংখ অধ্যয়ন অবিহনে কোনো বিপ্লৱী দলে শুদ্ধ পথ আৱিষ্কাৰ কৰিব নোৱাৰে। সত্তৰৰ দশকৰ নক্সালপন্থী দলৰ (যিবোৰ দল নিজেই ছিন্নভিন্ন হৈ গ'ল) পৰা কেতবোৰ সাধাৰণ সূত্ৰ (General Formula) ধাৰ কৰি বিশদ আৰু বস্তুনিষ্ঠ অধ্যয়নৰ দায়িত্ব এৰাব নোৱাৰি। আৰু তেনে অধ্যয়নৰ পৰিৱেশো সংগঠনেই সমাজত গঢ়ি তুলিব লাগিব। নতুবা এদিন অসমীয়া ৰাইজে এই সংগঠনটোকো নিজৰ শত্ৰু বুলিয়েই চিনাক্ত কৰিব পাৰে।

---

* স্বৰ্গীয় পৰাগ দাসে জনপ্ৰিয় কৰা হিতেশ্বৰ শইকিয়াৰ উপনাম।

উগ্ৰপন্থাৰ বিৰুদ্ধে

উগ্ৰপন্থাই বহুসময়ত জনবিৰোধী শাসক শ্ৰেণীকে সহায় কৰে। সেয়ে আনকি উগ্ৰপন্থাক শাসক শ্ৰেণীৰ গোপন বন্ধু বুলিও ক'ব পৰা যায়।

আজি ভাৰতত চি আই এ'ই আত্মসমৰ্পণকাৰী ভাৰতীয় বৃহৎ পুঁজিপতি আৰু ৰাজনৈতিক দালালৰ হতুৱাই এনে এক শাসনতন্ত্ৰ আৰু অৰ্থনীতি প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছে য'ত শোষণ আৰু লুণ্ঠনৰ বিৰুদ্ধে সৰ্বসাধাৰণ ৰাইজৰ কোনো নিৰাপত্তা নাথাকিব। বিশ্ববেংক আৰু আই এম এফে তাত সক্ৰিয়ভাৱে সহায় কৰিছে। এই সকলোবোৰ হৈছে বিশ্বব্যাপি মুক্ত অৰ্থনীতি প্ৰতিষ্ঠাৰ নামত।

সাম্ৰাজ্যবাদৰ ই এক নৱতম পৰ্যায়। ইয়াৰ যথাযথ বিশ্লেষণ কৰি ভাৰতৰ পৰিস্থিতিত তাৰ বিৰুদ্ধে যথোচিত প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তোলাৰ ক্ষমতা পুৰণি বাওঁপন্থী দলবোৰে হেৰুৱাই পেলোৱা যেন দেখা গৈছে। হয়তো দীৰ্ঘকাল সংসদী ৰাজনীতিৰ চাকনৈয়াত ঘূৰি তেওঁলোকৰ এনে দুৰ্বলতা আহিছে। আমি অৱশ্যে এতিয়াও আশা কৰো নতুন উদ্যমেৰে তেওঁলোক জনগণৰ প্ৰতিৰোধ সংগ্ৰাম সংগঠিত কৰিব। আপাততঃ কোন এম এল এ, কোন এম পি হ'ব, তাৰ চিন্তা বাদ দিয়াই ভাল হ'ব। কেশেষু গৃহীত ইব মৃত্যুনা, ধৰ্মমাচৰেৎ!!

জনগণৰ ক্ৰোধ আৰু ক্ষোভৰ প্ৰকাশ ঘটিবই। কিন্তু তাক উগ্ৰপন্থী ৰাস্তা ধৰাই দিব পাৰিলেই শাসক শ্ৰেণীৰ লাভ বেছি হ'ব। গতিকে উগ্ৰপন্থী কাৰ্যপন্থাৰ সমৰ্থনত নানা বিভ্ৰান্তিকৰ যুক্তিৰ অৱতাৰণা কৰা হয়। ভূতৰ মুখত ৰামনাম এতিয়া সাধাৰণ কথা। মাৰ্ক্স-লেনিনৰ উদ্ধৃতিৰে ইতিমধ্যে কেইবাটাও সংগঠনে দুৰ্নীতিগ্ৰস্ত ইন্দিৰা কংগ্ৰেছী চৰকাৰক আওপকীয়াভাৱে সহায় কৰা ৰাইজে নিজ চকুৰে দেখিছে। সেয়ে মাৰ্ক্সৰ নামত চলা উগ্ৰপন্থী কাৰ্যকলাপ সম্পৰ্কেও সতৰ্ক হ'বৰ হ'ল। পুলিচৰ লগত এচাম বিপ্লৱীৰ সম্পৰ্কও এতিয়া গোপন হৈ থকা নাই।

আজিৰ পৰিস্থিতিত স্বাভাৱিক বুদ্ধি-বৃত্তি আৰু মনৰ মানুহৰ বাবে সংগ্ৰামেই অত্যন্ত স্বাভাৱিক আৰু সংগত পথ। কিন্তু এই সংগ্ৰামৰ ধৰণ কেনে হ'ব? উগ্ৰপন্থী বিলাকে যেনেদৰে কথা কয়, ধাৰণা হয় যেন তেওঁলোকৰ পথেই একমাত্ৰ সংগ্ৰামৰ পথ। টাঙোন-টোকোন লৈ খেদি গ'লেই যেন ৰাইজৰ শত্ৰু নিধন হ'ব। কিন্তু কোন সেই শত্ৰু? কোন বাটেৰে খেদি যাম? আমি খেদি

গ'লেই শত্ৰু পলাই ফাঁট মাৰিব নে উভতি যুঁজ দিব? আমাৰ লগত কাক-কাক ল'ম? এইবোৰ নভবাকৈ খেদি গ'লে আধাবাটতে আমাৰ যুঁজ শেষ হ'ব। বহু উগ্ৰপন্থী সংগঠনৰ সেই অৱস্থা হৈছেই।

আজিৰ সমাজ ব্যৱস্থা এক জটিল ব্যৱস্থা। তাৰ বহু দিশ আছে য'ত ছুৰি-বন্দুক নচলে— যেনে ধৰক সংস্কৃতি। তাত যদি যথাযথভাৱে যুঁজ দিয়া নাযায়, তেনেহ'লে কিন্তু কানি-ভাং খুৱাই মানুহক নৰিয়াত পেলোৱাৰ দৰে শাসক শ্ৰেণীৰ পৃষ্ঠপোষকতাত অপ-সংস্কৃতিয়ে ৰাইজৰ সংগ্ৰামী অংশক ভ্ৰান্ত ধ্যান-ধাৰণা আৰু আৱেগেৰে অৱশ কৰি পেলাব। সেয়ে সংস্কৃতিৰ ক্ষেত্ৰত ক্ষয়িষ্ণু অপ-সংস্কৃতিৰ আক্ৰমণৰ বিৰুদ্ধেও প্ৰবল প্ৰতিৰোধ চলাব লাগিব। সুস্থ মূল্যবোধ, যুক্তি, মানৱতাবোধ ৰক্ষা কৰিব লাগিব। সংগ্ৰামী সংস্কৃতি এইবোৰ বাদ দি গঢ়ি উঠিব নোৱাৰে। ব্লু ফিল্মত আসক্ত ডেকাই জংঘলত আশ্ৰয় লৈ বন্দুক তুলি ল'লেও সংগ্ৰাম সঠিক পথেৰে আগ নাবাঢ়ে।

কেতবোৰ মানুহে এইবোৰ কথাত ঢাকোন দি অ'ত-ত'ত মানুহ গুলীয়াই গুলীয়াই মৰাকে সমাজ পৰিৱৰ্তনৰ প্ৰধান উপায় বুলি প্ৰচাৰ কৰিছে। সমাজব্যৱস্থাৰ জটিলতা নুবুজা ডেকা ল'ৰাৰ বাবে ই এক সৰল ৰাস্তা। কিন্তু তেনে পন্থাৰ পৰা যে বিপ্লৱ পথভ্ৰষ্টহে হয় সেই কথা তেওঁলোকে বুজিব নোখোজে। এই অহমিকা আৰু মনোগতবাদী আসক্তি আজি জনগণৰ বাবেই বিপজ্জনক হৈ পৰিছে। এই বিষয়ে আমি ইতিমধ্যে লিখিছোৱেই। আকৌ কওঁ যে হত্যাকাণ্ড চলাই থাকি ৰাজ্যখনত সেনাবাহিনী ৰাখি স্বৈৰতন্ত্ৰ চলোৱাৰ সুযোগ হিতেশ্বৰ শইকীয়াক দিয়াটো দেশপ্ৰেমৰ লক্ষণ নহয়।

আজি নাৰী স্বাধীনতাৰ নামত ব্যৱসায়ীভিত্তিত নগ্নদেহ প্ৰদৰ্শন, আধুনিকতাৰ নামত দেশীয় সংস্কৃতিৰ প্ৰতি অশ্ৰদ্ধা, শক্তিশালী ৰাজনৈতিক মহলেই প্ৰচাৰ কৰাইছে। উদ্দেশ্য যুৱক-যুৱতীসকলৰ মাজত স্বৈৰাচাৰ আৰু দায়িত্বহীনতা বৃদ্ধি কৰা, দেশপ্ৰেম হ্ৰাস কৰা। এনে পৰিৱেশত কেৱল সশস্ত্ৰ সংগ্ৰামৰ কথা কৈ থাকিলে এসময়ত শ্ৰোতা পোৱাই টান হ'ব। সেয়ে সংগ্ৰামীসকলে এইবোৰ দিশৰ প্ৰতিও চকু-কাণ দিয়া ভাল।

আগতেও কোনো কোনো বুদ্ধিজীৱীয়ে তেওঁলোকক গছত তুলি দি গুৰিত কুঠাৰ মাৰিছে, এতিয়াও তাৰে পুনৰাবৃত্তি নহ'ব বুলি তেওঁলোকে দাঠি ক'ব পাৰিবনে?

আজিৰ অসম, ৭ ডিচেম্বৰ, ১৯৯৩

সংযুক্ত মুক্তি বাহিনীৰ কাৰ্যকলাপ

সংযুক্ত মুক্তি বাহিনীৰ প্ৰতি আমাৰ সহানুভূতি আছে যদিও তেওঁলোকৰ লক্ষ্য বা কাৰ্যপন্থাৰ স'তে আমি একমত নহওঁ।

তেওঁলোকৰ প্ৰতি আমাৰ সহানুভূতিৰ কাৰণ এয়ে যে কেন্দ্ৰীয় চৰকাৰ আৰু বৃহৎ পুঁজিয়ে অসমৰ ওপৰত চলোৱা অন্যায়, লুণ্ঠন আৰু বঞ্চনাৰ বিষয়ে সকলো অসমীয়া মানুহেই সজাগ আৰু ক্ষুব্ধ। তেওঁলোকৰ প্ৰতিক্ৰিয়া তাৰেই এক চৰম প্ৰকাশ বুলি ধৰিব পাৰি।

কিন্তু তেওঁলোকৰ কাৰ্যপন্থাই সেই অন্যায়, বঞ্চনা আৰু লুণ্ঠন বন্ধ কৰিব পাৰিবনে? নে তেওঁলোকৰ কাৰ্যপন্থাই অসমীয়া সমাজক আৰু ক্ষতিগ্ৰস্তহে কৰিব?

অলপতে নলবাৰী জিলাৰ এজন কংগ্ৰেছী নেতা আৰু তেওঁৰ দেহৰক্ষী সংযুক্ত মুক্তি বাহিনীৰ গুলীত নিহত হয়। তাৰ আগতে মৰিগাঁৱত ক্ষীৰোদ বৰুৱাৰ প্ৰাণনাশ কৰা হয়। তেতিয়া ৰাইজৰ বিৰূপ প্ৰতিক্ৰিয়া হোৱাত সংযুক্ত মুক্তি বাহিনীৰ সৰ্বোচ্চ নেতৃত্বই ঘোষণা কৰিছিল যে এতিয়াৰ পৰা মৃত্যুদণ্ড কেৱল সৰ্বোচ্চ নেতৃত্বইহে যথাযথ অনুসন্ধানৰ পিছত বিধান কৰিব। অৰ্থাৎ ৰাইজক এনে এটা ধাৰণা দিয়া হ'ল। কিন্তু কেইদিনমান নৌযাওঁতেই পুনৰ নলবাৰীত হত্যাকাণ্ড চলালে। ক'বলৈ বেয়া লাগে, কিন্তু এনে আচৰণে ৰাইজৰ প্ৰতি শ্ৰদ্ধা নুবুজায়। বৰং চৰকাৰী মহলৰ দৰে ইও প্ৰবঞ্চনা আৰু অপপ্ৰচাৰ অৱলম্বন কৰাহে সূচায়।

নিহতজনৰ আত্মীয় কুটুম্ব, বন্ধু-বান্ধৱৰ উপৰি সৰ্বসাধাৰণ ৰাইজে হত্যাকাণ্ডটোত সুখী নহ'ব। ভিতৰি সংযুক্ত মুক্তি বাহিনীৰ প্ৰতি সন্দেহৰ ভাব পোষণ কৰিব। সৰু-সুৰা সমাজ এখনতো সংযুক্ত মুক্তি বাহিনীৰ সমৰ্থক আৰু বিৰোধীৰ দুটা দল হ'ব। মুক্তি বাহিনীৰ ভূমি দুৰ্বল হ'ব। আততায়ীৰ হাতত নিহত একোজন স্থানীয় নেতাই কিছু পৰিমাণে সংযুক্ত মুক্তি বাহিনী বা অসমৰ

স্বাৰ্থৰ ক্ষতি কৰিলেও মৃত্যুদণ্ড পাবলগীয়া অপৰাধ কৰিছিল নে নাই, বহুতে সন্দেহ পোষণ কৰিব। ফলত আৰক্ষী বা সেনা বাহিনীয়ে চলোৱা অৱধাৰিত নিৰ্যাতনৰ বাবে গাঁওবাসীয়ে সংযুক্ত মুক্তি বাহিনীকে দোষাৰোপ কৰিব।

সংযুক্ত মুক্তি বাহিনীৰ আৰু এক সাম্প্ৰতিক কাম হ'ল বলপূৰ্বক ধন আদায় আৰু ডকাইতি। এনেদৰে সংগ্ৰহ কৰা ধনৰ হিচাবত সদায় খেলিমেলি লাগে। অৰ্থাৎ ধন সংগ্ৰহৰ এই পদ্ধতিয়ে দুৰ্নীতিৰ জন্ম দিয়ে। আনহাতে এনে ধন সংগ্ৰহৰ ফলত সমাজৰ কোনো লাভ নহয়। "বৈপ্লৱিক" কাম-কাজে যদি জনগণৰ মাজত বৈপ্লৱিক চেতনা সঞ্চাৰ নকৰে, বৰং কৰ্মীকহে দুৰ্নীতিগ্ৰস্ত কৰে, তেন্তে সেই কাৰ্যপন্থা সম্পৰ্কে দুনাই চিন্তা কৰাহে ভাল।

বন্দুক সৰ্বস্ব এই ৰাজনীতিৰ প্ৰাধান্যৰ ফলত অথবা অস্ত্ৰ প্ৰয়োগৰ লক্ষ্য সংকীৰ্ণভাৱে নিৰ্দ্ধাৰিত হোৱাৰ ফলত অসমৰ হাবি-বন তহিলং হৈ আছে, প্ৰাকৃতিক সম্পদৰ লুণ্ঠন চলি আছে, জনগোষ্ঠীৰ কাজিয়া তুংগত উঠিছে। তেনে উপসৰ্গৰ উপশম ঘটোৱাত মুক্তি বাহিনীৰ কোনো অৱদান নাই। অসমৰ সংকট লাঘৱ হোৱা নাই।

তেনেস্থলত মনত প্ৰশ্ন জাগে, সংযুক্ত মুক্তি বাহিনীৰ প্ৰকৃত ৰাজনীতি কি? সি গভীৰ মতাদৰ্শ আৰু অসমৰ পৰিস্থিতিৰ বাস্তৱ অধ্যয়নৰ পৰা উদ্ভুত হৈছেনে?

আজিৰ অসম, ১০ ফেব্ৰুৱাৰী, ১৯৯৪

অসমৰ নেতৃবৃন্দৰ দুৰ্বলতা ক'ত?

প্ৰশ্ন কৰা অভ্যাস নথকা বাবেই অসমীয়া মৌলিক চিন্তাৰ দুৰ্বলতা দূৰ নহয়। তাহানি ৰজা আৰু গুৰুৰ কথা যেনেকৈ নিৰ্বিবাদে মনা হৈছিল, আজিও আমি তেনেকৈ প্ৰতিষ্ঠিত কৰ্তৃত্বৰ আশ্ৰয় বিচাৰো। ফলত নতুন চিন্তাৰ সাহস আৰু দৃঢ়তা আমি বিচাৰি নাপাওঁ। কোনোবাই নতুন চিন্তা আৰম্ভ কৰিলে শাসক শ্ৰেণী আৰু ন্যস্ত স্বাৰ্থই তাক অপমান আৰু দুৰ্নামেৰে ডুবাই দিব খোজে। আৰু আমিও তাৰ লগে লগে হোৱা দি আমাৰ ভীৰুতা আৰু ক্লীৱতাৰ প্ৰমাণ দিওঁ।

আজি অত বছৰে অভিজ্ঞতাই অন্ততঃ আমাক এটা কথা শিকাইছেঃ অসমৰ অনগ্ৰসৰতা, অন্তহীন গোষ্ঠীবিবাদ আৰু পংগুতাৰ একমাত্ৰ প্ৰতিকাৰ এক সুচিন্তিত আৰু প্ৰৱল গণ আন্দোলন। শাসক শ্ৰেণীৰ বিৰুদ্ধে হ'লেও তাৰ মূল লক্ষ্য হ'ব গঠন আৰু বিকাশ। প্ৰগতিৰ বা বিকাশৰ অন্তৰায়সমূহ কি, তাক নিৰ্ণয় কৰি গণ আন্দোলন আৰু গণ উদ্যোগৰ জৰিয়তে তাক দূৰ কৰাই অসমৰ ভৱিষ্যতৰ সঁচাৰকাঠি। কিন্তু সেই ধৰণৰ উদ্যোগ অসমত বিশেষ দেখাই নাযায়।

সংযুক্ত মুক্তি বাহিনীৰ সমস্যাটো তাহানিখনতে সিদ্ধাৰ্থ ফুকনে (তেতিয়াও প্ৰাক্তন হোৱা নাছিল) মুকলিমনেৰে সকলোকে জনাই থৈছিল। তেওঁৰ প্ৰস্তাৱ আছিল এয়ে যে পৰ্বতে-কন্দৰে বনাই ফুৰি যুদ্ধ বিগ্ৰহত লাগি সংযুক্ত মুক্তি বাহিনীৰ নেতাসকলৰ চিন্তা কৰাৰ আহৰি যেহেতু নাই, অতএব চহৰৰ প্ৰগতিশীল বুদ্ধিজীৱীয়ে তেওঁলোকৰ হৈ চিন্তা কৰক!! দেখা গৈছে যে আজিও সংযুক্ত মুক্তি বাহিনীৰ মাজত সেই ছিষ্টেমেই চলি আছে। যি কোনো বিপ্লৱী সংগঠনৰ প্ৰধান চাৰিত্ৰিক বৈশিষ্ট্য হৈছে theory আৰু Practiceৰ, তত্ত্ব আৰু কৰ্মৰ যুটীয়া অনুশীলন আৰু পৰস্পৰৰ মাজত সংগতি। কৰ্মৰ সমস্যাৰ কোনো অভিজ্ঞতা নথকা চহৰীয়া বুদ্ধিজীৱীৰ হাতত তত্ত্বৰ ঠিকা

দিলে ভুল তত্ত্বৰ যোগান হোৱাৰ সম্ভাৱনা বহল। দুদিন পিছত ভুল তত্ত্বৰ ছাল উৰুখি, দেৱাল খহি তাৰ আশ্ৰয় লোৱা বিপ্লৱী কৰ্মীৰ বাবে বিপৰ্যয় সৃষ্টি কৰে। তাত্ত্বিকসকলেও নিজৰ প্ৰভাৱ ৰক্ষাৰ স্বাৰ্থত কৰ্মীসকলক অপ্ৰিয় সত্যটো নকৈ ফুচুলাবলৈ আৰম্ভ কৰে। কেতিয়াবা চহৰীয়া মধ্যবিত্ত শ্ৰেণীৰ বাবে সুবিধাজনক তত্ত্বৰো যোগান ধৰে।

অসম তথা ভাৰতত গণতন্ত্ৰ যিমানেই অসম্পূৰ্ণ আৰু বিকৃত নহওক, তাৰ মাজত প্ৰাপ্য চৰ্তবোৰ ব্যৱহাৰ কৰি গণ আন্দোলনৰ জন্ম দিব লাগিব। কিন্তু আনবোৰ শক্তিৰ লগত যিমানেই মিত্ৰতা আৰু সহযোগিতা কৰা নহওক, দিক্‌নিৰ্ণয় আৰু পৰিচালনাৰ ক্ষেত্ৰত বিপ্লৱী শক্তিয়ে নেতৃত্ব দিব পাৰিব লাগিব। এই ক্ষেত্ৰত নক্সালবাদীসকলে ভুলৰ পৰা শিক্ষা লৈছে, কিন্তু তেওঁলোকেও কাৰ্যকৰী পথ এটা উলিয়াব পৰা নাই। সংযুক্ত মুক্তি বাহিনীৰ চেতনাত ভুলৰ উপলব্ধিয়েই এতিয়াও জাগ্ৰত নহ'ল। ফলত কি হৈ আছে আটায়ে দেখিছে।

গণ আন্দোলনৰ অভিজ্ঞতা আৰু গণ আন্দোলনত বিশ্বাস যিবোৰ সংগঠনৰ আছে, তেওঁলোকৰ ভূমিকা এই মুহূৰ্তত অবিশ্বাস্য, বিস্ময়কৰ। এই মুহূৰ্তত তিনিচুকীয়াত চৰকাৰী সন্ত্ৰাসে পৰিকল্পিতভাৱে মাৰাত্মক ৰূপ লৈছে। অসমৰ ৰাইজ সেই সন্ত্ৰাসত প্ৰবলভাৱে ক্ষুব্ধ আৰু ক্ৰুদ্ধ। সেই আৱেগ আৰু উপলব্ধি গণ আন্দোলনৰ সমলত পৰিণত কৰিবলৈ সিমান কঠিন নহ'লহেঁতেন। আৰু হিতেশ্বৰ শইকীয়াৰ আচল আতংকও সেইখিনিতে।

কিন্তু কাৰ্যক্ষেত্ৰত দেখা গ'ল কি? নেতাসকল দিল্লীৰ ওচৰত দৰবাৰ কৰিয়েই তৃপ্ত আৰু তুষ্ট। অসম গণ পৰিষদৰ নেতাসকলে প্ৰধানমন্ত্ৰী আদিৰ হাতত স্মাৰকপত্ৰ দি বৈদিক ধৰ্মৰ ওপৰত ভাষণ দিবলৈ ইউৰোপলৈ গুচি গ'ল। ছাত্ৰ সন্থাৰ নেতাসকলে কেন্দ্ৰীয় গৃহমন্ত্ৰীক এই অমানুষিক অত্যাচাৰৰ কথা জনাবলৈ গ'ল। চ্যবন চাহাবে তেওঁলোকৰ কথা শুনি আকাশৰ পৰা পৰিল। "ইছ ৰাম! হয় নেকি? মই এতিয়াই ৰাজ্যপালক ফোন কৰিম।" কিন্তু কেন্দ্ৰীয় গৃহ দপ্তৰৰ অসংখ্য চোৰাংচোৱা অসমত পিয়াপি দি আছে। অসমৰ খবৰ-কাগজত প্ৰকাশিত সংবাদ প্ৰভৃতিৰ সাৰাংশও তেওঁক দৈনিক জনোৱা হয়। শইকীয়া চৰকাৰেও জনাবলৈ বাধ্য— অৱশ্যে তথ্যৰ ওপৰত কিছু ৰহণ ঢালি। তেন্তে চ্যবন চাহাবে নাজানে বুলি ধৰাটো আচৰিত কথা নহয়নে?

কেন্দ্ৰীয় চৰকাৰৰ মুৰব্বীসকলৰ আগত অসমীয়া ৰাইজৰ প্ৰতিবাদ আৰু দাবী নিশ্চয় তুলিব লাগিব। কিন্তু তাৰো এক যথোচিত মুহূৰ্ত আছে। গণ আন্দোলনৰ জৰিয়তে ৰাইজক ঐক্যবদ্ধ, সচেতন, দৃঢ় সংকল্প কৰাৰ পিছত হয়তো দিল্লীলৈ দৰবাৰ কৰিবলৈ যোৱাৰ দৰকাৰেই নহ'লহেঁতেন। কেন্দ্ৰীয় নেতাসকলে থৰকাছুটি হেৰুৱাই নিজেই অসমলৈ দৌৰি আহিলহেঁতেন। কিন্তু তেনে এক পৰ্যায় পোৱাৰ আগতেই দিল্লীলৈ দৌৰাৰ অৰ্থ হৈছে বিনাযুদ্ধে আত্মসমৰ্পণ। কাৰণ সেনাবাহিনী হিতেশ্বৰ শইকীয়াৰ ব্যক্তিগত ফৌজ নহয়। শইকীয়া আৰু বহু কেইজন মুখ্যমন্ত্ৰী কেন্দ্ৰীয় নেতৃত্বৰ শিখণ্ডী মাত্ৰ। গতিকে আক্ৰমণ কেৱল শইকীয়াতে আবদ্ধ ৰখা অৰ্থহীন। (অৱশ্যে কৌশলগতভাৱে তেওঁক-বিচ্ছিন্ন কৰা চেষ্টাৰো প্ৰয়োজন আছে।)

কেৱল ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ কথা ভাবি গণ আন্দোলন বৰ্জন কৰা হৈছে এনে নহয়। প্ৰকৃততে যি ভ্ৰষ্ট আৰু পংগু ব্যৱস্থাই অসমক শোষণ দমন কৰি আছে, তাৰ মৌলিক পৰিৱৰ্তন অসমৰ গণনেতাসকলেও হয়তো নিবিচাৰে। গণ আন্দোলনে তেওঁলোকৰ নিৰাপত্তা নষ্ট কৰিব। সেয়ে আনুষ্ঠানিক কেতবোৰ কাম-কাজতে তেওঁলোকৰ কাম-কাজ ঘানিৰ বলদৰ দৰে ঘূৰি আছে।

আমি প্ৰশ্ন কৰোঁ ঃ এনেদৰে চলি থাকিলে হ'বনে? এনেদৰে চলিলে কেন্দ্ৰীয় চৰকাৰৰ কূটনীতি আৰু সিহঁত দালালবোৰ শক্তিশালী নহ'বনে?

আজিৰ অসম, ৯ মাৰ্চ, ১৯৯৪

শইকীয়া চৰকাৰৰ দৌৰাত্ম্য, জনগোষ্ঠীসমূহৰ সম্প্ৰীতি, ইত্যাদি

মুখ্যমন্ত্ৰীয়ে বিধানসভাত বিবৃতি দিছে যে ডুমডুমাৰ যিকেইজন যুৱকক সেনাই ঘৰৰ পৰা ধৰাই নি বলি দিছিল তেওঁলোক তালাপ বাগানৰ মেনেজাৰ ৰামেশ্বৰ সিংহৰ হত্যাকাণ্ডৰ লগত জড়িত আছিল। বৰপেটাত নগেন কলিতা নামৰ সংযুক্ত মুক্তি বাহিনীৰ সদস্যজনৰ মৃত্যু সম্পৰ্কে তেওঁ কৈছে যে "জনগণ"ৰ মাধমাৰতে বেচেৰাৰ মৃত্যু হৈছে।

এজন মুখ্যমন্ত্ৰীৰ বিশ্বাসযোগ্যতা ইয়াতকৈ তললৈ নামিব নোৱাৰে। আমি কি এনে অদ্ভুত অন্যায় যুক্তিও হজম কৰিব লাগিব যে ৰামেশ্বৰ সিংহৰ হত্যাত জড়িত বুলি সেনাবাহিনীয়ে নিজে বিচাৰ কৰি দোষী সাব্যস্ত কৰি উক্ত যুৱককেইজনক প্ৰাণদণ্ড দিলে? যদি এনে ব্যক্তিগত বিচাৰৰ (Private justice) আয়োজন কৰাই হয়, তেনেহ'লে আৰু চৰকাৰ এখনৰ প্ৰয়োজন কি? আৰু জনগণৰ প্ৰহাৰতেই যদি নগেন কলিতাৰ মৃত্যু হ'ল (প্ৰহাৰৰ বাৰঘণ্টাতকৈও অধিক সময়ৰ পিছত), তেন্তে সুধিব লাগিব, জনগণে খাকি পোছাক পিন্ধি লৈছিল কিয়?

স্কুলৰ পাঠ্যক্ৰম আৰম্ভ হোৱা কেইবামাহো হৈ গ'ল, কিন্তু পাঠ্যপুথি প্ৰকাশ হোৱা নাই। বিশেষকৈ এইবছৰ নৱম বা দশম শ্ৰেণীলৈ উঠা ছাত্ৰ-ছাত্ৰীৰ বাবে ই এক মৰ্মান্তিক পৰিস্থিতি। চৰকাৰে সময়মতে ধন নিদিয়া বাবেই এই পৰিস্থিতি হৈছে। চৰকাৰৰ হাতত ধন নাই। সেইবাবে ৰাজ্যৰ উন্নয়নৰ বাবে প্ৰয়োজনীয় অসংখ্য কাম-কাজ দূৰৰে কথা, চৰকাৰৰ মামুলি গতানুগতিক কামখিনি কৰিবলৈকে ধন নাই। ফলত স্কুল-কলেজৰ শিক্ষকৰ দৰমহাৰ ধন, চিকিৎসালয়ৰ ঔষধ-পাতিৰ ধন, চৰকাৰে যোগান ধৰিব পৰা নাই। অথচ এই সময়তে এশকোটি টকাৰ ওপৰৰ কৰ চাহ বাগানবোৰক ৰেহাই দিয়া হৈছে "উদগনি" দিবলৈ— যি সময়ত চাহ বাগানবোৰৰ লাভ হ্ৰাস পোৱা নাছিল।

যুক্তিটো এনে যে সৰ্বসাধাৰণ ৰাইজ চিকিৎসাৰ অভাৱত সিপুৰীয়া হ'ব লগা হ'লেও চাহ বাগানৰ বাবে বিশেষ সুবিধাৰ ব্যৱস্থা সদায় কৰা হ'ব।

দুই চাৰিটাকৈ সংযুক্ত মুক্তি বাহিনীৰ ল'ৰা ধৰি থাকিলেও সংযুক্ত মুক্তি বাহিনীৰ পুলি পোখা উভালি পেলোৱা কেতিয়াও সম্ভৱ নহ'ব। কাৰণ আমি উল্লেখ কৰা পৰিস্থিতিৰ বাবেই সংযুক্ত মুক্তি বাহিনীৰ জন্ম হৈছে আৰু পৰিস্থিতিটোৰ পৰিৱৰ্তন নহ'লে সংযুক্ত মুক্তি বাহিনীও ৰক্তবীজৰ দৰেই বাঢ়ি গৈ থাকিব। কিন্তু এই মূল কাৰণৰ প্ৰতিবিধানৰ কোনো ব্যৱস্থা নকৰি ৰাজ্য চৰকাৰে কেৱল দমননীতি প্ৰয়োগৰ ওপৰত জোৰ দিছে। আনকি মাহে দহ কোটিকৈ টকা খৰচ কৰি পঞ্জাৱৰ পৰা কমাণ্ডো অনাৰ আয়োজন কৰিছে। সেনাঁবাহিনীৰ ওপৰত কৰা খৰচৰ পৰ্বত প্ৰমাণ বোজাতো আছেই।

প্ৰশ্ন উঠে— এনেকৈ খৰচ কৰিবলৈ ধন যদি চৰকাৰৰ আছেই, ৰাজ্যখনত যথাযথ ধন বিনিয়োগ কৰি প্ৰবল আৰ্থ-সামাজিক সমস্যা কিছু পৰিমাণে প্ৰশমিত কৰিবলৈ চৰকাৰে চেষ্টা নকৰে কিয়?

কথা সেইটোৱেই। অসমৰ বৰ্তমান ৰাজ্য চৰকাৰ অসমৰ মানুহৰ সমস্যা সমাধানৰ বাবে নাই। বৰং বাহিৰৰ পুঁজিপতিৰ শোষণৰ ক্ষেত্ৰ হিচাপে অসমৰ মানুহে অভাৱ অভিযোগ আৰু সমস্যাৰ কথা নকৈ সকলো দুখ-কষ্ট যাতে নীৰৱে সহি থাকে, সম্প্ৰতি ৰাষ্ট্ৰীয় সন্ত্ৰাসৰ প্ৰয়োগ সেই উদ্দেশ্যেই হৈ আছে। তাতেই শ-শ কোটি টকা খৰচ কৰাৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি চৰকাৰৰ লগত সহযোগিতা কৰা এমুঠি মানুহৰ মাজতো ধনৰ ভাগ বটোৱাৰ আয়োজন চলিছে।

এই সিদ্ধান্তৰ সমৰ্থনত উল্লেখ কৰিব পাৰি যে ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদৰ যথাযোগ্য ব্যৱহাৰৰ জৰিয়তে থলুৱা ৰাইজক স্বচ্ছল কৰাৰ কোনো চেষ্টা চৰকাৰে কৰা নাই। বৰং কেন্দ্ৰীয় চৰকাৰে অসমৰ তৈলক্ষেত্ৰ বিদেশী তেল কোম্পানীৰ হাতত তুলি দিয়াৰ চক্ৰান্ত কৰোতে মুখেৰে মাত এষাৰ দিয়া নাই। নিজেও বিদ্যুৎ উৎপাদনৰ ভাৰ তেনে ব্যক্তিগত কোম্পানীক গতাব খুজিছে।

ৰাজ্য চৰকাৰটোৰ ভূমিকা সেয়ে দেশদ্ৰোহিতাৰ ভূমিকা বুলিয়েই বিনাদ্বিধাই ক'ব পাৰি।

এক ব্যাপক গণসংগ্ৰামৰ বাহিৰে চৰকাৰখনক উচ্ছেদ কৰাৰ আন কোনো

উপায় নাই। কিন্তু সেই সংগ্ৰামত ৰাজ্যৰ অধিকাংশ জনগণক জড়িত কৰি ঐক্য আৰু অভিযানত নেতৃত্ব দিব পৰা শক্তি ক'ত?

আজি জাতীয় মুক্তি সংগ্ৰামত নেতৃত্ব দিয়াৰ দাবী কৰিছে সংযুক্ত মুক্তি বাহিনীয়ে। অথচ মুক্তি বাহিনীৰে প্ৰচাৰ সচিবে ৰাইজক "সৰ্বাত্মক গণ সংগ্ৰাম" চলাবলৈ আহ্বান দিছে। ৰাইজেতো নিজে নিজে কোনো উৰাদিহ নোপোৱাকৈ আৰু কোনো সংগঠন নোহোৱাকৈ তেনে সংগ্ৰাম চলাব নোৱাৰে। তেন্তে "জাতীয় মুক্তি"ৰ নেতাসকলে গণ সংগ্ৰামটো সংগঠন নকৰে কিয়? তাত নেতৃত্ব নিদিয়ে কিয়?

কোনো সন্দেহ নাই যে তত্ত্বগত আৰু কৰ্মনীতিগত চিন্তাত জাতীয় মুক্তিৰ প্ৰবক্তাসকল এতিয়াও পিছপৰি আছে। ভুলপথে পৰিচালিত হৈ আৰু ভুল কামত উচটনি পাই তেওঁলোকে সশস্ত্ৰ কাৰ্যকলাপৰ ওপৰত অত্যধিক গুৰুত্ব দিছে। গণৰাজনীতিৰ বাবে কোনোধৰণৰ প্ৰচেষ্টা চলোৱা নাই। আনহাতে তথাকথিত বিৰোধী দলবোৰৰ সামৰ্থ্য সীমিত।

এই শূন্যতাৰ (Vacuum) ফলত এহাতে দেশদ্ৰোহী, গণবিৰোধী অশুভ-মহলবোৰৰ ৰাজনীতি প্ৰবল হৈছে, আৰু আনহাতে জনগণৰ সুপ্ত শক্তি ছেদেলি-ভেদেলি হৈ অপচয় হৈছে।

আশাকৰোঁ দেশপ্ৰেমিকসকলে পৰিস্থিতিৰ যথাৰ্থ মূল্যায়ন কৰি যথাযথ ব্যৱস্থা গ্ৰহণ কৰিব। নতুবা সংযুক্ত মুক্তি বাহিনীও এটা Pressure group হৈ কোনো ন্যস্ত স্বাৰ্থৰে উদ্দেশ্য সিদ্ধি কৰি থাকিব নিজৰ অজ্ঞাতে!!

জনগোষ্ঠীসমূহৰ সম্প্ৰীতি

অলপতে কিবা কথাত অকস্মাৎ গম পালো যে আমাৰ বিশ্ববিদ্যালয়ত পঞ্চাশৰ দশকত চৌবিশ জন নেপালী আৰু কেইবাজনো বড়ো মানুহে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে কাম কৰি আছিল। আজি বড়ো মানুহ বোধহয় এজনো নাই, নেপালী দুজনমান আছে, কিন্তু তেওঁলোকো অৱসৰ পাবলগীয়া হৈছে। পঞ্চাশৰ দশকৰ পৰা বিশ্ববিদ্যালয়ত চাকৰিয়ালৰ সংখ্যা বহুগুণে বাঢ়িছে। অথচ অসমৰ বিভিন্ন জনগোষ্ঠীৰ বহুতেই তাৰ মাজত সোমাব পৰা নাই। ইচ্ছা কৰি যে তেওঁলোকক বঞ্চিত কৰা হৈছে, তেনে নহয়। এইটো কোনো সচেতন চক্ৰান্তৰ পৰিণাম নহয়। কিন্তু তেওঁলোকৰ সদস্য নিযুক্ত নোহোৱাটো দুৰ্ভাগ্যজনক। সেইবোৰ জনগোষ্ঠীৰ মনত কথাটো

অন্যায় যেনো লাগিব পাৰে। কেনেবাকৈ যদি তেনে ভাব হোৱাও নাই, তেনে কিছু সংখ্যক লোক বিশ্ববিদ্যালয়ত নিযুক্ত হোৱা হ'লে অসমৰ সম্প্ৰীতি আৰু সংহতিত সি কেনে বৰঙণি দিলেহেঁতেন, নক'লেও চলে।

আমাৰ মানুহৰ দূৰদৰ্শিতাৰ অভাৱৰ বাবেই আৰু অন্ধ স্বাৰ্থপৰতাৰ বাবেই আমাৰ সতি-সন্ততিৰ বৃহত্তৰ স্বাৰ্থ বিপন্ন হৈছে।

আজিৰ অসম, ৩০ মাৰ্চ, ১৯৯৪

অৰবিন্দ ৰাজখোৱাৰ বিবৃতি

উপ-মুখ্য সেনাধ্যক্ষকে ধৰি বহু কেইজন সদস্যই গোলাঘাট জিলাত আত্মসমৰ্পণ কৰাৰ পিছত সংযুক্ত মুক্তি বাহিনীৰ সভাপতি অৰবিন্দ ৰাজখোৱাই পুনৰ এক দুৰ্দ্ধৰ্ষ বিবৃতিৰে কৈছে যে সশস্ত্ৰ সংগ্ৰামৰ বিকল্প নাই। সেনা বাহিনীৰ অমানুষিক অত্যাচাৰেই প্ৰমাণ কৰে ভাৰতীয় গণতন্ত্ৰ কেনে ফোঁপোলা। ৰাইজৰ দাবীৰ উত্তৰ চৰকাৰে দিয়ে বন্দুকেৰে। অতএব অসম স্বাধীন কৰিবলৈ সশস্ত্ৰ সংগ্ৰাম চলাই যাব লাগিব।

এই যুক্তিত আমি পতিয়ন যাব নোৱাৰিলো। এই কথা ঠিক যে ভাৰতীয় গণতন্ত্ৰ ফোঁপোলা আৰু ভাৰতীয় ৰাষ্ট্ৰত অসমৰ ন্যায্য আশা-আকাংক্ষা স্বীকৃত হোৱা নাই। কিন্তু সু-শৃংখল দীৰ্ঘস্থায়ী জনসংগ্ৰামৰ দ্বাৰা সেইবোৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ ভাৰতীয় গণতন্ত্ৰৰ যৎসামান্য সা-সুবিধা ব্যৱহাৰ কৰা হৈছে নে? কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰা হৈছেনে?

অসম আন্দোলন এনে ধৰণৰ বিপুল জনআন্দোলন আছিল। কিন্তু তাৰ ভিত্তিত থকা চিন্তা অস্পষ্ট, অগভীৰ আৰু সুবিধাবাদী হোৱাৰ ফলত তাৰ পৰিণাম আমাৰ বাবে বিশেষ লাভজনক নহ'ল। অসম চুক্তি কোনো কোনো ক্ষেত্ৰত টুলুঙা। আৰু অসম গণ-পৰিষদ চৰকাৰৰ প্ৰথম উদ্দেশ্য আৰু কাৰ্যকলাপ আদৰণীয় হ'লেও শীঘ্ৰে দুৰ্নীতি, উদ্ভুগুালি, বিশৃংখলাত তাৰ সমাপ্তি ঘটিল। উপযুক্ত মতাদৰ্শৰ অভাৱ বা চিন্তাৰ অভাৱ তাৰ প্ৰধান কাৰণ।

অসম আন্দোলনৰ ফলত জন্ম হোৱা সংযুক্ত মুক্তি বাহিনীৰ চিন্তা আৰু মতাদৰ্শতো একে বেমাৰ বৈ গৈছে। সেনা বাহিনীৰ অত্যাচাৰৰ পথ সুগম কৰিলে তেওঁলোকৰ হঠকাৰিতাই। যিহেতু মতাদৰ্শগত প্ৰশিক্ষণতকৈ অস্ত্ৰৰ প্ৰশিক্ষণত তেওঁলোকে বেছি জোৰ দিয়ে, আত্মসমৰ্পণকাৰীসকলো দ্ৰুত গতিত চৰকাৰৰ হাতিয়াৰত পৰিণত হৈ গৈ থাকিব। ইপিনে চৰকাৰৰ উদ্যোগত অসমৰ থলুৱা সমাজৰ ভাঙোন, অৱক্ষয় চলি থাকিব। সংযুক্ত মুক্তি বাহিনীয়ে দিক্ পৰিৱৰ্তন কৰক।

আজিৰ অসম, ১৪ এপ্ৰিল, ১৯৯৪

গণতান্ত্ৰিক নাগৰিক সন্থাৰ আবেদন সম্পৰ্কে

বেছি দিন হোৱা নাই, "আজিৰ অসম"ৰ পৃষ্ঠাত অসমৰ বহু কেইগৰাকী কৃতবিদ্য প্ৰবীণ লোকৰ পৰা সমাজসচেতন নবীনলৈকে শতাধিক লোকৰ স্বাক্ষৰসম্বলিত এটা আবেদন বা অনুৰোধ প্ৰকাশ কৰা হৈছিল গণতান্ত্ৰিক নাগৰিক সংস্থাৰ তৰফৰ পৰা। সংস্থাৰ বক্তব্য আছিল এয়ে যে অসমৰ বৰ্তমানৰ ভয়াবহ পৰিস্থিতিৰ ফলত অসমীয়া সমাজৰ তথা অসমৰ থলুৱা ৰাইজৰ ভৱিষ্যত বিপন্ন হৈছে। পৰিস্থিতিটোত চৰকাৰ আৰু সংযুক্ত মুক্তি বাহিনী উভয়ে বৰঙণি যোগাইছে— চৰকাৰে স্বৈৰতন্ত্ৰৰে আৰু সংযুক্ত মুক্তি বাহিনীয়ে অপৰিণামদৰ্শী কাৰ্যকলাপেৰে। এই পৰিস্থিতিৰ অধিক অৱনতি হ'বলৈ নিদি দুয়োপক্ষকে চৰ্তহীনভাৱে আলোচনাৰ মেজত বহি ৰাইজক সকাহ দিব পৰা সমাধান সূত্ৰ উলিয়াবলৈ আহ্বান দিয়া হৈছিল।

আবেদনখনত চহী দিয়া লোক সকলৰ সৰহভাগকে চৰকাৰৰ সমৰ্থক বুলিব নোৱাৰি। তেওঁলোকে আবেদনখনত চহী নকৰাকৈ থাকিলেও ব্যক্তিগতভাৱে তেওঁলোকৰ কোনো লোকচান নহ'লহেঁতেন। তেওঁলোকে অসম আৰু অসমীয়াৰ স্বাৰ্থ চকুৰ আগত ৰাখিয়েই আবেদনত চহী দিছিল। আবেদনখনত চৰকাৰী দমননীতি আৰু কূটকৌশলক তীব্ৰ ভাষাত গৰিহণা দিয়া হৈছিল।

নিঃসন্দেহে অসমৰ গণতান্ত্ৰিক মূল্যবোধ সম্পন্ন আৰু দেশপ্ৰেমিক জনমতৰ প্ৰতিনিধি হিচাপেই এই স্বাক্ষৰকাৰী সকলৰ এক বিশেষ গুৰুত্ব আছে। এই জনমতৰ প্ৰতি কোনো মনোযোগ নিদিয়া সংগঠনৰ দায়িত্ববোধ আৰু দেশপ্ৰেম সম্পৰ্কেই সন্দেহ উঠিব পাৰে। অন্ততঃ আবেদনখনৰ মতামত খণ্ডন কৰি ভদ্ৰভাৱে কিবা যুক্তি দিয়া হ'লেও সংগঠন এটাৰ গণতান্ত্ৰিক মূল্যবোধৰ পৰিচয় ওলালহেঁতেন।

কাৰ্যক্ষেত্ৰত কিন্তু দেখা গ'ল যে আবেদনখন প্ৰকাশ পোৱাৰ আগেপিছে

বহু বিবৃতি প্ৰকাশ কৰি থকা সংযুক্ত মুক্তি বাহিনীয়ে নানা বিষয়ে মাত মাতিলেও আবেদনখনৰ বিষয়ে সম্পূৰ্ণ নীৰৱতা অৱলম্বন কৰিলে। সন্দেহ নাই যে সেই নীৰৱতা ঔদাসিন্যা বা উপেক্ষাৰ নীৰৱতা।

অৰ্থাৎ অসমক ভালপোৱা আৰু চৰকাৰী স্বৈৰাচাৰৰ ওচৰত নতি স্বীকাৰ নকৰা লোকসকলৰ সুচিন্তিত ৰাজহুৱা অনুৰোধৰো কোনো মূল্য নাই সংযুক্ত মুক্তি বাহিনীৰ বাবে। তেওঁলোকে অসমৰ পৰিস্থিতি যি ধৰণে বুজিছে সেই ধৰণে আনক পতিয়ন নিয়াৰ ক্ষমতাও তেওঁলোকৰ নাই, আৰু আনৰ অনুসন্ধান তথা উপলব্ধি বুজি চাবলৈকো তেওঁলোকৰ কোনো আগ্ৰহ নাই। নিজৰ মততে গোৰ্বঁৰৰ দৰে খামোচ মাৰি ধৰি থকাই, তৰ্কাতীত সত্য বুলি নিজৰ মত বিনাপৰীক্ষাই গ্ৰহণ কৰাই তেওঁলোকৰ অভ্যাস। সেই অভ্যাসত উচটনি দিব এনে লোকে, যি ভৱিষ্যতে তাৰ পৰা কিবা ব্যক্তিগত লাভ আশা কৰে।

এই অত্যন্ত শিশু সুলভ মনোভাৱক আমি আৰু দেশপ্ৰেম বুলিব নোৱাৰোঁ। শিশুৱে যেনেকৈ পিতৃ-মাতৃৰ মৰম বুজে আৰু বিচাৰে, প্ৰয়োজনীয় শাসন বা তিৰস্কাৰ নুবুজে আৰু নিবিচাৰে— তেনেকৈ সংযুক্ত মুক্তি বাহিনীয়ে আমি দেখাত কেৱল তেওঁলোকৰ ত্যাগ, বীৰত্ব, দুঃসাহসৰ প্ৰশংসা শুনিবলৈ বিচাৰে, তেওঁলোকৰ দেশপ্ৰেমৰ স্বীকৃতি বিচাৰে— কিন্তু তেওঁলোকৰ দোষ-ত্ৰুটিৰ বিশ্লেষণ বা ভূমিকাৰ নিৰ্মোহ সমালোচনা বেয়া পায়। কোনো লোকে দায়িত্বশীল চিন্তাৰে যদি তেওঁলোকৰ গুণ আৰু দোষ দুয়োটাকে আঙুলিয়াই দিয়ে, তেতিয়া সেই মানুহজনক সংযুক্ত মুক্তি বাহিনীৰ চাম্‌চাবিলাকে "দুতলীয়া" বা "দুমুখীয়া" আখ্যা দি মুক্তি বাহিনীৰ সুনিদ্ৰাৰ ব্যৱস্থা কৰে।

সংযুক্ত মুক্তি বাহিনীয়ে কি বিচাৰে যে অসমীয়া মানুহ কাঠৰ পুতলা হৈ তেওঁলোকৰ সকলো কথাকে মূৰ জোঁকাৰি হয়ভৰ দিয়ক? কেৱল চাটুকাৰক সভাত স্থান দিয়া ল'ৰাৰজাৰ অৱস্থা কি হৈছিল তেওঁলোকে পাহৰি গৈছে কিয়? গোলাঘাট জিলাৰ তিনিশ কৰ্মী এনেয়ে সংগঠন এৰি ওলাই আহিছে নেকি? সন্দেহ নাই, অসমৰ লাখ লাখ নিবনুৱা ডেকাৰ মাজত সংযুক্ত মুক্তি বাহিনীৰ নতুন কৰ্মী আৰু ওলাব। কিন্তু সি অসমৰ সমস্যা সমাধানত সহায় কৰিব জানো?

ই গভীৰ পৰিতাপৰ কথা যে সংযুক্ত মুক্তি বাহিনীৰ হঠকাৰী, দায়িত্বহীন

কাৰ্যকলাপৰ ফলত হিতেশ্বৰ শইকীয়াৰ স্থিতি অসমত সবল হৈছে দিনক দিনে। যিহেতু তেনে কাৰ্যকলাপে হতাশাৰ জন্ম দিয়ে, প্ৰকৃত সংগ্ৰামী সকলেও স্থিতাৱস্থা মানি ল'বলৈ বাধ্য হয়। এদিন এনে ঘটনাও ঘটিব পাৰে যে দেখা যাব সংযুক্ত মুক্তি বাহিনীৰ প্ৰতি অসমীয়া মানুহ নিৰ্বিকাৰ হৈ পৰিছে, আৰু মুক্তি বাহিনীক ঘৃণা কৰিবলৈ আৰম্ভ কৰিছে।

কিছুমান চুণকাম কৰা বুদ্ধিজীৱী আছে যিবিলাকে মুক্তি বাহিনীৰ পৰা প্ৰকৃত সত্য আঁৰ কৰি ৰাখিবলৈ বিচাৰে। অনবৰত উদ্দেশ্য প্ৰণোদিত প্ৰচাৰেৰে তেওঁলোকক ভ্ৰান্ত পথৰ পথিক কৰি ৰাখে। ইহঁতৰ আচল উদ্দেশ্য কি? বিপ্লৱৰ নাম কৈ বিপ্লৱক বাধা দিয়া? মুক্তিৰ গীত গাই মুক্তিৰ হাত শিকলিৰে বন্ধা? চি আই এ কিংবা ৰাও (RAW)ৰ খেলখন চলাই থকা?

এনেদৰে ঘটনা আগবাঢ়িলে সংযুক্ত মুক্তি বাহিনীয়ে তোলা সংগত প্ৰশ্নবোৰো গেঠেলা মাৰি যাব এদিন। কাৰো মনত আৰু জুই নজ্বলাব, কাৰো হৃদয় উত্তপ্ত নকৰিব সেইবোৰে।

আজিৰ অসম, ২৪ এপ্ৰিল, ১৯৯৪

চিন্তাৰ বিভ্ৰান্তি

অসম আন্দোলনৰ সময়ত সমাজৰ অগ্ৰগণ্য বুদ্ধিজীৱী কিছুমানে যেনেধৰণৰ প্ৰবন্ধ লিখিছিল আৰু মত প্ৰকাশ কৰিছিল, এতিয়া সেইবোৰ পঢ়িলে অবিশ্বাসত চকু মোহাৰিবলগীয়া হয়। সেই ব্যাপক উন্মত্ততাৰ সময়ত জাকেৰে উজাই নোযোৱা মানুহ মাত্ৰকে শাৰীৰিক আৰু মানসিকভাৱে বিকলাংগ বুলি মুকলিকৈ গালি পাৰিছিল ৰুচি আৰু কৃষ্টিৰ তথাকথিত কাণ্ডাৰীসকলে। আন্দোলন শেষ হ'ল। কাণ্ডাৰীসকলৰ প্ৰত্যেকেই উচ্চ পদ বা মৰ্যাদাৰ অধিকাৰী হ'ল কিবা উপায়ে। ৰাইজ পৰিল অতল গড়খাৰৈত।

তেনেধৰণৰ কেতবোৰ লক্ষণ এতিয়া পুনৰ প্ৰকট হোৱা দেখা গৈছে। উচ্চ শিক্ষা আৰু মৌলিক চিন্তাৰ পোহাৰ ফেৰি কৰি ফুৰা এচাম লোকে নিজৰ পুৰুষত্ব প্ৰমাণ কৰাই সঠিক চিন্তাৰ মহৎ উপায় বুলি ধৰি লৈছে আৰু পুৰুষত্ব প্ৰমাণৰ শ্ৰেষ্ঠ পন্থা ৰাজহুৱা ঠাইত নিজৰ লিংগ প্ৰদৰ্শন কৰা বুলি নিশ্চিন্ত হৈছে। বীৰত্ব আৰু গুণ্ডামিৰ মাজৰ সীমাৰেখা যিবিলাকে মুছি পেলাবলৈ উদ্যোগী হৈছে, তেওঁলোকে নিশ্চয় কিবা লাভলৈ আশা কৰিছে মনে মনে। আমি কওঁ, ঠিক এইবাবেই ৰাইজে এওঁলোকৰ মতামতক ঘোৰ সন্দেহৰ চকুৰে চোৱা উচিত। টেঙা আম দুবাৰ বেচাত আমি তেওঁলোকক সহায় কৰোঁ কিয়?

অৱশ্যে বিপ্লৱী বলদ আৰু গণতান্ত্ৰিক বান্দৰৰ বাহিৰে আন কোনো কোনো লোকেও মতামত ব্যক্ত কৰি আছে। তেওঁলোকৰ লগত মতভেদ প্ৰকাশ কৰি আমি সত্যানুসন্ধানত সহায় কৰিব খোজোঁ। আজিৰ পৰিস্থিতিত সৰল বিশ্বাসতকৈ দায়িত্বশীল বিতৰ্কহে সত্যৰ অনুকূল। 'আজিৰ অসম'ত ২৬ এপ্ৰিল তাৰিখে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই কৈছে যে সদৌ অসম নাগৰিক সংস্থাৰ তৰফৰ পৰা চৰকাৰপক্ষ আৰু সংযুক্ত মুক্তি বাহিনী, উভয় পক্ষকে সংঘৰ্ষৰ পথ এৰি আলোচনালৈ সাজু হ'বলৈ আহ্বান কৰাটো যুক্তিসংগত হোৱা নাই। তেখেতৰ মতে হৃদয় পৰিৱৰ্তন নহয়, বিচাৰ ধাৰাৰ

(অথবা চিন্তাৰ) পৰিৱৰ্তনহে এই মুহূৰ্তত প্ৰয়োজন। যিবোৰ কাৰণে সংযুক্ত মুক্তি বাহিনী বিদ্ৰোহী হৈছে, সেই কাৰণবোৰ স্পষ্টকৈ নিৰ্ণয় কৰি জনমতত পৰিণত কৰিলেহে তেখেতৰ মতে আলোচনা সম্ভৱ হ'ব।

সঁচা কথা ক'বলৈ গ'লে আমি গণতান্ত্ৰিক নাগৰিক সংস্থাৰ সদস্যসকলে চৰকাৰ বা সংযুক্ত মুক্তি বাহিনী, কাৰো হৃদয় থকাৰ বিশেষ লক্ষণ দেখা নাই। উভয় পক্ষই নিৰ্বিচাৰ নিষ্ঠুৰতাৰে মানুহ মাৰিছে। আমি সেয়ে হৃদয় পৰিৱৰ্তনৰ আহ্বান দিয়াই নাই।

কিন্তু সংঘৰ্ষৰ দ্বাৰা সমস্যাটোৰ সমাধান কৰিবলৈ যোৱাৰ ফলত প্ৰথমতে ৰাইজৰ দুখ-কষ্ট বৰ্ণনাতীত হৈ পৰিছে; আৰু দ্বিতীয়তে পৰিস্থিতিয়ে অধিক জটিল ৰূপহে ধাৰণ কৰিছে। সেয়ে দুয়োপক্ষকে অস্ত্ৰ সম্বৰণ কৰি আলোচনাত বহিবলৈ আহ্বান দিয়া হৈছে। আন যি নহওক, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ নিৰ্বাচিত চৰকাৰ। সেয়ে গণতন্ত্ৰৰ নিয়মমতে নিপীড়িত ৰাইজে তেওঁবিলাকক দাবী জনাব পাৰে। আনহাতে সংযুক্ত মুক্তি বাহিনীয়ে নিজকে অসমৰ স্বাৰ্থৰ মুখপাত্ৰ বুলি দাবী কৰে। সেয়ে তেওঁলোককো অসমৰ ৰাইজে কাৰ্যপন্থা সলনি কৰিবলৈ আহ্বান দিব পাৰে।

কি কি কাৰণত সংযুক্ত মুক্তি বাহিনী বিদ্ৰোহী হৈছে সি আৰু আজি গোপন হৈ থকা নাই। ভাৰতীয় ৰাষ্ট্ৰৰ বিৰুদ্ধে প্ৰধান অভিযোগবোৰ সংযুক্ত মুক্তি বাহিনীয়ে বহু ঠাইত ব্যক্ত কৰিছে। এইবোৰ বিষয় (issues) সম্প্ৰতি ৰাইজৰো পৰিচিত আৰু সমৰ্থিত হৈ পৰিছে— যেনে প্ৰধানকৈ থলুৱা ৰাইজৰ উন্নতিৰ আহিলাৰূপে থলুৱা সম্পদৰ ব্যৱহাৰ। গতিকে ভট্টদেৱে ভবা দৰে নতুন এক বিচাৰ ধাৰা প্ৰৱৰ্তন কৰাৰ প্ৰশ্ন নুঠে।

আনহাতে বিবদমান দুয়োটা পক্ষই অসমৰ থলুৱা ৰাইজৰ মতামতৰ অবিসম্বাদী প্ৰতিনিধি হ'ব পৰা নাই। অসমৰ স্বাৰ্থৰ প্ৰতি চৰকাৰ উদাসীন। আকৌ তেওঁলোকৰ কাৰ্যপন্থাৰ ক্ষতিকৰ পৰিণাম সম্পৰ্কে সংযুক্ত মুক্তি বাহিনী নিৰ্বিকাৰ। তদুপৰি ভাৰতৰ পৰা বিচ্ছেদ আৰু গৃহযুদ্ধ অধিকাংশ অসমীয়া লোকৰ কাম্য নহয়। ধ্যানী বুদ্ধৰ দৰে নিৰ্মোহ-নিৰাসক্ত চিন্তাবিদৰ বাহিৰে অসমত চলি থকা নৰমেধত অধিকাংশ ৰাইজেই বিচলিত আৰু বিক্ষুব্ধ। তেওঁলোকে এই অধ্যায়টোৰ ইমানতে ওৰ পৰা বিচাৰে। আলোচনাৰ আহ্বান এইবাবেই দিয়া হৈছে।

ভট্টদেৱে আৰু এটা প্ৰশ্ন তুলিছে ঃ মধ্যস্থতা কোনে কৰিব? আমাৰ ধাৰণা যে মধ্যস্থতা কৰিবলৈ গণতান্ত্ৰিক নাগৰিক সংস্থাৰো যোগ্যতা নথকা নহয়। অৱশ্যে দুয়োপক্ষই যে একবাক্যে এই মধ্যস্থতা নাকচ কৰিব, সন্দেহ নাই। কাৰণ সহজবোধ্য! কিন্তু যেয়েই মধ্যস্থতা নকৰক, আলোচনাৰ বাবে প্ৰথমতে উভয় পক্ষই সন্মতি জনাব লাগিব। টুকুৰাটুকুৰিকৈ জিলা বা আঞ্চলিক নেতাসকলৰ লগত আলোচনা কৰাৰ অৰ্থ নাই। আলোচনা হ'ব লাগিব সংযুক্ত মুক্তি বাহিনীৰ সৰ্বোচ্চ নেতৃত্বৰ নিৰ্বাচিত প্ৰতিনিধিৰ লগত। সম্প্ৰতি ৰাজ্য চৰকাৰে জিলা পৰ্যায়ৰ কোনো কোনো নেতাৰ লগত মাজে সময়ে আলোচনা চলাই আছে। বিবাদৰ মূল বিষয়বোৰ লৈ আলোচনা কৰিবলৈ সমুলি ইচ্ছা প্ৰকাশ কৰা নাই। (ৰাজ্য চৰকাৰৰ সিমান ক্ষমতাও নাই)। বৰং ব্যক্তিগতভাৱে সংযুক্ত মুক্তি বাহিনীৰ কোনজন কৰ্মীক কিমান লাখ টকা দিব আচল আলোচনাৰ বিষয় সেইটোহে হৈছে!! ভাৰতীয় বৃহৎ পুঁজি আৰু কেন্দ্ৰীয় মন্ত্ৰী আমোলায়ো ভাবে যে অসমৰ সাধাৰণ মানুহ যিমান মৰে মৰক কথা নাই। বৰ্তমানৰ অৰ্থনীতি আৰু ৰাষ্ট্ৰ ব্যৱস্থাৰ কোনো পৰিৱৰ্তন অসমৰ বাবে কৰাৰ প্ৰয়োজন নাই।

অসমৰ ৰাইজৰ শ্ৰদ্ধাভাজন লোকসকলে সেই কথা স্পষ্টভাষাত ক'লে মান-মৰ্যাদা, বিদেশ ভ্ৰমণৰ সুযোগ কিছু তাকৰকৈ পাব, কিন্তু তেতিয়াহে তেখেতসকলে অসমৰ ৰাইজৰ প্ৰকৃত উপকাৰ সাধিব পাৰিব।

সদৌ অসম গণতান্ত্ৰিক নাগৰিক সংস্থাৰ দ্বাৰা প্ৰচাৰিত আবেদনখন এক যৌথ প্ৰচেষ্টা। তাৰ খচৰা প্ৰস্তুতিত মই আন দহজনৰ দৰে এক সাধাৰণ অংশীদাৰ। কিন্তু আন এটা কথাত মোৰ দায়িত্ব কিছু বেছি আছিল।

আজি সংযুক্ত মুক্তি বাহিনীৰ আত্মসমৰ্পণকাৰী সদস্যক ক্ষমাদান কৰা বিষয়ে বিতৰ্ক উঠিছে। এটা মহলে ঘপৰাই প্ৰচাৰ চলাইছে যে আমাৰ দৰে লোক এই মাৰাত্মক ক্ষতিকৰ কাৰ্যপন্থাৰ বাবে জগৰীয়া। মুখ্যমন্ত্ৰী শইকীয়ায়ো গণতন্ত্ৰৰ অপৰূপ বেশ ধাৰণ কৰি কৈছে যে ৰাজ্যখনৰ বুদ্ধিজীৱীসকলৰ কথামতেই তেখেতে এই 'সাধাৰণ ক্ষমাদান'ৰ নীতি লৈছে। গণতন্ত্ৰৰ প্ৰতি শইকীয়া ডাঙৰীয়াৰ আস্থা আৰু নিষ্ঠা সৰ্বজনবিদিত। সেই বিষয়ে মন্তব্য নিষ্প্ৰয়োজন। কিন্তু শইকীয়া আৰু শইকীয়াৰ সমালোচক— দুয়ো পক্ষই গণতন্ত্ৰৰ প্ৰতি প্ৰেমত গদগদ হৈ সত্যৰ প্ৰতি কিছু অনাদৰ দেখুৱাইছে। আমি সেই বিষয়েহে মাত মাতিম।

শপত গ্ৰহণ কৰাৰ পিছতেই চৌদ্ধজন বিষয়া অপহৰণ কৰি সংযুক্ত মুক্তি বাহিনীয়ে নতুন শইকীয়া চৰকাৰৰ বিৰুদ্ধে প্ৰত্যাহ্বান ঘোষণা কৰিলে। ইতিমধ্যে হিংসা-প্ৰতিহিংসাৰ এক ধুমুহাই অসম বিধ্বস্ত কৰি গৈছিল। সেই মুহূৰ্ততে শইকীয়াই পৰামৰ্শ বিচাৰি বুদ্ধিজীৱীসকলক নিমন্ত্ৰণ কৰাত আমি গৈছিলো। কাৰণ পৰিস্থিতিৰ শান্তিপূৰ্ণ সমাধান আমাৰো কাম্য আছিল।

সেই পৰিস্থিতিতে আমি 'সাধাৰণ ক্ষমাদান'ৰ নীতি অৱলম্বন কৰিবলৈ শইকীয়াক পৰামৰ্শ দিছিলোঁ। কিন্তু "সাধাৰণ ক্ষমাদান"ৰ অৰ্থ সংযুক্ত মুক্তি বাহিনীৰ ভাবুকিৰ আগত আত্মসমৰ্পণ নাছিল। সি আছিল শান্তিপূৰ্ণ আলোচনাৰ প্ৰতি চৰকাৰৰ সদিচ্ছাৰ এক প্ৰমাণ।

"সাধাৰণ ক্ষমাদান"ৰ অৰ্থ এনে নাছিল যে সকলো কাৰাৰুদ্ধ সদস্যক তুৰন্তে মুক্তি দিয়া হ'ব। অথবা এনে অৰ্থও নাছিল যে আইনৰ নিয়ম-কানুন চেৰাই গৈ শইকীয়াই নিজ খুছীমতে কাম কৰি যাব। প্ৰচলিত বিধি-বিধানমতেই তাক ৰূপায়িত কৰিব লাগিব। কিন্তু প্ৰধান কথাটো হ'ল এয়ে যে শান্তিপূৰ্ণ আলোচনাৰ স্বাৰ্থত চৰকাৰে সংযুক্ত মুক্তি বাহিনীৰ বিৰুদ্ধে গোচৰসমূহ ৰাজনৈতিক সিদ্ধান্ত লৈ প্ৰত্যাহাৰ কৰিব। শইকীয়াৰ লগত আমাৰ আলোচনা হোৱা সময়ত কথাবোৰ পৰিষ্কাৰকৈ কোৱা হৈছিল।

যি কোনো কাৰণতেই নহওক, সেই পৰামৰ্শ শইকীয়াই কাৰ্যকৰী কৰা নাছিল। বৰং দেখা গ'ল যে পৰ্যায়ক্ৰমে তেওঁ বিভিন্ন সময়ত আত্মসমৰ্পনৰ অনুষ্ঠান পাতি বিভিন্ন আত্মসমৰ্পণকাৰীক 'ক্ষমাদান' কৰিলে আৰু এতিয়াও 'ক্ষমাদান' কৰি আছে! (পোনতে এনেদৰে ক্ষমা আৰু টকা একেলগে পোৱা কোনো কোনো 'আত্মসমৰ্পণকাৰী' সংযুক্ত মুক্তি বাহিনীৰ সদস্যই নাছিল বুলি বুবু-বাবাও শুনা গৈছিল!) অৰ্থাৎ বুদ্ধিজীৱীৰ লগত আলোচনাৰ ভাওনা পাতি শইকীয়াই প্ৰকৃততে নিজস্ব কাৰ্যপন্থা মতেই কাম কৰি গৈছিল। আমিও তেতিয়াই ৰাজহুৱাভাৱে মত প্ৰকাশ কৰি জনাইছিলো যে এনে অদ্ভুত 'ক্ষমাদান' আমাৰ ধাৰণাৰ সাধাৰণ ক্ষমাদানতকৈ বেলেগ আছিল।

সংযুক্ত মুক্তি বাহিনীৰ লগত আলোচনা কৰা উচিত হয় নে নহয় সেই বিষয়ে কিছু দ্বিমত দেখা গৈছে। ভাৰতীয় জনতা পাৰ্টী আৰু তেওঁলোকৰ সমৰ্থকসকলে ক'ব খোজে যে সংযুক্ত মুক্তি বাহিনী আচলতে অপৰাধীৰ দল আৰু সিবিলাকক নিৰ্মমভাৱে সাপ মৰাদি মাৰি পেলাব লাগে।

আমাৰ (তথা অসমৰ অধিকাংশ ৰাইজৰ) ধাৰণা যে মাৰাত্মকভাৱে বিভ্ৰান্ত আৰু বিপথগামী হোৱা সত্বেও সংযুক্ত মুক্তি বাহিনী এটা ৰাজনৈতিক সংগঠন, আৰু তাৰ সমাজবিৰোধী কাম-কাজৰ এক ৰাজনৈতিক উদ্দেশ্য আছে। সেয়ে তাৰ সমাজবিৰোধী কাম-কাজৰ বিৰুদ্ধে আইন-শৃংখলাৰ দৃষ্টিৰে যথাযথ সহাঁৰি দিলেও শেহান্তৰত ৰাজনৈতিক সমাধানেহে সমস্যাটোৰ ওৰ পেলাব পাৰিব। সাধাৰণ ক্ষমাদান ৰাজনৈতিক কাৰ্যপন্থাৰ অংগ।

এই ক্ষেত্ৰত নিলম্বিত আৰক্ষী উপপ্ৰধান অশোক ছাহুদেৱৰ যুক্তিৰ উল্লেখ কৰা হৈছে। তেওঁৰ মতে আত্মসমৰ্পণকাৰী প্ৰদীপ গগৈ দৌলত সিং নেগীৰ হত্যাত জড়িত। তেওঁক ক্ষমাদান কৰাৰ অৰ্থ আৰক্ষীসকলক নিৰুৎসাহ কৰা। আইন-শৃংখলা ৰক্ষাৰ বাবে আৰক্ষীক বিপদৰ মুখলৈ ঠেলি দি আইন-শৃংখলা ভংগকাৰীক দয়া দেখুৱা প্ৰশাসনৰ বাবে বিপজ্জনক পন্থা।

শ্ৰীযুত ছাহুৰ যুক্তি সাধাৰণ ক্ষমাদানৰ নীতিৰ বিৰুদ্ধে নহয়। বাছি বাছি কিছুমান লোকক ক্ষমাদান কৰা বাবেহে ছাহুৰ প্ৰতিবাদ যুক্তিসংগত হৈছে। TADAৰ অধীনত অভিযুক্ত লোকেৰে কাৰাগাৰ ভৰাই, আপোচবিৰোধী সদস্যক হাজোতত হত্যা কৰি, আন যি নহওক "সাধাৰণ ক্ষমাদান" ৰূপায়ণ কৰা নাযায়।

"সাধাৰণ ক্ষমাদান" এক পূৰ্ণাংগ ৰাজনৈতিক ব্যৱস্থাৰ বা আঁচনিৰ এটা উপাদান। শান্তিপূৰ্ণ আলোচনাৰ চৰ্ত হিচাপেই তাৰ প্ৰয়োগ হ'ব পাৰে। PLO আৰু ইজ্ৰায়েলৰ মাজত সকলো দীৰ্ঘকালীন সংঘৰ্ষৰ স্মৃতি পাহৰি কৰা আলোচনা এনে চৰ্তৰ ফলতেই সম্ভৱ হৈছে। কিন্তু য'ত দায়িত্বশীল ঐকান্তিক আলোচনাৰ চেষ্টাই নাই, তাত ক্ষমাদান অপ্ৰাসংগিক। বৰং ক্ষমাদানক এক জঘণ্য ৰাজনৈতিক চক্ৰান্তৰ কৌশলৰূপেহে ব্যৱহাৰ কৰা হ'ব পাৰে।

সেয়ে বুদ্ধিজীৱীক গালি-গালাজ কৰি নিজৰ মান-মৰ্যাদা বঢ়োৱাৰ চেষ্টা হাস্যকৰ। মান-মৰ্যাদাৰ অভিমান যিমানে বাঢ়িছে, সিমানে ৰাইজৰ বিপদ বাঢ়িছে। আমি এই মুহূৰ্তত সকলোৱে মনত পেলোৱা উচিত ঃ

"জীয়ে অসম, মৰে কোন?
মৰে অসম, জীয়ে কোন?"

আজিৰ অসম; ২৮ এপ্ৰিল, ১৯৯৪

প্ৰদীপ গগৈৰ স্বীকাৰোক্তি

আলফাৰ উপ সভাপতিক গ্ৰেপ্তাৰ কৰাটো চৰকাৰৰ দমনযন্ত্ৰৰ এটা ডাঙৰ সাফল্য। তেওঁ আত্মসমৰ্পণ কৰক বা নকৰক, চৰকাৰৰ জালত এটা ডাঙৰ মাছ ধৰা পৰিল। তাৰ পিছত যথাৰীতি কাকতে-পত্ৰই তেওঁৰ "স্বীকাৰোক্তি" প্ৰকাশ পাবলৈ ধৰিলে। কেৱল তেওঁ এই কথা এতিয়ালৈকে কোৱা নাই যে শইকীয়াৰ বাহিৰে অসমৰ গতি নাই।

এইবোৰ "স্বীকাৰোক্তি" যিমানেই প্ৰকাশ পাইছে সিমানেই তাৰ মূল্য হ্ৰাস পাইছে। ৰাজনৈতিক উদ্দেশ্যৰেই এনে "স্বীকাৰোক্তি" সজোৱা হৈছে বুলি বহুতৰে বিশ্বাস। সংগঠনটোৰ কাৰ্যকলাপ সম্পৰ্কে চাঞ্চল্যকৰ বা নাটকীয় নতুন খবৰ "স্বীকাৰোক্তি" বোৰত একো নাই। আনহাতে তাত থকা "তথ্য"সমূহ চৰকাৰৰ বাবে সুবিধাজনক যেনো দেখা যায়।

এতিয়ালৈকে কোনো নিৰ্ভৰযোগ্য সাংবাদিকে বন্দী আলফা নেতাসকলৰ লগত মুকলিভাৱে কথা হ'ব পৰা নাই। তেনেস্থলত পুলিচ সূত্ৰৰপৰা ওলোৱা "স্বীকাৰোক্তি"সমূহ দিছপুৰৰ পৰা সাৰুৱা মগজৰ লোকে বনাই দিয়া বুলিহে ভাব হয়।

তদুপৰি এনে "স্বীকাৰোক্তি"ৰ ভিত্তিত অজিত ভূঞা, ৰমেন দত্ত বৰুৱা আৰু দেবেন বড়াক গ্ৰেপ্তাৰ কৰা কথাটো অত্যন্ত আপত্তিজনক। এনে "স্বীকাৰোক্তি"ক আদালতে গণ্য কৰা উচিত নহয়। প্ৰয়োজন হ'লে বিচাৰকে অকলে "স্বীকাৰোক্তি" দিয়া বন্দীৰ লগত কথা হৈহে তেওঁৰ সাক্ষ্যৰ সত্যাসত্যৰ বিচাৰ কৰা উচিত। নতুবা বিচাৰ প্ৰহসনত পৰিণত হ'ব, বিচাৰকৰ মৰ্যাদাও জনমানসত হ্ৰাস পাব।

আনহাতে আমি পুনৰ ক'বলৈ বাধ্য হৈছো যে আলফাৰ কেতবোৰ সাংঘাতিক ত্ৰুটিৰ বাবে সংগঠনটোৰ এনে বিপৰ্যয় ঘটিছে। আলফা নেতা আৰু কৰ্মীক ধৰাই দিয়া "ছালফা" কোন? প্ৰাক্তন আলফা। ইমান ব্যাপক

হাৰত বিশ্বাসঘাতকতা হয় কেনেকৈ? দ্বিতীয়তে, এই কথাও ক'ব লাগিব যে তেওঁলোকৰ প্ৰধান বিপ্লৱী কাৰ্যসূচী বলপূৰ্বক ধন সংগ্ৰহ যেন দেখা গৈছে। NSCN বা আন মিত্ৰ সংগঠনক দিবলগীয়া ভাড়া বা কৰৰ বাবেই এনেদৰে ধন সংগ্ৰহ কৰিবলগীয়া হয়। সি সংগঠনটোৰ এক মাৰাত্মক সীমাবদ্ধতাৰ ইংগিত দিয়ে।

সাংবাদিকৰ ওপৰত অত্যাচাৰ

"সাদিন"ৰ সকলো কথাত একমত নহওঁ। কাকতখনে কিছুমান ভুল কৰা বুলিও আমাৰ মনত সংশয় আছে। কিন্তু নিঃসন্দেহে শইকীয়া চৰকাৰৰ নানা দুৰ্নীতি, অন্যায় আৰু উদ্ভণ্ডালিৰ নিৰ্ভীক আৰু স্পষ্টবাদী সমালোচনাৰ বাবে গণতন্ত্ৰৰ বৰ্তমান সংকটত কাকতখনৰ এক বিশেষ ভূমিকা আছে। সেইবাবেই কাকতখন শাসক মহলৰ দুশ্চিন্তা আৰু আশংকাৰ কাৰণ। কোটি কোটি টকাৰ মানহানি মোকৰ্দমাৰে কাকতখনৰ কণ্ঠ বোধ কৰিব নোৱাৰি অৱশেষত "স্বীকাৰোক্তি"ৰ ভিত্তিত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ অংশীদাৰ বুলি অজিত ভূঞাক গ্ৰেপ্তাৰ কৰা হ'ল বুলি বহুতৰ দৰে আমিও ভাবো।

মানুহে কৈছেই যে হেমৰাম কেওঁটক অপহৰণ কৰা লোক ধৰা পৰিল, হেমৰাম কেওঁটৰ অপহৰণত উচটনি দিয়া লোক ধৰা পৰিল— অথচ কেওঁটক এতিয়াও উদ্ধাৰ কৰিব পৰা নাই : কথাটো বিশ্বাসযোগ্য নহয়। তদুপৰি অজিত ইমান কেঁচা বুদ্ধিৰ মানুহ নহয় যে নিজৰ কাকতত কেওঁটৰ দুৰ্নীতি বিস্তাৰিতভাৱে উন্মোচন কৰি তাৰ দুদিন পিছতেই তেওঁক অপহৰণ কৰাত সহায় কৰিব। কেওঁট অজিত ভূঞাৰ প্ৰধান লক্ষ্য নহয়, তেওঁৰ প্ৰতি অজিতৰ কোনো ব্যক্তিগত বিদ্বেষ থকাৰ কথাও নাই। তেন্তে কেওঁটৰ অপহৰণত কিয় অজিতে সহায় কৰিব? কথা আন একো নহয়, ৰজাঘৰীয়া প্ৰশস্তি আৰু লুণ্ঠনত ভাগ নোলোৱা স্বাধীনচিতীয়া সাংবাদিকক "ঠাণ্ডা" কৰাৰ চক্ৰান্ত। এই চক্ৰান্তৰ বিৰোধিতা নকৰিলে এদিন ৰাইজে দেখিব তেওঁলোকৰ মূৰতে শান্তিপ্ৰিয় চৰকাৰে টাঙোন মাৰিছে।

আজিৰ অসম; ১৩ জুলাই, ১৯৯৪

সংযুক্ত মুক্তি বাহিনীৰ এটা বিবৃতিৰ সন্দৰ্ভত

আলফাৰ শিৱসাগৰ জিলা কমিটীৰ তৰফৰ পৰা তলত দিয়া বিবৃতিটো 'অগ্নিগড়' কাকতৰ প্ৰথম পৃষ্ঠাতে প্ৰকাশ পাইছে ঃ

'অকল কলমেৰে দুৰ্নীতি নিঃশেষ কৰাৰ হাবিয়াসকণ এৰক'

বুদ্ধিজীৱী সাংবাদিকলৈ আলফাৰ সকীয়নি ঃ

প্ৰবীণ নাৰ্জাৰী ঃ 'স্বতঃস্ফূৰ্ত সংগ্ৰামৰ জৰিয়তে যদি দুৰ্নীতি মোচন কৰাৰ সৎ সাহস আছে, তেন্তে মূৰ্খই জালেৰে পানী ভেটিবলৈ যোৱাৰ দৰে অকল কলমেৰে দুৰ্নীতি নিঃশেষ কৰাৰ হাবিয়াসকণ এৰক, অন্যথা স্বাৰ্থত পৰিয়েই হওক অথবা নিজকে সচেতন বুদ্ধিজীৱী সাজিবলৈয়ে হওক কৰ্মদক্ষতাহীন বিভ্ৰান্তিকৰ পৰ্যালোচনা আগবঢ়াই থাকিলে কোনো মুহূৰ্তত নিজেই বিপৰ্যয়ৰ সন্মুখীন হ'ব লাগিব, ই নিশ্চিত'— এয়া অসমৰ একাংশ সাংবাদিক বুদ্ধিজীৱীক সকীয়নি দি আলফাৰ শিৱসাগৰ জিলা সমিতিয়ে প্ৰকাশ কৰা এক বিবৃতিৰ বক্তব্য।

এই কথা অনস্বীকাৰ্য যে কোনো এটা জাতিৰ জাতীয় বিকাশ তথা সামাজিক প্ৰগতিৰ ক্ষেত্ৰত লেখক-বুদ্ধিজীৱীসকলৰ এক অলিখিত দায়িত্ব আছে। এইবাবেই লেখক-বুদ্ধিজীৱীসকলে দেখুৱাই দিব লাগে কোনো সংস্কাৰেৰে নহয়— সম্পূৰ্ণ পৰিৱৰ্তনেৰেহে জাতিটোৱে নিজৰ অধিকাৰ সৰ্বতোদিশত সাব্যস্ত কৰিব পাৰে। ইয়াকে কৰিবলৈ যাওঁতে অমৌলিক দ্বন্দ্ববোৰ, মৌলিক দ্বন্দ্ববোৰ নিৰ্ণয় কৰি উলিওৱা আৰু জাতীয় চেতনা আগবাঢ়ি যাওঁতে অমৌলিক দ্বন্দ্বসমূহে কেনে ভূমিকা গ্ৰহণ কৰে বা জাতিটোৰ স্বাধিকাৰ ৰক্ষাৰ বাবে আগুৱাই যোৱা জাতীয় শক্তিৰ অগ্ৰগতিক মৌলিক দ্বন্দ্ববোৰে কেনেদৰে আগুৱাই নিব পাৰে ইত্যাদি দিশবোৰ সংগ্ৰামী ৰাইজৰ সন্মুখত জলজল পটপটকৈ উপস্থাপন কৰাতো লেখক-বুদ্ধিজীৱীৰ প্ৰথম আৰু প্ৰধান কৰ্তব্যৰূপে বিবেচিত হোৱা প্ৰয়োজন। যিহেতু লেখক-

বুদ্ধিজীৱীসকল সমাজ এখনৰ দায়বদ্ধ অংশ, সেয়ে এইটো এইসকলৰ বাবে এক নৈতিক কৰ্তব্য হোৱা উচিত। ইয়াৰ অন্যথাই লেখক-বুদ্ধিজীৱীসকল সমাজৰ অপ্ৰয়োজনীয় অংশলৈ পৰ্যবসিত হ'বলৈ বাধ্য।

কিন্তু অপ্ৰিয় হ'লেও সত্য যে অসমত এতিয়া এই নৈতিক কৰ্তব্য সম্পৰ্কে সচেতন তথা এই নৈতিক দায়িত্ব পালন কৰা লেখক-বুদ্ধিজীৱীৰ সংখ্যা তেনেই নগণ্য। মধ্যবিত্ত শ্ৰেণীৰ দোদুল্যমানতাই বিশেষভাৱে ক্ৰিয়া কৰা অসমৰ লেখক- বুদ্ধিজীৱীসকলৰ অতি ন্যূনতম অংশ এটাই নিজৰ চিন্তা, ক্ষমতা আৰু শক্তিক নিপীড়িত, নিষ্পেষিত জনগণৰ মুক্তিৰ হকে নিয়োজিত কৰাৰ বিপৰীতে অধিকাংশই প্ৰতিক্ৰিয়াশীল, বিভাজনবাদী, জনগণ বিৰোধী শোষক গোষ্ঠীৰ সপক্ষে ঢাল তৰোৱাল লৈ থিয় দিছে। বৌদ্ধিক ক্ষেত্ৰত নিজে পাতি লোৱা আকাশৰ নক্ষত্ৰ হৈ ৰোৱা এইসকলৰ ভূমিকাই আনকি নিষ্পেষিত জনগণক বিভ্ৰান্ত কৰাই নহয় জাতীয় অগ্ৰগতিৰ স্বাৰ্থত জাতীয় শক্তিৰ উত্থানতো চেঁচাপানী ঢালি স্থিতাৱস্থাক বাহাল ৰখাতহে অৰিহণা যোগাইছে। জাতীয় মুক্তিৰ প্ৰশ্নত এইচাম লেখক-বুদ্ধিজীৱীৰ ভূমিকা কিমান হ'ব পাৰে সেই দিশ এতিয়া জনসাধাৰণৰ সন্মুখতো স্পষ্ট হৈ পৰিছে।

আলফাৰ শিৱসাগৰ জিলা সমিতিয়ে প্ৰকাশ কৰা বিবৃতিটোত কোৱা হৈছে যে অসমৰ বৰ্তমান পৰিস্থিতি আৰু দুঃসময়ৰ বাবে বহুতো বুদ্ধিজীৱী, সাংবাদিক, ৰাজনৈতিক পৰ্যালোচক আদিয়ে আতংকৰ হামৰাও কাঢ়িছে। এওঁলোকেই দুৰ্নীতিগ্ৰস্ত চৰকাৰ, বহু কোটি টকাৰ কেলেংকাৰী, অপমান আদিৰ ওপৰতো নিজৰ গা বচাই সমালোচনা কৰে। দুৰ্নীতি, অপৰাধ, লুণ্ঠন, নিপীড়ন, শোষণ আদিৰ বিৰুদ্ধে প্ৰতিবাদ কৰা সংগঠন বিলাককো অন্যান্য খুঁত উলিয়াই কটু বাক্যৰে গালি পাৰি নিজকে সচেতন মানুহ বুলি জহোৱাতো এইসকল আগৰণুৱা। বিজ্ঞ পণ্ডিতৰ দৰে হকে বিহকে লিখনি প্ৰকাশ কৰি দুৰ্নীতিকাৰীসকলক তথা নিপীড়ক আৰু দুৰ্নীতিগ্ৰস্ত চৰকাৰখনক দুৰ্নীতি কৰাত অধিক সহায় কৰি আহিছে।

বিবৃতিটোত বুদ্ধিজীৱী সাংবাদিকসকলক উদ্দেশ্যি এইবুলিও কোৱা হৈছে নিজক গুণী-জ্ঞানী যেন দেখুৱাই বৰ মানুহ বোলাবলৈ যোৱাতকৈ যাকে-তাকে সৰ্ব দোষ জাপি দি নিজক বিশুদ্ধ বুলি দেখুৱাবলৈ যোৱাতকৈ আপোনালোকেই এটা বিশুদ্ধ আৰু শক্তিশালী সংগঠন গঢ় দি শোষণ,

তোষণ, দুৰ্নীতি, নিপীড়ন, জাতি ধ্বংসী কাৰ্যাদি ৰোধ কৰিবলৈ ওলাই নাহে কিয়? য'ত আপোনালোকৰ নেতৃত্বৰ দ্বাৰা সকলো প্ৰকাৰৰ অভাৱ-অনাটন দূৰ কৰি দুৰ্নীতি মুক্ত এখন দেশ তথা নিকা সমাজ জনগণৰ বাবে গঢ়ি দিব পাৰিব; তেতিয়া আমাৰ দৰে সংগঠন এটাৰ শ শ যুৱকে আত্মত্যাগেৰে সংগ্ৰাম কৰিব নালাগে আৰু আপোনালোকেও কোনো আশংকাত পৰি হামৰাও কাঢ়িব নালাগে। অসমৰ সাম্প্ৰতিক পৰিস্থিতি আৰু লেখক-বুদ্ধিজীৱীৰ ভূমিকা সন্দৰ্ভত আলফাৰ এই বিবৃতিৰ এক সুদূৰপ্ৰসাৰী তাৎপৰ্যক সাংবাদিক বুদ্ধিজীৱীৰ উল্লেখিত অংশটোৱে কেনেদৰে গ্ৰহণ কৰে সেই কথা নিশ্চয় লক্ষণীয় হ'ব। অৱশ্যে এই কথাও অনস্বীকাৰ্য যে— লেখক-বুদ্ধিজীৱী বা যুৱ ছাত্ৰই সমাজৰ সকলো কথাতে অংশগ্ৰহণ কৰে বা আপাত দৃষ্টিত এই সকলকেই পৰিৱৰ্তনৰ মূল যেন লাগে যদিও প্ৰকৃততে কিন্তু এই ধাৰণা সত্য নহয়। পৰিৱৰ্তনৰ মূলশক্তি জনসাধাৰণহে। সেয়ে শেষ বিচাৰত জনসাধাৰণহে শুদ্ধ, এই কথা লেখক-বুদ্ধিজীৱী তথা আলফা উভয়েই মনত ৰখা ভাল।

বিবৃতিটোৰ লক্ষ্য কোন, পোনচাতেই কৈ দিয়া টান। আজি-কালি যেনেকৈ এটা হত্যাকাণ্ড হৈ যোৱাৰ পিচত কোনে হত্যা কৰিলে, আৰু কিয় কৰিলে, কথাটো অস্পষ্ট আৰু দ্ব্যৰ্থবাচক হৈ থাকে— তেনেকৈ কিছুমান বিবৃতিৰো গড়গএগ্ৰা কটাৰী আৰু গড়গএগ্ৰা মিতিৰৰ চৰিত্ৰ দেখা যায়। কিন্তু পাঠক নিজে বিভ্ৰান্তি আৰু মোহৰ পৰা মুক্ত হ'লে এনে দুতলীয়া কথাৰো তাল বুজিবলৈ আহুকাল নাপায়।

বিবৃতিটোৰ পৰা ৰাইজৰ মনত এনে ধাৰণা হয় যে সংযুক্ত মুক্তি বাহিনীক সমালোচনা কৰা সকলে নিজৰ বিদ্যাবুদ্ধি জাহিৰ কৰাতহে আগ্ৰহী বুলি বিবৃতিটোত অভিযোগ কৰা হৈছে। এনে লোকসকলে হেনো সমালোচনাৰ দ্বাৰা শত্ৰুৰ হাতহে শক্তিশালী কৰে, আৰু নিজে একোকে কৰিব নোৱৰা বাবেই সমালোচনা কৰে— এনে এক ইংগিতো তাত দিয়া হৈছে। আনক কটু সমালোচনা কৰি নিজৰ অন্তঃসাৰশূন্যতা ঢাকিব খোজা বুলিও চৰকাৰী প্ৰবক্তাৰ ধাৰ কৰা আত্মপ্ৰত্যয়েৰে ঘোষণা কৰা হৈছে। সন্দেহ নাই আমি নিজেও এনেবোৰ দোষৰ ভাগী।

'ফলেন পৰিচীয়তে।' কথাষাৰ মান্ধাতাৰ আমোলৰ হ'লেও আজিও সঁচা। অসম আন্দোলনৰ সময়ত ৰাইজৰ উৎসাহ দেখি অভিভূত হ'লেও তাৰ

কেতবোৰ অশুভ লক্ষণ দেখি সময় থাকোতেই আমি আঙুলিয়াই দিছিলোঁ। প্ৰতিদান পাইছিলোঁ আত্মবিশ্বাসত গঙাটোপ নেতাৰ তিৰস্কাৰ আৰু 'জনসাধাৰণ'ৰ ভ্ৰূকুটি। আন্দোলনৰ ধুমুহা মাৰ গ'লত দেখা গ'ল আমাৰ মত সিমান ভুল নাছিল। সময়ত আমাৰ সকীয়নি শুনা হ'লে কিছুমান বিপদৰ পৰা অসমে হাত সাৰিব পাৰিলেহেঁতেন।

এই কথা ঠিক যে তেতিয়া আমাৰ কোনো সংগঠন নাছিল বা ৰাজনৈতিক কাৰ্যকৰী সক্ৰিয়তা নাছিল। তথাপি আন্দোলনৰ গতিপথ আৰু পৰিণাম আমি শুদ্ধকৈ নিৰ্ণয় কৰিব পাৰিছিলোঁ। আজি কেতবোৰ হঠকাৰী আৰু অধৈৰ্য লোকে আমাক 'কৰ্মদক্ষতাহীন' বুলি গালি পাৰিলেই সেই সঁচা কথাটো ধোঁৱা হৈ উৰি নাযায়।

কোৱা বাহুল্য কাৰো ফুল কুমলীয়া অন্তৰত আঘাত দিবলৈ আমি সংযুক্ত মুক্তি বাহিনীৰ কটু সমালোচনা কৰা নাই। নেতৃত্ব আৰু নীতিৰ ভুলৰ মৰ্মান্তিক মূল্য দিবলগীয়া হৈছে সাধাৰণ নিষ্ঠাৱান কৰ্মী আৰু নিৰীহ জনগণে। তদুপৰি অসমৰ ভৱিষ্যত আন্ধাৰ কৰিব পৰা বহু অশুভ শক্তিৰ উদয় হৈছে হঠকাৰিতাৰ ফলত। সেইবাবেহে আমাৰ সমালোচনা কঠোৰ হৈছে। এই সমালোচনা নতুন নহয়, প্ৰথমৰে পৰা (অৰ্থাৎ ১৯৮৭-৮৮ চনৰ পৰা) এইবোৰ কথাকে দোহাৰি থকা হৈছে। তেতিয়া ঢাক খাই থকা পৰিণামবোৰ এতিয়া আৰু স্পষ্ট ৰূপত প্ৰকট হৈছে।

বিপ্লৱী ৰাজনীতিৰ এক বৌদ্ধিক ৰূপ থাকে। নিজে বন্দুকৰ কছ্ৰৎ কৰি বৌদ্ধিক ভূমিকাৰ বাবে চৰকাৰী প্ৰবক্তা নিয়োগ কৰিব নোৱাৰি। প্ৰতিপক্ষৰ যুক্তি খণ্ডন কৰিহে বিপ্লৱী ৰাজনীতিৰ কৰ্মধাৰা আগুৱাই নিব লাগিব। য'ত যুক্তিৰ সকাম নাই অথবা য'ত বন্দুকেৰে বা নিন্দাৰে যুক্তিৰ উত্তৰ দিবলগীয়া হয়, সেই বিপ্লৱৰ ভৱিষ্যত অন্ধকাৰ।

আনহাতে কোনো প্ৰতিক্ৰিয়াশীল চৰকাৰ আৰু শোষক শ্ৰেণীৰ অন্যায় আৰু দুৰ্নীতি কেৱল বন্দুক মাৰি বা গালি-গালাজ কৰি দূৰ কৰিব নোৱাৰি। প্ৰথমে যথাযথ বিশ্লেষণেৰে তাৰ স্বৰূপ দাঙি ধৰিব লাগিব। জনসাধাৰণক সজাগ কৰা আৰু সজাগ কৰি ৰখাৰ সি এক অপৰিহাৰ্য পূৰ্বচৰ্ত। অচেতন জনসাধাৰণক বৰটোপৰ খাৰ-বাৰুদ বনাব পাৰি, কিন্তু বিপ্লৱৰ সচেতন যুঁজাৰুত পৰিণত কৰিব নোৱাৰি। জনগণ যি কোনো পৰিস্থিতিতে শুদ্ধ নহয়।

হিটলাৰৰ পিচে পিচে যোৱা বিশাল ফেছিষ্ট জনতাও শুদ্ধ নাছিল। জনগণ হৈছে শক্তিৰ (energy) আকৰ। তাক কাৰ্যক্ষমতালৈ (Power) ৰূপান্তৰিত কৰাত সংগঠনৰ দৰেই শুদ্ধ তাত্ত্বিক বিশ্লেষণ আৰু দিক্‌নিৰ্দেশৰো থল আছে।

আত্মসমালোচনাহীন, চিন্তাহীন বিদ্ৰোহ শেহান্তৰত শাসক শ্ৰেণীৰ শক্তিবৃদ্ধিৰ অস্ত্ৰত পৰিণত হয়। আনহাতে যুক্তিত বলীয়ান আৰু আদৰ্শত উন্নত সংগঠন জনগণৰ অগ্ৰগতিৰ প্ৰধান মাধ্যম।

আজিৰ অসম; ১৩ জুলাই, ১৯৯৪

ৰক্ত পিপাসু ৰাজনীতি, মুছলমান মৌলবাদৰ বিপদ আৰু এটি মৃতদেহৰ দুঃস্বপ্ন*

যোৱা চাৰিদিন ধৰি বৰপেটা জিলা আৰু তাৰ উত্তৰাঞ্চলৰ দাঁতিকাষৰীয়া অঞ্চলত যি বিভৎস নৰমেধ অনুষ্ঠিত হ'ল, প্ৰত্যক্ষদৰ্শী নোহোৱাকৈও তাৰ পাশৱিক বিভীষিকা আমি অনুভৱ কৰিছোঁ। উন্মত্তৰ দৰে একোদল লোকে কোনোদিনেই চিনি নোপোৱা মানুহৰ ঘৰ-বাৰীত জুই লগাই দিছে, চিনাকি মানুহকো ঘোৰ শত্ৰুৰ দৰে মাৰি-কাটি জুইত জাপি দিছে, ৰাতি শুই থকা নিৰাশ্ৰয় ভীতিগ্ৰস্ত মানুহক এন্ধাৰত গুলীয়াই হত্যা কৰিছে কোনো এদল লোকে। বৃদ্ধ-শিশু-নাৰী কাৰো ৰক্ষা নাই। চকুৰ আগতে কোনোৱে নিজৰ সমগ্ৰ পৰিয়াল শেষ হৈ যোৱা দেখিছে মুহূৰ্ততে। প্ৰাণৰ পুতলীক নৰৰাক্ষসৰ হাতত এৰি পিতৃ-মাতৃ পলাই আহিবলগীয়া হৈছে আতুৰত।

আজি কেবাখনো গাঁও ভস্মীভূত বা অৰ্দ্ধদগ্ধ। হেজাৰ বিজাৰ মানুহে পেটত এটা খুদকণ নোহোৱাকৈ আশ্ৰয় শিবিৰত পৰি আছে। তাতো আহি আততায়ীয়ে তেওঁলোকৰ প্ৰাণনাশ কৰিছে।

২২ জুলাইৰ খবৰ মতে এটা বিস্তৃত এলেকাত (কেবাখনো মৌজা, কেবাটাও আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চল) শান্তিৰক্ষাৰ বাবে সেনাবাহিনীৰ ২টা আৰু অৰ্দ্ধ-সামৰিক বাহিনীৰ ৬টা কোম্পানী নিয়োগ কৰা হৈছে। স্বাভাৱিকতে এই সীমিত সংখ্যক লোকৰ সাধ্য নাই পৰিস্থিতি চম্ভালি লোৱাৰ। মৌলানা আব্দুল হকে অভিযোগ কৰিছে সান্ধ্য আইন কবলিত অঞ্চলত মাইলৰ পিছত মাইল ঘূৰি তেওঁ এজনো আৰক্ষী লগ পোৱা নাই।

গোমূৰা আৰু তাঁতীকুছি নামৰ দুখন বড়ো গাৱত সংখ্যালঘু দুৰ্বৃত্তই

---

* বড়ো উগ্ৰপন্থী বাহিনীৰ দ্বাৰা অভিবাসী মুছলমান অধ্যুষিত এলেকাত চলা হত্যালীলা আৰু তাৰ বিপৰীতে মুস্লিম প্ৰত্যাক্ৰমণৰ সন্দৰ্ভত।

আক্ৰমণ কৰিবলৈ আহোতে স্থানীয় আৰক্ষী থানাই সহায় কৰিব পৰা নাছিল, কাৰণ থানাত আৰক্ষী আছিল মাত্ৰ ৬ জন। এক আক্ৰান্ত অঞ্চলৰ পৰা অৰ্দ্ধ-সামৰিক বাহিনী উচপ খাই নিজেই পিছু হুহঁকি আহিছিল।

মন্ত্ৰী ছামছুল হকে নিজেই জিলা প্ৰশাসনক উচ্চকণ্ঠে ভৰ্ৎসনা কৰিছে। গালি গালাজ কৰিছে ব্যৰ্থতা আৰু নিষ্ক্ৰিয়তাৰ বাবে।

মুখ্যমন্ত্ৰী শইকীয়াক আক্ৰমণৰ বলি ৰাইজে "মুৰ্দাবাদ" ধ্বনিৰে ক'লা পতাকা প্ৰদৰ্শন কৰিছে। শইকীয়াই দোষাৰোপ কৰিছে জিলা কৰ্তৃপক্ষক।

২৫ জুলাইৰ 'নতুন দৈনিক'ৰ এটা খবৰ মতে ৰাজেশ পাইলটে সংখ্যালঘুক প্ৰয়োজন সাপেক্ষে আত্মৰক্ষাৰ বাবে অস্ত্ৰ যোগান ধৰিব বুলি প্ৰতিশ্ৰুতি দিছে।

সন্দেহ নাই যে সৰ্বসাধাৰণ ৰাইজক নিৰাপত্তা আৰু সুৰক্ষা দিয়াত এই চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে। যোৱা বছৰৰ অক্টোবৰ মাহত কোকৰাঝাৰ আৰু বঙাইগাঁও অঞ্চলতো সংখ্যালঘুৰ বসতি অঞ্চলত উত্তেজিত বড়ো আক্ৰমণকাৰীয়ে হত্যাকাণ্ড চলায়। "বড়ো উগ্ৰপন্থী" বুলি অভিহিত এচাম লোকে ২৭ মে'ত সংখ্যালঘু গাঁৱত আকৌ আক্ৰমণ কৰে। অৰ্থাৎ এই সংঘৰ্ষৰ জুই আন ঠাইতো লাগিব পাৰে বুলি চৰকাৰে প্ৰস্তুত হৈ থাকিব লাগিছিল। তেনে ব্যাপক সংঘৰ্ষ লাগিলে জিলা প্ৰশাসনে তাক চম্ভালি লোৱাৰ সম্ভাৱনা সমুলি নাছিল। অথচ তৎকালেই যথেষ্ট সংখ্যক সামৰিক অৰ্দ্ধ-সামৰিক বাহিনীৰ লোক সংঘৰ্ষপীড়িত অঞ্চলবোৰলৈ পঠিওৱাৰ কোনো ব্যৱস্থা চৰকাৰে কৰাই নাছিল। এই অৱহেলা অপৰাধীসুলভ (Criminal) বুলি ক'বই লাগিব।

১৩ জুলাইৰ বোমাৰ আঘাতত পদস্থ আৰক্ষী বিষয়া আৰু কেবাজনো আৰক্ষী নিহত হোৱাৰ পিছত ডি আই জি অসীম ৰায়ৰ তত্ত্বাৱধানত বড়ো গাঁওবিলাকত উগ্ৰপন্থী সন্ধানৰ নামত তুমুল অত্যাচাৰ চলে। বিস্ফোৰক পৰিস্থিতিত এনে অত্যাচাৰ চলাবলৈ চৰকাৰৰ মুৰব্বীয়ে কিয় অনুমতি দিছিল? আনহাতে তেতিয়াই এই অন্যায় উৎপীড়নত ক্ষুব্ধ কোনো কোনো বড়ো লোকে ধৰ্মীয় সংখ্যালঘু বিলাকক ভাবুকি দিছিল যে "প্ৰতিশোধ" তেওঁলোকৰ ওপৰতো লোৱা হ'ব। কাবৌ কাকুতি কৰি অসীম ৰায় আৰু আন উচ্চ পদস্থ বিষয়াক বাঁশবাৰী শিবিৰত থকা শৰণাৰ্থীসকলে অনুৰোধ কৰা

সত্ত্বেও সংখ্যালঘু ৰাইজক ৰক্ষণাবেক্ষণ দিয়াৰ কোনো ব্যৱস্থা তেওঁলোকে লোৱা নাছিল। কিন্তু সংখ্যালঘু প্ৰধান এলেকাত চলে বিপৰীত ধৰণৰ প্ৰচাৰ।

১৯/২০ জুলাইত এচাম সংখ্যালঘুৱেই নিজে আগবাঢ়ি গৈ মইৰাঝাৰ আদি বড়ো গাঁৱত অগ্নিসংযোগ কৰিছিল। তাৰ পিছত পৰিস্থিতি সম্পূৰ্ণ নিয়ন্ত্ৰণৰ বাহিৰ হৈ যায়। অসহায় জিলা কৰ্তৃপক্ষই কেৱল "পৰিস্থিতি নিয়ন্ত্ৰণাধীন" বুলি ঘোষণা কৰাৰ বাহিৰে আন একো ব্যৱস্থা কৰিব নোৱাৰিলে। হেজাৰ বিজাৰ শৰণাৰ্থীক ৰাখিবলৈ, খাদ্য বা ঔষধ-পাতি যোগান ধৰিবলৈ একো ব্যৱস্থা ল'ব নোৱাৰিলে। ফলত কোনো কোনো শিবিৰত অনাহাৰ আৰু বেমাৰত শৰণাৰ্থী কেবাজনো মৃত্যুমুখত পৰে।

এহাতে এচাম বড়োৰ ধাৰণা যে চৰকাৰে ধৰ্মীয় সংখ্যালঘুক উচটনি আৰু প্ৰশ্ৰয় দিছে, আনহাতে আনকি মন্ত্ৰী ছামছুল হকেই প্ৰশাসনৰ বিৰুদ্ধে অভিযোগ কৰিছে যে প্ৰশাসনে বড়োক সহায় কৰিছে, ধৰ্মীয় সংখ্যালঘুক মৰিবলৈ এৰি দিছে।

BLP আৰু ABSUৰ মতে বড়ো চুক্তি ৰূপায়ণত ব্যৰ্থতাই সংঘৰ্ষৰ প্ৰধান কাৰণ। মৌলানা হক, AAMSUৰ নেতা প্ৰভৃতিৰ মতে সংঘৰ্ষৰ কাৰণ চৰকাৰৰ উদ্দেশ্য প্ৰণোদিত প্ৰৰোচনা আৰু হিংসাত্মক ঘটনাক দিয়া প্ৰশ্ৰয়। কিছুমানে কৈছে বড়োসকলক স্বায়ত্ত শাসন দিয়া বাবেই এনে হৈছে। আন কাৰো কাৰো মতে বড়ো এলেকাত সংখ্যালঘুৰ অবাধ প্ৰৱেশৰ ফলতে সংঘৰ্ষ হৈছে। শইকীয়া ডাঙৰীয়াই যথাৰীতি ISI আৰু বড়ো নিৰাপত্তা বাহিনীক দোষ দিছে। কিন্তু হাতত মেছিনগান লোৱা বড়ো মাত্ৰেই বড়ো নিৰাপত্তা বাহিনীৰ লোক হ'বনে? ISIয়ে আন যি নকৰক নিৰ্বিচাৰ মুছলমান হত্যাত প্ৰৰোচনা দিব বুলি বিশ্বাস নহয়।

চৰকাৰী পক্ষৰ অৱহেলা আৰু উদাসীনতা প্ৰমাণিত হৈছে। এতিয়া প্ৰশ্ন হৈছে যে সি ইচ্ছাকৃত নে অনিচ্ছাকৃত অকৰ্মণ্যতা?

দুটা গোষ্ঠী বা সম্প্ৰদায়ৰ মাজত ব্যাপক হিংসাত্মক সংঘৰ্ষ বৰ সহজে নহয়। দুয়োৰে মাজত বিবাদ আৰু বিদ্বেষৰ বহু হেতু থাকিলেও সহজে সাধাৰণ মানুহে পথাৰৰ কাম-কাজ এৰি যুদ্ধৰ দৰে দাংগাত নানামে। তাৰ বাবে ন্যস্ত স্বাৰ্থই পৰিস্থিতি সৃষ্টি কৰে। যি ন্যস্ত স্বাৰ্থ সংঘৰ্ষৰ পৰা লাভৱান হয়।

বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদৰ প্ৰস্তুতি হৈছিল কেনেকৈ? গণতান্ত্রিকভাৱে বিধানসভাত আলাপ-আলোচনা নকৰাকৈ তাৰ আঁচনি আৰোপ কৰা হৈছিল জনগণৰ ওপৰত! অবড়ো-বড়োৰ মাজত তেনেকৈয়ে বিভেদ, বিদ্বেষ, সংঘাতৰ পৰিৱেশ ৰচনা কৰা হৈছিল। কাকতে-পত্ৰই, মেলে-মিটিঙে অবড়োসকলৰ নানা অভিযোগ আৰু ক্ষোভ প্ৰকাশ পাইছিল। আনহাতে গণতান্ত্রিকভাৱে বড়ো জনগণৰ প্ৰতিনিধিত্ব কৰা নেতাক আঁতৰাই এই ক্ষুদ্ৰ উপদলৰ নেতাক চক্ৰান্তমূলকভাৱে পৰিষদৰ প্ৰধান কৰা হৈছিল। এনেকৈয়ে ষড়যন্ত্ৰৰ গভীৰতা বৃদ্ধি পাইছিল।

তাৰ পিছত সেইবোৰ ঠাইত নানা সংগঠনে "বিদেশী"ৰ বিৰুদ্ধে উত্তেজনা সঞ্চাৰ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী চ্যবনে অসমলৈ আহি "বিদেশী"ৰ বিৰুদ্ধে সতৰ্কবাণী শুনায়। গৃহমন্ত্ৰীৰ হাতত যথেষ্ট খা-খবৰ লোৱাৰ উপায় আছে, ফৌজ আছে। তেওঁ এনে ৰাজহুৱা সতৰ্কবাণী শুনাই উত্তেজনা বৃদ্ধি কৰিলে কিয়? নীৰৱ তৎপৰতাৰে বিদেশী কিয় চিনাক্ত কৰি বহিষ্কাৰ নকৰিলে? কথাটো অতি তাৎপৰ্যপূৰ্ণ। কিছুদিন পিছত এজন সৰ্বভাৰতীয় মুছলমান নেতা আহি গুৱাহাটীত বিবৃতি দিলে যে নিৰাপত্তাৰ বাবে সংখ্যালঘুক অস্ত্ৰ-শস্ত্ৰ যোগান ধৰিব লাগে। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ মৰ্জিমতে এনে বিবৃতি দিয়া বুলি ভবাৰ থল আছে।

এই পটভূমিতে ঘটনাটোৰ বিচাৰ কৰিব লাগিব। দেশৰ কেউপিনে মুছলমানসকল ইন্দিৰা কংগ্ৰেছৰ ভোট ভাণ্ডাৰ হৈ থাকিব খোজা নাই। অসমত বিশেষকৈ এক শক্তিশালী মুছলমান মহলে এই ক্ষেত্ৰত দৃঢ় পদক্ষেপ লৈ ইন্দিৰা কংগ্ৰেছ চৰকাৰৰ পদত্যাগ দাবী কৰিছে, গণতান্ত্রিক মৰ্চাত যোগ দিবলৈ আগবাঢ়িছে। ই শইকীয়াৰ বাবেই নহয়, নৰসিংহ ৰাওৰ বাবেও বিপদ সংকেত। এই গণতান্ত্রিক মৰ্চা সফল হ'লে কংগ্ৰেছৰ বিভেদৰ ৰাজনীতি ভোঁটা হৈ যাব। সেইবাবেই আয়োজন কৰা হ'ল এক নৃশংস নৰমেধৰ। প্ৰতিকাৰৰ ব্যৱস্থা লোৱাত প্ৰশাসনৰ অৱহেলাৰ কাৰণ এয়েই। কৌশলটো পুৰণি। ব্ৰিটিছৰ দিনতো এনেকৈয়ে সংঘৰ্ষ লগাইছিল আৰু তাত ইন্ধন যোগাইছিল শাসকসকলে।

বিভেদৰ ৰাজনীতিৰ ফান্দত ভৰি দি আমি বিভিন্ন সম্প্ৰদায় আৰু গোষ্ঠী পৰস্পৰৰ বিৰুদ্ধে উত্তেজিত হ'লেই মইমতীয়া জনবিৰোধী চৰকাৰৰ উদ্দেশ্য সফল হ'ব। অতএব, ৰাইজ সাৱধান।

মুছলমান মৌলবাদৰ বিপদ

ইৰাণত কোৰাণৰ নিৰ্দেশ আখৰে আখৰে পালন কৰিবলৈ প্ৰতিশ্ৰুতি দিয়া চৰকাৰে দেশত আকাল আৰু বৰ্বৰতাহে বিয়পাই দিছে। দুবেলা দুসাজ ভালকৈ খাবলৈ নোপোৱা ৰাইজৰ একমাত্ৰ সান্ত্বনা এয়ে যে বাহাই, আহমদীয়া আদি মতাৱলম্বী লোকক ধৰা পেলাই ৰাজহুৱাভাৱে শিৰচ্ছেদ কৰা দৃশ্যৰ তেওঁলোক দৰ্শক হ'ব পাৰে, অথবা 'ইশ্লামী নীতি' অনুযায়ী বৰমতা ওলাই ঘৰত ঘৈণীয়েকৰ পিঠিত সৌকা মেলিব পাৰে।

তস্লিমা নাছৰিনৰ কিছুমান উক্তি যে অতি দুৰ্ভাগ্যজনক তথা বিৰাগজনক সন্দেহ নাই। কিন্তু কিছু অসতৰ্কতা আৰু অসংযম (যেনে— বাটে ঘাটে পুৰুষৰ দৰে নাৰীৰো থিয় হৈ প্ৰস্ৰাৱ কৰাৰ অধিকাৰৰ সপক্ষে তেওঁৰ ওকালতি।!) বাদ দিলে গভীৰ ব্যক্তিগত যাতনা আৰু ক্ষোভৰ পৰাই সেইবোৰৰ উদ্ভৱ হৈছে। সেইবোৰৰ অন্ততঃ একাংশ প্ৰায় প্ৰতি গৰাকী অৱদমিত মুছলমান নাৰীৰ মনৰ কথা। তেওঁৰ কেতবোৰ বাতুলতা এক কঠোৰ আৰু নিৰ্দয় সমাজৰ অবিৰাম মানসিক নিৰ্যাতনৰেই পৰিণাম বুলি বুজিব পাৰি। ৰাজনৈতিকভাৱে তৰাং বুদ্ধিৰ এই গৰাকী নাৰী কিন্তু নিৰ্যাতিতা মুছলমান নাৰী সমাজৰ চেতনাৰ প্ৰতিভূ।

অসমতো এতিয়া ইশ্লামৰ নীতি-নিয়ম আখৰে আখৰে পালন কৰিবলৈ কেতবোৰ সংগঠন ওলাইছে। এইবিলাকৰ কাম-কাজ মুশ্লিমপ্ৰধান অঞ্চলত হৈ থাকে বাবে আমি বহুসময়ত খবৰ নাপাওঁ। কিন্তু 'ইশ্লামি সমাজ' গঠনৰ নামত মুখত নানা মিঠা-মিঠা কথাৰ ফুলজাৰি মাৰি তেওঁলোকে কাৰ্যক্ষেত্ৰত নাৰীক শিক্ষা-দীক্ষাৰ পৰা বঞ্চিত কৰি বোৰ্খা পিন্ধাই ঘৰত বন্দী কৰি ৰাখিবলৈ বিচাৰে, আধুনিক জ্ঞান-বিজ্ঞানৰ সুফলৰ পৰা জনসাধাৰণক বঞ্চিত কৰিবলৈ বিচাৰে (যেনে— ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত) আৰু এখন বহল গণতান্ত্ৰিক সমাজৰ পৰা আঁতৰাই মোল্লা-মৌলবীৰ অন্ধ অনুগামীত পৰিণত কৰিবলৈ বিচাৰে।

হজৰত মহম্মদ যে মানৱজাতিৰ এগৰাকী মহত্তম সন্তান আছিল সন্দেহ নাই। ইশ্লামে মানৱ প্ৰগতিত বিশেষ মূল্যৱান অৱদান যোগাইছে এটা সময়ত। কোৰাণৰ বহু কথাই যিকোনো সভ্য আৰু সমদৰ্শী মানুহক মুগ্ধ আৰু অভিভূত কৰিব। সেই বুলি কোৰাণ বা ইশ্লামৰ নামত কোনো নেতা বা ধৰ্মগুৰুৰ কথা শুনি মধ্যযুগৰ খোলা এটাত সোমাই থাকিলে মুছলমান ৰাইজৰ ক্ষতিহে হ'ব।

ইশ্লামৰ মূল নীতি নো কি? প্ৰধান নিৰ্দেশনো কি? তাৰ এটা স্পষ্ট, দ্ব্যৰ্থহীন উত্তৰ থকা হ'লে পৃথিৱীত হানাফি, হানবালিকে ধৰি চাৰিবিধ 'ছৰিয়ট'ৰ বিধান নোলালহেঁতেন। ভাৰতৰ সৰ্বকালৰ শ্ৰেষ্ঠ মৌলানা এজন আছিল আবুল কালাম আজাদ। তেওঁ কেৱল ভাৰতৰ স্বাধীনতা যুদ্ধৰ অন্যতম সেনাপতিয়েই নহয়, আধুনিক ভাৰতৰ প্ৰথম শিক্ষামন্ত্ৰী আছিল, বিজ্ঞান শিক্ষাত উদগনি দিছিল।

সেয়ে ইশ্লামৰ অনুসৰণ কৰাৰ নামত আধুনিক জগতৰ সকলো ৰীতি-নীতি তালাক দিয়াৰ কোনো প্ৰয়োজন নাই। অৱশ্যে কিছুমান অদৰ্কাৰী আৰু বিকাৰগ্ৰস্ত পশ্চিমীয়া কায়দা-কানুন নেওচা দিব পাৰি। সৰ্বোপৰি, ধৰ্মৰ নামত এখন সংকীৰ্ণ সমাজৰ খোলাত সোমাই থকা (সি মহম্মদৰ নামতে হওক বা শংকৰদেৱৰ নামতে হওক) শেহান্তৰত মংগলজনক নহ'ব। আন ধৰ্মৰো গুণ-দোষ নিৰপেক্ষভাৱে বিচাৰ কৰি উদাৰ আৰু সহনশীল হ'ব লাগে।

এটি মৃতদেহৰ দুঃস্বপ্ন

সমসাময়িক কাকত এখনত এজন জনপ্ৰিয় প্ৰতিভাৱান ডেকা লেখকে আকুল আৱেগেৰে "বড়ো উগ্ৰপন্থী"য়ে নৃশংসভাৱে হত্যা কৰা এটি শিশুৰ নিঃসাৰ আৰু বিকলাংগ শৰীৰৰ আলোকচিত্ৰ সুঁৱৰি বাৰে বাৰে শিয়ঁৰি উঠিছে আৰু নিজকে ধৰি সকলোকে সখেদে ধিক্কাৰ দিছে। মানৱতাৰ প্ৰতি সেই চৰম অৱমাননাৰ সঁচাকৈয়ে কোনো তুলনা নাই। মানৱ-হৃদয়ৰ এই চৰম বিকৃতিৰো কৈফিয়ৎ নাই। সঁচাকৈ আমি সকলো এই হত্যাকাণ্ডত জড়িত, এই ৰক্তপাতৰ কলংকত নিমজ্জিত। কিন্তু কি অৰ্থত?

কোকৰাঝাৰৰ সেই বিভৎস নৰমেধৰ আয়োজন কৰিছিল কোনে? কি অভিপ্ৰায়েৰে? আজিৰ ৰাজনীতিৰ সামান্য খা-খবৰ ৰখা মানুহেও জানে যে এনে ৰক্তপিপাসা কেৱল সাময়িক মানসিক বিকৃতিৰ পৰিণাম নহয়। এনে সাময়িক মতিভ্ৰংশ ৰাজনৈতিক ন্যস্ত স্বাৰ্থই পৰিকল্পিতভাৱে ঘটায় আৰু তেনেদৰে মতিচ্ছন্ন কৰি পেলোৱা মানুহে সকলো মানৱীয় অনুভূতি ভৰিৰে গছকি পৈশাচিক হত্যালীলা সংঘটিত কৰে।

কোকৰাঝাৰ জিলাৰ হত্যাকাণ্ডও কোনে ঘটাইছে সেই বিষয়ে এতিয়া আনকি সাধাৰণভাৱে চৰকাৰপক্ষীয় কাকততো বেছ স্পষ্টকৈ ইংগিত দিয়া হৈছে। বড়ো ছিকিয়ৰিটি ফ'ৰ্চ দায়ী বুলি এতিয়া কোনেও নাভাবে। এক

ৰাজনৈতিক শক্তিয়ে নীচ ৰাজনৈতিক হিচাবেৰে ঠাণ্ডা মাথাৰে কামটো কৰাইছে। ক্ষমতাৰ লালসাত বলি দিয়াইছে বহু নিৰীহ নৰ-নাৰী শিশুক।

এতিয়া প্ৰশ্ন হ'ল, সেই ৰাজনৈতিক শক্তি বা শিবিৰৰ বিষয়ে আৰু বিৰুদ্ধে আমি কিবা ক'ম নে নক'ম? যদি "অৰাজনৈতিক" বা "নিৰপেক্ষ" কিবা চেলু লৈ আমি সেই বিষয়ে নীৰৱতা অৱলম্বন কৰোঁ, তেন্তে সেই অশুভ শক্তিক উৎসাহ দিয়া হ'ব, সিহঁতৰ বৰ্বৰতা আৰু নিষ্ঠুৰতাৰ অংশীদাৰ আমিও হ'ব লাগিব।

এই সাধাৰণ অথচ অতি গুৰুত্বপূৰ্ণ কথাটো আওকাণ কৰি ঘটনাটোৰ নিষ্ঠুৰতা আৰু বিভৎসতা সম্পৰ্কে বুকু চপৰিয়াই কন্দা-কটা কৰি থকাটো বমি অহা বিধৰ ভণ্ডামিহে হ'ব। আশা কৰোঁ আমাৰ হৃদয়ৱান লেখকসকলে আজিৰ পৰিস্থিতিত তন্নিষ্ঠ বুদ্ধিৰো প্ৰয়োজন উপলব্ধি কৰিব। ভয়-শংকা দমন কৰি এনে মুহূৰ্তত সঁচা কথাটো ক'ব।

বাস্তৱ কেতিয়াবা দুঃস্বপ্নতকৈও ভয়ানক হয়। তাক তেতিয়া ৰূপকৰ দৰে ৰক্তহীন ব্যাপাৰত পৰিণত কৰা নাযায়। তেতিয়া সি আমাৰ চেতনাত অন্ধ পশুৰ দৰে খুন্দিয়াই থাকে— যেতিয়ালৈ তাৰ প্ৰকৃত স্বৰূপক আমি স্বীকৃতি নিদিওঁ। সেইটো কেৱল হৃদয়ৰ কাম নহয়, সৎসাহসী আৰু মোহমুক্ত বুদ্ধিৰহে কাম। শিক্ষিত আৰু সচেতন মানুহে নিজৰ নাগৰিক দায়িত্ব নেওচা দি যিমান দিনে এইবোৰ পৰিস্থিতিত সেই বুদ্ধিৰ প্ৰয়োগ নকৰিব, সিমান দিনে এনে পৈশাচিক হত্যালীলাৰ আয়োজন কৰি থাকিব ক্ষমতালোলুপ শাসকশ্ৰেণীয়ে।

আজিৰ অসম, ১৩ আগষ্ট, ১৯৯৪

দিল্লীলৈ 'গছ্'ৰ সঁজাতী দল

সাম্প্ৰতিক ৰাষ্ট্ৰযন্ত্ৰৰ ভিত্তি কেৱল আৰক্ষীৰ দণ্ড আৰু সেনাবাহিনীৰ আগ্নেয়াস্ত্ৰ নহয়। তাৰ অন্যতম প্ৰধান ভিত্তি হৈছে তথ্য সংগ্ৰহ, তথ্য যোগান, অৰ্থাৎ মাধ্যমসমূহ। এনেদৰে তথ্য যোগান ধৰা হয় যে বৰ্তমান অৰ্থনীতি, ৰাজনীতি আৰু ৰাষ্ট্ৰ সম্পৰ্কে জনসাধাৰণৰ মনত সঠিক ধাৰণা জন্মিব নোৱাৰে। সেইবোৰ বিষয়ে শাসকশ্ৰেণীৰ পক্ষে আহুকলীয়া কেতবোৰ প্ৰশ্ন জনসাধাৰণৰ মনত উদয় হ'লে শাসক শ্ৰেণীৰ অন্যায় চলাই যোৱাত বাধা জন্মিব। সেয়ে মাধ্যমবোৰতে ছাকনি লগাই দিয়া হয়।

সদৌ অসম গণতান্ত্ৰিক অধিকাৰ সংগ্ৰাম সমিতিৰ তৰফৰ পৰা যি সঁজাতী দল দিল্লীলৈ গৈছিল, সেই সঁজাতী দলত অসমৰ দুজন প্ৰাক্তন মুখ্যমন্ত্ৰী, প্ৰবীণ ৰাজনীতিবিদ, বিশিষ্ট নাগৰিক, আইনজীৱী, বুদ্ধিজীৱী আৰু সমাজসেৱী আছিল। উলামূলা সঁজাতী দলতো নহয়েই, বৰং অসমৰ পৰা এতিয়ালৈ যোৱা সঁজাতী দলবোৰৰ মাজতে সামগ্ৰিক পৰিস্থিতি সম্পৰ্কে অসমীয়া ৰাইজৰ অনুভূতি-উপলব্ধি, দুখ-বেদনা, ক্ষোভ আৰু উষ্মা ৰাষ্ট্ৰৰ নেতা তথা ব্যাপক জনগণক জনোৱাই আছিল সঁজাতী দলৰ উদ্দেশ্য।

কথাটো ভাৰতৰ সচেতন জনগণে গম পালে কেন্দ্ৰীয় চৰকাৰে সেই সম্পৰ্কে যথাৰ্থ প্ৰতিকাৰৰ ব্যৱস্থা ল'বলৈ বাধ্য হ'ব। সেয়ে তথ্য যোগানত থাপ মাৰি শাসক শ্ৰেণীয়ে জনসাধাৰণক সেই বিষয়ে অজ্ঞ কৰি ৰাখিলে। যোৱা ১০ আগষ্টৰ দিনাখন এখন সাংবাদিক মেললৈ দিল্লীৰ অধিকাংশ কাকতৰ সাংবাদিকক নিমন্ত্ৰণ কৰা হৈছিল। Times of Indiaৰ দৰে পোনপটীয়া চৰকাৰপন্থী কাকত দুখনমানৰ বাহিৰে প্ৰায়বোৰ কাকতৰ প্ৰতিনিধি তাত উপস্থিত আছিল। তেওঁলোকে সোধা প্ৰশ্নৰ উত্তৰো যথাযথভাৱে দিয়া হৈছিল। কিন্তু পিচদিনাখন দেখা গ'ল যে The Hindu, Economic Times, Telegraph কাকতৰ বাহিৰে দিল্লীৰ কোনো কাকতে বাতৰিটো প্ৰকাশ নকৰিলে।

তেওঁলোকৰ কাকতত স্থানৰ অভাৱ হৈছিল নেকি? তাৰে এখন কাকতত দুফুট ওখ বাওনা এটাৰ সচিত্ৰ জীৱনীত প্ৰায় ১/৩ পৃষ্ঠা খৰচ কৰা হৈছিল। আন এখনত বিবাহ্ঘটিত এক কেলেংকাৰীৰ বিৱৰণত প্ৰায় এক কলম পৰিমাণৰ স্থান খৰচ কৰা হৈছিল। আমাৰ সঁজাতী দলটো তাতকৈ কম গুৰুত্বপূৰ্ণ তথ্য আছিল বুলি মই অন্ততঃ নাভাবো!

ইয়াৰ কাৰণ বিচাৰি দূৰলৈ যাব নালাগে। আমি দিল্লীত থকা সময়তে অসম চৰকাৰৰ এজন মুৰব্বী বিষয়াই গোপনে সাংবাদিকক তেওঁৰ কোঠাত লগ ধৰিছিল। কিন্তু কেৱল তাতে ব্যাখ্যা সম্পূৰ্ণ নহয়। কাকতৰ মালিকবোৰো নানাভাৱে ৰাষ্ট্ৰযন্ত্ৰৰ লগত লাভজনক ব্যৱসায়ত জড়িত। অসম চৰকাৰো হয়তো অসমত সিহঁতৰ শোষণৰ সহযোগী। সেয়ে এই চৰকাৰৰ দৌৰাত্ম্য উন্মোচিত হ'বলৈ নিদি সিহঁতে এক ৰঙীণ ছবিহে প্ৰচাৰ কৰে। ঘটনাৰ পৰা পুঁজিপতি আৰু ৰাজনীতিবিদ দুয়োপক্ষ সমানে লাভৱান হয়।

ৰাষ্ট্ৰযন্ত্ৰৰ বিৰুদ্ধে যুদ্ধ সেয়ে ক'বলৈ গ'লে এক শ্ৰেণীৰ সাংবাদিকতাৰ বিৰুদ্ধেও যুদ্ধ। সাংবাদিকসকলে নিজেও ঘটনাটো বুজি পালে সেই যুদ্ধ চলাবলৈ সুবিধা হ'ব। আৰু অসমৰ জনসাধাৰণেও বুজিব লাগিব যে দিল্লীৰ নিৰ্মম ৰাজনীতিবিদৰ পিচত থিয় দি আছে এচাম শক্তিশালী শোষক ঃ সিহঁতক পৰাস্ত কৰিবলৈ ২/৩ বছৰৰ যুদ্ধ যথেষ্ট নহয়।

সৌজন্য আৰু ছলনা

'অতিভক্তি চোৰৰ লক্ষণ' বুলি অসমীয়া পুৰণি প্ৰবাদত সঁকীয়াই দিয়া হৈছে। কাৰণ ঠগ আৰু প্ৰৱঞ্চকে কেতিয়াও ছুটা কথা নকয়। কোমল হাতেৰেই ছুৰি মাৰে। আন ক্ষেত্ৰতো কথাটোৰ প্ৰয়োগ হ'ব পাৰে।

অসমৰ সঁজাতী দলটোৱে দিল্লীৰ শাসক গোষ্ঠীৰ বৰমূৰীয়াসকলৰ পৰা যথেষ্ট সৌজন্য আৰু সন্মান পাইছিল। কিন্তু সেই সময়ত তেওঁলোকৰ বিচক্ষণ কূটকৌশল বন্ধ আছিল বুলি কোনো প্ৰমাণ নাই। বৰং সেই সময়ত তাৰ মাত্ৰা চৰিছিল বুলি ভবাৰ থলহে আছে।

এটা উদাহৰণ দিয়া যাওক। গৃহমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীক লগ কৰাৰ পিচত আমি ৰাষ্ট্ৰপতিক লগ ধৰিছিলোঁ। আগতীয়াকৈ সময় দিয়া আছিল যদিও ৰাষ্ট্ৰপতি ভৱনৰ সাক্ষাৎকক্ষত (morning room) আমি আধাঘণ্টাতকৈ বেছি সময় বোন্দাপৰ দিবলগীয়া হ'ল। দুলাল বৰুৱা, প্ৰফুল্ল মহন্ত আদিয়ে ইয়াৰ

আগতে কেইবাৰ ৰাষ্ট্ৰপতিক লগ পাইছে। তেওঁলোকে ক'লে যে তেওঁলোকৰ এনে অভিজ্ঞতা আগতে কেতিয়াও হোৱা নাছিল। মাজতে এজন বিষয়াই আমাৰ ৯ জনক ৯ গিলাছ পানী দি গ'ল। স্বাভাৱিকভাৱেই হওক বা নহওক, তেওঁৰ ওঁঠৰ কোণত হেঁচা দি ৰখা হাঁহিৰ ৰেখা লক্ষ্য কৰিছিলোঁ।

অৱশেষত ৰাষ্ট্ৰপতি আহিল আৰু আমাক জনালে যে ধ্ৰুপদী সংগীতৰ এটা অনুষ্ঠান ৰাষ্ট্ৰপতি ভৱনতে হৈছিল। মাজতে উঠি অহাটো 'অসৌজন্য' হ'ব বুলি তেখেত বহি আছিল। তেখেতৰ কণ্ঠত কিছু দুখ প্ৰকাশৰ সুৰ থাকিলেও তেখেতে আমাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰাৰ প্ৰয়োজন বোধ নকৰিলে। অৰ্থাৎ প্ৰকৃত গণতান্ত্ৰিক মানসিকতা তেওঁৰ দৰে শিক্ষিত মানুহ এজনৰো নাই। বিদেশী গণতান্ত্ৰিক দেশত এনে ঘটনা কেতিয়াও নঘটিলহেঁতেন। গভীৰ মনোযোগেৰে আমাৰ স্মাৰকপত্ৰখন তেখেতে উধৰ পৰা মূধলৈ পঢ়াত আমাৰ ক্ষোভ কিছু প্ৰশমিত হ'ল।

এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব। আৰক্ষীৰ অত্যাচাৰত নিহত কেইবাজনো যুৱকৰ মৃতদেহ আৱৰ্জনাৰ দৰে দ'মাই টায়াৰৰ ওপৰত জাপি দি পেট্ৰ'ল ঢালি জুই লগাই দিয়া, বৰ্বৰ দৃশ্যৰ আলোকচিত্ৰ এখন 'আজিৰ বাতৰি' কাকতৰ এজন সপ্ৰতিভ তৰুণে লৈছিল। মই আদৱ-কায়দাৰ ধাৰ নাধাৰি ঘপ্‌কৰে উঠি গৈ তেওঁক ছবিখন দেখুৱালো। তেওঁ সঁচাকৈ উচপখাই উঠিল ছবিখন দেখি— 'What's this?' আমি সকলোৱে সমস্বৰে জনালো যে এনেবোৰ ঘটনাৰ বাবেই আমি দিল্লীলৈ দৌৰিবলগীয়া হৈছে।

ৰাষ্ট্ৰপতিৰ এনে অভাৱনীয় পলম হৈছিল কিয়? সাক্ষাৎকাৰৰ নিৰ্দিষ্ট সময়ৰ ইমান পিছত তেখেতে কিয় দেখা দিছিল? মোৰ সন্দেহ সেই সময়তে চৰকাৰৰ জৰুৰী দূত আহি সঁজাতী দলৰ বিষয়ে তেখেতক অৱগত কৰিছিল আৰু কেনেদৰে আমাৰ প্ৰতি সঁহাৰি দিয়া ভাল হ'ব তেওঁক পৰামৰ্শ দিছিল।

ৰাষ্ট্ৰপতি ৰাষ্ট্ৰৰ সাংবিধানিক মুৰব্বী। তাৰ অৰ্থ এনে হ'লে আমি দুখ পাম যে তেখেত সাক্ষীগোপাল হৈয়েই তুষ্ট। আমি আশা কৰিম তেখেতে সংবিধানৰ মৰ্যাদা ৰক্ষাতহে গুৰুত্ব দিব।

সঁজাতী দলৰ অভিজ্ঞতাৰ এচমকা

ৰাজনৈতিক কাৰ্যকলাপত স্বতঃস্ফূৰ্ততাৰ ঠাই নাই। ভাবি-চিন্তি, পৰিকল্পনা আৰু আখড়া কৰি আগ নাবাঢ়িলে উদ্দেশ্য সিদ্ধি কৰা প্ৰায় অসম্ভৱ। কথাটো

ইমান সহজ নহয় যে আমি কিবা অন্যায় আঙুলিয়াই দিলেই কেন্দ্ৰৰ বৰমূৰীয়াসকলে তৎক্ষণাৎ তাক মানি লৈ প্ৰতিকাৰ কৰিব। ৰাজনীতিৰ পাক ইমান সহজে নুগুচে।

সাক্ষাৎকাৰৰ বাবে বিশেষ প্ৰস্তুতি নোহোৱাকৈ যোৱাৰ ফলত গৃহমন্ত্ৰীৰ লগত আমাৰ আলোচনা দীঘলীয়া নহ'ল। অৱশ্যে তেখেতে মুখ্যমন্ত্ৰী শইকীয়াৰ লগত আমাৰ তিনিজন প্ৰতিনিধিক "অগা-অগি" কৰাই আচল সত্য জানিবলৈ চেষ্টা কৰিব বুলি কথা দিলে।

সেয়ে প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰাৰ বেলিকা কঠোৰভাৱে আগতীয়া পৰিকল্পনা আৰু প্ৰস্তুতি কৰা হ'ল। ফলো হ'ল আশানুৰূপ। তেখেতে প্ৰায় এঘণ্টা সময় আমাৰ কথা শুনিলে। নানা প্ৰশ্নও কৰিলে। তেখেতৰ আচৰণত আমি আশ্বস্ত হ'লোঁ। অসম চৰকাৰৰ হিংস্ৰ স্বেচ্ছাচাৰিতা আৰু দুৰ্নীতিৰ বিৰুদ্ধে সম্ভাব্য সকলো ব্যৱস্থা ল'ব বুলি তেখেতে প্ৰতিশ্ৰুতি দিলে। আমি তেখেতক ক'লো যে আমি তেখেতক এখন দেশৰ প্ৰধানমন্ত্ৰীৰূপে লগ ধৰিছোঁ, কোনো দলৰ নেতা হিচাপে নহয়। এতিয়াও আমি আশা কৰিম যে আমাৰ ওচৰত প্ৰধানমন্ত্ৰীয়ে দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিব।

বিশ্বনাথ প্ৰতাপ সিঙক মই লগ নাপালো। মই লগ পোৱা বিৰোধী নেতাসকলৰ ভিতৰত অটলবিহাৰী বাজপেয়ী আৰু সোমনাথ চেটাৰ্জী দুগৰাকী দিক্‌পাল। মই ভাবিছিলো যে বাজপেয়ীৰ ৰাজনীতিৰ বাবে মই তেওঁৰ প্ৰতি বিৰাগ অনুভৱ কৰিম আৰু সোমনাথ চেটাৰ্জীৰ লগত মুকলিমূৰীয়াকৈ কথা হ'ব পাৰিম। কাৰ্যক্ষেত্ৰত হ'ল ওলোটাটো। বাজপেয়ীৰ খোলা মনৰ কথা-বতৰা, সহৃদয় অতিথি সৎকাৰ আৰু ৰসবোধত মই দূৰৰ কথা, মৌলানা আব্দুল হকৰ মনো সৰস হৈ পৰিল। কেৱল বিজেপিক এঘৰীয়া কৰি থোৱাৰ বিৰুদ্ধে তেখেতৰ ওজৰ আপত্তিয়ে মাজে মাজে ছন্দ পতন ঘটাইছিল। আনহাতে সোমনাথ চেটাৰ্জী অত্যন্ত মেধাবী আৰু বিচক্ষণ লোক হোৱা সত্বেও তেখেতৰ আচৰণ কিছু যান্ত্ৰিক আৰু বন্ধা গতৰ যেন পালোঁ। মুকলি ভাব বিনিময় নহ'ল। আমাৰ বহু সাম্যবাদী নেতা পুৰণা ধৰণৰ সাম্যবাদী ৰীতি-নীতিৰ পৰা মুক্ত হ'ব পৰা নাই। তেওঁলোকে পূৰ্বধাৰণা সতকাই সলাবলৈ টান পায়। সোমনাথ বাবুও তেনেকুৱা নেকি? নাজমা হেপতুল্লা এগৰাকী সুৰুচিসম্পন্না আৰু মনোমোহা ব্যক্তিত্বৰ মহিলা। কিন্তু

কথা-বতৰাত বিশেষ গভীৰতাৰ পৰিচয় পোৱা নগ'ল। অসমৰ তৈয়বুল্লা চাহাবৰ স্মৃতিসভাত তেখেতে যোগ দিছিল। নামটো উচ্চাৰণ কৰিলে হবিবুল্লা!

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ অধ্যক্ষ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঙ্গনাথ মিশ্ৰ আৰু আন এগৰাকী সদস্যৰ পৰা সঁজাতী দলটোৱে বিশেষ সহানুভূতি লাভ কৰিলে। ৰাজনৈতিক পাকচক্ৰৰ পৰা মুকলি হৈ কথা ক'ব পাৰি মুকলি বতাহত উশাহ লোৱা যেন লাগিল। মিশ্ৰ ডাঙৰীয়াই ভাৰতৰ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ বিৰুদ্ধে হোৱা সমালোচনাৰ প্ৰতি সঁহাৰি দি তাৰ যথেষ্ট কাৰ্যক্ষম আৰু ৰাইজৰ ৰক্ষাকৱচ কৰি গঢ়ি তুলিবলৈ উঠিপৰি লাগিছে। তেখেতে আনকি TADA বাতিল কৰিবলৈ সৰ্বোচ্চ ন্যায়ালয়ত গোচৰো তৰিছে।

প্ৰফুল্ল মহন্ত আৰু শৰৎ সিংহ, দুয়োৰে আচৰণৰ মৰ্যাদাবোধ, গাম্ভীৰ্য আৰু প্ৰশান্তিয়ে সকলো ঠাইতে সন্মান আকৰ্ষণ কৰিলে। মৌলানা হকৰ মুখত সংখ্যালঘু আৰু নবীণ অসমীয়াচামৰ ওপৰত চলা বৰ্বৰতাৰ কৰুণ, গহীন বৰ্ণনা শুনি সকলো তধা লাগিল। আইনৰ প্ৰশ্নত পাঁচু গোপাল বৰুৱাৰ বিচক্ষণতা জিলিকিল। দুলাল বৰুৱাদেৱৰ সাহস আৰু স্পষ্টবাদিতা উল্লেখযোগ্য। এনে এক সঁজাতী দলত থকাটো মোৰো ভাগ্যৰ কথা। আমাৰ প্ৰত্যেকৰে কিছু দোষ-দুৰ্বলতা আছে, কিন্তু সকলো একমুঠ হোৱাত সেইবোৰ তল পৰি আছিল।

সংগ্ৰামৰ নতুন পৰ্যায়

দিল্লীত আমাৰ বাজনাই কিছু প্ৰতিধ্বনি তুলিলে। কিন্তু ৰাজনীতিবিদ বৰ সাংঘাতিক জীৱ। বতাহৰ দিক্ বুজি গতি সলায়। অসমত গণসংগ্ৰামৰ জোঁৱাৰ নুঠিলে তেওঁলোকৰ প্ৰতিশ্ৰুতি কাৰ্যকৰী নহ'ব। সেয়ে ঐক্যবদ্ধ গণসংগ্ৰামৰ প্ৰস্তুতিত হেলা কৰিব নালাগে। সঁজাতী দলে দিল্লীক অসমৰ ৰাইজৰ মনৰ খবৰ দি আহিছে। সেই খবৰ তেওঁলোকে কাণ অনাই শুনিবনে? তেওঁলোকে নুশুনিলে গণসংগ্ৰামে ৰুদ্ৰৰূপ ধৰিব।

অৱশ্যে গণসংগ্ৰাম অপৰিহাৰ্য। কেৱল শইকীয়া চৰকাৰৰ পতন ঘটাবলৈ নহয়, নতুন অসম গঢ়াৰ আয়োজন নিশ্চিত কৰিবলৈ। এক মুহূৰ্তৰ বাবেও কথাটো পাহৰি যোৱা উচিত নহ'ব। শিক্ষিত মধ্যবিত্তই ধন আৰু ক্ষমতাৰ

গোষ্ঠ আনতকৈ আগতে পায়। সেয়ে কেতবোৰ সুবিধাবাদী গণসংগ্ৰামত চামিল হ'বলৈ আহিব। কিন্তু তেনে লোকক প্ৰত্যক্ষভাৱে বাধা নিদিলেও তেওঁলোকে যাতে তেওঁলোকৰ লোভ আৰু আক্ৰোশেৰে গণসংগ্ৰামক পথভ্ৰষ্ট কৰিব নোৱাৰে, লক্ষ্য ৰাখিব লাগিব। আনহাতে সমাজৰ প্ৰতি দায়িত্বশীল আৰু বিবেকৱান কোনো কোনো লোক ৰাজনীতিৰ বোকাত পোত যাবলৈ ভয় কৰি দূৰতে ৰৈ যাব পাৰে। তেওঁলোকক এই মহাসমাবেশলৈ অনাটোহে জৰুৰী কথা। (অৱশ্যে সমাজত 'নাম' থকা বহু লোক এই শাৰীত নপৰিব।) দেশৰ মুক্তিযজ্ঞ এনে দেশপ্ৰেমিক লোকৰ সহযোগিতা অবিহনে অসাৰ্থক হ'ব।

স্থানীয়ভাৱে গণতান্ত্ৰিক অধিকাৰ সংগ্ৰাম সমিতিৰ যিবোৰ শাখা-সমিতি গঢ়ি তোলা হৈছে তাত যেন প্ৰতি গোষ্ঠী তথা সম্প্ৰদায়ৰ সৎ লোকসকল জড়িত হয় তাকো নিশ্চিত কৰিব লাগিব। অসম গণ পৰিষদ সংগঠন কৰা সময়ত এই গুৰুত্বপূৰ্ণ দিশত সিমান মনোযোগ দিয়া নহৈছিল।

ক্ষমতা দখল যে গণতান্ত্ৰিক অধিকাৰ সংগ্ৰাম সমিতিৰ উদ্দেশ্য নহয়, দেশসেৱাহে— কামৰ যোগেদি তাক প্ৰমাণো কৰিব লাগিব আৰু তাৰ অনুশীলনো কৰিব লাগিব। সেয়ে এতিয়াৰ পৰাই স্থানীয় প্ৰস্তুতি সমিতিবোৰে কিছুমান কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব। যেনে ঃ (১) স্থানীয়ভাৱে গণতান্ত্ৰিক আৰু মানৱ অধিকাৰ লংঘনৰ সকলো ঘটনাৰ সঠিক তথ্য-পাতি অনুসন্ধানেৰে উলিয়াই লৈ লিপিবদ্ধ কৰা আৰু কেন্দ্ৰীয় কমিটীলৈ পঠোৱা।

(২) স্থানীয় অৰ্থনৈতিক সমস্যাসমূহ আৰু অভাৱ-অভিযোগৰ অনুসন্ধান আৰু বিবেচনা কৰি লিপিবদ্ধ কৰা আৰু সেইবোৰ দূৰ কৰিবলৈ আঁচনি প্ৰস্তুত কৰা।

(৩) বিভিন্ন সম্প্ৰদায় আৰু গোষ্ঠীৰ ঐক্য-সম্প্ৰীতিৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা। য'ত স্থানীয় প্ৰস্তুতি কমিটীয়ে এনে কাম হাতত নলয় (ৰাইজৰ সঁকীয়নিৰ পিচতো), তাত ৰাইজ কমিটীৰ প্ৰতি সন্দিহান হৈ থকাই ভাল।

আমি আশা কৰিম যে ছেপ্টেম্বৰৰ অভিৱৰ্তনত নিজৰ লক্ষ্য আৰু কাৰ্যসূচী সম্পৰ্কে অৰ্থনৈতিক দিশ সামৰি লৈ গণতান্ত্ৰিক অধিকাৰ সংগ্ৰাম সমিতিয়ে এখন ঘোষণাপত্ৰ গ্ৰহণ কৰিব— যি ভৱিষ্যত কাৰ্যপন্থাৰ পথনিৰ্দেশক হ'ব।

নহ'লে এদল দগাবাজক খেদি আন এদল দগাবাজক ক্ষমতালৈ আনিবলগীয়াও হ'ব পাৰে। মিছা মৰীচিকাত ভোল নগৈ প্ৰথমৰে পৰা ৰাইজে সংগঠনৰ ওপৰত নিজৰ কিছু কৰ্তৃত্ব ৰাখিব লাগিব। (পৰৱৰ্তীকালত আমাৰ এই সন্দেহ সত্য প্ৰমাণিত হৈছিল। লেখক)

দেশীয় পুৰ্নজাগৰণ আৰু বিদেশী প্ৰভাৱ

দিল্লী বিমান বন্দৰত হঠাতে মন কৰিলো এজন বিদেশী ভদ্ৰলোকে (আমেৰিকান যেনেই লাগিল) গভীৰ মনোযোগেৰে সঁজাতী দলৰ উপস্থিত সদস্যসকলক নিৰীক্ষণ কৰিছে। তেওঁলোকৰ আচাৰ-ব্যৱহাৰ, কথা-বতৰা (বুজি পাওক বা নাপাওক), মুখৰ ভাৱভংগী নিৰৱচ্ছিন্ন মনোযোগেৰে অধ্যয়ন কৰিছে। চকুৱে-চকুৱে পৰাত এবাৰ তলমূৰ কৰিলে। তাৰ পিছত আকৌ চলাই গ'ল সেই নিৰীক্ষণ।

কোন এই মানুহজন? সাংবাদিক? ব্যৱসায়ী? গীৰ্জাৰ মানুহ? বুজি নাপালো। তেওঁ কিন্তু আমাৰ লগতে অসমলৈকে আহিল।

কি ঠিক, আমাৰ মাজত হয়তো C.I.A. বা আন কোনো বিদেশী চোৰাংচোৱা ফৌজে অনুপ্ৰৱেশ কৰিবলৈ বিচাৰি আছে! ধাৰণাটো অদ্ভুত নহয়। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনীতিত কিছু প্ৰভাৱ কোন দেশে নিবিচাৰে?

হয়তো বন্ধু-বান্ধৱৰ পৰাও কিছুদিন আমি নিস্পৃহ হৈ থকাই ভাল হ'ব। দিল্লী বিশ্ববিদ্যালয়ত প্ৰখ্যাত সাংবাদিক কুলদীপ নায়াৰে আমাৰ এখন সভাত সভাপতিত্ব কৰিলে। তেখেত অসমৰ প্ৰতি অনুৰক্ত আৰু মানৱ অধিকাৰ লংঘনৰ বিষয় লৈ উদ্বিগ্ন। তেখেতে ক'লে Citizens for Democracy আৰু Saturday Club নামৰ দুটা অনুষ্ঠানে অসমৰ পৰিস্থিতি সম্পৰ্কে আলোচনা চক্ৰৰ আয়োজন কৰিব খোজে দিল্লীত। শ্ৰীযুত পাচু গোপাল বৰুৱা আৰু মোক তালৈ নিমন্ত্ৰণ জনাই থ'লে। মই মনেমনে থাকিলোঁ।

শ্ৰীযুত নায়াৰৰ সহায়-সমৰ্থন অমূল্য। কিন্তু প্ৰথমতে আমি অসমত খোপনি শক্তিশালী কৰি ল'ব লাগিব। বাহিৰৰ সমৰ্থনৰ চমকত সদৌ অসম ছাত্ৰ সন্থা কিছু বিচলিত হোৱা যেন লাগিছে। সেই প্ৰলোভন জয় কৰা ভাল। দিল্লীৰ বন্ধুসকলৰ চিন্তাও দিল্লীৰ পৰিৱেশত কিছু প্ৰভাৱিত হ'ব পাৰে।

আজিৰ অসম, ১৭ আগষ্ট, ১৯৯৪

আলফাৰ কাৰ্য পদ্ধতি সম্পৰ্কে

যি সময়ত সা-সুবিধাৰ লোভত গণ্য-মান্য সকলে ৰাইজৰ প্ৰয়োজন উলংঘা কৰি ক্ষমতাশালী নেতাৰ পিছে পিছে দৌৰিবলৈ ধৰিছে, সেই সময়ত এচাম তৰুণে নিজৰ জীৱনৰ মায়া বিসৰ্জন দি অত্যাচাৰী শাসকৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰা বাবে তেওঁলোকৰ প্ৰতি আমাৰ কিছু শ্ৰদ্ধা আৰু মমতা আছে। কিন্তু প্ৰথমৰে পৰা আমাৰ সমৰ্থন চৰ্তহীন হোৱা নাই। তেওঁলোকৰ কাৰ্যপন্থা ভ্ৰান্ত হ'লে আমি তাৰ তীব্ৰ সমালোচনাও কৰিছোঁ। প্ৰধানকৈ সমাজৰ অৱস্থা বুজি গণসংগঠন আৰু গণ আন্দোলনৰ আয়োজন নকৰাই তেওঁলোকৰ দুৰ্বলতা বুলি আমি ভাবো। তাৰ অবিহনে এমুঠি বাছকবনীয়া কৰ্মীয়ে সশস্ত্ৰ বিদ্ৰোহেৰে বিশেষ একো কৰিব নোৱাৰে। সমাজত শাসকশ্ৰেণীয়ে প্ৰৱৰ্তন কৰা কূট ভেদনীতিতো বাধা দিব নোৱাৰে।

আমাৰ বা আন বন্ধুভাবাপন্ন লোকৰ সমালোচনাৰ ফল কি হৈছে নাজানো। আলফাৰ নেতৃত্বই বিবৃতিযোগে কৈ আছে যে বিভিন্ন ঠাইত বলেৰে ধন আদায় বা হত্যাকাণ্ড যিবোৰ হৈছে, তেওঁলোক তাত জড়িত নহয়, কিছুমান সমাজবিৰোধী আৰু দুৰ্বৃত্তইহে ভুৱা আলফা সাজি এইবোৰ উপদ্ৰৱ কৰিছে। কথাটো বোধহয় মিছা নহয়। কিন্তু আমি তেওঁলোকক সবিনয়ে সোঁৱৰাই দিব খোজোঁ যে ১৯৮৭/৮৮ চনতে আৰু তাৰ পিছতো কেইবাবাৰো আমি সেই বিপদৰ সম্ভাৱনা সম্পৰ্কে তেওঁলোকক সকীয়াই দিছিলোঁ। কৈছিলোঁ যে দেশৰ নামত ধনী মানুহৰ ওপৰত এনে ডকাইতি কৰা ঘটনাই বহু তৰুণৰ সমুখত সহজে ধন ঘটাৰ এক বিপজ্জনক উদাহৰণ দাঙি ধৰিব। সেই আৰ্হি জনপ্ৰিয় হ'লে আলফাই প্ৰকাৰান্তৰে সমাজৰ অধঃপতনতহে সহায় কৰা হ'ব। এতিয়া হৈছেও সেইটোহে। সেইবাবেই নিজৰ নীতি আৰু কাৰ্যপন্থা আলফাই কঠোৰভাৱে পুনৰ পৰ্যালোচনা কৰা উচিত, যাতে তাৰ অবাঞ্ছনীয় ফল নধৰে।

অৱশ্যে এইটোও লক্ষ্য কৰিবলগীয়া যে এনে ডেকা ল'ৰা কেতবোৰ আৰক্ষীৰ সন্তান। আইন-শৃংখলাৰ দায়িত্বত থকা লোকৰ সন্তানে এই সমাজবিৰোধী পথ লৈছে কিয়? তেওঁলোকে অসৎ আৰ্হি ক'ত দেখিছে? নে উদক মাছৰখীয়া পতাৰ বাবে উদ-পোৱালী বিলাকেও ধেমালিতে মাছ চুৰিত লাগিছে?

সি যি নহওক লক্ষীমপুৰৰ শিক্ষক এজনে অলপতে মোক জনাইছে যে চাৰ্কাছ চাই থকা অৱস্থাতে, এজন আৰক্ষী বিষয়াক আলফাৰ সদস্যই গুলীয়াই মাৰিলে। তেওঁ হেনো আলফাৰ এজন নেতাক অন্যায়ভাৱে হত্যা কৰিছিল। কোনো আৰক্ষী বিষয়াই কৰ্তব্য কৰাৰ নামত যদি পাশৱিক মূৰ্তি ধৰে, তেনেহ'লে তেওঁক আমি সমৰ্থন কৰিব নোৱাৰোঁ। কিন্তু দৰমহা খোৱা আৰক্ষী বিষয়াই চৰকাৰৰ হুকুম মতে আলফা সদস্য গ্ৰেপ্তাৰ কৰিবলৈ গ'লে কথাটো ব্যক্তিগত অপৰাধ বুলি ধৰাটো ঠিক নহ'ব। আলফাৰ এটা ডাঙৰ উদ্দেশ্য আছে বুলি তেওঁলোকে কৈছে। ব্যক্তিগত প্ৰতিহিংসাত তাক আৱদ্ধ ৰাখিলে উদ্দেশ্যটোকে সৰু কৰা হ'ব।

চাৰ্কাছ চাই থাকোঁতে আৰক্ষী বিষয়াজনক হত্যা কৰাটো শান্তিপ্ৰিয় ৰাইজে পেটেপেটে ভাল নাপাব। আলফাৰ বিৰুদ্ধেহে কথাটো যাব পাৰে। তাতে যদি গুলীয়াগুলি হৈ কেইজনমান নিৰীহ দৰ্শক মৰিলেহেঁতেন, প্ৰতিক্ৰিয়া আৰু বিষম হ'লহেঁতেন।

সেয়ে স্থানীয় কাম-কাজবোৰতো ৰাজনৈতিক পৰিপক্কতাৰ আভাস থকা প্ৰয়োজন।

আজিৰ অসম, ১১ ডিচেম্বৰ, ১৯৯৪

সেনাবাহিনীৰ বিশেষ ক্ষমতা আইন (১৯৫৮)

এই আইনখনৰ বিৰুদ্ধে উত্তৰ-পূব ভাৰতত ব্যাপক বিক্ষোভ হৈছে। অথচ এই সম্পৰ্কে মোৰ পৰামৰ্শ বিচাৰি অহা এগৰাকী সমাজসেৱীয়ে মোক কৈছে যে আইনখনৰ পুনৰীক্ষণ বা সংশোধনৰ বাবে উত্তৰ-পূব ভ্ৰমণ কৰা আয়োগৰ ওচৰত গুৱাহাটীৰ মাত্ৰ চাৰিটা নে পাঁচটা সংগঠনেহে স্মাৰকপত্ৰ দাখিল কৰিছে। কথাটো জনা হ'লে আমিও গ'লোহেঁতেন। কিন্তু এনে হ'ব বুলি আমি কল্পনা কৰা নাছিলোঁ। গুৱাহাটী তথা অসমত CIVIL SOCIETY বা নাগৰিক সমাজৰ স্বৰূপ এনেকুৱাই।

আইনখনত যি DISTURBED AREA বা উপদ্ৰুত অঞ্চল ঘোষণা কৰাৰ কথা কোৱা হৈছে — যাৰ বলত সেনাই সন্দেহৰ বলত নিৰীহ লোকৰ প্ৰাণ লোৱাৰ ক্ষমতা পাইছে— সি সংবিধানৰ INTERNAL EMERGENCY অথবা আভ্যন্তৰীণ জৰুৰী অৱস্থাতকৈ বৰ বেলেগ নহয়। অথচ সংবিধানৰ কোনো ধাৰাতে চৰকাৰক (বা ৰাজ্যপালক) এনে মাৰাত্মক ক্ষমতা দিয়া হোৱা নাই। সংবিধানক প্ৰতাৰণা কৰি প্ৰণয়ন কৰা এই আইনখন আজি প্ৰায় অৰ্ধশতাব্দীকাল নিৰৱচ্ছিন্নভাৱে বাহাল আছে।

এই আইনৰ ৪ৰ্থ দফামতে উপদ্ৰুত অঞ্চলত প্ৰচলিত নিয়ম ভংগ কৰা, অস্ত্ৰ বা অস্ত্ৰ হিচাপে ব্যৱহৃত হোৱা হাতিয়াৰ লৈ ফুৰা লোকক ৱাৰেণ্ট অবিহনে গ্ৰেপ্তাৰ কৰা, আনকি মৃত্যু ঘটাব পৰাকৈ গুলীওৱাৰ অধিকাৰ হাবিলদাৰ আৰু তাৰ ওপৰৰ শাৰীৰ সেনা বিষয়াক দিয়া হৈছে। দেশৰ মানুহৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মৌলিক মানৱীয় অধিকাৰ জীয়াই থকাৰ অধিকাৰ হৰণ কৰাৰ অধিকাৰ দিয়া হৈছে এনে সেনা বিষয়াক। সেই লোকসকল দেশৰ শত্ৰু বুলি প্ৰমাণিত হোৱাৰ আগতেই সেনা বিষয়াই একাধাৰে গুচৰীয়া, বিচাৰক, দণ্ডদাতা হৈ তেনে লোকৰ প্ৰাণনাশ কৰিব পাৰে। বহুক্ষেত্ৰত কৰিছেও।

এনে সেনা বিষয়াৰ বিৰুদ্ধে অভিযোগ উঠিলে বা প্ৰমাণিত হ'লে সাধাৰণতে সেনাবাহিনীয়ে নিজস্ব পদ্ধতিৰে বিচাৰ কৰে। যাৰ ফলত মৃত ব্যক্তিৰ আত্মীয়-স্বজনে সুবিচাৰ সম্পৰ্কে নিশ্চিত হ'ব নোৱাৰে।

এনে অপৰাধী বিষয়াৰ বিৰুদ্ধে ন্যায়ালয়ৰ বিচাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন লাগিব। কিন্তু সাধাৰণ গাঁৱলীয়া মানুহৰ অৰ্থবল, সচেতনতা, আত্মবিশ্বাস এনে স্তৰৰ নহয় যে সুদূৰ দিল্লীৰ অনুমোদনৰ বাবে চেষ্টা কৰি কৃতকাৰ্য হ'ব।

যি দেখা গৈছে আইনখনে সেনা তথা ৰাষ্ট্ৰৰ কৰ্মীৰ অধিকাৰ সাধাৰণ নাগৰিকতকৈ বহুত ওপৰত থৈছে। ইয়াত সংবিধানে দিয়া সমঅধিকাৰ ক'ত? আইনৰ চকুত সকলোৰে সমতা ক'ত? অথচ 'নিৰপেক্ষ' ৰাষ্ট্ৰই এনে এক নিপীড়ন ৰাষ্ট্ৰৰ আশ্ৰয়ত থকা নাগৰিকৰ ওপৰত আইনযোগেই কৰিছে।

দৈনিক জনমভূমি, ১৯৯৪

আঞ্চলিকতাবাদ আৰু অসম

(সম্পাদকীয় টোকা : যোৱা ১৮ নৱেম্বৰ তাৰিখে নগাঁৱত ভাৰতীয় জীৱন বীমা নিগমৰ কৰ্মচাৰীসকলে আয়োজন কৰা সভাত এই ভাষণ পাঠ কৰাৰ কথা আছিল; কিন্তু শ্ৰোতাৰ সংখ্যা কিছু তাকৰীয়া হোৱা বাবে ড° গোহাঁয়ে ইয়াৰ সাৰাংশ মৌখিকভাৱে বুজাই দিয়ে।)

"আঞ্চলিকতাবাদ" শব্দটো মূলতে বাহিৰৰ পৰ্যবেক্ষকে কোনো অঞ্চলৰ বাসিন্দাসকলে আঞ্চলিক অভাৱ-অভিযোগ, আঞ্চলিক দাবী আৰু আঞ্চলিক সত্তাৰ সমৰ্থনত কৰা আন্দোলনৰ ওপৰত আৰোপ কৰা নাম বা আখ্যা। ৰাষ্ট্ৰীয় বা জাতীয় চিন্তাধাৰা আৰু ৰাজনীতিক আঞ্চলিকতাবাদ বিপৰীত বস্তু বুলি ভবা হয় প্ৰতিষ্ঠিত প্ৰভাৱশালী মহলবোৰত। অৰ্থাৎ আঞ্চলিকতাবাদক ৰাষ্ট্ৰীয়তাবাদৰ বিৰুদ্ধে এক প্ৰতিক্ৰিয়া বুলি ধৰিব পাৰি। কিন্তু ৰাষ্ট্ৰীয় চিন্তাধাৰাৰ বিচাৰত যিটো ধাৰা এক বিকাৰ বা বিচ্যুতি, আঞ্চলিকতাবাদীসকলৰ বিচাৰত সেইটো ন্যায় আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত এক সুস্থ আৰু স্বাভাৱিক আন্দোলন।

সেয়ে আঞ্চলিকতাবাদৰ মূল্যায়ন কৰা সময়ত ইতিহাসৰ উৰ্দ্ধৰ কোনো কালনিৰপেক্ষ মানদণ্ড আমি প্ৰয়োগ কৰিব নোৱাৰিম। অম্বিকাগিৰী ৰায়চৌধুৰী আজিও অসমীয়া মানুহৰ বাবে এক প্ৰেৰণাময় নাম। আন্তৰ্জাতিকতাৰ পৰা অৱসৰ লৈ ৰাষ্ট্ৰীয়তাবাদৰ পিনে আগুৱান হোৱাৰ পূৰ্বমুহূৰ্তত শিল্পী ভূপেন হাজৰিকাই আঞ্চলিকতাবাদী ৰাজনীতিৰ ধ্বজা উৰুৱাই গাইছিল :

আজি অম্বিকাগিৰী নাই
দেশখন গেল বুলি
সচেতন কৰি দিবলৈ ...

অথচ আজিও অম্বিকাগিৰী কলিকতাত বিভীষিকাময় "বাঙালখেদা" আন্দোলনৰ নায়ক ৰূপেই পৰিচিত।

অম্বিকাগিৰী তথা আঞ্চলিকতাবাদৰ প্ৰকৃত চৰিত্ৰ কি আছিল, তাক আমি এনে বেলেগ বেলেগ ভাবাবেগৰ পোহৰত চাবলৈ চেষ্টা নকৰি বৈজ্ঞানিক দৃষ্টিভংগীৰে নিৰ্দ্ধাৰণ কৰিবলৈ চেষ্টা কৰাই ভাল হ'ব। সৌভাগ্যক্ৰমে এনে এক বৈজ্ঞানিক দৃষ্টিভংগী আমাৰ হাতত আছে। যি মতাদৰ্শই কোনো এলেকাৰ মানুহক গতিশীল আৰু সৃষ্টিশীল কৰি সেই এলেকাৰ উৎপাদন সম্পৰ্কৰ তথা সমাজ সম্পৰ্কৰ বিকাশ ঘটায়, সেই মতাদৰ্শই মূল্যবান আৰু জনহিতকৰ মতাদৰ্শ।

ব্ৰিটিছ সাম্ৰাজ্যবাদে যেতিয়া প্ৰাচীন ক্ষয়িষ্ণু ভাৰতীয় সামন্তবাদক পদানত আৰু পংগু কৰি ভাৰতৰ জনতাক দিগভ্ৰান্ত আৰু হতাশ কৰিছিল সেই সময়ত দাদাভাই নৌৰজীৰ পৰা পণ্ডিত নেহৰুলৈ, তৰুণ ফুকনৰ পৰা গোপীনাথ বৰদলৈলৈ ভাৰতীয় জাতীয়তাবাদী চিন্তাধাৰাই সাম্ৰাজ্যবাদী বা ঔপনিবেশিক হীনমন্যতাৰ বিৰুদ্ধে ভাৰতীয় জনগণক সজাগ আৰু সচেষ্ট কৰি জাতীয় পুনৰ্জাগৰণৰ ভিত্তি ৰচনা কৰিছিল। ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ ভাৰতীয় মানুহৰ ওঁঠে-ওঁঠে বাগৰি ফুৰিছিল "বন্দে মাতৰম" বা "চাৰে জা-হাঁ চে' আচ্ছা হিন্দুস্থান হামাৰা" গীত। বিভিন্ন আঞ্চলিকতাবাদী আন্দোলনৰ ধাৰা যেতিয়া সেই দেশজোৰা জাতীয়তাবাদৰ বিৰুদ্ধে গৈছিল, তেতিয়া সিহঁতে সৰ্বসাধাৰণ ৰাইজৰ আস্থা হেৰুৱাইছিল। আজি কিন্তু উক্ত গীত দুটি আমাৰ কাণত বিমূৰ্ত, যান্ত্ৰিক, সুদূৰ হৈ বাজে। কাৰণ ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদ এতিয়া এমুঠি সৌভাগ্যৱান লোকৰ সুযোগ-সুবিধা ৰক্ষাৰ হাতিয়াৰ হৈ পৰিছে, জনগণৰ অন্তৰ সি এতিয়া স্পন্দিত নকৰে।

স্বাধীনতাৰ পৰৱৰ্তী দশকত মাৰ্কিন বিদ্বান Selig Harrisonএ India : The Most Dangerous Decades নামৰ এখন কিতাপ ৰচি সকলোকে সঁকীয়াই দিছিল যে ভাষা, ধৰ্ম, কৃষ্টি আদিৰ ভিত্তিত গঢ় লোৱা আন্দোলনে ভাৰতৰ ঐক্য আৰু নৱলব্ধ স্বাধীনতা বিপৰ্যস্ত কৰিব। ভাৰতীয় পণ্ডিতসকলেও সেই সঁকীয়নি মানি লৈছিল। সেই সময়তে বিকাশপ্ৰাপ্ত হোৱা আঞ্চলিকতাবাদী আন্দোলনবোৰ সেই বিচাৰত সাময়িক বিকাৰৰ দৰেই আছিল। আজি কিন্তু তামিলনাডু, মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ, কাশ্মীৰ, পঞ্জাব, অসম আদি ৰাজ্যত প্ৰবল আৰু প্ৰতিষ্ঠিত হৈ পৰা বেলেগ বেলেগ ঠগ, গঢ় আৰু আদৰ্শৰ আঞ্চলিকতাবাদ বাস্তৱ সত্য বুলি স্বীকৃত। তাৰ বিচাৰৰ মানদণ্ডও লগে লগে বেলেগ হৈছে।

এইখিনিতে এক ব্যক্তিগত অভিজ্ঞতালৈ সবিনয়ে আঙুলিয়াব খোজোঁ। ১৯৬৯ চনত মই সৰ্বভাৰতীয় বাওঁপন্থী দল চি পি আই (এম)ৰ অসম শাখাৰ লগত ঘনিষ্ঠ হৈছিলোঁ। কিন্তু তেতিয়াই বৰপেটাত দিয়া এটা বক্তৃতাত চি পি আই এমৰ অসম কমিটীৰ ৰাজ্যিক সম্পাদক স্বৰ্গীয় অচিন্ত্য ভট্টাচাৰ্য্যৰ লগত এনে এটা বিষয় লৈ মতানৈক্য প্ৰকাশ কৰিছিলোঁ। বয়স আৰু অভিজ্ঞতাৰে পৰিপক্ক অচিন্ত্য ভট্টাচাৰ্য্যদেৱে অসমৰ জনসমাজত বিশেষকৈ শিক্ষিত সমাজত বৈ থকা জাতীয়তাবাদী আৰু আঞ্চলিকতাবাদী ভাবপ্ৰবাহক প্ৰতিক্ৰিয়াশীল বুলি মূল্যায়ন কৰিছিল। তাৰ বিপৰীতে মই কৈছিলো যে সেই ভাবপ্ৰবাহে কেতিয়াবা প্ৰতিক্ৰিয়াশীল ৰূপ ল'লেও তাৰ এক সদৰ্থক বা ইতিবাচক দিশ আছে। কথাটো টলকিব নোৱাৰিলে মাৰ্ক্সবাদে অসমৰ জনসমাজত খোপনি পুতিব নোৱাৰিব। (উক্ত বক্তৃতাটো ১৯৭০ চনত প্ৰকাশিত মোৰ প্ৰথম ৰচনাসংগ্ৰহ "সাহিত্যৰ সত্য"ত পুনৰ্মুদ্ৰিত হৈছিল।)

অচিন্ত্য ভট্টাচাৰ্য্যৰ মতামত যে উৰাই দিব নোৱাৰি, অসমৰ বুকুত ঘটা বহু দুৰ্ভাগ্যজনক ফেঁছিবাদী ঘটনাই তাৰ সাক্ষী দিব। কিন্তু এইটোও ঠিক যে অসম আন্দোলনে যেনেকৈ লাখ লাখ মানুহক বাটলৈ উলিয়াই আনি তেওঁলোকৰ মনত অভূতপূৰ্ব আৱেগ সঞ্চাৰ কৰিব পাৰিছিল, অদ্ভুত ত্যাগ, শ্ৰম, কষ্টৰ বাবে হেজাৰ-বিজাৰ কৰ্মীক অনুপ্ৰাণিত কৰিছিল, কোনো বিশুদ্ধ মাৰ্ক্সবাদী আন্দোলনে অসমৰ বুকুত তেনে ব্যাপকতা আৰু গাঢ়তা অৰ্জন কৰিব পৰা নাই।

তাৰ তেৰ (১৩) বছৰৰ পিছৰ কথা। বাওঁপন্থী আৰু সংখ্যালঘু জনগণৰ জোঁট এটাৰ অংশীদাৰ হৈ অসম আন্দোলনৰ তীব্ৰ বিৰোধিতা কৰি থাকোতে মোৰ ধাৰণা হৈছিল যে আন্দোলনৰ লক্ষ্য আৰু কাৰ্যপন্থা গোলমলীয়া হ'লেও সি অসমীয়া জনসাধাৰণৰ কেতবোৰ মৌলিক আকাঙ্খা আৰু অনুভূতি ব্যক্ত কৰিছে। আন্দোলনটোক সেয়ে সমৰ্থন নকৰিলেও তাৰ অন্তৰালৰ শক্তিক অশ্ৰদ্ধা কৰা উচিত নহ'ব। মই বিখ্যাত মাৰ্ক্সবাদী বিদ্বান আৰু তেতিয়া পশ্চিমবংগৰ বিত্তমন্ত্ৰী অশোক মিত্ৰক বাৰে বাৰে অনুৰোধ কৰিলো কথাটো চি পি আই এম দলৰ ওপৰ মহলত জনাবলৈ। তেখেতে মোক এটা লিখিত টোকা দিবলৈ ক'লে। মই দিলোঁ। পাৰ্টীৰ ওপৰমহললৈ বস্তুটো গ'ল নে নগ'ল নাজানো। কিন্তু ১৯৮২ চনৰ Social Scientist নামৰ চি পি এম প্ৰভাৱিত পত্ৰিকাত মোৰ টোকাটো প্ৰকাশিত হ'ল, আৰু প্ৰকাশিত হ'ল দলৰ

এজন যুৱনেতাই উন্নাসিক সুৰত মোক কাপুৰুষ, দোদুল্যমান মানসিকতাৰ ব্যক্তি আদি আখ্যাৰে কৰা তীব্ৰ আক্ৰমণ। অৰ্থাৎ তেতিয়াও দলৰ বিশ্বাস আছিল যে অসম আন্দোলনৰ লক্ষ্য অসমৰ শ্ৰমিক আন্দোলন তথা বাওঁপন্থী ৰাজনীতিৰ বিনাশ। চমুকৈ ক'বলৈ গ'লে পাৰ্টীৰ সেই ব্যাখ্যা ভুল নহ'লেও আংশিক আছিল, আৰু আংশিক ব্যাখ্যা সদায় বিপজ্জনক। এই ক্ষেত্ৰত বৃহৎ পুঁজিৰ প্ৰতিনিধিৰ লগত বাওঁপন্থী দলৰ দৃষ্টিভংগী একাকাৰ হৈ গৈছিল।

অসম আন্দোলনত যে উগ্ৰ জাতীয়তাবাদী আৰু অৰ্দ্ধফেঁছিবাদী প্ৰৱণতাৰ প্ৰকাশ ঘটা নাছিল, তেনে নহয়। তেনে প্ৰৱণতাৰ বিৰোধিতা কৰা বাবেই বাওঁপন্থী সংগঠন আৰু ব্যক্তিৰ বিৰুদ্ধে অসম আন্দোলনৰ এচাম নেতা আৰু কৰ্মীয়ে ঘাতকৰ ভূমিকা লৈছিল। কিন্তু সেইটো আছিল আন্দোলনৰ এটা দিশ। তাৰ লগত জড়িত আছিল অসমীয়া মানুহৰ আত্মপৰিচয় লোপৰ আশংকা আৰু সাম্প্ৰতিক ভাৰতীয় ৰাষ্ট্ৰব্যৱস্থাত অসমীয়া জাতীয় আশা-আশংকাৰ কোনো সঁহাৰি নোপোৱাৰ ক্ষোভ। সেই বাবেই পুলিচৰ গুলীৰ সন্মুখীন হোৱাৰ পৰা বিনা পাৰিশ্ৰমিকে বছৰৰ পিছত বছৰ দেশৰ বাবে কঠোৰ পৰিশ্ৰম কৰালৈ জনগণৰ মাজত কেতবোৰ মহিমাময় লক্ষণৰ প্ৰকাশো দেখা গৈছিল।

দুয়োবিধ লক্ষণেই কিন্তু হঠাতে ওপজা বস্তু নহয়। প্ৰথমৰে পৰা দুয়োবিধ প্ৰৱণতাৰ বীজ অসমীয়া জাতীয় ভাবধাৰাৰ মাজত নিহিত হৈ আছিল। অসমীয়া সমাজৰ আৰ্থ-সামাজিক ইতিহাসৰ মাজতে কথাটোৰ ব্যাখ্যা বিচাৰি পোৱা যাব। অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে চলোৱা সুদীৰ্ঘ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামৰ মাজতে সেই শ্ৰেণীৰ মতাদৰ্শ জাতীয়তাবাদৰ ইতিবাচক দিশ আৰু দোষ-দুৰ্বলতাৰ মূল কাৰণ দেখা যায়। এক বিশেষ আৰ্থ-সামাজিক পৰিমণ্ডলত বিকাশ লাভ কৰা অসমীয়া জাতীয়তাবাদে কেতবোৰ সীমাবদ্ধতা অতিক্ৰম কৰিব পৰা নাছিল। জনগণক অনুপ্ৰাণিত আৰু আকৃষ্ট কৰিব পাৰিলেও তেওঁলোকক এখন প্ৰকৃত গণতান্ত্ৰিক সমাজলৈ উত্তৰণৰ উদ্দেশ্যে সি নেতৃত্ব দিয়া নাই। প্ৰকৃত গণতন্ত্ৰই তাৰ শ্ৰেণীস্বাৰ্থত আঘাত কৰে বুলি তাৰ ভয়। আজি অসম আন্দোলনে সৃষ্টি কৰা সংগঠনটো অসমীয়া গণ পৰিষদ নহ'ল— হ'ল অসম গণ পৰিষদ। অসমৰ বাস্তৱতাৰ প্ৰতি ই এক কৌশলগত স্বীকৃতি। আনহাতে এইটোও সত্য যে অসম গণ পৰিষদৰ নৱনিৰ্বাচিত

নেতৃত্বৰ মাজত অসমৰ পিছপৰা আৰু অৱহেলিত জনগোষ্ঠীৰ লোকৰ কোনো উল্লেখযোগ্য স্থান নাই— যাৰ ফলত তেওঁলোকৰ মনত কিছু নিৰাশা আৰু তিক্ততা সঞ্চাৰ হৈছে।

দুটামান পুৰণি কথা ইয়াত দোহাৰিবলগীয়া হৈছে। অসম গণ পৰিষদৰ শাসনকালত জনজাতীয় জনগোষ্ঠীৰ বাবে তেনে কোনো সাৰ্থক উন্নয়নমূলক কাৰ্যসূচী প্ৰণয়ন কৰা নহ'ল। বড়ো আন্দোলনত কেন্দ্ৰই দিয়া উচটনি ৰাজনৈতিক বিচক্ষণতাৰে চম্ভালিব নোৱাৰি অসম গণ পৰিষদ চৰকাৰে TADA আইন প্ৰয়োগ কৰিছিল। অসম চৰ উন্নয়ন নিগম গঠন কৰি লাখ লাখ চৰুৱা মানুহৰ মনত আশাৰ সঞ্চাৰ কৰিছিল। কিন্তু তাৰ নামত কেৱল দুটামান কাৰ্যালয়ৰ বিকাশ হ'ল আৰু শেষত সেই কেইটাও বন্ধ হ'ল। কোৱা বাহুল্য যে এনেদৰে এখন প্ৰগতিশীল, উৎপাদনক্ষম গণতান্ত্ৰিক সমাজ ৰচনা কৰা নাযায়। সেয়ে এপিনে আমি গণ পৰিষদৰ ঐতিহাসিক বাস্তৱতা স্বীকাৰ কৰিম, আৰু আনহাতে তাৰ মতাদৰ্শগত দৈন্য আৰু দুৰ্বলতা আঙুলিয়াই দিম— যাৰ উন্নতি আৰু সংস্কাৰ অবিহনে কিন্তু অসমীয়া জাতীয়তাবাদৰ বৰগুণিও প্ৰায় শূন্যৰ ঘৰত থাকিব।

অসম গণ পৰিষদৰ ঐতিহাসিক বাস্তৱতাৰ ভিত্তি কি? অসমৰ শেষজন ব্ৰিটিছ গৱৰ্ণৰে অসমক ভাৰতৰ "এলাগী কুঁৱৰী" (**Cinderella of India**) বুলি কৈ গৈছিল। পিছে এই অৱহেলা কোনে কৰিলে, সেই বিষয়ে তেওঁ সহজবোধ্য কাৰণতে নীৰৱ আছিল। সি যি কি নহওক এই অৱহেলা আৰু অনগ্ৰসৰতাৰ বোজা অসমে আজিলৈকে কঢ়িয়াবলগীয়া হৈছে। ব্ৰিটিছে অসম দখল কৰাৰ সময়ত ক্ষয়ংকৰ গৃহযুদ্ধৰ ফলত অসম নিস্তেজ হৈ আছিল। আহোম ৰাজত্বৰ ঐতিহাসিক ভূমিকা আৰু তাৰ আয়ুস টুটি আহিছিল। মানৰ আক্ৰমণে আহোম ৰাজত্বৰ তৎকালীন ক্ষয়িষ্ণুতা উদঙাই দিলে। ব্ৰিটিছক সেয়ে প্ৰথমে অসমৰ মানুহে ত্ৰাণকৰ্তাৰ ৰূপত দেখিছিল। কিন্তু সুকৌশলে অসমৰ ওপৰত নিজৰ দখল সাব্যস্ত কৰাৰ পিছত ব্ৰিটিছে তাৰ ঔপনিবেশিক অৰ্থনীতি আৰু প্ৰশাসন অসমৰ ওপৰত জাপি দিলে। অসমৰ মানুহ তেতিয়াই "নিজভূমে পৰবাসী" হ'ল। অৰ্থনীতি আৰু ৰাষ্ট্ৰৰ মূল ক্ষমতা অসমীয়া মানুহৰ হাতত আৰু নাথাকিল। ১৮৭৩ চনলৈকে অসম এখন সুকীয়া প্ৰদেশ হোৱা নাছিল, কলিকতাৰ পৰা প্ৰধান বিষয়ৰ সিদ্ধান্ত অসমৰ ওপৰত জাপি দিয়া হৈছিল।

ঔপনিবেশিক যুগত উৎপাদনত অসমৰ মানুহৰ ভূমিকা দুৰ্বল হ'ল। অধিকাংশ মানুহ Subsistence Farming অথবা কোনো ৰকমে চলি থকা ধৰণৰ খেতি-বাতিত আবদ্ধ হ'ল। উন্নত কৃষিৰ কোনো সুবিধা এশ বছৰে ব্ৰিটিছে কৰি নিদিলে। জনজাতীয় লোকসকলৰ অনেকেই আকৌ স্বচ্ছল অসমীয়া মধ্যবিত্তৰ আধিয়াৰ বা তাতকৈ হীন অৱস্থালৈ ডবল প্ৰমছন পালে। কুটিৰ শিল্পবোৰৰ বেছিভাগ মৰিহাজি উছন হ'ল। শুৱালকুছিৰ দৰে ঠাইত বৰ্তি থাকিলেও তাৰ বৈজ্ঞানিক উন্নয়নৰ কোনো ব্যৱস্থা কৰা নহ'ল। অসমীয়াৰ সামান্য সঞ্চয়ৰ ফল শিল্প আদিত বিনিয়োগ নহৈ মাটি কিনি আধিলৈ দিয়াতে ঘাইকৈ সীমাবদ্ধ হৈ থাকিল। কিছু অংশ গ'ল চাহ খেতিলৈ যি চাহ খেতিত বৃহৎ পুঁজি বিনিয়োগ আৰু প্ৰত্যক্ষ পৰিচালনাৰে ব্ৰিটিছ চাহাববিলাকে সৰ্বময় কৰ্তৃত্ব স্থাপন কৰিছিল।

চাহ বাগানৰ চাহাববোৰৰ ক্ষমতা বেছি আছিল এই বাবেই যে ঔপনিবেশিক অৰ্থনীতিত চাহখেতি, ৰবৰ, কফি আদি Plantation Industryৰ বেলেগ গুৰুত্ব আছিল। উপনিবেশৰ প্ৰত্যক্ষ লুণ্ঠনতকৈও এই Plantation Industry বোৰে উপনিবেশৰ মালিক দেশবোৰক বেছি চহকী কৰিছিল। আজিও ব্ৰিটিছ ৰাজপৰিয়াল আৰু ব্ৰিটিছ সমাজৰ মুখিয়াল মানুহখিনিৰ চাহখেতিত অংশ আছে। এই প্লেণ্টাৰবোৰে চাহ বনুৱাৰ হৈ মৃদুস্বৰে মাত মতাৰ দোষত গৱৰ্ণৰ ছাৰ হেনৰি কটনক পদচ্যুত কৰাইছিল। সম্পূৰ্ণ অযৌক্তিকভাৱে তথাকথিত শাসন-সংস্কাৰৰ পিচত বিধান পৰিষদত প্লেণ্টাৰ সদস্য অন্তৰ্ভুক্ত কৰা হৈছিল। অসমৰ যৎকিঞ্চিৎ infrastructural উন্নয়ন হৈছিল এই চাম মানুহৰ স্বাৰ্থত। ৰে'লৰ আলিয়ে চাহবাগানৰ সুবিধাৰ বাবে প্ৰধান চহৰ এৰি থৈ হাবি-বননিৰ মাজেদি পাহাৰৰ নামনিৰে বাট পোনাইছিল।

চাহ বনুৱাসকলক ভাৰতৰ অপেক্ষাকৃত অনগ্ৰসৰ ঠাইৰ পৰা ফুচুলাই আনি গঁড়ালৰ জন্তুৰ দৰে ৰখা হৈছিল। চাহ বাগানৰ বনুৱাক বাহিৰৰ মানুহৰ লগত মিলিবলৈ দিয়া নহৈছিল, বনুৱাই বাগান এৰি স্বইচ্ছাই ফুৰা-চকা কৰিব নোৱাৰিছিল, কামত দোষ পালে চাবুক মাৰিছিল মেনেজাৰে।

দৈনিক জীৱনৰ প্ৰয়োজনীয় সামগ্ৰী যোগানৰ বাবে আৰু অসমৰ সম্পদ প্ৰদেশখনৰ বাহিৰলৈ নিয়াত ঔপনিবেশিক হৰ্তাকৰ্তাসকলক সহায় কৰিবলৈ

অসমৰ বাহিৰৰ মাৰোৱাৰী বনিক আহি খোপনি পুতি ল'লে। ১৮৪০ চনতে কামৰূপৰ খেতিয়ক মাৰোৱাৰী মহাজনৰ ধাৰ ঋণৰ নাগপাশত বন্দী হ'ল।

আন কোনো উৎপাদনমূলক শিল্প উদ্যোগ অসমৰ থলুৱা মানুহে স্থাপন কৰিব নোৱাৰিলে। অসমৰ মধ্যবিত্ত শ্ৰেণী গঢ় ল'লে ঘাইকৈ ব্ৰিটিছ প্ৰশাসনৰ কেৰাণী বা আমোলা হিচাপে, অথবা চাহ বাগানৰ কেৰাণী-মহৰীৰূপে, অথবা ক'ৰ্ট-কাছাৰিৰ উকিল হিচাপে। অসমীয়া প্লেণ্টাৰ অসমীয়া সমাজত নবাব, অথচ ব্ৰিটিছ প্লেণ্টাৰৰ আগত হাতীটোৰ আগত মাখিটোৰ দৰে। এনে মধ্যবিত্ত শ্ৰেণী গঢ় লৈ উঠিল ব্ৰিটিছৰ নুমলীয়া সহযোগী হিচাপে অথবা একেবাৰে ব্ৰিটিছৰ আশ্ৰিত সেৱকৰূপে! ঔপনিবেশিক শিক্ষানীতিয়ে তেওঁলোকৰ মনৰ পৰা উৎপাদনমূলক চিন্তা দূৰ কৰি বিনাশ্ৰমে লোকৰ ওপৰত বহি খোৱাৰ বুদ্ধি সুমুৱালে, পৰমুখাপেক্ষিতা বৃদ্ধি কৰিলে।

এনে পৰিস্থিতিত অসমীয়াৰ আত্ম পৰিচয় যে লুপ্ত নহ'ল, সি এক বিস্ময়। বিশেষকৈ প্ৰশাসনৰ ওপৰৰ স্তৰত অনা-অসমীয়া মানুহৰ অনুপাত আছিল বেছি। তেনে ধৰণৰ কাম কৰিবলৈ দক্ষতা থকা বহুলোক বংগদেশ আৰু শ্ৰীহট্টত আগৰে পৰা ইংৰাজী শিক্ষাই প্ৰস্তুত কৰি ৰাখিছিল। চাহ বাগান, ষ্টীমাৰ কোম্পানী, ৰে'ল পথতো বংগভাষী লোকৰ প্ৰতিপত্তি আছিল। উদীয়মান অসমীয়া মধ্যবিত্তৰ প্ৰথম আৰু প্ৰধান সংঘাত সেই চাম মানুহৰ লগতে। থলুৱা ভাষা-সাহিত্য চৰ্চাৰ ক্ষেত্ৰতে সেই সংঘাতে প্ৰথমে এক সচেতন আৰু সংগঠিত ৰূপ লয়। অসম সাহিত্য সভাৰ জন্ম হয়— যিটো অনুষ্ঠান আজিও মোটামুটি অসমীয়া জাতীয় ভাবধাৰাৰ প্ৰতিনিধি।

জাতীয়তাবাদী চিন্তাধাৰাৰ প্ৰভাৱত উদ্বুদ্ধ অসমীয়া মধ্যবিত্তয়েই অসমীয়া জাতীয় জাগৰণত নেতৃত্ব দিছিল। তেওঁলোকেই বহিৰাগতৰ প্ৰতিপত্তি আৰু সাংস্কৃতিক অভিমানৰ সন্মুখত অসমৰ থলুৱা মানুহৰ আত্মসন্মান আৰু আত্মবিশ্বাস জগাই তুলিছিল থলুৱা ভাষা-সংস্কৃতিৰ এটা জাতীয় আৰ্হি গঢ় দি। কিন্তু তেওঁলোকে বহুকাল এইক্ষেত্ৰত ঔপনিবেশিক ব্ৰিটিছক বন্ধু আৰু মিত্ৰ (ally) বুলি ভাবিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰজন্ম স্বাধীনতা আন্দোলনৰ প্ৰতি সহানুভূতিশীল হ'লেও তেওঁলোকে স্বাধীনতাৰ লক্ষ্য স্বপ্নবিলাসী বুলিহে ভাবিছিল। গুণাভিৰাম বৰুৱাই 'অৰুণোদয়ে' ফুলগুৰিৰ ঢেৱাত অংশ গ্ৰহণ কৰা কৃষকসকলক গৰিহণা দিয়াৰ দৰে পৰৱৰ্তী যুগৰ কৃষক

বিদ্ৰোহক উদ্ধত উচ্ছৃংখলতা বুলি তিৰস্কাৰহে কৰিছিল। অৰ্থাৎ এই প্ৰজন্মৰ মধ্যবিত্ত শ্ৰেণীয়ে কৃষক জনগণৰ লগত একে শাৰীতে থিয় হোৱাৰ কথা ভাবিব পৰা নাছিল।

পৰৱৰ্তী প্ৰজন্মৰ চন্দ্ৰনাথ শৰ্মা, অম্বিকাগিৰী ৰায়চৌধুৰী আদি মধ্যবিত্ত নেতাই ভাৰতীয় জাতীয় কংগ্ৰেছৰ উদ্যোগত হোৱা স্বাধীনতা সংগ্ৰামৰ সংস্পৰ্শলৈ আহি দৃষ্টিভংগী সলাইছিল। তদুপৰি তেওঁলোক আছিল অপেক্ষাকৃত অস্বচ্ছল ঘৰৰ সন্তান। শিক্ষা আদিৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীলৈ উত্তীৰ্ণ হ'লেও আৰ্থিকভাৱে জনগণতকৈ বৰ দূৰৰ মানুহ নহয়। সেয়ে তেওঁলোকে কিছু পৰিমাণে জাত-পাতৰ বাধা নেওচি জনসাধাৰণৰ মাজলৈ গ'ল। বেণুধৰ শৰ্মাই 'কংগ্ৰেছৰ কাঁচিয়লী ৰ'দত' গ্ৰন্থত লিখিছে যে আহোম মানুহৰ ঘৰত সাঁজপানী গ্ৰহণ কৰা বাবে আত্মীয়-কুটুম্বই ভৰ্ৎসনা কৰাত তেওঁ উত্তৰ দিছিল ঃ 'ৰাইজে মৰম কৰি যাচিছে। ৰাইজৰ মৰমতকৈ মোৰ জাতটোহে ডাঙৰ হ'লনে?' অৰ্থাৎ এই চাম নেতাই এহাতে ঔপনিবেশিক পৰমুখাপেক্ষিতাৰ ভাব নেওচা দি আত্মনিয়ন্ত্ৰণৰ বা স্বৰাজৰ আকাংক্ষা পোষণ কৰিলে, আনহাতে তাৰ ভিত্তিস্বৰূপে ছেগাচোৰোকাকৈ হ'লেও গণতান্ত্ৰিক বৈষম্যহীন সমাজৰ কথাও ভাবিলে।

কিন্তু কেৱল ভাবগত উপাদানেৰে এখন সমাজত পৰিৱৰ্তনৰ ঢৌ অনা টান। নিস্তৰংগ ঔপনিবেশিক পৰিৱেশত তেনে এক যুগান্তকাৰী আৰ্থ-সামাজিক তথা ৰাজনৈতিক পৰিৱৰ্তন অভাৱনীয়। জনগণৰ দুখ-কষ্ট চক্ৰবৃদ্ধি হাৰত বাঢ়ে, কিন্তু নতুন সম্পদ সৃষ্টিৰ তথা উৎপাদনৰ সুযোগ নোলায়। অসহযোগ আন্দোলন শাম কাটি অহাত নিবনুৱা মধ্যবিত্ত অসমীয়া সেই চিৰাচৰিত বাগিচাৰ মহৰী, চৰকাৰী চাকৰি, ওকালতিত লাগিল। শিল্প উদ্যোগ বা বেহা-বেপাৰত এমুঠি মানহে সোমালগৈ। অৰ্থাৎ মধ্যবিত্ত জাতীয়তাবাদে যেনে স্বাধীন পুঁজিবাদী উদ্যোগ ৰচনাৰ পৰিৱেশ বিচাৰে ঔপনিবেশিক পৰিৱেশত তাৰ অৱকাশ আছিল নগণ্য। তাতে আকৌ শাসক শ্ৰেণীৰ পৰিপক্ক বুদ্ধিৰে ব্ৰিটিছে ভাৰতবাসীৰ আকাংক্ষা পৰ্যায়ক্ৰমে নগণ্য মাত্ৰাত পূৰণ কৰি মোহ সৃষ্টি কৰিলে। যেনে ধৰক— ১৯১৯ আৰু ১৯৩৫ চনৰ শাসন সংস্কাৰ ঃ ভোট, নিৰ্বাচিত পৰিষদ, মন্ত্ৰী সকলো আহিল, কিন্তু প্ৰকৃত ক্ষমতা গৱৰ্ণৰ আৰু ভাইচৰয়ৰ হাততে কৌশলেৰে ৰাখি থোৱা হ'ল।

স্বাধীনতা আন্দোলনৰ প্ৰভাৱে অসমীয়া জাতীয়তাবাদত এক নতুন মাত্ৰা সংযোগ কৰিলে। সি অধিক উদ্যোগী আৰু জনমুখী হ'ল। গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, অমিয় কুমাৰ দাসৰ দৰে কংগ্ৰেছী নেতাৰ মনত অসমীয়া জাতীয়তাবাদী ভাবধাৰা যথেষ্ট প্ৰবল আছিল। অসমীয়া জাতীয় শিক্ষা-সংস্কৃতিৰ কেন্দ্ৰস্বৰূপে তেওঁলোকেই অসমত বিশ্ববিদ্যালয় স্থাপনৰ আন্দোলন আৰম্ভ কৰিছিল। গোপীনাথ বৰদলৈয়ে কাৰাবাস খাটি থাকোতে চল্লিশৰ দশকত অসমৰ অৰ্থনৈতিক উন্নয়নৰ আঁচনিত মনোনিৱেশ কৰিছিল। কিন্তু কাৰ্যক্ষেত্ৰত ভাৰতৰ বৃহৎ বুৰ্জোৱাৰ নেতৃত্বত থকা কংগ্ৰেছৰ সৰ্বভাৰতীয় নেতাসকলৰ নুমলীয়া সহযোগী হিচাপেহে তেওঁলোকে অসমৰ জাতীয় উন্নতি বিচাৰিছিল। তাৰ বাহিৰত অসমৰ জাতীয় মুক্তি বা বিকাশৰ কথা ভবা তেওঁলোকৰ পক্ষে অসম্ভৱ আছিল। অসম সংৰক্ষিণী সভাৰ নেতা অম্বিকাগিৰীৰ লগত তেওঁলোকৰ যোগাযোগ আৰু বুজাবুজি আছিল। ডিগবৈৰ শোধনাগাৰত ১৯৩৮ চনত হোৱা ধৰ্মঘটে বৰদলৈ মন্ত্ৰীসভাৰ পৰা বিশেষ সহানুভূতি নাপালে আৰু অম্বিকাগিৰিয়ে আহ্বান দিলে যে ষ্ট্ৰাইক কৰা বঙালী মানুহৰ চাকৰি গ'লে অসমীয়া ডেকাসকলে তৎক্ষণাৎ সেই চাকৰিবোৰৰ প্ৰাৰ্থী হ'ব লাগে। এনে পৰিৱেশত অসমৰ আঞ্চলিকতাবাদী ভাবধাৰা আত্মৰক্ষামূলক হৈ পৰিছিল। ব্ৰিটিছ ঔপনিবেশিক নীতিৰ ফলত সৃষ্টি হোৱা সংকটৰ গৰাহৰ পৰা— সি অসমীয়া ভাষাৰ স্বতন্ত্ৰতাই হওক বা গ্ৰুপিং আন্দোলনৰ কালছোৱাৰ দৰে অসমৰ সুকীয়া অস্তিত্বই হওক— অসমক বচাই ৰখাই তাৰ প্ৰধান Task বা কৰ্ম হৈ পৰিছিল। উৎপাদনমূলক বিপ্লৱ অথবা গণতান্ত্ৰিক সমাজ ৰচনা— কোনো দিশতে আগবাঢ়িব নোৱৰাৰ ফলতে অৱশেষত অসমীয়া মধ্যবিত্তৰ স্বাৰ্থৰক্ষাতে নিমগ্ন হৈ থাকিল। জনজাতীয়সকলৰ মাজলৈ শংকৰী ধৰ্মক সাম্যৰ মন্ত্ৰৰূপে লৈ যোৱাৰ জল্পনা কল্পনাতে বৈ গ'ল তেওঁলোক, কাৰ্যক্ষেত্ৰত বেছি আগবাঢ়িব নোৱাৰিলে। ১৯৬০ চনত হোৱা ৰাজ্যভাষা আন্দোলনৰ বহুত পিচতো অধিকাংশ জনজাতীয় অঞ্চলত অসমীয়া মাধ্যমৰ স্কুল কলেজ নহ'ল। অসমীয়া আঞ্চলিক ৰাজনীতি মধ্যবিত্ত শ্ৰেণীস্বাৰ্থৰ হাতিয়াৰ হৈ থাকিল। অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে পোনতে ৰাজ্যিক প্ৰশাসন দখল কৰি প্ৰথমে তাৰ জৰিয়তে চাকৰি, ঠিকা আৰু চৰকাৰৰ বস্তু যোগান দিয়াৰ সুযোগ নিজৰ আৰু সতি

সন্ততিৰ বাবে হস্তগত কৰিবলৈ বিচাৰিলে। পিচে উন্নয়নৰ নামত অহা ধন আত্মসাৎ কৰাও ৰাজ্য চৰকাৰ দখলৰ অন্যতম প্ৰধান উদ্দেশ্য হৈ পৰিল। এই ধৰণৰ দুৰ্নীতিয়ে স্বাধীনতাৰ পৰৱৰ্তী কালত অসমীয়া মধ্যবিত্তৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিলেও উৎপাদনমূলক উদ্যোগ আৰু কৰ্ম সংস্কৃতি গঢ়াত কোনো সহায় নকৰিলে। এই ধাৰাৰ শেহতীয়া আৰু সকলোতকৈ জঘণ্যৰূপ হ'ল LOC কেলেংকাৰী।

আজিৰ অসম, ২০ নৱেম্বৰ, ১৯৯৫

আলফাৰ আলোচনাৰ প্ৰস্তাৱ

অলপতে আলফাই আকৌ ঘোষণা কৰিছে যে অসমৰ সাৰ্বভৌমত্ব সম্পৰ্কে বিদেশত ৰাষ্ট্ৰসংঘৰ তত্বাৱধানত ভাৰত চৰকাৰৰ লগত আলোচনা কৰিবলৈ তেওঁলোক ইচ্ছুক। অসম চৰকাৰো হেনো খবৰটোৰ প্ৰতি আগ্ৰহান্বিত। পিছে কেন্দ্ৰীয় চৰকাৰৰ মনোভাব জনা নাযায়। আনহাতে 'দৃষ্টি ৰাজখোৱা'ৰ নেতৃত্বৰ দুৰ্ধৰ্ষ 'এ'নগিমা' গোটটো নামনি অসমলৈ উপদ্ৰৱ কৰিবলৈ ভূটানৰ পৰা নামি আহিছে বুলি বৃহদাকাৰ শিৰোনামাৰ যিবোৰ বাতৰি পৰিৱেশন কৰা হৈছিল, সেইবোৰ ক'ত লুকাল? সৈন্য বাহিনীৰ ভাষ্য যে আলফাই টানত পৰি ৰামনাম লৈছে।

এই টান পৰিস্থিতি সেনাৰ অভিযানত হৈছে নে নাই, কোৱা টান। আন্তৰ্জাতিক পৰিস্থিতিও ইয়াৰ বাবে কিছু জগৰীয়া। নিউয়ৰ্কৰ 'অল্ কায়দা'ৰ ধ্বংসলীলাৰ পিছত বিদেশত সশস্ত্ৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতি মাৰ্কিন চৰকাৰৰ উৎসাহ কুহুমিয়া হৈছে। বিভিন্ন দেশৰ দুৰ্বল গোষ্ঠীবোৰৰ সশস্ত্ৰ অভ্যুত্থানৰ প্ৰতি আমেৰিকা পূৰ্বে সহানুভূতিশীল আছিল। ৰাষ্ট্ৰসংঘকো তাৰ প্ৰতি আমেৰিকাই কিছু পৰিমাণে সদয় কৰি ৰাখিছিল। কিন্তু নিজ ঘৰতে প্ৰচণ্ড আঘাত পোৱাৰ পিছত আমেৰিকাৰ মোহভংগ হৈছে। 'সন্ত্ৰাসবাদ'ৰ বিৰুদ্ধে আমেৰিকাৰ তৰ্জন-গৰ্জন আৰম্ভ হোৱাৰ পিছত গোষ্ঠীগত বিদ্ৰোহৰ নায়কসকলৰ মনতো নতুন চিন্তাৰ উদয় হৈছে। আনকি এল টি টি ইৰ দুৰ্দমনীয় নেতা প্ৰভাকৰণেও কোমল সুৰত কথা ক'বলৈ লৈছে। আলফাও ব্যতিক্ৰম হ'ব নালাগে।

অসমৰ সৰ্বসাধাৰণ ৰাইজে আলোচনা হোৱাই বিচাৰে। যদি ধনৰ প্ৰয়োজন আছে, তাৰ বাবে মানুহ মৰাৰ প্ৰয়োজন নাই। আলফাই 'অসম বন্ধ'ৰ আয়োজন কৰিলেই হয় দেখোন। আমি জনাত অসমৰ কেইবাটাও সংগঠনে 'অসম বন্ধ'ৰ আয়োজন কৰি ব্যৱসায়ী মহলৰ পৰা লাখ-লাখ টকা সৰকাই

আছে। সেই কাম আলফায়ো কৰিলে সংশ্লিষ্ট সকলো পক্ষই আৰাম পাব। মূল্যবৃদ্ধিত গ্ৰাহকে অলপ মাৰ খাব অৱশ্যে, কিন্তু দেশৰ স্বাৰ্থত সেইখিনি সহ্য কৰিব আৰু! তদুপৰি ভাৰত চৰকাৰে বিদেশত আলোচনা কৰিলেও ৰাষ্ট্ৰসংঘৰ তত্ত্বাৱধানৰ চৰ্ত নামানে। কাৰণ সি এটা দেশীয় সমস্যাক আন্তঃৰাষ্ট্ৰীয়কৰণ কৰিব। কাশ্মীৰত ইমান ঘমঘণ্টৰ পিছতো কেন্দ্ৰীয় চৰকাৰে তেনে চৰ্ত মানি লোৱা নাই, অসমত মানিব বুলি মনে নধৰে। কথাটো আলফাই বিবেচনা কৰি চাওক।

দৈনিক জনমভূমি, ৩০ নবেম্বৰ, ২০০১

বোমা, গুলী আৰু আলোচনা

অলপতে কোনো এখন কাকতত প্ৰকাণ্ড শিৰোনামা দেখিলোঁ ঃ 'মামণি গোস্বামীৰ মুখ বন্ধ কৰিলে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে।' লৰালৰিকৈ পঢ়া পাঠকে ভাবিব যে শ্ৰীমতী গোস্বামীৰ মুখত সোপাই দিলে হ'বলা। কিন্তু এনেধৰণৰ অভদ্ৰতা প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে শ্ৰীমতী গোস্বামীৰ লগত কৰিব বুলি ভাব নহয়। কথাটো নিশ্চয় এনেকুৱা যে শ্ৰীমতী গোস্বামীৰ উদ্যোগ আৰু অধ্যৱসায়ত আলোচনা আৰম্ভ হোৱা প্ৰক্ৰিয়াৰ কোনোবাখিনিত গাঁঠি লাগি ধৰিছে। এই মুহূৰ্তত ভিতৰুৱা খবৰ বাহিৰত জনাজনি নোহোৱাই ভাল।

তথাপি বাহিৰৰ পৰ্যবেক্ষকে নিশ্চয় কেইটামান কথা লক্ষ্য নকৰাকৈ থকা নাই। এফালে ভাৰতীয় সেনাবাহিনীয়ে পছু খেদা দি খেদি সংযুক্ত মুক্ত বাহিনীৰ সদস্যক হত্যা কৰিছে, তেওঁলোকৰ গোপন আড্ডাত অতৰ্কিত অভিযান চলাইছে আৰু আনহাতে সংযুক্ত মুক্তি বাহিনীয়ে ৰাজ্য চৰকাৰক বিব্ৰত কৰি স্পৰ্শকাতৰ ঠাই কিছুমানত বিস্ফোৰণ ঘটাই নিজৰ অটুট সামৰিক প্ৰস্তুতিৰ পৰিচয় দি আছে। অৰ্থাৎ আলোচনাৰ পৰিৱেশ ৰচনাৰ কাৰ্যকৰী প্ৰচেষ্টা কোনো পক্ষই কৰা নাই। দুয়োপক্ষৰে চেষ্টা এক সবল অৱস্থানৰ (Position of Strength) পৰা আলোচনাত অৱতীৰ্ণ হ'বলৈ।

আলোচনাৰ আগ্ৰহ যে দুয়ো পক্ষৰে নাই, তেনেও নহয়। উত্তৰ-পূবৰ বাকীবোৰ বিদ্ৰোহী গোটৰ লগত আলোচনা হৈ গৈছে বা আৰম্ভ হৈছে। অঞ্চলটোৰ নিৰংকুশ উন্নয়নে সৰ্বভাৰতীয় পুঁজিবাদী মহলকে অধিক উপকৃত কৰিব। বিশেষকৈ কাষৰীয়া চীনৰ য়ুন্নান প্ৰদেশ, মালয়েছিয়া, থাইলেণ্ড আদিৰ লগত যোগাযোগ, বেহা-বেপাৰ, বিনিয়োগৰ বাবে সেই মহল উৎসুক। বিশ্বৰ প্ৰভাৱশালী দেশবোৰেও সিহঁতৰ পুঁজিৰ বাবে অঞ্চলটো অস্পৃশ্য হৈ থকাটো বিচাৰে। গতিকে আলোচনা হ'ব।

কিন্তু আলোচনাত বিবেচ্য বিষয় অতি গুৰুতৰ। ভাৰতৰ অখণ্ডতা,

সাংবিধানিক ৰূপ, সাৰ্বভৌমত্বৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সহজে আপোচ নকৰে আৰু সংযুক্ত মুক্তি বাহিনীয়েও যি উদ্দেশ্যে ইমান দিন যুঁজিলে আৰু নিকাৰ ভুঞ্জিলে, সেইটো বিসৰ্জন দিয়াও সহজ নহ'ব। এনেধৰণৰ আলোচনাত বিঘিনি বহুত। অলপতে ইচাক-মুইভা গোষ্ঠীৰ নাগা বিদ্ৰোহী দলৰ নেতা মুইভাই খেদ কৰিছে যে আঠটা বছৰ আলোচনাৰ নামত কেন্দ্ৰীয় চৰকাৰৰ লগত মিছাতে কথাৰ মহলা মৰা হ'ল। এল টি টি ইৰ লগত শ্ৰীলংকা চৰকাৰৰ আলোচনাৰ গতিও ৰুদ্ধ হৈ পৰিছে। অৱশ্যে আলোচনাৰ প্ৰতি দায়বদ্ধতা দুয়োপক্ষই প্ৰত্যাহাৰ কৰা নাই।

কিছুমান অস্পষ্ট অথচ প্ৰভাৱশালী কাৰণেও আলোচনাৰ অগ্ৰগতিত হেঙাৰ ধৰিছে। পাকিস্তানৰ আই এছ আই (আচলতে মাৰ্কিন চি আই এৰ বি টিম) বাংলাদেশত সম্প্ৰতি সক্ৰিয় বুলি জানিব পৰা গৈছে। কাশ্মীৰ হুৰিয়াত সৰ্বদলীয় সংঘৰ প্ৰতিনিধিক পাকিস্তান অধিকৃত কাশ্মীৰ ভ্ৰমণৰ সুযোগ পাকিস্তান আৰু ভাৰতৰ যৌথ সন্মতিক্ৰমে দিয়া হৈছিল। কিন্তু পাকিস্তানে হুৰিয়াতৰ প্ৰতিনিধিসকলক পাকিস্তানৰ অন্যান্য ঠাইলৈকো যাবলৈ দিলে ভাৰতৰ আপত্তি নগণি। পাক-ভাৰত শান্তি প্ৰক্ৰিয়াৰ মাজতে দুয়ো দেশৰ অস্ত্ৰসজ্জাও দ্ৰুতগতিত চলি আছে। পাকিস্তানৰ বৰ্তমান ৰাষ্ট্ৰপতি অত্যন্ত চতুৰ, ধূৰ্ত আৰু পৰিপক্ক নেতা। তেওঁ বহু বছৰ গোড়া ইছলামী তালিবানবিলাকক পোহপাল দি উঠি আমেৰিকাৰ প্ৰভাৱত ৰাতিটোৰ ভিতৰতে সিবিলাকক ইছলামৰ শত্ৰু বুলি ঘোষণা কৰি আধুনিক, উদাৰ ইছলামৰ সপক্ষে থিয় দিয়া মানুহ। তেওঁৰ অভিপ্ৰায় হিচাপ কৰি উলিওৱা কঠিন। যিকোনো কাৰণতে নহওক বাংলাদেশত থকা গোড়া ইছলামী সংগঠনবোৰক সক্ৰিয় আৰু সুসজ্জিত কৰি উত্তৰ-পূব ভাৰতত অশান্তি আৰু অস্থিৰতা সঞ্চাৰ কৰাৰ আঁচনি আই এছ আয়ে লৈছে। মুছাৰফ তাত বিতুষ্ট হৈছে বুলি ভবাৰ কাৰণ নাই।

বাংলাদেশৰ অৰ্থনীতি ভাৰতৰ লগত চোৰাং ব্যৱসায়ৰ ওপৰত ইমান নিৰ্ভৰশীল যে অসম-বাংলাদেশ সীমান্ত দেৱাল দি দুৰ্লংঘ্য কৰিলে বাংলাদেশত ডাঙৰ বিপৰ্যয় ঘটিব। বোধহয় সেইবাবেই বাংলাদেশে উগ্ৰ মৌলবাদী মহলক অসমত উত্তেজনা আৰু অস্থিৰতা বৃদ্ধি কৰিবলৈ নিয়োগ কৰাৰ কথা ভাবিছে। এই কামত আশ্ৰয়দাতা হিচাপে বাংলাদেশে সংযুক্ত মুক্তি

বাহিনীৰো সহায় বিচাৰিব। সংযুক্ত মুক্তি বাহিনীৰ আহ-যাহ যে বাংলাদেশত আছে তাৰ প্ৰমাণ বাংলাদেশত অনুপ চেতিয়াৰ গ্ৰেপ্তাৰ আৰু কাৰাবাস।

সেয়ে সেনাবাহিনী সংযুক্ত মুক্তি বাহিনীৰ গতিবিধিৰ প্ৰতি সন্দিহান হৈ পৰিছে। ভুটানৰ দুৰ্গম অঞ্চলত থকা সংযুক্ত মুক্তি বাহিনীৰ দুৰ্ভেদ্য দুৰ্গ উৎখাত কৰিবলৈ ভুটানী সেনাবাহিনীক সহায় কৰি ভাৰতীয় সেনাবাহিনীৰ দৃঢ় প্ৰত্যয় জন্মিছে যে তেওঁলোকে সংযুক্ত মুক্তি বাহিনীক সম্পূৰ্ণ বিধ্বস্ত কৰিব নোৱাৰিলেও শাসনত ৰাখিব পাৰিব সেয়ে সংযুক্ত মুক্তি বাহিনীৰ জ্যেষ্ঠ নেতাসকলক এৰি দিবলৈ ইউনিফাইড ক'মাণ্ডৰ আপত্তি আছে। সম্ভৱতঃ ৰাজ্যপাল লেঃ জেনেৰেল অজয় সিঙৰ মুখেদি সেই অভিমতেই ব্যক্ত হৈছে। ইয়াৰ বহু বছৰ আগতে আলোচনাৰ বাবে বন্দী নেতাকেইজনমানক মুক্তি দিয়াত তেওঁলোকে সেই সুযোগত আত্মগোপন কৰা কথাও আটাইৰে জনাজাত। বহু কষ্ট কৰি আটক কৰা নেতাসকলে এনে এটা সুযোগত আকৌ পলায়ন কৰিলেও সেনাবাহিনী তথা ভাৰত চৰকাৰ ভেচভেচীয়া হ'ব।

কিন্তু সংযুক্ত বাহিনীয়ে বন্দী জ্যেষ্ঠ নেতাসকলক মুক্তি দিব লাগে বুলি দিয়া যুক্তিও নিৰৰ্থক নহয়। তেওঁলোকৰ সংবিধান অনুযায়ী কাৰ্যনিৰ্বাহকৰ অনুমোদন অবিহনে আলোচনাৰ সিদ্ধান্তবোৰ বোধহয় গ্ৰহণ কৰিব নোৱাৰি। অশান্ত বাঘফুকন, বেনিং ৰাভা আদিক বোধহয় এই যুক্তিতে মুকলি কৰি দিব লাগিব। অৱশ্যে, ভাৰত চৰকাৰে এটা 'ৰিস্ক' ল'ব পাৰে, অথবা বিপদৰ সম্ভাৱনা থকা সিদ্ধান্ত ল'ব পাৰে। যিসকল জ্যেষ্ঠ নেতাৰ লগত আলোচনা কৰা দৰকাৰ তেওঁলোকক কটকটীয়া নিৰাপত্তাৰ মাজত সুৰক্ষিত স্থানত ৰাখি আলোচনা চলোৱাৰ সুযোগ দিব পাৰে। তেতিয়া তেওঁলোকে প্ৰয়োজনীয় কথা নিজৰ ভিতৰতো আলোচনা কৰিব পাৰিব আৰু চৰকাৰী পক্ষৰ লগতো আলোচনা কৰিব পাৰিব।

সংযুক্ত মুক্তি বাহিনীৰ বাবেও পৰিস্থিতি বৰ অনুকূল হৈ থকা নাই। 'স্বাধীনতা' আৰু 'গণতন্ত্ৰ'ৰ সমৰ্থনত উৎসাহীক 'সন্ত্ৰাসবাদী দল' বুলিহে চৰকাৰীভাৱে চিনাক্ত কৰিছে। তাৰ বিৰুদ্ধে সংযুক্ত মুক্তি বাহিনীয়ে প্ৰতিবাদ কৰিলেও কাম নহয়। আনকি বাংলাদেশ চৰকাৰেও পোনপতীয়াকৈ সংযুক্ত মুক্তি বাহিনীক সহায় কৰিব নোৱাৰা হ'ব। আই এছ আইৰ জিহাদী বাহিনীৰ যোগেদিহে সম্পৰ্ক ৰক্ষা কৰিব পাৰিব। এনে এক পৰিস্থিতি সংযুক্ত মুক্তি বাহিনীৰ বাবেও অতি বিব্ৰতকাৰী আৰু আহুকলীয়া হ'ব।

দুটা বিবদমান পক্ষই শান্তি আৰু সমাধানৰ বাবে আলোচনা কৰিবলৈ আগ্ৰহ কৰিলে পৰস্পৰৰ বিশ্বাস উৎপাদন কৰিবলৈ কেতবোৰ চেষ্টা কৰিব লাগিব। ইংৰাজীত ইয়াক Confidence building Measures (CBM) বোলা হয় আজিকালি। এই বিষয়ত দুয়ো পক্ষৰ নিস্পৃহতা আৰু নিষ্ক্ৰিয়তা লক্ষ্য কৰিবলগীয়া। বিশ্বাস উৎপাদনৰ প্ৰথম চৰ্ত হ'ব সংঘৰ্ষৰ মাত্ৰা ক্ৰমান্বয়ে হ্ৰাস কৰা, পৰস্পৰৰ সন্দেহ সৃষ্টি কৰা কাৰ্যৰ পৰা বিৰত থকা। আৰু মামণি ৰয়ছম গোস্বামীয়ে যদি ৰাজহুৱা মন্তব্য কৰিব নালাগে, ৰাজ্যপাল অজয় সিঙেও কৰিব নালাগে। চৰকাৰক গোপনে যি কয় কওক আৰু চৰকাৰেও নিজৰ বিবেচনামতে সিদ্ধান্ত লওক। সংযুক্ত মুক্তি বাহিনীৰ সংগ্ৰাম সম্পৰ্কে অসমৰ মানুহৰ দ্বৈত মনোভাব থকা বুলিলে বৰ ডাঙৰ ভুল নহ'ব। অতিকেন্দ্ৰিক ভাৰতীয় ৰাষ্ট্ৰই অসমৰ সৰ্বাংগীণ আৰু সুষম উন্নয়নৰ বাবে যেনে সা-সুবিধা দিব লাগে আৰু দিব পাৰে তাৰ পৰা অসমক বঞ্চিত কৰি সৰ্বভাৰতীয় শাসক শ্ৰেণীৰ সুবিধামতে অসমক বঞ্চনা আৰু শোষণ কৰি থকা অভিযোগটো সত্য। (এই সৰ্বভাৰতীয় শাসক শ্ৰেণীৰ মাজত কিছুসংখ্যক অসমীয়াও আছে, তলপিনৰ পৰা।) এই কথাত অসমীয়া মানুহ ক্ষুব্ধ আৰু সেয়ে সংযুক্ত মুক্তি বাহিনীৰ সংগ্ৰামৰ প্ৰতি সহানুভূতিশীল। আনহাতে আৱেগিকভাৱে ভাৰতৰ পৰা বিচ্ছিন্ন হ'বলৈ অধিকাংশ অসমীয়া মানুহ প্ৰস্তুত নহয় আৰু সংযুক্ত মুক্তি বাহিনীৰ কিছুমান কাৰ্যপন্থাৰ প্ৰতিও বৰ আস্থাৱান নহয়। সংযুক্ত মুক্তি বাহিনীয়ে আলোচনাৰ পটভূমিত এই ধাৰণাটোৰ প্ৰতি নজৰ ৰখা উচিত।

আনহাতে ভাৰত চৰকাৰে অসমীয়াৰ সুকীয়া অস্তিত্বক দুৰ্বল কৰি অসমীয়াৰ স্বতন্ত্ৰ উদ্যোগ লোৱাৰ ক্ষমতা হ্ৰাস কৰা, বজৰুৱা হিন্দী সংস্কৃতিৰ ধল নমাই আমাৰ উঠি অহা প্ৰজন্মক বিজতৰীয়া কৰা, অত্যাচাৰ আৰু দমন-নীতিৰে মৌলিক, সামাজিক আৰু ৰাজনৈতিক সমস্যা সমাধান কৰাৰ অপচেষ্টা কৰাক অসমীয়া ৰাইজে এইবোৰ কথাও লক্ষ্য কৰি আছে। শক্তিৰ আলমত সত্যক নিৰ্মূল কৰাৰ এনে চেষ্টা যে সফল হ'ব নোৱাৰে, সেই কথাও ভাৰত চৰকাৰে মনত ৰখা দৰকাৰ।

আমি বিচাৰো নিভাঁজ, আন্তৰিক, কপটালিহীন আলোচনাৰ শুভাৰম্ভ হওক। অসমৰ মানুহৰ সৃষ্টি ক্ষমতাৰ পথ মুকলি হওক।

অসমীয়া প্ৰতিদিন, ২৩ জুন, ২০০৫

সাৰ্বভৌমত্বৰ জলছবি

সংযুক্ত মুক্তি বাহিনীয়ে গঠন কৰি দিয়া জনপৰামৰ্শদাতা কমিটীৰ দুজনমান সদস্যই সৌজন্য প্ৰদৰ্শন কৰি মোৰ দিহা-পৰামৰ্শ বিচাৰিছিল। কিন্তু মই নম্ৰভাৱে এই ক্ষেত্ৰত মতামত দিবলৈ অস্বীকাৰ কৰিছিলোঁ। কাৰণ এতিয়াই মই ব্যক্ত কৰিব খোজা নাই, কাৰণ তাৰ সময় অহা নাই। কিন্তু সময়ত কৰিম।

সংযুক্ত মুক্তি বাহিনীৰ কাৰ্যকলাপ সম্পৰ্কে মোৰ মনত থকা সংশয়ৰ অৱসান এতিয়াও হোৱা নাই। যোৱা ষোল্ল অক্টোবৰ তাৰিখে বৰমাৰ কলিতা ফাৰ্মাচীৰ স্বত্বাধিকাৰী আৰু স্বাধীনতা সংগ্ৰামী সৰ্বেশ্বৰ কলিতাৰ পৰা ভাবুকি দি ধন আদায় কৰাত বিফল হোৱা সংযুক্ত মুক্তি বাহিনীৰ এটা গোটে গ্ৰে'নেড নিক্ষেপ কৰি তেখেতক হত্যা কৰে, কেইবাজনো লোকক আহত কৰে, আৰু ফাৰ্মাচীখন চুৰমাৰ কৰে। সঞ্জয় ঘোষৰ হত্যাকাণ্ড আৰু ধেমাজীৰ শিশুমেধলৈ এনেবোৰ ঘটনাই মনত পেলায়। নিৰ্মম দায়িত্বহীনতাৰে স্বজাতীয় বা স্বজাতিৰ মংগলাকাংক্ষী লোকক অকাতৰে হত্যা কৰিবলৈ তেওঁলোকে ধনিষ্টামানো ইতস্ততঃ কৰা নাই। সৰ্বেশ্বৰ কলিতা 'দখলদাৰী' ভাৰতীয় সেনা নাছিল, আৰু স্বতঃস্ফূৰ্তভাৱে তিনি হেজাৰ স্থানীয় লোকে সেই গঞা অঞ্চলত সমদল কৰি সেই নিষ্ঠুৰতা আৰু অবিবেকী কাৰ্যৰ প্ৰতিবাদ কৰিছিল। প্ৰশ্ন হৈছে, "সাৰ্বভৌমত্ব"ই এওঁলোকৰ মানসিকতাৰ ৰূপান্তৰ ঘটাব পাৰিবনে? সেনাৰ আক্ৰমণ বন্ধ কৰিবলৈ আমিও দাবী জনাইছিলোঁ— এনেবোৰ কাৰ্যকলাপৰ সুবিধাৰ বাবেই নেকি?

আৰু এক প্ৰাসংগিক প্ৰশ্ন হৈছে, যি ৰাষ্ট্ৰৰ পৰা এই সাৰ্বভৌম ক্ষমতা দাবী কৰা হৈছে, সেই ৰাষ্ট্ৰ নিজে সাৰ্বভৌম হৈ আছেনে? অৰ্থনৈতিক সংস্কাৰ তথা বিশ্বায়নৰ যুগত বহু কেইখন দুৰ্বল ৰাষ্ট্ৰই নিজৰ দেশৰ অৰ্থনীতি নিজৰ দেশৰ জনগণৰ স্বাৰ্থত নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা হেৰুৱাইছে আন্তৰ্জাতিক পুঁজিৰ

হেঁচাত। ভাৰতেও এই ক্ষেত্ৰত সাৰ্বভৌমত্ব ৰক্ষা কৰিব পৰা নাই, যদিও এই মুহূৰ্তত তথ্য প্ৰযুক্তিত প্ৰশিক্ষণ আৰু নৈপুণ্য থকা দেশীয় শ্ৰমিকৰ (অভিযন্তা?) সস্তা শ্ৰমৰ গুণত আমেৰিকাৰ পৰা ভাৰতীয় পুঁজিপতি মহলে বহু কোটি টকাৰ ফৰমাছ পোৱাটো সত্য! ঔষধ-প্ৰস্তুতিৰ ক্ষেত্ৰত ভাৰতে জনগণৰ বাবে সুলভ ঔষধ প্ৰস্তুত কৰাৰ ক্ষমতা হেৰুৱালে। এতিয়া ৰাজনৈতিক ক্ষেত্ৰতো আমেৰিকাৰ ওচৰত ভাবত সেও হৈছে। ভাৰতৰ আণৱিক অস্ত্ৰ-শস্ত্ৰ আৰু শক্তি উৎপাদন আমেৰিকা প্ৰমুখ্যে কেইখনমান ৰাষ্ট্ৰৰ পৰীক্ষাধীন কৰা চুক্তিত ভাৰত চৰকাৰে চহী কৰাত দেশৰ বৈজ্ঞানিক মহল ক্ষুব্ধ হৈছে। ইৰাণৰ ক্ষেত্ৰত পূৰ্বৰ নীতি উলংঘা কৰি আমেৰিকাৰ সপক্ষে ভোট দিয়াত ভাঁৰতৰ বৈদেশিক নীতি পৰমুখাপেক্ষী হৈছে বুলি বহুত মহলৰ ধাৰণা।

বিশ্বায়নে ভাৰতৰ অৰ্থনীতি-ৰাজনীতিত আন্তৰ্জাতিক বৃহৎ পুঁজিৰ হেঁচা অপ্ৰতিৰোধ্য কৰি তুলিছে। এনেস্থলত ভাৰতে অসমক কি ধৰণৰ সাৰ্বভৌমত্ব দিব পাৰে, ক'ব নোৱাৰোঁ।

আমি যদিও কৈ থাকোঁ যে আমি প্ৰাকৃতিক সম্পদত চহকী, সেই প্ৰাকৃতিক সম্পদ কামত লগাবলৈ অসমীয়া মানুহৰ ক্ষুদ্ৰ এটা চাম বাদ দিলে কোনো থলুৱা লোকে চেষ্টা নকৰে। খিলঞ্জীয়া অসমীয়া ডেকাই খেতি-বাতি কৰিবলৈকো BORE হোৱাত তথাকথিত বাংলাদেশীয়েই অসমৰ কৃষি অৰ্থনীতি চলাই ৰাখিছে। খেতি কৰি, মাছ পুহিয়েই তেওঁলোকৰ বহুলোক লাখপতি হৈছে। এতিয়া আমাৰ হাতত আছে আমাৰ সাংস্কৃতিক সম্পদ। তাক ৰপ্তানি কৰা টান। আমাৰ মাজতে সেই সাংস্কৃতিক সম্পদ — বিহুগীত আৰু নাচ, আধুনিক পপ্ সংগীত, ভ্ৰাম্যমান গোষ্ঠীৰ নাটক— বিক্ৰী হৈ আছে। আনহাতে অনা-অসমীয়া ধনী মহাজন আৰু চৰকাৰৰ অনুগ্ৰহত সত্ৰীয়া নৃত্য বাচি আছে। নতুন প্ৰজন্মই অসমীয়া কিতাপ নপঢ়ে। আৰু তাৰে ক্ৰমবৰ্দ্ধমান একাংশই অসমীয়া পঢ়িবও নোৱাৰে, ক'বও নোৱাৰে। এতিয়া সাৰ্বভৌম অসমে এই ক্ষেত্ৰত কি কৰিব? অসমীয়া নাজানিলে গ্ৰে'নেড্ ফুটাই ভবলীলা সাং কৰিব নেকি?

এইবোৰ ধেমালিতে কোৱা কথা নহয়। আমি যদি নিজে অসমীয়া বুলি চিনাকী দিবলৈকে লাজ পাওঁ, তেনেহ'লে সাৰ্বভৌম ক্ষমতা কেনেবাকৈ হাতত পৰিলেও তাক যথাযোগ্যভাৱে ব্যৱহাৰ কৰাৰ ইচ্ছাশক্তি বা আগ্ৰহ আমাৰ হ'বনে?

অসমীয়া বিশ্বকোষৰ হুজুগত চল্লিশ লাখ টকা দান কৰা অসমীয়াই জাতীয় গৌৰৱৰ বাবেই সেই কাম কৰিছিল। এতিয়া বোলে আমাৰ জাতিটোৱেই ছিন্ন-ভিন্ন হৈ যাব ধৰিছে। তেন্তে ডিমাছা আৰু কাৰ্বি শৰণাৰ্থীসকলে আশ্ৰয়-শিবিৰত জীয়াতু ভুগি থকাৰ সময়ত আমাৰ হাতৰ মুঠি খোল নাখায় কিয়? এয়েই আমাৰ জাতীয়তাবোধৰ চৰিত্ৰ।

অথচ যিবোৰ দেশত জাতীয় ভাবত ভেঁজাল কম, আৰু জনসাধাৰণৰ অধিকাৰ স্বীকৃত, তাত সংগ্ৰাম কৰি জনসাধাৰণে ইতিপূৰ্বে উল্লেখ কৰা অমংগলীয়া শক্তি আৰু প্ৰভাৱ সমূহৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তুলিছে। আন্তৰ্জাতিক পুঁজিৰ বিশ্বায়নৰ বিৰুদ্ধে গঢ়ি উঠিছে নিপীড়িত, অতিষ্ঠ বিশ্বৰ জনগণৰ সংহতি।

অলপতে ফ্ৰান্সৰ পেৰিছ (পাৰি) চহৰত UNESCO ৰ এখন বিশ্ব-সন্মিলন বহিছিল বিভিন্ন দেশ আৰু গোষ্ঠীৰ সাংস্কৃতিক স্বকীয়তা ৰক্ষা কৰাৰ উদ্দেশ্যেৰে। তাৰ আগতে সন্মিলনৰ প্ৰতিনিধিসকলৰ মাজত দুবছৰ ধৰি দুৰ্বাদল তৰ্ক-বিতৰ্ক হৈছিল। সন্মিলনৰ শেষত ১৪৮ খন দেশে স্বদেশীয় সাংস্কৃতিক সম্পদ ৰক্ষাৰ বাবে চৰকাৰী ধন ব্যয় কৰাৰ আৰু হলিউডৰ ছবিৰ প্ৰচাৰত প্ৰয়োজন অনুসৰি লেকাম লগোৱাৰ সপক্ষে ভোট দিলে। বিৰোধিতা কৰা দুখন দেশ হ'ল আমে'ৰিকা (যাৰ চিনে'মা, ভিডিঅ', আদিৰ বিদেশী বজাৰ হেজাৰ বিজাৰ কোটি ডলাৰৰ!) আৰু আমে'ৰিকাৰ লেমটৌ ইজ্ৰায়ে'ল। ১৪৮ খন দেশৰ এই পদক্ষেপ সুস্থ সংস্কৃতিৰ ৰক্ষণাবেক্ষণৰ বাবে যে অতি প্ৰয়োজনীয়, সন্দেহ নাই। তাৰ পিছৰ পদক্ষেপ হ'ল প্ৰতি দেশৰ সাংস্কৃতিক সৃষ্টিশীলতা ৰক্ষা কৰা— "টাইটানিক" আৰু "প্ৰিন্সে'ছ ডায়েনা"ৰ দৰে অনুকৰণ বা প্ৰতিধ্বনি বন্ধ কৰা।

আজিৰ অসম, ২৪ অক্ট'বৰ, ২০০৫

সংযুক্ত মুক্তি বাহিনীৰ প্ৰতি এটি কাকুতি

আমাৰ ডেকা বয়সত বয়স্ক লোকৰ পৰামৰ্শ তিতিকি হ'লেও বিবেচনা কৰি চোৱাৰ প্ৰকৃতি এটা আমাৰ আছিল। কাৰণ আমি ভাবিছিলো, সকলো কথা আমি নাজানিবও পাৰোঁ। অৱশ্যে সাহিত্যৰ কথাত আমি তেওঁলোকক বিশ্বাসত 'লোৱা নাছিলোঁ। কিন্তু জীৱনৰ আন বিভিন্ন সকামত তেওঁলোকৰ কথাত গুৰুত্ব দিছিলোঁ। আজি-কালি যুৱকসকলৰ আত্মাভিমানে প্ৰচণ্ড ৰূপ ধৰিছে। 'মইহে ভুল কৰিছোঁ, তোমাৰ কি হ'ল' অথবা 'নিজৰ চৰ্খাত তেল দে, বুঢ়া' জাতীয় প্ৰতিক্ৰিয়াৰ ভয়ত বয়স্কসকলো সতৰ্ক হৈছে।

এতিয়া নিয়ম হৈছে প্ৰথমে পৰামৰ্শৰ পাত্ৰজনক 'জেক্ দি' অৰ্থাৎ তোষামোদেৰে বুৰাই তেওঁৰ কাণৰ পৰ্দা আৰু মনৰ অৰ্গল মুকলি কৰি ল'ব লাগিব। তেহে তেওঁ বিবেচনা কৰাৰ আশা আছে। বিশেষকৈ অসম আন্দোলনৰ সময়ত বহুদিন ধৰি এটা কথা ব্যাপক হাৰত প্ৰচাৰ কৰা হৈছিল— বয়স্কচামৰ সকলো দুৰ্নীতিত লুতুৰি-পুতুৰি, ডেকাসকলেহে অসমক উদ্ধাৰ কৰিব পাৰিব। তেতিয়াৰ পৰা ৰাজনীতিৰ ক্ষেত্ৰতো ডেকাসকলে বয়সীয়া চামক পাত্তা নিদিয়াই হ'ল। কিন্তু ৰাজনীতি শিল্প-সাহিত্যৰ দৰে বস্তু নহয়, ইয়াত অভিজ্ঞতাৰ মূল্য বেছি। সি যি নহওক, ৰীতিটো বদলিছে যেতিয়া সেইমতেই চলিব লাগিব।

সেয়ে অৰবিন্দ ৰাজখোৱা আৰু পৰেশ বৰুৱাক পৰামৰ্শ দিয়াৰ ধৃষ্টতা নকৰি বিনম্ৰভাৱে তুতি-নতি কৰি ক'ব খুজিছোঁ ঃ

"হে স্বাধীন অসমৰ ভৱিষ্যত স্বৰ্গদেউসকল ঃ ঔপনিবেশিক শোষণৰ পৰা অসমীয়া জাতিক উদ্ধাৰ কৰিবলৈ আপোনালোক অৱতীৰ্ণ হৈছে। আপোনালোকৰ অতুলনীয় বীৰত্ব, মহানুভৱ ত্যাগ, অসাধাৰণ মানৱপ্ৰেম, কুশাগ্ৰ বুদ্ধি আৰু সাগৰসংকাশ হৃদয়ৰ কথা জগৎ জুৰি নিনাদিত হৈছে। আমাৰ দৰে কুকুৰধূলি জীৱই আপোনালোকক আৰু কি ক'ব পাৰোঁ? আপোনালোকৰ গুণ বখানি কাকতত দীঘল নিবন্ধ লিখি শেষ কৰিব নোৱাৰি। চকু চৰহা চৰকাৰে নিদিয়েও।

তথাপি বন্দীয়ে চুলিৰ আগত জীউটো বান্ধি দুটিমান কথা নিবেদন কৰিবলৈ বিচাৰিছোঁ।

আপোনালোকৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ সঁহাৰিৰ অভাৱ অভাজনে লক্ষ্য নকৰা নহয়। হয়তো অসমৰ সাংসদ ড° মনমোহন সিঙক কোনোবা লাঠুৱাই বুজাইছে যে তেওঁহে অসমৰ আচলজনা স্বৰ্গদেউ ঃ দুই গোণামহৰ যুঁজত শিঙে-শিঙে ঠেকা খাই জুই ওলালে তাত আচৰিত হ'বলৈ একো নাই। কিন্তু সেই জুইত কোন বা কি পোৰে, সেইটো নিশ্চয় স্বৰ্গদেউসকলে বিবেচনা কৰা উচিত। আপোনালোকৰ বোমাৰুৰ নিপুণ বোমা-নিক্ষেপৰ ফলত ক'ৰবাত ৰহমৎ আলি আৰু ভদ্ৰাম বৰাও জোৱানৰ লগতে সিপুৰীয়া হয়। উলুৰ সংগত থাকিলে অৱশ্যে বগৰীও পোৰে। সেয়ে নিমাখিত মানুহে পোন্ধৰ আগষ্ট আৰু ছাব্বিশ জানুৱাৰীৰ আগে আগে য'ত পুলিচ চি-আৰ-পি থাকে তাৰপৰা যোজন দূৰত্বত স্থিতি ল'ব লাগে। কিন্তু সেইবোৰ নিমাখিত শ্ৰমজীৱী মানুহক কোনে বুজাব পাৰে? সিহঁতে পেটৰ তাড়নাত বজাৰ, জনবহুল ৰাস্তা আদিৰ কাষে-কাষে থাকিবই। আৰু তাতেই জোৱানবিলাক সদলবলে ৰৈ আপোনাসবৰ পৰাক্ৰমক তাচ্ছিল্য কৰে। সিহঁতে ভাবি নাচায় যে গ্ৰে'নেড্, বোমা আদিয়ে ওপৰৱালা অফিচাৰকে চালাম নিদিয়ে, তলৰ মহলাৰ আৰক্ষীক ক'ত ৰেহাই দিব? সেয়ে বোমা-গ্ৰে'নেড্ নিক্ষিপ্ত হৈ আপোনালোকৰ সুনাম উজ্বলাই তোলে আৰু তাহানিৰ মৈদামত লগুৱা-লিক্চৌৱেও স্বৰ্গযাত্ৰা কৰাৰ দৰে আজিও স্বৰ্গদেউসকলৰ গৌৰৱৰ বাবে সাধাৰণ কাঁড়ী পাইকৰ নিচিনা কাম কৰি খোৱা বনুৱা-হজুৱা, কেৰাণী-মহৰীয়েও বাধ্যতামূলকভাৱে ইহসংসাৰ ত্যাগ কৰে। বাটে-ঘাটে দখলদাৰী বাহিনীৰ অসংখ্য চে'কিঙৰ কথা নক'লোৱেই বা।

দালাল চৰকাৰৰ নিয়ম হৈছে দালাল চৰকাৰৰ ভুল বা গাফিলতিৰ বাবে কাৰো অপঘাত মৃত্যু হ'লে পৰিয়ালক পাঁচ হেজাৰৰ পৰা পাঁচ লাখ টকালৈ (মানুহ চাই) ক্ষতিপূৰণ দিয়া হয়। এই ছিষ্টে'মটো আপোনালোকেও প্ৰৱৰ্তন কৰা ভাল হ'ব। কাৰণ আমাৰ স্বয়ম্ভু স্বৰ্গদেউসকলে আপোনালোকৰ বোমাত নিহতসকলৰ পৰিয়ালৰ দায়িত্ব নলয়। সেয়ে স্বাধীন অসমৰ ভাবী স্বৰ্গদেউসকলেই ব্যৱস্থাটো কৰিলে দৈৱক্ৰমে শ্বহীদৰ শাৰী পুৰোৱাসকলৰ পৰিয়ালৰ মুখলৈ পানী আহিব। তাতোকৈ ভাল হয় যদি সাধাৰণ নাগৰিকেৰে জনাকীৰ্ণ ঠাইত বোমা দলিওৱা বা পোতা দয়া কৰি বন্ধ কৰে।

তদুপৰি বন্দীৰ আৰ্জি এয়ে যে বিজুলি শক্তি উৎপাদন কেন্দ্ৰ, তেল বাহী পাইপলাইন, শোধানাগাৰ আদিক লক্ষ্যস্থল কৰি নল'লে অসমৰ ক্ষতি নহয়, কিছু লাভহে হ'ব। তাত কৰ্মৰতসকলৰ মাজত দখলদাৰী ভাৰতীয় আছে যদিও খিলঞ্জীয়া লোকৰ সংখ্যাও বৰ তাকৰ নহয়। তেওঁলোকৰ পৰিয়ালৰ পোহ-পালৰ ভৰসা থাকিলে অসমৰ কোনো বিপদ নহয়, এনেয়ে চাকৰি-বাকৰি এতিয়া দুষ্প্ৰাপ্য, অতএব অতি মহাৰ্ঘ্য। কঠালগুৰিত আপোনাসবৰ বীৰত্বপূৰ্ণ আক্ৰমণৰ ফলত বিজুলি উৎপাদনত বিজুতি ঘটি আমাক নাকনি-কাণনি কৰিছে। ৰাতি এন্ধাৰে-মুন্ধাৰে খেপিয়াই ফুৰি আমি জখম হৈছোঁ। আমাৰ ল'ৰা-ছোৱালীয়ে পৰীক্ষাৰ বাবে পঢ়া-শুনা কৰিব নোৱাৰা হৈছে। হাস্পতালত সংকটাপন্ন ৰোগীৰ বিপদ ঘনীভূত হৈছে। অসমীয়া ডেকাৰ উদ্যোগ-ব্যৱসায়ত বিস্তৰ ক্ষতি হৈছে। আমি শুনি সন্তোষ পাইছোঁ যে আপোনাসৱে দখলদাৰী ঔপনিবেশিক উদ্যোগৰ পৰা পাঁচশ কোটি টকা আদায় কৰিবলৈ বিচাৰিছে। সেই টকা ৰাজকাৰ্যতহে খৰচ হ'ব। বোমাৰ আঘাতত প্ৰাণ যোৱা, ঠেং ছিঙা, বা হাত হেৰুৱা আমাৰ লোকসকলে তাৰ ভাগ আশা কৰাটো স্পৰ্দ্ধাৰ চিন হ'ব। কিন্তু তেওঁলোকৰ ভৱিষ্যত কি হ'ব, আৰু বিজুলি উৎপাদন, তেল উৎপাদনত ব্যাঘাত ঘটিলে দখলদাৰী ভাৰতীয়ৰ লগতে উলুৰ লগত বগৰী পোৰা যোৱা অসমীয়া সামান্যজনৰ কি দশা হ'ব, সেই কথাও স্বৰ্গদেউসকলে গমি চালে ৰাইজ ৰক্ষা পৰে। অসম স্বাধীন হ'লে নিশ্চয় তেওঁলোকৰ নামত স্মৃতিসৌধ হ'ব। কিন্তু এতিয়া তেওঁলোকৰ তথা পৰিয়ালৰ কি হ'ব, বুজিবলৈ আমাৰ আক্কেলৰ অভাৱ।

অসম স্বাধীন হ'লে আপোনালোকক তেল শোধনাগাৰ, তেলবাহী পাইপলাইন, বিদ্যুৎ উৎপাদন কেন্দ্ৰ নালাগিব জানো? কৰ্মসংস্থানৰ সমস্যা সেইবোৰৰ অবিহনে আৰু বিষম হ'ব। উদ্যোগীকৰণ আৰু উন্নয়নৰ অৱস্থাও তথৈবচ হ'ব। সন্দেহ নাই ঔপনিবেশিক দখলদাৰী ভাৰতেও অসমৰ উদ্যোগীকৰণ, কৰ্মসংস্থান, উন্নয়নৰ কথা বেছি নাভাবে। কিন্তু আপোনালোকৰ সুদীৰ্ঘ, বীৰত্বপূৰ্ণ, নিঃস্বাৰ্থ, দেশপ্ৰেমিক সংগ্ৰামৰ পৰা দেশৰ যি গৌৰৱ হৈছে, তাৰ লগতে দেশৰ মানুহৰো কিছু উপকাৰো হ'লে ভাল আছিল। কিবা দায়দোষ হ'লে স্বৰ্গদেউসকলে নিজগুণে মৰষিব। শতকোটি প্ৰণাম সহ আপোনাসবৰ চৰণৰ ধূলি/শ্ৰী সামান্যজন।

অসমীয়া প্ৰতিদিন, ২৫ জানুৱাৰী, ২০০৬

শান্তি আলোচনা আৰু তাৰ গতিপথ

এই শিতানতেই মই বহু দিন আগতে ৰগৰ কৰি লিখিছিলো যে আলোচনা দুবিধ— এবিধক 'আলুচনা' বুলি ক'ব পাৰি, অৰ্থাৎ ঢোলে-দগৰে গৈ দিল্লীৰ কোনোবা আমিৰ-ওমৰাহক লগ ধৰা আৰু সেই বিষয়ে সংবাদদাতা বা টিভিৰ আগত মুখেৰে ফট্‌কা ফুটাই উৎসৱ কৰা। দেখা গৈছে যে এনে 'আলুচনা'ৰ পৰা বিশেষ একো লাভ নহয়। দ্বিতীয়বিধ হৈছে খাঁটি, গহীন আৰু গভীৰ আলোচনা। এইবিধৰ বিষয়ে সাধাৰণতে বিশেষ প্ৰচাৰ নহয়। আলোচনাকাৰীসকলো প্ৰচাৰৰ পৰা আঁতৰত থাকে। জনাবুজা সকলেও সেই সম্পৰ্কে মুখ নোখোলে। এতিয়া দেখা গৈছে যে বোধহয় ভাৰত চৰকাৰ আৰু আলফাৰ মাজত আলুচনাৰ প্ৰতিহে আগ্ৰহ বেছি! 'আলুচনাকাৰী'সকলে, চৰকাৰীয়েই হওক বা আলফাপক্ষীয়েই হওক, ৰাইজৰ কাণত তলা লগোৱাকৈ বিবৃতি আৰু সাক্ষাৎকাৰৰ বন্দুক ফুটাই আছে। মাজে মাজে একোটা বোমাও ফুটে। যেনে — চৰকাৰে কয় যে হিংসা এৰিলো বুলি খত লিখি দিব লাগে। আনহাতে আলফায়ো কয় যে সাৰ্বভৌমত্বৰ বিষয়ে আলোচনা কৰিব বুলি চৰকাৰে লিখি দিব লাগিব। এই হুলস্থূলৰ মাজত আচল আলোচনা আৰু আগনাবাঢ়ে। তেতিয়া আকৌ এচামে আলোচনা নহ'ল বুলি বুকুত ভুকুৱাই কান্দিবলৈ ধৰে, আন এচামে 'কেনে মজা, আলোচনা নহ'ল!' বুলি কিৰিলি পাৰি হাঁহে। কথা-কাণ্ড দেখি আলোচনালৈ আশা পালি থকা ৰাইজৰ চকু নেমুটেঙাৰ সমান হয়। এই নাটকখন আৰু কিমান দিন চলিব বুলি মনে মনে উদ্বেগ অনুভৱ কৰে। আলোচনাৰ অৰ্থ দুই পক্ষৰ বাবেই বেলেগ। আলফাই ভাবিছে যে তেওঁলোকে য'তে-ত'তে বিস্ফোৰণ ঘটাই, মানুহ-দুনুহ মাৰি দেখুৱাব খোজে যে তেওঁলোকক বাধা দিয়াৰ শক্তি চৰকাৰৰ নাই। অতএব তেওঁলোকৰ দাবী নীতিগতভাৱে মানি লৈ চৰকাৰে শান্তিৰ বাবে আলাপ-আলোচনা কৰিব লাগে। আকৌ চৰকাৰে ভাবে যে ভুটানত আলফাৰ

প্ৰধান ঘাটি বিধ্বস্ত কৰি তেওঁলোকৰ কেইবাজনো শীৰ্ষস্থানীয় নেতাক কৰায়ত্ত কৰি চৰকাৰে আলফাৰ মেৰুদণ্ড ভাঙি দিছে। এতিয়া আলফাই ভাল ল'ৰাৰ দৰে আলোচনাত বহি চৰকাৰৰ পৰা যৎসামান্য দান-দক্ষিণা লৈ সন্তুষ্ট হ'ব লাগে। কোৱা বাহুল্য যে এনেধৰণৰ এটা দৃষ্টিভঙ্গীৰে যথাৰ্থ আলোচনা কেতিয়াও হ'ব নোৱাৰে। দুয়ো পক্ষই দুয়ো পক্ষৰ বাধ্যবাধকতা, ক্ষমতাৰ সীমাবদ্ধতা আদি আৰু অৱস্থানৰ যুক্তিযুক্ততা মানি নল'লেও উপলব্ধি কৰিব লাগিব। আৰু আলোচনাৰ বাটত থকা তেনে হেঙাৰ সযত্নে পৰিষ্কাৰ কৰি ল'ব লাগিব। প্ৰচাৰৰ মোহ বা মুনাফা দুয়ো পক্ষই কঠোৰভাৱে বৰ্জন কৰিব লাগিব। ত্যাকে নকৰি ৰাজহুৱা মঞ্চত তৰ্জন-গৰ্জন কৰি থকাটো শাসক গোষ্ঠী আৰু বিদ্ৰোহী দলৰ নেতৃবৃন্দৰ বাবে যিমানেই লাভজনক নহওক, ৰাইজৰ বাবে তাৰ ফলাফল পানীৰ মিঠৈতকৈ বেছি মূল্যৱান নহ'ব। চৰকাৰে আলফাৰ দাবীৰ অন্তৰালত যে অসমৰ ৰাইজৰ কিছু ন্যায়সংগত দাবী আছে সেইটো হৃদয়ংগম কৰিব লাগিব আৰু তাক যথাসাধ্য স্বীকৃতি দিব লাগিব। আনহাতে আলফায়ো উপলব্ধি কৰিব লাগিব যে সাৰ্বভৌমত্ব মনমোহন সিঙে পকেটত লৈ নুফুৰে যে খুজিলেই তেওঁ দি দিব পাৰে। সাংবিধানিক সমস্যাৰ উপৰি ৰাজহুৱাকৈ এনে এক দাবী মানি ল'লে তেওঁৰ দলৰ চৰকাৰৰ ক্ষমতাচ্যুতিৰ সম্ভাৱনা বহুত। সেয়ে যদি দুয়োপক্ষই অসমৰ ৰাইজক ভুৰুকিয়াব খোজা নাই, তেনেহ'লে ৰাজহুৱা অভিনয় আৰু তৰ্জন-গৰ্জন বাদ দি দুয়োপক্ষৰ প্ৰতিনিধিয়ে গুপুতে, অখণ্ড নীৰৱতাৰ মাজত আলোচনা চলোৱা ভাল।

এইক্ষেত্ৰত আলফাৰ সামৰিক শক্তিৰ নেতৃত্ব দিয়া পৰেশ বৰুৱাৰ অৱস্থান তাৎপৰ্যপূৰ্ণ বুলি বুজা গৈছে। তেওঁৰ একো একোটা উক্তিয়ে কেতিয়াবা আলোচনা স্তব্ধ কৰি দিছে, কেতিয়াবা, আকৌ আলোচনাৰ গাড়ীখন বোকাৰ পৰা তুলি আকৌ ঢেৰ্-ঢেৰ্ কৰি চলাই দিছে।

এই পৰেশ বৰুৱাক কেন্দ্ৰ কৰিয়েই ভাৰত চৰকাৰৰ নানাধৰণৰ পৰিকল্পনা আৰু কৰ্মৰাজি চলি আছে। তেওঁলোকে গোপনে পৰেশ বৰুৱাৰ লগত যোগাযোগ কৰিবলৈ চেষ্টা কৰিছেনে নাই মই নাজানো। পৰিচিত ব্যক্তিয়ে ম'বাইলযোগে তেওঁৰ লগত হোৱা কথা-বতৰা বৰ বেছি গুৰুত্বপূৰ্ণ নহয় এই কাৰণেই যে বহুতো গোপন আৰু জটিল কথা এনেধৰণে আলোচনা কৰিব নোৱাৰি। পৰেশ বৰুৱাই ম'বাইলযোগে কিছুমান ব্যক্তিৰ আৰু

সংবাদপত্ৰৰ প্ৰতি যিবোৰ মতামত পঠাই থাকে সেইবোৰো একধৰণৰ কূটনৈতিক (Diplomatic) উক্তি। তেওঁৰ অজস্ৰ উক্তিৰ ভিতৰত দুটামানহে বিশেষ গুৰুত্বপূৰ্ণ। সেইবোৰ বিষয়েও খুটি-নাটি আলোচনাৰ বাবে ম'বাইল ফোন উপযুক্ত মাধ্যম নহয়। গতিকে পৰেশ বৰুৱা, অৰবিন্দ ৰাজখোৱা আৰু বৰ্তমান কাৰাগাৰত থকা বন্দী নেতাসকলক একত্ৰিত কৰিহে চৰকাৰে তেওঁলোকৰ পৰা এটা সংহত মত পাব পাৰে। কিন্তু সেইখিনি কাম কৰিবলৈকো প্ৰচুৰ অসুবিধা। প্ৰথমতে কাৰাবন্দীসকলক মুক্ত কৰিলে ১৯৯১ চনৰ দৰে তেওঁলোক আকৌ পলাই নাযাব বুলি কোনেও ভাৰসা দিব নোৱাৰে। দ্বিতীয়তে পৰেশ বৰুৱাৰ প্ৰতি চৰকাৰৰ মনোভাব কি, কথাটো স্পষ্ট নহয়। খুব সম্ভৱ পৰেশ বৰুৱাৰ অনমনীয়তাৰ বাবে ভাৰত চৰকাৰে তেওঁক হত্যাই কৰিব খোজে। ভূটান অভিযানৰ পূৰ্বে তিনিবাৰকৈ আততায়ীৰ আক্ৰমণত্ পৰেশ বৰুৱা নিহত হৈছে বুলি প্ৰচাৰ কৰা হৈছে। কোনো সাংবাদিকৰ পৰা এই খবৰ পোৱা হোৱা নাছিল। এবাৰ Assam Rifles ৰ মুখপাত্ৰ এজনে কৈছিল যে ঢাকাত এখন ৰেস্তোৰাঁত চাহ খাই থাকোতে এদল দুৰ্বৃত্তই অতৰ্কিতে আহি পৰেশ বৰুৱাক হত্যা কৰে। কেইমাহমান পিচত আৰু এবাৰ BSF ৰ এজন অধিনায়কে সংবাদমেল পাতি জনাইছিল যে আলফাৰ মিত্ৰ বাহিনী পাহাৰী জনগোষ্ঠীৰ সশস্ত্ৰ দল এটাৰ লগত বিবাদ হোৱাৰ ফলত এদল সশস্ত্ৰ সৈনিকে মটৰ চাইকেলেৰে আহি থাকোতে পৰেশ বৰুৱা আৰু তেওঁৰ লগৰীয়াবিলাকক হত্যা কৰে। কেইমাহমান পিচত তৃতীয়বাৰ ভাৰতীয় সেনাবাহিনীৰ এজন মুখপাত্ৰই আলফাৰ নেতৃত্বৰ মাজত হোৱা দলাদলিৰ ফলত সংগঠনৰে এচাম বিদ্ৰোহীয়ে পৰেশ বৰুৱাক হত্যা কৰা বুলি ঘোষণা কৰিছিল। তিনিওবাৰেই এই বাতৰি মিছা বুলি পৰেশ বৰুৱাই সকলো সংবাদপত্ৰক নিজে টেলিফোন কৰি জনাইছিল।

এই তিনিটা ঘটনাৰ পৰা সন্দেহ হয় যে ভাৰত চৰকাৰৰ কমাণ্ডোৱে বাংলাদেশত গোপনে, আৰু পৰেশ বৰুৱাৰ নিৰাপত্তা-ব্যূহ ভেদ কৰি, তেওঁক হত্যা কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু তিনিওবাৰেই বিফল হৈছিল। আলফাৰ গুপ্তচৰ বিভাগ যিমানেই শক্তিশালী নহওক, ভাৰত চৰকাৰৰ RAW আদি সংস্থাৰ চক্ৰান্ত প্ৰতিহত কৰাৰ সমান ক্ষমতা আলফাৰ গুপ্তচৰ বিভাগৰ আছে বুলি মানি ল'ব নোৱাৰি। উল্লেখযোগ্য যে ভূটান অভিযানৰ কোনো

আগতীয়া শুংসূত্ৰ আলফাৰ নেতৃত্বই পোৱা নাছিল। অথচ ভূটান চৰকাৰৰ লগত আলফাৰ ঘনিষ্ঠ যোগাযোগ আছিল। সেয়ে আমাৰ বিশ্বাস যে C.I.A. ৰ দ্বাৰা পৰেশ বৰুৱা সুৰক্ষিত। এই পৰিস্থিতিত পৰেশ বৰুৱাই নিজে I.S.I. ৰ পৰামৰ্শ নোলোৱাকৈ কিমানদূৰ আগবাঢ়িব পাৰে সিও সন্দেহৰ বিষয়। উল্লেখযোগ্য যে কাৰগিল যুদ্ধৰ সময়ত যেতিয়া ভাৰত-পাকিস্তানৰ যুদ্ধ হৈছিল তেতিয়া কাশ্মীৰৰ মুক্তি সংগ্ৰামত অংশ ল'বলৈ অৰবিন্দ ৰাজখোৱাই অসমৰ যুৱকসকলক আহ্বান কৰিছিল। এতিয়া উত্তৰ-পূব ভাৰত সম্পৰ্কে I.S.I. তথা বাংলাদেশক উগ্ৰ ৰক্ষণশীল আৰু ধৰ্মান্ধ ৰাজনীতিবিদচামৰ যি দৃষ্টিভংঙ্গী আৰু আঁচনি তাৰ প্ৰতি আলফাৰ মনোভাব কেনেকুৱা সেইটো এটা অস্পষ্ট বিষয় হৈ আছে। বিশেষকৈ অনা-অসমীয়া ভাৰতীয়ক হত্যা কৰি বাংলাদেশী অনুপ্ৰৱেশকাৰী সম্পৰ্কে মুখেৰে একো নামাতা আলফাক I.S.I. য়ে কিমানদূৰ প্ৰভাৱিত কৰে, সেইটো অস্পষ্ট বা অজ্ঞাত হৈ আছে। ম'বাইলযোগে এই জটিল প্ৰশ্নৰ উত্তৰ পোৱা নাযায়।

কেন্দ্ৰত ক্ষমতাসীন ভাৰত চৰকাৰৰ প্ৰতি অসমীয়া মানুহৰ এটা ন্যায়সংগত ক্ষোভ আছে। কাৰণ ভাৰতৰ অন্যান্য কিছুমান অঞ্চলৰ উন্নতিৰ বাবে প্ৰাণপণে কষ্ট কৰা কেন্দ্ৰীয় চৰকাৰে অসমত উন্নয়নৰ বাবে সামান্য চেষ্টাও কৰা নাই। টকা কিছু নপঠিওৱা নহয়। কিন্তু সেই টকা সাত-ভূতে লুটি-পুটি শেষ কৰিলেও কেন্দ্ৰীয় চৰকাৰৰ গা নলৰে। মাজে মাজে মাত্ৰ একোটা ঢেৰেকনি মাৰে। এইটো দেখা গৈছে যে কেন্দ্ৰীয় চৰকাৰৰ অতপালিৰ বিৰুদ্ধে সংগ্ৰাম কৰি দক্ষিণ ভাৰতৰ কিছুমান ৰাজ্যই কিছু পৰিমাণে অৰ্থনৈতিক উন্নতি কৰিছে। অৱশ্যে সেইবোৰ ৰাজ্যত গণতান্ত্ৰিক আধুনিক সংস্কৃতিৰ বিকাশ বাধাগ্ৰস্ত। জয়াললিতাৰ কাণ্ড-কাৰখানা তাৰ প্ৰকৃষ্ট প্ৰমাণ। কিন্তু অসমত এপিনে স্বৰ্গদেউ আনপিনে মহন্তদেউৰ পৰাক্ৰমত অৰ্থনৈতিক উন্নতিও হোৱা নাই আৰু গণতান্ত্ৰিক সাংস্কৃতিক বিকাশো দুৰ্বল। এনেস্থলত বৰ্তমান ৰাষ্ট্ৰৰ প্ৰতি একাংশ যুৱক-যুৱতী হতাশ হোৱাটো একো আচৰিত কথা নহয়। আৰু সেয়ে আলফাৰ উৎপত্তিও কোনো আচহুৱা কথা নহয়। কিন্তু আলফা বা তাৰ সমৰ্থকে যিবোৰ যুক্তি-তৰ্ক আগবঢ়াইছে, সেইবোৰো এক মনেসজা ইতিহাসৰ ওপৰত নিৰ্ভৰশীল। উদাহৰণস্বৰূপে আলফাই কয় যে অসমখন ১৮২৬ চনত ব্ৰিটিছে বেদখল কৰিলে আৰু তাৰ পিচত ভাৰতে বেদখল কৰিলে। কিন্তু

আচল সত্যটো হৈছে এয়ে যে বৰ্তমানৰ ভাৰত আৰু পাকিস্তানৰ সকলো অঞ্চল বিভিন্ন সময়ত ব্ৰিটিছে বেদখল কৰি তাৰ ভিত্তিত ভাৰত সাম্ৰাজ্য(Indian Empire) গঠন কৰিছিল। ব্ৰিটিছৰ দিনত এই ভাৰত সাম্ৰাজ্যৰ ভিতৰৰে বহুত অঞ্চলত নৱযুগৰ পৰশত একোটা নতুন জাতি গঢ়ি উঠিছিল। যদিও এইবোৰ জাতিৰ একোটা থলুৱা ঐতিহ্য নথকা নহয়, তথাপি নৱযুগৰ প্ৰভাৱতহে সেই থলুৱা ঐতিহ্যৰ ভিত্তিতহে অসমীয়া, বঙালী, মহাৰাষ্ট্ৰীয় আদি জাতি গঢ়ি উঠিছিল। অথচ আলফাই এনে যুক্তি দিয়ে যেন হেজাৰ হেজাৰ বছৰ ধৰি অসমীয়া বুলি এটা জাতি আছিল আৰু বৰ্তমান অসমৰ সীমাৰ ভিতৰত সেই জাতিয়ে আধিপত্য কৰিছিল। ভাৰত সাম্ৰাজ্যৰ ভিতৰত স্বাধীনতা সংগ্ৰামৰ যোগেদি যি জাতীয় ঐক্য গঢ়ি উঠিছিল তাত অসমীয়া, বঙালী, তামিল আদি বিভিন্ন নতুনকৈ গঢ় লোৱা জাতি জড়িত হৈছিল। এই পটভূমিত অসম বেলেগে স্বাধীন হোৱাৰ কোনো প্ৰশ্ন নুঠে। কিন্তু নতুন ভাৰত ৰাষ্ট্ৰৰ ভিতৰত অসম আৰু অসমীয়াই যাতে সমান মৰ্যাদা আৰু প্ৰভাৱ অৰ্জন কৰিব পাৰে সেইটোহে প্ৰত্যেকজন আত্মসন্মান থকা অসমীয়াৰ লক্ষ্য হোৱা উচিত। আত্মসন্মান আৰু সমান অধিকাৰ নিবিচৰা প্ৰতিজন অসমীয়াকে দেশদ্ৰোহী বুলিব পাৰি। কিন্তু সেইখিনি অৰ্জন কৰিবৰ কাৰণে অসমক স্বাধীন কৰাৰ প্ৰয়োজন নাই। প্ৰয়োজন থাকিলেও ভাৰতৰ অন্তৰ্ভুক্ত হৈ থকাৰ সপক্ষে ইমান শক্তিশালী আৰু গধুৰ যুক্তি আছে যে কোনোমতেই স্বাধীনতা কাম্য বুলি ক'ব নোৱাৰি। গতিকে ভাৰতৰ ভিতৰতে আমি কিমানখিনি অধিকাৰ আৰু মৰ্যাদা অৰ্জন কৰিব পাৰো, তাৰ জোৰত কিমান উন্নতি কৰিব পাৰো, সেইটোহে আলোচনাৰ বিষয় হোৱা উচিত। আৰু তেনে আলোচনাত আলফাই হয়তো শতকৰা ৯৯ জন অসমীয়াৰ সমৰ্থন লাভ কৰিব। তাকে নকৰি বোমা-বাৰুদেৰে সদায় এক অস্থিৰ পৰিস্থিতি সৃষ্টি কৰি থাকিলে অসমীয়াৰতো কোনো উন্নতি নহ'বই, বৰং কেন্দ্ৰীয় চৰকাৰক স্বেচ্ছাচাৰৰ সুযোগহে দিয়া হ'ব। আজি আমাৰ সাধাৰণ অসমীয়া মানুহৰ ওপৰত কেন্দ্ৰৰ সেনাবাহিনী আৰু নিৰাপত্তা বাহিনীয়ে যি অমানুষিক অত্যাচাৰ কৰাৰ সুযোগ পাইছে তাৰ মূলতে আলফাৰ হঠকাৰী কাৰ্যকলাপ নাই বুলি ক'বলৈ টান। সেয়ে হঠকাৰী কাৰ্যকলাপ বৰ্জন কৰি আলফাই আলোচনাৰ টেবুলত অসমৰ অধিকাৰৰ হৈ সংগ্ৰাম চলোৱা যুগুত হ'ব। ইয়াৰ বাহিৰে আন সকলো

আলোচনাই নিস্ফল হ'বলৈ বাধ্য। শেষত পুনৰ দোহাৰো যে আলোচনাটো 'আলুচনা' নোহোৱাই ভাল।

বুলু গগৈ আৰু দুলু গগৈৰ হত্যা

প্ৰাপ্ত বাতৰি অনুযায়ী চি আই এছ এফৰ জনৈক এছিষ্টেণ্ট কমাণ্ডেণ্টে পূৰ্বৰ আখেজ পূৰাবলৈ বুলু আৰু দুলু গগৈক আলফা সজাই হত্যা কৰে। দুয়োজন যুৱকেই গেলেকীৰ সমাজ-সংস্কৃতিত বিশেষ অৱদান দিয়া পৰিশ্ৰমী আৰু উদ্যোগী যুৱক আছিল। কিন্তু চি আই এছ এফৰ এছিষ্টেণ্ট কমাণ্ডেণ্টজনে বৰ্তমান অসমৰ অস্বাভাৱিক পৰিস্থিতিৰ সুযোগ লৈ দুয়োকে শত্ৰু সৈনিকৰ দৰে হত্যা কৰে। এই কথা গুৰুতৰভাৱে আহত অথচ মৃত্যুৰ কবলৰ পৰা কোনোমতে সাৰি অহা তৃতীয় যুৱকজনৰ পৰা জনা গৈছে। আচৰিত নহয়, এইটোকে ভাৰত ৰাষ্ট্ৰৰ সাম্ৰাজ্যবাদী অত্যাচাৰ বুলি বহু লোকে ভাবিব পাৰে। কিন্তু দেখদেখকৈ এইটো হৈছে বৰ্তমান পৰিস্থিতিৰ সুযোগ লোৱা নিৰাপত্তা বাহিনীৰ এজন বিষয়াৰ ব্যক্তিগত অপকৰ্ম। সেই বিষয়াজনক ক্ষমা কৰাৰ প্ৰশ্ন নুঠে। তেওঁৰ এই অপৰাধৰ যথোচিত শাস্তি হোৱা উচিত। এনে অপকৰ্ম আৰু কোনো কোনো বিষয়ায়ো কৰিছে, তাত কোনো সন্দেহ নাই। কিন্তু সেইটো ঘাইকৈ সম্ভৱ হৈছে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ প্ৰত্যক্ষ ফল হিচাপে সেনা আৰু নিৰাপত্তা বাহিনীয়ে লাভ কৰা স্বৈৰতন্ত্ৰী ক্ষমতাৰ পৰা। গণতান্ত্ৰিক দেশৰ নাগৰিকৰ বিৰুদ্ধে সেনাৰ হাতত স্বৈৰতন্ত্ৰী ক্ষমতা কোনো যুক্তিতেই অৰ্পণ কৰিব নোৱাৰি। আৰু এই স্বৈৰতন্ত্ৰৰ ওপৰত কাৰ্যকৰীভাৱে লেকাম লগোৱা উচিত। ঘটনা হৈ যোৱাৰ পিছত ন্যায়িক তদন্ত, ক্ষতিপূৰণ অথবা ক্ষমা-প্ৰাৰ্থনাৰ একো মূল্য নাই। এনেবোৰ ঘটনা ঘটিবলৈ দিবই নালাগে। কিন্তু বহিৰাগত নিৰীহ শ্ৰমিকক হত্যা কৰা ইত্যাদি সন্ত্ৰাসবাদী কাৰ্যকলাপৰ পৰিণামতহে যে এনে মৰ্মান্তিক ঘটনা ঘটে সেই কথাও পাহৰি যোৱা উচিত নহয়। চিন্তাশীলৰ তালুত শিল বা কিল মাৰিলেই এই প্ৰশ্ন নীৰৱ হৈ নাযায়।

আজিৰ অসম, ২৬ জুন, ২০০৭

দ্বিতীয় ছোৱা

(খ) সংঘাত আৰু আলোচনা

সন্মিলিত জাতীয় অভিব্ৰৰ্তন সম্পৰ্কে বিতৰ্কৰ দলিল

[ৰাষ্ট্ৰ হৈছে ৰাজনৈতিক ক্ষমতাৰ আনুষ্ঠানিক আৰু সুনিৰ্দিষ্ট ৰূপ দিয়া অনুষ্ঠান। এখন দেশৰ কোনো এচাম লোক যদি ৰাষ্ট্ৰৰ কাৰ্যকলাপত অতি বিতুষ্ট আৰু ক্ষুব্ধ হৈ পৰে, তেওঁলোকে তাৰ বিৰুদ্ধে বিদ্ৰোহ কৰে, —— হয় ৰাষ্ট্ৰক্ষমতা দখল কৰি তাৰ চৰিত্ৰ সলনি কৰিবলৈ, নহয় ৰাষ্ট্ৰৰ পৰা ফালি ওলাই নতুন ৰাষ্ট্ৰ গঠন কৰিবলৈ। অৰ্থাৎ প্ৰজা বা জনসাধাৰণৰ সন্মতিৰ ওপৰতে শেষ বিচাৰত ৰাষ্ট্ৰৰ অস্তিত্ব নিৰ্ভৰশীল। ৰাষ্ট্ৰৰ হাতত সশস্ত্ৰ শক্তি আছে, কিন্তু সি কেতিয়াও জনগণৰ প্ৰবল বিৰাগ আৰু ক্ষোভ উদ্ৰেক কৰা ৰাষ্ট্ৰৰ ৰক্ষাকবচ হ'ব নোৱাৰে। বিশ্বৰ জনমতো তাৰ প্ৰতি সদয় নহয়।

কিন্তু সকলো সংঘাতেই ৰাষ্ট্ৰৰ বিভাজন বা তাৰ মাজৰ পৰা নতুন স্বাধীন ৰাষ্ট্ৰৰ উত্থানৰ অনুকূল নহ'বও পাৰে। কেতিয়াবা বিভাজন বিচৰা সকলে তেওঁলোকৰ নিৰ্বাচিত ভূখণ্ডৰ জনমত একান্তভাৱে প্ৰভাৱান্বিত কৰিব নোৱাৰিব পাৰে, কেতিয়াবা সংগ্ৰামৰ বিফলতাই সমৰ্থকসকলৰ মাজত অনৈক্যৰ জন্ম দিয়ে। সেইদৰে ৰাষ্ট্ৰৰ চৰিত্ৰ সলাব খোজা সকলৰ উদ্যম প্ৰবল হ'লেও প্ৰভাৱ কেতিয়াবা সীমাবদ্ধ হৈ থাকে। তেনে পৰিস্থিতিত বিদ্ৰোহীসকলে উদ্দেশ্যহীন হিংসা চলাই থাকি কেতিয়াবা সমাজদ্ৰোহীলৈকো অধঃপতিত হৈ যায়।

সেয়ে সশস্ত্ৰ সংঘাতৰ জৰিয়তে সদায় জনসাধাৰণে সন্মুখীন হোৱা সমস্যাৰ অৱসান ঘটাব পৰা নাযায়। তেনে পৰিস্থিতিত বিবদমান দুই পক্ষই নিজৰ মূল উদ্দেশ্য আৰু ইচ্ছাৰ বিৰুদ্ধে আলাপ-আলোচনাৰ জৰিয়তে মীমাংসা বিচাৰিবলৈ বাধ্য হয়। এশ শতাংশই নিজৰ নিজৰ লক্ষ্য পূৰণৰ আশা আৰু নকৰে। এই পথ সম্পূৰ্ণ নেওচা দিয়া বাবেই এল-টি-টি-ইৰ দৰে অতি দুৰ্ধৰ্ষ শক্তি এটা অৱশেষত নিঃশেষ হৈ গ'ল। আনহাতে ইজ্ৰায়েলে নিজৰ স্থিতিৰ পৰা চুলিডালমানো আঁতৰি নহা বাবে বিশ্বৰ সহানুভূতি হেৰুৱাইছে।

ভাৰত ৰাষ্ট্ৰৰ স্বৰূপ কি হ'ব, ১৯৪৭ চনৰ পূৰ্বে স্বাধীনতা সংগ্ৰামৰ নেতা সকলৰ কোনো ধাৰণা নাছিল। ভাৰতীয় মানুহ ইংৰাজ, ফৰাচী আদিৰ দৰে এক অবিভাজ্য জাতিত পৰিণত হোৱা নাছিল। স্বাধীনতা সংগ্ৰামৰ যোগেদি বিভিন্ন প্ৰান্তৰ মাজত ঐক্য আৰু সংহতিৰ বিকাশ ঘটিলেও ভাৰতীয় জনগণৰ মাজত কেৱল বিভিন্নতাই নাছিল, বিভিন্ন আঞ্চলিক সত্তাও জাতীয় সত্তাৰ সমান্তৰালভাৱে বিকশিত হৈছিল। অৰ্থাৎ সংঘ-ৰাষ্ট্ৰই (Federal State) ভাৰতৰ বাবে উপযোগী ৰাষ্ট্ৰ-গাঁঠনি আছিল। কিন্তু তৎকালীন কেতবোৰ সমস্যাৰ হেঁচাত সংবিধান পৰিষদে ৰাষ্ট্ৰ-ক্ষমতাৰ কিছু প্ৰান্তীয় বিতৰণ (devolution) ঘটালেও কেন্দ্ৰৰ হাতত অধিক ক্ষমতা অৰ্পণ কৰাই নহয়, সংবিধানত উল্লেখ নকৰা অৱশিষ্ট সকলো ক্ষমতাই গচ্ছিত কৰিলে। স্বাধীনতাৰ পিছত ক্ৰমে উত্তৰ ভাৰতৰ একাংশ প্ৰতিপত্তিশালী লোকে নিজৰ ধ্যান-ধাৰণা অনুযায়ী সমগ্ৰ ভাৰত-ৰাষ্ট্ৰক একে সাঁচত গঢ় দিবলৈ চেষ্টা কৰিছিল।

তাৰ ফলত দক্ষিণ ভাৰতত হিন্দীক ৰাষ্ট্ৰভাষা স্বৰূপে আৰোপ কৰাৰ প্ৰতিক্ৰিয়াস্বৰূপে ভাৰতৰ পৰা বিচ্ছেদৰ আন্দোলন আৰম্ভ হৈছিল। কেন্দ্ৰীয় নেতৃত্বৰ সময়োচিত আত্মসংশোধনৰ ফলত হিন্দী প্ৰতিষ্ঠাৰ জবৰদস্তি বাতিল হ'ব আৰু বিচ্ছিন্নতাবাদী আন্দোলনৰ ওৰ পৰিল। কিন্তু নাগাভূমিত তেনে মীমাংসাৰ উপায় নোলাল —— প্ৰধানকৈ চুবুৰীয়া অন্যান্য দেশ আৰু পছিমীয়া ৰাষ্ট্ৰৰ গোপন উচটনিত। কাশ্মীৰত সাংঘাতিক ৰাষ্ট্ৰদ্ৰোহৰ উন্মেষ আৰু বিকাশ ঘটিল ক্ষমতাগৰ্বী কেন্দ্ৰৰ দীৰ্ঘকালীন হঠকাৰিতাৰ ফলত। পাকিস্তানৰ সহায়-সহযোগ তাত গুৰুত্বপূৰ্ণ হ'লেও প্ৰধান কাৰণ নহয়।

উত্তৰ-পূব ভাৰত, বিশেষকৈ অসমো স্বাধীনতাৰ পিছত বৈষম্যমূলক ৰাষ্ট্ৰ-গাঁথনিৰ পৰিণাম স্বৰূপে ক্ৰমে অৱহেলিত আৰু বঞ্চিত হৈ দুৰ্বল আৰু পিছপৰা ৰাজ্যত পৰিণত হ'ল। এই বিষয়ে সচেতনতা ষাঠিৰ দশকৰ পৰা ক্ৰমে সবল হৈ অসম আন্দোলনৰ সময়ত বিস্ফোৰিত ৰূপ ধাৰণ কৰে। বিদেশীৰ অবাধ প্ৰব্ৰজন এটা উপলক্ষহে আছিল। গভীৰভাৱে বিচাৰ কৰি চালে দেখা যাব যে অসমৰ সমস্যা ৰাষ্ট্ৰৰ নিজা সমস্যা বুলি নধৰা বাবেই আন্দোলনে এনে ব্যাপক আৰু প্ৰবল ৰূপ ধাৰণ কৰিছিল। আন্দোলনৰ সময়তেই এচাম যুৱকে সশস্ত্ৰ সংঘাতৰ জৰিয়তে অসমক স্বাধীন কৰিবলৈ সংযুক্ত মুক্তি বাহিনী গঠন কৰিছিল।

অসম আন্দোলনৰ ফলত অসম চুক্তি স্বাক্ষৰিত হ'ল আৰু অসম গণ-সংগ্ৰাম পৰিষদৰ চৰকাৰ শাসনাধীষ্ঠ হ'ল। কিন্তু মৌলিক পৰিস্থিতিৰ বিশেষ সালসলনি নঘটিল। অসমৰ মানুহে নিজা বিচাৰ-বিবেচনা, আৱেগ-অনুভূতিৰে নিজৰ মূল সমস্যাবোৰ সমাধান কৰাৰ ক্ষমতা নাপালে। ফলত সংযুক্ত মুক্তি বাহিনীৰ প্ৰভাৱ আৰু বল বাঢ়িল।

কিন্তু সংযুক্ত মুক্তি বাহিনীয়েও অসমৰ জনসমাজৰ অৱস্থা অধ্যয়ন নকৰি কেৱল সশস্ত্ৰ সংগ্ৰামেৰেহে কাৰ্যসিদ্ধি কৰিবলৈ বিচাৰি ভুকুতে কল পকাবলৈ গ'ল। সেই দুৰ্বলতাৰ সুযোগ লৈ কেন্দ্ৰই গোষ্ঠীগত বিভাজনত উচটনি দিলে আৰু অসমৰ জনসমাজৰ অনৈক্য বৃদ্ধি কৰিলে। সংযুক্ত মুক্তি বাহিনীৰ সমৰ্থক সকলে চাই থাকিল। আনহাতে সংযুক্ত মুক্তি বাহিনীৰ ৰাজনৈতিক হত্যাকাণ্ড সমূহেও ৰাইজক ক্ৰমে বীতশ্ৰদ্ধ আৰু বীতৰাগ কৰি তুলিলে। তদুপৰি ভাৰত ৰাষ্ট্ৰৰ সৈন্যবলকো সমুখ সমৰত পৰাস্ত কৰা বা গেৰিলা যুদ্ধৰে ব্যতিব্যস্ত ৰখা সম্ভৱ হৈ নুঠিল। ঘাইকৈ জনগণক ৰাজনৈতিকভাৱে শিক্ষিত, সংগঠিত, ঐক্যবদ্ধ নকৰাকৈ যুদ্ধত নমাই বিপৰ্যয়ৰ মূল কাৰণ।

প্ৰথম অৱস্থাত ৰাষ্ট্ৰৰ পিনৰ পৰাই আলোচনাৰ জৰিয়তে মীমাংসাৰ প্ৰস্তাৱ দিয়া হৈছিল। হিতেশ্বৰ শইকীয়াই আলোচনাৰ প্ৰস্তাৱ আগবঢ়াই সংযুক্ত মুক্তি বাহিনীৰ গ্ৰেপ্তাৰ হোৱা নেতাসকলক একোটাকৈ সোণৰ কলম উপহাৰ দিয়াৰ কথা আটাইৰে মনত থাকিব লাগে। কিন্তু সেই আলোচনাৰ সাৰমৰ্ম বিদ্ৰোহীসকলৰ আত্মসমৰ্পণৰ বাহিৰে আন একো নহয় বুলি প্ৰমাণিত হোৱাত স্বাভাৱিকতে সি বেছি দূৰ আগ নাবাঢ়িল। পিছৰ পৰ্যায়ত নৱৈ দশকৰ শেষভাগৰ পৰা সংযুক্ত মুক্তি বাহিনীৰ পিনৰ পৰাই সন্মানজনক আলোচনাৰ উদ্যোগ লোৱাৰ প্ৰমাণ চকুত পৰে। ২০০২ চনত সেইমৰ্মে সেনাধিনায়ক পৰেশ বৰুৱাই বাছি দিয়া পিচিজিৰ সদস্যসকলে আলোচনাৰ হকে কেন্দ্ৰৰ লগত মধ্যস্থতাৰ চেষ্টা চলায়। কিন্তু মামনি ৰয়ছম গোস্বামীৰ চেষ্টাত প্ৰধানমন্ত্ৰীয়ে হস্তক্ষেপ কৰা সত্বেও অজ্ঞাত কাৰণত সেই প্ৰচেষ্টাত যতি পৰে। সম্ভৱতঃ সাৰ্বভৌমত্বৰ ক্ষেত্ৰত আপোচ কৰা নহ'ব বুলি সংযুক্ত মুক্তি বাহিনী অটল হৈ থকা বাবেই সেই পৰিণাম ঘটিল।

শেহতীয়াকৈ এই গ্ৰন্থৰ প্ৰণেতাই আন দহজন বিশিষ্ট নাগৰিকক এখন

মঞ্চত একত্রিত কৰি যৌথ প্রচেষ্টাৰে আগবাঢ়িছে। এক সন্মিলিত জাতীয় অভিবৰ্তনে আনুষ্ঠানিক সিদ্ধান্ত লৈছে। সাৰ্বভৌমত্বৰ বিষয়ে আলোচনা হ'লেও সেইক্ষেত্রত এৰা-ধৰাৰ সম্ভাৱনা নুই কৰা হোৱা নাই।

অৱশ্যে চূড়ান্ত সিদ্ধান্ত ল'ব পাৰিব মুক্ত পৰিৱেশত অনুষ্ঠিত হোৱা সংযুক্ত মুক্তি বাহিনীৰ কেন্দ্ৰীয় কমিটিয়ে। এই প্ৰক্ৰিয়াৰ বিভিন্ন পৰ্যায়ৰ দলিল সমূহ পাঠকৰ সুবিধাৰ বাবে একত্রিত কৰা হ'ল। আলোচনাৰ লক্ষ্য আৰু চৰ্তাদি সম্পৰ্কে হোৱা তীব্ৰ বাদানুবাদ এইবোৰত প্ৰতিফলিত হৈছে।

মাজতে ১৯৯০ চনত প্ৰকাশিত মোৰ এক সাক্ষাৎকাৰ পুনৰ্মুদ্ৰণ কৰিছোঁ। বিছ বছৰে মোৰ অৱস্থান একেই আছে, প্ৰমাণ কৰিবলৈ।

শেষৰ'নিবন্ধটো ১৯৮৯ চনত Mainstream কাকতত প্ৰকাশ পোৱা ইংৰাজী নিবন্ধৰ অনুবাদ। ভাৰতীয় গণতন্ত্ৰৰ ত্ৰুটি আৰু দুৰ্বলতাই অসমক কেনেকৈ ক্ষতিগ্ৰস্ত কৰিছে তাৰ পুনৰ্গঠন কিয় দৰকাৰ, তাত ফঁহিয়াই দেখুৱা হৈছে। সংযুক্ত মুক্তি বাহিনীৰ প্ৰতি তেতিয়াই সঁকিয়নি দিয়া হৈছিল।]

সন্মিলিত জাতীয় অভিবৰ্তন (অসমৰ) উদ্দেশ্য ব্যাখ্যা

আজিৰ সন্মিলিত জাতীয় অভিবৰ্তনৰ নিমন্ত্ৰিত দল-সংগঠনৰ প্ৰতিনিধিবৃন্দ, অসমৰ বিভিন্ন অঞ্চলৰ বিশিষ্ট ব্যক্তিসকল অভিবৰ্ত্তনৰ মাননীয় উপদেষ্টা আৰু অতিথিসকল, সংবাদ মাধ্যম আৰু প্ৰচাৰ মাধ্যমৰ সদস্যসকল!

আমি তথা আজিৰ এই অভিবৰ্তনৰ আহ্বায়কমণ্ডলীয়ে আমাৰ আমন্ত্ৰণৰ প্ৰতি আপোনাসৱৰ উৎসাহী আৰু উৎসাহজনক সঁহাৰিক আমাৰ এই উদ্যোগটোৰ প্ৰতি আশীৰ্বাদ বুলি গণ্য কৰিছোঁ। যিহেতু এইটো আমাৰ প্ৰথম পদক্ষেপহে, আমি আশা কৰোঁ ভবিষ্যতেও আপোনালোকৰ সদিচ্ছা আৰু সহায়-সমৰ্থনে গন্তব্যস্থলত উপনীত হ'বলৈ আমাক অনুপ্ৰাণিত কৰি থাকিব।

অসমীয়া জাতি তথা অসমৰ জনসাধাৰণৰ এক সংকটমুহূৰ্তত আমি আজি সন্মিলিত হৈছোঁ। বহিঃশক্তিৰ নানা ঠেলা-হেঁচাত আমাৰ মাজৰ দুৰ্বলতাসমূহ অধিক প্ৰকট হৈ পৰিছে, আমি সেইবোৰ চম্ভালি ল'ব পৰা নাই। ১৯৭৯ চনত প্ৰচাৰিত হোৱা অস্তিত্বৰ সংকটে এতিয়াহে অনস্বীকাৰ্য ভীষণ ৰূপ ধাৰণ কৰিছে। সংযুক্ত মুক্তি বাহিনীৰ সংগ্ৰাম আৰু তাক দমন কৰিবলৈ চৰকাৰী চেষ্টা —— দুয়োটাই এই পৰিস্থিতি সৃষ্টি কৰাত অৱদান দিছে, হয়তো দুয়োপক্ষৰ ইচ্ছাৰ বিপৰীতে। সেয়ে আমাৰ সৰুসুৰা বিবাদ-বিভেদ জয় কৰি সম্প্ৰতি স্থবিৰ হৈ পৰা আলোচনা প্ৰক্ৰিয়াক আমি পুনৰ সঞ্জীৱিত কৰাৰ সংকল্প লওঁ আহক।

ইতিমধ্যে যোৱা তিনিটা দশকত সংযুক্ত মুক্তি বাহিনীৰ বাৰ হেজাৰ সদস্য আৰু ওঠৰ হেজাৰ অন্যান্য লোকৰ কৰুণ মৃত্যু ঘটিছে। সংঘাতত নিহত হৈছে বহু নিৰীহ লোক। দীপিলা চকত সেনাৰ গুলীত নিহত বৰযাত্ৰী কেইজন, প্ৰত্যক্ষ সংঘৰ্ষৰ নামত সন্দেহবশতঃ হত্যা কৰা গণ্ডা মানুহ, ধেমাজিৰ বোমা বিস্ফোৰণ, গুৱাহাটী, বঙ্গাইগাওঁ আদি চহৰত ২০০৮ চনত

বিভীষিকাময় নৰসংহাৰ আদি ঘটনাই অসমবাসীৰ কলিজা ঘনে-ঘনে কঁপাই গৈছে। বহু নিমাখিত পৰিয়ালৰ মাজলৈ নামি আহিছে অমানিশাৰ অন্ধকাৰ। দুৰ্ৰণিবটীয়া বহু অঞ্চলত মাহুৰ পিছত মাহ ধৰি সেনা আৰু নিৰাপত্তা বাহিনীৰ কঠোৰ দমননীতিয়ে থলুৱা ৰাইজৰ চকুৰ টোপনি কাঢ়ি নিছে।

এইবোৰ প্ৰত্যক্ষ বিপদতকৈ ভয়াবহ গুপুতে গুপুতে মৰুভূমিৰ দৰে আমাৰ জীৱন গ্ৰাস কৰা কেতবোৰ লক্ষণ। ক্ৰমে হিংসা, নিষ্ঠুৰতাৰ প্ৰতি বহুলোকৰ ভয়, সংকোচ, সংবেদনশীলতা লোপ পোৱাৰ ফলত দৈনিক অনেক খুচুৰা হত্যাকাণ্ড ঘটিবলৈ ধৰিছে। নাগৰিকৰ ব্যক্তি স্বাধীনতা আৰু দুৰ্বল হৈ পৰিছে। সম্ভাৱনাপূৰ্ণ নৱ-প্ৰজন্মৰ মাজত বিয়পি পৰিছে নৈতিক অৱক্ষয়ৰ কৰ্কট ৰোগ পৰিস্থিতিৰ দোষত। সামাজিক অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ আমি নৈতিক মনোবল হেৰুৱাই পেলাইছোঁ, কাৰণ পৰিস্থিতিয়ে অন্যায়কাৰীকহে ৰক্ষণাবেক্ষণ দিছে। এহাতে দুৰ্নীতি আৰু উন্নয়নৰ নামত দুৰ্নীতি আৰু লুণ্ঠনে অভিলেখ মাত্ৰা লাভ কৰিছে। আনহাতে সাধাৰণ ৰাইজে প্ৰচণ্ড মূল্যবৃদ্ধি, বানপানী, অভাৱনীয় জনগোষ্ঠীয় সংঘৰ্ষ বা উগ্ৰপন্থীৰ অত্যাচাৰত ত্ৰাহি-ত্ৰাহি সুঁৱৰিবলগীয়া হৈছে। এইবোৰ লক্ষণৰ নিৰাময় হ'বলৈ বহু দিন লাগিব। শান্তিৰ পৰিৱেশতহে সি সম্ভৱ। উল্লেখিত আলোচনা প্ৰক্ৰিয়া স্থবিৰ হৈ থাকিলে আৰোগ্য লাভৰ শক্তিয়েই আমি হেৰুৱাই পেলাম। আলোচনাৰ প্ৰয়োজন সংযুক্ত মুক্তি বাহিনীয়ে এক দশক পূৰ্বেই সৰ্বসন্মতিক্ৰমে মানি লৈছিল। তেওঁলোকে নানা ধৰণে সেই সদিচ্ছা প্ৰকাশ কৰিছে। চৰকাৰেও নানা সময়ত আলোচনাৰ প্ৰতি আগ্ৰহ দেখুৱাইছে। কিন্তু কাৰ্যক্ষেত্ৰত দেখা গৈছে যে নানাধৰণৰ সন্দেহ, সংশয় আৰু অবিশ্বাসে দুয়ো পক্ষৰ পৰা হঠাতে অনমনীয় কঠোৰ ভাষাত পূৰ্বচৰ্ত আৰোপ কৰি থকাৰ ফলত আলোচনা গতিৰুদ্ধ হৈছে।

এইক্ষেত্ৰত মামনি ৰয়ছম গোস্বামীৰ উদ্যোগত People's Consultation Group (চমুকৈ PCG)এ আলোচনাৰ পৰিৱেশ ৰচনাৰ চেষ্টা হাতত লোৱাটো এক ঐতিহাসিক অধ্যায় আছিল। জয়জয়তে স্বয়ং প্ৰধানমন্ত্ৰী প্ৰস্তুতিৰ পৰ্যায়ত উপস্থিত থাকি যথেষ্ট উৎসাহ সঞ্চাৰ কৰিছিল। কিন্তু ক্ৰমে চৰকাৰৰ আগ্ৰহ চেঁচা পৰি আহিল। পিচিজিৰ মাজতো কিছু বিবাদ-বিসম্বাদৰ উমান

ৰাইজে পালে। পৰিস্থিতিৰ বাবে কোন জগৰীয়া তাৰ আঁহ ফলা বিশ্লেষণ এতিয়া নিৰৰ্থক। কিন্তু তাৰ পৰা আমি ল'বলগীয়া শিক্ষা হৈছে এয়ে যে আমি ব্যক্তিগত দৃষ্টিভংগীক প্ৰাধান্য নিদি সন্মিলিতভাৱে, সুশৃংখলভাৱে আৰু সতৰ্কতাৰে সমবেত কণ্ঠৰে একে বক্তব্য প্ৰকাশ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিব লাগিব।

এটা কথা উদ্বেগজনক যে সংযুক্ত মুক্তি বাহিনীৰ নেতা সকলৰ লগত অনানুষ্ঠানিক যোগাযোগৰ ফলত আমি যি উদ্যোগ সদৰি কৰিলোঁ, তাক সন্দেহ, তাচ্ছিল্য আৰু বিভ্ৰান্তিকৰ প্ৰচাৰেৰে নাকচ কৰাৰ চেষ্টা নানা স্বাৰ্থজড়িত মহলে কৰি থকা ৰাইজৰ চকুতো ধৰা পৰিছে। সংযুক্ত মুক্তি বাহিনীৰ সেনাধ্যক্ষৰ এটা মন্তব্যক আধাৰ কৰি আমাৰ এই যৌথ প্ৰয়াসক গুৱাহাটীৰ পৰা প্ৰকাশিত এখন বাহিৰৰ কাকতে "হীৰেন" আৰু "পৰেশ" নামৰ দুই নিধকৰ আমোদজনক টুলুঙা বাক্‌যুদ্ধ বুলিহে প্ৰচাৰ কৰিলে। তদুপৰি অনাহক বিতৰ্কত আৰু কল্পনাপ্ৰসূত ধাৰণাত উচটনি দি প্ৰথম খোজতে এই প্ৰচেষ্টাক উজুটি খুৱাবলৈ কৰা চেষ্টা শুভবুদ্ধিসম্পন্ন ৰাইজৰ দ্বাৰা ধিকৃত হে হৈছে।

এটা কথা পুনৰ সকলোৰে আগত স্পষ্ট কৰি দিয়া দৰকাৰ। আমি আহ্বায়কবৃন্দ সংযুক্ত মুক্তি বাহিনী আৰু চৰকাৰ, কাৰো ঘনিষ্ঠ ব্যক্তি নহওঁ। আমি কাৰো পক্ষ লোৱাৰ প্ৰশ্ন নুঠে। আমি ৰাজ্যখনৰ দুৰ্দশাত উদ্বিগ্ন আৰু বিচলিত সচেতন নাগৰিক, যিসকলে আলোচনাৰ বাটৰ হেঙাৰ গুচাবলৈ এক সন্মিলিত জাতীয় প্ৰচেষ্টাৰ প্ৰয়োজনবোধ কৰিছোঁ। আশাৰ কথা সংযুক্ত মুক্তি বাহিনীৰ যি সকল নেতাই ওচৰৰ পৰা অসমৰ সাম্প্ৰতিক পৰিস্থিতি অধ্যয়ন কৰাৰ সুযোগ পাইছে তেওঁলোকে আমাক ভুল বুজা নাই। ন্যস্ত স্বাৰ্থ নথকা ৰাইজেও আমাৰ লগত অকুণ্ঠ সহযোগিতা কৰিছে। অকলে সাফল্যৰ মুখ দেখাৰ কোনো অতিৰঞ্জিত দাবী আমি কৰিব নোৱাৰোঁ। সংযুক্ত মুক্তি বাহিনীয়ে অসমৰ দুৰ্দশাগ্ৰস্ত শান্তিকামী ৰাইজক লগত লৈ আমাৰ প্ৰচেষ্টাত সঁহাৰি দিলেহে তাৰ সফলতাৰ আশা আছে। আৰু তেনেদৰেহে দিল্লী আৰু দিছপুৰৰ বিভিন্ন মহলৰ পৰা সময়ে সময়ে ওলোৱা বিভ্ৰান্তিকৰ পৰস্পৰ বিৰোধী উক্তি আৰু মতৰ জেং-জাবৰ গুচাব পৰা যাব।

সংযুক্ত মুক্তি বাহিনীৰ কোন কোন নেতাৰ এই প্ৰচেষ্টাৰ প্ৰতি সমৰ্থন আছে, কোন কোন তাৰ পৰা দূৰত আছে, সেইবোৰ কথাত বেছি মনোযোগ দিয়াৰ প্ৰয়োজন আমি বোধ কৰা নাই। তেওঁলোকৰ আভ্যন্তৰীণ সমস্যা তেওঁলোকেই সমাধান কৰিব লাগিব। কিন্তু ই ধ্ৰুপ যে অসমৰ গৰিষ্ঠ সংখ্যক সন্মিলিত ৰাইজৰ ঐকান্তিক ইচ্ছাৰ বিপৰীতে স্থিতি লৈ কোনেও অসমৰ জনমত প্ৰভাৱিত কৰিব নোৱাৰে।

শান্তি বিচৰাটো আমি লাজৰ কথা বুলি নাভাবোঁ। হয়, কেতিয়াবা শান্তি কাপুৰুষৰ আপোচৰ লক্ষণ হ'ব পাৰে। কিন্তু সাধাৰণভাৱে শান্তিৰ অৰ্থ এনে পৰিস্থিতি য'ত ঘৰৰ পৰা জীৱিকাৰ তাড়নাত ওলাই যোৱা খেতিয়ক, বনুৱা, ব্যৱসায়ী, শিক্ষক, কৰ্মচাৰীয়ে নিৰ্বিঘ্নে নিশ্চিন্তমনে পথাৰ, বজাৰ আৰু বিদ্যালয়লৈ যাব পাৰে, আকস্মিক ধুমুহাৰ দৰে সেনা বা নিৰাপত্তাবাহিনী গাঁৱত সোমাই গাঁৱৰ সন্মানীয় বুঢ়া-মেঠাক আঠু কঢ়াই কাণত ধৰি থাকিবলৈ বাধ্য কৰিব নোৱাৰে, আতুৰ জীয়ৰী-বোৱাৰীয়ে ঘৰ এৰি জংঘলত আশ্ৰয় ল'বলৈ বাধ্য নহয়। এনে এক সুস্থিৰ জীৱনৰ মূল্য বহুত। তাক হেলাৰঙে ত্যাগ কৰিবলৈ অসমৰ জনমানসত সম্প্ৰতি কোনো বৃহত্তৰ লক্ষ্য বা Cause প্ৰতিষ্ঠিত হৈ থকা নাই।

কোৱা বাহুল্য যে বিদ্ৰোহীসকলক বিনা চৰ্তে আত্মসমৰ্পণ কৰোৱা বা তেওঁলোকৰ বিদ্ৰোহৰ কাৰণসমূহক অৱনমিত কৰা আমাৰ উদ্দেশ্য নহয়। আমি তেওঁলোকে আত্মসন্মান আৰু আন্তৰিকতাৰে গ্ৰহণ কৰিব পৰা কেতবোৰ প্ৰস্তাৱ আগবঢ়াব খুজিছোঁ, যি বিলাকৰ পৰা অসমৰ ৰাইজৰ যুগমীয়া উপকাৰ হয় আৰু অসমৰ অস্তিত্বলোপৰ আশংকা দূৰ হয়। কেতবোৰ শব্দ তথা ধাৰণাৰ পুথিগত বাহ্যিক ৰূপতে মোহগ্ৰস্ত হৈ নাথাকি তাৰ সাৰমৰ্মৰ প্ৰতি মনোযোগ দিয়া নিতান্তই প্ৰয়োজনীয়। মনত ৰখা ভাল যে আনুষ্ঠানিক সাৰ্বভৌমত্বয়ো বহু দেশৰ জনগণক দাৰিদ্ৰ্যৰ অভিশাপৰ পৰা মুক্তি দিয়া নাই।

সংযুক্ত মুক্তি বাহিনীৰ সাম্প্ৰতিক বিপৰ্যয়ৰ সুযোগ লৈ কেন্দ্ৰীয় চৰকাৰে তেওঁলোকক কেৱল সামৰিক উপায়েৰে নিঃশেষ কৰাৰ কথা যদি ভাবে, সিও তেওঁলোকৰ হঠকাৰিতাহে হ'ব। কাৰণ অসমৰ প্ৰতি ঐতিহাসিক অন্যায়ৰ ধাৰণা এটাই অভিজ্ঞতাৰ ফলত অসমৰ ৰাইজৰ মনত খোপনি লৈছে। অসম

যদি পুনৰায় অশান্তিৰ আৱৰ্তত পৰিব নালাগে, তেনেহ'লে ভাৰতৰ কেবাজনো প্ৰাক্তন সেনাধ্যক্ষই নিজেই কৈ যোৱাৰ দৰে ৰাজনৈতিক সমাধান বা মীমাংসাৰ বাটহে বিচাৰি লোৱা উচিত হ'ব।

উপস্থিত ৰাইজক পুনৰ সঁকিয়াই দিছোঁ যে জোঁৰ পুৰি হাত পোৱা বাবে ততাতৈয়াকৈ আয়োজন কৰা এই জাতীয় অভিৱৰ্তনখন বক্তৃতাৰ মঞ্চ নহয়, অথবা উত্তপ্ত বিতৰ্কৰ ৰণথলী নহয়। অসমৰ ভৱিষ্যত প্ৰজন্মক দেশৰক্ষা আৰু ৰাইজৰ উন্নতিৰ বাবে সুযোগ দিব লাগিব, প্ৰস্তুত কৰিব লাগিব। বৰ্তমানৰ স্থিতাৱস্থা তাৰ অনুকূল নহয়। অভিৱৰ্তনক গুৰি ধৰোঁতা সকলে সাধ্যানুসাৰে নিজৰ মাজত সতৰ্ক আলোচনা, বিচাৰ আৰু বিশদ বিশ্লেষণেৰে কেতবোৰ বাস্তৱসন্মত কিন্তু সুদূৰপ্ৰসাৰী পৰামৰ্শ যুগুত কৰিছোঁ। আজি অভিৱৰ্তনৰ বিভিন্ন অংশগ্ৰহণকাৰীৰ মতামতৰ সাৰ সংকলন কৰি সেই পৰামৰ্শবোৰ পাৰ্যমানে সমৃদ্ধ আৰু উন্নত কৰা হব। অভিৱৰ্তনৰ পিছতো সেই কাম চলি থাকিব। তাৰ পিছত চৰকাৰ আৰু সংযুক্ত মুক্তি বাহিনীৰ ওচৰলৈ সেই প্ৰস্তাৱ পঠোৱা হ'ব। এই উদ্দেশ্যেৰে প্ৰত্যেক বক্তাকে নিজৰ চমু বক্তব্য কেৱল পৰামৰ্শ আৰু সঁকিয়নিৰ মাজত সীমিত ৰাখিবলৈ অনুৰোধ কৰা হ'ল। আমি এইভাবি অস্বস্তি অনুভৱ কৰিছোঁ যে সময়ৰ অভাৱত হয়তো বহু যোগ্য লোকক ক'বলৈ সুযোগ দিব পৰা নাযাব। তাৰ বাবে আমি আগতীয়াকৈ ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। কিন্তু তেখেতসকলৰ লিখিত অভিমত আমি আগ্ৰহ আৰু আদৰেৰে গ্ৰহণ কৰিম। ৰাইজক নতুনকৈ কোৱাৰ প্ৰয়োজন নাই যে নানা ৰঙৰ নানা ভেশছন্নৰ কূটাঘাতকাৰীয়ে অনাহক বিতৰ্কৰে আমাৰ ইতিবাচক গঠনমূলক উদ্যোগক পংগু কৰিবলৈ চান্দি আছে। আপোনালোকৰ সহানুভূতিয়েই আমাৰ প্ৰধান অস্ত্ৰ।

আমি কেতবোৰ বিশেষজ্ঞ সমিতিৰ কথাও ভাবিছোঁ যিবিলাকে অসমৰ ৰাজনীতি, অৰ্থনীতি, শিক্ষা, কৃষকসমাজ আৰু গাঁও-ভূই, জলসম্পদ আৰু জলনিয়ন্ত্ৰণ, জনগোষ্ঠীয় সমস্যা আদি আমাৰ সংকটৰ বিভিন্ন দিশ পৰ্যালোচনা কৰি কাৰ্যকৰী সাৰুৱা পৰামৰ্শ দিব, যাৰ সহায়ত সংযুক্ত মুক্তি বাহিনীৰ নেতাসকলে কেন্দ্ৰৰ ওচৰত প্ৰাসংগিক আৰু সুফলদায়ক দাবী উত্থাপন কৰিব পাৰিব। আজিৰ জাতীয় অভিৱৰ্তনৰ সমাবেশে আমাক আশ্বাস

দিছে যে ৰাইজে আমাৰ লগত কান্ধত কান্ধ মিলাই অসমৰ ৰাইজৰ নিৰাপত্তা, মংগল, উন্নতি সুনিশ্চিত কৰিবলৈ আগবাঢ়ি আহিছে। আপোনালোকে আমাক এই ভৰসা দিয়ক, যাতে আমাৰ এই বিশ্বাস ফলপ্ৰসূ হয় আৰু অমংগলৰ ছাঁ অসমৰ আকাশৰ পৰা আঁতৰি যায়। ইতি—

অভিবৰ্তনৰ আহ্বায়কমণ্ডলীৰ সভাপতি
হীৰেন গোহাঁই

প্ৰাগজ্যোতিকা প্ৰেক্ষাগৃহ ২৪/৪/২০১০
মাছখোৱা, গুৱাহাটী

সন্মিলিত জাতীয় অভিবৰ্তনৰ প্ৰাকমুহূৰ্তত পৰেশ বৰুৱাৰ সঁকিয়নি

আলফা আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত নতুনকৈ শান্তি আলোচনাৰ বাট মুকলি কৰাৰ উদ্দেশ্যে অসমৰ একাংশ চিন্তাবিদ-বুদ্ধিজীৱীয়ে অহা ২৪ এপ্ৰিলত আহ্বান জনোৱা 'জাতীয় অভিবৰ্তন'খনৰ সন্দৰ্ভত আজি আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই নিজস্ব প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। আলফাই ইয়াৰ জন্মলগ্নত ঘোষিত লক্ষ্য-উদ্দেশ্যক জলাঞ্জলি দি কেৱল শান্তিৰ স্বাৰ্থত কোনো পৰিস্থিতিতে চৰকাৰৰ সৈতে আলোচনাত নবহে বুলি স্পষ্ট কৰি দি আলফাৰ মুখ্য সেনাধ্যক্ষজনে প্ৰকৃত জনমত প্ৰতিফলিত হোৱাকৈ 'সাৰ্বভৌম স্বাধীন অসম'ৰ ওপৰত গণভোট অনুষ্ঠিত কৰাৰ দাবী জনায়। কাৰণ 'সাৰ্বভৌম স্বাধীন অসম' খিলঞ্জীয়া অসমবাসীৰ জন্মগত অধিকাৰ। সেই অধিকাৰক বাদ দি আলফাই শান্তিৰ নামত চৰকাৰৰ সৈতে আলোচনাত নবহে। কাৰণ আলফা তথাকথিত শান্তিৰ সদাগৰ নহয় আৰু শান্তি আনি দিম বুলি আলফাৰ জন্ম হোৱা নাছিল। সেইবাবে আলফা খিলঞ্জীয়া মানুহৰ অধিকাৰ (সাৰ্বভৌম স্বাধীন অসম) প্ৰতিষ্ঠাৰ বাবেহে প্ৰতিশ্ৰুতিবদ্ধ আৰু এই উদ্দেশ্যেৰেহে আলফা-চৰকাৰৰ সৈতে আলোচনাত বহিব। এই কথা প্ৰকাশ কৰি ই-মেইলযোগে প্ৰেৰণ কৰা এক বিবৃতিত আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই প্ৰস্তাৱিত জাতীয় অভিবৰ্তনখনৰ সন্দৰ্ভত কয়— 'অসমৰ জ্বলন্ত সমস্যাৰাজিৰ ওপৰত 'জাতীয় অভিবৰ্তন' অনুষ্ঠিত কৰি সমস্যা সমাধানৰ উদ্যোগ গ্ৰহণ কৰাটো প্ৰতিজন অসমপ্ৰেমী সচেতন নাগৰিকৰে নৈতিক দায়িত্ব। এনে পদক্ষেপক আমি আন্তৰিকতাৰে আদৰণি জনাওঁ। কিন্তু 'সংযুক্ত মুক্তি বাহিনী, অসম'ৰ সন্মিলিত জাতীয় মুক্তি সংগ্ৰামখনৰ শান্তিপূৰ্ণ সামৰণিৰ বাবে ঔপনিবেশিক ভাৰতৰ সংবিধানৰ ওচৰত মুকলিকৈয়ে আনুগত্য প্ৰকাশ

কৰা বুদ্ধিজীৱীসকলে লক্ষ্য কৰিব লাগিব যে আমি অংশগ্ৰহণ কৰা এই সংগ্ৰাম 'অসমৰ খিলঞ্জীয়া মানুহ'ৰ জন্মগত অধিকাৰ পুনৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম। ইয়াৰ এক সুনিৰ্দিষ্ট ঐতিহাসিক ভিত্তি আছে। 'সাৰ্বভৌম স্বাধীন অসম' দাবী নহয়, ই অসমৰ খিলঞ্জীয়া মানুহৰ জন্মগত অধিকাৰ। এই অধিকাৰ ছলে-বলে-কৌশলে ঔপনিবেশিক ভাৰতে কাঢ়ি লোৱাৰ বাবেই সৃষ্টি হৈছে অসম-ভাৰত ৰাজনৈতিক সংঘাত। গতিকে এই ৰাজনৈতিক সংঘাতৰ ফলপ্ৰসূ সমাধান তেতিয়াহে হ'ব যেতিয়া খিলঞ্জীয়া মানুহৰ এই অধিকাৰ ঔপনিবেশিক ভাৰত ৰাষ্ট্ৰই সসন্মানে ঘূৰাই দিব। আলোচনাৰ নামত সময় কিনি ঔপনিবেশিক শোষণ অব্যাহত ৰখাৰ কৌশলক প্ৰশ্ৰয় দিয়া নহ'ব। কাৰণ অসমৰ প্ৰাকৃতিক সম্পদৰাজিৰো এক সমাপ্তি আছে। প্ৰথিতযশা শিক্ষাবিদ তথা এই জাতীয় অভিৱৰ্তনৰ মূল উদ্যোক্তা ড° হীৰেন গোহাঁয়ে বুদ্ধিজীৱীসকলৰ হৈ সংবাদমেল আয়োজন কৰি ঘোষণা কৰিছে যে বিচ্ছিন্নতাৰ দাবীক তেওঁলোকে ইতিমধ্যেই নাকচ কৰিছে। এতিয়া প্ৰশ্ন হৈছে, ঔপনিবেশিক ভাৰতৰ পৰা অসমৰ বিচ্ছিন্নতাক নাকচ কৰি কেনেধৰণৰ 'সাৰ্বভৌমত্ব'ৰ ওপৰত আলোচনাৰ কথা কোৱা হৈছে? আমিও ঔপনিবেশিক ভাৰত ৰাষ্ট্ৰৰ অবৈধ দখলদাৰিত্বৰ পৰা ওলাই আহি 'সাৰ্বভৌম স্বাধীন অসম' প্ৰতিষ্ঠাৰ ওপৰত অনুষ্ঠিত আলোচনাৰ বাবে অন্য বিষয় নাকচ কৰি আহিছোঁ। আনহাতে আলফাতো বিচ্ছিন্নতাবাদী সংগঠন নহয়, বিচ্ছিন্নতাবাদী সেইবোৰ সংগঠনকহে কোৱা হয়; যি কোনো ঐতিহাসিক ভূখণ্ডক খণ্ডিতকৰণৰ দাবী উত্থাপন কৰে।' বিশিষ্ট চিন্তাবিদ ড° হীৰেন গোহাঁয়ে অলপতে এক সংবাদমেলত পৰিৱৰ্তিত ৰাজনীতিত 'সাৰ্বভৌমত্ব'ৰ সংজ্ঞা সলনি হোৱা বুলি প্ৰকাশ কৰা মন্তব্য সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰে পৰেশ বৰুৱাই। এই সন্দৰ্ভত বৰুৱাই কয়— 'সন্মানীয় গোহাঁইদেৱে উল্লেখ কৰিছে আৰু আমিও জানো যে পৰিৱৰ্তনশীল বিশ্ব ৰাজনীতিত 'সাৰ্বভৌমত্ব'ৰ সংজ্ঞা আৰু ধাৰণাৰ পৰিৱৰ্তন হৈছে। কিন্তু ইয়াক পৰিৱৰ্তন বুলি নকৈ ঔপনিবেশিক গোষ্ঠীসমূহে নিজৰ স্বাৰ্থত সৃষ্টি কৰা সাৰ্বভৌমত্বৰ কিছু বিভাগ বুলিহে অভিহিত কৰিব পাৰি। সাৰ্বভৌমত্ব আৰু 'সংযুক্ত মুক্তি বাহিনী, অসম'ৰ সম্পৰ্ক অভিন্ন। এটাৰ অবিহনে আনটোৰ অস্তিত্ব নাই। গতিকে আমি কৈ অহা সাৰ্বভৌমত্বই কেৱল মাত্ৰ ৰাজনৈতিক সাৰ্বভৌমত্ব, অৰ্থনৈতিক

সাৰ্বভৌমত্ব তথা সাৰ্বভৌমত্বৰ আন কোনো এক নিৰ্দিষ্ট বিভাগক বুজোৱা হোৱা নাই। এই সাৰ্বভৌমত্বৰ অৰ্থ হ'ল সৰ্বাত্মক সাৰ্বভৌমত্ব অৰ্থাৎ 'সাৰ্বভৌম স্বাধীন অসম'। গতিকে সন্মানীয় বুদ্ধিজীৱীসকলক সাৰ্বভৌমত্বৰ পৰিৱৰ্তনশীল ৰূপটোৰ কথা নকৈ সৰ্বাত্মক সাৰ্বভৌমত্ব অৰ্থাৎ 'সাৰ্বভৌম স্বাধীন অসম'ৰ ওপৰতহে আলোচনাত বহাৰ বাবে ঔপনিবেশিক ভাৰত চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিবলৈ আহ্বান জনাইছোঁ। অন্যথা 'জাতীয় অভিৱৰ্তন'ত যিয়ে প্ৰস্তাৱ নলওক সি ঔপনিবেশিক ভাৰতৰ স্বাৰ্থত আৰু অসমৰ খিলঞ্জীয়া মানুহৰ স্বাৰ্থৰ বিপক্ষত বুলিহে প্ৰতীয়মান হ'ব। আলফাক জনগণৰ কথা কৈ ঔপনিবেশিক শাসকৰ দৰে তথাকথিত 'শান্তি আলোচনা'ৰ বাবে বাধ্য কৰিবলৈ দিয়া অনৈতিক হেঁচাক আলফাই গ্ৰহণ নকৰে। কাৰণ তথাকথিত শান্তিৰ সদাগৰ আলফা নহয়, শান্তি আনি দিম বুলি আলফাৰ জন্ম হোৱা নাছিল, অসমৰ খিলঞ্জীয়া মানুহৰ অধিকাৰ প্ৰতিষ্ঠাৰ বাবেহে আলফা প্ৰতিশ্ৰুতিবদ্ধ। শান্তি এক আপেক্ষিক শব্দ। স্বাধীনতা প্ৰাপ্তি মানেই শান্তি প্ৰতিষ্ঠা হোৱাটো নুবুজায়, বুজোৱা হ'লে ঔপনিবেশিক ভাৰতকে ধৰি পৃথিৱীৰ সকলো স্বাধীন ৰাষ্ট্ৰই শান্তিৰ স্বৰ্গ বুলি বিবেচিত হ'লহেঁতেন। আলফা জনগণৰ মানস সন্তান। গতিকে জনগণৰ বুকুৰ ধ্বনি অনুধাৱন কৰিব পৰা বাবেই আজিও আলফাই জনগণৰ মাজতে অৱস্থান কৰিছে।' আনহাতে অসমৰ বুদ্ধিজীৱী-চিন্তাবিদসকলৰ ভূমিকাকো আজি আলফাৰ মুখ্য সেনাধ্যক্ষজনে কঠোৰ ভাষাৰে সমালোচনা কৰে। অসমৰ খিলঞ্জীয়া জনগণৰ স্বাৰ্থত ঔপনিবেশিকতাৰ বিৰুদ্ধে মাত মতা বুদ্ধিজীৱীৰ সংখ্যা তেনেই নগণ্য। কেৱল জাতীয় বীৰ ছহিদ পৰাগ কুমাৰ দাস আৰু প্ৰয়াত নিবাৰণ বৰাহে ইয়াৰ ব্যতিক্ৰম আছিল। পৰাগ কুমাৰ দাস আৰু নিবাৰণ বৰাৰ শূন্যস্থান আজিও পূৰণ নহ'ল আৰু তেওঁলোক দুজন জীয়াই নথকা বাবে অসমৰ বৌদ্ধিক মহলে মাতৃভূমিৰ দুৰ্যোগৰ সময়ত সৎ উদ্দেশ্য আৰু সাহসেৰে জনগণৰ কাষত থিয় হোৱাত দুখলগাকৈ ব্যৰ্থ হৈছে। তেওঁলোকৰ গৰিষ্ঠসংখ্যকৰে অসমৰ প্ৰতি থকা দায়বদ্ধতা সদায়ে ইতিবাচক বুলি বিবেচিত হৈ অহা নাই। দায়বদ্ধতা থকা হ'লে ঔপনিবেশিক ভাৰতে ইমান নিৰ্বিবাদে শোষণ অব্যাহত ৰাখিব নোৱাৰিলেহেঁতেন। বানপানী, নিবনুৱা সমস্যা, বিদেশী সমস্যা আদিয়ে অসমখনক গ্ৰাস কৰিব নোৱাৰিলেহেঁতেন। অসমৰ এই দায়িত্বশীল (?)

বুদ্ধিজীৱীসকলে আদিৰ দৰে সচেতনতা প্ৰদৰ্শন কৰা হ'লে অসমীয়া সমাজখনৰ আজিৰ এই ৰুগ্নপ্ৰায় অৱস্থাটো দেখিবলৈ পোৱা নগ'লহেঁতেন। আমি সন্দিহান এইখিনিতেই। কাৰণ ওপৰত উল্লেখ কৰা অসমৰ সমস্যাকেইটাই ঔপনিবেশিক শাসকগোষ্ঠীক পৰোক্ষ বা প্ৰত্যক্ষভাৱে শোষণ অব্যাহত ৰখাত সুবিধা কৰি দিছিল। গতিকেই অসমৰ স্বাৰ্থত ল'বলগা পদক্ষেপ লোৱাৰ পৰা এই স্বকথিত বুদ্ধিজীৱীসকল বিৰত আছিল। আৰু আলফাই জন্মগত অধিকাৰৰ কথা কোৱাৰ বাবে, শোষণৰ বিৰুদ্ধে থিয় দিয়াৰ বাবে ঔপনিবেশিক শাসন বজাই ৰখাত অসুবিধাৰ সৃষ্টি হৈছে। সেয়েহে ৰাষ্ট্ৰৰ অনুগামী বুদ্ধিজীৱীসকলক এই অধিকাৰৰ বিৰোধিতা কৰিবলৈ নিৰ্দেশ দিছে আৰু গঁণ্যমান্য বুদ্ধিজীৱীসকলেও যেন সেই নিৰ্দেশ আখৰে আখৰে পালন কৰিছে। আমিও তেখেতসকলৰ গণতান্ত্ৰিক অধিকাৰলৈ সন্মান জনায়ো আমাৰ সন্দেহৰ কথা মুকলিকৈয়ে প্ৰকাশ কৰিছোঁ। কাৰণ ইতিহাসে তাকেই সোঁৱৰাই দিয়ে। তথাপি আশা কৰিছোঁ— এই স্বকথিত অভিৱৰ্তন ঔপনিবেশিক শাসকগোষ্ঠীয়ে যুগুতাই দিয়া ৰচনা পাঠৰ অনুষ্ঠান নহৈ অসমৰ খিলঞ্জীয়া জনগণৰ জন্মগত অধিকাৰ প্ৰতিষ্ঠাৰ মহৎ উদ্যোগ হওক। আমি জানো, এই জাতীয় অভিৱৰ্তনখনৰ উদ্যোক্তাসকল অসমৰ গণ্য-মান্য ব্যক্তি। কিন্তু তেওঁলোক ঔপনিবেশিক ভাৰতৰ সংবিধানৰ ওচৰত দায়বদ্ধ। এই দায়বদ্ধতাই হ'ল অসমৰ খিলঞ্জীয়া জনগণৰ বাবে অভিশাপ আৰু দুৰ্ভাগ্য। কাৰণ তেওঁলোকে যি সংবিধানৰ প্ৰতি নিজৰ আনুগত্য আজীৱন প্ৰকাশ কৰি আহিছে, সেই সংবিধানেই অসমৰ খিলঞ্জীয়া মানুহৰ স্বাধীনতাৰ অধিকাৰক কেতিয়াবাই কাঢ়ি লৈ গৈছে। অসমৰ খিলঞ্জীয়া জনগণৰ স্বাৰ্থত ঔপনিবেশিকতাৰ বিৰুদ্ধে মাত মতা বুদ্ধিজীৱীৰ সংখ্যা আঙুলি মূৰত গণিব পৰা। কাৰণ দেশপ্ৰেমৰ অভাৱ, মৃত্যুলৈ ভয়। একমাত্ৰ ব্যতিক্ৰম আছিল জাতীয় বীৰ ছহিদ পৰাগ দাস আৰু প্ৰয়াত নিবাৰণ বৰা। তেওঁলোক জীয়াই থকা হ'লে অসমৰ বৌদ্ধিক জগতত ভাৰতীয় ঔপনিবেশিকতাৰ একচেটিয়া ৰাজত্ব নচলিলহেঁতেন আৰু অসমৰ জনগণে ন্যায়ৰ বাবে যুঁজা যুঁজখন অধিক তীব্ৰ হ'লহেঁতেন। অসমক আজি আৰু এজন পৰাগ দাস বা নিবাৰণ বৰাৰ প্ৰয়োজন হৈছে। ন্যায়ৰ বাবে যুঁজিবলৈ এজন পৰাগ দাসেই যথেষ্ট। কাৰণ খিলঞ্জীয়া মানুহৰ আশীৰ্বদেই তেওঁৰ প্ৰেৰণাৰ উৎস। কিন্তু অসমবাসীৰ

দুৰ্ভাগ্য যে ছহিদ পৰাগ দাস আৰু নিবাৰণ বৰাৰ শূন্যস্থান আজিও পূৰণ নহ'ল। তথাপি আমি আজি আশা কৰিছোঁ, অসমৰ বুদ্ধিজীৱীসকলে অসমৰ খিলঞ্জীয়া মানুহৰ মুক্তিৰ বাবে মুকলিকৈ আৰু নিৰ্ভয়ে আগবাঢ়ি আহিব। তেওঁলোকৰ ভূমিকাই নিৰ্ণয় কৰিব কোনে অসমৰ খিলঞ্জীয়া মানুহৰ মুক্তিৰ বাবে নিজৰ উৰ্বৰ মস্তিষ্ক প্ৰয়োগ কৰে আৰু কোনে পৰাধীনতাৰ শিকলি লৈ ঔপনিবেশিকতাৰ জয়গান গায়। এটা কথা মনত ৰখা দৰকাৰ যে মহাত্মা গান্ধীয়ে উদ্যোগ লোৱা ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰস্তাৱকো পেংলাই কৰি তেখেতক নস্যাৎ কৰা বুদ্ধিজীৱীৰ অভাৱ সেই সময়তো নহৈছিল। কিন্তু শেষত ন্যায় আৰু সত্যৰ জয় হৈছিল। ন্যায় প্ৰতিষ্ঠাৰ বাবে হেজাৰ হেজাৰ বুদ্ধিজীৱীৰ প্ৰয়োজন নাই। নিৰ্ভীক, ত্যাগী আৰু দূৰদৰ্শী এজন বা দুজনেই এক নিৰ্ণয়কাৰী ভূমিকা পালন কৰিব পাৰে। যিদৰে গৃহযুদ্ধত পতিত, খণ্ড-বিখণ্ড অশিক্ষিত চীনা সমাজত ড° চান য়াট চেনে (Dr. Sun Yat Sen) নতুন দিনৰ আলোৰে পোহৰাই তুলি আজিৰ মহাচীনৰ ৰূপৰেখা প্ৰস্তুত কৰিছিল। অসমৰ চুবুৰীয়া বাংলাদেশত 'প্ৰবল দেশপ্ৰেমিক-বুদ্ধিজীৱীসকলৰ এচামে সাৰ্বভৌম স্বাধীন বাংলাদেশৰ স্বাৰ্থত পাকিস্তানী বাহিনীৰ হাতত প্ৰাণ বিসৰ্জন দিছিল কিন্তু আপোচ কৰা নাছিল। যাৰ বাবে আজিও বাংলাদেশত ছহিদ বুদ্ধিজীৱী দিৱস পালিত হৈ আহিছে। তাৰে এচামে কিন্তু ঔপনিবেশিক শাসকৰ হৈহে কাম কৰিছিল যাক আজি বাংলাদেশী জনগণে ৰাজাকাৰ বুলি ঘৃণা কৰে। সেইসকলৰ নাতি-পুতি আজিও জনমানসত ঘৃণিত। তেনে উদাহৰণ পৃথিৱীৰ ইতিহাসত অনেক আছে। অসমকো আজি তেনে এজন বা এচাম মহান জনদৰদী অসমপ্ৰেমী বুদ্ধিজীৱীৰ প্ৰয়োজন হৈছে। ঔপনিবেশিকতাক আশীৰ্বাদ বুলি জনগণক বিপথে পৰিচালিত কৰা তথাকথিত বুদ্ধিজীৱী নহয়।' জন্মলগ্নৰ লক্ষ্য-উদ্দেশ্য আৰু নীতিক বিসৰ্জন দিবলৈ কোৱা পদক্ষেপক আলফাই সন্মান নজনায় বুলি স্পষ্ট কৰি দি পৰেশ বৰুৱাই বিবৃতিটোৰ শেষত কয় যে কোনো সমাজৰ কোনো বুদ্ধিজীৱীয়েই সাধাৰণ মানুহৰ সৰ্বময় প্ৰতিনিধি নহয়। গতিকে ঔপনিবেশিক ভাৰত চৰকাৰক, 'সাৰ্বভৌম স্বাধীন অসম'ৰ ওপৰত 'সংযুক্ত মুক্তি বাহিনী, অসম'ৰ লগত আলোচনাত বহিবলৈ যদি ঔপনিবেশিক ভাৰতৰ সংবিধানৰ দোহাই দি প্ৰস্তাৱ বা দাবী কৰিব নোৱাৰি তেন্তে সম্পূৰ্ণ জনমত প্ৰতিফলিত হোৱাকৈ

'সাৰ্বভৌম স্বাধীন অসম'ৰ ওপৰত গণভোট অনুষ্ঠিত কৰিবলৈ দাবী জনাওক। নিৰপেক্ষ পৰিৱেশত অনুষ্ঠিত হোৱা গণভোটৰ ৰায় আমি মানিবলৈ আন্তৰিকতাৰে প্ৰস্তুত আছোঁ। 'সাৰ্বভৌম স্বাধীন অসম' প্ৰতিষ্ঠাৰ বাবে ফলপ্ৰসূ আলোচনাৰ বাবে আলফা সদায়ে প্ৰস্তুত, কিন্তু দলৰ লক্ষ্য-উদ্দেশ্য, নীতি-আদৰ্শক কোনো কাৰণতে বিসৰ্জন দিয়া নহ'ব। ইয়াক পুনৰায় দোহৰাৰ প্ৰয়োজন নাই। আমাৰ এই আলোচনা আৰু গণভোটৰ প্ৰস্তাৱ ঔপনিবেশিক চৰকাৰে নাকচ কৰিলে সাৰ্বভৌম স্বাধীন অসমৰ বাবে সংগ্ৰাম অবিৰত চলিব। ইয়াৰ বিকল্প ব্যৱস্থা নাই। যি তথাকথিত গণতান্ত্ৰিক ব্যৱস্থাক লৈ আপোনালোকে গৌৰৱ কৰে সেই গণতন্ত্ৰৰ আচল গণতান্ত্ৰিক মানসিকতা আৰু চৰিত্ৰৰ প্ৰতিফলন ঘটাবলৈ এয়া এক উপযুক্ত সময়। গণভোটৰ আয়োজন ইয়াৰ প্ৰকৃত মাধ্যম। অন্যথা অসমৰ জনগণে স্বাধীনতা নিবিচাৰে, আলফাৰ জনসমৰ্থন নাই, জাতীয় অভিৱৰ্তনত অমুক বিষয়ত সহমত প্ৰকাশ কৰা হৈছে ইত্যাদি ইত্যাদি ঔপনিবেশিকতাৰ সুৰত গোৱা গানৰ কিয়দংশ বুলি বিবেচিত হ'ব। কোনোবাই যদি আমাৰ গণসমৰ্থন নাই বুলি দাবী কৰে তেন্তে আমি প্ৰত্যাহ্বান জনাই কওঁ যে গণভিত্তি নোহোৱা হৈ নাযায়। গণভোটেহে নিৰ্ণয় কৰিব খিলঞ্জীয়া জনগণক হেৰোৱা স্বাধীনতা পুনৰ ঘূৰাই লাগেনে নালাগে। ১২ হেজাৰ ছহিদৰ তেজেৰে মহীয়ান অসমৰ স্বাধীনতা সংগ্ৰামখনক হেয় জ্ঞান কৰা বা অৱমূল্যায়ন কৰা যিকোনো প্ৰচেষ্টাত আমি ভৰি নিদিওঁ। 'সংযুক্ত মুক্তি বাহিনী, অসম'ৰ লক্ষ্য-উদ্দেশ্য, নীতি-আদৰ্শক বিসৰ্জন দিবলৈ কোনো কোনো পদক্ষেপক আমি সন্মান নজনাওঁ। আমাৰ আশা— অসমৰ এই গণ্য-মান্য-বুদ্ধিজীৱীসকলে অসমৰ খিলঞ্জীয়া মানুহৰ আৱেগ-অনুভূতিক সন্মান জনাব।

অসমীয়া প্ৰতিদিন, ২০ এপ্ৰিল, ২০১০

পৰেশ বৰুৱা অধৈৰ্য নোহোৱাই ভাল

আলফা-চৰকাৰৰ আলোচনাক লৈ আয়োজিত জাতীয় অভিবৰ্তন সন্দৰ্ভত আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই প্ৰকাশ কৰা বিবৃতিক লৈ স্বাভাৱিকতেই আজি সমগ্ৰ ৰাজ্যতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ইফালে পৰেশ বৰুৱাৰ বিবৃতি সন্দৰ্ভত অভিবৰ্তনখনৰ কৰ্ণধাৰ তথা বিশিষ্ট চিন্তাবিদ ড° হীৰেন গোহাঁইৰ প্ৰতিক্ৰিয়া জানিবলৈ বিচৰাত তেওঁ কয়— আজি দুপৰীয়া কিছুমান টিভি চেনেলৰ পৰা গম পালো যে আলফাই তেওঁলোকৰ লগত চৰকাৰৰ আলোচনা পুনৰুজ্জীৱিত কৰিবলৈ গুৱাহাটী তথা অসমৰ কেইগৰাকীমান সচেতন নাগৰিকে আগবঢ়োৱা প্ৰস্তাৱ ভিত্তিহীন বুলি নাকচ কৰিছে। মই ভাবো অন্যান্য কথাত পৰেশ বৰুৱাৰ মতকে সংযুক্ত মুক্তি বাহিনীৰ মত বুলি মানি ল'ব পাৰিলেও নীতিগত কথাত তেওঁৰ চূড়ান্ত সিদ্ধান্ত লোৱাৰ অধিকাৰ নাই। এনেকুৱা ক্ষেত্ৰত সংযুক্ত মুক্তি বাহিনীৰ কেন্দ্ৰীয় কমিটীৰহে বিচাৰ-বিবেচনাৰ যোগেদি সিদ্ধান্ত লোৱাৰ অধিকাৰ আছে আৰু এটা সুশৃংখল সংগঠনৰ এইটোৱেই গৃহীত নিয়ম। গতিকে পৰেশ বৰুৱাৰ প্ৰতিবাদত আমি কিছু দুখ পালেও তাকেই শেষ কথা বুলি ধৰি লোৱা নাই। ৰাইজে মন কৰিব চৰকাৰৰ ভিতৰ আৰু বাহিৰত বিভিন্ন মহলে এৰা-ধৰাৰ মাজেদি সমস্যাটোৰ সঠিক সমাধান ওলোৱাত নানা প্ৰকাৰে বাধা দি আছে। সেয়ে প্ৰক্ৰিয়াটো বৰ সহজ হ'ব বুলি আমি ভবা নাই। তদুপৰি জাতীয় অভিবৰ্তনে দিয়া প্ৰস্তাৱসমূহ সংযুক্ত মুক্তি বাহিনীৰ কেন্দ্ৰীয় কমিটিয়ে ভালদৰে বিবেচনা কৰি চোৱাৰ পিচতহে তেওঁলোকে তাক গ্ৰহণ কৰাৰ প্ৰশ্ন আহিব। এনেস্থলত প্ৰস্তাৱৰ আচল ৰূপ নেদেখাকৈয়ে ইটো-সিটো কথাৰে আলোচনাৰ বাট বন্ধ কৰিব খুজিলে অসমৰ ৰাইজৰ বাবে দুৰ্ভাগ্যজনক হ'ব। সময়মতে সমুচিত সিদ্ধান্ত ল'ব নোৱাৰাৰ বাবে অসম আন্দোলনত বহুত কেণা লাগিল, এই কথা সকলোৱে জানে। গতিকে সংযুক্ত মুক্তি বাহিনীৰ

নেতাসকলে সময়ৰ শৰ মাৰিবলৈ প্ৰস্তুত থাকিব লাগিব আৰু নিঃচৰ্ত আলোচনাৰ বাবে দুয়োপক্ষ সন্মত হোৱাটো পৰিস্থিতিৰ দাবী।

· সাৰ্বভৌমত্ব, বিচ্ছিন্নতাবাদ এনেকুৱা কথাবিলাক কেৱল আইনজ্ঞৰ চকুৰে চালেই নহ'ব। দেশ তথা বিশ্বৰ পৰিৱৰ্তনশীল পৰিস্থিতিয়ে মানুহক গতানুগতিক পথ এৰি নতুন ধৰণে ভাবিবলৈ বাধ্য কৰে আৰু বিচক্ষণ ৰাজনীতিবিদৰ কাৰণে সেই কথাটো অতি গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপে সবিনয়ে আঙুলিয়াই দিব খোজো যে অন্ধ জেদত লাগি এল টি টি ইয়ে নিজকে ধ্বংস কৰিলে আৰু শ্ৰীলংকাবাসী তামিলসকলৰো অপূৰণীয় ক্ষতি কৰি থৈ গ'ল। ভাৰত চৰকাৰৰ ওচৰত আত্মসমৰ্পণ কৰাৰ কথা আমি কোৱা নাই। এটা সন্মানজনক পৰিৱেশত মুকলি মনেৰে আলোচনা হোৱাটো অসমবাসীৰে ঐকান্তিক কামনা। সেয়ে অভিৱৰ্তনৰ পৰৱৰ্তী কাললৈকে পৰেশ বৰুৱাই নীৰৱতা অৱলম্বন কৰিলেই ভাল হ'ব। তদুপৰি কিছুমান মাধ্যমে আজি আবেলিপৰলৈকে এনে কিছুমান কথা প্ৰচাৰ কৰিছে যিবিলাক পৰেশ বৰুৱাৰ বিবৃতিত নাছিল বুলিয়েই মই এতিয়া গম পাইছোঁ। উদাহৰণস্বৰূপে আজিকালি চৰকাৰী মহলবিলাকে প্ৰচাৰ কৰাৰ দৰে পৰেশ বৰুৱায়ো হেনো মোক শিক্ষাবিদ বুলিয়ে উল্লেখ কৰিছিল। কিন্তু অসমৰ ৰাইজৰ মাজত মোৰ পৰিচয় তাতকৈ কিছু বেলেগ। তদুপৰি এইবোৰ প্ৰচাৰত বাৰে বাৰে কোৱা হৈছে যে পৰেশ বৰুৱাৰ মতে মই কেতিয়াও ৰাইজৰ মাজত নাই। কিন্তু এতিয়া গম পাইছো যে বিবৃতিটোত তেনেধৰণৰ প্ৰত্যক্ষ পোনপতীয়া মন্তব্য নাছিল। আজিকালি আনৰ ই-মেইল একাউণ্টৰ পৰা বিভ্ৰান্তিজনক ই-মেইল প্ৰেৰণৰ কৌশল কিছুমান মানুহে আয়ত্ত কৰিছে। সেয়ে পৰেশ বৰুৱাই কেন্দ্ৰীয় কমিটিৰ আন সদস্যবিলাকৰ লগত প্ৰত্যক্ষ আলোচনা নকৰাকৈ যিবোৰ বিবৃতি দিয়া বুলি প্ৰচাৰ হৈ আছে সেইবোৰ সম্পৰ্কেও ৰাইজে সংশয় পোষণ কৰাই উচিত হ'ব বুলি ভাবো।

অসমীয়া প্ৰতিদিন, ২০ এপ্ৰিল, ২০১০

অভিৱৰ্তনৰ পৰিৱৰ্ধিত দিক্‌নিৰ্ণায়ক সমিতিৰ আগত দিয়া ভাষণ

সমিতিৰ ন-পুৰণি সদস্যসকল আৰু সচিবদ্বয়

আমি আজি কি উদ্দেশ্যে ইয়াত গোট খাইছোঁ, কাকো বহলাই বুজাই ক'ব নালাগে। কিন্তু নতুন সদস্যসকলৰ সুবিধাৰ্থে আমাৰ অতীতৰ কাৰ্যকলাপৰ কিছু পৰ্যালোচনা দৰকাৰ।

সম্প্ৰতি ঘটনাচক্ৰত সংযুক্ত মুক্তি বাহিনীৰ গৰিষ্ঠ সংখ্যক নেতা কাৰাবন্দী। যোৱা ত্ৰিছ বছৰে তেওঁলোকে নানাপ্ৰকাৰৰ অভিযান চলাই চৰকাৰক ব্যতিব্যস্ত কৰি ৰখাৰ উপৰি অসমৰ সৰ্বসাধাৰণ ৰাইজৰ নিৰাপত্তা জীৱনযাত্ৰা আৰু সামাজিক জীৱন বিপৰ্যস্ত কৰিছে। তেওঁলোকৰ মূল প্ৰেৰণা নিভাঁজ আছিল বুলি আজিও বহুতে বিশ্বাস কৰিলেও তেওঁলোকৰ লক্ষ্য আৰু কাৰ্যপন্থা লৈ ৰাজ্যখনত ব্যাপক বিতৰ্ক হৈছে। তেওঁলোকে এতিয়া দাবী কৰিব নোৱাৰে যে সমগ্ৰ ৰাজ্যৰ জনমত দ্বিধাহীনভাৱে তেওঁলোকৰ পক্ষত আছে। তেওঁলোকেও নিজে গ্ৰহণ কৰা পথৰ ক্ষতিকৰ আৰু বিপজ্জনক পৰিণাম উপলব্ধি কৰি বিকল্প পথ তথা আলোচনাৰ প্ৰতি আন্তৰিকভাবে আগ্ৰহান্বিত হৈছে। তেওঁলোকৰ দুজন সদস্য আলোচনা পুনৰ সজীৱ কৰিবলৈ ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ বহুকেইজন ব্যক্তিক লগ ধৰা কথাও আপোনালোকে জানে। আনহাতে সশস্ত্ৰ সংগ্ৰাম চলাই যোৱাৰ লগতে সংযুক্ত মুক্তি বাহিনীয়ে নিজেও আলোচনাৰ পৃষ্ঠপোষকতা কৰি অহাও অজ্ঞাত নহয়। এই মুহূৰ্তত ৰাজ্য চৰকাৰেও আলোচনাৰ জৰিয়তে মীমাংসাৰ প্ৰতি উৎসাহ দেখুৱাইছে আৰু অসমৰ ৰাইজেও আলোচনাৰ জৰিয়তে সন্মানজনক মীমাংসালৈ অহা মনেপ্ৰাণে বাঞ্ছা কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ নেতা সকলৰো এই শিক্ষা হৈছে যে কেৱল বলপ্ৰয়োগেৰে প্ৰজাৰ আনুগত্য আৰু সমৰ্থন আদায় কৰিবলৈ

যোৱাটো চৰম নিৰ্বুদ্ধিতা। সেয়ে স্থবিৰ হৈ পৰা আলোচনাৰ প্ৰক্ৰিয়া পুনৰুজ্জীৱিত কৰিবলৈ উদ্যোগ লোৱাৰ ই সুবৰ্ণ সুযোগ।

নাগৰিক সমাজৰ তৰফৰ পৰা এনে উদ্যোগ ল'বলৈ আমি গুৱাহাটীৰ কেইজনমান নাগৰিক আগবাঢ়ি আহি ২৪ এপ্ৰিলত এক সন্মিলিত জাতীয় অভিৱৰ্তন আহ্বান কৰাত সেই অভিৱৰ্তনে বিপুল উৎসাহ-উদ্দীপনা আৰু আশাৰ সঞ্চাৰ কৰিছিল। অভিৱৰ্তনৰ প্ৰস্তাৱ অনুযায়ী অসমৰ বিভিন্ন স্থানৰ বিশিষ্ট আৰু দায়িত্বশীল নাগৰিকক দিক্ নিৰ্ণায়ক সমিতিৰ অনুৰ্ভুক্ত কৰি আজি পৰিৱৰ্ধিত দিক নিৰ্ণায়ক সমিতিৰ এই বৈঠকৰ আয়োজন কৰা হৈছে। আশা কৰিছোঁ ইয়াৰ জৰিয়তে সমিতিৰ ভিত্তি ব্যাপক তথা অসমব্যাপী হ'ব।

সদস্য সকলক পুনৰ সোঁৱৰাই দিছোঁ যে আমি সংযুক্ত মুক্তি বাহিনীৰ দ্বাৰা গঠিত আৰু নিয়োজিত সমিতি নহওঁ। আলোচনা সন্মানজনকভাৱে সম্পন্ন কৰিবলৈ আমি সংযুক্ত মুক্তি বাহিনীৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰিছোঁ। কিন্তু আমি সম্পূৰ্ণ নিজস্ব বিচাৰ-বিবেচনাৰে আগবাঢ়িছোঁ, আৰু সংযুক্ত মুক্তি বাহিনীৰ সকলো বক্তব্য আৰু কাৰ্যকলাপ আমি সমৰ্থন কৰা বুলিও ধৰিব নালাগিব। তেওঁলোকো আমাৰ এই স্বতন্ত্ৰ অৱস্থানৰ প্ৰতি সহনশীল আৰু শ্ৰদ্ধাৱান। সংযুক্ত মুক্তি বাহিনীৰ সকলো বক্তব্যকে অসাৰ বা অলীক বুলি কোৱা নাই। তাৰ সাৰুৱা কথাখিনি অসমৰ সমগ্ৰ ৰাইজৰ ধাৰণা আৰু আশা-আকাঙ্ক্ষাৰ লগত জড়িত বুলি আমি ভাবোঁ। বিচ্ছিন্নতাৰ পোষকতা নকৰাকৈ এইবোৰৰ প্ৰতি সুবিচাৰ কেনেকৈ কৰোৱা যায়, আমি তাৰ প্ৰতিও দায়বদ্ধ।

ইয়াৰ আগতে সংযুক্ত মুক্তি বাহিনীৰ সক্ৰিয় পৃষ্ঠপোষকতাত গঠিত People's Consultation Group (PCG) য়ে আলোচনাৰ বাট মুকলি কৰিবলৈ অহোপুৰুষাৰ্থ কৰি শেষত নিৰস্ত হ'ব লগা হয়। PCG-ৰ সেই প্ৰয়াসে আমাৰ বাবে ইতিবাচক আৰু নেতিবাচক কিছু শিক্ষা এৰি থৈ গৈছে। তেওঁলোকৰ সফলতা-বিফলতাৰ খতিয়ান লৈ আগবঢ়া আমাৰ অৱশ্য কৰ্তব্য।

তেওঁলোকৰ উদ্যোগটোৰ পৰ্যবেক্ষণ কৰি দেখা গৈছে যে ভাৰত চৰকাৰৰ উদ্দেশ্য সংযুক্ত মুক্তি বাহিনীক হিংসাৰ পথ পৰিত্যাগ কৰাই শান্তিৰ পথলৈ ওভটাই অনা। বিনিময়ত বিশেষ মূল্যবান বা অৰ্থপূৰ্ণ একো দিবলৈ চৰকাৰ বৰ ইচ্ছুক যেন নালাগে। আনহাতে PCG য়ে সাৰ্বভৌমত্বক প্ৰধান

দাবী হিচাবে চৰকাৰৰ দ্বাৰা গ্ৰহণ কৰাবলৈ বিচাৰিছিল। সেয়ে শান্তি-আলোচনাৰ অন্তৰালত এক-উদ্দেশ্যৰ সংঘাত চলি আছিল। PCGক সাংগঠনিকভাৱে বিভক্ত আৰু দুৰ্বল কৰি চৰকাৰে নিজৰ উদ্দেশ্য সাধন কৰিবলৈ বিচাৰিছিল আৰু প্ৰতিজন সদস্যক নিজৰ ইচ্ছামতে ৰাজহুৱা মঞ্চত মত প্ৰকাশ কৰিবলৈ আৰু দাবী উত্থাপন কৰিবলৈ উৎসাহ দিছিল। PCGৰ মাজৰ পৰাও শৃংখলা ৰক্ষাৰ সফল চেষ্টা আমাৰ চকুত নপৰে। কাৰণ বোধ হয় এয়ে যে নিয়ন্ত্ৰণৰ বাঘজৰী বাহিৰত আনৰ হাতত আছিল। ফলত বিভিন্ন সদস্যৰ বিভিন্ন, কেতিয়াবা পৰস্পৰবিৰোধী, মতামতে বিভ্ৰান্তি আৰু খেলিমেলি সৃষ্টি কৰিলে। এই ফান্দত যেন আমি ভৰি নিদিওঁ, প্ৰত্যেকেই দায়িত্বশীলতাৰে সতৰ্ক হৈ চলিব লাগিব। আমি সফল হ'লে সকলোৱেই কৃতকাৰ্যতাৰ অংশীদাৰ হ'ম।

সেয়ে গোপনীয়তা আৰু সতৰ্কতা প্ৰত্যেকেই এইক্ষেত্ৰত অৱলম্বন কৰিব লাগিব। ব্যক্তিগত আলোচনাত ঘনিষ্ঠ বন্ধুৰ আগত কেতিয়াবা কিবা ক'লেও ৰাজহুৱা মঞ্চত, প্ৰচাৰ মাধ্যমৰ আগত, আমাৰ কোনেও যেন অসচেতন উক্তি কৰি আমাৰ উদ্যোগটোক ক্ষতিগ্ৰস্ত নকৰে।

সচৰাচৰ চৰকাৰে বিশ্বস্ত সাংবাদিক তথা সংবাদ মাধ্যমৰ মানুহক এনে সন্দেহ আৰু বিভ্ৰান্তি সৃষ্টিৰ কামত লগায়। উদ্দেশ্যপ্ৰণোদিত প্ৰশ্ন কৰি তেওঁলোকে এনে উত্তৰ উলিয়াই লয় যাক সহজে বিভ্ৰান্তি সৃষ্টিৰ বাবে ব্যৱহাৰ কৰিব পাৰি। ফলত চৰকাৰ নিজে সাৰি যায়, আলোচনাৰ বাবে আগ্ৰহী বুলি প্ৰচাৰ কৰি থাকে আৰু বিপদত পৰে আলোচনাৰ বাটকটীয়া সকল।

যেনে ধৰক পৰেশ বৰুৱা আলোচনালৈ অহা বা নহাৰ প্ৰশ্নটো। আমি কাম কৰিছোঁ অসমৰ ৰাইজৰ হকে আৰু সংযুক্ত মুক্তি বাহিনীৰ লগত যোগাযোগ কৰি। পৰেশ বৰুৱাৰ কথাটো সংযুক্ত মুক্তি বাহিনীৰ বাবে গুৰুত্বপূৰ্ণ হ'ব পাৰে। কিন্তু সেই বিষয়ে আমি বিশেষ মতামত দিয়াৰ পৰা বিৰত থকাই ভাল। সেইটো সংযুক্ত মুক্তি বাহিনীৰ আভ্যন্তৰীণ সমস্যা বুলি এৰাই যোৱাই বুদ্ধিমানৰ কাম হ'ব।

নহ'লে "পৰেশ বৰুৱা নাহিব পাৰে", "সাৰ্বভৌমত্ব নিদিলে তেওঁ কিয় আহিব", "পৰেশ বৰুৱা সামৰিক গোটৰ নেতা হিচাবে সংগঠনত তেওঁৰ শক্তি আটাইতকৈ বেছি" আদি মন্তব্য সাড়ম্বৰে প্ৰচাৰ কৰি চৰকাৰৰ লগত ভিতৰুৱা

যোগাযোগ থকা অথবা চাঞ্চল্য সৃষ্টিৰে চমক সৃষ্টি কৰিব খোজা সাংবাদিকে এনে এক ধাৰণা ৰাইজৰ মাজত সৃষ্টি কৰে যে আমাৰ উদ্যোগ পৰেশ বৰুৱাৰ সন্মতি অবিহনে অনিশ্চিত আৰু অৰ্থহীন। ৰাইজৰ মাজত এনে ধাৰণা সৃষ্টি হ'লে চৰকাৰে আলোচনাৰ আয়োজন অনিৰ্দিষ্ট কাললৈ পিছুৱাই থাকিব পাৰে। আৰু এনেকৈয়ে এদিন সকলো ফুটুকাৰ ফেনত পৰিণত হ'ব পাৰে। সেয়ে চৰকাৰে পতা ফান্দত আমি যাতে ভৰি নিদিওঁ, খোজ দিওঁতে সাৱধান হ'ব লাগিব।

আমাৰ নিজৰ ভিতৰত এনে মোহক প্ৰশ্ৰয় দিয়াৰ প্ৰয়োজন নাই যে সংযুক্ত মুক্তি বাহিনীৰ পূৰ্বৰ শক্তি অটুট আছে। ছংদ্ৰুপ জাংখাৰৰ পৰা চলোৱা ভাৰতীয়-ভূটানী সেনাৰ যৌথ অভিযানে সংযুক্ত মুক্তি বাহিনীৰ সামৰিক শক্তি ভালেখিনি হ্ৰাস কৰিলে। শীৰ্যস্থানীয় কেইবাগৰাকীও নেতা কাৰাবন্দী, কেইগৰাকীমান তথাকথিত "নিখোজ"। বাকী থকা সকলো সম্প্ৰতি বহু পৰিমাণে নিৰুৎসাহ। এই পৰিস্থিতিৰ সুযোগ লৈ চৰকাৰে আলোচনাটোক মামুলি "শান্তি আলোচনা"লৈ পৰ্য্যুবসিত কৰিব খোজে। কিন্তু আমি ভূমিপুত্ৰ সকলে জানো এনে সিদ্ধান্তই ভৱিষ্যত বিদ্ৰোহৰ জুই নুমাব নোৱাৰিব। যিহেতু এনে আলোচনাৰ জৰিয়তে অসমবাসীৰ অস্তিত্বৰ মূল সমস্যাবোৰৰ সমাধান নহ'ব, সি আৰু প্ৰবল ৰূপ লৈ জ্বলি উঠিব আৰু চৰকাৰৰ লগতে পুনৰ্বাৰ সৰ্বসাধাৰণক জ্বলাই মাৰিব। সেইবাবেই আমি হিংসাত্যাগ আৰু আত্মসমৰ্পণকে একমাত্ৰ কাৰ্যসূচী হিচাবে নলৈ আলোচনাৰ জৰিয়তে অসমৰ মূল সমস্যাবোৰৰ স্থায়ী সমাধানৰ উপায় উলিয়াবলৈ বিচাৰিছোঁ। কাৰাৰুদ্ধ নেতা সকল আমাৰ লগত এই ক্ষেত্ৰত একমত। তাৰ বাবেই পূৰ্বচৰ্তহীন আলোচনাৰ প্ৰস্তাৱ দিয়া হৈছে।

দুখৰ বিষয়, নানা কাৰ্যকৰী (practical, technical) আৰু আইনগত বাধা-বিঘিনি উল্লেখ কৰি চৰকাৰে আলোচনাৰ ক্ষেত্ৰত বিলম্ব হোৱাৰ যুক্তি প্ৰদৰ্শন কৰে। যেনে কাৰাৰুদ্ধ নেতা সকলৰ মুক্তি ন্যায়ালয়ৰ কৰ্তৃত্বাধীন, চৰকাৰে একো কৰিব নোৱাৰে। অথবা নিষিদ্ধ সংগঠনৰ লগত আলোচনা আইনমতে অবৈধ বা অসাৰ্থক। এনেবোৰ বাধা-বিঘিনি যদিও আছে, সেইবোৰ সদিচ্ছা থকা চৰকাৰে দূৰ কৰিব নোৱাৰাৰ কাৰণ নাই। এইবোৰ কথাকে আকৌ একাংশ মাধ্যমে এনেধৰণে অতিৰঞ্জিত কৰি ৰাইজক আভুৱা ভাঁৰে, যেন তেনে বাধা অলংঘণীয়।

শাসক শ্ৰেণীৰ এনে মনোভাবৰ বাবে সহজে বা সোনকালে আলোচনা আৰম্ভ নহ'বও পাৰে। কিন্তু অসমৰ ৰাইজৰ মংগল তথা অসমৰ ভৱিষ্যত চিন্তা কৰি আমি ধৈৰ্য্য হেৰুৱাব নালাগিব। আমাৰ সকলোৰে ঐক্যবদ্ধ অধ্যৱসায়ৰ জৰিয়তে আমি জেঙাবোৰ মাৰিব লাগিব। আপোনালোক সকলোৰে বিচক্ষণ দিহা পৰামৰ্শ, নিষ্ঠাৱান পৰিশ্ৰম, আন্তৰিক দেশপ্ৰেমে আমাক শেষ লক্ষ্যত উপনীত কৰাব। আমাৰ ৰাইজখনে তৃণমূলৰ পৰা আমাক শক্তি, সাহস, উৎসাহ যোগাব— যদিহে ছদ্মবেশী অত্যুৎসাহী বন্ধুৰ হঠকাৰিতা আৰু অলপ ধতুৱা নৈৰাশ্যবাদৰ পৰা আমি নিজকে ৰক্ষা কৰিব পাৰোঁ।

আমাৰ সন্মানীয় নতুন সদস্য সকলে অসমৰ বিভিন্ন অঞ্চলত আঞ্চলিক পৰ্যায়ত ফলপ্ৰসূ আলোচনাৰ বাবে সংগঠিত আন্দোলনৰ গুৰি ধৰিব লাগিব। আমি আশা কৰিব পাৰোঁ যে দেশৰ মাটিত আমাৰ ভৰিৰ খোপনি থাকিলে কোনেও আমাক ভূলুণ্ঠিত কৰিব নোৱাৰিব আৰু মীমাংসা হ'লে এই বিশেষ সমস্যাৰ সমাধানৰ উপৰি আমাৰ ৰাজনীতি নিকা আৰু জনগণৰ বাবে মংগলময় হ'ব, আমাৰ অৰ্থনীতি সতেজ হ'ব, আমাৰ জাতীয় অস্তিত্ব সুনিশ্চিত আৰু সুৰক্ষিত হ'ব।

এইখিনি কথাকে কৈ আমি প্ৰথমে আমাৰ দেশপ্ৰেমিক, অভিজ্ঞ আৰু বিচক্ষণ নতুন সদস্য সকলক আমাৰ মাজলৈ আদৰিলোঁ, আৰু ভৱিষ্যতে সকলোৰে নিষ্ঠা আৰু যুটীয়া উদ্যোগে নতুন অসমৰ ভিত্তি স্থাপন কৰিব বুলি আশাৰে মোৰ বক্তব্য সামৰিলোঁ। ইতি—

হীৰেন গোহাঁই

২৪/৪/২০১০ মুখপাত্ৰ, সন্মিলিত জাতীয় অভিবৰ্তনৰ

গুৱাহাটী দিক্ নিৰ্ণায়ক সমিতি।

এঘাৰ মেই তাৰিখে প্ৰকাশ পোৱা পৰেশ বৰুৱাৰ বিবৃতি সম্পৰ্কে

আমি পৰেশ বৰুৱাৰ অধীনত জীৱন উছৰ্গা কৰি যুঁজ কৰি যাম বুলি কোনোকালেই শপত খোৱা নাছিলোঁ যে তেওঁক আমাৰ প্ৰতিটো উক্তি বা কামৰ বাবে কৈফিয়ৎ দিবলৈ বাধ্য হ'ম। কিন্তু ২৪ এপ্ৰিলৰ সন্মিলিত জাতীয় অভিবৰ্তনৰ সাফল্যত বিচলিত হৈ তেওঁ যিদৰে তাৰ বিকৃত অপব্যাখ্যা প্ৰকাশ কৰি আছে, সি অসমৰ শক্তিশালী গৰিষ্ঠসংখ্যক ৰাইজৰ মনত পুনৰ বিভ্ৰান্তিৰ জন্ম দিব পাৰে বুলিয়েই এই অৰ্থহীন বিতৰ্কত পুনৰ অৱতীৰ্ণ হৈছোঁ।

শ্ৰীমান বৰুৱাই তেওঁৰ হঠকাৰী চিন্তা আৰু কাৰ্যকলাপৰ বিৰোধিতা কৰা মানুহক মানসিক ৰোগীৰ আখ্যা দিয়াটোৱে তেওঁৰে মানসিক স্বাস্থ্যৰ পৰিচয় দিছে নে ৰুগ্ন কল্পনাৰ (Delusion) লক্ষণ প্ৰকট কৰিছে, ৰাইজেই ভালদৰে বুজি পাব।

তেওঁ দাবী কৰিছে যে সংযুক্ত মুক্তি বাহিনীয়ে কেতিয়াও কাৰো সহায় বিচৰা নাই। অৰ্থাৎ তেওঁৰ মতে আমি উপযাচি এই দায়িত্ব কান্ধ পাতি লৈছোঁ। কিন্তু এই কথা কোনে নাজানে যে জামিনত মুক্ত হৈ উপ-সভাপতি প্ৰদীপ গগৈ আৰু প্ৰচাৰ সচিব মিথিংগা দৈমাৰীয়ে অসমৰ বহু কেইজন বিশিষ্ট লোকক লগ ধৰি আলোচনাৰ স্থবিৰতা দূৰ কৰিবলৈ অনুৰোধ কৰিছিল। তেতিয়া পৰেশ বৰুৱাই নিজেই তেওঁলোকৰ সেই উদ্যোগক শলাগিছিল। আমিও তেওঁলোকৰ আন্তৰিক আহ্বানত সঁহাৰি দিহে এঘাৰজন নাগৰিক মিলি আলোচনা পুনৰ আৰম্ভ কৰাৰ পৰিৱেশ ৰচনা কৰিবলৈ বিচাৰিছিলোঁ।

শ্ৰীমান বৰুৱাই দাবী কৰিছে যে সাৰ্বভৌমত্বৰ বাহিৰে আন কোনো বিকল্পতে সংযুক্ত মুক্তি বাহিনীৰ আগ্ৰহ নাই। কিন্তু কেইবছৰমান পূৰ্বে তেওঁ নিজেই বিবৃতি দিছিল যে "সাৰ্বভৌমত্বৰ বিষয়ে আলোচনা কৰা মানে

সাৰ্বভৌমত্ব দি দিয়া নহয়।” (সেই মন্তব্য তেওঁ কেতিয়াও ভুল বুলি প্ৰত্যাহাৰ কৰা নাই।)

নিজে-নিজে কিছুমান কথা শিকি লৈ সকলো জানিলো বুলি ভবা স্বয়ম্ভু পণ্ডিতৰ (auto-didact) দৰে পৰেশ বৰুৱায়ো আমাক “সাৰ্বভৌমত্ব” সম্পৰ্কে জ্ঞান দিবলৈ ওলাইছে। তেওঁৰ মতে এখন দেশৰ স্বাধীন ৰাষ্ট্ৰ স্থাপন হোৱাৰ পিছত বহিঃশত্ৰুৰ পৰা দেশৰ জনগণক সুৰক্ষা দিয়াৰ ক্ষমতাই সাৰ্বভৌমত্ব। এনে ধাৰণা আংশিকভাৱেহে সত্য। প্ৰকৃততে সাৰ্বভৌমত্ব এখন দেশৰ ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা, যাক আভ্যন্তৰীণ বা বাহিৰৰ কোনো শক্তিয়ে বৈধভাৱে প্ৰত্যাহ্বান জনাব নোৱাৰে। আজিৰ আন্তৰ্জাতিক পৰিস্থিতিত সেই ধাৰণাৰো কিছু গড়াখহনীয়া হ'বলৈ ধৰিছে। উদাহৰণ স্বৰূপে ইউৰোপীয়ান য়ুনিয়নৰ সদস্য-ৰাষ্ট্ৰসমূহে কিছুমান ক্ষেত্ৰত এই ক্ষমতা কিছু পৰিমাণে স্বেচ্ছাই এৰি দিয়া কথাটো সুধী সমাজত সুপৰিচিত। সেয়ে পৰিৱৰ্তিত পৰিস্থিতিত এনে ধৰণৰ কথা আলোচনাৰ মেজত উঠিলে আচৰিত নহয়। আৰু এটা কাৰ্যকৰী তাৎপৰ্য তথা কথা এয়ে যে বাহিৰৰ শত্ৰুক বাৰু শ্ৰীমান বৰুৱাই বাধা দিব খুজিছে, কিন্তু দেশৰ ভিতৰত জনগণৰ তেজ শোহা অসাধু ব্যৱসায়ী-মহাজন, ঠগবাজ, ঠিকাদাৰ আদিৰ প্ৰতি তেওঁৰ মনোভাৱ যোৱা ত্ৰিছ বছৰেই পৰিষ্কাৰ হ'ল জানো?

কানাডাৰ কুইবে'ক ৰাজ্যত ফৰাচীভাষী ৰাজ্যখন স্বাধীন হ'ব নে নহ'ব তাকে লৈ গণভোট হোৱা কথাটো আমি নিজেই সন্মিলিত জাতীয় অভিৱৰ্তনত উল্লেখ কৰিছিলোঁ। কিন্তু মন কৰিবলগীয়া কথা এয়ে যে কানাডাৰ চৰকাৰে নিজেই স্বেচ্ছাই আৰু আন্তৰিকতাৰে সেই গণভোটৰ আয়োজন কৰিছিল। বাস্তৱ সত্য এয়ে যে ভাৰত চৰকাৰে এনে গণভোট নাপাতে আৰু কেনেবাকৈ পাতিলেও তাৰ ফলাফল পৰেশ বৰুৱাই মানি লোৱাৰ আশা নাই। তেওঁ বোধহয় ৰাষ্ট্ৰসংঘই তেনে গণভোটৰ আয়োজন কৰা বিচাৰিব। কিন্তু দুখৰ কথা, ৰাষ্ট্ৰসংঘ যি চনদৰ আধাৰত গঠিত, তাত আন ৰাষ্ট্ৰৰ ইচ্ছাৰ বিৰুদ্ধে তাৰ আভ্যন্তৰীণ ব্যাপাৰত হস্তক্ষেপ নকৰাৰ ঘোষণাহে আছে।

এনেধৰণৰ গণভোট অনুষ্ঠিত হ'বলৈ কেতিয়াবা বলবান অথচ বন্ধুভাবাপন্ন বিদেশী ৰাষ্ট্ৰৰ পৰোক্ষ সহায়ৰ প্ৰয়োজন হয়। সাম্প্ৰতিক কালত

তেনে কোনো প্ৰভাৱশালী ৰাষ্ট্ৰই অসমত গণভোট পাতিবলৈ ভাৰত চৰকাৰক বুজনি দিব বুলি মনে নধৰে। (ইষ্ট তিমৰত অষ্ট্ৰেলিয়াৰ হেঁচাত ইণ্ডোনেছিয়াই গণভোট পাতিছিল।) সাতে-সোতৰই বহুতে বিচৰাৰ দৰে চৰ্তহীন আলোচনাৰ প্ৰতিহে সংযুক্ত মুক্তি বাহিনীয়ে সন্মতি জনোৱা উচিত বুলি ভাবোঁ। লগতে কওঁ দীৰ্ঘকাল ধৰি ভীমবিক্ৰমে শ্ৰীলংকাৰ সেনাবাহিনীৰ লগত যুঁজ দি, মাজে সময়ে চমকপ্ৰদ বিজয় সাব্যস্ত কৰিও অৱশেষত এল-টি-টি-ইয়ে সময়োচিত সিদ্ধান্ত ল'ব নোৱাৰাৰ ফলত নিজেও নিঃশেষ হ'ল, শ্ৰীলংকাবাসী তামিল সকলৰো আশা-আকাঙ্ক্ষা বহু কাললৈ নিৰ্বাপিত কৰিলে। এইবোৰ শিক্ষা আওকাণ কৰাৰ ফলো অসমৰ বাবে ভয়ংকৰ হ'ব। ইতিমধ্যে অৰাজকতাই অসমীয়া সমাজৰ বিস্তৰ ক্ষতি সাধন কৰিছেই। আৰু কিছুদিন এই অৱস্থা বৰ্তি থাকিলে জাতিৰ আৰ্থিক, সাংস্কৃতিক আৰু নৈতিক ভেটি উচ্ছন্ন হ'ব। আলোচনাৰ বিৰোধিতাৰ পৰা ন্যস্ত স্বাৰ্থ লাভৱান হ'ব, আৰু অসমৰ নামেই নুমাব পাৰে।

সত্তৰৰ দশকত অসমত নিশ্চয় স্বৰ্গসুখ বিৰাজ কৰা নাছিল। পৰেশ বৰুৱাই তেতিয়া টাংগুটি, ভটাগুটি খেলি দৌৰি ফুৰিছিল। তেতিয়াই আমি শোষণধৰ্মী ভাৰতীয় ৰাষ্ট্ৰৰ নানা কেৰোণৰ বিষয়ে নিৰন্তৰ লিখা-মেলা কৰি নানা গালি-গঞ্জনা, অনাদৰ-অৱহেলা, সমাজৰ প্ৰভাৱশালী মহলৰ পৰা পাই আছিলোঁ। আৰু সেই সময়তো হঠকাৰী সমগ্ৰ বিপ্লৱক সমৰ্থন জনোৱা নাছিলোঁ। তাৰ পিছত আহিল অসম আন্দোলনৰ সৰ্বগ্ৰাসী ধল, তাতো কেতবোৰ অশুভ লক্ষণ দেখি মাত মাতিছিলোঁ। অসম আন্দোলনৰ মাজৰ পৰাই ওলাই আহি সংযুক্ত মুক্তি বাহিনীয়ে যেনে ধৰণৰ সামাজিক আৰু ৰাজনৈতিক প্ৰস্তুতি আৰু সংগঠনেৰে আগবাঢ়ি সামগ্ৰিক পৰিস্থিতি নিজৰ অনুকূল কৰি ল'ব লাগিছিল, সেই প্ৰয়োজনীয় সুশৃংখল পৰিশ্ৰম নকৰি কেৱল বাহুবল আৰু বাক্যবলেৰে আগবাঢ়ি তেওঁলোক নিজেই বিপৰ্যয়ৰ সন্মুখীন হ'ল আৰু অসমৰ ৰাইজকো চৰম দুৰ্দশাৰ মাজলৈ ঠেলি দিলে। যি কোনো কাণ্ডজ্ঞান থকা মানুহেই স্বীকাৰ কৰিব যে সত্তৰৰ দশকত অসমৰ অৱস্থা যদি স্বস্তিকৰ নাছিল এতিয়াৰ সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতি তাতকৈ বহু বেছি ভয়ংকৰ। কেন্দ্ৰ তথা ভাৰতীয় (আৰু অসমীয়া) শোষকশ্ৰেণীৰ স্বৈৰতন্ত্ৰী প্ৰৱণতাক সংযুক্ত মুক্তি বাহিনীৰ ভ্ৰান্ত কাৰ্যপন্থাই ক'ত বাধা দিব

পাৰিব, অধিক শক্তিশালীহে কৰিলে। সেই কথাবোৰ বৰুৱাই কঠোৰ আত্মসমালোচনাৰে উপলব্ধি কৰিলেই মংগল। সি যি নহওক, তেওঁলোকৰ দেশপ্ৰেমৰ আৱেগেই সংযুক্ত মুক্তি বাহিনীৰ গৰিষ্ঠ সংখ্যক নেতৃত্বক নতুন চিন্তাৰ প্ৰতি উদ্বুদ্ধ কৰাটো শুভ লক্ষণ। আৰু ভুল নকৰিলে অসমৰ ৰাইজে তেওঁলোকক আশীৰ্বাদ দিব।

তেওঁলোকৰ গুৰুসকলৰ পৰা সংযুক্ত মুক্তি বাহিনীৰ নেতাসকলে অসমৰ ইতিহাসৰ কেতবোৰ অপৰীক্ষিত আৰু আধা কেঁচেলুৱা ব্যাখ্যাকে বেদবাক্য বুলি গ্ৰহণ কৰিছিল। দুটামান উদাহৰণ দিয়া ভাল হ'ব। ভাৰতৰ জাতীয় কংগ্ৰেছৰ নেতৃত্বত সৰ্বভাৰতীয় গণ আন্দোলনত চামিল নোহোৱালৈকে ঔপনিবেশিক যুগত অসমৰ নেতৃত্ব আছিল ব্ৰিটিছৰ অনুগ্ৰহপ্ৰাৰ্থী, আপোচকামী, সুবিধাভোগী, মধ্যবিত্তৰ হাতত। ভাৰতৰ স্বাধীনতা আন্দোলনত যোগ দিয়াৰ পিছতহে অসমত শ্ৰমজীৱী ৰাইজে প্ৰকৃত স্বাধীনতাৰ আভাস পাইছিল আৰু সেইবাবেই কুশল কোঁৱৰ, ঠগীৰাম সুত, ৰাউতা কছাৰী, মদন নাথ, কমলা মিৰি প্ৰমুখ্য অনেকেই ভাৰত ত্যাগ আন্দোলনত প্ৰাণাহুতি দিছিল। তেনেকৈয়ে অসমে স্বাধীনতাৰ অৰ্থ উপলব্ধি কৰিছিল। পিছলৈ সমগ্ৰ ভাৰতৰে জাতীয় নেতৃত্ব বৃহৎ দেশী-বিদেশী পুঁজিৰ অনুগত হৈছিল। তাৰ ফল সমগ্ৰ ভাৰতৰ জনগণে ভোগ কৰিছে আজিও। অসমৰ প্ৰতি অৱহেলা-বঞ্চনাৰ ধাৰা আৰম্ভ হ'ল তেতিয়াই। ১৯৪৬ চনত কংগ্ৰেছৰ একাংশ নেতাই অসমক গ্ৰুপিঙৰ কবলত পেলাব ধৰোঁতে, মহাত্মা গান্ধীয়ে সবলভাৱে তাৰ বিৰুদ্ধে অসমৰ প্ৰতিৰোধক সমৰ্থন জনাইছিল। আনহাতে এই চেলুতে অসমৰ বিচ্ছিন্নতা বিচৰা নেতাসকলে কোনো জনসমৰ্থন পোৱা নাছিল। এনেবোৰ তথ্যৰ আংশিক বিৱৰণ আৰু ভ্ৰান্ত ব্যাখ্যাৰেই অসমৰ স্বাধীনতা সংগ্ৰামৰ সপক্ষে "ইতিহাস" গঢ় দিছে সংযুক্ত মুক্তি বাহিনীয়ে।

সন্মিলিত জাতীয় অভিবৰ্তনৰ সৰ্বসন্মত উপলব্ধি আৰু সিদ্ধান্ত এয়ে যে ভাৰত ৰাষ্ট্ৰৰ বৰ্তমান ব্যৱস্থাগত ৰূপত অসমৰ মৌলিক সমস্যা তথা দাবীসমূহ পূৰণ নহ'ব। সেয়ে সুদূৰপ্ৰসাৰী সংস্কাৰৰ কথা ভবা হৈছে, যাতে অসমৰ বিভিন্ন জনগোষ্ঠীৰ সমূহ ৰাইজে মুক্তভাৱে উন্নয়নৰ সিদ্ধান্তসমূহ ল'ব পাৰিব,

নিজৰ জাতীয় অস্তিত্ব সুৰক্ষিত কৰিব পাৰিব। অথচ ভাৰতীয় জনগণৰ বিৰুদ্ধে অন্ধ আক্ৰোশৰ উদ্‌গীৰণৰো অৱকাশ নাথাকিব।

সেয়ে শ্ৰীমান বৰুৱাক কথাবোৰ নিৰ্মোহভাৱে পুনৰ্বিবেচনা কৰিবলৈ আহ্বান জনালো। ৰং ঘৰৰ বাকৰিত অলপতে এজন কলেজ-অধ্যক্ষই কোৱা দৰে "গৈগৈ চৰকাৰ আমাৰে চৰকাৰ" বুলি তেওঁ মানি লোৱাৰ প্ৰয়োজন নাই, কিন্তু সেই কলেজ অধ্যক্ষজনে যেতিয়া কয় যে সন্মিলিত জাতীয় অভিৱৰ্তন প্ৰকৃতাৰ্থত জাতিৰ আৱেগ-অনুভূতিৰ সন্মিলিত আৰু নিভাঁজ প্ৰকাশ, তেওঁ মন দি শুনা ভাল হ'ব।

(১২/৫/১০)

অসমৰ জাতীয় মুক্তি সংগ্ৰামলৈ ড° হীৰেন গোহাঁইৰ অৱদান শূন্য

জাতীয় অভিবৰ্তন সন্দৰ্ভত আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই প্ৰকাশ কৰা বক্তব্যক প্ৰত্যাহ্বান জনাই অভিবৰ্তনখনৰ অন্যতম আহ্বায়ক তথা বিশিষ্ট চিন্তাবিদ ড° হীৰেন গোহাঁয়ে প্ৰকাশ কৰা 'পৰেশ বৰুৱাৰ অধীনত জীৱন উছৰ্গা কৰাৰ শপত লোৱা নাছিলোঁ' শীৰ্ষক লেখাক আজি আলফাৰ সামৰিক প্ৰধানজনে ওলোটাই প্ৰত্যাহ্বান জনাইছে। ড° গোহাঁইক সমালোচনা কৰি আলফাৰ শীৰ্ষ নেতাজনে প্ৰেৰণ কৰা বিবৃতিটোত আজি ড° গোহাঁইৰ অসমৰ সন্মিলিত জাতীয় মুক্তি সংগ্ৰামখনলৈ অৱদান শূন্য বুলি মত প্ৰকাশ কৰিছে। আলফাৰ মুখ্য সেনাধ্যক্ষজনে বিশিষ্ট চিন্তাবিদ ড° গোহাঁইৰ সমালোচনাৰ প্ৰত্যুত্তৰত কয়— 'আলফাত কোনো ব্যক্তি বিশেষৰ ওচৰত কোনোৱে শপত লোৱাৰ নীতি নাই, দলৰ লক্ষ্য-উদ্দেশ্য আৰু নীতি-আদৰ্শৰ ওচৰতহে শপত লোৱা হয়। ড° হীৰেন গোহাঁইদেৱৰ লগত মোৰ নীতি-আদৰ্শৰ পাৰ্থক্য থকাৰ বাবেই তেওঁ একেবাৰে ব্যক্তিগত পৰ্যায়লৈ গৈ মোক ৰুগ্ন কল্পনাৰ আৰু স্বয়ম্ভু পণ্ডিত বুলি আখ্যায়িত কৰিছে। তাত মোৰ ক'বলগা একো নাই। বিশ্বৰ বহু বিজ্ঞ লোকে কয়— আনক হীন বুলি ভবাজনেই প্ৰকৃততে হীন। মান্যবৰ ড° হীৰেন গোহাঁইদেৱক পুনৰবাৰ ক'ব বিচাৰো যে আলফাই অসমৰ কোনো বুদ্ধিজীৱীৰ ওচৰত 'সাৰ্বভৌম স্বাধীন অসম'ৰ হৈ মাত মতাৰ বাবে কাহানিও সহায় ভিক্ষা কৰা নাই বুলিহে মই উল্লেখ কৰিছিলোঁ। আমাৰ দলৰ সন্মানীয় উপ-সভাপতি মহাশয় আৰু প্ৰচাৰ সচিবে আপোনাৰ ওচৰলৈ সহায়ৰ ভিক্ষা খুজিবলৈ যোৱা নাছিল। অসমৰ এজন বিশিষ্ট চিন্তাবিদ আৰু অসমীয়া হিচাপে আপোনাক অসম-ভাৰত ৰাজনৈতিক সংঘাত মীমাংসাৰ স্বাৰ্থত পূৰ্বতে থমকি ৰোৱা আলোচনাৰ পথ প্ৰশস্ত কৰাৰ

বাবে আগবাঢ়ি আহিবলৈ অনুৰোধহে কৰিছিল। সেইটোক যদি আপুনি ভিক্ষা খোজা বুলি ভাবি লয় তেন্তে ভাবিবলৈ বাধ্য হ'ম অসমৰ জাতীয় মুক্তি সংগ্ৰামখনক আপুনি কি মূল্যৰে মূল্যাংকন কৰে। সাৰ্বভৌমত্ব সন্দৰ্ভত আপোনাক জ্ঞান দিয়াৰ ধৃষ্টতা আমাৰ নাই। মোৰ পূৰ্বৰ বিবৃতিটোত তেনে কোনো ইংগিত নাছিল (প্ৰয়োজনত আপুনি আকৌ এবাৰ চকু ফুৰাব পাৰে)। মই মাথোঁ ক'ব বিচাৰিছিলো আৰু এতিয়াও ক'ব বিচাৰো যে সঠিকভাৱে জনাৰ পিচতো জনগণৰ ওচৰত অসমৰ বুদ্ধিজীৱী মহলে সাৰ্বভৌমত্বৰ বিষয়টোক ব্যাখ্যা নকৰি সদায়ে জটিলকৈ উপস্থাপন কৰি আহিছে। সাৰ্বভৌমত্বৰ সংজ্ঞা আপুনি বা মই আৱিষ্কাৰ কৰা নাই। আন দহজনৰ দৰে আপুনিও কিতাপত পঢ়িছে, ময়ো। গতিকে তাকে লৈ এজনে আনজনক জ্ঞান দিবলগা আছে বুলি ভবাৰ থ'ল নাই। সকলো বিষয় আপুনি কিয় নিজৰ গালৈ টানি নি মোক অগণতান্ত্ৰিক মানসিকতাৰ লোক বুলি গুৱাল-গালি পাৰিছে বোধগম্য নহয়। আপোনাক কিবা সুধিবলগা থাকিলে বাতৰি কাকতৰ যোগেদি পোনপটীয়াকৈ সোধাৰ নৈতিক সাহস মোৰ আছে, পূৰ্বতে মই সেইভাৱেই মতামত বিনিময় কৰি আহিছোঁ।' ড° গোহাঁয়ে সময়ৰ সোঁতত নিজৰ নীতি সলনি কৰি অহা বুলি মত প্ৰকাশ কৰি পৰেশ বৰুৱাই বিবৃতিটোত সকলে কয়— 'আপোনাৰ শেহতীয়া মন্তব্যৰ পৰা এজন অহংকাৰী লোকৰ প্ৰতিচ্ছবিহে ফুটি উঠিছে। তাক কল্পনা কৰিবলৈও অসুবিধা হয়। মই এজন স্বয়ম্ভূ পণ্ডিত, অগণতান্ত্ৰিক মানসিকতা, মানসিক ৰোগী যিয়েই নহওঁ কিয় তাক সময়ে বিচাৰ কৰিব। কিন্তু এটা কথা গৌৰৱেৰে ক'ব পাৰো যে মই আদৰ্শৰ সৈতে কাহানিও আপোচ কৰা নাই, অসমৰ খিলঞ্জীয়া জনগণক কেতিয়াও প্ৰতাৰণা কৰা নাই। এক লক্ষ্য-উদ্দেশ্য, নীতি-আদৰ্শৰে মই নানা প্ৰতিকূল পৰিৱেশতো জীৱন অতিবাহিত কৰিছোঁ। কিন্তু অলেখ সুযোগ-সুবিধাৰ, জ্ঞানৰ পোহৰ পোৱাৰ পিচতো আপুনি নিজৰ নীতিত অবিচলিত হৈ থাকিব পৰা নাই। সময়ৰ সৈতে সলনি হৈছে আপোনাৰ চিন্তাধাৰা। পূৰ্বতে আপুনি সাম্যবাদী দৰ্শনত ইমানেই গভীৰভাৱে বিশ্বাসী আছিল যে ছোভিয়েট ৰাছিয়া অমৰ বুলি ভাবিছিল। কিন্তু আপোনাৰ সেই বিশ্বাস নিটিকিল। তথাপি পৰৱৰ্তী কিছুদিনলৈ আপোনাৰ চিন্তা-চৰ্চাত সাম্যবাদী দৰ্শনৰ ছায়া জনগণে দেখিবলৈ পাইছিল। কিন্তু, শেহতীয়াকৈ বাতৰি কাকতসমূহত আপুনি

পুঁজিপতি আৰু সাম্ৰাজ্যবাদী আমেৰিকাৰ যি গুণ বখানিবলৈ আৰম্ভ কৰিছে তাক দেখি চকু কপালত উঠিবলৈ বাধ্য হৈছে। বাৰিষাৰ বতৰৰ দৰে নীতি-আদৰ্শ সলনি কৰাসকল সুবিধাবাদী। ঔপনিবেশিক ভাৰতীয় ৰাজনীতিত এনে উদাহৰণ অযুত। এনে চিন্তাই কোনো সমাজৰ উন্নতি সাধিব নোৱাৰে যদিহে চিন্তাবিদে নিজৰ চিন্তাক ব্যৱহাৰিকভাৱে প্ৰয়োগ কৰিব নোৱাৰে। এজন চিন্তাবিদৰূপে অসমত আপুনি নমস্য। কিন্তু আপোনাৰ চিন্তাৰ কোনো ব্যৱহাৰিক ফল অসমবাসীয়ে আজিও ভোগ কৰিব পৰা নাই। আপুনি সময়ৰ সোঁতত নিজৰ নীতিক সলনি কৰি আহিছে আপুনি ক'ব বিচাৰিছে, আপোনাৰ প্ৰতিটো মতামত আৰু পদক্ষেপেই সঠিক। এইখিনিতে অতীতৰ কথা টানি ক'বলগীয়া হৈছে। '৬২ চনৰ চীন-ভাৰতৰ যুদ্ধৰ সময়ত আপুনি আপোনাৰ সেই কালৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহপাঠী থুইংলাংগেন মুইভাৰ আগত ব্যক্ত কৰিছিল যে চীনে অসমখন চিৰদিনৰ বাবে অধিকাৰ কৰি ল'ব। তেওঁ কৈছিল যে চীনে নিজৰ সামৰিক পাৰদৰ্শিতা আৰু পৰাক্ৰম দেখুৱাই আঁতৰি যাব। আপোনাৰ একালৰ সেই সহপাঠীয়ে পিচত আমাক আপোনাৰ ভুল বিশ্লেষণৰ কথা কৈছিল। গতিকে কোনে জানে এই মুহূৰ্তত আপুনি কৰা অনুমানো ভুল হ'ব পাৰে। অসমৰ জনগণে আৰম্ভ কৰা প্ৰতিটো আন্দোলনকে আপুনি নিজে সমালোচনাহে কৰিছে, কিন্তু তাৰ সঠিক দিক্‌নিৰ্দেশনা দিবলৈ ব্যৰ্থ হৈ আহিছে। অসমৰ স্বাধীনতা উদ্ধাৰৰ সংগ্ৰামখনে নানা ঘাত-প্ৰতিঘাত নেওচি এই পৰ্যায়ত উপনীত হৈছে। সংগ্ৰামখনৰ মূল লক্ষ্য-উদ্দেশ্যটোকে একেবাৰতে নস্যাৎ কৰি আপুনি অসমৰ খিলঞ্জীয়া জনগণক কি ধৰণৰ সুবিধা লাভৰ কথা কৈছে? আমি আগতেও কৈছো যথেষ্ট সুযোগ আৰু সক্ষমতা থকা সত্ত্বেও অসমৰ সন্মিলিত জাতীয় মুক্তি সংগ্ৰামখনলৈ আপোনাৰ অৱদান শূন্য। সেয়ে আপুনি নিমিষতে অসমৰ খিলঞ্জীয়া জনগণৰ অধিকাৰক ধূলিস্যাৎ কৰি অসমৰ স্বাধীনতাৰ প্ৰস্তাৱক নাকচ কৰিলে। অসমৰ যি স্বাধীনতাৰ প্ৰস্তাৱক আমাৰ সন্মানীয় সভাপতি মহাশয় আৰু সাধাৰণ সম্পাদক মহাশয়ে ৰাষ্ট্ৰসংঘৰ মজিয়াত নিজে গৈ উপস্থাপন কৰিলে তাক আপুনি একেবাৰতে নাকচ কৰিলে। আপোনাৰ সেই গণতান্ত্ৰিক অধিকাৰক শ্ৰদ্ধা কৰিও কওঁ— খিলঞ্জীয়া মানুহৰ সেই অধিকাৰক নাকচ কৰাত আমাৰ ক'বলগীয়া নিশ্চয় থাকিব। আপুনি যিহেতু

স্বাধীনতাবিৰোধী, গতিকে অসমৰ স্বাধীনতাকামী জনগণে আপোনাৰ চিন্তাৰ পৰা উপকৃত নোহোৱাটোৱেই স্বাভাৱিক। যি সংগ্ৰামৰ এক তেজৰঙা ইতিহাস আছে সেই সংগ্ৰামৰ এনে অপমান কোনো কাৰণতে সহ্য কৰিব নোৱাৰো। আপুনি আপোনাৰ পথত আগবাঢ়ক, আমি আমাৰ সংগ্ৰামৰ পথেৰে আগবাঢ়িম, সময়ে নিৰূপণ কৰিব সফলতা আৰু বিফলতা। আপুনি অসমৰ স্বাধীনতাবিৰোধী বুলি নিজেই ঘোষণা কৰিছে, গতিকে আপোনাৰ লগত মোৰ মতপাৰ্থক্য নথকাটোহে অস্বাভাৱিক। সেই বুলি পুথিগত শিক্ষাৰে আনৰ জ্ঞানক মাপকাঠীৰে জোখাটো কোনো মাৰ্ক্সীয় দৰ্শনে কোৱা নাই। পুথিগত শিক্ষাৰে আপুনি মহাত্মা গান্ধীতকৈয়ো বেছি ওপৰত। ব্যৱহাৰিক শিক্ষাইহে আচল কথা। বিশেষ পুথিগত শিক্ষা নথকাকৈয়ে আমাৰ একালৰ সতীৰ্থ কনক গগৈয়ে নিজৰ যি উদ্ভাৱনী শক্তিৰে ন ন বৈজ্ঞানিক যন্ত্ৰ আৱিষ্কাৰ কৰিছে সিয়েই প্ৰমাণ কৰে ডিগ্ৰী নথকাকৈয়ো এজন লোক শিক্ষিত হ'ব পাৰে। বাঙালী জাতিৰ পিতা শ্বেখ মুজিবৰ ৰহমানে দুবাৰ মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পিচতহে উত্তীৰ্ণ হৈছিল। সৌ সিদিনালৈকে বিশ্বৰ আটাইতকৈ ধনী ব্যক্তিৰূপে পৰিচিত কম্পিউটাৰ বিজ্ঞানলৈ বিপ্লৱ কঢ়িয়াই অনা বিল গেট্‌ছ কোনো কলেজৰ ডিগ্ৰীধাৰী ব্যক্তি নাছিল। গতিকেই নিজৰ আৰ্জিত শিক্ষাৰে আনৰ ব্যৱহাৰিক শিক্ষাক উদগনি দিয়াটোহে সন্মানীয় ড° হীৰেন গোহাঁইদেৱৰ দৰে ব্যক্তিৰ পৰা আশা কৰিছিলোঁ। এষাৰ কথা নক'লেই নহয় যে ৩০ বছৰীয়া সশস্ত্ৰ সংগ্ৰামে এই পথৰ বহু কথাই আমাক শিকাইছে। সেই ব্যৱহাৰিক শিক্ষাৰ আলোকেৰে মই কিছু প্ৰাসংগিক কথা কোৱাত যদি কোনোবাই অহংকাৰী বুলি গণ্য কৰে তেন্তে মোৰ উপায় নাই। এই পথ সন্মানীয় গোহাঁইদেৱে ভবাতকৈ বহু কঠিন আৰু জটিল। এই পথৰ জটিলতাক বুজিবলৈ অধ্যয়ন আৰু সমালোচনাই যথেষ্ট নহয়। এটা কথাত সন্মানীয় ড° হীৰেন গোহাঁইদেৱে হয়তো মোৰ স'তে সহমত প্ৰকাশ কৰিব যে নেতৃত্বৰ পৰিপক্কতা তিনি-চাৰি বছৰতে নাহে। সেইটোৰ সুযোগ লৈয়ে ঔপনিবেশিক ভাৰত চৰকাৰে বিদেশী খেদা আন্দোলনটোৰ অপৰিপক্ক নেতাকেইজনক দুজনমান বুদ্ধিজীৱীৰ সহায়ত আলোচনালৈ নি এখন তথাকথিত চুক্তিৰ সহায়ত অসমৰ এক সম্ভাৱনাক হত্যা কৰিলে। এইটো ঔপনিবেশিকতাৰ এক চিৰাচৰিত কৌশল। আজিও সেই প্ৰক্ৰিয়া আলফাৰ ক্ষেত্ৰত চলাবলৈ এচামে

উঠিপৰি লাগিছে। কিন্তু আলফাৰ নেতৃত্ব ইমান কেচেলুৱা নহয়। আলফাৰ কোনো নেতাই অসমৰ ক্ষমতাত বহিবলৈ বিপ্লৱ কৰা নাই। অসমৰ স্বাধীনতাক জনগণৰ উপভোগৰ বাবে আনি দিয়াটোহে আমাৰ লক্ষ্য। সেই প্ৰচেষ্টাত ভৰি নিদিয়াৰ বাবেই আমাৰ ওপৰত জাপি দিয়া হৈছে কলংক। তাৰ বাবে মই সামান্যও বিচলিত নহয়। কাৰণ পৃথিৱীৰ স্বাধীনতা সংগ্ৰামসমূহৰ ইতিহাসত স্বাধীনতা সংগ্ৰামীসকলৰ ওপৰত কলংক জাপি দিয়াটো কোনো নতুন কথা নহয়। মাননীয় ড° হীৰেন গোহাঁইদেৱে আৰু কৈছে যে জাতীয় অভিৱৰ্তনৰ প্ৰস্তাৱসমূহে মোক অস্বস্তিত পেলাইছে। তাৰমানে সেইটোৱেই আপোনালোকৰ অন্তৰ্নিহিত উদ্দেশ্য আছিল নেকি? সেইবাবেই আমি আমাৰ সন্দেহ পূৰ্বতেই ব্যক্ত কৰিছিলোঁ। সেই জাতীয় অভিৱৰ্তনত এচাম অসমপ্ৰেমী সচেতন লোকে আপোনালোকৰ পূৰ্ব নিৰ্ধাৰিত প্ৰস্তাৱসমূহক সচেতনতাৰে বিৰোধিতা নকৰা হ'লে আপোনালোকে চৰকাৰে বিচৰামতেই আগবাঢ়িলহেঁতেন। (এইখিনিতে কৈ থোৱা ভাল যে সেই অভিৱৰ্তনৰ সকলো উদ্যোক্তাৰে পূৰ্ব নিৰ্ধাৰিত প্ৰস্তাৱ সম্পৰ্কে জ্ঞান নাছিল।) অসমপ্ৰেমী জনগণৰ হেঁচাত শেষত আপোনালোকে মতামতসমূহ সলনি কৰিবলৈ বাধ্য হ'ল যাৰ বাবে তৰুণ গগৈদেৱে নিজৰ মতে কামটো নোহোৱাৰ বাবে জাতীয় অভিৱৰ্তনখনলৈ আঙুলি টোঁৱাবলৈ বাধ্য হ'ল। আলফাত বিভাজন অনাৰ বাবেই এচামে আমুক আলোচনাবিৰোধী, তামুক আলোচনাপন্থী বুলি প্ৰচাৰ চলাই গৈছে। এই কথা আপোনাক জনাই থ'ব বিচাৰো যে আলফাৰ কোনো নেতা-সদস্যই আলোচনাবিৰোধী নহয় আৰু সাৰ্বভৌমত্বৰ বিষয়টোক আওকাণ কৰি পঠিওৱা হৈছে যদিও প্ৰস্তাৱসমূহ আলফাই সন্মানসহকাৰে বিবেচনা কৰিব। কিন্তু ভাবি নল'ব সকলোবোৰ আপোনালোকে ভাবি লোৱামতেই হ'ব। গতিকেই মই বিব্ৰত হোৱা বা নোহোৱাটোৱে আপোনালোকক নিশ্চয় আমনি নকৰিব। মই গণভোটৰ ৰায়ক মানি নল'ম বুলি যি মন্তব্য আগবঢ়াইছে সি অতি পূৰ্বানুমানমূলক। বৰ বেছি পূৰ্বানুমান কৰি মতামত আগবঢ়োৱাটোৱে বাৰু অতি পণ্ডিতালিকে বুজোৱা নাইনে? সময়লৈ অপেক্ষা কৰিবলৈ কোৱাৰ বাহিৰে ইয়াত মোৰ ক'বলৈ একো নাই। হয়, মই কৈছিলো আৰু অসমৰ খিলঞ্জীয়া জনগণেও ভাবে 'সাৰ্বভৌমত্ব'ৰ ওপৰত আলোচনা হ'লেই দিয়াটো নুবুজায়। তাত ভুলটো ক'ত? আজিও মই তাকেই

কওঁ। আলোচনাত যদি 'সাৰ্বভৌম স্বাধীন অসম' নাপাওঁ তেন্তে দিবলৈ বাধ্য নোহোৱালৈকে আমাৰ সংগ্ৰাম অব্যাহত থাকিব। 'সাৰ্বভৌম স্বাধীন অসম'ৰ কোনো বিকল্পৰ সম্পৰ্কে আলফাই কেতিয়াও বিবেচনাৰ কথা কোৱা নাই।' বিবৃতিটোত আলফা নেতাজনে ড° গোহাঁইক অসমৰ বিভিন্ন আন্দোলনৰ ইতিহাসলৈ চকু দিবলৈও আহ্বান জনায়। এই সন্দৰ্ভত আলফাৰ নেতাজনে কয়— 'আপোনাৰ শৈশৱ আৰু মোৰ শৈশৱৰ মাজত বহু পাৰ্থক্য হয়তো আছে। মই শৈশৱ কেৱল টাংগুটি খেলি আৰু ৰঙীণ পখিলা খেদিয়েই অতিক্ৰম কৰা নাই। আপুনি নাজানিলেও বহুতেই জানে ময়ো টাংগুটি খেলি থকাৰ সময়ৰ পৰাই নানা সামাজিক কামত নিজকে নিয়োজিত কৰিছিলো যাৰ পৰাই মোৰ আজিৰ সংগ্ৰামী-জীৱনৰ কুচ-কাৱাজ আৰম্ভ হৈছিল। মই টাংগুটি খেলি থকাৰ সময়ৰ পৰাই আপুনি এজন সচেতন ব্যক্তি বুলি শুনি আহিছো আৰু সেইবাবেই আপুনি আমাৰ হৃদয়ত আজিও এজন নমস্য ব্যক্তিত্ব। অসমৰ শোষণ আৰু বঞ্চনাৰ অনুভৱক মাত্ৰ বুকুতে আবদ্ধ নাৰাখি তাৰ প্ৰতিবাদ কৰিবলৈ আগবাঢ়ি অহাতেই মোৰ প্ৰতি আপোনালোকৰ ইমান ক্ষোভ। অসমৰ বিভিন্ন আন্দোলনৰ ইতিহাসবোৰলৈ এবাৰ পুনৰ চকু ফুৰাই চাওক, বন্দুক কিন্তু হঠাতে হাতত তুলি লোৱা হোৱা নাছিল।'

অসমীয়া প্ৰতিদিন, ১৫ মে, ২০১০

সন্মিলিত জাতীয় অভিৱৰ্তনৰ বিৰুদ্ধে অপপ্ৰচাৰৰ প্ৰত্যুত্তৰ

"হীৰেন গোহাঁই অহংকাৰী", 'হীৰেন গোহাঁইৰ জাতীয় মুক্তি আন্দোলনত অৱদান শূন্য" —এইবোৰ কথাৰে শ্ৰীমান পৰেশ বৰুৱাই কি প্ৰমাণ কৰিবলৈ ওলাইছে তেৱেঁই জানো। জাতিৰ ত্ৰাণকৰ্তাৰ ভাওত আমি অৱতীৰ্ণ হোৱা নাই। সমূহ অসমীয়া ৰাইজে তথা আন-আন অসমবাসীয়ে এতিয়া শান্তি বিচাৰিছে। হয়, শান্তি। সেনাৰ অত্যাচাৰ, গুপ্তহত্যা, এইবোৰৰ বিপৰীতে ধেমাজিৰ শিশু হত্যা, সঞ্জয় ঘোষৰ হত্যাকাণ্ড আদি চলি থকাৰ ফলতে আমাৰ ৰাজ্যৰ ৰাজনীতিত অভূতপূৰ্ব দুৰ্নীতি, সমাজ জীৱনত বিভিন্ন ধৰণৰ মাৰাত্মক স্খলন আৰু সংস্কৃতিত অৱক্ষয় অবাধে বিয়পি গৈছিল। অথচ অসমৰ "জাতীয় মুক্তি"ৰ সংগ্ৰাম যে এখোজো আগবাঢ়িব পৰা নাছিল, সন্দেহ নাই। তেনে পৰিস্থিতিৰ পৰা ৰক্ষা পৰিবলৈ সকলোৱে হামৰাও কাঢ়িছে।

অৱশ্যে যিকোনো চৰ্তৰ বিনিময়ত শান্তি নহয়। সংযুক্ত মুক্তি বাহিনীৰ বিনাচৰ্তে আত্মসমৰ্পণৰ বিনিময়ত শান্তি নহয়। কেতবোৰ অৰ্থনৈতিক "পেকেজ"ৰ ফুচুলনি মানি আৰু কেতবোৰ ভুৱা "সুৰক্ষা"ৰ প্ৰতিশ্ৰুতিত ভোল গৈ নহয়। সন্মনজনক ভাবে, অৰ্থাৎ অসমৰ থলুৱা ৰাইজৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে কিছুমান মজবুত, স্থায়ী ব্যৱস্থা আয়ত্ত কৰাৰ জৰিয়তে। সেইবোৰ ব্যৱস্থাৰ জৰিয়তে নিজকে পুনৰ চম্ভালি লৈ কিছুকাল জাতীয় অৱক্ষয় ৰোধ কৰিব পৰা হ'ব, কিছুকাল সুস্থিৰ উন্নয়ন, কৰ্মসংস্থান প্ৰাকৃতিক সম্পদৰ সুষম, উপকাৰী ব্যৱহাৰ, ৰাইজৰ অভাৱ-অভিযোগ মোচন কৰাৰ কিছু অৱকাশ নিশ্চিত কৰিব পৰা যাব। তেনে সুযোগ আৰু ক্ষমতাৰ সদ্ব্যৱহাৰ কৰাৰ দায়িত্ব অসমৰ সমূহ ৰাইজৰ। ইয়াত হীৰেন গোহাঁইৰ ব্যক্তিগত দোষ-দুৰ্বলতাৰ কথা অপ্ৰাসংগিক।

মন কৰিবলগীয়া কথা এয়ে যে এয়া এজন ব্যক্তিৰ একান্ত ব্যক্তিগত খামখেয়ালী কথা নহয়। বিভিন্ন পটভূমিৰ, বিভিন্ন জীৱিকাৰ, বিভিন্ন ৰাজনৈতিক আদৰ্শ আৰু মানসিকতাৰ এঘাৰজন অসমীয়া মানুহে প্ৰস্তুত কৰা কৰ্মসূচী আৰু প্ৰস্তাৱ। সকলোৰে ঐক্যসূত্ৰ এইটো যে বৰ্তমানৰ ক্ষয়িষ্ণুতাৰ পৰা, অশান্তিৰ পৰা, ৰাজ্যখনৰ জনগণক সকাহ দিয়াৰ ঐকান্তিক আকাঙ্ক্ষাৰ আটাইকেইজন একগোট হৈছে। হীৰেন গোহাঁই মাত্ৰ যোগাযোগৰ উদ্যোক্তা আৰু এই দেশহিতৈষী লোকসকলৰ মুখপাত্ৰ।

জাতীয় অভিৱৰ্তনৰ প্ৰতি অভূতপূৰ্ব সঁহাৰিয়ে— তাত উপস্থিত লোকতকৈও অধিক সংখ্যক লোকে ফোন, চিঠিপত্ৰ আদিৰ জৰিয়তে আৰু সোঁশৰীৰে এইসকলক লগ ধৰি প্ৰচেষ্টাটোত উৎসাহ দিছিল—— প্ৰমাণ কৰিছিল যে এনে এক উদ্যোগ সকলোৱে বিচাৰিছে। চৰকাৰী স্বৈৰতন্ত্ৰৰ সুযোগ দিয়া অৰাজকতা, ইত্যাদি ঘটনাই জাতীয় মুক্তি সম্ভৱ নকৰে, বিপদৰ পৰা আঁতৰি থকা কেতবোৰ বাক্যবীৰে যিমানেই তাত চাটু কবিতাৰে উদগনি নিদিয়ক।

সংযুক্ত মুক্তি বাহিনীৰ দুজন প্ৰতিনিধিয়ে অসমৰ বিভিন্ন নেতৃস্থানীয় ব্যক্তি, লেখক, শিল্পী, সাহিত্যিক, বুদ্ধিজীৱীক লগ ধৰি আলোচনাৰ স্থবিৰতা দূৰ কৰিবলৈ কৰা অনুৰোধেহে আমাক এই কামত উদ্যোগী হ'বলৈ উৎসাহিত কৰিছিল। শ্ৰীমান বৰুৱাই কৈছিল যে সংযুক্ত মুক্তি বাহিনীয়ে কেতিয়াও কাৰো পৰা সহায় বিচৰা নাই। (নিজৰ লিখা সাধুতাৰে আৰু উকিলৰ বুদ্ধি বৰ্জন কৰি পঢ়ি চালে তেওঁ কথাটোৰ সত্যতা উপলব্ধি কৰিব) এনে এক ৰাজনৈতিক সংগঠন যদি কেতিয়াবা হয়ো, তাৰ ধ্বংস অপৰিহাৰ্য। কাৰণ গণতান্ত্ৰিক লক্ষ্য থকা সকলো সংগঠনক আনৰ সহায়, জনগণৰ সমৰ্থন দৰকাৰ।

আলোচনা পুনৰ আৰম্ভ কৰিবলৈ যি উদ্যোগ হাতত লোৱা হৈছে, তাক কলংকিত কৰিবলৈ আমাৰ বিৰুদ্ধে কেতবোৰ ভিত্তিহীন অভিযোগ আৰু ভুৱা সাক্ষ্য প্ৰমাণ শ্ৰীমান পৰেশ বৰুৱাই উত্থাপন কৰিছে। সেইবোৰ জঞ্জাল আঁতৰাই নেপেলালে অপঁইতা পাঠকৰ মনত উদ্যোগটোৰ প্ৰতিয়েই সন্দেহ থাকি যাব। অলপ কথা জানি বুজিয়েই সকলো বুজা বুলি ভাবি লোৱা "স্বয়ম্ভু পণ্ডিত"ৰ যুগ এইটো। বৰুৱা তেনে বিশেষণত স্বাভাৱিকতে ক্ষুণ্ণ। কিন্তু তেওঁ তলত দিয়া কথাবোৰ গমি চালেই দেখিব আমাৰ বিস্তৃত লিখা-মেলাৰ বিষয়ে

একো নজনাকৈয়ে বা সেইবোৰৰ কোনো ভূ-ভা নোলোৱাকৈ তেওঁ কেনেকৈ আমাক অন্যায় কৰিছে।

তেওঁ কৈছে যে এসময়ত সাম্যবাদৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি আৰু ছোৱিয়েট ৰুছিয়াক "অমৰ বুলি ভাবি" আজি মই আমেৰিকাৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰিছোঁ!! তেওঁৰ এই উক্তিয়ে প্ৰমাণ কৰে যে তেওঁ মোৰ চিন্তা-ভাবনা আৰু ৰচনাৱলী সম্পৰ্কে একোকে নাজানে। সত্তৰৰ দশকৰ পৰা ৰুছ সাম্যবাদৰ আমোলাতান্ত্ৰিক বিকাৰ আৰু অৱক্ষয় সম্পৰ্কে মই সংশয় আৰু উদ্বেগ প্ৰকাশ কৰি আছিলোঁ। ১৯৯০ চনত গৰ্বাচভৰ দ্বাৰা অনুসৃত নীতিয়ে যি তথাকথিত মুক্ত অৰ্থনীতিৰ প্ৰৱৰ্তন কৰিছিল, তাৰ প্ৰতিক্ৰিয়াত ৰুছ সাম্যবাদী দলৰ আমোলাসদৃশ নেতাসকলে যি অভ্যুত্থান ঘটাইছিল, তাক লগে লগেই ভাৰতৰ প্ৰতিষ্ঠিত বামপন্থী দলবোৰে তাঁৰবাৰ্তাৰ দ্বাৰা অভিনন্দন জনাইছিল। মই কিন্তু লিখিছিলোঁ যে ছোৱিয়েট সাম্যবাদৰ ৰোগৰ ইমান সহজে নিৰাময় নহ'ব। সেই অনুমান সঁচা প্ৰমাণিত হ'ল। য়েল্ট্ছিনৰ দৰে মদাহী পুঁজিবাদৰ প্ৰতিনিধি এজনে শুদা হাতেৰেই সেই অভ্যুত্থানৰ অৱসান ঘটাইছিল। কিন্তু সাম্যবাদী ভাবাদৰ্শৰ প্ৰতি আস্থা মোৰ এতিয়াও অটুট।

আমেৰিকাৰ বিষয়ে মোৰ মতামত "আখ্যানৰ আঁৰৰ আমেৰিকা"ত প্ৰকাশ পাইছে। তাত মাৰ্কিন পুঁজিবাদৰ পৰা সাধাৰণ মানুহৰ হোৱা দুখ-দুৰ্দশা আৰু বিপদ সম্পৰ্কে যথেষ্ট তথ্য আছে। অলপতে তেজপুৰত "জ্যোতিপ্ৰসাদ আৰু বিশ্বশান্তি" শীৰ্ষক ভাষণত মই মাৰ্কিন সাম্ৰাজ্যবাদক তীব্ৰ ভাষাত আক্ৰমণ কৰিছোঁ বিশ্বজোৰা অশান্তিৰ বাবে। যোৱা দহ বছৰৰ অধিককাল মই সম্পাদনা কৰা "নতুন পদাতিক" আলোচনীত মাৰ্কিন সমাজ আৰু ৰাষ্ট্ৰৰ সমালোচনা বহুবাৰ প্ৰকাশ পাইছে। সেইবুলি পুঁজিবাদী মাৰ্কিন সমাজৰ যিখিনি ভাল চিন আৰু প্ৰশংসনীয় কীৰ্তি—— সেইখিনি অগ্ৰাহ্য কৰিবলৈ গ'লে জনা মানুহে হাঁহিব।

"জাতীয় মুক্তি আন্দোলন" মানে যদি অসমক স্বাধীন কৰাৰ আন্দোলন, তেনেহ'লে তাত মোৰ যে সামান্যও বৰঙণি নাই, মানিবলৈ মোৰ কোনো দ্বিধা নাই। কিন্তু অসমৰ মানুহক যে ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰা হৈছে, ভাৰতীয় নাগৰিকৰ উচিত অধিকাৰৰ পৰাও বঞ্চিত কৰা হৈ আছে, তেনে ধৰণৰ বিশ্লেষণ আৰু আলোচনা বিস্তৰ কৰিছোঁ। তাকে লৈ বামপন্থী

বন্ধুসকলৰ লগতো মোৰ মতভেদ হৈছে। এইবোৰ কথাৰ খবৰ শ্ৰীমান বৰুৱাই ৰখা নাই। তদুপৰি সত্তৰৰ দশকৰ শেষৰ পিনে জাতীয় ভাবাৱেগে যি হিংস্ৰ, উগ্ৰ জাতীয়তাবাদী ৰূপ ল'লে, তাৰ বিৰুদ্ধে জ্যোতি-বিষ্ণুৰ উদাৰ, সহনশীল, গণতান্ত্ৰিক জাতীয়তাবাদ সমৰ্থন কৰি অনবৰত লিখি থকা সকলৰ ভিতৰত মই আগশাৰীত আছোঁ। অসমৰ নানা সাম্প্ৰদায়িক, জনগোষ্ঠীগত সংঘাতৰ উপশম ঘটাবলৈকো যে মই পাৰ্যমানে চেষ্টা কৰিছোঁ, বহুতে জানে।

থুই লুংগান মুইভাই চীনা আক্ৰমণ সম্পৰ্কে মোৰ অনুমান খণ্ডন কৰাৰ গাঁজাখুৰি গল্প তেওঁ ক'ত শুনিলে নাজানোঁ। মুইভা কেতিয়াও মোৰ সহপাঠী নাছিল আৰু মই গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়াও নাছিলোঁ। উচ্চতৰ মাধ্যমিকৰ (তাহানিৰ I.A.) পিছৰ পৰা বাহিৰতে শিক্ষা লাভ কৰিছিলোঁ। চীনৰ অভিপ্ৰায় সম্পৰ্কেও তেতিয়া মতামত দিয়াৰ পৰিপক্কতাও মোৰ নাছিল।

"স্বয়ম্ভু পণ্ডিত" বুলি ইংগিত দিয়াত শ্ৰীমান বৰুৱা ক্ষুণ্ণ হৈছে। তাৰ বাবে মই দুঃখিত। কিন্তু আজিকালিতো স্বয়ম্ভু পণ্ডিতৰে যুগ। বিশেষ একো নপঢ়াকৈ, নজনাকৈ, নভবাকৈ মুক্তকণ্ঠে আৰু তাড়স্বৰে টি-ভি চেনেলত মতামত প্ৰকাশ কৰা এনে কিছুমান স্বয়ম্ভু পণ্ডিতৰ লক্ষণ।

"সাৰ্বভৌমত্ব"ৰ কথাটোকে চাওক। বৰুৱাই কৈছে যে সাৰ্বভৌমত্ব সম্পৰ্কে ইতিমধ্যে কিছু লোকে ক'ব লগা খিনি কৈয়েই গৈছে। যদি সেয়ে হয় ভাৰতৰ ভূখণ্ডৰ যিকোনো অংশৰ ওপৰত ভাৰতৰাষ্ট্ৰই তাৰ সাৰ্বভৌমত্ব ইমান সহজে এৰি দিব বুলি তেওঁ কেনেকৈ ভাবিব পাৰিলে? তেওঁৰ মতে আলোচনাৰ অৰ্থ অসমক কেতিয়া কেনেকৈ সাৰ্বভৌমত্ব দিব পাৰি সেই বিষয়ে আলোচনা!! আৰু এনে আলোচনা সফল নহ'লে পুনৰ "সশস্ত্ৰ সংগ্ৰাম"ৰ পথ ল'বলৈ বাধ্য হ'ব সংযুক্ত মুক্তি বাহিনী। আলোচনাৰ এনে অপূৰ্ব ব্যাখ্যা আগতে শুনা নাছিলোঁ। আমাৰ মতে আলোচনাত এৰা-ধৰা থাকেই। বিনা চৰ্তে আলোচনাত বহি সংযুক্ত মুক্তি বাহিনীয়ে তেওঁলোকৰ সৰ্বোচ্চ দাবী উত্থাপন কৰিব পাৰে, কিন্তু যুক্তি বিচাৰ, বিশ্লেষণ, তথ্য প্ৰমাণ, এইবোৰৰ বিনিময়ৰ পিছত এৰা-ধৰাও কৰিব পাৰে।

"সাৰ্বভৌমত্ব" সম্পৰ্কে পশ্চিমৰ বাহিৰৰ দেশবোৰত নতুন চিন্তা-চৰ্চা হোৱা ভাল। পুঁজিবাদ আৰু একচ্ছত্ৰী ৰাষ্ট্ৰ গঠিত হোৱাৰ পিছত সপ্তদশ শতাব্দী মানৰ পৰা ধাৰণাটো প্ৰভাৱশালী হৈ উঠে পাশ্চাত্যত। সামন্ত যুগত

ৰাষ্ট্ৰৰ চৰিত্ৰ আছিল বেলেগ। ৰাজশক্তি, সামন্তপ্ৰভু সকল, চাৰ্চ (Church)ৰ মাজত ক্ষমতা বিভক্ত হৈ আছিল। জাতিভিত্তিক ৰাষ্ট্ৰ গঠিত হোৱাৰ পিছত জনগণৰ সাৰ্বভৌম ক্ষমতাৰ (Popular Sovereignty) ধাৰণা প্ৰবল হয় আৰু প্ৰতিনিধিত্বমূলক সংসদ আদিৰ মাজেৰে তাৰ প্ৰকাশ হয় বুলি ধৰি লোৱা হয়।

কিন্তু প্ৰাচ্যৰ দেশবোৰত আৰু এফ্ৰিকাত পশ্চিমীয়া সাম্ৰাজ্যবাদৰ বিস্তাৰৰ পূৰ্বে সমাজ আৰু ৰাষ্ট্ৰৰ গঢ়গতি বেলেগ আছিল। সাম্ৰাজ্যবাদে পূৰ্বৰ ৰাষ্ট্ৰ ধ্বংস কৰিলেও নতুন ৰাষ্ট্ৰৰ বুনিয়াদ গঢ়ি নিদিলে। ফলত প্ৰাচ্য আৰু এফ্ৰিকাত জাতীয় মুক্তি আন্দোলনৰ যোগেদি গঠিত হোৱা নবীন জাতি ৰাষ্ট্ৰবোৰত নানান পয়মাল আৰু বেমেজালিয়ে দেখা দিছে। “সাৰ্বভৌমত্ব”ৰ জৰিয়তে কোনো অঞ্চল বা জনগোষ্ঠীয়ে দেশত একচ্ছত্ৰী ক্ষমতা প্ৰতিষ্ঠা কৰি ক'ৰবাত আন জনগোষ্ঠীৰ ওপৰত ভয়ংকৰ গণ হত্যাও জাপি দিছে। সেয়ে পশ্চিমৰ ধাৰণাক বেদবাক্য হিচাবে নলৈ বিষয়টো সম্পৰ্কে আমি নতুনকৈ ভবাত দোষ নাই। পূৰ্বজ পণ্ডিত সকলৰ মত বা ধাৰণা অন্ধৰ দৰে অনুসৰণ কৰাৰ সকাম নাই। সংযুক্ত মুক্তি বাহিনীৰ লগত ভাৰত চৰকাৰৰ আলোচনাই নতুন চিন্তাৰ বাট পোহৰাই তুলিবও পাৰে।

শ্ৰীমান বৰুৱাই অভিযোগ কৰিছে যে মজিয়াৰ পৰা ৰাইজৰ একাংশৰ প্ৰতিবাদৰ ফলতহে আমি পূৰ্বে প্ৰস্তুত কৰা প্ৰস্তাৱ সলনি কৰিছোঁ। কিন্তু আগতেই ঘোষণা কৰা হৈছিল যে ৰাইজৰ পৰামৰ্শৰ ভিত্তিত সেইবোৰৰ সংস্কাৰ সাধনা কৰা হ'ব। তদুপৰি মজিয়াৰ পৰা উঠা একাংশ লোকৰ (যিসকল গৰিষ্ঠসংখ্যক নাছিল) প্ৰতিবাদ যদি আমি মানি লৈছিলোঁ, তাৰ পৰা আমাৰ গণতান্ত্ৰিক আৰু প্ৰকৃতাৰ্থত জাতীয় মনোভাবহে প্ৰকাশ পাইছিল।

যি নহওক, বৰুৱাৰ লগত তৰ্কাতৰ্কিত আৰু সময় খৰচ নকৰোঁ। কি কৰিব পাৰোঁ, চোৱা যাওক। সমুখত দুস্তৰ পাৰাবাৰ।

অসমীয়া প্ৰতিদিন, ১৮ মে, ২০১০

সাৰ্বভৌমত্ব বিষয়টো কৌশলেৰে অন্তৰ্ভুক্ত কৰা হ'ল!

"অসমীয়া প্ৰতিদিন" আৰু দুখনমান কাকতে ডাঙৰ হৰফৰ শিৰোনামাৰে ৫ মে'ই তাৰিখে প্ৰকাশ কৰিছে যে "সন্মিলিত জাতীয় অভিবৰ্তনৰ চূড়ান্ত প্ৰস্তাৱলানিত কৌশলেৰে সাৰ্বভৌমত্বৰ দাবী এৰাই চলা হ'ল।" কথাটো ভ্ৰান্তিমূলক আৰু দুৰ্ভাগ্যজনক। অলপ গমি চালেই ৰাইজে বুজি পাব যে প্ৰস্তাৱলানিত কৌশলেৰে সাৰ্বভৌমত্বৰ প্ৰশ্নটো অন্তৰ্ভুক্ত কৰা হে হ'ল।

অসমীয়া জাতিয়ে বহু দশকজোৰা বঞ্চনা আৰু অন্যায়ৰ বিৰুদ্ধে যুঁজি আছে আৰু সাফল্য লাভ নকৰা পৰ্যন্ত যুঁজি থাকিবই লাগিব। সশস্ত্ৰ সংগ্ৰামেই তাৰ একমাত্ৰ ৰূপ নহয়। আলোচনাৰ মাজেৰেও এই সংগ্ৰাম চলিব পাৰে, আৰু সংগ্ৰামৰ এনে এক পদ্ধতি অগ্ৰাহ্য কৰা ল'ৰামতীয়া হঠকাৰিতা। সমগ্ৰ জাতি এনে এক সামগ্ৰিক, বহুদিশ বিশিষ্ট সংগ্ৰামত জড়িত হৈ থাকিলেহে সংগ্ৰামৰ সাফল্যৰ ভৰসা থাকে।

আলোচনাৰ ক্ষেত্ৰত কূটনীতিৰ প্ৰয়োগ অনিবাৰ্য। বিশেষকৈ শব্দ আৰু দলিলৰ সূক্ষ্ম বিচাৰ আলোচনাৰ মেজৰ সংগ্ৰামত বিশেষকৈ সক্ৰিয় হৈ থাকে। শব্দ তথা ধাৰণাৰ ব্যাখ্যাৰে আলোচনাত লিপ্ত পক্ষ দুটাই নিজৰ-নিজৰ উপলব্ধি (Perception) আৰু দাবী উত্থাপন কৰে। বৰ্তমান ক্ষেত্ৰত "দেশ", "ৰাষ্ট্ৰ", "সাৰ্বভৌমত্ব" আদি বিভিন্ন শব্দৰ ভিন্ন-ভিন্ন ব্যাখ্যাৰে দুয়ো পক্ষই এটা মীমাংসালৈ আহিবলৈ বিচাৰে—— যাতে নিজৰ স্বাৰ্থ কম বেছি পৰিমাণে ৰক্ষা পৰে, লোকচান কম হয়, লাভ বেছি হয়। এনে ধৰণৰ কথা কেতিয়াও হ'ব নোৱাৰে যে কেতবোৰ খাৰাংখাচ দাবী কোনো পক্ষই মেজত ঢকিয়াই আন পক্ষৰ পৰা আদায় কৰিব পাৰে। তিনিবাৰকৈ যুদ্ধত আলফাৰ বিপৰ্যয় হ'ল—— তেওঁলোকৰ অতুলনীয় সাহস আৰু বীৰত্ব সত্বেও বাংলাদেশৰ নিশ্চিত আশ্ৰয়ো হেৰাল। বৰ্তমান পৰিস্থিতিত ভাবুকি দি ভাৰত চৰকাৰৰ পৰা দাবী আদায় কৰাৰ সম্ভাৱনা ক্ষীণ। সেয়ে যিহেতু নীতিগতভাৱে

কেন্দ্ৰীয় চৰকাৰে আলোচনাৰ দুৱাৰ বন্ধ কৰি দিয়া নাই, (কেৱল অজ্ঞাত কাৰণত পিচিজিৰ লগত আলোচনাতহে বেয়াকৈ গাঁঠি লাগিল), সেয়ে সন্মিলিত জাতীয় অভিৱৰ্তনৰ আহ্বান অনুসৰি আলোচনাৰ মেজত জাতীয় সংগ্ৰাম এটা পৰ্যায় চলাই গ'লেহে কিছু সাফল্যৰ মুখ দেখিব পাৰে সংযুক্ত মুক্তি বাহিনীৰ নেতাসকলে।

কিছুমান কথা মুকলিকৈ প্ৰকাশ কৰিলে শত্ৰুপক্ষৰ যে সুবিধা হয়, একোটা ক্ষুদ্ৰ, পিছপৰা জাতিয়েও জানে। নাজানে কেৱল সদায় সত্যযুগত বাস কৰি থকা অসমীয়া জাতিৰ একাংশ ধনুৰ্ধৰে। অনিচ্ছাসত্ত্বেও খোলোচাকৈ ক'বলগীয়া হ'ল যে ভাৰত চৰকাৰৰ কিছুমান শক্তিশালী মহলৰ "সাৰ্বভৌমত্ব"ৰ বিষয়ে আলোচনাত ঘোৰ আপত্তি আছে। তেওঁলোকৰ এই দুৰ্জয় বাধাৰ দেৱাল কৌশলেৰে অতিক্ৰম কৰাৰ প্ৰয়োজন আছে। "সাৰ্বভৌমত্ব" আলোচনাৰ বিষয় হ'ব লাগিব বুলি আকাশ ফটাই সভাই-সমিতিয়ে হুংকাৰ দিলেও তেওঁলোকে সুৰসুৰকৈ মানি ল'ব বুলি ভাবিবলৈ টান লাগে। আনহাতে পৰেশ বৰুৱাই নিজেই কেইবছৰমান আগতে স্পষ্টীকৰণ দিছিল যে সাৰ্বভৌমত্বৰ বিষয়ে আলোচনা কৰাৰ অৰ্থ সাৰ্বভৌমত্ব উপহাৰ দিয়া নহ'বও পাৰে। (উল্লেখ কৰা ভাল যে তাৰ আগতে আমিও কেইবাবাৰো বাতৰি কাকতৰ পৃষ্ঠাত এনে কথাকে লিখিছিলোঁ।) আজিও অসমত এনে বহু দেশপ্ৰেমিক ব্যক্তি আছে যিসকলে সাৰ্বভৌমত্ব দাবী নকৰিলেও বিষয়টো আলোচনাৰ অন্তৰ্ভুক্ত হ'ব লাগে বুলি ভাবে। সন্মিলিত জাতীয় অভিৱৰ্তনক উপলক্ষ্য কৰি তেওঁলোকে এনে মত প্ৰকাশ কৰি আছে। তেওঁলোকৰ মত আৰু ভাবাৱেগৰ প্ৰতি সন্মান জনাই দিকনিৰ্ণায়ক সমিতিয়ে সাৰ্বভৌমত্বৰ প্ৰশ্নটো আনুষ্ঠানিকভাৱে উত্থাপন কৰিছে।

কেনেকৈ, আৰু কি কৌশলেৰে, কামটো কৰা হ'ল? আমাৰ আনুষ্ঠানিকভাৱে গৃহীত প্ৰস্তাৱসমূহৰ এটা "প্ৰস্তাৱনা" আটায়ে নিশ্চয় লক্ষ্য কৰিছে। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ দৰে এই প্ৰস্তাৱনাৰো বিশেষ তাৎপৰ্য আছে। কাৰণ যেনেকৈ সংবিধানৰ প্ৰস্তাৱনাই সমগ্ৰ সংবিধানৰ ধাৰাসমূহৰ অন্তৰ্লীন ভাবধাৰা দাঙি ধৰিছে আৰু তাক অগ্ৰাহ্য কৰি সংবিধানৰ সামগ্ৰিক তাৎপৰ্য বুজা নাযায়, তেনেকৈ দিক্‌নিৰ্ণায়ক সমিতিয়ে যুগুত কৰা সুচিন্তিত প্ৰস্তাৱনা অগ্ৰাহ্য কৰিলেও নচলিব। চৰকাৰ আৰু সংযুক্ত মুক্তি বাহিনী উভয়ে

তাৰ প্ৰতি মনোযোগ দিবলৈ বাধ্য হ'ব। প্ৰস্তাৱনাটো অদৰ্কাৰী অলংকাৰ নহয়।

সেই প্ৰস্তাৱনাতে ঐতিহাসিক পটভূমিৰ বিচাৰেৰে কেনেকৈ সাৰ্বভৌমত্বৰ প্ৰশ্নটো প্ৰাসংগিক হৈ পৰিছে পৰিষ্কাৰকৈ কোৱা হৈছে। প্ৰস্তাৱনাৰ আধাৰত যিকোনো পক্ষই আলোচনাৰ মাজলৈ সাৰ্বভৌমত্বৰ প্ৰশ্নটো আনিব পাৰিব। এই কথা ঠিক যে প্ৰস্তাৱসমূহত সাৰ্বভৌমত্বৰ দাবী আলোচিত হ'বই লাগিব বুলি কোনো আগতীয়া চৰ্ত আৰোপ কৰা হোৱা নাই। কিন্তু সাৰ্বভৌমত্ব আলোচনাৰ বিষয় হ'ব নোৱাৰে বুলিও হেঙাৰ বান্ধি দিয়া নাই। এই সুযোগ গ্ৰহণ কৰিবলৈ আলোচক সকল উদ্যোগী আৰু সমৰ্থ হ'ব লাগিব।

প্ৰস্তাৱৰ নিৰ্দিষ্ট অংশত যে "বিনা চৰ্তে" আলোচনা কৰিবলৈ দুয়ো পক্ষকে আহ্বান দিয়া হৈছে, সেইটোও এই ক্ষেত্ৰত অৰ্থবহ। আন কোনো চৰ্তৰ দৰে "সাৰ্বভৌমত্বৰ দাবী আলোচনা কৰিবই লাগিব" অথবা "কোনো পধ্যেই সাৰ্বভৌমত্বক আলোচনাৰ মাজলৈ আনিব নোৱাৰিব", এনে ধৰণৰ চৰ্ত আৰোপ কৰাৰ কোনো সুৰুঙা তাত ৰখা হোৱা নাই। সেয়ে সাৰ্বভৌমত্ব সময় আৰু সুযোগ বুজি সংযুক্ত মুক্তি বাহিনীৰ নেতাসকলে টানি আনিবই পাৰিব।

আমি পুনৰ কওঁ যে আলোচনাও একেধৰণৰ সংগ্ৰাম। তাতো ছেগ বুজি যথাযোগ্য কৌশল প্ৰয়োগ কৰিব লাগিব। অসমৰ জনগণৰ সন্মিলিত জনমতক তেওঁলোকে লগত ৰাখিব পাৰিলে তেওঁলোকৰ কথাত ওজন থাকিব। মতলবী লোকৰ আঁহফলা কথাৰ জালত লাগি ধৰিলে সেই ওজন নাথাকিব।

আহ্বায়কমণ্ডলীৰ (বৰ্তমান দিক্‌নিৰ্ণায়ক মণ্ডলীৰ) কোনেও ভাৰতৰ পৰা অসমৰ বিচ্ছেদ নিবিচাৰে। সেই বিষয়ে মোৰ নিজা বক্তব্য এয়ে যে ঐতিহাসিক তথ্যৰ উপৰি (যাৰ একপক্ষীয় ব্যাখ্যা আৱেগপ্ৰসূত, তথ্যভিত্তিক নহয়) আৰু এটা কাৰণত সাৰ্বভৌমত্ব সম্পৰ্কে মোৰ উৎসাহ নাই। যোদ্ধা হিচাবে সংযুক্ত মুক্তি বাহিনীৰ নেতাসকলৰ প্ৰতি মোৰ মনত সন্মান থাকিলেও তেওঁলোকৰ ৰাজনীতি মোৰ চকুত ধূসৰ। অসম স্বাধীন ৰাষ্ট্ৰ হ'লে তেওঁলোকে তাক কেনেকৈ চলাব সেই বিষয়ে তেওঁলোকে কোনো পৰিষ্কাৰ ধাৰণা দাঙি ধৰা নাই। অসমৰ জনসাধাৰণৰ মৌলিক অভাৱ-অভিযোগ

কেনেকৈ দূৰ কৰা হ'ব, সিও অস্পষ্ট। কেনেবাকৈ স্বাধীন ৰাষ্ট্ৰত প্ৰথম অগপ চৰকাৰৰ দৰে তেওঁলোকে সাৰ্বভৌম শক্তিৰেই এচাম স্তাৱক-সমৰ্থকক স্বেচ্ছাচাৰিতা আৰু লুণ্ঠনৰ অবাধ সুবিধা দিব লাগিলে সাৰ্বভৌমত্ব অসমৰ ৰাইজৰ বাবে অভিশাপো হ'ব পাৰে।

সেয়ে আমি বিশেষজ্ঞ সমিতি কেইখনমানৰ স্পষ্ট, নিৰ্দিষ্ট পৰামৰ্শৰ ভিত্তিত সংযুক্ত মুক্তি বাহিনীয়ে কেতবোৰ বিশেষ ক্ষমতা আদায় কৰাটো বিচাৰোঁ, যাতে অসমৰ জনসাধাৰণৰ জীৱন-জীৱিকাৰ গুৰুতৰ সমস্যা দূৰ কৰাৰ অৱকাশ তেওঁলোকে পায়, আৰু ৰাইজেও আলাসত চাংপতা কল্পনাৰ ঠাইত প্ৰত্যক্ষ কৰিব পৰা, অনুভৱ কৰিব পৰা অগ্ৰগতি লাভ কৰে।

অসমীয়া প্ৰতিদিন, মে', ২০১০

পিল্লাইৰ মন্তব্যই আলোচনাৰ পৰিৱেশ নষ্ট কৰিব

(জাতীয় অভিৱৰ্তনৰ ষ্টিয়েৰিং কমিটীৰ ৰাজহুৱা বিবৃতি)

কেন্দ্ৰীয় গৃহ-সচিব গোপালকৃষ্ণ পিল্লায়ে আলফা-চৰকাৰৰ বহু প্ৰত্যাশিত শান্তি আলোচনা সন্দৰ্ভত শেহতীয়াভাৱে কৰা মন্তব্যই ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আদবাটতে স্তব্ধ হৈ পৰা শান্তি আলোচনা প্ৰক্ৰিয়া পুনৰ আৰম্ভ কৰিবৰ বাবে অহৰহ চেষ্টা চলোৱা সন্মিলিত জাতীয় অভিৱৰ্তনৰ উদ্যোক্তাসকলে পিল্লাইৰ মন্তব্যত ক্ষোভ আৰু অসন্তুষ্টি ব্যক্ত কৰিছে। উল্লেখ্য, কেন্দ্ৰীয় গৃহ সচিবজনে শেহতীয়াভাৱে দাবী কৰিছে যে শান্তি আলোচনা সন্দৰ্ভত সিদ্ধান্ত ল'বৰ বাবে কাৰাগাৰৰ ভিতৰত আলফাৰ সাধাৰণ পৰিষদৰ বৈঠক অনুষ্ঠিত হৈছে আৰু এই বৈঠকত সাধাৰণ পৰিষদৰ সৰহসংখ্যক সদস্যই অংশগ্ৰহণ কৰিছে। পিল্লায়ে এই কথাও ৰাজহুৱা কৰিছিল যে আলোচনাৰ ক্ষেত্ৰত আলফাৰ আনুষ্ঠানিক সঁহাৰিৰ বাবে ৰাজ্য চৰকাৰে অপেক্ষা কৰি আছে। পিল্লাইৰ এই মন্তব্যই বহু প্ৰত্যাশিত শান্তি প্ৰক্ৰিয়াত সংঘাতৰ পথ প্ৰশস্ত কৰিব পাৰে বুলি আশংকা কৰি সন্মিলিত জাতীয় অভিৱৰ্তনৰ উদ্যোক্তাসকলে স্পষ্ট কৰি দিয়ে যে শান্তি প্ৰক্ৰিয়াৰ দৰে জনস্বাৰ্থজড়িত আৰু ৰাইজৰ আৱেগ-অনুভূতি নিহিত হৈ থকা স্পৰ্শকাতৰ আৰু গুৰুত্বপূৰ্ণ বিষয়ত কেন্দ্ৰীয় গৃহ সচিবৰ দৰে দায়িত্বশীল উচ্চপদস্থ বিষয়াৰ এনে মন্তব্য অবাঞ্ছিত আৰু উদ্বেগজনক। সন্মিলিত জাতীয় অভিৱৰ্তনৰ কৰ্ণধাৰ সমিতিৰ ৯ গৰাকী সদস্য ক্ৰমে ড° হীৰেন গোঁহাই, ড° ইন্দিৰা (মামণি ৰয়ছম) গোস্বামী, ড° নিৰ্মল কুমাৰ চৌধুৰী, ড° ৰোহিণী কুমাৰ বৰুৱা, হিৰণ্য কুমাৰ ভট্টাচাৰ্য, হৰেকৃষ্ণ ডেকা, ইন্দিবৰ দেউৰী, খুৰছেদ আলম আৰু ৰত্নেশ্বৰ বসুমতাৰীয়ে শনিবাৰে 'আমাৰ অসম'লৈ প্ৰেৰণ কৰা এটা বিবৃতিত স্পষ্ট কৰি দিয়ে যে কাৰাগাৰৰ ভিতৰত আলফাৰ কেন্দ্ৰীয় পৰিষদৰ কোনো বৈঠক অনুষ্ঠিত হোৱা নাই। আলফাৰ গৰিষ্ঠসংখ্যক শীৰ্ষ নেতা

সম্প্ৰতি কাৰাবন্দী। চৰকাৰৰ সৈতে আলোচনা আৰম্ভ কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ আন্তৰিকতা আছে আৰু এই কথা তেওঁলোকে ইতিমধ্যে প্ৰকাশ কৰিছে। কাৰাবন্দী আলফা নেতাসকলে ইতিমধ্যে স্পষ্ট কৰি দিছে যে আলোচনাৰ ক্ষেত্ৰত সিদ্ধান্ত ল'বৰ বাবে এটা মুক্ত পৰিৱেশ অপৰিহাৰ্য। কাৰাগাৰৰ ভিতৰত থাকি আলোচনাৰ সিদ্ধান্ত লোৱা সম্ভৱ নহয়। তেওঁলোকক কাৰাগাৰৰ পৰা মুকলি কৰি নিদিয়া পৰ্যন্ত আলোচনাৰ ক্ষেত্ৰত আনুষ্ঠানিকভাৱে সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাযাব। নিৰাপত্তাৰক্ষীৰ জালত নপৰা নেতাসকলৰ প্ৰত্যক্ষ বা পৰোক্ষ অংশগ্ৰহণ অবিহনে কেন্দ্ৰীয় সমিতিয়ে কেন্দ্ৰীয় পৰিষদৰ সভা আহ্বান কৰাৰ ক্ষেত্ৰত অসুবিধা আছে। কাৰাগাৰত থাকি সাধাৰণ পৰিষদৰ বৈঠক অনুষ্ঠিত কৰা আৰু শান্তি আলোচনাৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰা বা চৰকাৰৰে আনুষ্ঠানিকভাৱে যোগাযোগ স্থাপন কৰা সম্ভৱ নহয়। বিবৃতিটোত এই বুলিও উল্লেখ কৰা হয় যে কাৰাবন্দী আলফা নেতাসকল কম-বেছি পৰিমাণে এইক্ষেত্ৰত নিশ্চিত যে মুক্ত পৰিৱেশত যদি তেওঁলোকক আলোচনাত বহাৰ সুযোগ দিয়া হয়, তেন্তে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব পৰা যাব। সন্মিলিত জাতীয় অভিৱৰ্তনৰ আহ্বায়কসকলে অভিযোগ কৰা মতে, এই গুৰুত্বপূৰ্ণ আৰু জটিল প্ৰসংগটো পিল্লায়ে ইচ্ছাকৃতভাৱে এৰাই চলিছে। আহ্বায়কসকলে এই কথাও স্পষ্ট কৰি দিয়ে যে চৰকাৰৰ তৰফৰ পৰা কোনে আলোচনাৰ পাতনি মেলিব বা কোন আলোচনাত বহিব এই সম্পৰ্কে এতিয়ালৈকে চৰকাৰৰ তৰফৰ পৰা স্পষ্টকৈ উল্লেখ কৰা হোৱা নাই। মুখ্যমন্ত্ৰীৰ সৈতে শেহতীয়াভাৱে অনুষ্ঠিত বৈঠকৰ প্ৰসংগ উল্লেখ কৰি অভিৱৰ্তনৰ আহ্বায়কমণ্ডলীয়ে বিবৃতিটোত এইদৰে কয়— 'মুখ্যমন্ত্ৰীৰ সৈতে হোৱা মুকলি আৰু মুক্ত আলোচনাত মুখ্যমন্ত্ৰীয়ে আমাক এই কথা জানিবলৈ দিছিল যে চূড়ান্ত পৰ্যায়ত কেন্দ্ৰই আলোচনাত অংশগ্ৰহণ কৰিব। ৰাজ্য চৰকাৰৰ দায়িত্ব হৈছে আলোচনাৰ বাবে এটা সহজ পৰিৱেশ সৃষ্টি কৰা আৰু প্ৰাৰম্ভিক কামখিনি সম্পন্ন কৰা। যদিওবা সম্প্ৰতি কেন্দ্ৰীয় গৃহ সচিব আৰু মুখ্য মন্ত্ৰী উভয়ে এই প্ৰসংগ এৰাই চলিছে আৰু এইক্ষেত্ৰত বিভ্ৰান্তিৰ সৃষ্টি কৰাৰ উদ্দেশ্যে লঘু মন্তব্যৰে ইচ্ছাকৃতভাৱে ভুল ব্যাখ্যা আগবঢ়াইছে, অসমৰ ৰাইজৰ আৱেগ-অনুভূতিক সন্মান জনাই এইক্ষেত্ৰত আমি স্পষ্টীকৰণ বিচৰাৰ অধিকাৰ নিশ্চয় আছে। আমাৰ ধাৰণা

মতে, আলফা অসমৰ কোনো এটা প্ৰান্তৰ এটা ক্ষুদ্ৰ উগ্ৰপন্থী গোট নহয়। অসমৰ সকলো অংশ আৰু জাতি-জনগোষ্ঠীৰ মাজত প্ৰভাৱ আৰু অস্তিত্ব আছে আলফাৰ। পিল্লাইৰ দায়িত্বহীন মন্তব্যই বহু প্ৰত্যাশিত শান্তি আলোচনা প্ৰক্ৰিয়া পুনৰ আৰম্ভ হোৱাৰ ক্ষেত্ৰত অন্তৰায় সৃষ্টি কৰিব পাৰে। গ্ৰেট ব্ৰিটেইনৰ লেবাৰ পাৰ্টিৰ চৰকাৰখনৰ পতনৰ অন্যতম প্ৰধান কাৰণ আছিল ইৰাক যুদ্ধত ব্ৰিটেইনৰ অংশগ্ৰহণ আৰু তাৰ সমৰ্থনত প্ৰধান মন্ত্ৰী টনি ব্লেয়াৰৰ টুলুঙা উক্তি।

আমাৰ অসম, ৬ জুন, ২০১০

আলফাত বিভাজনৰ উদ্দেশ্য মোৰ নাই

শ্ৰীমান পৰেশ বৰুৱাই যথেষ্ট ভদ্ৰভাৱে বাতৰি কাকত-টিভিত প্ৰকাশ পোৱা আমাৰ এটা মন্তব্য সম্পৰ্কে স্পষ্টীকৰণ বিচাৰিছে। প্ৰসংগ (CONTEXT)ৰ পৰা বিচ্ছিন্ন কৰি চালে উক্ত মন্তব্যটো অতি বিদ্বেষপূৰ্ণ আৰু প্ৰৰোচনামূলক যেন লাগে। তাৰ বাবে মই দুখিত। কিন্তু তেওঁ নিজেই বুজি পাইছে আৰু লিখিছেও যে চাঞ্চল্য সৃষ্টিৰ লোভত বা ন্যস্তস্বাৰ্থৰ প্ৰভাৱত আজিকালি সাংবাদিকে কেতবোৰ মুখৰোচক আৰু বিভ্ৰান্তিকৰ বাতৰি তৈয়াৰ কৰে। এনে বাতৰি নিৰ্মাণৰ কৌশলৰ ভিতৰত পোনপতীয়া বিকৃতি সাধনৰ উপৰি আছে প্ৰসংগৰ পৰা আঁতৰাই কোনো মন্তব্য প্ৰকাশ কৰা ৰীতি। আমাৰ মন্তব্যৰ ক্ষেত্ৰত দ্বিতীয়টো ঘটিছে।

আমাৰ অভিযুক্ত মন্তব্যত হেনো কোৱা হৈছিল— 'আলফাৰ নেতৃত্বই সাৰ্বভৌমত্বৰ ক্ষেত্ৰত এৰাধৰা কৰিবলৈ সাজু আছে, কেন্দ্ৰীয় সমিতিৰ সিদ্ধান্ত নামানিলে পৰেশ বৰুৱাই আলফা এৰিব লাগিব। ভাৰতৰ গণতন্ত্ৰ ৰক্ষাৰ স্বাৰ্থতহে আমাৰ এই উদ্যোগ....।' শ্ৰীমান বৰুৱাই সুধিছে এই 'বিভাজনকামী আৰু বিভ্ৰান্তিমূলক মন্তব্য' সঁচাকৈ মই দিছো নে নাই।

মন্তব্য যিধৰণে প্ৰকাশ পাইছে তাৰ পৰা যিকোনো পাঠক বা শ্ৰোতাৰ ধাৰণা হ'ব যে মই তৰুণ গগৈ ডাঙৰীয়াৰ সুৰত কথা কৈছো আৰু বৰুৱাক আলোচনাৰ পৰা তথা আলফাৰ অন্যান্য নেতাসকলৰ পৰা আঁতৰাই পঠাব খুজিছোঁ।

কিন্তু পৰেশ বৰুৱা অবিহনেই আলোচনা হোৱা উচিত বুলি মই ভবা নাই। উক্ত মন্তব্য দিয়া দিনাখনেই মই চি এন এন-আই বি এনৰ সংবাদদাতাৰ প্ৰশ্নৰ উত্তৰত স্পষ্টকৈ কৈছিলো যে আলফাৰ আভ্যন্তৰীণ বিষয়ে ৰাজহুৱা মন্তব্য কৰাৰ অধিকাৰ মোৰ নাই। বৰুৱা আলোচনাত জড়িত হ'ব নে নহয় সেইটো কেন্দ্ৰীয় সমিতি আৰু তেওঁৰ মাজৰ কথা। কিন্তু মই জনাত কেন্দ্ৰীয় সমিতি তেওঁক জড়িত কৰিবলৈ আগ্ৰহী আৰু ব্যক্তিগতভাৱে ময়ো তেওঁ

আহিলে ভাল পাম। মোৰ সেই মন্তব্যৰ পৰা স্পষ্ট হয় যে কোনো বিভাজনমূলক উদ্দেশ্য মোৰ নাই।

তাতকৈ ডাঙৰ কথা এইটোহে যে আলোচনাৰ জৰিয়তে মীমাংসাৰ পিনে যোৱা হ'ব বুলিও আলফাৰ কেন্দ্ৰীয় সমিতিয়েও এতিয়ালৈকে আনুষ্ঠানিকভাৱে কোনো খাটাং সিদ্ধান্ত লোৱা নাই। কাৰাবন্দী নেতাসকলক মুকলি কৰি নিদিয়ালৈকে তেওঁলোকৰ কেন্দ্ৰীয় সমিতিয়ে তেনে প্ৰস্তাৱ লোৱাৰ প্ৰশ্নই নুঠে। অৰ্থাৎ পৰেশ বৰুৱা জড়িত হ'ব নে নহ'ব সেই কথাও এতিয়ালৈকে বিশেষ প্ৰাসংগিক হৈ উঠা নাই।

তেন্তে ওপৰত উদ্ধৃত কৰা ধৰণৰ মন্তব্য আমাৰ মুখত ওলাল কেনেকৈ? আচলতে কোনো এক টিভি চেনেলৰ পৰা আমাক যিধৰণৰ প্ৰশ্ন কৰা হৈছিল, তাৰ ফলতহে আমাৰ মুখত এনে উত্তৰ ওলাইছিল। আমি চৰকাৰ আৰু আলফাৰ মাজত আলোচনাৰ পোষকতা কৰা বাবে উক্ত টিভি চেনেলৰ সংবাদদাতাই কেইটামান প্ৰশ্ন একাদিক্ৰমে কৰিছিল। যেনে— পৰেশ বৰুৱা নাহিলে কি হ'ব? তেওঁ নাথাকিলে কেন্দ্ৰীয় সমিতিৰ আলোচনাৰ সিদ্ধান্ত নিষ্ফল নহ'বনে? ইত্যাদি।

তেনেধৰণৰ 'Hypothetical' বা সম্ভাব্য পৰিস্থিতি সম্পৰ্কে কৰা প্ৰশ্নৰ উত্তৰতহে আলফাৰ সংবিধানৰ ভিত্তিত মই সেই মন্তব্য কৰিছিলোঁ। কেন্দ্ৰীয় সমিতিৰ সদস্য হিচাপে বৰুৱাই সংখ্যাগৰিষ্ঠ সদস্যৰ মত মানিবলৈ বাধ্য। যদি তেওঁ নামানে, তেওঁ হয় আলফাৰ ভিতৰতে একাষৰীয়া হ'ব, নহয় আলফা এৰিব লাগিব। এইটো সম্পূৰ্ণ নিয়ম-কানুন সম্পৰ্কীয়। টেকনিকেল কথা। এইটো পৰিণাম মই কামনা কৰো বুলি কোৱা নাছিলোঁ। উক্ত উত্তৰটোৰ পটভূমিত থকা প্ৰশ্নবোৰ নেপথ্যত ৰাখি দিয়া বাবেই পৰেশ বৰুৱা আৰু আন কিছু শ্ৰোতাৰ মনত তেনে ধাৰণা হৈছে।

'ভাৰতীয় গণতন্ত্ৰ ৰক্ষাৰ স্বাৰ্থত' আমি কাম কৰি থকা মানে কি? মই তাৰ ব্যাখ্যাও কৰিছিলো সংবাদমেলত মোৰ দীঘলীয়া বক্তৃতাৰ সময়ত। ভাৰতীয় ৰাষ্ট্ৰ যে বৰ্তমান অতিকেন্দ্ৰিক হৈ পৰিছে, জনসাধাৰণৰ সমস্যাৰ প্ৰতি নিৰ্বিকাৰ হৈ পৰিছে, তেনে বিকৃতি বা বিচ্যুতিৰ পৰা ভাৰতত গণতন্ত্ৰক উদ্ধাৰ কৰিবলৈ যে আমি সংকল্প কৰিছোঁ, মোৰ মন্তব্য আছিল সেই সুৰত বন্ধা। আলফাৰ পৰা ভাৰতীয় গণতন্ত্ৰক ৰক্ষা কৰিবলৈ আমি ৰণক্ষেত্ৰত নামিছোঁ, আমাৰ অভিপ্ৰেত অৰ্থ তেনে হ'বই নোৱাৰে। অৱশ্যে গণতন্ত্ৰৰ

বিৰুদ্ধে আলফাৰ শক্তি নিয়োজিত হ'লে আমি তেওঁলোককো তীব্ৰ সমালোচনা কৰিছো আৰু ভৱিষ্যতেও কৰিম। কিন্তু গণতন্ত্ৰৰ অৰ্থ আমাৰ বাবে পাঁচ বছৰৰ মূৰে মূৰে নিৰ্বাচন পতা আৰু ছলে-বলে-কৌশলে নিৰ্বাচনত জিকি পাঁচ বছৰলৈ ঢাহি-মুহি লুণ্ঠন কৰা নহয়।

এটা কথা প্ৰথমৰে পৰা আমি স্পষ্টকৈ কৈ আছো। সেইটো হৈছে এয়ে যে সাৰ্বভৌমত্বৰ প্ৰতি আমাৰ কোনো আকৰ্ষণ নাই আৰু (পুৰণা অৰ্থত) 'সাৰ্বভৌমত্ব' আলোচনাৰ মেজত বহি আদায় কৰিবও নোৱাৰি। সেই বিষয়টো লৈ পৰেশ বৰুৱাৰ লগত মোৰ বহুবাৰ বিতৰ্ক হৈছে। ভাৰতৰ পৰা বিচ্ছিন্নতাৰ কথা মই ভাবিব নোৱাৰো।

কিন্তু বৰ্তমানৰ ভাৰতখন যে সম্পূৰ্ণ সুস্থ ৰাষ্ট্ৰ নহয়, তাৰ ধন-ক্ষমতাৰ অধিকাৰী চামটোৱে যে ৰাষ্ট্ৰৰ নামত বা 'ভাৰত'ৰ নামত বহু অপকৰ্ম কৰি আছে, কোনো সন্দেহ নাই। আনকি সংবাদ মাধ্যমৰ ওপৰৰ স্তৰটো নানা আভ্যন্তৰীণ খৰিয়াল থকা সত্ত্বেও যে সেই দমনধৰ্মী ৰাষ্ট্ৰৰ যোগালি, তাৰ বহু প্ৰমাণ ওলাই আছে।

২১ তাৰিখে দুপৰীয়া চাৰে বাৰ বজাত দিল্লীৰ প্ৰেছ ক্লাবত আমি সন্মিলিত জতীয় অভিৱৰ্তনৰ বক্তব্য সদৰি কৰিবলৈ তথা সঁজাতী দলটোৰ উদ্দেশ্য সম্পৰ্কে জনাবলৈ এখন সংবাদমেল অনুষ্ঠিত কৰিছিলোঁ। অসমৰ সংবাদ মাধ্যমৰ দিল্লীস্থ প্ৰতিনিধিসকল আৰু তথাকথিত জাতীয় (National) কাকতৰ সংবাদদাতাকে ধৰি ৩২ জন সাংবাদিক তাত উপস্থিত আছিল শেষলৈকে। তাত আলফাৰ অভ্যুত্থানৰ পটভূমি হিচাপে ভাৰত ৰাষ্ট্ৰই অসমৰ জনগণৰ প্ৰতি কৰি অহা অন্যায়-অৱহেলাৰ নানা অভিযোগ আমি দাঙি ধৰিছিলোঁ। ৰাজধানীৰ ৰাইজ তথা ৰাজনীতিবিদসকলে কথাবোৰ জনাটো আমি বিচাৰিছিলো যাতে নীতিৰ (Policy) ক্ষেত্ৰত ডাঙৰ ভ্ৰান্তি বা অন্যায় নহয়। পিচদিনা ৰাজধানীৰ কোনো এখন কাকততে সংবাদমেলখনৰ বিষয়ে এটা শব্দও প্ৰকাশ নাপালে। অথচ অসমৰ সংবাদ মাধ্যমত সংবাদমেলৰ বিষয়ে প্ৰধানমন্ত্ৰীৰ লগত আমাৰ ৪৫ মিনিটৰ বৈঠকৰ বিষয়ে বাৰম্বাৰ বহুত কথা প্ৰকাশ কৰা হ'ল। নেপথ্যৰ পৰা ৰছী টনা মহলে অসমৰ ৰাইজক আকৌ ছলনা কৰাৰ কৌশল তৰিলে। এই লৈ পৰেশ বৰুৱাৰ বিৰক্তি হোৱা স্বাভাৱিক।

অসমীয়া প্ৰতিদিন, ২৪ জুন, ২০১০

স্বাধীনতাৰ বাবে আৰু তেজ দিবলৈ সাজু আছে আলফা

'আলফাই আন্তৰিকতাৰে অসম-ভাৰত ৰাজনৈতিক সংঘাতৰ ৰাজনৈতিক মীমাংসাত বিশ্বাসী আৰু তাৰ বাবে সদা প্ৰস্তুত। কিন্তু আলোচনাৰ নামত ইতিহাসৰ চৰম সত্যক বিক্ৰী কৰিবলৈ আলফা প্ৰস্তুত নহয়।' আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই আজি এক প্ৰেছ বিবৃতিত সেই কথা স্পষ্ট কৰি দিছে। তেওঁৰ মতে আলফাই অসমৰ খিলঞ্জীয়া জনগণৰ সহযোগত আলোচনাৰ পোষকতা কৰাৰ লগতে স্বাধীনতাৰ বাবে আৰু তেজ দিবলৈয়ো সাজু আছে। উল্লেখ্য যে ড° হীৰেন গোহাঁইৰ নেতৃত্বত অসমৰ জাতীয় অভিৱৰ্তনৰ শেহতীয়া আচৰণ সন্দৰ্ভত অসমৰ খিলঞ্জীয়া জনগণৰ অৱগতিৰ বাবে আলফাৰ মুখ্য সেনাধ্যক্ষগৰাকীয়ে আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা বিবৃতিটোত কোৱা হয় যে অসম-ভাৰত ৰাজনৈতিক সংঘাত ৰাজনৈতিকভাৱে সমাধানৰ বাবে আলফা প্ৰথমৰ পৰাই আন্তৰিক আছিল আৰু আজিও তাৰ ব্যতিক্ৰম নহয়। কিন্তু ঔপনিবেশিক ভাৰত ৰাষ্ট্ৰৰ অসহযোগিতা, অহংকাৰ আৰু দম্ভালিৰ বাবেই আলফাৰ সেই প্ৰচেষ্টা বাৰে বাৰে অপমানিত হৈ আহিছে। এচাম তথাকথিত বুদ্ধিজীৱীয়ে এই কথাটো নুবুজি বা উপলব্ধি নকৰি পাকে-প্ৰকাৰে আলফাক আপোচ কৰিবলৈ বা অন্য কথাত ঔপনিবেশিক ভাৰত ৰাষ্ট্ৰই যি বিচাৰিছে সেইধৰণে আচৰণ কৰিবলৈ আহ্বান জনাইছে। আলফা নেতাগৰাকীৰ মতে আলফাই পূৰ্বতে গঠন কৰি দিয়া পি চি জিৰ সদস্য আৰু জাতীয় অভিৱৰ্তনৰ উদ্যোক্তাসকলৰ মাজত আদৰ্শগত পাৰ্থক্য আছে। পি চি জিত জাতীয় আদৰ্শ প্ৰতিফলিত হৈছিল, কিন্তু জাতীয় অভিৱৰ্তনৰ শ্ৰদ্ধাৰ প্ৰতিনিধিসকলে নিজৰ আদৰ্শকহে প্ৰতিফলিত কৰিছে। পি চি জিৰ সদস্যসকলৰ দুজনমানক বাদ দি বাকী

সকলোৰে জনগণৰ সৈতে এক প্ৰত্যক্ষ যোগাযোগ আছে, অসমৰ খিলঞ্জীয়া জনগণৰ অধিকাৰ সন্দৰ্ভত প্ৰথমৰে পৰা তেওঁলোক সচেতন আছিল। কিন্তু জাতীয় অভিবৰ্তনৰ উদ্যোক্তাসকলৰ ক্ষেত্ৰত এইটোৰ অভাৱ। তেওঁলোকে হয়তো শুনিছে বা বাতৰি কাকতত ফটো দেখিছে ভাৰতীয় ঔপনিবেশিক ভাৰত চৰকাৰৰ অধীনস্থ দখলদাৰী বাহিনীয়ে লখিমপুৰৰ ভনীমাই দত্তৰ দৰে হেজাৰজনী অসমীয়া যুৱতীক ধৰ্ষণ কৰি হত্যা কৰাৰ কথা, কিন্তু পি চি জি সদস্যসকলৰ বহুকেইজনে তেনেধৰণৰ নিৰ্মম অত্যাচাৰৰ প্ৰতিবাদী সমদলৰ একোটা অংশ। অসমৰ খিলঞ্জীয়া জনগণে জানে পি চি জিৰ ভালেকেইজন সদস্যই অসমৰ খিলঞ্জীয়া মানুহৰ অধিকাৰৰ কথা ক'বলৈ গৈ ঔপনিবেশিক ৰাষ্ট্ৰৰ দ্বাৰা নিৰ্যাতন ভোগ কৰা ব্যক্তি। উদাহৰণস্বৰূপে সন্মানীয় মুকুল মহন্তদেৱ, ডাঃ ব্ৰজেন গগৈ ডাঙৰীয়া, অজিত ভূঞাদেৱ, লাচিত বৰদলৈ, দিগন্ত কোঁৱৰ, হিৰণ্য শইকীয়া ৰাষ্ট্ৰৰ দ্বাৰা বহুবাৰ নিৰ্যাতন ভোগা ব্যক্তি। গতিকে তেওঁলোকৰ জাতীয় সচেতনতা আৰু ঔপনিবেশিক শাসন ব্যৱস্থাৰ অভিজ্ঞতা দিল্লীলৈ যোৱা জাতীয় অভিবৰ্তনৰ প্ৰতিনিধিসকলতকৈ সন্দেহাতীতভাৱে বেছি। আলফাৰ মুখ্য সেনাধ্যক্ষগৰাকীয়ে বিবৃতিটোত লগতে কয়— 'জাতীয় অভিবৰ্তনৰ ছজনীয়া প্ৰতিনিধিসকলৰ প্ৰত্যেকেই শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত অসমৰ আকাশত একোটা ধ্ৰুৱতৰাৰ দৰে জিলিকি আছে। কিন্তু শিক্ষাই সকলো নহয়, দেশৰ স্বাৰ্থৰক্ষাৰ বাবে প্ৰয়োজন নিৰ্ভীকতা আৰু জাতীয় দায়বদ্ধতা। আমি ক'বলৈ যোৱা নাই যে এই সন্মানীয় ছজন প্ৰতিনিধিৰ জাতীয় দায়িত্ববোধ নাই। কিন্তু তেখেতসকলে যে বিগত দিনত সংকটৰ সময়ত নিজৰ জাতীয় দায়িত্ব ব্যৱহাৰিকভাৱে পালন কৰা অসমৰ খিলঞ্জীয়া জনগণে দেখা নাই। (এইক্ষেত্ৰত অতি শ্ৰদ্ধাৰে সুঁৱৰিব লাগিব যে সন্মানীয় হিৰণ্য ভট্টাচাৰ্যদেৱে বিদেশী খেদা আন্দোলনৰ সময়ত নিজৰ অমূল্য অৱদান ৰাখি থৈছে।) ৰাজনীতিৰ বহু তত্ত্ব তেখেতসকলে জানে, কিন্তু তাক কূটনৈতিক দিশত ব্যৱহাৰ কৰাত তেখেতসকল বেয়া লগাকৈ ব্যৰ্থ হৈছে। তাৰ বাবেই তেওঁলোকে জাতীয় অভিবৰ্তন আৰম্ভ হোৱাৰ আগৰে পৰাই এটাৰ পিচত এটা বিতৰ্কৰ জন্ম দি আহিছে। উদাহৰণস্বৰূপে জাতীয় অভিবৰ্তন অনুষ্ঠিত হোৱাৰ আগতেই তেওঁলোকে ঘোষণা কৰিলে— 'আমি বিচ্ছিন্নতাবাদক সমৰ্থন নকৰোঁ।' য'ত অসমৰ স্বাধীনতাৰ কথা কোৱা হৈছে,

তাত এই শব্দটোৱেই অপ্ৰাসংগিক। আকৌ ঔপনিবেশিক শাসক গোষ্ঠীৰ প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰিবলৈ যোৱাৰ প্ৰাক্‌মুহূৰ্তত বিজ্ঞ প্ৰতিনিধি দলৰ এজন সন্মানীয় সদস্যই ইলেক্ট্ৰনিক মিডিয়াৰ আগত 'আমাক স্বাধীনতা নেলাগে, স্বাধীনতাৰ আমি পোষকতা নকৰো' আদি বাক্যৰে তেখেতৰ নিজৰ স্বাৰ্থকহে প্ৰতিফলিত কৰিলে। বাক্‌ স্বাধীনতাক সন্মান কৰিও ক'ব লাগিব কিছুক্ষেত্ৰত বাক্‌ সংযমৰো প্ৰয়োজন আছে। তেওঁৰ মতক জনমত বুলি প্ৰচাৰ কৰি ঔপনিবেশিক গোষ্ঠীৰ বাহ্‌বা লোৱাৰ ই এক অপপ্ৰয়াসৰ দৰেই লাগিল। সেইধৰণৰ মন্তব্য নকৰাকৈ নিজৰ বিচক্ষণতাৰে আগবঢ়াৰ বহু সুযোগ আছিল যদিও আৱেগিকতাৰ বলি হৈ তেখেতসকলে জাতীয় স্বাৰ্থতকৈ ঔপনিবেশিক স্বাৰ্থকহে প্ৰকাৰান্তৰে সহায় কৰিলে। এই আৱেগ জাতীয় আৱেগ নহয়। যদি কোনো মানুহে অপ্ৰত্যাশিতভাৱে হঠাৎ কিবা পায়, তেতিয়াই তেনেধৰণৰ আৱেগ সৃষ্টি হয়, জাতীয় অভিৱৰ্তনৰ উদ্যোক্তাসকলৰ সেই অৱস্থাই হোৱা যেন লাগে। ঔপনিবেশিক গোষ্ঠীৰ উদ্দেশ্যই হ'ল অসমৰ মানুহখিনিক ভাগ ভাগ কৰি, নিত্য নতুন ইছ্যু বাহিৰ কৰি নিজৰ মাজত কাজিয়া লগাই থকা। সেই কথাটো ইমান বিজ্ঞ ব্যক্তিসকলে কিয় নুবজিলে সেই কথা ভাবি আচৰিত লাগে। শিক্ষাৰ দিশত মান্যবৰ জাতীয় অভিৱৰ্তনৰ প্ৰতিনিধিসকল পি চি জিতকৈ বহু আগত। কিন্তু জাতীয় দায়বদ্ধতাক প্ৰতিফলন ঘটোৱাত তেখেতসকল দুখজনকভাৱে ব্যৰ্থ হ'ল। তাৰ অন্যতম কাৰণ হ'ল খিলঞ্জীয়া জনগণৰ অৱস্থান আৰু তেখেতসকলৰ মাজত থকা বিৰাট পাৰ্থক্য। আনহাতে জাতীয় অভিৱৰ্তনৰ প্ৰতিনিধিসকলৰ কৰ্মৰত জীৱনত ঔপনিবেশিক ভাৰত চৰকাৰৰ ওচৰত সদায়েই দায়বদ্ধ আছিল, গতিকেই তাৰ প্ৰভাৱো তেখেতসকলৰ আচৰণত পৰাৰ সম্ভাৱনা আছে। কিন্তু পি চি জি সদস্যসকলৰ ভালেকেইজন সেই দায়বদ্ধতাৰ পৰা মুক্ত আছিল বাবেই অসম-ভাৰত ৰাজনৈতিক সংঘাত আলোচনাৰ মাধ্যমেৰে মীমাংসাৰ বাবে দাবী তুলিছিল, আলফাই কিয় হাতত অস্ত্ৰ তুলি লৈছে আলোচনাৰ টেবুলত তাক শুনিবৰ বাবে নহয়। এটা কথা মনত ৰাখিব লাগিব যে পি চি জিয়ে অসমৰ স্বাধীনতাৰ প্ৰস্তাৱ ভাৰতৰ প্ৰধানমন্ত্ৰীৰ ওচৰত তোলাৰ আগত বা পিচতো কোনো বিতৰ্কিত বা আলফাৰ আভ্যন্তৰীণ বিষয় সন্দৰ্ভত মন্তব্য কৰা নাছিল। জাতীয় দায়িত্ববোধৰ বাবেই তেখেতসকল আৱেগিকতাৰ পৰা মুক্ত আৰু নিৰহংকাৰী

হৈ আছে, কিন্তু ইমান জ্যেষ্ঠ আৰু অভিজ্ঞ হোৱাৰ পিচতো সন্মানীয় ড° হীৰেন গোহাঁইদেৱৰ নেতৃত্বৰ জাতীয় অভিৱৰ্তনৰ প্ৰতিনিধি দলে এইক্ষেত্ৰত বিচক্ষণতাৰ পৰিচয় দিয়াত ব্যৰ্থ হৈছে।' উল্লেখ্য যে জাতীয় অভিৱৰ্তনৰ ছজনীয়া প্ৰতিনিধি দলে দিল্লীত গৈ ঔপনিবেশিক ভাৰতৰ প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আৰু কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধীক সাক্ষাৎ কৰাৰ প্ৰসংগত বিবৃতিটোত কোৱা হৈছে যে জাতীয় অভিৱৰ্তনৰ প্ৰতিনিধিসকলে যি কথা ক'লেগৈ তাত নতুনত্ব বুলিবলৈ একোৱেই নাই। সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লগতে অসমৰ ভালেমান সামাজিক সংগঠনে বহু দিনৰ পৰাই সেই কথা ভাৰত চৰকাৰক জনাই আহিছে। প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰাৰ পিচতে তেখেতসকলে যিভাৱে বক্তব্য ৰাখিছে তাৰ পৰা এটা কথা ক'ব পাৰি যে জাতীয় অধিকাৰ ৰক্ষাৰ প্ৰশ্নত তেওঁলোক পি চি জিতকৈ বহু দিশত পিচপৰি ৰৈছে। পি চি জিয়ে বহু আগতেই তাতকৈ বলিষ্ঠ আৰু নিৰ্ভীকভাৱে সেই একেজন প্ৰধানমন্ত্ৰীৰ ওচৰত অসমৰ সাৰ্বভৌমত্বৰ ওপৰত আলোচনা কৰিব লাগে বুলি কেৱল কোৱাই নহয়, তেখেতৰ পৰা সকলো মূল বিষয়ৰ ওপৰত আলোচনা হ'ব বুলি লিখিত প্ৰতিশ্ৰুতি লৈ আহিলে (সাৰ্বভৌম স্বাধীন অসমেই মূল বিষয়)। কিন্তু সদায়ে দুমুখীয়া নীতিৰ আশ্ৰয় লৈ অহা ঔপনিবেশিক ভাৰত ৰাষ্ট্ৰই সেই প্ৰতিশ্ৰুতি ৰক্ষা নকৰি পুনৰ অসমীয়া ডেকা হত্যা কৰাত নামি পৰিল। তাৰ পিচত চৰ্ত আৰোপ কৰিলে, আলফাৰ দুজন শীৰ্ষনেতাই আলোচনাত অংশগ্ৰহণ কৰিব নে নকৰে? পৃথিৱীৰ ক'তো এনে উদাহৰণ নাই। আলোচনাত কোনে অংশগ্ৰহণ কৰিব সি ডাঙৰ কথা নহয়, কিহৰ ওপৰত আলোচনা কৰিব সিহে গুৰুত্বপূৰ্ণ। সন্মানীয় জাতীয় অভিৱৰ্তনৰ প্ৰতিনিধিসকলে ভাৰতৰ প্ৰধানমন্ত্ৰীক কি ক'লে অসমৰ জনগণে হয়তো প্ৰত্যক্ষ কৰিছে। আমাৰ প্ৰশ্ন— ভাৰত-ভূটান যৌথ বাহিনীৰ হাতত নিৰুদ্দেশ হৈ থকা আমাৰ সতীৰ্থসকলৰ সন্ধান দিব লাগে বুলি দাবী জনালেনে? হেৰাই যোৱা বীৰ অসমীয়াকেইজনৰ সন্ধান বিচৰাটো তেখেতসকলৰ নৈতিক দায়িত্বৰ ভিতৰত নপৰি কেৱল আলফাক সাৰ্বভৌমত্ব অবিহনে আলোচনাত বহিবলৈ কোৱাটোহে জাতীয় দায়িত্ব বা জনগণৰ দাবী নেকি? (নিজৰ ব্যক্তিগত দাবীক জনগণৰ বুলি ৰাজনৈতিক নেতাৰ দৰে মন্তব্য কৰাৰ পৰা বিৰত থকা উচিত, আমি এইখিনিতে পুনৰ কওঁ আলফাই অসমৰ

খিলঞ্জীয়া জনগণৰ মাজতে জীৱন যাপন কৰিছে। গতিকে খিলঞ্জীয়া জনগণৰ দাবী কি আমি ভালদৰেই জানো)। আনহাতে পি চি জিয়ে সেই দাবী ভাৰত ৰাষ্ট্ৰৰ ওচৰত সজোৰে উত্থাপন কৰিছিল। এইখিনিতে এটা কথা উনুকিয়াবই লাগিব যে পি চি জিৰ অন্যতম সদস্য শ্ৰদ্ধাৰ মুকুল মহন্ত ককাইদেৱে প্ৰধানমন্ত্ৰীৰ সন্মুখত অতি নিৰ্ভীকতাৰে কৈছিল— 'আপোনালোকে আমাক বহুদিন শাসন কৰিলে, তাৰ পৰা অসমৰ জনগণ কোনোধৰণে উপকৃত হোৱা নাই। এইবাৰ আমাৰ জন্মগত অধিকাৰ আমাক ওভতাই দিয়ক। ৩০ বছৰ আমি নিজেই নিজৰ শাসন কৰি যদি সুফল নাপাওঁ তেন্তে আমি পুনৰ আপোনালোকৰ লগত চামিল হ'ম।' শ্ৰদ্ধাৰ অম্বিকাগিৰী ৰায়চৌধুৰী, মহেন্দ্ৰ চৌধুৰী, হেম বৰুৱা, নিবাৰণ বৰা আৰু জাতীয় ছহিদ পৰাগ দাসৰ পিচত তেনে সাহসী দাবী কৰিব পৰা মানুহ তেখেতেই। তেনে লোক অসমত আৰু বহু আছে। গতিকেই অসমৰ জাতীয় অধিকাৰক নিজৰ দৰ্শনেৰে বিচাৰ নকৰি জনগণৰ গভীৰলৈ গৈহে বিচাৰ কৰা প্ৰয়োজন আছে। আলফাৰ মুখ্য সেনাধ্যক্ষগৰাকীয়ে বিবৃতিটোৰ শেষৰফালে কয় যে জাতীয় অভিৱৰ্তনৰ প্ৰতিনিধিসকলে ঔপনিবেশিক শাসকৰ প্ৰধানমন্ত্ৰীজনক সাক্ষাৎ পোৱাৰ পিচত আৱেগৰ বশৱৰ্তী হৈ পৰা দেখা গ'ল। এনেধৰণৰ আৱেগে সমস্যা অধিক জটিল কৰি তোলাৰ সম্ভাৱনা আছে। তেখেতসকলে যদি ভাৰতৰ প্ৰধানমন্ত্ৰী বা গৃহমন্ত্ৰীক আলফাই কিহৰ বাবে সশস্ত্ৰ সংগ্ৰামৰ পথ ল'বলগীয়া হৈছে তাক বুজাবলগীয়া হৈছে তেন্তে সি অতি দুখৰ বিষয়।

অসমীয়া প্ৰতিদিন, ২৬ জুন, ২০১০

দিল্লী যাত্ৰা সম্পৰ্কে
সন্মিলিত জাতীয় অভিবৰ্তনৰ সঁজাতী দলৰ প্ৰতিবেদন

আলোচনা পুনৰাৰম্ভ কৰাৰ প্ৰক্ৰিয়াত স্থবিৰতা আহিছে বুলি কোনো কোনো লোকে মতপ্ৰকাশ কৰা দেখা গৈছে। ত্ৰিছ বছৰীয়া লেঠা এটা এসপ্তাহতে ছিঙিব বুলি ভবাটো আকাশ-কুসুম কল্পনা। আলোচনাৰ বাট মুকলি কৰিবলৈ বহু জাহি-জাবৰ গুচাব লাগিব। সংযুক্ত মুক্তি বাহিনীৰ মাজত যেনেকৈ আলোচনাৰ ৰেহ-ৰূপ লৈ মতভেদ আছে, চৰকাৰৰ মাজতো আছে। দুয়োপক্ষই নানা ধৰণৰ হিচাব-নিকাচ কৰি, নানা বাধ্যবাধকতাৰ জঁট ভাঙি, আলোচনাৰ মেজলৈ আহিব লাগিব। সেয়ে এই ক্ষেত্ৰত ধৈৰ্য্য ধৰাৰ বাহিৰে গত্যন্তৰ নাই। এপিনে অসমৰ ৰাইজৰ প্ৰবল হাঁবিয়াস, আনপিনে চৰকাৰৰ সদিচ্ছা— এই দুয়ো শক্তিয়েহে আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব পাৰে নানা বাধা-বিঘিনি অতিক্ৰম কৰি।

প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰি এমাহ বোন্দাপৰ দিয়াৰ পিছত কেনেবাকৈ সঁজাতী দলে এটা সাক্ষাৎকাৰৰ বাবে নিমন্ত্ৰণ পালে ২১ জুন তাৰিখৰ পুৱা চাৰে দহ বজাত। কিবা কাৰণত সেইটো বাতিল হ'লত গধূলি ছটা পঞ্চল্লিছ বজাতহে তেখেতৰ লগত সাক্ষাৎ হ'ল। অত্যন্ত সৌহাৰ্দপূৰ্ণ পৰিবেশত আৰু প্ৰধানমন্ত্ৰীৰ সুৰুচিসন্মত, সৌজন্যময় আচৰণৰ প্ৰেৰণাৰে সঞ্জীৱিত হৈ আমাৰ আলোচনা পঞ্চল্লিছ মিনিট ধৰি চলিছিল। প্ৰথমে সংযুক্ত মুক্তি বাহিনীৰ উত্থানৰ পটভূমি দাঙি ধৰি তেওঁলোকৰ প্ৰতি অসমৰ ৰাইজে যে এতিয়াও কিছু সহানুভূতি মনত পোষণ কৰে, বিতংভাৱে বুজাই দি আমাৰ স্থিতি সম্পৰ্কে জনাইছিলোঁ যে আমি কোনোকালেই সংযুক্ত মুক্তি বাহিনীৰ সমৰ্থক নাছিলোঁ, কিন্তু কেৱল দমনমূলক মনোভাৱেৰে তেওঁলোকক মূল্যায়ন কৰা যুক্তিসংগত নহ'ব বুলি ভাবোঁ। সেয়ে কেৱল সশস্ত্ৰ বিদ্ৰোহেই নহয়, সমস্ত সংঘাতময় পৰিস্থিতিটোৰ আলোচনাৰ জৰিয়তে

মীমাংসা বিচাৰিছোঁ। তেনেহ'লেহে সমস্যাটোৰ স্থায়ী আৰু সন্তোষজনক সমাধান সম্ভৱ হ'ব। আৰু অসমৰ জনমত, সংযুক্ত মুক্তি বাহিনীৰ গৰিষ্ঠসংখ্যক নেতাৰ মাজত উদয় হোৱা নতুন চিন্তা, চৰকাৰৰ সদিচ্ছা, সকলো মিলি সম্প্ৰতি যি সুন্দৰ পৰিৱেশ ৰচনা কৰিছে, এইটোৱেই হৈছে সেই সংঘাতৰ অৱসান ঘটোৱাৰ সুৱৰ্ণ সুযোগ।

সেয়ে সন্মিলিত জাতীয় অভিৱৰ্তনত অসমৰ বিভিন্ন অঞ্চলৰ প্ৰতিনিধিৰ উছাহ-উদ্দীপনাৰ মাজেৰে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল যে কাৰাবন্দী নেতাসকলক মুকলি কৰি দি (আইনগত বাধ্যবাধকতা সদ্যহতে স্থগিত ৰাখি) সংযুক্ত মুক্তি বাহিনীৰ কেন্দ্ৰীয় সমিতিৰ দ্বাৰা আলোচনাৰ জৰিয়তে মীমাংসাৰ সপক্ষে আনুষ্ঠানিক সিদ্ধান্ত লোৱাব লাগে; আৰু চৰকাৰৰ লগত বিনাচৰ্তে আলোচনা হ'ব লাগে। মুখপাত্ৰৰ বাহিৰে সঁজাতী দলৰ আন সদস্যসকলৰো মন্তব্য প্ৰধানমন্ত্ৰীয়ে শুনে।

প্ৰধানমন্ত্ৰীয়ে মনোযোগেৰে আমাৰ মতামত শুনি কয় যে অসমৰ প্ৰতিনিধি হিচাবে তেওঁ অসমৰ জনগণৰ প্ৰতি এক আৱেগময় দায়বদ্ধতা অনুভৱ কৰে। ইয়াৰ পূৰ্বে হোৱা আন এটা প্ৰচেষ্টাৰো তেওঁ নিজে গুৰি ধৰিছিল, কিন্তু দুৰ্ভাগ্যবশতঃ সি সফল নহ'ল। সেয়ে তেওঁ আমাৰ প্ৰচেষ্টাক ওলগ জনায়। তেওঁ কয় যে ৰাজ্য চৰকাৰো এই ক্ষেত্ৰত উৎসাহী আৰু সক্ৰিয়, আৰু মুখ্যমন্ত্ৰীৰ লগত তেওঁ এই বিষয়ে অলপতে কথা হৈছে।

সঁজাতী দলৰ মুখপাত্ৰই তেওঁক স্পষ্ট ভাষাত সোধে, আলোচনা ৰাজ্য চৰকাৰে কৰিব নে কেন্দ্ৰই কৰিব। দ্ব্যৰ্থহীন ভাষাত প্ৰধানমন্ত্ৰীয়ে উত্তৰ দিয়ে যে ৰাজ্য চৰকাৰে কেতবোৰ প্ৰয়োজনীয় প্ৰাথমিক পদক্ষেপ ল'ব লাগিব কিন্তু অৱশেষত কেন্দ্ৰই আলোচনাত অংশগ্ৰহণ কৰিব। অৱশ্যে দেশৰ সাৰ্বভৌমত্ব লৈ দামদৰ নচলিব। অন্যান্য সদস্যসকলে প্ৰশাসনীয় বিজুতি, দুৰ্নীতিৰ ব্যাপক প্ৰসাৰ, অবাধ প্ৰব্ৰজনৰ বিপদ, অন্যান্য গোষ্ঠীগত সশস্ত্ৰ বিদ্ৰোহৰ তুলনাত সংযুক্ত মুক্তি বাহিনীৰ বিদ্ৰোহৰ আপেক্ষিক গুৰুত্ব আদি বিষয়ৰ ওপৰত তোলা প্ৰশ্নৰো তেখেতে উত্তৰ দিয়ে আৰু তেখেতসকলৰ পৰামৰ্শ শুনে। গৃহমন্ত্ৰীক লগ ধৰিবলৈ আমাক তেখেতে মাজতে দুবাৰমান সঁকিয়াই দিয়ে।

শেষত তেখেতে কয় যে প্ৰয়োজন হ'লেই আমি তেখেতৰ লগত পুনৰ যোগাযোগ কৰিব পাৰিম। কোৱা বাহুল্য প্ৰধানমন্ত্ৰীৰ ইতিবাচক আৰু

সদিচ্ছামূলক মনোভাবে সঁজাতী দলক উৎসাহিত কৰে। তেখেতৰ হাতত আমাৰ স্মাৰকপত্ৰ আৰু জাতীয় অভিবৰ্তনত গৃহীত প্ৰস্তাৱসমূহৰ প্ৰতিলিপি দিয়া হ'ল।

২৩ জুন তাৰিখে ৰাষ্ট্ৰীয় উপদেষ্টা পৰিষদৰ অধ্যক্ষা শ্ৰীমতী ছোনিয়া গান্ধীৰ লগত তেওঁৰ বাসভৱনত সাক্ষাৎ হ'ল। শ্ৰীমতী গান্ধী স্বল্পভাষী, কিন্তু গভীৰ মনোযোগেৰে তেওঁ আমাৰ কথা শুনা দেখা গৈছিল। শেষত তেওঁ আমাক আশ্বাস দিছিল যে সাধ্যানুসাৰে অসমৰ এই সমস্যা সমাধানত তেওঁ সহায় কৰিব। উপদেষ্টা পৰিষদৰ অধ্যক্ষাৰ কাৰ্যবাহী ক্ষমতা নাই। সেয়ে হয়তো তেওঁ খুটি-নাটিলৈ নগ'ল। কিন্তু তেওঁৰ মনোভাবো আমাৰ ধাৰণাত যথেষ্ট ইতিবাচক আছিল। তেওঁকো স্মাৰকপত্ৰ আৰু অভিবৰ্তনৰ প্ৰস্তাৱৰ প্ৰতিলিপি দিয়া হ'ল। সেইদিনাখনেই গৃহ মন্ত্ৰালয়ৰ আলোচনাকক্ষত গৃহমন্ত্ৰীৰ লগত আমাৰ আলোচনা হ'ল আবেলি আঢ়ৈ বজাত।

গৃহমন্ত্ৰী দেশৰ আইন-শৃংখলাৰ প্ৰত্যক্ষ নহ'লে পৰোক্ষ তত্ত্বাৱধায়ক। সংবিধান মতে যদিও আইন-শৃংখলাৰ প্ৰত্যক্ষ দায়িত্ব ৰাজ্য চৰকাৰৰ, তথাপি সামগ্ৰিকভাৱে বিষয়টোৰ ওপৰত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে নজৰ ৰাখে আৰু ৰাজ্যৰ প্ৰতিবেদনৰ উপৰি কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাই যোগান ধৰা তথ্যৰ ওপৰত নিৰ্ভৰ কৰে। স্বাভাৱিকতে আইন-কানুনৰ বাধ্যবাধকতা, ক্ষমতাধিষ্ঠ দলৰ আশু ৰাজনৈতিক স্বাৰ্থ আদি বিবেচনা তেওঁৰ বাবে সামগ্ৰিক, সুদূৰপ্ৰসাৰী ৰাজনৈতিক বিচাৰতকৈ গুৰুত্বপূৰ্ণ। সেয়ে তেওঁৰ ধ্যান-ধাৰণা আমাতকৈ কিছু বেলেগ হ'ব অনুমান কৰিছিলোঁ।

প্ৰত্যাশা কৰা মতে, কিন্তু তাতকৈ অধিক দৃঢ়তা আৰু বলিষ্ঠতাৰে তেওঁ ন্যায়, আইন-কানুন আদিয়ে সৃষ্টি কৰা জটিলতা উল্লেখ কৰিলে। আমাৰ প্ৰস্তাৱসমূহ ৰূপায়ণ কৰাৰ কাৰ্যকৰী অসুবিধাবোৰ ফঁহিয়াই দেখুৱালে। তদুপৰি সংযুক্ত মুক্তি বাহিনীৰ নেতাসকলৰ আলোচনাৰ প্ৰতি সদিচ্ছা সম্পৰ্কেও সংশয় প্ৰকাশ কৰিলে। স্বাভাৱিকতে আমিও দৃঢ়তাৰে আমাৰ ভিন্ন মত দাঙি ধৰিলোঁ। তেওঁ বাৰে-বাৰে ক'লে যে নিষিদ্ধ ঘোষিত (banned) সংগঠনৰ লগত কথা পতাত বহুত সমস্যা আছে। (অৱশ্যে আমি ভাবোঁ যে সেই সমস্যাবোৰ অলংঘণীয় নহয়।) তদুপৰি তেওঁৰ মতে আলোচনা কৰিবলৈ ৰাজ্য চৰকাৰক দায়িত্ব দিয়া হৈছে।) প্ৰধানমন্ত্ৰীৰ মন্তব্য আছিল বেলেগ।

অৱশ্যে গৃহমন্ত্ৰীয়েও দ্বিধাহীন ভাষাত ক'লে যে তেৰোঁ আলাপ-আলোচনাৰ (talks) পক্ষপাতী। তদুপৰি তেওঁ আশ্বাস দিলে যে আলোচনা আৰম্ভ হ'লে আলোচনাৰ ধৰণ-কৰণ সংযুক্ত মুক্তি বাহিনীৰ নেতাসকলৰ বাবে সন্মানজনক হ'ব।

(১ জুলাই তাৰিখে অসমৰ সংবাদ-পত্ৰসমূহত কিন্তু প্ৰকাশ পালে যে চিদাম্বৰমৰ শেহতীয়া মন্তব্য হৈছে এয়ে যে কাৰাবন্দী নেতাসকলক মুক্ত কৰি দিয়া সম্ভৱ নহয়, আৰু জে'লৰ ভিতৰতে আলোচনা কৰিব লাগিব। এই খবৰ সঁচা নহয় বুলি আমি বিশ্বস্তসূত্ৰে জানিব পাৰিছোঁ। জে'লৰ ভিতৰত থাকি আলোচনা কৰাৰ দৰে অদ্ভুত কথা তেওঁ কোৱা নাছিল। কেৱল কাৰাবন্দী নেতাক মুক্তি দিয়াৰ ক্ষেত্ৰত চৰকাৰে আদালতৰ সিদ্ধান্তলৈ অপেক্ষা কৰিব লাগিব বুলিহে কৈছিল।)

আমি উভতি অহাৰ-পূৰ্বে চিপিআই দলৰ বৰ্ষীয়ান নেতা এ' বি বৰ্ধন আৰু চিপিআই (এম) দলৰ সাধাৰণ সম্পাদক প্ৰকাশ কাৰাতকো লগ ধৰি প্ৰস্তাৱৰ প্ৰতিলিপি দি তেওঁলোকৰ সমৰ্থন বিচাৰিছিলোঁ। তেওঁলোকে আমাৰ বক্তব্যৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰিছিল আৰু কেন্দ্ৰৰ অতিকেন্দ্ৰিকতাৰ বিপৰীতে যথাৰ্থ সংঘীয় (federal) ৰাষ্ট্ৰৰ আদৰ্শৰ সপক্ষে জনমত গঢ়াত গুৰুত্ব দিছিল। অসমৰ সমস্যা সমাধানৰ বাবে পূৰ্ণতৰ স্বায়ত্ত শাসনত তেওঁলোকে সমৰ্থন জনাব বুলি ধাৰণা হ'ল।

বিজেপি আদি দলৰ নেতা-নেত্ৰীৰ সাক্ষাৎ আমি বিচাৰিলেও কম সময়ৰ ভিতৰতে সেইটো সম্ভৱ হৈ নুঠিল। পৰৱৰ্তী পৰ্যায়ত আনসকলকো লগ ধৰি চৰ্তহীন আলোচনাৰ সপক্ষে ৰাষ্ট্ৰীয় সহমত (National consenses) গঠনৰ চেষ্টা কৰা হ'ব। ইতি)

স্বাঃ হীৰেন গোহাঁই

সন্মিলিত জাতীয় অভিৱৰ্তনৰ সঁজাতী দলৰ মুখপাত্ৰ

২ জুলাই, ২০১০

সকলো বাতৰি কাকতত প্ৰকাশিত

বিভ্ৰান্তিৰ সৃষ্টি নকৰিব

জাতীয় অভিবৰ্তনে গ্ৰহণ কৰা আলোচনা পুনৰুজ্জীৱনৰ উদ্যোগে কিছু গতি লাভ কৰাৰ লগে লগে দুপিনৰ পৰা তাক স্তব্ধ কৰাৰ চেষ্টা চলে। এপিনে চৰকাৰে কিছুমান বিভ্ৰান্তিকৰ মন্তব্য দি ৰাইজক বিমোৰত পেলায়, অথবা বিভিন্ন চৰকাৰী মহলৰ বিভিন্ন পৰস্পৰবিৰোধী ভাষা প্ৰকাশ পায়। আনপিনে সাৰ্বভৌমত্বৰ বাহিৰে আন আলোচনা নিৰৰ্থক বুলি দাবী কৰাসকলে উদ্যোগটোৰ ওপৰত আক্ৰমণ চলায়। এই ৰহস্যময় সমন্বয় বা সমলয়ে সংযুক্ত মুক্তি বাহিনীৰ সংগ্ৰাম আলোচনাৰ জৰিয়তে মীমাংসা কৰিবলৈ বিচৰা প্ৰচেষ্টাক ধূসৰতাৰ মাজলৈ টানি নিয়া স্বাভাৱিক। অলপতে সংবাদ-পত্ৰৰ শিৰোনামত ব্যাপকভাৱে প্ৰচাৰিত হৈছিল যে গৃহমন্ত্ৰী পি চিদাম্বৰমে জে'লৰ ভিতৰতে আলোচনা সমাধা কৰাৰ সপক্ষে মত প্ৰকাশ কৰি সন্মিলিত জাতীয় অভিবৰ্তনৰ প্ৰস্তাৱ 'নাকচ কৰিছে'। আচৰিত কথা যে অসমৰ পৰা অসমৰ জনমতৰ প্ৰতিনিধিত্ব কৰি তেখেতক লগ ধৰা সঁজাতী দল এটাক তেখেতে এনে গুৰুত্বপূৰ্ণ কথা এষাৰ নক'লে প্ৰায় চল্লিছ মিনিটৰ আলোচনাৰ মাজত। তদুপৰি গৃহমন্ত্ৰীৰ মাহেকীয়া সংবাদ মেলত উপস্থিত থকা দুগৰাকী নিৰ্ভৰযোগ্য লোকে আমাক জনাইছে যে গৃহমন্ত্ৰীয়ে তেনে এটা অদ্ভুত কথা কোৱা নাছিল। কাৰাবন্দী নেতাসকলৰ লগত চৰকাৰৰ দূত তথা মধ্যস্থতাকাৰীয়ে (interlocutor) নিশ্চয় কথা পাতিব পাৰে। কিন্তু তেনেদৰে কথা পতা এক প্ৰাথমিক পদক্ষেপহে— আচল অৰ্থত আলোচনা (negotiation) নহয়। তাৰ কাৰণ এয়ে যে মুক্ত পৰিৱেশত এতিয়ালৈকে বন্দী নোহোৱা আন নেতাসকলৰ সৈতে কাৰাবন্দী হৈ থকা নেতাসকলৰ কেন্দ্ৰীয় সমিতিৰ বৈঠক নোহোৱা পৰ্যন্ত আলোচনাৰ সপক্ষে সংযুক্ত মুক্তি বাহিনীয়ে আনুষ্ঠানিক সিদ্ধান্তই ল'ব নোৱাৰে। বোধহয় বাতৰিকাকতৰ ভাষ্যকে সৰোগত কৰি অসমৰ মুখ্যমন্ত্ৰী মহাশয়ে কৈছে যে 'জে'লৰ ভিতৰতে

আলোচনা হ'ব' আৰু জে'লত নথকা আন নেতাসকলক আলোচনালৈ আহিবলৈ সকলো যথাযথ ব্যৱস্থা কৰি দিয়া হ'ব। এই কথা পৰিষ্কাৰ যে সেইসকল নেতা ইমান নিৰ্বোধ নহয় যে জে'লৰ ভিতৰত আলোচনাত তেওঁলোকে অংশগ্ৰহণ কৰিবলৈ আহিব। জে'লত এবাৰ সোমালে তেওঁলোকক পুনৰ যাবলৈ দিয়া হ'বনে নহ'ব, সিও অস্পষ্ট। সেয়ে চৰকাৰক বিভ্ৰান্তি বৃদ্ধি নকৰি দ্ব্যৰ্থহীন ভাষাত অভিপ্ৰায় প্ৰকাশ কৰিবলৈ আহ্বান দিয়া হ'ল।

আমাৰ অসম, ৪ জুলাই, ২০১০

সন্মিলিত জাতীয় অভিবৰ্তনৰ নলবাৰী আঞ্চলিক অভিবৰ্তনৰ উদ্বোধনী ভাষণ

শ্ৰদ্ধেয় আহ্বায়কমণ্ডলী আৰু ৰাইজ,

সংযুক্ত মুক্তি বাহিনীৰ লগত কেন্দ্ৰীয় চৰকাৰৰ আলোচনাৰ পথ পুনৰ মুকলি কৰিবলৈ অসম জুৰি অসমীয়া ৰাইজৰ যি প্ৰবল উৎসাহ দেখা হৈছে নলবাৰীৰ আঞ্চলিক অভিবৰ্তনে তাৰ শক্তি বৃদ্ধি কৰিছে। লুকঢাক নকৰাকৈ আপোনালোকক জনাব খোজোঁ যে এই সম্পৰ্কত আমি দেখাত কেন্দ্ৰৰ মনোভাৱ অতি সতৰ্ক আৰু কুম্ভমিয়া। এই কথা এতিয়া স্পষ্ট যে যুদ্ধক্ষেত্ৰত ভাৰত চৰকাৰে প্ৰাধান্য লাভ কৰিছে, আৰু সংযুক্ত মুক্তি বাহিনীৰ বহু বিবেচনাহীন হঠকাৰিতাৰ ফলত নানা যন্ত্ৰণা ভোগ কৰা ৰাইজৰ অধিকাংশ এতিয়া তেওঁলোকৰ সশস্ত্ৰ সংগ্ৰামৰ প্ৰতি নিস্পৃহ। সেয়ে এই মুহূৰ্তত আলোচনাৰ বাহিৰে অসমত স্থায়ী শান্তি স্থাপন আৰু অসমীয়াৰ ন্যায্য আশা-আকাঙ্ক্ষা পূৰণৰ আন কোনো পন্থা নাই। সুখৰ বিষয়ে অধিকাংশ নেতাই এই পথ গ্ৰহণ কৰিছে।

কিন্তু কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছাৰ প্ৰতি মাত্ৰাধিক মোহগ্ৰস্ত হৈও লাভ নাই। ভাৰতত আজি হেজাৰ-বিজাৰ কোটিপতিয়ে মহাৰ্ঘ্য বিলাসী অট্টালিকাত মাটিৰ পৰা বহু শ হাত ওপৰত বা বিস্তীৰ্ণ সেউজীয়া ঘাঁহনিৰ মাজত প্ৰাসাদত আড়ম্বৰপূৰ্ণ জীৱন যাপন কৰিছে। আনহাতে মাটিত বাস কৰা কোটি কোটি জনতাক প্ৰচণ্ড মূল্যবৃদ্ধি, কৰ্মহীনতা, ক্ষুধা, স্বাস্থ্য ৰক্ষাৰ সমস্যা, আশ্ৰয়হীনতা আৰু শিক্ষাৰ সংকটে জুৰুলা কৰিছে। ভাৰত চৰকাৰৰ চকুৰ আগতে এইবোৰ ঘটনা ঘটিছে। ভূপালৰ ভয়াবহ গেছ দুৰ্ঘটনাত প্ৰাণ হেৰুৱা আৰু আজি সেই বিষবাষ্পৰ ক্ৰিয়াত তিলতিলকৈ মৃত্যুৰ পিনে আগুৱাই যোৱা ক্ষতিগ্ৰস্ত সকলে ক্ষতিপূৰণ পালে ১৫০০০ টকাকৈ মাত্ৰ।

চিৰৰুগ্ন হৈ জীৱিকাৰ সকলো ক্ষমতা হেৰুৱাৰ পিছত বিছ বছৰ আগতে এই ক্ষতিপূৰণ দিয়া হ'ল আৰু এতিয়া প্ৰধান দোষী আমেৰিকাৰ নিৰ্দয় স্থিতি ল'ৰাবলৈ ভাৰত চৰকাৰে কোনো চেষ্টা কৰা নাই। যি সময়ত সাগৰত তৈলকূপ সাজি পৰিৱেশ বিনষ্ট কৰা বাবে মাৰ্কিন চৰকাৰে ব্ৰিটিছ পে'ট্ৰলিয়াম কোম্পানীৰ পৰা লাখ লাখ কোটি ডলাৰ ক্ষতিপূৰণ স্বৰূপে আদায় কৰিছে, সেই সময়ত মাৰ্কিন চৰকাৰে Dow Chemical (পূৰ্বৰ Union Carbide) নামৰ প্ৰতাপী মাৰ্কিন কোম্পানীৰ পৰা ভূপালৰ নৰহত্যাৰ যথাযোগ্য ক্ষতিপূৰণ দাবী নকৰিবলৈহে ভাৰত চৰকাৰক হেঁচা দিছে। ভৱিষ্যতে মাৰ্কিন কোম্পানিবোৰে ভাৰতত যি পাৰমাণৱিক শক্তিকেন্দ্ৰ নিৰ্মাণত অংশ ল'ব, তেওঁলোকে কিবা দুৰ্ঘটনা ঘটিলে তাৰ বাবে ক্ষতিপূৰণ দিব নালাগে বুলি চুক্তি হৈছে। তেনে দুৰ্ঘটনাই হেজাৰ বিজাৰ মানুহৰ প্ৰাণনাশ কৰাৰ উপৰি দীৰ্ঘদিন জীয়াতু ভোগাব পাৰে বাচি থকা সকলক। তেওঁলোকক ভাৰতীয় ৰাইজৰ কৰৰ টকাৰে ভাৰত চৰকাৰে ক্ষতিপূৰণ দিব লাগিব। আমাৰ অভিভাৱক চৰকাৰৰে ৰাইজৰ প্ৰতি মনোভাৱ এনেকুৱা।

অৰুণাচলৰ বৃহৎ নদীবান্ধে সমতলৰ কেবাখনো শষ্যশ্যামল জিলাৰ খিলঞ্জীয়া কৃষকসমাজৰ লাখ লাখ মানুহক সমূলঞ্চে উচ্ছন্ন কৰিব বুলি পৰিষ্কাৰ হোৱাৰ পিছত সেই নদী বান্ধৰ আৰ্হি সলাই পুনৰ্নিৰ্মাণ কৰাৰ কথা কেন্দ্ৰীয় চৰকাৰে ভবা নাই। সৰ্বসাধাৰণ ৰাইজৰ জীৱন, আশা-আকাঙ্ক্ষা এই চৰকাৰৰ প্ৰধান বিবেচ্য নহয়, প্ৰধান লক্ষ্য হৈছে কোটিপতি সকলক লাখকোটি টকাৰ মালিক কৰা। অসম তথা উত্তৰ পূবৰ প্ৰতিও একেই বৈষম্যমূলক নীতি। দিল্লীৰ মাধ্যম জগতেও অসমৰ জনগণৰ মূল দাবী সমূহক সম্পূৰ্ণ আওকাণ কৰে, অৱশ্যে কেতিয়াবা বিহুনাচ বা চুঙাপিঠাৰ বিষয়ে একলম লিখে। সিহঁতে বুজিব নোখোজে যে অসমৰ খিলঞ্জীয়া ৰাইজে শুদাপেটে বিহু নাচি জীয়াই থাকিব নোৱাৰে। নোখোজেও।

সেয়ে গণ সংগ্ৰাম অবিহনে দিল্লীক বুজোৱা বা ভাৰত চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰা সম্ভৱ নহয়। সংযুক্ত মুক্তি বাহিনীয়ে সময়মতে ৰাইজক লগত লৈ আলোচনাৰ বাবে যথাযোগ্য পদক্ষেপ ল'লে এটা সময়ত ভাৰত চৰকাৰে সঁহাৰি দিবলৈ বাধ্য হ'লহেঁতেন। সেইটো কৰা নহ'ল। তাৰ ফলত আজি এপিনে সামৰিক বাহিনী-নিৰাপত্তা বাহিনীৰ আগত অসমৰ

সাধাৰণ মানুহ অসহায়, আনপিনে কেন্দ্ৰীয় চৰকাৰেই গণতন্ত্ৰৰ মুখাৰ আঁৰত নতুন-নতুন কৌশলেৰে অসমবাসীক দুৰ্বল কৰি আছে, যাতে সংগ্ৰামৰ শক্তি বিনাশ কৰি এচাম দালালৰ জৰিয়তে উত্তৰ পূবত ইচ্ছানুযায়ী লুণ্ঠন চলাই যাব পাৰে।

সেয়ে সম্মিলিত জাতীয় অভিবৰ্তনক অসমীয়া জাতিৰ আত্মৰক্ষাৰ গণতান্ত্ৰিক সংগ্ৰামত পৰিণত কৰিলেহে এপিনে আমাৰ ন্যায়সংগত দাবী সমূহ পূৰণৰ পথ ওলাব, আৰু আনপিনে ৰাইজৰ উপকাৰত অহা উন্নয়ন প্ৰক্ৰিয়া সম্ভৱ হ'ব।

এসময়ত আমিও ভাবিছিলোঁ যে যুক্তিপূৰ্ণ গণতান্ত্ৰিক দাবীয়েই চৰকাৰৰ মনোযোগ- আৰু সঁহাৰি লাভ কৰিবলৈ যথেষ্ট। ন্যস্ত স্বাৰ্থৰ ধন ক্ষমতা ৰক্ষী চৰকাৰ এটাৰ বাবে এই কথা আৰু সঁচা হৈ থকা নাই। গণ সংগ্ৰামৰ প্ৰয়োজনতে সেয়ে সম্মিলিত জাতীয় অভিবৰ্তন আহ্বান কৰা হৈছে।

নলবাৰীৰ ৰাইজ! আপোনালোকে পাহৰি নাযাব আপোনালোকৰ পূৰ্বপুৰুষ সকলৰ দেশপ্ৰেম আৰু উদ্যমেই পৰাধীন অৱস্থাতো অসমৰ ভৱিষ্যতৰ বুনিয়াদ ৰচনা কৰিছিল। শৰৎ চন্দ্ৰ গোস্বামীয়ে জাতিৰ ভাষা-সাহিত্যৰ উন্নতিৰ অৰ্থে সাহিত্য সভা গঠন কৰিছিল, তাহানি শিক্ষাৰ পিনৰ পৰা অতি পিছ পৰা অসমত প্ৰকৃত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক গঢ়িবলৈ ভাৰতৰ অন্যতম শ্ৰেষ্ঠ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ নৰ্মাল স্কুল স্থাপন কৰিছিল। হৰি নাৰায়ণ দত্ত বৰুৱাই আমাৰ জাতীয় জীৱনৰ প্ৰাণ মহাপুৰুষ দুজনাৰ ৰচনাৱলী প্ৰকাশ আৰু প্ৰচাৰত আগভাগ লৈছিল, শিক্ষাৰ মেৰুদণ্ডস্বৰূপ উৎকৃষ্ট পাঠ্যপুথি ৰচনা কৰিছিল। স্বাধীনতা আন্দোলনত শ্ৰীমান প্ৰফুল্ল গোস্বামী প্ৰমুখ্যে যুৱনেতা সকলে সমগ্ৰ অসমতে বৈপ্লৱিক প্ৰেৰণা সঞ্চাৰ কৰিছিল। স্বাধীনতাৰ পিছত ত্ৰৈলোক্যনাথ গোস্বামীৰ নেতৃত্বত নলবাৰী মহাবিদ্যালয় উচ্চশিক্ষা আৰু উচ্চচিন্তাৰ কেন্দ্ৰ হৈ পৰিছিল। আৰু উদাহৰণ দিয়া নিষ্প্ৰয়োজন। মই কেৱল আশা কৰিম তেওঁলোকৰ বংশধৰ তথা উত্তৰসূৰী নলবাৰীৰ ৰাইজে জাতীয় জাগৰণৰ এই পৰ্যায়তো প্ৰেৰণাময় ভূমিকা গ্ৰহণ কৰিব।

এই সংগ্ৰাম শক্তিশালী কৰি কেন্দ্ৰক আলোচনাত নামিবলৈ বাধ্য কৰা যেনেকৈ প্ৰয়োজন, সেইদৰে আমাৰ মাজত থকা দুৰ্বলতা জয় কৰাও সমানেই গুৰুত্বপূৰ্ণ।

আমাৰ এই উদ্যোগৰ বিৰোধী বিলাকে আলোচনাৰ ফলাফললৈ বাট নাচাই প্ৰথমৰে পৰা আলোচনাত বাধা দিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। উত্তৰ কাছাৰে প্ৰমাণ কৰিছে লক্ষ্যভ্ৰষ্ট সশস্ত্ৰ সংগ্ৰামী আৰু দুৰ্নীতিলিপ্ত ৰাজনীতিবিদে কেনেকৈ ৰাজ্যখনৰ সম্পদ আৰু আয় লুণ্ঠন কৰি আছে। অসমতো তেনে এক গুপ্ত চক্ৰ সক্ৰিয় হৈ থকা নাই বুলি কোনেও ন-দি কব নোৱাৰে। এনে ধৰণৰ বহু লোক উঠি পৰি লাগিছে তুমুল প্ৰচাৰেৰে আমাৰ উদ্যোগত চেঁচাপানী ঢালিবলৈ। সেইবিলাকৰ ছলাহী কথাত যদি ৰাইজ বিভ্ৰান্ত হয়, যদি অসমৰ ৰাইজৰ মাজৰ পৰা নাগালেণ্ডৰ ৰাইজৰ দৰে কেৱল এটা মত বা এটা দাবী দৃঢ়, ঐক্যবদ্ধ কণ্ঠৰে গৰজি কোৱা নহয়, কেন্দ্ৰই হেঁাহকা-পিছলা কৰি এদিন আলোচনা বন্ধ কৰি দিব পাৰে। সেয়ে ধাৰণা হয় উল্লেখ কৰা গুপ্ত চক্ৰৰ লগত ভাৰত ৰাষ্ট্ৰৰো একাংশ লোক জড়িত। আমাৰ মাজত মতভেদ দূৰ কৰাৰ আৰু ঐক্য সুদৃঢ় কৰাৰ প্ৰয়োজন এই মুহূৰ্তত অতিশয় জৰুৰী।

কিছু সংখ্যক লোকে প্ৰশ্ন কৰিছে, সাৰ্বভৌমত্ব লৈ আলোচনা হ'ব নে নহয়, কাৰণ সাৰ্বভৌমত্ব সংযুক্ত মুক্তি বাহিনীৰ প্ৰধান দাবী। ৰণক্ষেত্ৰত দুৰ্বল হৈ পৰা পক্ষই সাৰ্বভৌমত্বৰ দাবী প্ৰত্যক্ষভাৱে তোলাটো বুদ্ধিমানৰ লক্ষণ নহয়। তথাপি বিনাচৰ্তে আলোচনা হ'ব লাগে বুলি আমি দিয়া প্ৰস্তাৱত অন্ততঃ সাৰ্বভৌমত্বৰ বিষয়ে আলোচনাৰ অৱকাশ ৰখা হৈছে। সংযুক্ত মুক্তি বাহিনীৰ প্ৰতিনিধি সকলে এই বিষয় উত্থাপন কৰাত বাধা নাই।

দ্বিতীয়তে কোৱা হৈছে যে সমৰ-বাহিনীৰ সৰ্বাধিনায়ক পৰেশ বৰুৱা নাহিলে বা তেওঁৰ সন্মতি নাথাকিলে আলোচনা নিৰৰ্থক হ'ব। প্ৰথমে পৰেশ বৰুৱাই আমাৰ উদ্যোগৰ প্ৰতি আক্ৰমণাত্মক মনোভাৱ লোৱাত আমিও যথাযোগ্য প্ৰত্যুত্তৰ দিবলৈ বাধ্য হৈছিলোঁ। পিছত ধাৰণা হ'ল যে তেওঁক কোনোবাই ইয়াৰে পৰা ভুল পৰামৰ্শ দি আছে। তদুপৰি অসমৰ ন্যায্য অধিকাৰ সম্পৰ্কে তেওঁৰ আৱেগ আৰু নিষ্ঠাক আমি অসন্মান নকৰোঁ। সেয়ে আলোচনাৰ প্ৰক্ৰিয়াত তেওঁৰ সন্মতি আৰু সহযোগ আমিও বিচাৰোঁ। কিন্তু পৰেশ বৰুৱাক অকলে অসমৰ ভৱিষ্যৎ বা ভাগ্য নিৰ্ধাৰণ কৰাৰ অধিকাৰ দিব নোৱাৰি। তেওঁ সমৰ নায়ক, কিন্তু সংযুক্ত মুক্তি বাহিনীৰ কেন্দ্ৰীয় কমিটিৰ আন দায়িত্বশীল সদস্যসকলৰো এই বিষয়ে মাত মতাৰ অধিকাৰ যোগ্য অনাই আছে। সকলোৱে মিলিজুলিহে বিষয়টো সম্পৰ্কে সিদ্ধান্ত ল'ব পাৰিব।

তদুপৰি এই বিষয়টোৰ ওপৰত সিদ্ধান্ত ল'বলৈ সংযুক্ত মুক্তি বাহিনীৰ একচেটিয়া কৰ্তৃত্ব নাই। অসমৰ ৰাইজেহে আচলতে চূড়ান্ত সিদ্ধান্ত ল'ব লাগিব। গণভোট যিহেতু বৰ্তমান পৰিস্থিতিত সম্ভৱ নহয়, জাতীয় অভিবৰ্তনৰ জৰিয়তেই অসমৰ ৰাইজে ঐক্যবদ্ধ কণ্ঠে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সুবিচাৰ দাবী কৰিব লাগিব। সময় চাই কঠিয়া পাৰিব নজনা বাবেই শ্ৰীলংকাৰ তামিল ৰণনাক দুৰ্দ্ধৰ্ষ অপৰাজিত যোদ্ধা ভেলুপিল্লাই প্ৰভাকৰণ নিজেও নিহত হ'ল আৰু শ্ৰীলংকাৰ তামিল ৰাইজক নাজল-নাথল অৱস্থাত পেলাই থৈ গ'ল।

প্ৰশ্ন উঠিছে চাহপাত, তেল উদ্যোগ আদিত দেশী-বিদেশী বৃহৎ একচেটিয়া পুঁজিৰ প্ৰভুত্ব উচ্ছেদ কৰিব পৰা যাব নে নাযাব। তাৰ অবিহনে বোলে আমাৰ "সকলো গালোঁ বালোঁ, খোলাকটিৰ তাল"। এইটো এক চৰমপন্থী ধাৰণা। একেদিনে এইবোৰ বন্ধ কৰি দি লাখলাখ মানুহক নিবনুৱা কৰা, চলিত অৰ্থনীতিত মাধমাৰ মৰা, কোনো সুস্থিৰ মগজুৰ মানুহৰ সিদ্ধান্ত হ'ব নোৱাৰে। পুঁজিবাদবিৰোধী বিপ্লৱ কৰি মূলধনৰ অভাৱত পীড়িত স্বয়ং লেনিনে বিদেশী পুঁজিৰ পৰা মূলধন বিচাৰিছিল। কিন্তু তাৰ গতিবিধিৰ ওপৰত সম্পূৰ্ণ নজৰ আৰু নিয়ন্ত্ৰণ ৰাখিছিল। আমাৰো উদ্দেশ্য হোৱা উচিত এইবোৰ উদ্যোগৰ বাবে থলুৱা মানুহৰ বাবে সামগ্ৰিকভাৱে সুবিধা বিচৰা। যেনে ৰাজকোষত জমা হ'বপৰাকৈ ৰয়েল্টি আদি আদায় কৰা, প্ৰদূষণ, মাটি বেদখল আদি বন্ধ কৰা, স্থানীয় ৰাইজৰ প্ৰশিক্ষণ, কৰ্মসংস্থানত সিবিলাকৰ দায়বদ্ধতা দাবী কৰা। কেইটামান অৰ্থলোলুপ ঠিকাদাৰক হাত কৰাই এনে উদ্যোগৰ থলুৱা প্ৰেমৰ নিদৰ্শন হৈ আছে।

সংযুক্ত মুক্তি বাহিনীয়ে অসমৰ হৈ আলোচনাত কি বিচাৰিব, তেনে প্ৰশ্নও অসংগত নহয়। আমি গঠন কৰি দিয়া বিশেষজ্ঞ সমিতিবোৰে বিভিন্ন বিষয়ে দাবীচনদ আৰু আঁচনি প্ৰস্তুত কৰি আছে যিবোৰৰ দ্বাৰা সংযুক্ত মুক্তি বাহিনীয়ে অসমবাসী থলুৱা ৰাইজৰ সতেজ অস্তিত্ব আৰু ভৱিষ্যত প্ৰগতি সুনিশ্চিত কৰিব পাৰিব।

মাজে সময়ে সংযুক্ত মুক্তি বাহিনীৰ দ্বাৰা নিৰ্যাতিত পৰিয়াল আৰু তেওঁলোকে হত্যা কৰা লোকৰ পৰিয়াল মিলি দাবী তোলে যে তাৰ মুখ্য নেতাসকলে অপৰাধৰ শাস্তি পাব লাগে। আমাৰ বিৰুদ্ধে অপৰাধীক ৰক্ষণাবেক্ষণ দিয়াৰ অভিযোগো তোলা হৈছে। এই কথা উল্লেখ কৰা

প্ৰয়োজন যে জাতীয় অভিবৰ্তনৰ আহ্বায়ক মণ্ডলীৰ সদস্যসকল কোনোকালেই সংযুক্ত মুক্তি বাহিনীৰ সমৰ্থক নাছিল, তেওঁলোকৰ কোনো কোনোৱে সংযুক্ত মুক্তি বাহিনীৰ বিচাৰহীন, অবিবেকী হত্যাকাণ্ডবোৰৰ তীব্ৰ বিৰোধিতা কৰিবলৈ গৈ কেতিয়াবা সংগঠনৰ পৰা মৃত্যুদণ্ডৰ ভাবুকিও পাইছিল। নলবাৰীৰ স্বয়ং শ্ৰীযুত ৰমণী বৰ্মনৰ পুত্ৰ সংযুক্ত মুক্তি বাহিনীৰ আক্ৰমণত নিহত হৈছিল। গতিকে মানৱতা বিৰোধী অপৰাধৰ সমৰ্থনত আমি থিয় দিয়াৰ অভিযোগ অমূলক। কিন্তু যদি আমি আলোচনাৰ সপক্ষে জনমত গঠন নকৰোঁ ভৱিষ্যতে এনে ঘটনা আকৌ সংঘটিত হ'ব পাৰে। নিৰ্যাতিত পৰিয়ালবৰ্গই নিশ্চয় নিবিচাৰে যে ভৱিষ্যতে আন পৰিয়ালো তেওঁলোকৰ দৰে দুৰ্ভাগ্যৰ বলি হওক। ভ্ৰান্ত ৰাজনীতিৰ পথৰ পৰা আঁতৰাই যে নেতাসকলক আলোচনাত বহিবলৈ ৰাজী কৰাব পাৰিছোঁ আমি তাৰ বাবেই সন্তোষ লাভ কৰিছোঁ। কিন্তু লক্ষ্য কৰিব যে তেওঁলোকক বিনাচৰ্তে মুকলি কৰি দিয়াৰ আহ্বান আমি দিয়া নাই। তেওঁলোকৰ বিৰুদ্ধে আইনী প্ৰক্ৰিয়া চলি থাকিব বুলি ইংগিত দিয়া হৈছে।

সন্মিলিত জাতীয় অভিবৰ্তনৰ মঞ্চত প্ৰত্যেকজন বক্তাকে মুকলিমূৰীয়াকৈ ব্যক্তিগত মত প্ৰকাশৰ স্বাধীনতা দিয়া হৈছে। সেই অধিকাৰৰ ফলত গঠনমূলক সমালোচনাই গৃহীত প্ৰস্তাৱসমূহৰ উন্নতি ঘটাব পাৰে, সিহঁতৰ যথাযোগ্য সংশোধন আৰু সমৃদ্ধিকৰণ ঘটাব পাৰে। স্থানীয় পৰিস্থিতিৰ লগত খাপখোৱা কিছুমান সিদ্ধান্ত লোৱাও বাঞ্ছনীয়। উদাহৰণস্বৰূপে চৰকাৰৰ প্ৰতিশ্ৰুতি অনুসৰি আত্মসমৰ্পণ কৰা বিদ্ৰোহীয়ে যদি পুনৰ্বাসনৰ কোনো সুবিধা পোৱা নাই আঞ্চলিক অভিবৰ্তনৰ আহ্বায়কসকলে স্থানীয় প্ৰশাসনক কথাটো সঁকীয়াই দিব পাৰে। চৰকাৰী নিৰাপত্তাবাহিনী, সেনা অথবা বিদ্ৰোহী সংগঠনে কোনো পৰিয়ালৰ জীৱিকা নিৰ্বাহৰ ধৰণীস্বৰূপ ব্যক্তিক হত্যা কৰিলে চৰকাৰক অবিলম্বে সাহায্য দিবলৈ চৰকাৰক আবেদন কৰিব পাৰে। কেৱল বক্তৃতানুষ্ঠানতে সীমাবদ্ধ হৈ থাকিলে একোটা অনুষ্ঠানে সমাজত বিশেষ প্ৰভাৱ পেলাব নোৱাৰে।

এনে সকলোবোৰ উদ্যোগ আদৰণীয় হ'ব। কিন্তু মনত ৰাখিব লাগিব যে জাতীয় অভিবৰ্তনৰ নিৰ্দিষ্ট লক্ষ্য, প্ৰস্তাৱ আৰু কাৰ্যসূচী আছে। মঞ্চত তাৰ সমালোচনা আমি শ্ৰদ্ধাৰে শুনিম। কিন্তু আমাৰ লক্ষ্য আৰু কাৰ্যসূচীৰ বিৰোধী

কোনো প্ৰস্তাৱ আমি মানি ল'ব নোৱাৰোঁ। সি কেৱল শৃংখলাবিৰোধীয়েই নহয় যেনে তেনে আলোচনাত কুটাঘাত কৰিব খোজা শত্ৰুমহলৰ বাবে উৎসাহজনক হ'ব।

পূৰ্বেই ইংগিত দিছিলোঁ যে কেতবোৰ চৰকাৰী আৰু বে-চৰকাৰী মহলে আলোচনাৰ উদ্যোগটোক বিভিন্ন দিশৰ পৰা আক্ৰমণ কৰি আছে। পাৰিলে সিহঁতে আমাৰ মাজতো সিহঁতৰ ছদ্মবেশী মানুহ সুমুৱাই দিব, যিবিলাকে আমাক সমৰ্থন কৰাৰ নামত আমাৰ সংগঠনৰ মাজত বিভেদ আৰু বিশৃংখলা সৃষ্টি কৰিব, আমাৰ দুৰ্নাম ৰটনা কৰি ৰাইজৰ আস্থা হ্ৰাস কৰিব, আৰু আমাৰ কাৰ্যসূচীত বেমেজালি লগাব। যদিও গণ সংগঠনত কিছু উদাৰতা আৰু শিথিলতা থাকিব, স্পষ্ট প্ৰমাণ পালে এনে গোলমলীয়া মানুহক বৰ্জন কৰিলেহে ভৱিষ্যতে খেলিমেলিৰ হাত সাৰিব পৰা যাব।

অসমত যে উন্নয়ন বাধাগ্ৰস্ত, ভূমিপুত্ৰসকল সসন্মানে নিজৰ জীৱিকা অৰ্জন বা কৰ্মসংস্থানৰ উপায়ো নাপায়, নলবাৰী বা বৰপেটা অঞ্চললৈ চালেই হয়। এসময়ত হয়তো এইবাবেই স্থানীয় যুৱকসকলে হাতত অস্ত্ৰ তুলি লৈছিল। এতিয়া ফলপ্ৰসূ আলোচনাৰ জৰিয়তে তেওঁলোকৰ নেতাসকলে এই উদ্দেশ্যই সাধন কৰিবলৈ বিচাৰে। তেওঁলোকৰ এই নতুন বাস্তৱসন্মত কাৰ্যপন্থাত নলবাৰীৰ অভিৱৰ্তনেও সহায় কৰিব বুলি আশা কৰিলোঁ।

মই অসমৰ ভাগ্যনিয়ন্তা নহয় ঃ পৰেশ বৰুৱা

আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱা আৰু সুখ্যাত বুদ্ধিজীৱী ড° হীৰেন গোহাঁইৰ মাজত চলি থকা কলমৰ যুদ্ধখন কেইদিনমান বিৰতিৰ পিছত পুনৰ আৰম্ভ হৈছে। যোৱা ২২ আগষ্টত নলবাৰীৰ এখন সভাত ড° গোহাঁইয়ে কৰা কেতবোৰ মন্তব্যত বিদ্ৰোহী নেতাজন পুনৰ অসন্তুষ্ট। কাকতলৈ প্ৰেৰণ কৰা এক ই-মেইল বাৰ্তাত পৰেশ বৰুৱাই কয়— জাতীয় অভিব্ৰৰ্তনৰ গুৰি ধৰিবলৈ যো-জা কৰাৰে পৰাই ড° হীৰেন গোহাঁয়ে এটাৰ পিছত আনটো যি বিভ্ৰান্তিকৰ মন্তব্য আগবঢ়াই আহিছে, সি সন্মিলিত জাতীয় মুক্তি সংগ্ৰামখনৰ বাবে কোনো কাৰণতে সহায়ক বুলি বিবেচিত হোৱা নাই। বৰঞ্চ ৰাষ্ট্ৰযন্ত্ৰকহে আওপকীয়াকৈ সহায় কৰাৰ লগতে আমোদৰ খোৰাক যোগাই আহিছে। তেখেতে 'সংযুক্ত মুক্তি বাহিনী, অসম'ৰ ইতিহাস, জন্ম-যাতনা আৰু গঠনতন্ত্ৰৰ বিষয়ে বিশদভাৱে নজনাকৈয়ে তথাকথিত 'শান্তি আলোচনা'ত (আমি আগেয়ে কৈ আহিছোঁ, কোনো স্বাধীনতাকামী সংগঠনে তথাকথিত শান্তিৰ বাবে আলোচনাত নবহে, বহে আলোচনাৰ যোগেদি নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে) নিজকে সংযুক্ত কৰিলে। অসমৰ জাতীয় মুক্তি সংগ্ৰামখনৰ প্ৰতি সচেতন প্ৰতিজন মানুহেই জানে— 'আলফাই' অসমৰ জনগণৰ ভাগ্যনিয়ন্তা হ'বলৈ সংগ্ৰাম কৰা নাই। আমাৰ সংগ্ৰাম হ'ল— হেৰোৱা স্বাধীনতা পুনৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম। মই আলফাৰ তেনেই এটা সামান্য অংশহে। গতিকে, মই অসমৰ জনগণৰ ভাগ্য নিয়ন্ত্ৰণ কৰাৰ দৰে অলৌকিক চিন্তা কৰাৰ কল্পনাও কৰিব নোৱাৰোঁ আৰু নিজৰ ভাগ্য আনে নিয়ন্ত্ৰণ কৰাৰ দৰে প্ৰক্ৰিয়াক স্বীকাৰ নকৰোঁ। এতিয়া অসমৰ খিলঞ্জীয়া জনগণৰ ভাগ্য ঔপনিবেশিক ভাৰতে নিয়ন্ত্ৰণ কৰি আছে। আলফাৰ লক্ষ্য-উদ্দেশ্য, নীতি-আদৰ্শৰ প্ৰতি এক নিবেদিত প্ৰাণ আৰু কৰ্মী হিচাপে দলৰ সমূহীয়া মন্তব্যৰ লগত সুৰ মিলাই ময়ো কওঁ— অসমৰ ভাগ্য নিয়ন্ত্ৰণ কৰিব অসমৰ খিলঞ্জীয়া

জনগণে। কিন্তু ভাৰতীয় ঔপনিবেশিক শাসক গোষ্ঠীয়ে সেই অধিকাৰ অসমৰ খিলঞ্জীয়া জনগণৰ পৰা বলপূৰ্বক কাঢ়ি লৈ গৈছে। আমাৰ সন্মিলিত জাতীয় মুক্তি সংগ্ৰামৰ প্ৰাসংগিকতাও তাতেই। সেই অধিকাৰ পুনৰ প্ৰতিষ্ঠাৰ বাবেই আলফাৰ জন্ম। তেখেতৰ দৰে এজন বৰ্ষীয়ান আৰু সচেতন লোকক এই কথা পুনৰ সোঁৱৰাই দিব লগা হোৱাত অতি কষ্ট হৈছে। তেখেতৰ সেই মন্তব্য আৰু ঔপনিবেশিকতাৰ হৈ সদায় ওকালতি কৰাসকলৰ মন্তব্যৰ মাজত বিশেষ পাৰ্থক্য নিৰূপণ কৰিব পৰা নাযায়। তেখেতলৈ অনুৰোধ— আমি আলফাই উত্থাপন কৰা গণভোটৰ দাবীক মানি ল'বলৈ ঔপনিবেশিক ভাৰত ৰাষ্ট্ৰৰ ওচৰত দাবী জনাওক। পি চি হালদাৰকো বুজাওক। তেতিয়াহে অসমৰ ভাগ্য নিয়ন্ত্ৰণ কোনে কৰিব, স্পষ্টকৈ ওলাই পৰিব। অন্যথা বাতৰিকাকতৰ শিৰোনাম দখল কৰি জাতীয় সংগ্ৰামখনৰ মাজত বিভাজন আনিবলৈ এটাৰ পিছত এটা নিত্য নতুন মোৰ প্ৰতি লক্ষ্য কৰি কৰা বিভ্ৰান্তিকৰ মন্তব্য মাথোঁ সময়ৰ অপচয়। মোক লক্ষ্য কৰি আপুনি কৰা আক্ৰোশমূলক মন্তব্যবোৰে হয়তো আপোনাৰ ভাৰত ৰাষ্ট্ৰৰ ওচৰত গুৰুত্ব বঢ়াব, কিন্তু মোক দলৰ এজন নিষ্ঠাৱান কৰ্মী হোৱাৰ পথৰ কাঁইট হ'ব নোৱাৰে। কাৰণ, অসমৰ জনগণৰ জন্মগত অধিকাৰৰ প্ৰশ্নত ঔপনিবেশিক ভাৰতৰ ওচৰত আঁঠু কাঢ়িবলৈ মই কাহানিও সন্মত নহওঁ। আমি আটায়ে জানো— দলৰ মহান লক্ষ্য, উদ্দেশ্য, নীতি-আদৰ্শৰ বাবে আমাৰ ১২ হাজাৰৰো অধিক সতীৰ্থই প্ৰাণ দিলে। এই লক্ষ্য-উদ্দেশ্য, নীতি-আদৰ্শক বিসৰ্জন নিদিয়াৰ বাবেই দলৰ সন্মানীয় উপদেষ্টা মহাশয়, সভাপতি মহাশয়কে ধৰি হাজাৰ হাজাৰ দলীয় সদস্যই আজিও কাৰাগাৰৰ অন্ধকাৰ কোঠাৰ মাজত দিন অতিবাহিত কৰিবলগীয়া হৈছে। এটা বিপ্লৱী সংগঠনৰ নীতি-আদৰ্শ পৰিহাৰ কৰি ড° গোহাঁয়ে তেখেতৰ দ্বাৰা সম্পাদিত পূৰ্বৰ 'কলাখাৰ' আলোচনীৰ দৰে দশা কৰিবলৈ তৎপৰ হোৱা পৰিলক্ষিত হৈছে।

আমি পূৰ্বতেই কৈছিলো যে ড° গোহাঁয়ে নিজৰ প্ৰচুৰ অভিজ্ঞতাৰে গোটেই বিষয়টো আগবঢ়াই নিয়াত ব্যৰ্থ হৈছে। তাক তেখেতে বিগত সময়ত আলফা তথা ব্যক্তিগতভাৱে মোক লৈ কৰা কিছুমান অবিবেচক তৰল মন্তব্যই প্ৰমাণ কৰি আহিছে। মোক তেখেতে অসম-ভাৰত ৰাজনৈতিক সংঘাত ৰাজনৈতিকভাৱে মীমাংসাৰ বিৰোধী বুলি প্ৰচাৰ কৰিবলৈ প্ৰয়াস কৰিছে। ই

ঔপনিৱেশিক ভাৰত ৰাষ্ট্ৰই চলাই অহা প্ৰচাৰৰ সমকক্ষ। মই আলোচনাবিৰোধী নহয়, মাথোঁ আদৰ্শ বিসৰ্জনৰহে বিৰোধী। মই প্ৰথমৰে পৰাই কৈ আহিছোঁ যে আলফাৰ প্ৰতিজন নেতা-সদস্যই আলোচনাৰ প্ৰতি আগ্ৰহী, তাৰ বাবেই আলফাই বিগত দিনত পি চি জিৰ দ্বাৰা এটা প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। তাত আমাৰ আন্তৰিক সদিচ্ছাকে প্ৰতাৰণা কৰিলে দিল্লীয়ে। আমাৰ কথা হ'ল— লক্ষ্য-উদ্দেশ্য, নীতি-আদৰ্শ বিসৰ্জন দি ১৯৮৫ চনত আছুৰে কৰা অসম চুক্তিৰ দৰে প্ৰতাৰণামূলক দলিলত স্বাক্ষৰ কৰিবলৈ আলফা প্ৰস্তুত নহয়। ড° হীৰেন গোহাঁয়ে পাহৰি যোৱা উচিত নহয় যে তেনে গোপন চুক্তিয়েহে কোনো ব্যক্তিবিশেষক তথাকথিক ভাগ্য নিয়ন্ত্ৰকৰ ৰূপত ৰাষ্ট্ৰই প্ৰক্ষেপ কৰে। উদাহৰণস্বৰূপে প্ৰতাৰণাৰ দলিল 'অসম চুক্তি'ৰ দ্বাৰা ঔপনিবেশিক শাসকে সেই সময়ৰ কেইজনমান যুৱ নেতাক অসমৰ ভাগ্য নিয়ন্ত্ৰক হোৱাৰ টোপ দি অসমৰ খিলঞ্জীয়া জনগণৰ গণ আন্দোলনক নিয়ন্ত্ৰণ কৰিলে। সেই প্ৰক্ৰিয়া আলফাৰ ক্ষেত্ৰতো পূৰ্বৰে পৰাই চলি আহিছে। অসমৰ খিলঞ্জীয়া জনগণৰ প্ৰতি যদি তেখেত দায়বদ্ধ, তেন্তে ৰাষ্ট্ৰযন্ত্ৰৰ তেনে কু-অভিসন্ধিক ৰোধ কৰিবৰ বাবেহে সচেতন হোৱাৰ বাবে অনুৰোধ জনাইছোঁ। ড° হীৰেন গোহাঁয়ে সমস্যা সমাধান কৰিবলৈ গৈ নতুন আৰু জটিল সমস্যা সৃষ্টি কৰি আহিছে। তেওঁৰ সেই প্ৰৱণতাৰ কথা ইণ্টাৰনেটৰ জৰিয়তে প্ৰকাশ কৰা এটা নিবন্ধৰ শেষৰ ফালে চুলতান আলী আহমেদে এবাৰ প্ৰসংগক্ৰমে লিখিছিল—'It is true that Dr. Hiren gohain has now and then been amidst controversy. The people of Asom have been going through a turbulent time during the last twenty years and various issues have come to the forceh in different times. As a socially conscious person, Dr. Hiren Gohain could not remain silent on these issues. He has come out with his thoughtful stands on every issue that has touch the people of Asom. But his views are polemic as it is the case with all original thinkers. So, he could not win favour from all sections of the society. But his 'controversial' role in some issues should not come in the way of giving him his due recognition which could have come to him easily if he concentrated on purely academic activities.'

ড° গোহাঁয়ে কোৱা মতে মইতো মধ্যযুগীয় আৰু শিক্ষাৰ পোহৰ

নোপোৱা লোক। তথাপি নিজৰ সীমিত জ্ঞানেৰে উপৰিউক্ত কথাখিনিৰে যি বুজি পাইছোঁ, তেখেতে মিছা কোৱা নাই। আজিৰ তেখেতৰ ভূমিকাও ইয়াৰ ব্যতিক্ৰম নহয়। এটা নিৰ্দিষ্ট 'Comfort zone' ত থাকি সময়ে সময়ে বিভিন্ন মন্তব্যহে কৰিব পাৰি। আহাৰৰ অভাৱ নহ'লে, ভোকৰ তাড়না উপলব্ধি কৰা সম্ভৱ নহয়। 'Comfort zone' ত থাকি নিজৰ কেৰিয়াৰ বনাব পাৰি, কিন্তু জাতীয় দায়বদ্ধতা পালন কৰিব নোৱাৰি। 'Comfort zone'ৰ পৰা বাহিৰ হৈ আহিব নোৱৰা বাবেই তেখেতে ভাষা আন্দোলন, শোধনাগাৰ আন্দোলন, বিদেশী খেদা আন্দোলন আদিত প্ৰয়োজনীয় জাতীয় দায়বদ্ধতা পালন কৰিবলৈ ব্যৰ্থ হ'ল। আজিও তেখেতে সেই গণ্ডীৰ পৰা বাহিৰ হৈ আহিব নোৱৰা বাবেই অসমৰ জ্বলন্ত সমস্যাসমূহ, ঔপনিবেশিকতাৰ শোষণ, নিষ্পেষণৰ বিৰুদ্ধে মাত মাতিব পৰা নাই। (এইখিনিতে তেখেতলৈ অনুৰোধ— মই পাণ্ডিত্য জহাবৰ বাবে ইংৰাজী বাক্য ব্যৱহাৰ কৰা নাই। চুলতান আলী আহমেদে কোৱা কথাখিনি হুবহু তুলি দিবৰ বাবেহে চেষ্টা কৰিছোঁ। গতিকে অনুগ্ৰহ কৰি ভুল নুবুজিব)।

ড° হীৰেন গোহাঁয়ে বিচৰা নাই যে অসমৰ খিলঞ্জীয়া জনগণে নিজৰ ভাগ্য নিজেই নিয়ন্ত্ৰণ কৰাটো বিচৰা হ'লে তেখেতে অসমৰ স্বাধীনতাৰ প্ৰস্তাৱক অগ্ৰাহ্য নকৰিলেহেঁতেন। ঔপনিবেশিক ভাৰতৰ ওচৰতহে তেখেতে নিজৰ লগতে অসমৰ খিলঞ্জীয়া জনগণৰ ভাগ্যৰ দায়িত্ব অৰ্পণ কৰিব বিচাৰিছে। কিন্তু এবাৰ ভাবি চোৱাৰ প্ৰয়োজন হৈ পৰিছে তেখেতে যি ভাৰতৰ হৈ ওকালতি কৰিছে, সেই ভাৰতৰ চৰিত্ৰ আৰু জনগণৰ দুৰ্দশাৰ কথা। অলপতে এটা আন্তঃৰাষ্ট্ৰীয় সংস্থাই ভাৰতৰ মাত্ৰ ৮খন ৰাজ্যত এটা সমীক্ষা চলাইছিল। তাত প্ৰকাশ পোৱা তথ্য মতে, সেই ৮খন ৰাজ্যত ৪২ কোটি মানুহে দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। এই সংখ্যা আফ্ৰিকাৰ ২৬খন দেশৰ মুঠ জনসংখ্যাতকৈও বেছি। ভাৰতৰ ৭৫ শতাংশ লোকৰ দৈনিক আয় ২ আমেৰিকান ডলাৰতকৈ কম। গতিকে আমি সকলো দিশ আলোচনা কৰি ক'ব পাৰোঁ— অফুৰন্ত প্ৰাকৃতিক সম্পদৰ গৰাকী হৈও অসমৰ খিলঞ্জীয়া জনগণে ভাৰতৰ দৰিদ্ৰতাৰ বোজা কঢ়িয়াই লৈ ফুৰিব লগা হৈছে। অসমৰ এই ভূমিখণ্ডৰ সমান এলেকাত ইমান প্ৰাকৃতিক সম্পদ মজুত থকাৰ উদাহৰণ পৃথিৱীত খুব বেছি নাই। আমি কওঁ— অসমৰ খিলঞ্জীয়া জনগণৰ নিজৰ

সম্পদৰ ওপৰত অধিকাৰ থকা হ'লে আমিও আজি বুনেইৰ দৰে এখন সমৃদ্ধিশালী দেশ হ'ব পাৰিলোঁহেঁতেন।

মাননীয় ড° হীৰেন গোহাঁইক আমি সকলোৱেই অতি শ্ৰদ্ধা কৰোঁ। আদৰ্শ ভিন্ন হ'ল বুলিয়েই তেখেতে সন্মিলিত জাতীয় মুক্তি সংগ্ৰামখন আৰু মোক বাৰে বাৰে অপমান নকৰিবলৈ অনুৰোধ কৰিছোঁ। বিগত দিনত তেখেতে মোক অনৰ্থক কিছু কিছু বিষয়ৰ মাজলৈ টানি আনিছে। উদাহৰণস্বৰূপে বি বি চিৰ সাতভনী অঞ্চলৰ সংবাদদাতা সুবীৰ ভৌমিকৰ লগত হোৱা বিতৰ্কত মোক অনাহকতে টানি পানী ঘোলা কৰা দেখা গ'ল। ইয়াৰ কিবা প্ৰয়োজন আছিল বুলি মোৰ লগতে অসমৰ বহুতো গণ্য-মান্য লোকে নাভাবে। তেখেতৰ প্ৰতি থকা শ্ৰদ্ধাক অৱমূল্যায়ন নকৰি আমি সকলোৱে জাতীয় স্বাৰ্থৰ কথাহে ভবা উচিত। কাণ থৰথৰাই গ'লেও আমাৰ বিৰুদ্ধে হোৱা গঠনমূলক সমালোচনাসমূহ আমি সাদৰেৰে গ্ৰহণ কৰিছোঁ। ল'বলগীয়া বুলি বিবেচিতখিনি লৈছোঁ। কিন্তু দলৰ লক্ষ্য-উদ্দেশ্য, নীতি-আদৰ্শ বিসৰ্জন দিবলৈ কৰা আহ্বানত আমি অসমৰ খিলঞ্জীয়া জনগণৰ ভৱিষ্যতৰ স্বাৰ্থতে সঁহাৰি দিব নোৱাৰোঁ। সকলোৱে জনা উচিত— মই, সন্মানীয় উপদেষ্টা মহাশয়, সভাপতি মহাশয়কে ধৰি আমি সকলো অসমৰ স্বাধীনতা সংগ্ৰামৰ এটা প্ৰজন্মৰ প্ৰতিনিধিহে মাথোঁ। নতুন প্ৰজন্ম আহিব, একেই স্বাধীনতা সংগ্ৰামৰ প্ৰতিনিধিত্ব কৰিব। গতিকে এই স্বাধীনতা সংগ্ৰামখনৰ ধ্বংস কামনা নকৰি আহক সকলোৱে ইয়াক গঠনমূলক সমালোচনাৰে লক্ষ্যপ্ৰাপ্তিৰ দিশত অৰিহণা যোগাওঁ।

অসমীয়া প্ৰতিদিন, ২৫ আগষ্ট, ২০১০

শেষ প্ৰতিক্ৰিয়া
পৰেশ বৰুৱাইহে আলফাৰ পূৰ্ণাংগ ইতিহাস নাজানে

শ্ৰীমান পৰেশ বৰুৱাই আপত্তি কৰিছে যে মই মিছাতে বাৰে বাৰে মোৰ মন্তব্যৰ মাজলৈ তেওঁক টানি আনিছো। এইটো এক ভিত্তিহীন অভিযোগ। এই কথা কাকত-পত্ৰ পঢ়া সকলো মানুহেই দেখি আছে যে আমাৰ সন্মিলিত জাতীয় অভিবৰ্তনৰ যিকোনো অনুষ্ঠান বা ৰাজহুৱা উদ্যোগৰ পূৰ্ব মুহূৰ্তত বৰুৱাই বাঘৰ দৰে এটা গোঁজৰণি মাৰে আৰু ঠিক তাৰ পিচতেই এপাল মাংসলোভী শিয়ালৰ দৰে আৰু কিছুমানে 'হোৱা হোৱা'কৈ (হুৱা-হুৱা?) তেওঁৰ সমৰ্থনত কোৰাছ গায়। তেওঁ নিমাতে থাকিলেও অসমবাসী তেওঁৰ কোনো বীৰ সমৰ্থকে তেওঁৰ মত উদ্ধৃত বা উল্লেখ কৰি আমাক আচামীৰ গঁৰালত তোলে। তেনেস্থলত আমি আমাৰ অৱস্থান আৰু উদ্দেশ্যৰ সমৰ্থনত যি যুক্তি আগবঢ়াবলৈ বাধ্য হওঁ, তাত পৰেশ বৰুৱাৰ প্ৰসংগ আহিবই। পৰিস্থিতিটো তেওঁ নিজেই সৃষ্টি কৰিছে।

তদুপৰি তেওঁ বাৰে বাৰে অভিযোগ কৰিছে যে অসমৰ হৈ মই কেতিয়াও কোনো ত্যাগ কৰা নাই। অসম আন্দোলনৰ সময়ত তাৰ অশুভ ফেচীবাদী প্ৰৱণতা দেখি মই তাৰ বিৰুদ্ধে আন্দোলনত মতলীয়া ৰাইজক সকীয়াই দিছিলোঁ। পিচত বিৰোধিতা কৰিবলৈ বাধ্য হৈছিলো ঘোৰ প্ৰতিকূল পৰিস্থিতিত। তেনেকৈ Comfort zoneত থকা বাবে মই এচাম আন্দোলনকাৰীৰ হাতত মাৰ খাই হাস্পাতাল পাই মূৰত ৭'টা চিলাই ল'বলগা হৈছিল। তথাপি আন্দোলনটো সম্পূৰ্ণ ভিত্তিহীন বুলি বা আন্দোলনকাৰীসকলৰ ভাবাৱেগ সম্পূৰ্ণ ফোঁপোলা বুলি কেতিয়াও কোৱা নাছিলোঁ। বৰুৱাই নাজানে যে Sunday নামৰ তেতিয়াৰ বহুল প্ৰচাৰিত আলোচনীত মই ১৯৮৪ চনত লিখা প্ৰবন্ধ এটাই ভাৰত চৰকাৰৰ কৰ্তৃত্বশীল মহলক আন্দোলনটোৰ মীমাংসা কৰিবলৈ আগ্ৰহান্বিত কৰিছিল। (বৰুৱাই

আমি লিখা 'তেজৰ আখৰে লিখা' আৰু 'Assam, a Burning Question' পঢ়িলে পৰাগ দাস আৰু নিবাৰণ বৰাই নোকোৱা কথা কিছুমান জানিব পাৰিব।)

পৰৱৰ্তী কালত অসম গণ পৰিষদৰ প্ৰতি ব্যাপক মোহভংগৰ কাৰণে যেতিয়া আলফাৰ প্ৰভাৱ বৃদ্ধি পালে, আৰু আলফাই সেই আৱেগিক সমৰ্থনত মতলীয়া হৈ আগ-পাচ নুগুণি আলফাবিৰোধী মাত্ৰকে অসমবিৰোধী বুলি বিনা বিচাৰে মৃত্যুদণ্ড দিয়াত লাগিল, তেতিয়া মই Comfort zoneত থাকি মুক্ত কণ্ঠে তাৰ প্ৰতিবাদ কৰিছিলোঁ। ভাগ্যে একাংশ ৰাইজ তেতিয়াও উটি যোৱা নাছিল আৰু অসম আন্দোলনৰ পৰা পোৱা শিক্ষাৰ বাঁবে মোৰ কথালৈ কাণ দিছিল। আলফাই মোক হত্যা কৰিব পাৰে বুলি নানাজনে কাকতে-পত্ৰই ইংগিত দিছিল। ল'ৰা-তিৰোতাৰ বাবে ময়ো উৎকণ্ঠিত হৈছিলোঁ। চৰকাৰী নিৰাপত্তাৰ ব্যৱস্থায়ো ভুল ধাৰণা দিব পাৰে বুলি দুদিনতে মই তাৰ পৰা নিষ্কৃতি লৈছিলোঁ। এইবোৰ জোল খোৱাৰ দৰে গৌৰৱজনক নহ'ব পাৰে, কিন্তু নীতিৰ বাবে মই কষ্ট খোৱা নাই বুলি বৰুৱাই টুলুঙা মন্তব্য কৰা অনুচিত।

আলফাৰ বিৰোধিতা কৰাসকলৰ ভিতৰত এটা কথা লৈ মই আটাইতকৈ চিন্তিত আছিলো আৰু সঘনে সেই বিষয়ে সতৰ্কবাণী শুনাইছিলোঁ। বিশেষকৈ অসমৰ পাহাৰীয়া অঞ্চলবোৰৰ অভিজ্ঞতাৰ পৰা ধাৰণা হৈছিল যে আলফাৰ হঠকাৰিতাৰ বাবে অসমৰ ভৈয়ামৰ নিৰীহ গঞা ৰাইজো অসীম নিৰ্যাতনৰ বলি হ'ব পাৰে। সেয়ে তেওঁলোকৰ অভিযানৰ পদ্ধতি, লক্ষ্য আদি পুনৰ্বিবেচনা কৰিবলৈ আহ্বান দিছিলোঁ। মদমত্ত হাতীৰ দৰে আলফাই কৰ্ণপাত নকৰিলে আৰু ফলাফলো সেয়েই হৈছিল। আলফাই নিৰ্যাতিত গঞা ৰাইজক কোনো সুৰক্ষা দিব নোৱাৰিলে। তিনিচুকীয়াৰ গাঁৱত সেনাৰ অত্যাচাৰৰ প্ৰতিশোধ গুৱাহাটীত বোমা ফুটোৱা হ'ব নোৱাৰে। এইবোৰ কাৰণতে অসমৰ অধিকাংশ ৰাইজ আলফাৰ প্ৰতি নিস্পৃহ হৈ পৰিছিল।

গোপীনাথ বৰদলৈ নিভাঁজ ভাৰতপ্ৰেমী আছিল। তেওঁ ব্ৰিটিছ কূটনীতিৰ কি জঁট ভাঙিবলৈ আৰু সৰ্বভাৰতীয় কংগ্ৰেছী নেতৃত্বৰ চেতনা আনিবলৈ এটা সময়ত 'অসম স্বাধীন হ'ব' বুলি গোঁজৰণি মাৰিছিল, বৰুৱাই সেই বিষয়ে আৰ-তাৰ আংশিক বিৱৰণ নপঢ়ি বিস্তাৰিতভাৱে অধ্যয়ন কৰিলে বুজি পাব।

সমস্যা সমাধান হৈ যোৱাৰ পিচত বৰদলৈদেৱে আৰু এই দাবী তোলা নাছিল। সমাজবাদী সাংসদ হেম বৰুৱাই অসমৰ স্বাধীনতা বিচৰাৰ কোনো প্ৰমাণ নাই।

বৰুৱাই অভিযোগ কৰিছে যে মই আলফাৰ ইতিহাস নাজানো। মোৰ বিশ্বাস বৰুৱাই নিজেও আলফাৰ পূৰ্ণাংগ ইতিহাস নাজানে।

কোনো সংগঠনে বা ব্যক্তিয়ে ঘোষণা কৰা উদ্দেশ্যৰ দ্বাৰা তাৰ বা তেওঁৰ অৱদান জুখিব নোৱাৰি। সেই উদ্দেশ্য পূৰণৰ হকে কৰা কাম-কাজৰ ফলাফলৰ মূল্যায়ন কৰিলেহে সম্পূৰ্ণ বিচাৰ সম্ভৱ হ'ব।

আলফাৰ কাৰ্যকলাপৰ ফলত নিৰীহ ৰাইজ সেনা-পুলিচৰ তুমুল নিৰ্যাতনৰ বলি হৈছিল। ৰাজ্যজুৰি ৰাইজৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব হৈছিল আৰু স্বৈৰতন্ত্ৰৰ ভিত্তি ৰচিত হৈছিল। আমি তাৰ বিৰুদ্ধে যুঁজ দিছিলোঁ। 'গছ'ৰ সঁজাতী দলৰ সদস্যৰূপে দিল্লীলৈও গৈ প্ৰধানমন্ত্ৰীৰ ওচৰত গোচৰ দিছিলোঁ। কিন্তু বিপদ চপাই আনিছিল আলফাৰ হঠকাৰিতাই।

তলৰ মহলাৰ সেনানায়কসকলক মৃত্যুদণ্ড দিয়াৰ অধিকাৰ দিয়াৰ ফলত এনে কেতবোৰ জঘণ্য হত্যাকাণ্ড হৈছিল যে 'সন্ত্ৰাসবাদী'ৰ কলংক আলফাৰ গাত ভালকৈয়ে লাগিছিল। অসমৰ বহু আগশাৰীৰ শিল্পী-সাহিত্যিকে গৰিহণা দি থকা 'সন্ত্ৰাসবাদ'ৰ আচল নায়ক কোন আছিল?

জনগোষ্ঠীয় আশা-আকাঙ্ক্ষা অসমীয়া মধ্যবিত্তৰ দৰে আলফায়ো অৱহেলা কৰাৰ সুযোগ লৈ কেন্দ্ৰই বিভাজনৰ ৰাজনীতি খেলি অসমৰ ঐক্য থানবান কৰাৰ সুযোগ পালে। তাৰ বাবে কেৱল 'ঔপনিৱেশিক ভাৰত'ক দুষিলে নহ'ব। শ্ৰীমান বৰুৱাই দাবী কৰিছে যে আলোচনাৰ একমাত্ৰ বিষয় হ'ব লাগে অসমৰ স্বাধীনতা। এইটো বৰ্তমান পৰিস্থিতিত অবাস্তৱ দাবী। কিন্তু আমি দিয়া 'বিনাচৰ্তে আলোচনা'ৰ প্ৰস্তাৱে তাকো সামৰি লোৱাত বাধা নাই।

খবৰ, আমাৰ অসম, ২৯ আগষ্ট, ২০১০

আলোচনালৈ পৰেশ বৰুৱা অহা-নহা ইত্যাদি প্ৰসংগ

(সুবীৰ ভৌমিকৰ প্ৰথম প্ৰবন্ধৰ প্ৰতিবাদ)

যোৱা ২৮ জুন তাৰিখে প্ৰকাশ পোৱা সুবীৰ ভৌমিকৰ প্ৰবন্ধত সন্মিলিত জাতীয় অভিৱৰ্তন (অসম)ৰ লক্ষ্য আৰু কাৰ্যপ্ৰণালী সম্পৰ্কে বিভ্ৰান্তিকৰ তথ্য আৰু ধাৰণা সন্নিৱিষ্ট হোৱা বাবে এটা শুধৰণি দিবলৈ বাধ্য হৈছোঁ। বহু দুৰ্লভ তথ্যৰ সন্ধেদ দিয়া বাবে শ্ৰীভৌমিক অনুসন্ধিৎসু মহলৰ আদৰৰ পাত্ৰ। কিন্তু তেওঁৰ বিশ্লেষণত কেতিয়াবা বিবদমান হোৱাৰ সুৰুঙা থাকি যায়।

সন্মিলিত জাতীয় অভিৱৰ্তন (অসম) সম্পৰ্কে তেওঁ দিয়া মন্তব্যতো তেনে সুৰুঙা দেখা পাইছোঁ। আনহাতে তেওঁৰ প্ৰতিষ্ঠাক আলম কৰি কোনো কোনো মহলে প্ৰমাদগ্ৰস্ত ধাৰণা প্ৰচাৰ কৰাৰ আশংকাও আছে। সেয়ে দুটামান কথাত আমাৰ প্ৰতিক্ৰিয়া জনাবলৈ বাধ্য হৈছোঁ।

ভৌমিকৰ ধাৰণা যে আমি পৰেশ বৰুৱাক বাদ দি আলোচনা কৰাৰ কথা কৈছোঁ। আচলতে আমাৰ তেনে অধিকাৰ নাই। আলোচনাৰ আয়োজন আমি নকৰোঁ, তাত অংশগ্ৰহণো নকৰোঁ। আলোচনা কিছুমান ব্যক্তিয়ে নকৰে, সংযুক্ত মুক্তি বাহিনী, অসম (ULFA) নামৰ এটা সংগঠনে তেওঁলোকৰ নিৰ্বাচিত প্ৰতিনিধিৰ জৰিয়তে কৰিব। সংগঠনৰ নিয়মাৱলী অনুযায়ী পৰেশ বৰুৱা থাকিব নে নাথাকে, সংগঠনটোৱেহে নিৰ্ধাৰণ কৰিব।

'সংযুক্ত মুক্তি বাহিনী, অসম'ৰ সংবিধান উদ্ধৃত কৰি ভৌমিকে মত প্ৰকাশ কৰিছে যে কাৰাবন্দী নেতাসকলে সংগঠনটোৰ হৈ কথা ক'ব নোৱাৰে। আমিও কৈছোঁ, আৰু চৰকাৰক বুজাইছোঁ, যে কাৰাৰুদ্ধ অৱস্থাত যদি তেওঁলোকে কিবা সিদ্ধান্ত লয় তেনেহ'লে চৰকাৰৰ হেঁচাতে তেওঁলোকে সেই সিদ্ধান্ত লোৱা বুলি ৰাইজৰ মনত সন্দেহ উপজিব। সেয়ে তেওঁলোকক

মুকলি কৰি দি মুক্ত পৰিৱেশত আজিও মুক্ত হৈ থকা অন্যান্য নেতাৰ লগ লাগি সংগঠনটোৰ কাৰ্যনিৰ্বাহক তথা কেন্দ্ৰীয় সমিতিৰ বৈঠক পাতিবলৈ সুবিধা কৰি দিব লাগে। যদি তেনে বৈঠকত আলোচনাৰ জৰিয়তে মীমাংসা বিচৰাৰ সিদ্ধান্ত গৃহীত হয় তেনেহ'লে পৰেশ বৰুৱায়ো আলোচনাৰ সিদ্ধান্ত মানি ল'বলৈ বাধ্য হ'ব। যিহেতু এতিয়ালৈকে চৰকাৰে সেই ব্যৱস্থা গ্ৰহণ কৰা নাই, পৰেশ বৰুৱা অহা বা নহাৰ কথা প্ৰাসংগিক হৈ উঠা নাই।

দ্বিতীয়তে, ভৌমিকে ধৰি লৈছে যে সাৰ্বভৌমত্বৰ বিষয়ে আলোচনা নহ'লে পৰেশ বৰুৱা যিহেতু নাহে, আৰু ভাৰত চৰকাৰ সেই বিষয়ে আলোচনা কৰিবলৈ নাৰাজ, সেয়ে পৰেশ বৰুৱা অহাৰ আশা নাই, আৰু আলোচনা-তাৰ ফলত নিষ্ফল হ'ব। ভাৰতীয় সংবিধানৰ নামত শপত খোৱা ভাৰত চৰকাৰৰ নেতৃস্থানীয় লোকসকলে ভাৰতৰ 'সাৰ্বভৌমত্ব'লৈ (তাৰ Classical তথা প্ৰথাগত অৰ্থত) দৰ-দাম কৰিব নোৱাৰে। কিন্তু আমি যি চৰ্তহীন আলোচনাৰ প্ৰস্তাৱ দিছোঁ, তাক গ্ৰহণ কৰিলে সেই বিষয়ে মতবিনিময়ত বাধা নাথাকিব। অৱশ্যে সাৰ্বভৌমত্ব কেনেকৈ দিয়া যাব, আলোচনাৰ লক্ষ্য সেইটোৱেই হ'ব বুলি ভবাও বাতুলতা। বৰ্তমান পৰিস্থিতিত সেয়ে চৰ্তহীন আলোচনাৰ প্ৰস্তাৱ পৰেশ বৰুৱাই গ্ৰহণ কৰিলে নিজৰ নীতিৰ পৰা বিচ্যুত হোৱা নুবুজাব।

ভৌমিকৰ তৃতীয় যুক্তি হৈছে এয়ে যে ১৯৭৫ চনত হোৱা 'শ্বিলং চুক্তি' মুইভা, আইজাক শ্বু, খাপলাঙৰ দৰে দুৰ্ধৰ্ষ বাহিনীৰ নেতাসকলক বাদ দি স্বাক্ষৰ কৰাৰ ফলতে সশস্ত্ৰ নাগা বিদ্ৰোহৰ কণকঠীয়া নমৰিল আৰু চীনৰ সাহায্যত সি আৰু শক্তিশালী হৈ উঠিল। সেয়ে 'সংযুক্ত মুক্তি বাহিনী'ৰ সশস্ত্ৰ দলবোৰৰ সেনাধ্যক্ষ পৰেশ বৰুৱাক আঁতৰত ৰাখি কৰা মীমাংসাও অৱশেষত দুৰ্বল আৰু ফলহীন হ'ব।

কিন্তু পৰিস্থিতি দুটাৰ তুলনা নহয়। ১৯৭৫ চনত ভাৰত আৰু ছোভিয়েট ৰাছিয়াৰ মাজত সামৰিক সহযোগিতাৰ চুক্তি স্বাক্ষৰিত হয়। ছোভিয়েট ৰাছিয়াৰ বিৰুদ্ধে আমেৰিকাৰ লগতো বন্ধুত্ব কৰিবলৈ ওলোৱা সাম্যবাদী চীন সেই আপাহতে ভাৰতবিৰোধী নানা কৰ্ম-কাণ্ডত লিপ্ত হৈছিল। এন এছ চি এন (আই এম) দলকো নানাধৰণৰ সাহায্য দিবলৈ চীন আগবাঢ়ি আহিছিল। আজি কিন্তু বিশ্ব পৰিস্থিতি বহুত বেলেগ। ৰাছিয়াৰ লগত চীনৰ

সম্পৰ্ক এতিয়া শান্তিপূৰ্ণ। ভাৰতৰ লগত আমেৰিকাৰ ক্ৰমবৰ্ধমান ঘনিষ্ঠতা লৈ চীন সন্দিহান। কিন্তু এতিয়াও আমেৰিকাৰ প্ৰতি চীনৰ বিৰূপ মনোভাব সত্তৰৰ দশকৰ ছোভিয়েট বিৰোধিতাৰ পৰ্যায়লৈ উধোৱা নাই। চীন আৰু আমেৰিকাৰ মাজত যিমানেই বিবাদ নহওক, দুয়োখন ৰাষ্ট্ৰৰ অৰ্থনীতি পৰস্পৰৰ লগত ওতপ্ৰোতভাৱে জড়িত। ভাৰতেও চীনৰ সন্দেহ দূৰ কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। সেয়ে পৰেশ বৰুৱাক পাশাৰ গুটি হিচাপে কেতিয়াবা ব্যৱহাৰ কৰিবলৈ বিচাৰিলেও চীনে শীঘ্ৰে তেওঁক ভাৰতৰ বিৰুদ্ধে যুদ্ধৰ বাবে সু-সজ্জিত কৰিব বুলি ধাৰণা নহয়।

চতুৰ্থ যুক্তিটো এজন অভিজ্ঞ সাংবাদিকৰ কলমৰ পৰা ওলোৱা অদ্ভুত কথা। চিটাগং চহৰৰ পৌৰপতিৰূপে নিৰ্বাচিত হৈছে শ্বেখ হাছিনাৰ বিৰোধী দল বি এন পিৰ নেতা। অতএব ভৌমিকৰ মতে চিটাগং বন্দৰত খোপনি পুতি পৰেশ বৰুৱাই তাৰ পৰা ভাৰতবিৰোধী সামৰিক উদ্যোগৰ আয়োজন কৰিব পাৰিব আৰু সমুগ্ৰ পথেৰে অস্ত্ৰ-শস্ত্ৰৰ সৰবৰাহো সুনিশ্চিত কৰিব পাৰিব। পৌৰপতি যেয়েই নহওক, চিটাগং বাংলাদেশৰ অন্তৰ্ভুক্ত হয় নে নহয়? যদি হয় তেন্তে তাত আশ্ৰয় লৈ বাংলাদেশৰ সাম্প্ৰতিক পৰৰাষ্ট্ৰ নীতিৰ ওপৰত পৰেশ বৰুৱাই আঘাত কৰিব, মিত্ৰৰাষ্ট্ৰৰ বিৰুদ্ধে যুদ্ধ চলাব, আৰু বাংলাদেশ চৰকাৰ তথা সেনাবাহিনী নিস্পৃহ হৈ চাই থাকিব, ই সমূলি বিশ্বাসযোগ্য সিদ্ধান্ত নহয়। বি এন পিৰ লগত 'সংযুক্ত মুক্তি বাহিনী'ৰ ঘনিষ্ঠতা ইমান বেছি আছিল যে শ্বেখ হাছিনাৰ জনসভাত বোমা বিস্ফোৰণ ঘটাই তেওঁক হত্যা কৰাৰ বন্দৱস্ত 'সংযুক্ত মুক্তি বাহিনী'য়ে কৰিছিল বুলি এতিয়াও বহুতৰ বিশ্বাস। এনেস্থলত বাংলাদেশ পৰেশ বৰুৱাৰ বাবে বৰ সুবিধাজনক আশ্ৰয়স্থল নহ'ব।

পৰেশ বৰুৱা অহা-নহাক লৈ পৰিপক্ক আৰু অৰ্ধপক্ক আৰু বহু অৰ্ধদগ্ধ লোকে বিভিন্ন মত প্ৰকাশ কৰি আছে। সেইবোৰ জল্পনা-কল্পনাত আমাৰ আগ্ৰহ নাই। আমি বিচাৰো অসমলৈ শান্তি ঘূৰি আহক, অবাবত নিৰীহজনৰ মৃত্যু নহওক, সন্ত্ৰাসৰ পৰিৱেশ দূৰ হওক, নিজৰ ইচ্ছা আৰু ধাৰণা অনুযায়ী আত্মপৰিচয় ৰক্ষাৰ বাবে উন্নয়নৰ পথ গ্ৰহণ কৰিবলৈ অসমৰ ৰাইজে অধিকাৰ পাওক।

অসমীয়া প্ৰতিদিন, ৮ জুলাই, ২০১০

শান্তি আলোচনা প্ৰসংগ
আবেগে সমস্যা সমাধানৰ নিশ্চিতি নিদিয়ে

(সুবীৰ ভৌমিক)

জাতীয় অভিৱৰ্তনে বিচৰা শান্তি প্ৰক্ৰিয়াৰ ভৱিষ্যৎ সম্পৰ্কে মই কিছু মতামত আগবঢ়াইছিলোঁ। ড° হীৰেন গোহাঁয়ে শেহতীয়া এক নিবন্ধত সেইবোৰৰ সমালোচনা কৰিছে। ড° গোহাঁইক তেওঁৰ মতামত আৰু উপলব্ধিৰ বাবে মই সদায়ে সন্মান জনাই আহিছোঁ, কাৰণ আজিৰ অসমত এয়া অত্যন্ত বিৰল। মই তেওঁৰ সৈতে দীঘলীয়া বাক-বিতণ্ডাত যাব খোজা নাই। কিন্তু তেওঁ যিবোৰ কথা কৈছে তাৰ বিৰুদ্ধে মোৰো কিছু যুক্তি আছে। কেৱল সেয়াই নহয়, স্পষ্টভাৱে মোৰ এনে উপলব্ধিও হৈছে যে তেওঁ বিষয়টো লৈ আগতীয়াকৈ যথেষ্ট চিন্তা-চৰ্চা কৰা নাই। তদুপৰি সমস্যাটোৰ প্ৰতি তেওঁৰ দৃষ্টিভংগী সেয়াও বাস্তৱসন্মত নহয়। গতিকে শান্তি প্ৰচেষ্টাৰ সফলতাৰ স্বাৰ্থতে কিছু মতামত দাঙি ধৰা দৰকাৰ। প্ৰথমে তেওঁ দাঙি ধৰা কিছু তথ্যৰ ভুল সংশোধন কৰা যাওক। ভাৰত-ছোভিয়েট চুক্তিখন ১৯৯৬ চনত স্বাক্ষৰিত হৈছিল, ১৯৭৫ চনত নহয়। ডেং জিয়াও পিং ক্ষমতালৈ অহাৰ পিচত ১৯৭৬ চনমানৰ পৰাই চীনে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্ৰোহীসকললৈ সাহায্য প্ৰদান বন্ধ কৰি দিছিল। ডেং জিয়াও পিঙে ক্ষমতালৈ অহাৰ পিচতেই প্ৰতিবেশী দেশবোৰৰ বিপ্লৱসমূহ সমৰ্থন কৰাৰ পূৰ্বৰ নীতি সম্পূৰ্ণভাৱে সলনি কৰে। ১৯৭৫ চনৰ শ্বিলং চুক্তিৰ পাঁচ বছৰ পিচত আৰু ডেঙে চীনা নীতিৰ আমূল পৰিৱৰ্তন কৰাৰ চাৰি বছৰৰ পিচত ১৯৮০ চনত এন এছ চি এন গঠিত হয়। গতিকে এন এন চিৰ বিভাজিত হৈ ওলাই অহা এন এছ চি এন চীনৰ সমৰ্থনত বাঢ়ি উঠিছে বুলি কোৱাটো সম্পূৰ্ণ ভুল। এই কথা সঁচা যে মুইভা চীনত প্ৰশিক্ষণপ্ৰাপ্ত এগৰাকী গেৰিলা, কিন্তু তেওঁৰ লগতে একে সময়তে চীনত প্ৰশিক্ষণ লোৱা অন্য বহুসংখ্যকে পিচত তেওঁৰ লগত যোগ দিয়া নাছিল। এন

এছ চি এন শক্তিশালী হোৱাৰ কাৰণ, তেওঁলোকে নগা ৰাইজক বুজাইছিল যে শ্বিলং চুক্তিখন হৈছে এক প্ৰতাৰণা। নগা ৰাইজৰো সৰহভাগে তাকেই বিশ্বাস কৰিছিল। চীনৰ সহায়-সমৰ্থনত এন এছ চি এনৰ বৃদ্ধি ঘটা নাছিল। আচলতে তদানীন্তন বৈদেশিক মন্ত্ৰী হিচাপে বাজপেয়ীৰ চীন ভ্ৰমণৰ পৰা দ্বিপাক্ষিক সম্পৰ্কৰ উন্নয়ণৰ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু তাৰেই চূড়ান্ত পৰিণতিত ১৯৯৩ চনত শান্তি আৰু সুস্থিৰতা চুক্তি স্বাক্ষৰিত হয়।

এন এছ চি এনৰ জন্মৰ বহু পূৰ্বেই ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্ৰোহীসকলৰ প্ৰতি চীনৰ সমৰ্থন বন্ধ হৈ গৈছিল। শ্বিলং চুক্তিখনে নাগালেণ্ডৰ বাবে একোৱেই অনা নাই আৰু চুক্তিখন এখিলা কাগজৰ টুকুৰা হৈ থকাৰ বাহিৰে কোনো সমস্যাই সমাধান কৰা নাই। এই কাৰণেই নগা ৰাইজে নগা নেচনেল কাউন্সিলৰ ওপৰত তেওঁলোকৰ আস্থা পুনৰ ব্যক্ত নকৰি বিভাজিত গোট এন এছ চি এনৰ ওপৰতহে আস্থা স্থাপন কৰিছে। আনহাতে শেহতীয়াকৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে ভাৰতৰ ক্ৰমবৰ্ধমান 'ৰণনীতিগত সম্পৰ্ক'ত চীন ইমানেই হতাশ হৈ পৰিছে যে তেওঁলোকে পুনৰ আলফা আদিৰ দৰে গোটবোৰক সমৰ্থন আগবঢ়াবলৈ আগ্ৰহী হ'ব পাৰে। চীনত চৰকাৰপন্থী এটা ৱেবছাইটত ভাৰতক আঠাইশখন ৰাষ্ট্ৰত টুকুৰা-টুকুৰ কৰাৰ কথাও কোৱা হৈছে আৰু অসম এই ৰাষ্ট্ৰসমূহৰ অন্যতম। পৰেশ বৰুৱাই নিজে যুঁজখন চলাই যাবলৈ সম্ভাব্য চীনা সমৰ্থনৰ বাবে আশা পালি আছে। শেষবাৰ তেওঁ মোক কথা প্ৰসংগত কৈছিল, চীন আৰু ভাৰতৰ মাজত সংঘাত বাঢ়িব আৰু দুই ম'হৰ এই যুঁজখনত আমাৰ দৰে মানুহবোৰৰ অৱস্থা বিৰিণাৰ দৰে হ'ব। এই যুঁজত আমি ধ্বংস হৈ যাম অথবা আমি আমাৰ স্বাধীনতা লাভ কৰিম। এতিয়া বৰুৱাই মোৰ আগত দাঙি ধৰা ছবিখনৰ বিষয়ে মই হয়তো একমত নহ'ব পাৰো, কিন্তু প্ৰকৃত ঘটনা হৈছে যে তেওঁ নিজৰ কঠোৰ লাইনতে অটল থাকিব আৰু যুঁজাৰ মানসিকতাৰে চীনৰ সমৰ্থন লাভত সাফল্যৰ বাবে চিন্তা কৰিব। উত্তৰ-পূব ভাৰতৰ বিদ্ৰোহী সমস্যা সমাধানৰ দৰে জটিল ইছ্যুৰ ক্ষেত্ৰত এইবোৰ প্ৰশ্ন আমাৰ আগলৈ আহিছে। ১৯৮৬ চনৰ চুক্তিৰ জৰিয়তে এম এন এফে মিজোৰামক এখন পূৰ্ণাংগ ৰাজ্য হিচাপে লাভ কৰিছিল আৰু সেই চুক্তিমতেই লালডেংগাই নিজে অন্তৰ্বৰ্তীকালীন মুখ্যমন্ত্ৰীৰ পদ লাভ কৰিছিল। বিজয় ৰাংখলৰ টি এন ভিয়ে ত্ৰিপুৰা বিধানসভাত

অনুসূচিত জনজাতিসকলৰ বাবে তিনিখন অধিক সংৰক্ষিত আসন লাভ কৰিছিল আৰু ৰাংখলে নিজে লাভ কৰিছিল ৰাজ্যিক এক নিগমৰ অধ্যক্ষৰ পদ। শ্বিলং চুক্তিখনে নগা ইছ্যুৰ চূড়ান্ত সমাধানৰ বাবে কেৱল কাম কৰাৰ প্ৰতিশ্ৰুতিহে দিছিল। এইবোৰ চুক্তিৰ এখনেও উত্তৰ-পূৰ্বাঞ্চল আৰু ভাৰতীয় ৰাষ্ট্ৰৰ মাজত উল্লেখযোগ্য গাঁথনিত পৰিৱৰ্তনৰ কোনো ব্যৱস্থা প্ৰদান কৰা নাই। মোৰ যুক্তি হৈছে, দিল্লী যদি কিছু মৌলিক গাঁথনিগত পৰিৱৰ্তনৰ বাবে সাজু নহয়, তেনেহ'লে নাগালেণ্ড আৰু অসমত ৰাজনৈতিক ইছ্যুবোৰ সমাধান কৰাত তেওঁলোক সক্ষম নহ'ব।

দিল্লী আৰু এন এছ্ চি এনৰ মাজত তেৰ বছৰ ধৰি চলা আলোচনাৰ পিচতো-কিয় এতিয়ালৈকে কোনো সমাধান নোলাল? কিয় পৰেশ বৰুৱাই তেৰ বছৰৰ নিষ্ফল আলোচনাৰ মূৰত পি চি জি গঠনৰ সিদ্ধান্ত লৈছিল। আলোচনাৰ মেজত আন্দোলনসমূহক ধ্বংস কৰাৰ কৌশল বা আঁচনি ভাৰতীয় ৰাষ্ট্ৰই নিখুঁত কৰি তুলিছে। ১৯৮৫ চনৰ অসম চুক্তিখন হৈছে ইয়াৰ উৎকৃষ্ট দৃষ্টান্ত। এন এছ্ চি এনে ইতিমধ্যেই ইয়াৰ অভিজ্ঞতা লাভ কৰিছে। সেয়ে দিল্লীৰ চৰ্তমতে আলোচনাত নবহা বাবে ইতিহাসৰ জ্ঞান থকা কোনো ব্যক্তিয়েই পৰেশ বৰুৱাক দোষী কৰিব নোৱাৰে আৰু যদি আলোচনাত যোগ নিদিয়ে তেনেহ'লে কোনোধৰণৰ হিংসাত্মক কাৰ্য নঘটিব বুলি আলফাৰ হৈ কোনেনো চিদাম্বৰমক পতিয়ন নিয়াব পাৰিব? আৰু ইয়াৰ অবিহনে গৃহমন্ত্ৰীয়ে আলোচনা আৰম্ভ কৰিবনে? যিমানদূৰ জনা যায়, তেওঁ ইতিমধ্যে মাওবাদী মধ্যস্থতাকাৰীসকলক আৰু সম্ভৱতঃ জাতীয় অভিৱৰ্তনৰ সঁজাতী দলকো স্পষ্টভাৱে জনাই দিছে যে আলফাই হিংসা পৰিত্যাগ নকৰালৈকে আলোচনাৰ কোনো প্ৰশ্নই নুঠে। যদি পৰেশ বৰুৱাক লৈ অথবা তেওঁক বাদ দিয়েই যদি আলোচনা প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা যায়, তেনেহ'লে মই সুখী হ'ম। কিন্তু যদি আলোচনাৰ সফলতা বৰুৱাই আলোচনাত যোগ দিয়া-নিদিয়াৰ ওপৰত নিৰ্ভৰ কৰে তেনেহ'লে মই বৰং আশা কৰিম তেওঁক বাদ দি আলোচনাত আগবাঢ়ি যোৱাতকৈ তেওঁক আলোচনাৰ বাবে সৈমান কৰাবলৈ সমূহীয়া চেষ্টা চলোৱা হওক। দহটা বাঘক পিঞ্জৰাত বন্দী কৰিও আপুনি শান্তিৰে টোপনি যাব নোৱাৰিব যদি এটা বাঘ পিঞ্জৰাৰ বাহিৰত থাকে— সেই বাঘটোৱেই আপোনাক খাই পেলাব পাৰে। যদি মোতকৈ অধিক জনা-বুজা

ব্যক্তিসকলে এই সৰল সত্যটো উপলব্ধি নকৰে তেনেহ'লে ক'বলৈনো আৰু কি থাকে?

এতিয়াতো এই কথাও স্পষ্ট হৈ পৰিছে যে আলফাৰ কাৰাবন্দী সকলো নেতাই আলোচনা আৰম্ভ কৰাৰ বিষয়ে পতিয়ন যোৱা নাই। যদি সেয়াই নহয়, তেনেহ'লে তেওঁলোকৰ সকলোকে এতিয়া মুক্তি দিয়া হ'লহেঁতেন। চৰকাৰৰ কৌশলবোৰ তেওঁলোকৰ নিজা কাম-কাজেই উন্মোচিত কৰি দিছে। যিসকল চৰকাৰৰ কথাত মান্তি হৈছে তেওঁলোকক মুক্ত কৰি দিয়া হৈছে— বাকীসকল কাৰাগাৰতে আছে। এনে কাৰ্যই ড° হীৰেন গোহাঁইৰ দৰে ব্যক্তিসকলৰ আন্তৰিকতা সত্ত্বেও সমগ্ৰ শান্তি প্ৰক্ৰিয়াৰ বিশ্বাসযোগ্যতাক গুৰুতৰভাৱে ক্ষতি কৰিছে। ড° গোহাঁই বা মামণি বাইদেৱে আন্তৰিকভাৱেই যে ভাবিছে— সেই সম্পৰ্কে মোৰ কোনো সন্দেহ নাই। কিন্তু অসমৰ দৰে এখন ৰাজ্যত য'ত আলফা কেৱল এটা আত্মগোপনকাৰী সংগঠন বুলিয়েই নহয়, তাত ৰাজনৈতিক সমাধান এক স্পৰ্শকাতৰ বিষয় আৰু তাৰ বাবে আৰম্ভ কৰা আলোচনাৰ সফলতা কেৱল আৱেগেই নিশ্চিত নকৰে। মধ্যস্থতাৰ কাৰণে বিচক্ষণ আলোচনাৰ দক্ষতা আৰু স্পষ্ট বাস্তব দৃষ্টিভংগী অপৰিহাৰ্য। মই দুখেৰে কওঁ যে গোহাঁইছাৰে চট্টগ্ৰামৰ মেয়ৰ নিৰ্বাচনৰ তাৎপৰ্য ধৰিব পৰা নাই। এই কথা ঠিক যে চট্টগ্ৰাম হৈছে বাংলাদেশৰ। মই ত্ৰিপুৰাৰ মানুহ আৰু মোৰ পৈত্ৰিক চহৰৰ পৰা ৰে'লেৰে চট্টগ্ৰাম তিনি ঘণ্টাৰ পথ। গতিকে মই বাংলাদেশৰ ভৌগোলিক অৱস্থা যথেষ্ট ভালকৈ জানো। ঢাকা, চট্টগ্ৰাম আৰু ৰাজশ্বাহীৰ দৰে মহানগৰৰ নিগমবোৰে বাংলাদেশৰ ৰাজনৈতিক-প্ৰশাসনিক গাঁথনিত গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। চট্টগ্ৰামত বি এন পিৰ ক্ষমতা দখল আৰু তেৰ বছৰ ধৰি মেয়ৰৰ পদত থকা মহিউদ্দিনৰ সৈতে দলটোৰ জয়ৰ ব্যৱধানত এইটো স্পষ্ট যে নিৰ্ণায়কভাৱেই পৰেশ বৰুৱাৰ অৱস্থান উন্নত হৈছে। অন্যথা এজনো ভাৰতীয় বিদ্ৰোহী নেতা বা কৰ্মী গ্ৰেপ্তাৰ নোহোৱাটোৰ ব্যাখ্যা কি বুলি কৰিব? আচলতে আৱামী লীগৰ ভিতৰতো ভাৰতৰ বাবে বৰ বেছি একো নকৰাৰ স্থিতি লোৱা হৈ আছে। আৱামী লীগ আৰু বাংলাদেশৰ অন্যান্য দলৰ সৈতে মোৰ যথেষ্ট যোগাযোগ আছে। চট্টগ্ৰাম নিৰ্বাচনৰ পিচত তাত কি ঘটি আছে সেইবোৰ যোগাযোগৰ জৰিয়তে মই গম পাই আছোঁ।

মই আন্তৰিকভাৱেই আশা কৰো— মই ভুল আৰু গোহাঁই ছাৰ সঠিক প্ৰতিপন্ন হওক আৰু অসমলৈ শান্তি ঘূৰি আহক। কিন্তু যেতিয়ালৈকে তেনে কিবা এটা নঘটে, সেয়া নিতান্ত আশাই হৈ থাকিব।

(লেখক বি বি চিৰ ইষ্টাৰ্ন ইণ্ডিয়াৰ প্ৰতিনিধি)

অসমীয়া প্ৰতিদিন, ২৬ জুলাই ২০১০

জাতীয় অভিবৰ্তনে জাতিৰ হৈহে মাত মাতিব

(সুবীৰ ভৌমিকৰ মতৰ উত্তৰত)

আমি কেইজনমান সচেতন নাগৰিকে আলফা-চৰকাৰৰ আলোচনা পুনৰুজ্জীৱিত কৰিবলৈ জাতীয় অভিবৰ্তন আহ্বান কৰা দিনৰে পৰা এচাম মানুহে জাতীয় অভিবৰ্তনৰ উদ্যোগত কিবা আলোচনা হ'লে সি হয় নিষ্ফল, নহয় ক্ষতিকাৰক হ'ব বুলি প্ৰচাৰ চলাই আছে। তেওঁলোকে ক'ব খোজে যে কেৱল পৰেশ বৰুৱাৰ পৃষ্ঠপোষকতাত তেওঁ বিচৰাধৰণে আলোচনা হ'লেহে ফলপ্ৰসূ কিবা এটা মীমাংসা হ'ব। কোৱা বাহুল্য যে পৰেশ বৰুৱাৰ ব্যক্তিগত মতো ঠিক এনেকুৱাই। শেহতীয়াকৈ সুবীৰ ভৌমিকেও এই শিবিৰত যোগ দিছে।

আমি এই ধাৰণাত বিশ্বাসী নহওঁ। হোৱা হ'লে বৰুৱাৰ মত প্ৰকাশিত হোৱাৰ পিচত থমকি ৰ'লোহেঁতেন। আলফাৰ গৰিষ্ঠসংখ্যক নেতাৰ অনুৰোধত আমি আলফা-চৰকাৰৰ আলোচনা অনুষ্ঠিত হোৱাৰ পৰিৱেশ ৰচনা কৰিবলৈ চেষ্টা কৰিছোঁ। কিন্তু তেওঁলোকৰ মতামত জানি লোৱাৰ পিচত সম্পূৰ্ণ নিজা বিচাৰ-বিবেচনাৰে আগবাঢ়িছোঁ। আমাৰ বিচাৰত জাতিৰ ভৱিষ্যতৰ চিন্তাই প্ৰাধান্য পাইছে। আলফাৰ স্বাৰ্থই জাতিৰ স্বাৰ্থ বুলি আমি ভবা নাই। সুখৰ কথা, তেওঁলোকে কৰা ভুলৰ মাৰাত্মক পৰিণাম উপলব্ধি কৰি তেওঁলোকেও কথাবোৰ পুনৰ্বিবেচনা কৰিবলৈ সাজু হৈছে।

এই দিক্ পৰিৱৰ্তন আলফাৰ বাবে আৰু জাতিৰ বাবেও এক অতি গুৰুত্বপূৰ্ণ অধ্যায়। ইয়াত কোনো ব্যক্তিৰ ভূমিকাত গুৰুত্ব দিয়া হোৱা নাই। আমি পৰেশ বৰুৱা ইয়াত জড়িত হ'লে আনন্দ পাম। কিন্তু তেওঁৰ নিৰ্দেশত এটা জাতিৰ ভৱিষ্যৎ ৰচিত হ'ব পাৰে বুলিও নাভাবো। অসমীয়া জাতিৰ জাতীয় জীৱনৰ এটা সন্ধিক্ষণত জাতিক উদ্ধাৰ কৰাৰ সংকল্পৰে আলফাই জন্ম লৈছিল। তেওঁলোকৰ বহু ত্যাগ, কষ্ট আৰু দুঃসাহসী অধ্যৱসায়ৰ

পিচতো ফলাফল জাতিৰ বাবে শুভ নহ'ল, বৰং ভীষণভাৱে ক্ষতিকৰ হ'ল। জাতিৰেই বহু নিৰীহ লোকে আজিও তেওঁলোকৰ হঠকাৰিতাৰ ফলত চকুলো টুকি আছে বা তেওঁলোকৰ বিৰুদ্ধে ক্ৰোধ আৰু প্ৰতিহিংসা পোষণ কৰি আছে। ভাৰত-ৰাষ্ট্ৰই আজি তেওঁলোকৰ হঠকাৰী আৰু চৰম ভ্ৰান্তিপূৰ্ণ কাম-কাজৰ সুযোগ লৈ অসমীয়া জাতিৰ মেৰুদণ্ড নানা কৌশলেৰে দুৰ্বল কৰি আছে। সামৰিক শক্তি প্ৰদৰ্শনেৰে যদি জাতিৰ আৰু ক্ষতি কৰিবলৈ তেওঁলোকে নিবিচাৰে তেনেহ'লে বিকল্প আৰু দীৰ্ঘম্যাদী কাৰ্যপন্থাৰ কথা চিন্তা কৰক। যিসকলে তেওঁলোকক সামৰিক শক্তি প্ৰয়োগৰ বাবে উৎসাহ দি আছে, জ্ঞাতসাৰে বা নিজৰ অজ্ঞাতে তেনে লোকসকলে অসমৰ অহিত চিন্তাহে কৰিছে।

কাশ্মীৰ উপত্যকাত সাত লাখ সৈন্য নমাই দৈনিক বিভীষিকাৰ সৃষ্টি কৰি ভাৰতৰাষ্ট্ৰই কাশ্মীৰীসকলৰ জাতীয় বিকাশৰ পৰিৱেশ গঢ়িছে নে? যিবোৰ হঠকাৰী আৰু হিংস্ৰ, উগ্ৰপন্থী সাম্প্ৰদায়িক বাহিনীয়ে সেই পৰিৱেশ ৰচনাৰ সুযোগ আনি দিলে, সিহঁত কাশ্মীৰৰ জাতীয় বীৰ, নে ঘৰশত্ৰু বুলি ভৱিষ্যতে বিবেচিত হ'ব? মণিপুৰত আজি যি নাৰকীয় স্থিতাৱস্থাৰ উদ্ভৱ হৈছে তাত দুৰ্নীতিগ্ৰস্ত আমোলা, ৰাজনীতিবিদ আৰু উগ্ৰপন্থী আটায়ে মিলি ৰাজ্যখনৰ সম্পদ আৰু উপাৰ্জন লুণ্ঠন কৰিছে, সি মণিপুৰী 'মেইটেই' জাতিক সবল কৰিছে নে দুৰ্বল কৰিছে?

এনেবোৰ কাৰণতে সামৰিক শক্তিত অত্যধিক আস্থাৱান কোনো পথকে এতিয়া আমি ফলপ্ৰসূ বুলি নাভাবো। ভাৰতৰ ৰাষ্ট্ৰযন্ত্ৰ দখল কৰা শক্তিবোৰকো আমি বিশ্বাসত লোৱা নাই। সিহঁত প্ৰকৃতাৰ্থত দেশপ্ৰেমিক আৰু বিশ্বাসী হোৱা হ'লে আজি অসমৰ দৰে ৰাজ্যৰ, অসমীয়াৰ দৰে মানুহৰ এনে দুৰ্দশা নহয়। কিন্তু সিহঁতৰ লগতে আলোচনাৰ জৰিয়তে আলফাৰ লক্ষ্যক ব্যৰ্থতাৰ পংকৰ পৰা উদ্ধাৰ কৰিব লাগিব। কামটো সহজসাধ্য বুলি আমিও ভবা নাই। কিন্তু আন উপায় নাই। অসমৰ জনসাধাৰণ ঐক্যবদ্ধ হৈ আৰু অটল দৃঢ়তাৰে যদি সদৰ্থক আলোচনাৰ সপক্ষে থিয় হয়, ৰাষ্ট্ৰযন্ত্ৰ দখল কৰা শক্তিবোৰৰ হাতৰ পৰাই কিছুমান হেৰুওৱা সুযোগ, কাঢ়ি লোৱা ক্ষমতা পুনৰুদ্ধাৰ কৰি অসমৰ অগণন নিপীড়িত মানুহৰ মলিন মুখ পুনৰ পোহৰাব পৰা যাব।

এইবাবেই সুবীৰ ভৌমিকৰ মত সুচিন্তিত আৰু যুক্তিযুক্ত বুলি আমি নাভাবো।

এই কথা ঠিক যে সাংবাদিকতাসূত্ৰে শ্ৰীভৌমিকে যিদৰে পৰেশ বৰুৱাৰ বা বাংলাদেশৰ আৱামী লীগৰ ভিতৰুৱা খবৰ পায়, আমি তেনে সুবিধাৰ পৰা বঞ্চিত। কিন্তু একে কাৰণতে আমি পৰেশ বৰুৱা বা আৱামী লীগৰ কৌশলী 'প্ৰপাগাণ্ডা'ৰ প্ৰভাৱৰ পৰা মুক্ত। কথাবোৰ মোহমুক্ত দৃষ্টিৰে বিবেচনা কৰাৰ অৱকাশ আমাৰ আছে।

এতিয়া যিবোৰ তথ্য আৰু যুক্তিৰে শ্ৰীভৌমিকে দাবী কৰিছে যে যি কোনো মূল্য দি হ'লেও পৰেশ বৰুৱাক আলোচনাৰ মেজলৈ আনিব লাগে, সেইবোৰ তথ্য আৰু যুক্তি পৰীক্ষা কৰা যাওক। (পৰেশ বৰুৱাক আলোচনাৰ মেজলৈ আনিব নালাগে বুলি আমিও নাভাবো, কিন্তু পৰেশ বৰুৱাৰ জেদ পূৰাবলৈ আলোচনা বন্ধ ৰাখিব লাগে বুলিও আমি নাভাবো।)

সুবীৰ ভৌমিকৰ প্ৰথম নিবন্ধৰ যুক্তি আছিল এয়ে যে বৰুৱা আলোচনাৰ বিৰোধী হৈ পৰিলে নাগালেণ্ডৰ ইছাক-মুইভা নেতৃত্বাধীন এন এছ চি এন বিদ্ৰোহী গোটৰ দৰে আঁতৰি গৈ চীনৰ সহায়-সমৰ্থন লৈ বেছি ডাঙৰ ভাবুকি সৃষ্টি কৰিব, কাৰণ চীনে ভাৰতৰ প্ৰতি বন্ধুত্বপূৰ্ণ মনোভাব পোষণ নকৰে।

উত্তৰত আমি কৈছিলো যে চীনে সেই সময়ত মুইভা আদি বিদ্ৰোহী নাগা নেতাক সহায় কৰাৰ কাৰণ আছিল ভাৰতৰ লগত ছোভিয়েট ৰাছিয়াৰ ঘনিষ্ঠ সামৰিক মিত্ৰতাৰ বাবে চীনৰ ভয়। ছোভিয়েট ৰাছিয়াৰ লগত আদৰ্শগত কাৰণত তীব্ৰ বিবাদত লিপ্ত হোৱা চীনে ১৯৬৯ চনৰ পৰা পশ্চিম সীমান্তৰ উছুৰি নদীক ছোভিয়েট ৰাছিয়াই বলপূৰ্বক নিজৰ দখললৈ নিছিল বুলি অভিযোগ তুলি তুমুল হুলস্থুল লগাইছিল। ছোভিয়েট ৰাছিয়াৰ আক্ৰমণৰ ভয়ে চীনৰ নেতৃবৃন্দক সন্ত্ৰস্ত কৰি ৰাখিছিল। অথচ সেই সময়তে ইন্দিৰা গান্ধীৰ নেতৃত্বত ভাৰতৰ লগত ছোভিয়েট ৰাছিয়াৰ ঘনিষ্ঠতা বঢ়া বুলি ভাবি চীনৰ নেতৃবৃন্দ ভাৰতৰ প্ৰতি আগতকৈও বিৰূপ হৈ পৰিছিল আৰু ভাৰতেও এই কথা বুজিয়েই নাগা ৰাজ্য গঠনৰ উদ্যোগ লৈ নাগা বিদ্ৰোহৰ উপশম ঘটাবলৈ চেষ্টা কৰিছিল।

এই প্ৰসংগতে আমাৰ ভুল ধৰিবলৈ গৈ ভৌমিকে নিজেও ডাঙৰ ভুল কৰি পেলাইছে। ১৯৭৫ চনত ছোভিয়েট ৰাছিয়াৰ লগত ইন্দিৰা গান্ধীয়ে

গোপন সামৰিক চুক্তি কৰা বুলি জোৰ প্ৰচাৰ চলিছিল, সেই কথা মনত থকা বাবেই মোৰ চন-তাৰিখ ভুল হৈছিল। কিন্তু ভৌমিকেও ১৯৬৯ চনত ভাৰত-ছোভিয়েট মিত্ৰতা চুক্তি চহী হোৱা বুলি কৈ ডাঙৰ ভুল কৰিছে। বোধহয় নগা বিদ্ৰোহীসকলৰ লগত চুক্তি যে ভাৰত-ছোভিয়েট মিত্ৰতা চুক্তিৰ বহুদিন পিচত হৈছিল, তাক প্ৰমাণ কৰাৰ তাড়নাত।

আচলতে ভাৰত-ছোভিয়েট মিত্ৰতা চুক্তি চহী হৈছিল ১৯৭১ চনৰ ৯ আগষ্ট তাৰিখে। তাৰ ৯নং দফাত স্পষ্টকৈ কোৱা হ'ল যে স্বাক্ষৰকাৰী দুখন দেশৰ কোনো এখন যদি আন কোনো শক্তিৰ দ্বাৰা আক্ৰান্ত বা ভাবুকিৰ সন্মুখীন হয়, তেনেহ'লে দুয়োখন দেশে 'শান্তি আৰু নিৰাপত্তা নিশ্চিত কৰিবলৈ-যথাযোগ্য ব্যৱস্থা লোৱাৰ উদ্দেশ্যে পৰস্পৰৰ লগত পৰামৰ্শ কৰিব।' জুন মাহতে ছোভিয়েট সেনাবাহিনীৰ প্ৰধান মাৰ্শ্বাল গ্ৰেছকোৱে ইন্দিৰা গান্ধীৰ দূত পি এন ধৰক সতৰ্ক কৰি দিছিল যে পাকিস্তানতকৈ ভাৰতে উত্তৰ দিশৰ শত্ৰুক (চীনক)হে বেছি ভয় কৰিব লাগে। (সূত্ৰ ঃ এ জি নুৰানিৰ নিবন্ধ, ফ্ৰণ্টলাইন, ফেব্ৰুৱাৰী ২৭—মাৰ্চ ১২, ২০১০ চন)।

তাৰ পিচত বাংলাদেশৰ মুক্তিযুদ্ধৰ সময়ত এপিনে ছোভিয়েট ৰাছিয়াই যেনেকৈ ভাৰতৰ ভূমিকাক সমৰ্থন কৰিছিল, তেনেকৈ চীনে ভাৰতৰ বিৰুদ্ধে তীব্ৰ বিষোদগাৰ কৰিছিল। এনেবোৰ কাৰণতে ভাৰত-চীন সম্পৰ্কৰ অধিক অৱনতি ঘটিছিল।

জৰুৰী অৱস্থা জাৰি কৰাৰ সময়ত ভাৰত-ছোভিয়েট বন্ধুত্ব এবছৰমান কাল ঘনিষ্ঠতম পৰ্যায়ত আছিল, কাৰণ পৃথিৱীৰ আন অতি কমসংখ্যক দেশেহে ভাৰতত গণতান্ত্ৰিক ব্যৱস্থাৰ অৱদমন সমৰ্থন কৰিছিল। কিন্তু বাংলাদেশৰ মুক্তিযুদ্ধৰ বিৰোধিতা কৰা আৰু সেই সময়ত সপ্তম নৌবহৰক ভাৰত মহাসাগৰত টহল দিবলৈ নিৰ্দেশ দিয়া মাৰ্কিন ৰাষ্ট্ৰপতি নিক্সনে যেতিয়া ১৯৭২ চনত আচম্বিতে চীন ভ্ৰমণ কৰি চীনৰ লগত মিত্ৰতাৰ উদ্যোগ লৈছিল, ভাৰতৰ তৎকালীন শাসকবৃন্দৰ বাবে সেইটোও দুশ্চিন্তাৰ কাৰণ হৈছিল। আনকি ইন্দিৰা গান্ধীৰ পতনৰ পিচত ১৯৭৭ চনত যেতিয়া জনতা দলৰ চৰকাৰ গঠিত হৈছিল, তেতিয়া লৰালৰিকৈ ভাৰত ভ্ৰমণলৈ বৈদেশিক মন্ত্ৰী আন্দ্ৰে' গ্ৰমিকোৰ নেতৃত্বত অহা ছোভিয়েট সঁজাতী দলক ভাৰতৰ পৰৰাষ্ট্ৰ মন্ত্ৰী বাজপেয়ীয়ে আশ্বাস দি কৈছিল যে ভাৰত চৰকাৰৰ পৰিবৰ্তনে

ভাৰত-ছোভিয়েট মিত্ৰতাত কোনো প্ৰভাৱ পেলাব নোৱাৰে আৰু ১৯৭১ চনৰ মিত্ৰতা চুক্তি নতুন চৰকাৰে নিষ্ঠাৰে পালন কৰি থাকিব।

এনে পটভূমিতে নগা বিদ্ৰোহৰ উপশম ঘটাবলৈ ভাৰতে লোৱা উদ্যোগ সহজবোধ্য। ১৯৭৫ চনৰ 'শ্বিলং চুক্তি' তাৰে অন্যতম নিদৰ্শন। ভৌমিকৰ মতে এই 'শ্বিলং চুক্তি'ক নগাসকলে এটুকুৰা কাকততকৈ বেছি মূল্য দিয়া নাই। নগাসকলৰ চিন্তা ভৌমিকৰ দৰে নহয়। ১৯৬৩ চনত সুকীয়া ৰাজ্য গঠনৰ পৰা হ'ব পৰা সকলো মুনাফা তেওঁলোকে আদায় কৰিছে আৰু অসমৰ লগত এটা সীমাবিবাদ জীয়াই ৰাখিছে। আনহাতে স্বাধীনতাৰ আকাংক্ষাৰে ভাৰত ৰাষ্ট্ৰৰ বিৰুদ্ধে নতুনকৈ অভিযান আৰম্ভ কৰা 'ইছাক-মুইভা' গোটকো কুহুমীয়া সহানুভূতিৰ চকুৰে চাই আছে। কিন্তু ৰাজ্যখনৰ মাজত ৰক্তাক্ত নৈৰাজ্য আৰু বিশৃংখলা চলি থাকিলে নগাসকল যে মুঠেই লাভৱান নহয়, তেওঁলোকৰ সেইকণ জ্ঞান আছে। স্বাধীনতাৰ মূল্য আত্মহনন হ'ব নোৱাৰে। শ্ৰীভৌমিকৰ লগত মোৰ মতভেদৰ অন্যতম বিষয় হৈছে শ্বিলং চুক্তিৰ তাৎপৰ্য। নগাসকলৰ বাবে ই ফটা কাগজৰ পাচিত পেলাই দিব পৰা এটুকুৰা কাকতৰ বাহিৰে আন একো নহয় বুলি ভৌমিকে বিষয়টো এৰাই গৈছে। আচলতে দুৰ্ধৰ্ষ, অদমনীয় নগা বিদ্ৰোহীসকলক আত্মসমৰ্পণ কৰাই ভাৰতীয় সংবিধান স্বীকাৰ কৰাই লোৱাটো কেৱল ভাৰতীয় সেনাবাহিনীৰ চূড়ান্ত সামৰিক প্ৰাধান্যৰ (যিমানেই সাময়িক নহওক) পৰিচায়ক নহয়। ই সামৰিক পদ্ধতিৰে নগা জাতিৰ স্বাধীনতা বা সাৰ্বভৌমত্ব আদায় কৰাৰ অসাৰ্থকতাহে প্ৰতিপন্ন কৰিলে। সেয়ে বহু বছৰ যুঁজি উঠি আজি মুইভাই কৈছে— 'I am a Naga, not an Indian. But I still want to resolve our problem through peaceful means.' (মই নাগা, ভাৰতীয় নহওঁ। তথাপি মই শান্তিপূৰ্ণ উপায়েৰে ভাৰতৰ লগত আমাৰ সমস্যা সমাধান কৰিবলৈ বিচাৰোঁ।)

শ্বিলং চুক্তিৰ আৰু এটা শিক্ষা ভাৰত চৰকাৰৰ বাবে প্ৰাসংগিক। সাময়িকভাৱে ৰণক্ষেত্ৰত প্ৰাধান্য স্থাপন কৰি ৰাজনৈতিক দিশ সম্পূৰ্ণ অৱহেলা কৰি ভাৰত চৰকাৰে নগা বিদ্ৰোহীসকলক তেনেই নগ্ন কৰি আঁঠু ল'বলৈ বাধ্য কৰিলে। তেওঁলোকৰ আত্মনিয়ন্ত্ৰণৰ প্ৰশ্নটো সম্পূৰ্ণ আওকাণ কৰিলে। আত্মসন্মান থকা নগা জাতিয়ে সেয়ে শ্বিলং চুক্তিৰ সাৰমৰ্ম সমূলি

প্ৰত্যাহাৰ কৰিলে। আজি যদি অৰবিন্দ ৰাজখোৱা প্ৰমুখ্যে আলফাৰ নেতাসকলকো ভাৰত চৰকাৰে সম্পূৰ্ণ আত্মসমৰ্পণত মান্তি কৰাব খোজে, তেওঁলোক ৰাজী হ'লেও শেষফল শ্বিলং চুক্তিৰ দৰেই হ'ব। চীনৰ সহায় নাপালেও ম্যানমাৰ সীমান্তৰ কাৰেন আদি বিদ্ৰোহী জনগোষ্ঠীৰ সহায়ত অনিৰ্দিষ্টকাল অসমৰ আন এচাম বিদ্ৰোহীয়েও ভাবুকি সৃষ্টি কৰি থাকিব। সেইবাবেই পৰেশ বৰুৱা আদি নেতাৰ অৱস্থানক গুৰুত্ব দিয়া উচিত। কিন্তু অসমীয়া জাতিৰ ভৱিষ্যতো পৰেশ বৰুৱাৰ ওচৰত বন্ধকত থ'ব নোৱাৰি। বিনাচৰ্তে আলোচনা হোৱা উচিত। (কিছুমানে উল্লেখ কৰা RCPIৰ লগত ভাৰত চৰকাৰৰ বন্দীমুক্তিৰ আলোচনাও এইক্ষেত্ৰত অপ্ৰাসংগিক। কাৰণ RCPIয়ে আত্মসমৰ্পণ কৰিছিল বিনাচৰ্তে)।

পৰেশ বৰুৱা আৰু তেওঁৰ মন্ত্ৰগুৰুসকলে যিহকে নহওক, নগাসকলৰ দৰে অসম ভাৰতৰ জাতীয় স্বাধীনতাৰ সংগ্ৰামৰ পৰা বিচ্ছিন্ন নাছিল। অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন, ভাৰত ত্যাগ আন্দোলনত অসমৰ জনসাধাৰণে ব্যাপকভাৱে অংশগ্ৰহণ কৰিছিল। ব্ৰিটিছে নগাসকলক এইবোৰৰ ভূ পাবলৈকে দিয়া নাছিল। বৰং ভাৰতক স্বাধীনতা দিবলৈ সাজু হ'বৰ সময়তো নাগাপাহাৰ আৰু কেতবোৰ পাহাৰী অঞ্চল এখন Crown Colony (ক্ৰাউন কলনি, ব্ৰিটিছ শাসিত ভূখণ্ড) ৰূপে ৰখাৰ আঁচনি প্ৰস্তুত কৰিছিল। সেয়ে অসমে নগা জাতিৰ দৰে প্ৰবলভাৱে স্বাধীনতাৰ আকাংক্ষা পোষণ নকৰে। কেৱল দিল্লী চৰকাৰে অসমৰ প্ৰতি কৰা অন্যায়-অৱহেলাৰ বাবেহে অসমীয়া ক্ষুব্ধ আৰু বিদ্ৰোহী হৈ উঠিছে।

ভৌমিকে আমাক সকীয়াই দিছে তেৰ বছৰ একেৰাহে চলা নগা শান্তি আলোচনাৰ ব্যৰ্থতাৰ পিচতো পৰেশ বৰুৱাই নিজেই কিয় শান্তি আলোচনাৰ (সাৰ্বভৌমত্ব আলোচনাৰ?) পোষকতা কৰিছিল? তেওঁ বোধহয় ক'ব খোজে যে ই পৰেশ বৰুৱাৰ নিভাঁজ শান্তিকামী মনোভাব প্ৰমাণ কৰে। হ'ব পাৰে। আমি কিন্তু ভাবো যে তৃণমূলৰ আলফা সদস্যসকলৰ (যাৰ প্ৰাণাহুতিয়েই আলফাৰ সংগ্ৰাম জীয়াই ৰাখিছে) হেঁচাতে পৰেশ বৰুৱাই এই পদক্ষেপ ল'বলৈ বাধ্য হৈছিল। কাৰণ অসমৰ বাহিৰত দিন কটোৱা পৰেশ বৰুৱাতকৈ এইসকল সেনা আৰু সেনানায়কে (Commander) অসমৰ পৰিস্থিতি তথা জনগণৰ মনোভাব বেছি ভালকৈ হৃদয়ংগম কৰিব পাৰিছিল। ২৮নং

বেটেলিয়নৰ আত্মসমৰ্পণ নিষ্ঠুৰ বাস্তবৰ চৰ্ত গ্ৰহণ কৰাৰ অন্যতম উদাহৰণ মাত্ৰ।

ভৌমিকে কোৱাৰ দৰে পৰেশ বৰুৱাই ভৱিষ্যতে তেওঁৰ কাৰ্যকলাপ চলাই যাবলৈ চীনৰ সমৰ্থন পাব নে নাপায়, সেইটো নিৰ্ভৰ কৰিব চীন-ভাৰত সম্পৰ্কৰ ওপৰত। ভৌমিকৰ মতে ভৱিষ্যতে চীনে বৰুৱাক ভাৰতবিৰোধী কাৰ্যকলাপ চলাবলৈ সহায় কৰাটো নিশ্চিত। তাৰ কাৰণ তেওঁৰ মতে চীনৰ ভাৰতৰ প্ৰতি ক্ৰমবৰ্ধমান বৈৰিতামূলক মনোভাব। উদাহৰণস্বৰূপে তেওঁ কৈছে যে চীনৰ এটা সমৰনীতি-অধ্যয়ন প্ৰতিষ্ঠানৰ ৱেবছাইটত প্ৰকাশিত নিবন্ধ এটাত এজন চীনা বিশেষজ্ঞই ভাৰতক ২৮খন ক্ষুদ্ৰ দেশত বিভক্ত কৰাৰ পৰামৰ্শৰ কথা উল্লেখ কৰিছে।

অলপ গমি চালেই বুজা যাব যে এইটো কল্পনাপ্ৰসূত বাতুলতা। ভাৰতৰ কোনো কোনো প্ৰান্তত আঞ্চলিকতাবাদী বিদ্ৰোহ চলি আছে, কিন্তু ভাৰতক জুখি জুখি ২৮টা টুকুৰাত ভাগ কৰাৰ প্ৰস্তাৱ অতি অবাস্তৱ আৰু আলাসত চাংপতা কথা। ভাৰতত চীনৰ উদ্দেশ্য সম্পৰ্কে নানা ভীতিজনক উপাখ্যান প্ৰচাৰিত হৈ থাকে। কিন্তু পাকিস্তানৰ দৰে চীনা ৰাষ্ট্ৰৰ অস্তিত্ব অবিৰত ভাৰতবিৰোধী সক্ৰিয়তাৰ ওপৰত নিৰ্ভৰ কৰা নাই। চীনা নেতৃত্বই শীতল মগজুৰে হিচাপ-নিকাচ কৰি এনে কাৰ্য সংঘটিত কৰে সম্পূৰ্ণ নিজৰ tactical হিচাপ-নিকাচেৰে। সেইবোৰৰ প্ৰতি চোকা নজৰ ৰাখিলেও অযথা উত্তেজিত হোৱাৰো প্ৰয়োজন নাই। চীনা চৰকাৰে চৰকাৰীভাৱে উক্ত ৱেবছাইটৰ নিবন্ধৰ মত প্ৰত্যাখ্যান কৰিছে।

আচলতে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কতো এপাট তাল নাবাজে। ভাৰতৰ প্ৰতি চীনৰ বিৰাগৰ কাৰণ কোনো অস্থিৰ ভাবাবেগ নহয়। সম্প্ৰতি ভাৰত চৰকাৰেও এনে কিছু পদক্ষেপ লৈছে যি চীনৰ গভীৰ সংশয় উদ্ৰেক কৰিছে। ভৌমিকে মন্তব্য কৰিছে যে ১৯৯৩ চনত অটল বিহাৰী বাজপেয়ীয়ে চীন-ভাৰত সম্পৰ্ক স্বাভাৱিকীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা লয়। তেওঁ পাহৰিব নালাগিছিল যে ৰাজীৱ গান্ধীয়ে ১৯৯৮ চনত চীনৰ প্ৰধানমন্ত্ৰীৰ নিমন্ত্ৰণত কৰা চীন ভ্ৰমণ, চীন-ভাৰত সম্পৰ্ক উন্নীতকৰণৰ ক্ষেত্ৰত আছিল মাইলৰ খুঁটি। ৩৪ বছৰৰ ব্যৱধানৰ মূৰত সেইবাৰ ভাৰতৰ এজন প্ৰধানমন্ত্ৰীয়ে চীন ভ্ৰমণ কৰিছিল। ৰাজীৱ গান্ধীৰ উদ্যোগত সীমাবিবাদ পৰ্যালোচনা কৰিবলৈ

এটা working group (দায়িত্ববাহী দল) গঠিত হৈছিল আৰু সেই বিবাদৰ মীমাংসা হোৱাৰ পূৰ্বেই দুয়োখন দেশৰ মাজত পূৰাদমে অৰ্থনৈতিক আৰু বাণিজ্যিক সম্পৰ্ক স্থাপন কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। প্ৰভাৱশালী বৃদ্ধ নেতা তেং শ্বিয়াও পিঙে ৰাজীৱ গান্ধীক আশীৰ্বাদ দিছিল। ভাৰতৰ বিদ্ৰোহী গোটবিলাকক সহায় কৰাৰ কৌশল তেতিয়াৰ পৰাই স্থগিত ৰখা হৈছিল। চীনে এই মনোভাব অক্ষুণ্ণ ৰাখিছিল আৰু কাৰগিল যুদ্ধৰ সময়তো ভাৰতৰ চীনবিৰোধী মহলে নানা ভীতিপ্ৰদ প্ৰচাৰ চলোৱা সত্ত্বেও পাকিস্তানক সামৰিক সাহায্য নিদি কঠোৰ নিৰপেক্ষতা অৱলম্বন কৰিছিল।

গণ্ডগোল লাগিল ১৯৯৮ চনৰ পৰা। মাৰ্কিন চৰকাৰৰ একাংশ আমোলাই ভাৰতক চীনবিৰোধী মিত্ৰজোঁটৰ অন্তৰ্ভুক্ত কৰাৰ সপক্ষে প্ৰস্তাৱ এটা আগবঢ়াইছিল। তাকে খামুচি ধৰি পোখৰাণ-২ৰ পাৰমাণৱিক বোমা পৰীক্ষাৰ সন্দৰ্ভত প্ৰতিৰক্ষা মন্ত্ৰী জৰ্জ ফাৰ্নাণ্ডেজে আৰু প্ৰধানমন্ত্ৰী বাজপেয়ীয়েও এই পৰীক্ষাৰ প্ৰতি মাৰ্কিন সমৰ্থন অথবা সহনশীলতা বিচাৰি মাৰ্কিন ৰাষ্ট্ৰপতিলৈ চিঠি লিখিছিল। যথাৰীতি ভাৰতৰ আন গুপ্ত ৰহস্যৰ দৰে এই চিঠিও ফাদিল হৈছিল আৰু চীনে তাক ভয়ংকৰ বিশ্বাসঘাতকতা বুলি গণ্য কৰিছিল। সেই সন্দেহ সম্পূৰ্ণ নিৰসন হোৱাৰ পূৰ্বে ভাৰতে আমেৰিকাৰ লগত সামৰিক মিত্ৰতা আৰু সহযোগিতাৰ চুক্তি কৰিলে। তাৰ উদ্দেশ্যসমূহৰ ভিতৰত চীনৰ আগ্ৰাসী আঁচনিৰ বিৰুদ্ধে দুয়োখন দেশৰ যৌথ প্ৰতিৰক্ষা বুলিও কোৱা হ'ল। তাৰ পিছত চীনৰ পৰা নিৰংকুশ সৌহাৰ্দ্যৰ আশা নকৰাই ভাল। কিন্তু চীন নিজেও তিব্বত আৰু ছিনকিয়াঙত আঞ্চলিক বিদ্ৰোহীৰ আশংকাত বিচলিত। বিশেষকৈ ছিন্‌কিয়াঙত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে পাকিস্তানতকৈ ভাৰতৰ পৰাহে নিভাঁজ সহযোগিতা পোৱাৰ সম্ভাৱনা। পৰেশ বৰুৱাক সাহায্য দিয়া বা নিদিয়াৰ ক্ষেত্ৰত এইবোৰ প্ৰশ্ন চীনে নিশ্চয় বিবেচনা কৰিব। আই এছ আইৰ লগত Pan Islamic মুছলিম উগ্ৰপন্থীৰ ঘনিষ্ঠতা এতিয়া প্ৰমাণিত। পৰেশ বৰুৱাৰ লগত আই এছ আইৰ অন্তৰংগতা সম্পৰ্কেও প্ৰবল প্ৰচাৰ চলি আছে। আশা কৰো ভৱিষ্যতে কেতিয়াবা এই বিষয়তো ভৌমিকে আলোকপাত কৰিব।

বাংলাদেশত আই এছ আইৰ লগত সম্পৰ্ক ৰখা বি এন পি দলৰ প্ৰশ্ৰয়ত পৰেশ বৰুৱাই নিজৰ স্থিতি সবল কৰিবলৈ বিচাৰিব পাৰে। শ্বেখ হাছিনাই—

যাৰ বিৰুদ্ধে বাংলাদেশ ৰাইফলছৰ পিল্‌খানাত বিদ্ৰোহত আই এছ আয়ে উচটনি দিছিল, যাৰ প্ৰাণনাশৰ চক্ৰান্তত আলফা জড়িত আছিল বুলি বাংলাদেশৰ মাধ্যমতে স্পষ্টকৈ উল্লেখ কৰা হৈছে— এই চক্ৰান্ত নিৰ্বিবাদে চাই থাকিব বুলি ভৌমিকে ভাবিলেও বহুতে মানি নল'ব। অথবা তাৰ বিৰুদ্ধে যথাযোগ্য ব্যৱস্থা লোৱাৰ শক্তি বা ইচ্ছা তেওঁৰ নাই বুলি ধৰি লোৱাও বোধহয় অপৰিপক্ক সিদ্ধান্ত হ'ব। এই কথা ঠিক যে আই এছ আইৰ দীৰ্ঘকালীন আৰু নিৰ্বিঘ্ন সক্ৰিয়তাৰ ফলত বাংলাদেশৰ আভ্যন্তৰীণ নিৰাপত্তাত বহু ছিদ্ৰ আছে। এইবোৰ ছিদ্ৰ মাৰিবলৈ শ্বেখ হাছিনা কিমান উদ্যোগী হয়, ভাৰতৰ কূটনৈতিক বিচক্ষণতা আৰু সক্ৰিয়তাৰ ওপৰত নিৰ্ভৰ কৰিব। আনহাতে ম্যানমাৰৰ সামৰিক শাসকবৰ্গৰ প্ৰধান নেতাক ভাৰতত ৰাজ সন্মানেৰে আদৰা হৈছে।) উত্তৰ-পূবৰ বিদ্ৰোহীসকলৰ বাবে সি বিপদ সৃষ্টি কৰিব। সেয়ে আমি ভাবো যে আৰু পলম নকৰি পৰেশ বৰুৱায়ো তেওঁৰ সতীৰ্থসকলৰ উদ্যোগত সঁহাৰি দি চৰ্তহীন আলোচনাত জড়িত হোৱা ভাল। অসমৰ একাংশ ৰাইজে তেওঁক যিমানেই সন্মান নকৰক, ৰাজ্যখনৰ সুস্থিৰ ভৱিষ্যতহে সকলোৰে কাম্য। অৱশ্যে আমি আশা কৰিম ভাৰত চৰকাৰেও ১৯৭৫ চনৰ শ্বিলং চুক্তিত কৰাৰ দৰে মদগৰ্বী মনোভাব লোৱাৰ হঠকাৰিতা নকৰিব!!

অসমীয়া প্ৰতিদিন, ৩১ জুলাই ২০১০

জাতীয় অভিৱৰ্তন

আলফা আৰু বাস্তৱ

(সুবীৰ ভৌমিক)

প্ৰতিদিন কাকতৰ যোৱা ৩১ জুলাই সংখ্যাত ড° হীৰেন গোহাঁয়ে এক সুদীৰ্ঘ প্ৰবন্ধ লিখিছে। সেই প্ৰবন্ধটো জাতীয় অভিৱৰ্তন আৰু সংশ্লিষ্ট অন্যান্য ইছ্যুত মই দাঙি ধৰা মতসমূহৰ প্ৰত্যুত্তৰ। দীৰ্ঘ হ'লেও প্ৰবন্ধটোত তেওঁ কেতবোৰ গুৰুতৰ বিষয় এৰাই গৈছে, যিবোৰৰ ওপৰতে শান্তি আলোচনাৰ সফলতা আৰু ব্যৰ্থতা নিৰ্ভৰ কৰিছে। ড° গোহাঁইৰ যুক্তিবোৰ খণ্ডন কৰাৰ কাৰণে বিশাল প্ৰবন্ধ লিখাৰ ইচ্ছা মোৰ মুঠেও নাই, কাৰণ তেওঁৰ লগত নিৰন্তৰ বাক্‌যুদ্ধ চলাই যাবলৈ মোৰ কোনো আগ্ৰহো নাই। মই কামনা কৰোঁ— তেওঁ সফল হওক। মই আশা কৰোঁ— অসমলৈ শান্তি ঘূৰাই আনিবলৈ তেওঁৰ সকলো প্ৰচেষ্টাই সফল হওক। তথাপি মই পাঁচটা গুৰুত্বপূৰ্ণ বিষয় পুনৰ দোহাৰিম। কাৰণ মই ভাবো— যিকোনো শান্তি প্ৰচেষ্টাৰ সাফল্যৰ কাৰণে এই বিষয়বোৰ বিবেচনা কৰাটো দৰকাৰ। মই পুনৰ কওঁ যে নিম্নোক্ত গুৰুতৰ এই বিষয়কেইটালৈ ড° গোহাঁয়ে আওকাণ কৰিছে।

(১) প্ৰথম কথা হৈছে, শক্তিশালী বিদ্ৰোহী গোটবিলাকৰ বিভাজনৰ মই বিৰোধী। যিটো চৰকাৰে প্ৰায়েই কৰি থাকে। এই বিভাজনে হয়তো সামৰিক দিশত চৰকাৰক সহায় কৰে, কিন্তু চৰকাৰে যেতিয়া শান্তি স্থাপন কৰিবলৈ বিচাৰে তেতিয়া কিন্তু বিভাজিত গোটৰ সৈতে আলোচনা সদায় অধিক ডাঙৰ সমস্যা হৈ পৰে। এই পৰিপ্ৰেক্ষিতে মই বাৰে বাৰে কৈছো যে পৰেশ বৰুৱা আৰু কাৰাবন্দী অথবা মুক্ত সকলো আলফা নেতাক আলোচনা প্ৰক্ৰিয়ালৈ লৈ অহাৰ প্ৰচেষ্টা চলোৱা উচিত। কাৰণ চৰমপন্থী এটা অংশক আলোচনাৰ প্ৰক্ৰিয়াৰ বাহিৰত ৰখা মানেই হৈছে অধিক হিংসাৰ সম্ভাৱনাৰ পথ মুকলি ৰখা। এনে হিংসাৰ উদাহৰণ গোৱালপাৰাত চি আৰ পি এফৰ

কনভয়ৰ ওপৰত চলা আক্ৰমণৰ ঘটনা। ড° গোহাঁয়ে কিয় এই সৰল বাস্তৱতাৰ উপলব্ধি কৰা নাই? পৰেশ বৰুৱাৰ লগত তেওঁৰ বিৰোধ আছে, বৰুৱাই জাতীয় অভিৱৰ্তনৰ তীব্ৰ সমালোচনা কৰাৰ ঘটনাই হয়তো সেই বিৰোধিতাক আৰু বেয়াৰ ফালে ঠেলি দিছে। কিন্তু তেওঁ সেইবোৰক ব্যক্তিগত পৰ্যায়ত ধৰি লৈছে কিয়? এগৰাকী শান্তিকামী তথা জ্যেষ্ঠ নাগৰিক হিচাপে এই সকলোবোৰৰ ঊৰ্ধ্বত উঠা আৰু এজন বিদ্ৰোহীক পিচফালে ঠেলি দিয়াৰ বিপদক দেখা দৰকাৰ।

অধ্যাপক গোহাঁয়ে কৈছে— মই আলফা আৰু আৱামী লীগৰ বিষয়ে অধিক খা-খবৰ পাওঁ আৰু সেই কাৰণেই মই হেনো এইবোৰ সংগঠনৰ প্ৰচাৰত প্ৰভাৱিত হৈছোঁ। কি অদ্ভুত যুক্তি! কোনো ব্যক্তি যদি এটা সংগঠন সম্পৰ্কে ভালদৰে অৱগত হয় তেনেহ'লে তেওঁ সেই সংগঠনৰ প্ৰচাৰত প্ৰভাৱিত হ'ব— সেয়া অতি অযৌক্তিক কথা। বিগত পোন্ধৰ বছৰ ধৰি বি বি চিৰ সংবাদদাতা হিচাপে মই হেজাৰটা গোটৰ হেজাৰ হেজাৰ প্ৰচাৰৰ মুখামুখি হৈছোঁ। এই সকলোবোৰ গোটৰ প্ৰচাৰ আৰু ভাৰত চৰকাৰৰ প্ৰচাৰৰ মুখামুখি হোৱা সত্ত্বেও মই বস্তুনিষ্ঠভাৱে সংবাদ পৰিৱেশন কৰিছোঁ আৰু তেনে সংবাদ পৰিৱেশনৰ বৃত্তিগত প্ৰশিক্ষণো মোৰ আছে। মই আকৌ কওঁ— চৰকাৰে আলফাৰ সমস্ত গোটৰ লগত আলোচনা আৰম্ভ নকৰিলে অসমলৈ স্থায়ী শান্তি আনিব নোৱাৰিব। চাব লাগিব যাতে পিচলৈ পুনৰ অশান্তি সৃষ্টি কৰিব পৰা কোনো অংশই যাতে আলোচনা প্ৰক্ৰিয়াৰ বাহিৰত থাকি নাযায়। যদি ভাৰত চৰকাৰে আলফাক বিভাজিত কৰা আৰু পৰেশ বৰুৱা আৰু তেওঁৰ চৰমপন্থী সমৰ্থকসকলক একাষৰীয়া কৰাৰ বাবে জাতীয় অভিৱৰ্তনক এক আহিলা হিচাপে ব্যৱহাৰ কৰে জাতীয় অভিৱৰ্তন অনুষ্ঠিত কৰাৰ প্ৰকৃত উদ্দেশ্যটোকেই সি নস্যাৎ কৰিব। ড° গোহাঁয়ে এই বিষয়ত দ্বিমত পোষণ কৰিব পাৰে, কিন্তু সময়েই ক'ব কোন শুদ্ধ আৰু কোন ভুল।

(২) আলোচনাত বহাৰ পূৰ্বচৰ্ত হিচাপে সম্পূৰ্ণৰূপে হিংসা বন্ধ কৰাৰ ওপৰত সামগ্ৰিকভাৱে যি গুৰুত্ব আৰোপ কৰা হৈছে সেয়া মোৰ কথা নহয়। এয়া হৈছে কেন্দ্ৰীয় গৃহমন্ত্ৰী পি চিদাম্বৰমৰ ঘোষিত নীতি। অসমত সম্পূৰ্ণভাৱে হিংসা বন্ধ হোৱাৰ নিশ্চয়তা কোনে দিব? ড° হীৰেন গোহাঁয়ে, অৰবিন্দ ৰাজখোৱাই নে পৰেশ বৰুৱাই! যদি আলফাৰ সকলোখিনি

দুৰ্ভাগ্য যে ছহিদ পৰাগ দাস আৰু নিবাৰণ বৰাৰ শূন্যস্থান আজিও পূৰণ নহ'ল। তথাপি আমি আজি আশা কৰিছোঁ, অসমৰ বুদ্ধিজীৱীসকলে অসমৰ খিলঞ্জীয়া মানুহৰ মুক্তিৰ বাবে মুকলিকৈ আৰু নিৰ্ভয়ে আগবাঢ়ি আহিব। তেওঁলোকৰ ভূমিকাই নিৰ্ণয় কৰিব কোনে অসমৰ খিলঞ্জীয়া মানুহৰ মুক্তিৰ বাবে নিজৰ উৰ্বৰ মস্তিষ্ক প্ৰয়োগ কৰে আৰু কোনে পৰাধীনতাৰ শিকলি লৈ ঔপনিবেশিকতাৰ জয়গান গায়। এটা কথা মনত ৰখা দৰকাৰ যে মহাত্মা গান্ধীয়ে উদ্যোগ লোৱা ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰস্তাৱকো পেংলাই কৰি তেখেতক নস্যাৎ কৰা বুদ্ধিজীৱীৰ অভাৱ সেই সময়তো নহৈছিল। কিন্তু শেষত ন্যায় আৰু সত্যৰ জয় হৈছিল। ন্যায় প্ৰতিষ্ঠাৰ বাবে হেজাৰ হেজাৰ বুদ্ধিজীৱীৰ প্ৰয়োজন নাই। নিৰ্ভীক, ত্যাগী আৰু দূৰদৰ্শী এজন বা দুজনেই এক নিৰ্ণয়কাৰী ভূমিকা পালন কৰিব পাৰে। যিদৰে গৃহযুদ্ধত পতিত, খণ্ড-বিখণ্ড অশিক্ষিত চীনা সমাজত ড° চান য়াট চেনে (Dr. Sun Yat Sen) নতুন দিনৰ আলোৰে পোহৰাই তুলি আজিৰ মহাচীনৰ ৰূপৰেখা প্ৰস্তুত কৰিছিল। অসমৰ চুবুৰীয়া বাংলাদেশত প্ৰবল দেশপ্ৰেমিক-বুদ্ধিজীৱীসকলৰ এচামে সাৰ্বভৌম স্বাধীন বাংলাদেশৰ স্বাৰ্থত পাকিস্তানী বাহিনীৰ হাতত প্ৰাণ বিসৰ্জন দিছিল কিন্তু আপোচ কৰা নাছিল। যাৰ বাবে আজিও বাংলাদেশত ছহিদ বুদ্ধিজীৱী দিৱস পালিত হৈ আহিছে। তাৰে এচামে কিন্তু ঔপনিবেশিক শাসকৰ হৈহে কাম কৰিছিল যাক আজি বাংলাদেশী জনগণে ৰাজাকাৰ বুলি ঘৃণা কৰে। সেইসকলৰ নাতি-পুতি আজিও জনমানসত ঘৃণিত। তেনে উদাহৰণ পৃথিৱীৰ ইতিহাসত অনেক আছে। অসমকো আজি তেনে এজন বা এচাম মহান জনদৰদী অসমপ্ৰেমী বুদ্ধিজীৱীৰ প্ৰয়োজন হৈছে। ঔপনিবেশিকতাক আশীৰ্বাদ বুলি জনগণক বিপথে পৰিচালিত কৰা তথাকথিত বুদ্ধিজীৱী নহয়।' জন্মলগ্নৰ লক্ষ্য-উদ্দেশ্য আৰু নীতিক বিসৰ্জন দিবলৈ কোৱা পদক্ষেপক আলফাই সন্মান নজনায় বুলি স্পষ্ট কৰি দি পৰেশ বৰুৱাই বিবৃতিটোৰ শেষত কয় যে কোনো সমাজৰ কোনো বুদ্ধিজীৱীয়েই সাধাৰণ মানুহৰ সৰ্বময় প্ৰতিনিধি নহয়। গতিকে ঔপনিবেশিক ভাৰত চৰকাৰক, 'সাৰ্বভৌম স্বাধীন অসম'ৰ ওপৰত 'সংযুক্ত মুক্তি বাহিনী, অসম'ৰ লগত আলোচনাত বহিবলৈ যদি ঔপনিবেশিক ভাৰতৰ সংবিধানৰ দোহাই দি প্ৰস্তাৱ বা দাবী কৰিব নোৱাৰি তেন্তে সম্পূৰ্ণ জনমত প্ৰতিফলিত হোৱাকৈ

'সাৰ্বভৌম স্বাধীন অসম'ৰ ওপৰত গণভোট অনুষ্ঠিত কৰিবলৈ দাবী জনাওক। নিৰপেক্ষ পৰিৱেশত অনুষ্ঠিত হোৱা গণভোটৰ ৰায় আমি মানিবলৈ আন্তৰিকতাৰে প্ৰস্তুত আছোঁ। 'সাৰ্বভৌম স্বাধীন অসম' প্ৰতিষ্ঠাৰ বাবে ফলপ্ৰসূ আলোচনাৰ বাবে আলফা সদায়ে প্ৰস্তুত, কিন্তু দলৰ লক্ষ্য-উদ্দেশ্য, নীতি-আদৰ্শক কোনো কাৰণতে বিসৰ্জন দিয়া নহ'ব। ইয়াক পুনৰায় দোহৰাৰ প্ৰয়োজন নাই। আমাৰ এই আলোচনা আৰু গণভোটৰ প্ৰস্তাৱ ঔপনিবেশিক চৰকাৰে নাকচ কৰিলে সাৰ্বভৌম স্বাধীন অসমৰ বাবে সংগ্ৰাম অবিৰত চলিব। ইয়াৰ বিকল্প ব্যৱস্থা নাই। যি তথাকথিত গণতান্ত্ৰিক ব্যৱস্থাক লৈ আপোনালোকে গৌৰৱ কৰে সেই গণতন্ত্ৰৰ আচল গণতান্ত্ৰিক মানসিকতা আৰু চৰিত্ৰৰ প্ৰতিফলন ঘটাবলৈ এয়া এক উপযুক্ত সময়। গণভোটৰ আয়োজন ইয়াৰ প্ৰকৃত মাধ্যম। অন্যথা অসমৰ জনগণে স্বাধীনতা নিবিচাৰে, আলফাৰ জনসমৰ্থন নাই, জাতীয় অভিৱৰ্তনত অমুক বিষয়ত সহমত প্ৰকাশ কৰা হৈছে ইত্যাদি ইত্যাদি ঔপনিবেশিকতাৰ সুৰত গোৱা গানৰ কিয়দংশ বুলি বিবেচিত হ'ব। কোনোবাই যদি আমাৰ গণসমৰ্থন নাই বুলি দাবী কৰে তেন্তে আমি প্ৰত্যাহ্বান জনাই কওঁ যে গণভিত্তি নোহোৱা হৈ নাযায়। গণভোটেহে নিৰ্ণয় কৰিব খিলঞ্জীয়া জনগণক হেৰোৱা স্বাধীনতা পুনৰ ঘূৰাই লাগেনে নালাগে। ১২ হেজাৰ ছহিদৰ তেজেৰে মহীয়ান অসমৰ স্বাধীনতা সংগ্ৰামখনক হেয় জ্ঞান কৰা বা অৱমূল্যায়ন কৰা যিকোনো প্ৰচেষ্টাত আমি ভৰি নিদিওঁ। 'সংযুক্ত মুক্তি বাহিনী, অসম'ৰ লক্ষ্য-উদ্দেশ্য, নীতি-আদৰ্শক বিসৰ্জন দিবলৈ কোনো কোনো পদক্ষেপক আমি সন্মান নজনাওঁ। আমাৰ আশা— অসমৰ এই গণ্য-মান্য-বুদ্ধিজীৱীসকলে অসমৰ খিলঞ্জীয়া মানুহৰ আৱেগ-অনুভূতিক সন্মান জনাব।

অসমীয়া প্ৰতিদিন, ২০ এপ্ৰিল, ২০১০

পৰেশ বৰুৱা অধৈৰ্য নোহোৱাই ভাল

আলফা-চৰকাৰৰ আলোচনাক লৈ আয়োজিত জাতীয় অভিৱৰ্তন সন্দৰ্ভত আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই প্ৰকাশ কৰা বিবৃতিক লৈ স্বাভাৱিকতেই আজি সমগ্ৰ ৰাজ্যতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ইফালে পৰেশ বৰুৱাৰ বিবৃতি সন্দৰ্ভত অভিৱৰ্তনখনৰ কৰ্ণধাৰ তথা বিশিষ্ট চিন্তাবিদ ড° হীৰেন গোহাঁইৰ প্ৰতিক্ৰিয়া জানিবলৈ বিচৰাত তেওঁ কয়— আজি দুপৰীয়া কিছুমান টিভি চেনেলৰ পৰা গম পালো যে আলফাই তেওঁলোকৰ লগত চৰকাৰৰ আলোচনা পুনৰুজ্জীৱিত কৰিবলৈ গুৱাহাটী তথা অসমৰ কেইগৰাকীমান সচেতন নাগৰিকে আগবঢ়োৱা প্ৰস্তাৱ ভিত্তিহীন বুলি নাকচ কৰিছে। মই ভাবো অন্যান্য কথাত পৰেশ বৰুৱাৰ মতকে সংযুক্ত মুক্তি বাহিনীৰ মত বুলি মানি ল'ব পাৰিলেও নীতিগত কথাত তেওঁৰ চূড়ান্ত সিদ্ধান্ত লোৱাৰ অধিকাৰ নাই। এনেকুৱা ক্ষেত্ৰত সংযুক্ত মুক্তি বাহিনীৰ কেন্দ্ৰীয় কমিটীৰহে বিচাৰ-বিবেচনাৰ যোগেদি সিদ্ধান্ত লোৱাৰ অধিকাৰ আছে আৰু এটা সুশৃংখল সংগঠনৰ এইটোৱেই গৃহীত নিয়ম। গতিকে পৰেশ বৰুৱাৰ প্ৰতিবাদত আমি কিছু দুখ পালেও তাকেই শেষ কথা বুলি ধৰি লোৱা নাই। ৰাইজে মন কৰিব চৰকাৰৰ ভিতৰ আৰু বাহিৰত বিভিন্ন মহলে এৰা-ধৰাৰ মাজেদি সমস্যাটোৰ সঠিক সমাধান ওলোৱাত নানা প্ৰকাৰে বাধা দি আছে। সেয়ে প্ৰক্ৰিয়াটো বৰ সহজ হ'ব বুলি আমি ভবা নাই। তদুপৰি জাতীয় অভিৱৰ্তনে দিয়া প্ৰস্তাৱসমূহ সংযুক্ত মুক্তি বাহিনীৰ কেন্দ্ৰীয় কমিটিয়ে ভালদৰে বিবেচনা কৰি চোৱাৰ পিচতহে তেওঁলোকে তাক গ্ৰহণ কৰাৰ প্ৰশ্ন আহিব। এনেস্থলত প্ৰস্তাৱৰ আচল ৰূপ নেদেখাকৈয়ে ইটো-সিটো কথাৰে আলোচনাৰ বাট বন্ধ কৰিব খুজিলে অসমৰ ৰাইজৰ বাবে দুৰ্ভাগ্যজনক হ'ব। সময়মতে সমুচিত সিদ্ধান্ত ল'ব নোৱাৰাৰ বাবে অসম আন্দোলনত বহুত কেণা লাগিল, এই কথা সকলোৱে জানে। গতিকে সংযুক্ত মুক্তি বাহিনীৰ

নেতাসকলে সময়ৰ শৰ মাৰিবলৈ প্ৰস্তুত থাকিব লাগিব আৰু নিঃচৰ্ত আলোচনাৰ বাবে দুয়োপক্ষ সন্মত হোৱাটো পৰিস্থিতিৰ দাবী।

সাৰ্বভৌমত্ব, বিচ্ছিন্নতাবাদ এনেকুৱা কথাবিলাক কেৱল আইনজ্ঞৰ চকুৰে চালেই নহ'ব। দেশ তথা বিশ্বৰ পৰিবৰ্তনশীল পৰিস্থিতিয়ে মানুহক গতানুগতিক পথ এৰি নতুন ধৰণে ভাবিবলৈ বাধ্য কৰে আৰু বিচক্ষণ ৰাজনীতিবিদৰ কাৰণে সেই কথাটো অতি গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপে সবিনয়ে আঙুলিয়াই দিব খোজো যে অন্ধ জেদত লাগি এল টি টি ইয়ে নিজকে ধ্বংস কৰিলে আৰু শ্ৰীলংকাবাসী তামিলসকলৰো অপূৰণীয় ক্ষতি কৰি থৈ গ'ল। ভাৰত চৰকাৰৰ ওচৰত আত্মসমৰ্পণ কৰাৰ কথা আমি কোৱা নাই। এটা সন্মানজনক পৰিৱেশত মুকলি মনেৰে আলোচনা হোৱাটো অসমবাসীৰে ঐকান্তিক কামনা। সেয়ে অভিৱৰ্তনৰ পৰৱৰ্তী কাললৈকে পৰেশ বৰুৱাই নীৰৱতা অৱলম্বন কৰিলেই ভাল হ'ব। তদুপৰি কিছুমান মাধ্যমে আজি আবেলিপৰলৈকে এনে কিছুমান কথা প্ৰচাৰ কৰিছে যিবিলাক পৰেশ বৰুৱাৰ বিবৃতিত নাছিল বুলিয়েই মই এতিয়া গম পাইছোঁ। উদাহৰণস্বৰূপে আজিকালি চৰকাৰী মহলবিলাকে প্ৰচাৰ কৰাৰ দৰে পৰেশ বৰুৱায়ো হেনো মোক শিক্ষাবিদ বুলিয়ে উল্লেখ কৰিছিল। কিন্তু অসমৰ ৰাইজৰ মাজত মোৰ পৰিচয় তাতকৈ কিছু বেলেগ। তদুপৰি এইবোৰ প্ৰচাৰত বাৰে বাৰে কোৱা হৈছে যে পৰেশ বৰুৱাৰ মতে মই কেতিয়াও ৰাইজৰ মাজত নাই। কিন্তু এতিয়া গম পাইছো যে বিবৃতিটোত তেনেধৰণৰ প্ৰত্যক্ষ পোনপতীয়া মন্তব্য নাছিল। আজিকালি আনৰ ই-মেইল একাউণ্টৰ পৰা বিভ্ৰান্তিজনক ই-মেইল প্ৰেৰণৰ কৌশল কিছুমান মানুহে আয়ত্ত কৰিছে। সেয়ে পৰেশ বৰুৱাই কেন্দ্ৰীয় কমিটিৰ আন সদস্যবিলাকৰ লগত প্ৰত্যক্ষ আলোচনা নকৰাকৈ যিবোৰ বিবৃতি দিয়া বুলি প্ৰচাৰ হৈ আছে সেইবোৰ সম্পৰ্কেও ৰাইজে সংশয় পোষণ কৰাই উচিত হ'ব বুলি ভাবো।

অসমীয়া প্ৰতিদিন, ২০ এপ্ৰিল, ২০১০

অভিৰ্ৱৰ্তনৰ পৰিৱৰ্ধিত দিক্‌নিৰ্ণায়ক সমিতিৰ আগত দিয়া ভাষণ

সমিতিৰ ন-পুৰণি সদস্যসকল আৰু সচিবদ্বয়

আমি আজি কি উদ্দেশ্যে ইয়াত গোট খাইছোঁ, কাকো বহলাই বুজাই ক'ব নালাগে। কিন্তু নতুন সদস্যসকলৰ সুবিধাৰ্থে আমাৰ অতীতৰ কাৰ্যকলাপৰ কিছু পৰ্যালোচনা দৰকাৰ।

সম্প্ৰতি ঘটনাচক্ৰত সংযুক্ত মুক্তি বাহিনীৰ গৰিষ্ঠ সংখ্যক নেতা কাৰাবন্দী। যোৱা ত্ৰিছ বছৰে তেওঁলোকে নানাপ্ৰকাৰৰ অভিযান চলাই চৰকাৰক ব্যতিব্যস্ত কৰি ৰখাৰ উপৰি অসমৰ সৰ্বসাধাৰণ ৰাইজৰ নিৰাপত্তা জীৱনযাত্ৰা আৰু সামাজিক জীৱন বিপৰ্যস্ত কৰিছে। তেওঁলোকৰ মূল প্ৰেৰণা নিভাঁজ আছিল বুলি আজিও বহুতে বিশ্বাস কৰিলেও তেওঁলোকৰ লক্ষ্য আৰু কাৰ্যপন্থা লৈ ৰাজ্যখনত ব্যাপক বিতৰ্ক হৈছে। তেওঁলোকে এতিয়া দাবী কৰিব নোৱাৰে যে সমগ্ৰ ৰাজ্যৰ জনমত দ্বিধাহীনভাৱে তেওঁলোকৰ পক্ষত আছে। তেওঁলোকেও নিজে গ্ৰহণ কৰা পথৰ ক্ষতিকৰ আৰু বিপজ্জনক পৰিণাম উপলব্ধি কৰি বিকল্প পথ তথা আলোচনাৰ প্ৰতি আন্তৰিকভাবে আগ্ৰহান্বিত হৈছে। তেওঁলোকৰ দুজন সদস্য আলোচনা পুনৰ সজীৱ কৰিবলৈ ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ বহুকেইজন ব্যক্তিক লগ ধৰা কথাও আপোনালোকে জানে। আনহাতে সশস্ত্ৰ সংগ্ৰাম চলাই যোৱাৰ লগতে সংযুক্ত মুক্তি বাহিনীয়ে নিজেও আলোচনাৰ পৃষ্ঠপোষকতা কৰি অহাও অজ্ঞাত নহয়। এই মুহূৰ্তত ৰাজ্য চৰকাৰেও আলোচনাৰ জৰিয়তে মীমাংসাৰ প্ৰতি উৎসাহ দেখুৱাইছে আৰু অসমৰ ৰাইজেও আলোচনাৰ জৰিয়তে সন্মানজনক মীমাংসালৈ অহা মনেপ্ৰাণে বাঞ্ছা কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ নেতা সকলৰো এই শিক্ষা হৈছে যে কেৱল বলপ্ৰয়োগেৰে প্ৰজাৰ আনুগত্য আৰু সমৰ্থন আদায় কৰিবলৈ

যোৱাটো চৰম নিৰ্বুদ্ধিতা। সেয়ে স্থবিৰ হৈ পৰা আলোচনাৰ প্ৰক্ৰিয়া পুনৰুজ্জীৱিত কৰিবলৈ উদ্যোগ লোৱাৰ ই সুৱৰ্ণ সুযোগ।

নাগৰিক সমাজৰ তৰফৰ পৰা এনে উদ্যোগ ল'বলৈ আমি গুৱাহাটীৰ কেইজনমান নাগৰিক আগবাঢ়ি আহি ২৪ এপ্ৰিলত এক সন্মিলিত জাতীয় অভিৱৰ্তন আহ্বান কৰাত সেই অভিৱৰ্তনে বিপুল উৎসাহ-উদ্দীপনা আৰু আশাৰ সঞ্চাৰ কৰিছিল। অভিৱৰ্তনৰ প্ৰস্তাৱ অনুযায়ী অসমৰ বিভিন্ন স্থানৰ বিশিষ্ট আৰু দায়িত্বশীল নাগৰিকক দিক্ নিৰ্ণায়ক সমিতিৰ অনুৰ্ভুক্ত কৰি আজি পৰিৱৰ্ধিত দিক নিৰ্ণায়ক সমিতিৰ এই বৈঠকৰ আয়োজন কৰা হৈছে। আশা কৰিছোঁ ইয়াৰ জৰিয়তে সমিতিৰ ভিত্তি ব্যাপক তথা অসমব্যাপী হ'ব।

সদঁস্য সকলক পুনৰ সোঁৱৰাই দিছোঁ যে আমি সংযুক্ত মুক্তি বাহিনীৰ দ্বাৰা গঠিত আৰু নিয়োজিত সমিতি নহওঁ। আলোচনা সন্মানজনকভাৱে সম্পন্ন কৰিবলৈ আমি সংযুক্ত মুক্তি বাহিনীৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰিছোঁ। কিন্তু আমি সম্পূৰ্ণ নিজস্ব বিচাৰ-বিবেচনাৰে আগবাঢ়িছোঁ, আৰু সংযুক্ত মুক্তি বাহিনীৰ সকলো বক্তব্য আৰু কাৰ্যকলাপ আমি সমৰ্থন কৰা বুলিও ধৰিব নালাগিব। তেওঁলোকো আমাৰ এই স্বতন্ত্ৰ অৱস্থানৰ প্ৰতি সহনশীল আৰু শ্ৰদ্ধাৱান। সংযুক্ত মুক্তি বাহিনীৰ সকলো বক্তব্যকে অসাৰ বা অলীক বুলি কোৱা নাই। তাৰ সাৰুৱা কথাখিনি অসমৰ সমগ্ৰ ৰাইজৰ ধাৰণা আৰু আশা-আকাঙ্ক্ষাৰ লগত জড়িত বুলি আমি ভাবোঁ। বিচ্ছিন্নতাৰ পোষকতা নকৰাকৈ এইবোৰৰ প্ৰতি সুবিচাৰ কেনেকৈ কৰোৱা যায়, আমি তাৰ প্ৰতিও দায়বদ্ধ।

ইয়াৰ আগতে সংযুক্ত মুক্তি বাহিনীৰ সক্ৰিয় পৃষ্ঠপোষকতাত গঠিত People's Consultation Group (PCG) য়ে আলোচনাৰ বাট মুকলি কৰিবলৈ অহোপুৰুষাৰ্থ কৰি শেষত নিৰস্ত হ'ব লগা হয়। PCG-ৰ সেই প্ৰয়াসে আমাৰ বাবে ইতিবাচক আৰু নেতিবাচক কিছু শিক্ষা এৰি থৈ গৈছে। তেওঁলোকৰ সফলতা-বিফলতাৰ খতিয়ান লৈ আগবঢ়া আমাৰ অৱশ্য কৰ্তব্য।

তেওঁলোকৰ উদ্যোগটোৰ পৰ্যবেক্ষণ কৰি দেখা গৈছে যে ভাৰত চৰকাৰৰ উদ্দেশ্য সংযুক্ত মুক্তি বাহিনীক হিংসাৰ পথ পৰিত্যাগ কৰাই শান্তিৰ পথলৈ ওভটাই অনা। বিনিময়ত বিশেষ মূল্যবান বা অৰ্থপূৰ্ণ একো দিবলৈ চৰকাৰ বৰ ইচ্ছুক যেন নালাগে। আনহাতে PCG য়ে সাৰ্বভৌমত্বক প্ৰধান

দাবী হিচাবে চৰকাৰৰ দ্বাৰা গ্ৰহণ কৰাবলৈ বিচাৰিছিল। সেয়ে শান্তি-আলোচনাৰ অন্তৰালত এক-উদ্দেশ্যৰ সংঘাত চলি আছিল। PCGক সাংগঠনিকভাৱে বিভক্ত আৰু দুৰ্বল কৰি চৰকাৰে নিজৰ উদ্দেশ্য সাধন কৰিবলৈ বিচাৰিছিল আৰু প্ৰতিজন সদস্যক নিজৰ ইচ্ছামতে ৰাজহুৱা মঞ্চত মত প্ৰকাশ কৰিবলৈ আৰু দাবী উত্থাপন কৰিবলৈ উৎসাহ দিছিল। PCGৰ মাজৰ পৰাও শৃংখলা ৰক্ষাৰ সফল চেষ্টা আমাৰ চকুত নপৰে। কাৰণ বোধ হয় এয়ে যে নিয়ন্ত্ৰণৰ বাঘজৰী বাহিৰত আনৰ হাতত আছিল। ফলত বিভিন্ন সদস্যৰ বিভিন্ন, কেতিয়াবা পৰস্পৰবিৰোধী, মতামতে বিভ্ৰান্তি আৰু খেলিমেলি সৃষ্টি কৰিলে। এই ফান্দত যেন আমি ভৰি নিদিওঁ, প্ৰত্যেকেই দায়িত্বশীলতাৰে সতৰ্ক হৈ চলিব লাগিব। আমি সফল হ'লে সকলোৱেই কৃতকাৰ্যতাৰ অংশীদাৰ হ'ম।

সেয়ে গোপনীয়তা আৰু সতৰ্কতা প্ৰত্যেকেই এইক্ষেত্ৰত অৱলম্বন কৰিব লাগিব। ব্যক্তিগত আলোচনাত ঘনিষ্ঠ বন্ধুৰ আগত কেতিয়াবা কিবা ক'লেও ৰাজহুৱা মঞ্চত, প্ৰচাৰ মাধ্যমৰ আগত, আমাৰ কোনেও যেন অসচেতন উক্তি কৰি আমাৰ উদ্যোগটোক ক্ষতিগ্ৰস্ত নকৰে।

সচৰাচৰ চৰকাৰে বিশ্বস্ত সাংবাদিক তথা সংবাদ মাধ্যমৰ মানুহক এনে সন্দেহ আৰু বিভ্ৰান্তি সৃষ্টিৰ কামত লগায়। উদ্দেশ্যপ্ৰণোদিত প্ৰশ্ন কৰি তেওঁলোকে এনে উত্তৰ উলিয়াই লয় যাক সহজে বিভ্ৰান্তি সৃষ্টিৰ বাবে ব্যৱহাৰ কৰিব পাৰি। ফলত চৰকাৰ নিজে সাৰি যায়, আলোচনাৰ বাবে আগ্ৰহী বুলি প্ৰচাৰ কৰি থাকে আৰু বিপদত পৰে আলোচনাৰ বাটকটীয়া সকল।

যেনে ধৰক পৰেশ বৰুৱা আলোচনালৈ অহা বা নহাৰ প্ৰশ্নটো। আমি কাম কৰিছোঁ অসমৰ ৰাইজৰ হকে আৰু সংযুক্ত মুক্তি বাহিনীৰ লগত যোগাযোগ কৰি। পৰেশ বৰুৱাৰ কথাটো সংযুক্ত মুক্তি বাহিনীৰ বাবে গুৰুত্বপূৰ্ণ হ'ব পাৰে। কিন্তু সেই বিষয়ে আমি বিশেষ মতামত দিয়াৰ পৰা বিৰত থকাই ভাল। সেইটো সংযুক্ত মুক্তি বাহিনীৰ আভ্যন্তৰীণ সমস্যা বুলি এৰাই যোৱাই বুদ্ধিমানৰ কাম হ'ব।

নহ'লে "পৰেশ বৰুৱা নাহিব পাৰে", "সাৰ্বভৌমত্ব নিদিলে তেওঁ কিয় আহিব", "পৰেশ বৰুৱা সামৰিক গোটৰ নেতা হিচাবে সংগঠনত তেওঁৰ শক্তি আটাইতকৈ বেছি" আদি মন্তব্য সাড়ম্বৰে প্ৰচাৰ কৰি চৰকাৰৰ লগত ভিতৰুৱা

যোগাযোগ থকা অথবা চাঞ্চল্য সৃষ্টিৰে চমক সৃষ্টি কৰিব খোজা সাংবাদিকে এনে এক ধাৰণা ৰাইজৰ মাজত সৃষ্টি কৰে যে আমাৰ উদ্যোগ পৰেশ বৰুৱাৰ সন্মতি অবিহনে অনিশ্চিত আৰু অৰ্থহীন। ৰাইজৰ মাজত এনে ধাৰণা সৃষ্টি হ'লে চৰকাৰে আলোচনাৰ আয়োজন অনিৰ্দিষ্ট কাললৈ পিছুৱাই থাকিব পাৰে। আৰু এনেকৈয়ে এদিন সকলো ফুটুকাৰ ফেনত পৰিণত হ'ব পাৰে। সেয়ে চৰকাৰে পতা ফান্দত আমি যাতে ভৰি নিদিওঁ, খোজ দিওঁতে সাৱধান হ'ব লাগিব।

আমাৰ নিজৰ ভিতৰত এনে মোহক প্ৰশ্ৰয় দিয়াৰ প্ৰয়োজন নাই যে সংযুক্ত মুক্তি বাহিনীৰ পূৰ্বৰ শক্তি অটুট আছে। ছংদ্ৰুপ জাংখাৰৰ পৰা চলোৱা ভাৰতীয়-ভূটানী সেনাৰ যৌথ অভিযানে সংযুক্ত মুক্তি বাহিনীৰ সামৰিক শক্তি ভালেখিনি হ্ৰাস কৰিলে। শীৰ্ষস্থানীয় কেইবাগৰাকীও নেতা কাৰাবন্দী, কেইগৰাকীমান তথাকথিত "নিখোজ"। বাকী থকা সকলো সম্প্ৰতি বহু পৰিমাণে নিৰুৎসাহ। এই পৰিস্থিতিৰ সুযোগ লৈ চৰকাৰে আলোচনাটোক মামুলি "শান্তি আলোচনা"লৈ পৰ্যুবসিত কৰিব খোজে। কিন্তু আমি ভূমিপুত্ৰ সকলে জানো এনে সিদ্ধান্তই ভৱিষ্যত বিদ্ৰোহৰ জুই নুমাব নোৱাৰিব। যিহেতু এনে আলোচনাৰ জৰিয়তে অসমবাসীৰ অস্তিত্বৰ মূল সমস্যাবোৰৰ সমাধান নহ'ব, সি আৰু প্ৰবল ৰূপ লৈ জ্বলি উঠিব আৰু চৰকাৰৰ লগতে পুনৰ্বাৰ সৰ্বসাধাৰণক জ্বলাই মাৰিব। সেইবাবেই আমি হিংসাত্যাগ আৰু আত্মসমৰ্পণকে একমাত্ৰ কাৰ্যসূচী হিচাবে নলৈ আলোচনাৰ জৰিয়তে অসমৰ মূল সমস্যাবোৰৰ স্থায়ী সমাধানৰ উপায় উলিয়াবলৈ বিচাৰিছোঁ। কাৰাৰুদ্ধ নেতা সকল আমাৰ লগত এই ক্ষেত্ৰত একমত। তাৰ বাবেই পূৰ্বচৰ্তহীন আলোচনাৰ প্ৰস্তাৱ দিয়া হৈছে।

দুখৰ বিষয়, নানা কাৰ্যকৰী (practical, technical) আৰু আইনগত বাধা-বিঘিনি উল্লেখ কৰি চৰকাৰে আলোচনাৰ ক্ষেত্ৰত বিলম্ব হোৱাৰ যুক্তি প্ৰদৰ্শন কৰে। যেনে কাৰাৰুদ্ধ নেতা সকলৰ মুক্তি ন্যায়ালয়ৰ কৰ্তৃত্বাধীন, চৰকাৰে একো কৰিব নোৱাৰে। অথবা নিষিদ্ধ সংগঠনৰ লগত আলোচনা আইনমতে অবৈধ বা অসাৰ্থক। এনেবোৰ বাধা-বিঘিনি যদিও আছে, সেইবোৰ সদিচ্ছা থকা চৰকাৰে দূৰ কৰিব নোৱাৰাৰ কাৰণ নাই। এইবোৰ কথাকে আকৌ একাংশ মাধ্যমে এনেধৰণে অতিৰঞ্জিত কৰি ৰাইজক আভুৱা ভাঁৰে, যেন তেনে বাধা অলংঘণীয়।

শাসক শ্ৰেণীৰ এনে মনোভাবৰ বাবে সহজে বা সোনকালে আলোচনা আৰম্ভ নহ'বও পাৰে। কিন্তু অসমৰ ৰাইজৰ মংগল তথা অসমৰ ভৱিষ্যত চিন্তা কৰি আমি ধৈৰ্য্য হেৰুৱাব নালাগিব। আমাৰ সকলোৰে ঐক্যবদ্ধ অধ্যৱসায়ৰ জৰিয়তে আমি জেঙাবোৰ মাৰিব লাগিব। আপোনালোক সকলোৰে বিচক্ষণ দিহা পৰামৰ্শ, নিষ্ঠাবান পৰিশ্ৰম, আন্তৰিক দেশপ্ৰেমে আমাক শেষ লক্ষ্যত উপনীত কৰাব। আমাৰ ৰাইজখনে তৃণমূলৰ পৰা আমাক শক্তি, সাহস, উৎসাহ যোগাব— যদিহে ছদ্মবেশী অত্যুৎসাহী বন্ধুৰ হঠকাৰিতা আৰু অলপ ধতুৰা নৈৰাশ্যবাদৰ পৰা আমি নিজকে ৰক্ষা কৰিব পাৰোঁ।

আমাৰ সন্মানীয় নতুন সদস্য সকলে অসমৰ বিভিন্ন অঞ্চলত আঞ্চলিক পৰ্যায়ত ফলপ্ৰসূ আলোচনাৰ বাবে সংগঠিত আন্দোলনৰ গুৰি ধৰিব লাগিব। আমি আশা কৰিব পাৰোঁ যে দেশৰ মাটিত আমাৰ ভৰিৰ খোপনি থাকিলে কোনেও আমাক ভূলুণ্ঠিত কৰিব নোৱাৰিব আৰু মীমাংসা হ'লে এই বিশেষ সমস্যাৰ সমাধানৰ উপৰি আমাৰ ৰাজনীতি নিকা আৰু জনগণৰ বাবে মংগলময় হ'ব, আমাৰ অৰ্থনীতি সতেজ হ'ব, আমাৰ জাতীয় অস্তিত্ব সুনিশ্চিত আৰু সুৰক্ষিত হ'ব।

এইখিনি কথাকে কৈ আমি প্ৰথমে আমাৰ দেশপ্ৰেমিক, অভিজ্ঞ আৰু বিচক্ষণ নতুন সদস্য সকলক আমাৰ মাজলৈ আদৰিলোঁ, আৰু ভৱিষ্যতে সকলোৰে নিষ্ঠা আৰু যুটীয়া উদ্যোগে নতুন অসমৰ ভিত্তি স্থাপন কৰিব বুলি আশাৰে মোৰ বক্তব্য সামৰিলোঁ। ইতি—

হীৰেন গোহাঁই
মুখপাত্ৰ, সম্মিলিত জাতীয় অভিবৰ্তনৰ
দিক্ নিৰ্ণায়ক সমিতি।

২৪/৪/২০১০
গুৱাহাটী

এঘাৰ মেই তাৰিখে প্ৰকাশ পোৱা পৰেশ বৰুৱাৰ বিবৃতি সম্পৰ্কে

আমি পৰেশ বৰুৱাৰ অধীনত জীৱন উছৰ্গা কৰি যুঁজ কৰি যাম বুলি কোনোকালেই শপত খোৱা নাছিলোঁ যে তেওঁক আমাৰ প্ৰতিটো উক্তি বা কামৰ বাবে কৈফিয়ৎ দিবলৈ বাধ্য হ'ম। কিন্তু ২৪ এপ্ৰিলৰ সম্মিলিত জাতীয় অভিবৰ্তনৰ সাফল্যত বিচলিত হৈ তেওঁ যিদৰে তাৰ বিকৃত অপব্যাখ্যা প্ৰকাশ কৰি আছে, সি অসমৰ শক্তিশালী গৰিষ্ঠসংখ্যক ৰাইজৰ মনত পুনৰ বিভ্ৰান্তিৰ জন্ম দিব পাৰে বুলিয়েই এই অৰ্থহীন বিতৰ্কত পুনৰ অৱতীৰ্ণ হৈছোঁ।

শ্ৰীমান বৰুৱাই তেওঁৰ হঠকাৰী চিন্তা আৰু কাৰ্যকলাপৰ বিৰোধিতা কৰা মানুহক মানসিক ৰোগীৰ আখ্যা দিয়াটোৱে তেওঁৰে মানসিক স্বাস্থ্যৰ পৰিচয় দিছে নে ৰুগ্ন কল্পনাৰ (Delusion) লক্ষণ প্ৰকট কৰিছে, ৰাইজেই ভালদৰে বুজি পাব।

তেওঁ দাবী কৰিছে যে সংযুক্ত মুক্তি বাহিনীয়ে কেতিয়াও কাৰো সহায় বিচৰা নাই। অৰ্থাৎ তেওঁৰ মতে আমি উপযাচি এই দায়িত্ব কান্ধ পাতি লৈছোঁ। কিন্তু এই কথা কোনে নাজানে যে জামিনত মুক্ত হৈ উপ-সভাপতি প্ৰদীপ গগৈ আৰু প্ৰচাৰ সচিব মিথিংগা দৈমাৰীয়ে অসমৰ বহু কেইজন বিশিষ্ট লোকক লগ ধৰি আলোচনাৰ স্থবিৰতা দূৰ কৰিবলৈ অনুৰোধ কৰিছিল। তেতিয়া পৰেশ বৰুৱাই নিজেই তেওঁলোকৰ সেই উদ্যোগক শলাগিছিল। আমিও তেওঁলোকৰ আন্তৰিক আহ্বানত সঁহাৰি দিহে এঘাৰজন নাগৰিক মিলি আলোচনা পুনৰ আৰম্ভ কৰাৰ পৰিৱেশ ৰচনা কৰিবলৈ বিচাৰিছিলোঁ।

শ্ৰীমান বৰুৱাই দাবী কৰিছে যে সাৰ্বভৌমত্বৰ বাহিৰে আন কোনো বিকল্পতে সংযুক্ত মুক্তি বাহিনীৰ আগ্ৰহ নাই। কিন্তু কেইবছৰমান পূৰ্বে তেওঁ নিজেই বিবৃতি দিছিল যে "সাৰ্বভৌমত্বৰ বিষয়ে আলোচনা কৰা মানে

সাৰ্বভৌমত্ব দি দিয়া নহয়।" (সেই মন্তব্য তেওঁ কেতিয়াও ভুল বুলি প্ৰত্যাহাৰ কৰা নাই।)

নিজে-নিজে কিছুমান কথা শিকি লৈ সকলো জানিলো বুলি ভবা স্বয়ম্ভু পণ্ডিতৰ (auto-didact) দৰে পৰেশ বৰুৱায়ো আমাক "সাৰ্বভৌমত্ব" সম্পৰ্কে জ্ঞান দিবলৈ ওলাইছে। তেওঁৰ মতে এখন দেশৰ স্বাধীন ৰাষ্ট্ৰ স্থাপন হোৱাৰ পিছত বহিঃশত্ৰুৰ পৰা দেশৰ জনগণক সুৰক্ষা দিয়াৰ ক্ষমতাই সাৰ্বভৌমত্ব। এনে ধাৰণা আংশিকভাৱেহে সত্য। প্ৰকৃততে সাৰ্বভৌমত্ব এখন দেশৰ ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা, যাক আভ্যন্তৰীণ বা বাহিৰৰ কোনো শক্তিয়ে বৈধভাৱে প্ৰত্যাহ্বান জনাব নোৱাৰে। আজিৰ আন্তৰ্জাতিক পৰিস্থিতিত সেই ধাৰণাৰো কিছু গড়াখহনীয়া হ'বলৈ ধৰিছে। উদাহৰণ স্বৰূপে ইউৰোপীয়ান য়ুনিয়নৰ সদস্য-ৰাষ্ট্ৰসমূহে কিছুমান ক্ষেত্ৰত এই ক্ষমতা কিছু পৰিমাণে স্বেচ্ছাই এৰি দিয়া কথাটো সুধী সমাজত সুপৰিচিত। সেয়ে পৰিৱৰ্তিত পৰিস্থিতিত এনে ধৰণৰ কথা আলোচনাৰ মেজত উঠিলে আচৰিত নহয়। আৰু এটা কাৰ্যকৰী তাৎপৰ্য তথা কথা এয়ে যে বাহিৰৰ শত্ৰুক বাৰু শ্ৰীমান বৰুৱাই বাধা দিব খুজিছে, কিন্তু দেশৰ ভিতৰত জনগণৰ তেজ শোহা অসাধু ব্যৱসায়ী-মহাজন, ঠগবাজ, ঠিকাদাৰ আদিৰ প্ৰতি তেওঁৰ মনোভাৱ যোৱা ত্ৰিছ বছৰেই পৰিষ্কাৰ হ'ল জানো?

কানাডাৰ কুইবে'ক ৰাজ্যত ফৰাচীভাষী ৰাজ্যখন স্বাধীন হ'ব নে নহ'ব তাকে লৈ গণভোট হোৱা কথাটো আমি নিজেই সন্মিলিত জাতীয় অভিৱৰ্তনত উল্লেখ কৰিছিলোঁ। কিন্তু মন কৰিবলগীয়া কথা এয়ে যে কানাডাৰ চৰকাৰে নিজেই স্বেচ্ছাই আৰু আন্তৰিকতাৰে সেই গণভোটৰ আয়োজন কৰিছিল। বাস্তৱ সত্য এয়ে যে ভাৰত চৰকাৰে এনে গণভোট নাপাতে আৰু কেনেবাকৈ পাতিলেও তাৰ ফলাফল পৰেশ বৰুৱাই মানি লোৱাৰ আশা নাই। তেওঁ বোধহয় ৰাষ্ট্ৰসংঘই তেনে গণভোটৰ আয়োজন কৰা বিচাৰিব। কিন্তু দুখৰ কথা, ৰাষ্ট্ৰসংঘ যি চনদৰ আধাৰত গঠিত, তাত আন ৰাষ্ট্ৰৰ ইচ্ছাৰ বিৰুদ্ধে তাৰ আভ্যন্তৰীণ ব্যাপাৰত হস্তক্ষেপ নকৰাৰ ঘোষণাহে আছে।

এনেধৰণৰ গণভোট অনুষ্ঠিত হ'বলৈ কেতিয়াবা বলবান অথচ বন্ধুভাবাপন্ন বিদেশী ৰাষ্ট্ৰৰ পৰোক্ষ সহায়ৰ প্ৰয়োজন হয়। সাম্প্ৰতিক কালত

তেনে কোনো প্ৰভাৱশালী ৰাষ্ট্ৰই অসমত গণভোট পাতিবলৈ ভাৰত চৰকাৰক বুজনি দিব বুলি মনে নধৰে। (ইষ্ট তিমৰত অষ্ট্ৰেলিয়াৰ হেঁচাত ইণ্ডোনেছিয়াই গণভোট পাতিছিল।) সাতে-সোতৰই বহুতে বিচৰাৰ দৰে চৰ্তহীন আলোচনাৰ প্ৰতিহে সংযুক্ত মুক্তি বাহিনীয়ে সন্মতি জনোৱা উচিত বুলি ভাবোঁ। লগতে কওঁ দীৰ্ঘকাল ধৰি ভীমবিক্ৰমে শ্ৰীলংকাৰ সেনাবাহিনীৰ লগত যুঁজ দি, মাজে সময়ে চমকপ্ৰদ বিজয় সাব্যস্ত কৰিও অৱশেষত এল-টি-টি-ইয়ে সময়োচিত সিদ্ধান্ত ল'ব নোৱাৰাৰ ফলত নিজেও নিঃশেষ হ'ল, শ্ৰীলংকাবাসী তামিল সকলৰো আশা-আকাঙ্ক্ষা বহু কাললৈ নিৰ্বাপিত কৰিলে। এইবোৰ শিক্ষা আওকাণ কৰাৰ ফলো অসমৰ বাবে ভয়ংকৰ হ'ব। ইতিমধ্যে অৰাজকতাই অসমীয়া সমাজৰ বিস্তৰ ক্ষতি সাধন কৰিছেই। আৰু কিছুদিন এই অৱস্থা বৰ্তি থাকিলে জাতিৰ আৰ্থিক, সাংস্কৃতিক আৰু নৈতিক ভেটি উচ্ছন্ন হ'ব। আলোচনাৰ বিৰোধিতাৰ পৰা ন্যস্ত স্বাৰ্থ লাভৱান হ'ব, আৰু অসমৰ নামেই নুমাব পাৰে।

সত্তৰৰ দশকত অসমত নিশ্চয় স্বৰ্গসুখ বিৰাজ কৰা নাছিল। পৰেশ বৰুৱাই তেতিয়া টাংগুটি, ভটাগুটি খেলি দৌৰি ফুৰিছিল। তেতিয়াই আমি শোষণধৰ্মী ভাৰতীয় ৰাষ্ট্ৰৰ নানা কেৰোণৰ বিষয়ে নিৰন্তৰ লিখা-মেলা কৰি নানা গালি-গঞ্জনা, অনাদৰ-অৱহেলা, সমাজৰ প্ৰভাৱশালী মহলৰ পৰা পাই আছিলোঁ। আৰু সেই সময়তো হঠকাৰী সমগ্ৰ বিপ্লৱক সমৰ্থন জনোৱা নাছিলোঁ। তাৰ পিছত আহিল অসম আন্দোলনৰ সৰ্বগ্ৰাসী ধল, তাতো কেতবোৰ অশুভ লক্ষণ দেখি মাত মাতিছিলোঁ। অসম আন্দোলনৰ মাজৰ পৰাই ওলাই আহি সংযুক্ত মুক্তি বাহিনীয়ে যেনে ধৰণৰ সামাজিক আৰু ৰাজনৈতিক প্ৰস্তুতি আৰু সংগঠনেৰে আগবাঢ়ি সামগ্ৰিক পৰিস্থিতি নিজৰ অনুকূল কৰি ল'ব লাগিছিল, সেই প্ৰয়োজনীয় সুশৃংখল পৰিশ্ৰম নকৰি কেৱল বাহুবল আৰু বাক্যবলেৰে আগবাঢ়ি তেওঁলোক নিজেই বিপৰ্যয়ৰ সন্মুখীন হ'ল আৰু অসমৰ ৰাইজকো চৰম দুৰ্দশাৰ মাজলৈ ঠেলি দিলে। যি কোনো কাণ্ডজ্ঞান থকা মানুহেই স্বীকাৰ কৰিব যে সত্তৰৰ দশকত অসমৰ অৱস্থা যদি স্বস্তিকৰ নাছিল এতিয়াৰ সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতি তাতকৈ বহু বেছি ভয়ংকৰ। কেন্দ্ৰ তথা ভাৰতীয় (আৰু অসমীয়া) শোষকশ্ৰেণীৰ স্বৈৰতন্ত্ৰী প্ৰৱণতাক সংযুক্ত মুক্তি বাহিনীৰ ভ্ৰান্ত কাৰ্যপন্থাই ক'ত বাধা দিব

পাৰিব, অধিক শক্তিশালীহে কৰিলে। সেই কথাবোৰ বৰুৱাই কঠোৰ আত্মসমালোচনাৰে উপলব্ধি কৰিলেই মংগল। সি যি নহওক, তেওঁলোকৰ দেশপ্ৰেমৰ আৱেগেই সংযুক্ত মুক্তি বাহিনীৰ গৰিষ্ঠ সংখ্যক নেতৃত্বক নতুন চিন্তাৰ প্ৰতি উদ্বুদ্ধ কৰাটো শুভ লক্ষণ। আৰু ভুল নকৰিলে অসমৰ ৰাইজে তেওঁলোকক আশীৰ্বাদ দিব।

তেওঁলোকৰ গুৰুসকলৰ পৰা সংযুক্ত মুক্তি বাহিনীৰ নেতাসকলে অসমৰ ইতিহাসৰ কেতবোৰ অপৰীক্ষিত আৰু আধা কেঁচেলুৱা ব্যাখ্যাকে বেদবাক্য বুলি গ্ৰহণ কৰিছিল। দুটামান উদাহৰণ দিয়া ভাল হ'ব। ভাৰতৰ জাতীয় কংগ্ৰেছৰ নেতৃত্বত সৰ্বভাৰতীয় গণ আন্দোলনত চামিল নোহোৱালৈকে ঔপনিবেশিক যুগত অসমৰ নেতৃত্ব আছিল ব্ৰিটিছৰ অনুগ্ৰহপ্ৰাৰ্থী, আপোচকামী, সুবিধাভোগী, মধ্যবিত্তৰ হাতত। ভাৰতৰ স্বাধীনতা আন্দোলনত যোগ দিয়াৰ পিছতহে অসমত শ্ৰমজীৱী ৰাইজে প্ৰকৃত স্বাধীনতাৰ আভাস পাইছিল আৰু সেইবাবেই কুশল কোঁৱৰ, ঠগীৰাম সুত, ৰাউতা কছাৰী, মদন নাথ, কমলা মিৰি প্ৰমুখ্য অনেকেই ভাৰত ত্যাগ আন্দোলনত প্ৰাণাহুতি দিছিল। তেনেকৈয়ে অসমে স্বাধীনতাৰ অৰ্থ উপলব্ধি কৰিছিল। পিছলৈ সমগ্ৰ ভাৰতৰে জাতীয় নেতৃত্ব বৃহৎ দেশী-বিদেশী পুঁজিৰ অনুগত হৈছিল। তাৰ ফল সমগ্ৰ ভাৰতৰ জনগণে ভোগ কৰিছে আজিও। অসমৰ প্ৰতি অৱহেলা-বঞ্চনাৰ ধাৰা আৰম্ভ হ'ল তেতিয়াই। ১৯৪৬ চনত কংগ্ৰেছৰ একাংশ নেতাই অসমক গ্ৰুপিঙৰ কবলত পেলাব ধৰোঁতে, মহাত্মা গান্ধীয়ে সবলভাৱে তাৰ বিৰুদ্ধে অসমৰ প্ৰতিৰোধক সমৰ্থন জনাইছিল। আনহাতে এই চেলুতে অসমৰ বিচ্ছিন্নতা বিচৰা নেতাসকলে কোনো জনসমৰ্থন পোৱা নাছিল। এনেবোৰ তথ্যৰ আংশিক বিৱৰণ আৰু ভ্ৰান্ত ব্যাখ্যাৰেই অসমৰ স্বাধীনতা সংগ্ৰামৰ সপক্ষে "ইতিহাস" গঢ় দিছে সংযুক্ত মুক্তি বাহিনীয়ে।

সন্মিলিত জাতীয় অভিৱৰ্তনৰ সৰ্বসন্মত উপলব্ধি আৰু সিদ্ধান্ত এয়ে যে ভাৰত ৰাষ্ট্ৰৰ বৰ্তমান ব্যৱস্থাগত ৰূপত অসমৰ মৌলিক সমস্যা তথা দাবীসমূহ পূৰণ নহ'ব। সেয়ে সুদূৰপ্ৰসাৰী সংস্কাৰৰ কথা ভবা হৈছে, যাতে অসমৰ বিভিন্ন জনগোষ্ঠীৰ সমূহ ৰাইজে মুক্তভাৱে উন্নয়নৰ সিদ্ধান্তসমূহ ল'ব পাৰিব,

নিজৰ জাতীয় অস্তিত্ব সুৰক্ষিত কৰিব পাৰিব। অথচ ভাৰতীয় জনগণৰ বিৰুদ্ধে অন্ধ আক্ৰোশৰ উদ্‌গীৰণৰো অৱকাশ নাথাকিব।

সেয়ে শ্ৰীমান বৰুৱাক কথাবোৰ নিৰ্মোহভাৱে পুনৰ্বিবেচনা কৰিবলৈ আহ্বান জনালো। ৰং ঘৰৰ বাকৰিত অলপতে এজন কলেজ-অধ্যক্ষই কোৱা দৰে "গগৈ চৰকাৰ আমাৰে চৰকাৰ" বুলি তেওঁ মানি লোৱাৰ প্ৰয়োজন নাই, কিন্তু সেই কলেজ অধ্যক্ষজনে যেতিয়া কয় যে সন্মিলিত জাতীয় অভিৱৰ্তন প্ৰকৃতাৰ্থত জাতিৰ আৱেগ-অনুভূতিৰ সন্মিলিত আৰু নিভাঁজ প্ৰকাশ, তেওঁ মন দি শুনা ভাল হ'ব।

(১২/৫/১০)

অসমৰ জাতীয় মুক্তি সংগ্ৰামলৈ ড° হীৰেন গোহাঁইৰ অৱদান শূন্য

জাতীয় অভিৱৰ্তন সন্দৰ্ভত আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই প্ৰকাশ ক্ৰৰা বক্তব্যক প্ৰত্যাহ্বান জনাই অভিৱৰ্তনখনৰ অন্যতম আহ্বায়ক তথা বিশিষ্ট চিন্তাবিদ ড° হীৰেন গোহাঁয়ে প্ৰকাশ কৰা 'পৰেশ বৰুৱাৰ অধীনত জীৱন উছৰ্গা কৰাৰ শপত লোৱা নাছিলোঁ' শীৰ্ষক লেখাক আজি আলফাৰ সামৰিক প্ৰধানজনে ওলোটাই প্ৰত্যাহ্বান জনাইছে। ড° গোহাঁইক সমালোচনা কৰি আলফাৰ শীৰ্ষ নেতাজনে প্ৰেৰণ কৰা বিবৃতিটোত আজি ড° গোহাঁইৰ অসমৰ সন্মিলিত জাতীয় মুক্তি সংগ্ৰামখনলৈ অৱদান শূন্য বুলি মত প্ৰকাশ কৰিছে। আলফাৰ মুখ্য সেনাধ্যক্ষজনে বিশিষ্ট চিন্তাবিদ ড° গোহাঁইৰ সমালোচনাৰ প্ৰত্যুত্তৰত কয়— 'আলফাত কোনো ব্যক্তি বিশেষৰ ওচৰত কোনোৱে শপত লোৱাৰ নীতি নাই, দলৰ লক্ষ্য-উদ্দেশ্য আৰু নীতি-আদৰ্শৰ ওচৰতহে শপত লোৱা হয়। ড° হীৰেন গোহাঁইদেৱৰ লগত মোৰ নীতি-আদৰ্শৰ পাৰ্থক্য থকাৰ বাবেই তেওঁ একেবাৰে ব্যক্তিগত পৰ্যায়লৈ গৈ মোক ৰুগ্ন কল্পনাৰ আৰু স্বয়ম্ভু পণ্ডিত বুলি আখ্যায়িত কৰিছে। তাত মোৰ ক'বলগা একো নাই। বিশ্বৰ বহু বিজ্ঞ লোকে কয়— আনক হীন বুলি ভবাজনেই প্ৰকৃততে হীন। মান্যবৰ ড° হীৰেন গোহাঁইদেৱক পুনৰবাৰ ক'ব বিচাৰো যে আলফাই অসমৰ কোনো বুদ্ধিজীৱীৰ ওচৰত 'সাৰ্বভৌম স্বাধীন অসম'ৰ হৈ মাত মতাৰ বাবে কাহানিও সহায় ভিক্ষা কৰা নাই বুলিহে মই উল্লেখ কৰিছিলোঁ। আমাৰ দলৰ সন্মানীয় উপ-সভাপতি মহাশয় আৰু প্ৰচাৰ সচিবে আপোনাৰ ওচৰলৈ সহায়ৰ ভিক্ষা খুজিবলৈ যোৱা নাছিল। অসমৰ এজন বিশিষ্ট চিন্তাবিদ আৰু অসমীয়া হিচাপে আপোনাক অসম-ভাৰত ৰাজনৈতিক সংঘাত মীমাংসাৰ স্বাৰ্থত পূৰ্বতে থমকি ৰোৱা আলোচনাৰ পথ প্ৰশস্ত কৰাৰ

বাবে আগবাঢ়ি আহিবলৈ অনুৰোধহে কৰিছিল। সেইটোক যদি আপুনি ভিক্ষা খোজা বুলি ভাবি লয় তেন্তে ভাবিবলৈ বাধ্য হ'ম অসমৰ জাতীয় মুক্তি সংগ্ৰামখনক আপুনি কি মূল্যৰে মূল্যাংকন কৰে। সাৰ্বভৌমত্ব সন্দৰ্ভত আপোনাক জ্ঞান দিয়াৰ ধৃষ্টতা আমাৰ নাই। মোৰ পূৰ্বৰ বিবৃতিটোত তেনে কোনো ইংগিত নাছিল (প্ৰয়োজনত আপুনি আকৌ এবাৰ চকু ফুৰাব পাৰে)। মই মাথোঁ ক'ব বিচাৰিছিলো আৰু এতিয়াও ক'ব বিচাৰো যে সঠিকভাৱে জনাৰ পিচতো জনগণৰ ওচৰত অসমৰ বুদ্ধিজীৱী মহলে সাৰ্বভৌমত্বৰ বিষয়টোক ব্যাখ্যা নকৰি সদায়ে জটিলকৈ উপস্থাপন কৰি আহিছে। সাৰ্বভৌমত্বৰ সংজ্ঞা আপুনি বা মই আৱিষ্কাৰ কৰা নাই। আন দহজনৰ দৰে আপুনিও কিতাপত পঢ়িছে, ময়ো। গতিকে তাকে লৈ এজনে আনজনক জ্ঞান দিবলগা আছে বুলি ভবাৰ থ'ল নাই। সকলো বিষয় আপুনি কিয় নিজৰ গালৈ টানি নি মোক অগণতান্ত্ৰিক মানসিকতাৰ লোক বুলি গুৱাল-গালি পাৰিছে বোধগম্য নহয়। আপোনাক কিবা সুধিবলগা থাকিলে বাতৰি কাকতৰ যোগেদি পোনপটীয়াকৈ সোধাৰ নৈতিক সাহস মোৰ আছে, পূৰ্বতে মই সেইভাৱেই মতামত বিনিময় কৰি আহিছোঁ।' ড° গোহাঁয়ে সময়ৰ সোঁতত নিজৰ নীতি সলনি কৰি অহা বুলি মত প্ৰকাশ কৰি পৰেশ বৰুৱাই বিবৃতিটোত সকলে কয়— 'আপোনাৰ শেহতীয়া মন্তব্যৰ পৰা এজন অহংকাৰী লোকৰ প্ৰতিচ্ছবিহে ফুটি উঠিছে। তাক কল্পনা কৰিবলৈও অসুবিধা হয়। মই এজন স্বয়ম্ভু পণ্ডিত, অগণতান্ত্ৰিক মানসিকতা, মানসিক ৰোগী যিয়েই নহওঁ কিয় তাক সময়ে বিচাৰ কৰিব। কিন্তু এটা কথা গৌৰৱেৰে ক'ব পাৰো যে মই আদৰ্শৰ সৈতে কাহানিও আপোচ কৰা নাই, অসমৰ খিলঞ্জীয়া জনগণক কেতিয়াও প্ৰতাৰণা কৰা নাই। এক লক্ষ্য-উদ্দেশ্য, নীতি-আদৰ্শৰে মই নানা প্ৰতিকূল পৰিৱেশতো জীৱন অতিবাহিত কৰিছোঁ। কিন্তু অলেখ সুযোগ-সুবিধাৰ, জ্ঞানৰ পোহৰ পোৱাৰ পিচতো আপুনি নিজৰ নীতিত অবিচলিত হৈ থাকিব পৰা নাই। সময়ৰ সৈতে সলনি হৈছে আপোনাৰ চিন্তাধাৰা। পূৰ্বতে আপুনি সাম্যবাদী দৰ্শনত ইমানেই গভীৰভাৱে বিশ্বাসী আছিল যে ছোভিয়েট ৰাছিয়া অমৰ বুলি ভাবিছিল। কিন্তু আপোনাৰ সেই বিশ্বাস নিটিকিল। তথাপি পৰৱৰ্তী কিছুদিনলৈ আপোনাৰ চিন্তা-চৰ্চাত সাম্যবাদী দৰ্শনৰ ছায়া জনগণে দেখিবলৈ পাইছিল। কিন্তু, শেহতীয়াকৈ বাতৰি কাকতসমূহত আপুনি

নেতাসকল কাৰাগাৰাতে বন্দী হৈ আছে। ভাগ ভাগ কৰি শাসন কৰাটো ভাৰতীয় ৰাষ্ট্ৰ ব্যৱস্থাৰেই অংশ। মই কেৱল আশা কৰো, হীৰেন গোহাঁইৰ দৰে কোনো ব্যক্তি যাতে কোনো উপকৰণত পৰিণত নহয়। যদি তেনেকুৱাই কিবা এটা ঘটে, তেনেহ'লে মই মহাকবি শ্বেক্সপীয়েৰৰ এইষাৰ বাক্যই স্মৰণ কৰিম— 'What a fall, my countrymen.'

অসমীয়া প্ৰতিদিন, ২৭ চেপ্তেম্বৰ, ২০১০

(লেখক বি বি চিৰ ইষ্টাৰ্ন ইণ্ডিয়াৰ প্ৰতিনিধি)

বিভাজন চৰমপন্থায়ো ঘটাব পাৰে

(সুবীৰ ভৌমিকৰ ২৭ চেপ্টেম্বৰ, ২০১০ৰ নিবন্ধৰ উত্তৰ)

শ্ৰীসুবীৰ ভৌমিকে sanhati.com নামৰ ৱেবছাইটত মই কি সাক্ষাৎকাৰ দিয়াৰ কথা কৈছে, মই নাজানো। তাত মই এবছৰ কোনো সাক্ষাৎকাৰ দিয়া নাই। খুব সম্ভৱ অসমত বামপন্থী আন্দোলনৰ বিপৰ্যয় সম্পৰ্কে মই মালিগাঁৱৰ 'একা এবং কয়েকজন' নামৰ এখন আলোচনীক দিয়া সাক্ষাৎকাৰ sanhati.comত পুনৰ্মুদ্ৰিত হৈছে। তাত আন কথাৰ লগতে এপিনে অসম আন্দোলনে অসমৰ জনগণৰ অৱদমিত ক্ষোভ আৰু বঞ্চনাবোধক ভয়ংকৰ ফেচিবাদী ৰূপ দিয়াৰ বিষয়ে কোৱা হৈছিল, আনপিনে তাৰ মূল্যায়নত বামপন্থী শিবিৰে দুৰ্ভাগ্যজনক ভুল কৰিছিল বুলিও আঙুলিয়াই দিয়া হৈছিল। এই contextৰ বা পৰিপ্ৰেক্ষিতৰ পৰা আঁতৰাই আনিলে মোৰ মন্তব্যৰ অপব্যাখ্যা হয়।

মই ভাবোঁ যে থলুৱা বুনিয়াদী শ্ৰমজীৱী ৰাইজৰ স্বাৰ্থ আওকাণ কৰি মধ্যবিত্তৰ স্বাৰ্থক প্ৰাধান্য দিয়া সকলো গণ আন্দোলনে ফেচিবাদীৰ ৰূপ লোৱাৰ আশংকা থাকে। এখন টুৰ্নামেণ্টত বিজয়ী দলৰ হাতৰ পৰা কাঢ়ি লৈ ট্ৰফী বিজিত দলৰ হাতত অৰ্পণ কৰাৰ অশোভনীয় ঘটনা ঘটিছিল ফেচিবাদী গণ উন্মাদনাৰ ফলত— যাৰ পৰিৱেষ পৰিকল্পিতভাৱে সৃষ্টি কৰা হৈছিল। থলুৱা বুনিয়াদী জনগণৰ আশা-আকাংক্ষা বঙালী বিদ্বেষৰ মাজেৰে পূৰণ নহয়।

তেওঁ কৈছে যে প্ৰকাশ কাৰাট বা বিমান বসুৰ লগত অসমৰ লোকৰ অস্তিত্ব ৰক্ষাৰ প্ৰশ্নত মোৰ কোনো দ্বিমত নাই, মোৰ মত সমানেই যান্ত্ৰিক। কেনেকৈ হ'ব? আলফাৰ জন্মৰ দহ বছৰ পূৰ্বেই অম্বিকাগিৰিক কেৱল 'বাঙাল

খেদা' আন্দোলনৰ নায়ক বুলি চিনাক্ত কৰাৰ অভ্যস্ত বামপন্থী প্ৰৱণতাৰ বিৰুদ্ধে আৰু এটা অৱদমিত জাতিৰ ন্যায্য দাবীৰ প্ৰতিভূ হিচাপে অম্বিকাগিৰিৰ মূল্যায়ন কৰি মই তেতিয়াৰ ধীমান বামপন্থী নেতা অচিন্ত্য ভট্টাচাৰ্যৰ লগত বিতৰ্কত লিপ্ত হৈছিলোঁ। (**সাহিত্যৰ সত্য**, ১৯৭০, গুৱাহাটী, চাওক) কিন্তু সেই অস্তিত্ব ৰক্ষাৰ আন্দোলন যেতিয়া কাকতে পত্ৰই উৎকট সাম্যবাদ বিৰোধিতাত পৰিণত হ'ল, ট্ৰে'ড ইউনিয়নৰ পৰা যেতিয়া আন সকলো আদৰ্শ উৎখাত কৰি কেৱল মধ্যবিত্তসুলভ জাতীয়তাবাদ আৰু উগ্ৰ জাতীয়তাবাদকহে স্বীকৃতি দিবলৈ জবৰদস্তি কৰিলে, সংঘৰ্ষৰ দ্বাৰা বিদেশী বিতাড়নৰ (যাৰ মৰ্মান্তিক উদাহৰণ নেলীৰ লজ্জাকৰ নৰমেধ) আয়োজন কৰা হ'ল, আন্দোলনৰ পৰা নীতিগত কাৰণত আঁতৰি থকা লোক মাত্ৰকে হত্যা কৰা হ'ল, তেতিয়া অস্তিত্বৰক্ষাৰ উৎকণ্ঠাই ফেচিবাদীৰ ৰূপ লৈছিল বুলিলে কি ভুল কৰা হ'ব? কিন্তু এনে ফেচিবাদী ৰূপ গ্ৰহণ কৰিলে তাৰ অভ্যন্তৰত থকা ন্যায়সংগত উৎকণ্ঠা, আকাংক্ষা আৰু ক্ষোভক নস্যাৎ কৰি দিব নোৱাৰে।

এই কথাখিনি অশোক মিত্ৰক জনাওঁতে ১৯৮২ চনত তেওঁ লিখিত ৰূপত বিচাৰিলে আৰু মোক নজনোৱাকৈ বামপন্থী Social Scientist পত্ৰিকাত ছপাই দিলে। পত্ৰিকাৰ সেই সংখ্যাত মাৰৰ চোটত মই মত পৰিৱৰ্তন কৰা বুলিও ইংগিত দিলে জনৈক ভদ্ৰলোকে। কিন্তু গোঁৱাৰামি আদৰ্শবাদৰ ভাল প্ৰমাণ নহয়। ১৯৮৩ চনত মই নিৰ্বাচন বৰ্জন কৰিবলৈ চি পি এমৰ দলীয় নেতৃত্বক অনুৰোধ কৰিছিলো আৰু নেতৃত্বই অৱজ্ঞাৰে মোৰ পৰামৰ্শ অগ্ৰাহ্য কৰিছিল। ফলত অসমত থন ধৰি উঠা চি পি এমৰ সংগঠন গাঁৱে-ভূঞে বিধ্বস্ত হ'ল, আন্তৰিকতা সম্পন্ন, নিষ্ঠাৱান কৰ্মী হয় বিতাড়িত, নহয় নৃশংসভাৱে নিহত হৈছিল। তথাপি ১৯৮৪ চনতো মই তেতিয়াৰ জনপ্ৰিয় আলোচনী Sundayত অসমীয়াৰ ন্যায়সংগত জাতীয় ক্ষোভ আৰু যন্ত্ৰণাৰ ব্যাখ্যা আগবঢ়াই বাহিৰৰ পাঠকক আন্দোলনটো ভালদৰে বুজিবলৈ আহ্বান দিছিলোঁ।

ইয়াৰ উত্তৰত ভৌমিকে পশ্চিমবংগ, চীন আদি ক্ষেত্ৰত বামপন্থীয়ে চলোৱা নিপীড়নৰ উল্লেখ কৰিছে। মোৰ ৰচনাৰ লগত তেওঁ সমূলি পৰিচিত নহয়। সাংস্কৃতিক বিপ্লৱৰ ভৰপকৰ সময়তে চীনৰ সাধাৰণ নীতিৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰিও উক্ত বিপ্লৱক মই হঠকাৰী বুলি গৰিহণা দিছিলোঁ।

(সাহিত্য আৰু চেতনা, ১৯৭৬)। 'নতুন পদাতিক'ত প্ৰকাশিত আন এলানি আলোচনাতো সম্প্ৰতি সাংস্কৃতিক বিপ্লৱক পুনৰ সমৰ্থন কৰা অতিবাম তাত্ত্বিকসকলৰ লগত মই মোৰ দ্বিমত প্ৰকাশ কৰিছোঁ। নন্দীগ্ৰাম আৰু ছিংগুৰৰ ঘটনাত চি পি এমৰ ভূমিকাৰ মই লগে লগে নিন্দা কৰিছোঁ বাতৰি কাকতৰ স্তম্ভ আৰু আলোচনীৰ প্ৰবন্ধত। বামপন্থীৰ চিন্তাৰ জড়তাই যে দলটোক মাজে মাজে বিপৰ্যয়ৰ মাজলৈ টানি লৈ গৈছে, সেই কথা মই বহুবাৰ বহু ঠাইত কৈছোঁ। আলফাৰ বিষয়ে আলোচনালৈ এই কথবোৰ টানি আনি তেওঁ মোৰ বিৰুদ্ধে ডালপাত জোৰা দিয়া এটা মোকৰ্দমা সজাইছে, কিন্তু ৰাইজৰ ন্যায়ালয়ৰ দায়িত্বশীল বিচাৰে তাক নাকচ কৰিব।

"চৰমপন্থীসকলক আলোচনাৰ বাহিৰত ৰখাৰ বিপদ" সম্পৰ্কে তেওঁ যিবোৰ কথা কৈছে, সেইবোৰ বৰ প্ৰাসংগিক নহয়। প্ৰথমতে 'চৰমপন্থী' বুলি তেওঁ নিজেই অভিহিত কৰা নেতাসকলক আলোচনাৰ ভিতৰত বা বাহিৰত ৰখাৰ অধিকাৰ আমাৰ নাই। সেই সিদ্ধান্ত সংযুক্ত মুক্তি বাহিনীৰ কেন্দ্ৰীয় সমিতিয়েহে ল'ব পাৰিব। কিন্তু 'চৰমপন্থী'বিলাকে নিজেই প্ৰথমৰে পৰা সুবীৰ ভৌমিকৰ সুৰতে আমাক আক্ৰমণ কৰি আছে, আৰু আমাক বিশ্বাসঘাটক বা প্ৰকাৰান্তৰে দেশদ্ৰোহী সজাবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। তেওঁলোকৰ কথা হৈছে এয়ে যে অসমৰ সাৰ্বভৌমত্বকে আলোচনাৰ মূল বিষয় কৰিব লাগে। এই কথাও স্পষ্ট যে তেনেধৰণৰ অৱস্থান ল'লে কেন্দ্ৰীয় চৰকাৰৰ গৃহ দপ্তৰকে ধৰি সন্মানজনক আলোচনাৰ বিৰোধী শিবিৰবোৰে আলোচনা নাকচ কৰিবলৈ জোৰ দিয়াৰ সুযোগ পাব। আমি সেয়ে চৰ্তহীন আলোচনাৰ কথা কৈছো আৰু প্ৰস্তাৱসমূহৰ প্ৰস্তাৱনাত সাৰ্বভৌমত্বৰ দাবীৰ পটভূমি দাঙি ধৰিছোঁ। অৰ্থাৎ সাৰ্বভৌমত্বৰ বিষয়ে আলোচনা হ'ব নালাগে বুলি আমি কোৱা নাই। কিন্তু 'চৰমপন্থী'সকলে আমাৰ এই গণতান্ত্ৰিক মনোভাবক অৱহেলা কৰি আমাৰ বিৰুদ্ধে তীব্ৰ আক্ৰমণ চলাই আছে।

বহুসংখ্যক সেনা নায়কে অলপতে আলোচনাৰ সপক্ষে মতপ্ৰকাশ কৰি শিবিৰলৈ অহা বাবে ক্ষুব্ধ আৰু হতাশ হৈ পৰেশ বৰুৱাই পোনতে যি বিবৃতি দিছিল, তেওঁ তাৰ শেষৰ ফালে স্পষ্টকৈ কৈছিল যে ঔপনিৱেশিক ভাৰত চৰকাৰৰ লগত আমাৰ মধ্যস্থতাত হোৱা আলোচনাই যদি কিবা শুভ ফল

আনিব পাৰে, তেনেহ'লে তেওঁ তাক সমৰ্থন কৰিব। আমি এনেধৰণৰ মনোভাবেই তেওঁৰ পৰা বিচাৰিছিলোঁ। পিছত অৱশ্যে তেওঁ পুনৰ 'চৰমপন্থী' বাটলৈ উভতি গ'ল।

সি যি নহওক, 'চৰমপন্থী'সকল আলোচনাৰ বাবে কিমান দূৰ অপৰিহাৰ্য সেই কথা পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে। নাগাসকলৰ অভিজ্ঞতাৰ পৰা সাধাৰণীকৰণ কৰা টান। 'চৰমপন্থী'ক মাত্ৰাধিক গুৰুত্ব দি আলোচনাপন্থীক অৱহেলা কৰাও সুবুদ্ধিৰ কাম নহ'ব। শ্ৰীলংকাৰ ক্ষেত্ৰত 'আলোচনাপন্থী'সকলহে আচলতে সঠিক পথৰ অনুগামী আছিল। সকলো সংগ্ৰামতে কিছুমান চৰমপন্থী থাকে, যি- কোনো ধৰণৰ মীমাংসাতে সুখী নহয়। সেইসকলক তুষ্ট কৰিবলৈ বৃহত্তৰ জনগণৰ স্বাৰ্থ বিঘ্নিত হ'বলৈ দিয়া বৰ সমীচীন নহয়।

ইয়াৰ পিছত তেওঁ কেৱল মোক ব্যক্তিগতভাৱে আক্ৰমণ কৰিছে আৰু সেইবোৰে সাধাৰণ শালীনতাৰ সীমা চেৰাই গৈছে। 'ৰাষ্ট্ৰীয় সংবাদ মাধ্যমে অসমৰ ৰাইজৰ ন্যায্যদাবীক আওকাণ কৰাৰ অভিযোগ বেছ পুৰণি আৰু সেই অভিযোগ কেৱল মোৰ নহয়। দিল্লীত সঁজাতী দলৰ বাকীসকলক কথা ক'বলৈ নিদিয়াৰ অভিযোগ ভিত্তিহীন। সকলো ঠাইতে কেৱল মোকেই মুখপাত্ৰ ৰূপে কথা ক'বলৈ দিয়া হ'ব বুলি দিয়া সঁজাতী দলৰ আন সদস্যসকলেই সৰ্বসন্মত সিদ্ধান্ত লৈছিল। চৰকাৰৰ মুৰব্বীসকলক আৰু বিশিষ্ট ৰাজনৈতিক নেতাসকলক লগ ধৰাৰ সময়ত বাকী সকলেও আলোচনাত অংশগ্ৰহণ কৰিছিল। মোৰ যোগ্যতাৰ অভাৱৰ বাবে দিল্লীৰ ৰাষ্ট্ৰীয় মাধ্যমে আমাৰ সংবাদ মেলৰ খবৰ প্ৰকাশ নকৰা নহয়। পূৰ্বেও লগত শৰৎ সিংহ, পাচুগোপাল বৰুৱা, দুলাল বৰুৱা, প্ৰফুল্ল প্ৰমুখ্যে মহন্ত সঁজাতী দল এটাৰ সদস্য হিচাপে অসমত সেনাৰ আতিশয্যাৰ বিৰুদ্ধে মোৰ লগত দিল্লীলৈ গৈছিল। তেখেতসকলৰ অংশগ্ৰহণ সত্ত্বেও আমাৰ সংবাদ মেলৰ কোনো খবৰ পিছদিনা দিল্লীৰ অধিকাংশ প্ৰধান বাতৰি কাকতে প্ৰকাশ নকৰিলে। লাচিত বৰদলৈয়ে মোক জনাইছে যে পি চি জিৰ বক্তব্যও একেধৰণে অৱহেলিত হৈছিল। অৰ্থাৎ দিল্লীৰ প্ৰভাৱশালী মাধ্যমসমূহে সেনা-চি আৰ পিৰ দয়াত অসমত পূৰ্ণ শান্তি বিৰাজ কৰিছে, অব্যাহত উন্নয়ন হৈছে, তেনেধৰণৰ খবৰহে ছপাব খোজে। গণেশগুৰিৰ বোমা বিস্ফোৰণ আলফাই ঘটোৱা বুলি মোক ক'বলৈ আৰু

গৰিহণা দিবলৈ দিল্লীৰ এখন বহু প্ৰচাৰিত ইংৰাজী দৈনিকৰ সম্পাদকীয় মেজৰ লোকে মোক জোৰ কৰিছিল। মই মান্তি নোহোৱাত পিছদিনা মোৰ বক্তব্যৰ সাৰ কথাখিনি কাটিকুটি অতি মামুলি বাক্য এটাহে তুলি ধৰিছিল। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ হৈ ভৌমিকে ওকালতি কৰিলেও আমাৰ মানুহে আচল কথা কি, ঠিকেই বুজি পায়।

মধ্যস্থতাকাৰী হিচাপে মোৰ ভূমিকাক তেওঁ নিন্দা কৰিছে। সেই অৰ্থত মধ্যস্থতাকাৰী হ'বলৈ আমাৰ আহ্বায়ক মণ্ডলী তথা দিক্‌নিৰ্ণায়ক সমিতিৰ কোনো সাজু নহয়। আমি কেৱল আলোচনা কৰিবলৈ ইচ্ছুক নেতাসকলৰ লগত চৰকাৰৰ আলোচনা অনুষ্ঠিত কৰাবলৈ চেষ্টা কৰি আছোঁ। জুই আৰু পানীৰ মাজত মিলন সূত্ৰ উদ্ভাৱন কৰিবলৈ প্ৰাণপণ কৰা নাই।

পৰৱৰ্তী প্ৰজন্ম সম্পৰ্কে মই কি কৈছোঁ, কি ভাবিছোঁ, এই প্ৰসংগত সেইটো একেবাৰে অবান্তৰ। তথাপি আমাৰ পিচতো যাতে সমাজৰ ৰূপান্তৰৰ আদৰ্শ টিকি থাকে, সেই চেষ্টাকে লিখা-মেলাৰ যোগেদি মই কৰি আছোঁ। তেওঁ অখিল গগৈৰ কথা টানি আনিছে। আৰু অখিলেই ৰাজহুৱা মঞ্চত থিয় হৈ তেওঁক মই কিদৰে প্ৰেৰণা আৰু পৰামৰ্শ যোগাইছো মুক্ত কণ্ঠে কয়। (যেনে, ২০০৯ চনৰ গ্ৰন্থমেলাত) অখিল গগৈয়ো একেজাঁপে এই অৱস্থানলৈ অহা নাই, ভৌমিকে বুজা উচিত। আনহাতে তেওঁ এতিয়া একো ভুল কৰা নাই, ভৱিষ্যতেও কৰিব নোৱাৰে, আমি তেওঁক এনে তোষামোদ কৰাৰ প্ৰয়োজন দেখা নাই।

আৰু ধন? তেওঁ ভাবিছে নেকি লাখ লাখ টকা খৰচ কৰিছোঁ বুলি? অসমত আলোচনাৰ সপক্ষে পৰিৱেশ সৃষ্টি কৰিবলৈ দান-বৰঙণি দিব খোজা যথেষ্ট সম্পন্ন মানুহ আছে। সকলোৱে প্ৰচাৰ নিবিচাৰে। পি চি জিৰ পইচানো ক'ৰ পৰা আহিছিল। তেওঁলোক নিকা আৰু আমি বিকা নেকি? এইবোৰ ফাংফুং কথাৰে তেওঁ আমাক উৰাই দিব নোৱাৰে। যি নহওক, অসমীয়া জাতিৰ দুৰ্দশাত ভৌমিকৰ প্ৰাণে হুৰাওৰাওকৈ কন্দা দেখি আমি অভিভূত হৈছো আৰু আমি তেওঁৰ শলাগ লৈছোঁ।

গৃহদপ্তৰৰ অনিৰ্দিষ্ট স্থিতি*

(ফেক্সযোগে পঠোৱা পত্ৰ)

প্ৰতি

শ্ৰী পি, চিদাম্বৰম

ভাৰতৰ গৃহমন্ত্ৰী

নৰ্থ ব্লক, নতুন দিল্লী

বিষয় ঃ গৃহমন্ত্ৰীৰ বক্তব্য ৰূপে প্ৰকাশিত বাতৰিৰ স্পষ্টীকৰণৰ অনুৰোধ।

মহাশয়,

চৰকাৰ আৰু সংযুক্ত মুক্তি বাহিনী, অসমৰ মাজত আলোচনা পুনৰুজ্জীৱিত কৰাৰ উদ্দেশ্যে গঠন হোৱা সন্মিলিত জাতীয় অভিবৰ্তনৰ তৰফৰ পৰা আপোনাৰ মন্ত্ৰণালয়ৰ সভা-কক্ষত যোৱা ২০১০ চনৰ ২২ মে'ই তাৰিখে অভিবৰ্তনৰ সঁজাতী দলৰ লগত আপোনাৰ আলাপ আপোনাক স্মৰণ কৰাব খোজোঁ।

সেই আলাপৰ সময়ত সংযুক্ত মুক্তি বাহিনী আৰু চৰকাৰৰ মাজত আলোচনাৰ প্ৰক্ৰিয়া বিলম্বিত হোৱাৰ বিশদ ব্যাখ্যা আপুনি দাঙি ধৰিছিল। এই ক্ষেত্ৰত দেখা যোৱা আইনগত আৰু প্ৰশাসনীয় অসুবিধাসমূহ আঙুলিয়াই দি উঠিও আপুনি আশ্বাস দিছিল যে আপুনি আলোচনাৰ পক্ষত আছে, আৰু কৈছিল যে আলোচনা হ'লে সংযুক্ত মুক্তি বাহিনীৰ নেতাসকলৰ মান-মৰ্যাদা অৱনমিত কৰা নহ'ব।

কিন্তু সম্প্ৰতি "আসাম ট্ৰিবিউন" কাকতৰ দিল্লীস্থ সংবাদদাতাই

জনাইছে যে জুন মাহৰ শেষৰ পিনে আপুনি সংবাদ মাধ্যমক দিয়া গৃহদপ্তৰৰ মাহেকীয়া বিজ্ঞপ্তিত আপুনি হেনো কৈছে যে কাৰাবন্দী নেতাসকলক মুক্তি দিয়াৰ কোনো প্ৰশ্ন নুঠে আৰু "কাৰাগাৰৰ ভিতৰতে আলোচনা হ'ব পাৰে।" এই বিজ্ঞপ্তিয়ে ইয়াত উৎকণ্ঠা আৰু বিস্ময় উদ্ৰেক কৰিছে, কিয়নো আমাৰ আগত আপুনি দিয়া নেতাসকলৰ লগত সন্মানেৰে ব্যৱহাৰ কৰাৰ আশ্বাসৰ কোনো সংগতি নাই।

আপোনাৰ সন্মতিক্ৰমে পুনৰ জনাব খোজোঁ যে আইনগত প্ৰক্ৰিয়াসমূহ স্থগিত ৰাখি কাৰাবন্দী নেতাসকলক মুক্ত কৰি দিয়াৰ সংগত কাৰণ আছে। সংগঠনটোৰ সামৰিক সৰ্বাধিনায়ক পৰেশ বৰুৱাই দাবী কৰিছে যে যেতিয়া সংগঠনৰ কোনো বিষয়ববীয়া গ্ৰেপ্তাৰ হয় তেওঁ লগে লগে সংগঠনত তেওঁৰ বিষয়বাব হেৰুৱায়। মুক্ত নোহোৱা পৰ্য্যন্ত তেওঁৰ সংগঠনত কোনো দায়িত্ব বা ক্ষমতা নাথাকে। কাৰাৰুদ্ধ নেতাসকলে সেয়ে ভাবে যে যদি তেওঁলোকে কাৰাগাৰৰ বাহিৰত মুক্ত পৰিৱেশত কেন্দ্ৰীয় কমিটিৰ বৈঠক পাতিব পাৰে, তেতিয়া তেওঁলোকে সংগঠনৰ আন সদস্য আৰু নেতাৰ সহযোগত সমিতিৰ সৰহসংখ্যাক সদস্যৰ সমৰ্থন লৈ আলোচনাৰ সপক্ষে আনুষ্ঠানিক প্ৰস্তাৱ ল'ব পাৰিব। অন্যথাই কাৰাগাৰৰ ভিতৰত চৰকাৰৰ প্ৰতিনিধিৰ লগত তেওঁলোকে যিহকে আলোচনা নকৰক, সাধাৰণ সদস্যৰ বাবে তাৰ কোনো বিশ্বাসযোগ্যতা তথা গ্ৰহণযোগ্যতা নাথাকিব।

আইনসন্মত প্ৰথাৰে নেতাসকলক মুক্ত কৰি দিয়াৰ সপক্ষে যিবোৰ সবল যুক্তি আছে, সেইবোৰ বিবেচনা কৰি আপুনি আমাক জনালে সুখী হ'ম যে সংবাদদাতাই আপোনাৰ মতামতৰ ভ্ৰান্ত ৰূপ দাঙি ধৰিছে। অৱশ্যে চৰকাৰৰ দূতৰ লগত কাৰাগাৰৰ ভিতৰত ফলপ্ৰসূ প্ৰাথমিক মত-বিনিময় হোৱা সম্ভৱ, কিন্তু সেইটোক "কাৰাগাৰৰ ভিতৰত আলোচনা" বুলি অভিহিত কৰিব নোৱাৰি। কিন্তু আমাৰ একাংশ সংবাদদাতা আৰু মাননীয় মুখ্যমন্ত্ৰীয়ে এই খবৰ আক্ষৰিক অৰ্থতে গ্ৰহণ কৰিছে আৰু মুখ্যমন্ত্ৰীয়ে এতিয়াও মুক্ত হৈ থকা নেতাসকলক কাৰাগাৰলৈ আহি আলোচনাত অংশ গ্ৰহণ কৰাত সহায় কৰিব

বুলি তেওঁলোকক আহিবলৈ আহ্বান দিছে। ই আমাক হতভম্ব কৰিছে আৰু স্বাভাৱিক আনুষ্ঠানিক আলোচনাৰ জৰিয়তে শান্তি আৰু সুস্থিৰতা বিচৰা সৰ্বসাধাৰণ ৰাইজক ক্ষুব্ধ কৰিছে।

মোৰ ঠিকনাত আপোনাৰ স্পষ্টীকৰণ ই-মেইল যোগে পঠাব বুলি আশাৰে অপেক্ষা কৰিলোঁ। ইতি—

আপোনাৰ বিশ্বাসী

৬ জুলাই, গুৱাহাটী

ডঃ হীৰেন গোহাঁই
(সন্মিলিত জাতীয় অভিবৰ্তনৰ মুখ্য আহ্বায়ক)
email<hiren.gohain@gmail.com>

* (এনে পত্ৰ দুখনো পঠোৱা হ'ল। এতিয়ালৈকে উত্তৰ অহা নাই)

উত্তৰ-পূৰ্বাঞ্চল আৰু ভাৰতীয় গণতন্ত্ৰৰ সংকট
(একৈশ বছৰৰ আগতে প্ৰকাশিত এক নিবন্ধ)

বিভিন্ন সম্প্ৰদায় আৰু সংস্কৃতিৰ লীলাভূমি হিচাপে দীৰ্ঘদিন ধৰি অসম ভাৰতৰ প্ৰতিভূৰূপে জনাজাত। জঙ্গী নৃগোষ্ঠীয় আন্দোলন আৰু উপজাতীয় উত্থানে অঞ্চলটোৰ জনসাধাৰণৰ মাজত থকা ঐক্যৰ শীৰ্ণ ভেটিটো থানবান কৰাৰ উপক্ৰম হোৱাত সম্প্ৰতি অঞ্চলটো সংঘাত জৰ্জৰ ভাৰতবৰ্ষৰো প্ৰতিভূ হৈ পৰিছে। সেই উত্থান আৰু সংঘৰ্ষবোৰ কেৱল এটা ৰাজনৈতিক ঐক্যমতৰ পতনৰ ফল নহয়, বৰং সেইবোৰ হৈছে আমাৰ দেশৰ অৰ্থনীতিত দেখা দিয়া ঘোৰতৰ সংকট আৰু ভাৰতীয় ৰাষ্ট্ৰ আৰু ইয়াৰ আদৰ্শগত ভেটি সম্পৰ্কে দেখা দিয়া সম্পূৰ্ণ বিভ্ৰান্তি, আৰু অনিশ্চয়তাৰ বহিৰ্প্ৰকাশ। উন্নয়নমূলক কাম-কাজৰ উদ্যোগৰ ফলৰ পৰা বঞ্চিত হোৱা আৰু নিজৰ জীৱনক প্ৰভাৱিত কৰা ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণৰ পৰা তেওঁলোকক আঁতৰাই ৰখা বুলি অনুভৱ কৰা সমাজৰ বিভিন্ন অংশৰ জনসাধাৰণে সম্প্ৰতি এনে আন্দোলনবোৰৰ যোগেদি বৰ্তমানৰ প্ৰশাসনীয় ব্যৱস্থাটোৰ ওপৰত নিজৰ অনাস্থা প্ৰকাশ কৰিছে। মই নেজানো জোৰা-টাপলি মাৰি কিমান দিনলৈ তেওঁলোকক সন্তুষ্ট কৰিব পৰা যাব। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে— ভাৰতৰ এক মৌলিক পুনৰ্গঠনৰ কথাটো অতি গুৰুত্ব সহকাৰে চিন্তা কৰা। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে এই আন্দোলন সমূহ নিৰ্ভেজাল গণতান্ত্ৰিক উপাদানৰ ওপৰত প্ৰতিষ্ঠিত। এই আন্দোলনবোৰৰ বহুততে উগ্ৰ জাতীয়তাবাদী, সংকীৰ্ণতাবাদী আৰু উগ্ৰ-অসহিষ্ণুতাৰ বিপদজনক প্ৰৱণতা সমূহ বিদ্যমান। প্ৰতিষ্ঠিত ৰাজনৈতিক দলসমূহে হয় তেওঁলোকক অৱজ্ঞাৰ দৃষ্টিৰে হেয় জ্ঞান কৰিছে নহয় তেওঁলোকৰ লগত আপোচ কৰি সুবিধাবাদী নীতি লৈছে। মই মাত্ৰ এটা

ৰাজনৈতিক দলৰ কথাহে জানো যিটো ৰাজনৈতিক দলে এই আন্দোলন সমূহ গুৰুত্ব সহকাৰে বিশ্লেষণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে আৰু আন্দোলনকাৰী সকলক অন্ধ সংকীৰ্ণতা আৰু উগ্ৰ জাতীয়তাবাদী প্ৰৱণতাৰ পৰা আঁতৰাই আনি এখন উমৈহতীয়া মঞ্চত গোট খুউৱাবলৈ চেষ্টা কৰিছে।

অসম আৰু সাধাৰণভাৱে উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন নৃগোষ্ঠী সমূহৰ মাজত আত্ম-নিয়ন্ত্ৰণৰ প্ৰবল আকাঙ্ক্ষাই দেখা দিছে। তেওঁলোক উত্তেজিত হৈ পৰিছে, যুগমীয়া বান্ধোনৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে আৰু নতুনকৈ লাভ কৰা এক পৰিচয়ৰ ভিত্তিত উন্নয়নৰ বাবে তীব্ৰ বাসনা অনুভৱ কৰিছে। ইয়াৰ বেয়া ফালটোত আছে ৰাজনৈতিক আৰু অৰ্থনৈতিক ভিত্তি নথকা এটা পৃথকতাবাদী প্ৰৱণতা। সঁচা অৰ্থত সংঘীয় গাঁঠনিটো পুনৰুজ্জীৱিত কৰিলেহে এই জটিল অৱস্থাৰ সমাধান কৰিব পৰা যাব। ই জনগোষ্ঠী বা সম্প্ৰদায় সমূহৰ মাজত থকা দুৰ্ভাবনা, অবিশ্বাস আৰু অস্বাস্থ্যকৰ আক্ৰমণাত্মক প্ৰতিদ্বন্দ্বিতাৰ মনোভাব আঁতৰাই তেওঁলোকক সকলোধৰণৰ বন্ধনৰ পৰা মুক্ত কৰিব আৰু লগে লগে জোৰ-জবৰদস্তিৰে তেওঁলোকক অনুন্নত কৰি ৰখা অৱস্থাৰো উপশম ঘটিব।

বৰ্তমানৰ অবিশ্বাস, অনাস্থা আৰু আৱেগিক অৱস্থাত আমি প্ৰায়ে পাহৰি যাওঁ যে সংঘীয় পদ্ধতিৰ লক্ষ্য হ'ল পাৰস্পৰিক সহযোগিতাহে, পৃথকতাবাদ নহয়। যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ নীতি আৰু কাৰ্যসূচীৰ ক্ষেত্ৰত কিছু মিল আৰু সাযুজ্যতা থাকিবই লাগিব। বজাৰ, আধুনিক যোগাযোগ ব্যৱস্থা, নিৰাপত্তা আৰু পৰিকল্পনাই সকলো ধৰণৰ সম্পদক এঠাইত কেন্দ্ৰীভূত কৰিবলৈ বাধ্য কৰে। আৰু ই প্ৰতিযোগিতা, বিচ্ছিন্ন উদ্যোগ আৰু পৰীক্ষা-নিৰীক্ষাৰ পৰিসৰ সংকুচিত কৰি তোলে। কিন্তু চৰ্ত মাথো এটাই সেইটো হ'ল, সংঘীয় কৰ্তৃত্ব সঁচা অৰ্থত প্ৰতিনিধিত্বমূলক হ'বই লাগিব আৰু এই কৰ্তৃত্বৰ অন্তৰ্ভুক্তি হ'ব লাগিব স্বেচ্ছামূলক।

বৰ্তমানৰ অস্থিৰতাৰ মূল কাৰণ ভাৰতীয় সংবিধানৰ গুৰিতে নিহিত আছে বুলি ক'ব পাৰি। ভাৰতৰ সংবিধান প্ৰণেতা সকল আছিল সমাজৰ উচ্চস্তৰৰ লোক, সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰতিনিধি সকলো আহিছিল সংখ্যালঘু

সকলৰ আগবঢ়া শ্ৰেণীৰ পৰা। যিখন সভাই ভাৰতীয় গণতন্ত্ৰ সম্পৰ্কে আলোচনা কৰিছিল আৰু শেষত ভাৰতীয় গণতন্ত্ৰৰ ভাগ্য নিৰ্ণয় কৰিছিল সেইখন সভাত আনকি জয়প্ৰকাশ নাৰায়ণ, অচ্যুত পট্টবৰ্দ্ধন, আচাৰ্য নাৰায়ণ দেব আৰু ৰাম মনোহৰ লোহিয়াৰ দৰে মানুহেও স্থান পোৱা নাছিল। কমিউনিষ্ট সকলৰ কথা নক'লোৱেইবা। অসমৰ জনজাতীয় ৰাইজৰ স্বীকৃত নেতা ভীমবৰ দেউৰীক সুচতুৰভাৱে সংবিধান সভাৰ পৰা আঁতৰাই ৰাখি তেওঁৰ ঠাইত দিয়া হৈছিল অসমৰ কংগ্ৰেছ নেতা সকলৰ নিৰ্দেশ সততে মানি চলা অইন্ এজনক।

অৱশ্যে ভাৰতৰ সেই সময়ৰ পৰিস্থিতিয়েও স্বাধীন ভাৰতৰ সংবিধানত অতিকেন্দ্ৰিকতাৰ পোষকতা কৰাৰ ক্ষেত্ৰত সংবিধান প্ৰণেতা সকলক যথেষ্ট পৰিমাণে প্ৰভাৱিত কৰিছিল। ব্ৰিটিছ সাম্ৰাজ্যবাদী সকল আৰু দেশীয় ৰাজপৰিয়ালসমূহত থকা তেওঁলোকৰ অনুগামী সকলৰ কূটকৌশল, সাম্প্ৰদায়িক বিভীষিকাৰ ক'লা ডাৱৰ আৰু প্ৰদেশ সমূহৰ পিছপৰা আৰু জনজাতীয় লোক সকলে নিঃসহায়ভাৱে সন্মুখীন হোৱা শোষণ-নিপীড়ন আদি আছিল এই পৰিস্থিতি বোৰৰ অন্যতম। আৰু এনে পৰিস্থিতিত কেন্দ্ৰৰ দমনমূলক কৰ্তৃত্বই দেশখনক এক কৰি ৰাখিব পাৰিব বুলি তেওঁলোকে ভাবিছিল।

ইয়াৰ উপৰিও আছিল ঔপনিবেশিক সাংবিধানিকতাৰ (Constitutionalism) ঐতিহ্য; ই কেইবা দশক জুৰি শক্তিশালী কেন্দ্ৰৰ ভেটি স্থাপন কৰিছিল, আৰু ইয়াৰ ফলত আমাৰ দেশৰ ক্ষমতাশালী অংশৰ মাজত এনে মনোভাব গা কৰি উঠিছিল যে দেশৰ অৰ্থনীতি আৰু প্ৰশাসনৰ স্বাৰ্থতে শক্তিশালী কেন্দ্ৰৰ প্ৰয়োজন। ফলত অসাধাৰণ প্ৰভাৱশালী হৈ জন-সাধাৰণৰ মাজত ৰাষ্ট্ৰৰ মচনদ গঢ়ি উঠিছে। আনকি নিজৰ সতীৰ্থ সকলে 'আধুনিক মনু' বুলি তোষামোদ কৰা আম্বেদকাৰেও অস্পৃশ্য সকলৰ হৈ চলোৱা জঙ্গী আন্দোলনৰ অভিজ্ঞতা বাদ দি বৰ্ণ হিন্দু উগ্ৰবাদৰ পৰা পৰিত্ৰাণ পাবলৈ কেন্দ্ৰীয় কৰ্তৃত্বৰ ওপৰত আস্থা স্থাপন কৰিছিল।

যিহেতু প্ৰতিনিধি সকলৰ বেছিভাগেই প্ৰকৃতাৰ্থত জনসাধাৰণক

প্ৰতিনিধিত্ব কৰা নাছিল আৰু বৰ বেছি সমাজৰ ক্ষুদ্ৰ গোষ্ঠী একোটাক প্ৰতিনিধিত্ব কৰিছিল, সেয়ে ভূমিভাগৰ বাস্তৱতা সম্পৰ্কে তেওঁলোক প্ৰায় অজ্ঞ আছিল। সংবিধান সভাৰ লিপিবদ্ধ কৰা আলোচনাৰ হাজাৰ হাজাৰ পৃষ্ঠা পৰ্যবেক্ষণ কৰিলে সংবিধান প্ৰণয়নৰ গোটেই প্ৰক্ৰিয়াটোকে কিবা বিমূৰ্ত আৰু আইনী যেন লাগে। প্ৰায়ে বিদেশী আৰ্হি, পুৰণা ঔপনিবেশিক আইন আৰু গান্ধীৰ ধ্যান-ধাৰণা বোৰৰ বিষয়ে উল্লেখ কৰা হৈছিল। গান্ধীৰ ধ্যান-ধাৰণাবোৰ অৱশ্যে আম্বেদকাৰে অপ্ৰাসঙ্গিক বুলি প্ৰত্যাখান কৰিছিল। ভূমিভাগৰ বাস্তৱতা সম্পৰ্কে যে প্ৰতিনিধি সকল সজাগ নাছিল তাৰ এটা উদাহৰণ হিচাপে ক'ব পাৰি যে প্ৰতিনিধি সকলে ভাৰতৰ নৃগোষ্ঠীয় সংখ্যালঘু সকলৰ প্ৰশ্নটো বুজিবলৈ মুঠেই চেষ্টা কৰা নাছিল। তেওঁলোকৰ বহুতেই নৃগোষ্ঠীয় সংস্কৃতি আৰু ভাষা সমূহৰ বিকাশক আৱৰ্জনা বুলি জ্ঞান কৰিছিল আৰু লাহে লাহে সেইবোৰ নোহোৱা কৰিব বিচাৰিছিল। G. S. Ghurge-ৰ দৰে বহুতেই ক'ব বিচাৰিছিল যে যিহেতু প্ৰকৃততে জনজাতীয় সকলৰ পৰাই বহু হিন্দু জাতিয়ে জন্ম গ্ৰহণ কৰিছে গতিকে তেওঁলোকক বিশেষ অধিকাৰ দিয়াৰ প্ৰয়োজন নাই। তেওঁলোকৰ মতে অনুসূচিত জাতি আৰু জনজাতীয় লোক সকল হ'ল এটা প্ৰভাৱশালী আৰু পৰোপকাৰী গোষ্ঠীৰ আশ্ৰয় আৰু সুৰক্ষাত বৰ্তি থকা মানৱ প্ৰজাতি। বাস্তৱত কিন্তু অনুসূচিত জাতি আৰু জনজাতীয় লোক সকলৰ সমস্যা আছিল সম্পূৰ্ণ পৃথক।

যি বুজা যায় অনুসূচিত জনজাতিসকলক কিছুমান দূৰৱৰ্তী অঞ্চলত বাস কৰা বিশেষ সুৰক্ষা দিব লগা লোক বুলি ভবা হৈছিল। আৰু এওঁলোক সদায় পৰাশ্ৰয়ী হৈ থাকিব বুলিয়ে ধৰি লোৱা হৈছিল। কাইলৈ তেওঁলোকে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ আৰু স্বায়ত্ত শাসনৰ দাবী উত্থাপন কৰিলে উদ্ভৱ হ'ব পৰা পৰিস্থিতি সম্পৰ্কে কোনো চিন্তাই কৰা হোৱা নাছিল। স্বীকাৰ্য যে এই ক্ষেত্ৰত অসমৰ গোপীনাথ বৰদলৈয়ে কিছু দূৰদৃষ্টি দেখুৱাইছিল যদিও তেৰোঁ কিন্তু হিতাকাংক্ষী পৃষ্ঠপোষকৰ দৃষ্টিভংগীৰ পৰা উৰ্দ্ধত যাব পৰা নাছিল। সেয়েহে জনজাতীয় লোকসকলে আত্মপৰিচয়ৰ প্ৰতি সজাগ হৈ আত্মনিয়ন্ত্ৰণৰ কথা বুজিবলৈ ধৰোঁতে তেওঁলোকে সাংবিধানিক আৰু

আদৰ্শগত বাধাৰ প্ৰাচীৰৰ সন্মুখীন হ'বলগীয়া হোৱাটোত আচৰিত হ'বলগীয়া একো নাই।

এই ধৰণৰ চিন্তাৰ অন্তৰালত নিহিত আছে দুশবছৰীয়া ঔপনিবেশিক ৰাজত্বকালত দেশীয় পুঁজিৰ বাধাগ্ৰস্ত বিকাশ, অৰ্থনীতিত ইয়াৰ দাসত্বৰ মনোভাব, কৃষি-ব্যৱস্থা আৰু সম্পৰ্কৰ পৰিৱৰ্তনত অসমৰ্থতা, গোড়া বৰ্ণ আৰু বৰ্ণপ্ৰথাৰ পৰা সৃষ্টি হোৱা সামাজিক অচলাৱস্থা, সমাজ সংস্কাৰত থকা কৃত্ৰিমতা, আৰু জাতি গঠন প্ৰক্ৰিয়াত থকা বিভিন্ন বাধা। প্ৰাক্-পুঁজিবাদী সম্পৰ্ক আৰু চৰিত্ৰৰ অৱস্থিতি আৰু সাম্ৰাজ্যবাদী সকলে ইচ্ছাকৃতভাৱে সমাধান নকৰাকৈ ৰখা সমস্যাসমূহে 'আধুনিক' চিন্তাসমূহ উপৰুৱা আৰু পাশ্চাত্যাভিমুখী কৰি তুলিলে। বৰ্ণপ্ৰথা আৰু জড়োপাসনা আদিৰ ওপৰত এই "আধুনিক" চিন্তাধাৰাসমূহ বৰ্তি আছিল।

পৰিকল্পিত উন্নয়নৰ দশকবোৰত বৃহৎ বুৰ্জোৱাৰ লাভ্যাংশ আৰু ৰাজনৈতিক ক্ষমতা প্ৰভূত পৰিমাণে বৃদ্ধি পাইছে। ই গ্ৰাম্যাঞ্চলৰ কোনো কোনো ঠাইত এটা 'কুলাক' শ্ৰেণীৰ জন্ম দিছে আৰু এই শ্ৰেণীটোৱে চৰকাৰৰ ওপৰত যথেষ্ট চাপ সৃষ্টি কৰিবলৈ আৰম্ভ কৰিছে কিন্তু গ্ৰাম্যাঞ্চলৰ পূৰ্বৰ সম্পৰ্ক এতিয়াও পূৰ্ণমাত্ৰাই বিদ্যমান। ধন ধাৰলৈ দিওঁতা আৰু ভূস্বামী সকলৰ শোষণ লুণ্ঠন এতিয়াও গাঁৱৰ গৰীব খেতিয়ক আৰু মাটিহীন শ্ৰমিকৰ দুঃস্বপ্নৰ কাৰণ হৈয়ে আছে, ক্ৰীতদাস প্ৰথাৰ কথা যেনিবা নকলোৱেই। যদিও বৰ্ণ প্ৰথাত ভিতৰৰ পৰাই কিছু পৰিৱৰ্তন হৈছে আৰু অ'ত-ত'ত কিছু সালসলনি হৈছে কিন্তু প্ৰাক্ পুঁজিবাদী শোষণৰ হাতিয়াৰ হিচাপে সামাজিক আৰু মতাদৰ্শগতভাৱে ই এতিয়াও যথেষ্ট শক্তিশালী হৈ আছে। ৰাষ্ট্ৰ আৰু সাম্ৰাজ্যবাদী পুঁজিৰ সহায়ত মেট্ৰ'পলিটান বৃহৎ বুৰ্জোৱা সকলে খুব সোনকালে আধিপত্যকামী ভূমিকা গ্ৰহণ কৰিছে। ইয়াৰ এক্‌চেটিয়া অৱস্থানে বিভিন্ন আঞ্চলিক মধ্য-বিত্তৰ বুৰ্জোৱা আশা-আকাঙ্ক্ষা পূৰণৰ ক্ষেত্ৰত বাধা হিচাপে দেখা দিছে আৰু এই মধ্যবিত্ত শ্ৰেণীবোৰ প্ৰাক্-পুঁজিবাদী কাঠামোৰ সৈতে ঘনিষ্ঠভাৱে যুক্ত হৈ পৰাৰ লগতে নানা ধৰণৰ প্ৰতিক্ৰিয়াশীল কাৰ্যৰ লগত জড়িত হৈ পৰিছে। এই দিশ সমূহৰ ওপৰত নিৰ্ভৰ কৰি গঢ় লৈ উঠা

তেওঁলোকৰ আকাঙ্ক্ষাৰ জাতীয়তাবাদী আৰু উপ-জাতীয়তাবাদী অভিব্যক্তিয়ে অন্তহীন বিভ্ৰান্তিৰ সৃষ্টি কৰিছে।

অসমত এই শতিকাৰ চল্লিশ দশকৰ শেষৰ ফালে অসমীয়া মধ্যবিত্তই সৃষ্টিকৰা আধুনিক সাহিত্যত জাতীয়তাবাদী ভাৱধাৰাৰ লগতে সাম্ৰাজ্যবাদ বিৰোধী মনোভাবো প্ৰকাশ পাইছিল আৰু ই ভাৰতীয় ঐক্যৰ ধাৰণাটো সবল কৰি তুলিছিল। এই সাহিত্যত স্থানীয় মাটিৰ পৰশ থকা জাতীয়তাবাদী অথচ উদাৰ আৰু আধুনিক এক সভ্যতাৰ সপোন ৰচা হৈছিল। আধুনিক শিক্ষাৰ পৰা আহৰিত এই 'ধ্যান-ধাৰণা আৰু সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ শ্লোগানে অসমীয়া মধ্যবিত্তৰ অৰ্দ্ধ-সামন্তবাদী সম্পৰ্কবোৰ সম্প্ৰতি নিষ্প্ৰভ কৰি পেলালে। প্ৰায় আটাইবোৰ মধ্যবিত্ত পৰিয়ালৰ উপাৰ্জনৰ এটা অংশ আহিছিল অৰ্দ্ধ-সামন্তবাদী কৃষি-সম্পৰ্কৰ শোষণৰ পৰা। এই শোষণ কাৰ্যতে তেওঁলোকৰ উদ্যমৰ অন্ত পৰিছিল। গ্ৰাম্যাঞ্চলত তেওঁলোকৰ উপাৰ্জনৰ ষোল্ল-অনাই আহিছিল এই ধৰণৰ শোষণৰ পৰা। চল্লিশৰ দশকত সাম্ভাব্য ক্ষমতা হস্তান্তৰৰ প্ৰতি সজাগ হৈ এওঁলোকে ৰাজ্যিক প্ৰশাসনৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ প্ৰচেষ্টা চলাইছিল। অসমীয়া মধ্যবিত্তৰ নেতৃত্বত আছিল বৰ্ণ হিন্দু সকল; স্থানীয় সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনত আৰু অসমীয়া জাতীয়তাবাদী জাগৰণত তেওঁলোকে লোৱা নেতৃত্বকাৰী ভূমিকাই তেওঁলোকৰ অৱস্থান যথেষ্ট সুবিধাজনক কৰি তুলিছিল। মধ্যবিত্তৰ অন্যান্য অংশৰ লগত যে তেওঁলোকৰ কোনো বাদ-বিবাদ নাছিল তেনে নহয়, কিন্তু সেইবোৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱা নাছিল। অন্য নৃগোষ্ঠীয় জনসাধাৰণ আৰু বৰ্ণ প্ৰথাৰ নিম্ন পৰ্যায়ৰ লোকসকলে বৰ্ণহিন্দু সকলৰ গাঁও অঞ্চলত থকা কৃষি পামত শ্ৰমিক হিচাপে কাম কৰিছিল আৰু শিক্ষা-দীক্ষা আৰু অৰ্থনৈতিকভাৱে অতি পিছপৰা বাবে তেওঁলোকে বৰ্ণ হিন্দু সকলৰ মাজৰ পৰা তেওঁলোকৰ হৈ মাতমতা দুই এজন বিশিষ্ট নেতা ওলাইছিল যদিও তেওঁলোকে স্বাধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত এক ঐক্যবদ্ধ জঙ্গী আন্দোলন গঢ়ি তোলাৰ পৰ্যায় পোৱা নাছিল।

কিন্তু উৎপাদিকা শক্তি সমূহক নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত অসমীয়া মধ্যবিত্ত

শ্ৰেণীটো দুৰ্বল আছিল। স্বাধীনতাৰ পিচত চাহ উদ্যোগৰ ক্ষেত্ৰত ব্ৰিটিছ-পুঁজি ভাৰতীয় পুঁজিৰ লগত আপোচ কৰিব বিচৰা সময়ত চাহ উদ্যোগৰ অংশ কিনিবলৈ মাত্ৰ কেইজনমান অসমীয়াহে ওলাইছিল। উৎপাদনমুখী উদ্যোগ প্ৰতিষ্ঠাৰ প্ৰতি ই কোনো চেষ্টাই কৰা নাছিল। নিত্য ব্যৱহাৰ্য বস্তুৰ পাইকাৰী কাৰবাৰ সম্পূৰ্ণৰূপে মাৰোৱাৰী সকলৰ নিয়ন্ত্ৰণত আছিল। আনকি সৌ সিদিনালৈ ৰাজ্যিক প্ৰশাসনতো শিক্ষাগতভাৱে অধিক আগবঢ়া বঙালী সকলৰে প্ৰাধান্য আছিল।

এইবোৰ কাৰণতে অসমীয়া মধ্যবিত্তই ৰাজ্যিক প্ৰশাসনক নিজৰ নিয়ন্ত্ৰণাধীন কৰিবলৈ উদ্‌গ্ৰীৱ হৈ পৰিছিল। বঙালী মধ্যবিত্তক অসন্তুষ্ট কৰি ই অসমীয়া জাতীয়তাবাদক সাৰ পানী দি ইতিমধ্যে সঞ্জীৱিত কৰি তুলিছিল, কলিকতা মহানগৰীৰ পৰা পোৱা সা-সুবিধাৰ বাবে আৰু অসম পিচত সংযুক্ত হোৱা বাবে শিক্ষা-দীক্ষাত বঙালী সকল অসমীয়াতকৈ আগবঢ়া আছিল। বোধহয় এই স্বাৰ্থ-সংঘাতৰ বাবেই চল্লিশৰ দশকত কলিকতীয়া সংবাদ পত্ৰই অসমত বিশ্ববিদ্যালয় আৰু উচ্চন্যায়ালয় স্থাপনৰ বিৰোধিতা কৰিছিল। দুয়োটাৰ সপক্ষে অসমত জোৰদাৰ জন সমৰ্থন আছিল। অসমীয়া মধ্যবিত্তই নতুনকৈ লাভ কৰা আৰু তেতিয়াৰ নিয়ন্ত্ৰণ অনিশ্চিত হৈ থকা ৰাজ্যিক প্ৰশাসনক অসমীয়া জাতীয়তাবাদ আৰু ইয়াৰ শ্ৰেণী স্বাৰ্থ পূৰণ কৰাৰ কাৰণে ব্যৱহাৰ কৰিব বিচাৰিছিল। কৃষিৰ ক্ষেত্ৰত আধুনিক প্ৰযুক্তিবিদ্যা প্ৰয়োগত ই মুঠেই ইচ্ছুক নাছিল। উদ্যোগ আৰু ঔদ্যোগিক পাৰদৰ্শিতা বৃদ্ধিৰ বাবে ই কোনো ব্যৱস্থা কৰা নাছিল। বাগিচা অৰ্থনীতিৰ প্ৰাধান্য থকা অঞ্চলটোৰ ঔদ্যোগীকৰণৰ ক্ষেত্ৰত মেট্ৰোপলিটান বৃহৎ বুৰ্জোৱাই তেনে কোনো বিশেষ উদ্যোগ লোৱা নাছিল। সাম্ৰাজ্যবাদী শাসনৰ পৰিণতি আৰু অপৰিৱৰ্তিত অৰ্দ্ধ-সামন্ততান্ত্ৰিক সম্পৰ্কৰ প্ৰভাৱৰ ফলত অসমীয়া মধ্যবিত্ত খুব বেছি পৰিমাণে চাকৰিজীৱী হৈ পৰিছিল আৰু চাকৰিৰ যোগেদিয়েই উন্নয়ন সম্ভৱ বুলি এওঁলোকৰ বদ্ধমূল ধাৰণা হৈছিল।

এনেদৰে খুব সোনকালে অসমীয়া জাতীয়তাবাদে উগ্ৰ জাতীয়তাবাদী চৰিত্ৰ লাভ কৰিছিল। নিজৰ দুৰ্বলতাসমূহ স্বীকাৰ কৰি তাক দূৰ কৰাৰ চেষ্টা

কৰাৰ সলনি জাতীয়তাবাদী ঢঙেৰে অন্য নৃগোষ্ঠীয় লোকসকলক ভয় খুউৱা আৰু তেওঁলোকৰ ওপৰত মাতব্বৰী কৰাৰ কৌশলহে ই অৱলম্বন কৰিছিল। তৎসত্বেও পঞ্চাশৰ দশকলৈ অসমীয়া জাতীয়তাবাদী পতাকাৰ তলত অসমৰ খিলঞ্জীয়া নৃগোষ্ঠীসমূহৰ জনসাধাৰণক সমাবেশিত কৰাত অসমীয়া মধ্যবিত্ত সফল হৈছিল। দক্ষ আৰু দূৰদৃষ্টি সম্পন্ন কংগ্ৰেছী নেতা গোপীনাথ বৰদলৈয়ে সংবিধানত ষষ্ঠ অনুসূচী সংলগ্ন কৰি পাহাৰ অঞ্চলৰ জনজাতীয় লোক সকলৰ সুবিধা কৰি দি আৰু ভৈয়াম অঞ্চলৰ জনজাতীয় লোক সকলৰ কাৰণে শিক্ষানুষ্ঠান আৰু চৰকাৰী কাৰ্যালয়ত আসন সংৰক্ষণৰ আৰু জনজাতি অধ্যুষিত অঞ্চলত ভূমি সংৰক্ষণৰ ব্যৱস্থা কৰি জনজাতীয় নেতাসকলৰ সমৰ্থন আদায় কৰিবলৈ সমৰ্থ হৈছিল। অন্য ঠাইৰ জনজাতীয় লোকসকলৰ তুলনাত অসমৰ ভৈয়াম অঞ্চলৰ জনজাতীয় লোক সকল বেছি পৰিমাণে স্থানীয় হিন্দু সমাজৰ ওচৰ চাপি অহা বাবে তেওঁলোকক পঞ্চম অনুসূচীত অন্তৰ্ভুক্ত কৰা নহ'ল। জনজাতীয় সকলৰ জীৱিকাৰ মূল উৎস হ'ল ভূমি, জনজাতীয় সকলতকৈ আগবঢ়া অন্যলোকে যাতে তেওঁলোকৰ কৃষি ভূমি হস্তগত কৰিব নোৱাৰে তাৰ বাবে ১৯৪৭ চনত বিশেষ বিধেয়ক প্ৰৱৰ্তন কৰা হৈছিল। দুৰ্ভাগ্যজনক ভাৱে এই বিধেয়কৰ বহুতো সুৰুঙা থাকি গৈছিল আৰু এইবোৰৰ যোগেদি বহুলোকে জনজাতীয় আবেষ্টনীৰ ভিতৰত সোমাই জনজাতীয় লোকৰ ভূমি হস্তগত কৰিছিল। জনজাতীয় আবেষ্টনীৰ পৰা বহু মাটি আঁতৰাই আনি ভালেকেইবাৰ অসম চৰকাৰে নিজে এই অপৰাধ কৰিছে। ৰাজহ বিষয়া আৰু জিলা প্ৰশাসনৰ হাতত এই ক্ষেত্ৰত প্ৰচুৰ ক্ষমতা দিছিল, জনজাতীয় লোকসকলৰ কাৰণে সংৰক্ষিত কৰি ৰখা মাটি লৈ ৰাজ্যখনৰ বাহিৰৰ পৰা আৰু ভিতৰৰ পৰা বৃহৎ পৰিমাণৰ অ-জনজাতীয় লোকৰ অনুপ্ৰৱেশ হোৱা কাৰ্যত হয় এওঁলোকৰ অনুমোদন আছিল, নহয় এওঁলোকে এই অনুপ্ৰৱেশ দেখিও নেদেখাৰ ভাও জুৰিছিল। যিমানেই অ-জনজাতীয় কৰ্মোদ্যোগী মানুহৰ হাতলৈ মাটি গৈছে সিমানেই জনজাতীয় অঞ্চল সমূহৰ প্ৰতি ইচ্ছাকৃতভাৱে অৱজ্ঞা কৰি অহা বাবে সংৰক্ষণৰ দ্বাৰা আশা কৰা মতে ফল পোৱা নহ'ল।

স্বাধীনতাৰ প্ৰাক্ মুহূৰ্তত অসম প্ৰাদেশিক কংগ্ৰেছৰ নেতৃবৃন্দ আৰু জনজাতীয় লীগৰ নেতা সকলৰ মাজত হোৱা চুক্তিৰ দ্বাৰা জনজাতীয় জনসাধাৰণে বিশেষভাৱে উপকৃত হ'ব বুলি ভাবিছিল যদিও কাৰ্যতঃ ই তেওঁলোকক তেনেকৈ সহায় নকৰিলে। আনকি এনেকৈও ক'ব পাৰি যে ই তেওঁলোকৰ স্বাৰ্থ বহু পৰিমাণে ক্ষুণ্ণহে কৰিলে। এনেদৰে অসমীয়া মধ্যবিত্তৰ ক্ষুদ্ৰ স্বাৰ্থই অসমীয়া জাতীয়তাবাদক এক উগ্ৰজাতীয়তাবাদী চৰিত্ৰ দান কৰিছিল আৰু বঞ্চিত জনগোষ্ঠীসমূহক তেওঁলোকৰ আধিপত্যৰ বিৰুদ্ধে যাবলৈ বাধ্য কৰি তুলিছিল।

দৰাচলতে, যিক্ষেত্ৰত গোপীনাথ বৰদলৈয়ে বুজাপৰা আৰু কৌশল অৱলম্বন কৰিছিল তেওঁৰ উত্তৰাধিকাৰী সকলে কিন্তু তেওঁলোকৰ আৱেগ অনুভূতিলৈ ভ্ৰূক্ষেপ নকৰি বিধি-বিধান নামানি নিম্নবৰ্ণৰ মানুহখিনিক এফালৰ পৰা মহতিয়াই নিছিল। স্বাধীনতাৰ ঠিক পিছতেই হাজাৰ হাজাৰ পমুৱা মুছলমান মানুহক অসমৰ সীমা পাৰ কৰি খেদি পঠিওৱা হৈছিল। লোক পিয়লৰ সঞ্চালক ভাগাইৱালাৰ মতে ১৯৫১ চনৰ পিয়লে সেই সময়ত "অসমত বিদ্যমান আগ্ৰাসী ভাষিক জাতীয়তাবাদকে প্ৰতিফলিত কৰে।" (ভাৰতৰ লোকপিয়ল ১৯৬১, ৩য় খণ্ডৰ ২০৩ পৃষ্ঠাত তেওঁৰ এই অভিমত উদ্ধৃত কৰা হৈছে।) তেওঁ কয়, "একমাত্ৰ অসমীয়াত বাহিৰে বাকী প্ৰতিটো ভাষা বা ভাষিক গোষ্ঠীৰ ক্ষেত্ৰতে সেই ভাষা কোৱা মানুহৰ শতকৰা হাৰ হ্ৰাস পাইছে। অনা-অসমীয়া ভাষী লোকৰ সংখ্যা হ্ৰাস পোৱাৰ ফলতেই ১৯৫১ চনৰ লোকপিয়লত অসমীয়া-ভাষীৰ শতকৰা, হাৰ প্ৰভূত পৰিমাণে বৃদ্ধি পায়।" (ঐ) ৰাজ্য পুনৰ্গঠন আয়োগ (১৯৫৪), চৰকাৰী ভাষা বিধেয়ক (১৯৬১) গ্ৰহণ ইত্যাদি উল্লেখনীয় ঘটনাই অসমীয়া মানুহৰ মাজত এক অভূতপূৰ্ব গণউদ্যম আৰু জঙ্গী মনোভাৱ জাগ্ৰত কৰিছিল। জনগণৰ মাজত অকল উদ্যম জাগ্ৰত কৰাই নহয়, মধ্যবিত্ত শ্ৰেণীটোৱে বিভিন্ন ধৰণে জনসমৰ্থন প্ৰদৰ্শন কৰি তাক তেওঁলোকৰ নীতিৰ সমৰ্থনত ৰাজনৈতিক ভাৱে ব্যৱহাৰ কৰিছিল। পণ্ডিত আৰু বুদ্ধিজীৱীসকলৰ সতৰ্ক সিদ্ধান্তবোৰ, জনসাধাৰণৰ মাজত অৱধাৰিত ভাৱেই তাতকৈ কম সংস্কৃত ৰূপত প্ৰকাশ পাইছিল।

এই সময়ছোৱাত ইতিমধ্যে মধ্যবিত্তৰ শিবিৰটোত ভিৰ কৰিছিল নতুনকৈ প্ৰশিক্ষণ পোৱা ডাক্তৰ, ইঞ্জিনীয়াৰ, চৰকাৰী বিষয়া আৰু দ্ৰুতহাৰত বাঢ়ি অহা ঠিকাদাৰ সকলে। সমৃদ্ধিৰ নতুন সোৱাদ লোৱাৰ বাবে এওঁলোকে দৃষ্টি নিক্ষেপ কৰিছিল ৰাজ্য প্ৰশাসনৰ ফালে। গাঁৱৰ মানুহখিনিয়েও জাতীয়তাবাদী আদৰ্শৰ মাজতহে প্ৰত্যক্ষ কৰিছিল নগৰীয়া আবেষ্টনীৰ মাজত থকা আৰামদায়ক চাকৰি আৰু সমৃদ্ধি লাভ কৰাৰ পাৰপত্ৰ। অন্য জনগোষ্ঠীসমূহৰ জনগণৰ সমৰ্থন আদায় কৰা হৈছিল চতুৰালিৰ জৰিয়তে। অসমীয়াকৰণ প্ৰক্ৰিয়াটোৰ লগতে যদি তেওঁলোকক অৰ্থনৈতিক সা-সুবিধা আৰু সামাজিক আৰু ৰাজনৈতিক সমমৰ্যাদা দিয়া হ'লহেঁতেন তেতিয়া হ'লে তেওঁলোক আজি অসমীয়া জাতীয়তাবাদৰ দৃঢ় প্ৰবক্তা হ'লহেঁতেন। কিন্তু উগ্ৰজাতীয়তাবাদে সদায় নিজৰ স্বাৰ্থৰ বাহিৰে একোৱে নেদেখে।

কোনো ওজৰ আপত্তি নেদেখুৱাকৈ তেতিয়ালৈকে অসমীয়াৰ নেতৃত্ব মানি চলা বিভিন্ন অনা-অসমীয়া গোষ্ঠীয়ে এই লক্ষণবোৰ কিন্তু সঠিকভাৱেই মন কৰি আছিল। তেওঁলোকে বুজি পাইছিল যে একচেটিয়া ৰাজনৈতিক ক্ষমতাই তেওঁলোকৰ আশা-আকাঙ্ক্ষাবোৰ ৰূপায়ণ কৰাৰ সুযোগ আৰু উন্নয়নৰ প্ৰচেষ্টাবোৰ ব্যাহত কৰাতো ধ্ৰুৱপ। বিশেষকৈ ১৯৬১ চনৰ চৰকাৰী ভাষা বিধেয়কখনক তেওঁলোকৰ উন্নতিৰ পথত এক প্ৰতিবন্ধক আৰু চৰকাৰী চাকৰি লাভ কৰাৰ পথত উদ্দেশ্যমূলক ভাবে গঢ়ি তোলা এক হেঙাৰ হিচাপে গ্ৰাহ্য কৰিছিল। অধিকন্তু, তেওঁলোকৰ আশঙ্কা হৈছিল যে অসমীয়াৰ আধিপত্যই তেওঁলোকৰ ভাষা আৰু সংস্কৃতিৰ ভৱিষ্যতে বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিব। গাৰো নেতা আৰু সেই সময়ৰ বিমলা প্ৰসাদ চলিহা মন্ত্ৰীসভাৰ শিক্ষামন্ত্ৰী কেপ্টেইন উইলিয়ামচন চাংমাই ৰাজ্যিক ভাষা বিধেয়কখন গ্ৰহণ কৰাৰ লগে লগেই মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিছিল। ইয়াৰ লগে লগেই ব্ৰিটিছ যুগৰ পুৰণি অসমখনৰ বিভাজনৰ প্ৰক্ৰিয়াটো আৰম্ভ হৈ গৈছিল। ১৯৬৩ চনত নাগালেণ্ড, ১৯৭২ চনত মেঘালয় আৰু ১৯৮০ চনত মিজোৰামক পৃথক ৰাজ্য কৰা হৈছিল। আজি বড়ো সকলে এইবুলি মতপোষণ কৰিছে যে তেওঁলোকৰ দাবীটো এই প্ৰক্ৰিয়াটোৰ পৰাই উদ্ভুত।

এফালে অসমীয়া মানুহৰ জাতীয় আৱেগৰ প্ৰচণ্ড উল্লসিত ঢৌ আৰু আনফালে সংখ্যালঘু সকলৰ তিক্ত বিৰোধৰ মাজতেই ১৯৭২ চনত গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষা পৰিষদে অসমত উচ্চ শিক্ষাৰ একমাত্ৰ মাধ্যম হিচাপে অসমীয়া ভাষা গ্ৰহণৰ সিদ্ধান্ত লয়। অৱশেষত এই সিদ্ধান্ত কিছু পৰিমাণে পৰিমাৰ্জিত কৰা হৈছিল। দুৰ্ভাগ্যজনক কথা এই যে আনকি বঙালী ভাষী কাছাৰ জিলাতো সংখ্যালঘু মানুহখিনিৰ মতৰ বিপৰীতে এই সিদ্ধান্তটো তেওঁলোকৰ ওপৰত জাপি দিয়াৰ বাবে প্ৰথমতে চেষ্টা কৰা হৈছিল।

এনেকৈয়ে উগ্ৰজাতীয়তাবাদ হ'ল অসমীয়া মধ্যবিত্ত আৰু সম্ভ্ৰান্ত শ্ৰেণীটোৰ এনে এটা কবচ যাক তেওঁলোকে এৰাই চলাৰ আশাই কৰিব নোৱাৰে। কিন্তু উগ্ৰজাতীয়তাবাদক গৰিহণা দিয়াৰ আগতে উগ্ৰজাতীয়তাবাদী ষড়যন্ত্ৰত লিপ্ত হোৱাৰ দৃষ্টিভঙ্গী লৈ নহয় সমস্যাটোৰ এটা যথাযথ সমাধান উলিওৱাৰ দৃষ্টিভঙ্গী লৈ ইয়াক আমি বুজিবলৈ চেষ্টা কৰিব লাগিব। ঔপনিবেশিক ব্যৱস্থাটো অসমীয়া জাতিৰ বিকাশ আৰু শ্ৰীবৃদ্ধিৰ বাবে মুঠেই অনুকূল নাছিল। ই মানুহৰ মনত আশা-আকাঙ্ক্ষা জগাই হে তুলিছিল কিন্তু সেইবোৰ পূৰণ কৰাৰ পথবোৰৰ পৰা কিন্তু তেওঁলোকক বঞ্চিত কৰা হৈছিল। বঙালী আৰু অসমীয়া উভয়ৰ বিৰোধিতা সত্ত্বেও বাংলাভাষী জিলা শ্ৰীহট্টক অসমৰ লগত সাঙুৰি দিয়া হৈছিল। ব্ৰিটিছে অসম অধিগ্ৰহণ কৰাৰ ৫০ বছৰ পিছতহে অসমীয়া ভাষাই চৰকাৰী ভাষাৰ স্বীকৃতি পাইছিল। ব্ৰিটিছ বিনিয়োগকাৰী আৰু বাগিচা মালিক সকলৰ বাবে চাহ উদ্যোগে বিপুল ধন সম্পদ কঢ়িয়াই আনিছিল যদিও প্ৰকৃতাৰ্থত ই স্থানীয় উদ্যোগ আৰু শিল্পৰ বিকাশ বন্ধ হে কৰিছিল। সাম্ৰাজ্যবাদী প্ৰভুসকলে থলুৱা মানুহখিনিৰ শঙ্কাৰ প্ৰতি সমূলি ভ্ৰূক্ষেপ নকৰি ব্যাপক প্ৰব্ৰজনত (immigration) উৎসাহ যোগাইছিল।

অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱে আধুনিক শিক্ষা-দীক্ষাৰ পৰা আৰু বঙ্গদেশে দেখুৱা উদাহৰণৰ পৰা লাভ কৰিছিল জাতীয় জাগৰণৰ গৌৰৱময় সপোন। কিন্তু গুৰিৰে পৰাই এই সপোন বাস্তৱায়িত কৰাৰ ই উপায় পোৱা

নাছিল। ঔপনিৱেশিক ৰাষ্ট্ৰৰ উত্তৰাধিকাৰী সকলে স্বাধীন ভাৰতবৰ্ষত অসমীয়া মানুহখিনিৰ আকাঙ্খাবোৰৰ প্ৰতি একেই ধৰণৰ দাম্ভিক উদাসীনতাৰ মনোভাব পোষণ কৰিছিল। অসমৰ প্ৰতিনিধি সকলে সংবিধান সভাত ৰাজ্যখনৰ কম আয়লৈ লক্ষ্য ৰাখিয়েই তেল আৰু চাহৰ পৰা হোৱা চৰকাৰী আয়ৰ অংশ বঢ়াবলৈ যুক্তি দৰ্শাইছিল যদিও কোনোৱেই তাক বুজিবলৈ যত্ন কৰা নাছিল। এনেকৈয়ে, অন্ততঃ আংশিকভাৱে, এক বৃহৎ উগ্ৰ জাতীয়তাবাদে নিজৰ উদাহৰণেৰে বা পৰোক্ষ চাপ সৃষ্টি কৰি লালন-পালন কৰিছিল ক্ষুদ্ৰজাতিৰ মাজত উগ্ৰজাতীয়তাবাদ। ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং নিৰ্মাণ কৰা, এটা ক্ষুদ্ৰ ক্ষমতাৰ আধুনিক শোধনাগাৰ গঢ়ি তোলা ইত্যাদি সকলো ক্ষেত্ৰতেই কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰোৱাৰ বাবে অসমত বিভিন্ন গণ আন্দোলন গঢ়ি তুলিব লগা হৈছিল। সকলো জনজাতীয় আন্দোলনৰ প্ৰতি অসমীয়াৰ বিশেষ ঢঙৰ জবাব হ'ল ঃ "চোৱা। কেন্দ্ৰই আচল শোষক নহয়নে? আমিনো কোন কাহানি তোমালোকৰ স্বাৰ্থহানি কৰিছোঁ?"

অসমত বসবাস কৰা আন আন গোষ্ঠীৰ লোকৰ আৱেগ অনুভূতিৰ প্ৰতি দেখুৱাই অহা নিৰুদ্বেগ মনোভঙ্গীৰ সৌ সিদিনাহে কিছু পৰিমাণে উপশম ঘটিছে। বাম-গণতান্ত্ৰিক সংগঠনবোৰৰ আৰু সেই ভাবাদৰ্শৰ ব্যক্তি সকলৰ নিষ্ঠা আৰু নেৰানেপেৰা চেষ্টা সত্ত্বেও এতিয়ালৈকে কেইবা দশকো জুৰি বিদ্যমান উগ্ৰজাতীয়তাবাদী ধ্যান-ধাৰণাৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ নিশ্চিহ্ন হোৱাৰ কোনো লক্ষণ দেখা যোৱা নাই। স্থানান্তৰত আমি দেখুৱাম যে একে অসহিষ্ণু আৰু সংকীৰ্ণ মনোভাবৰ শেহতীয়া আৰু প্ৰসাধিত, কিন্তু উন্নত সংস্কৰণ হ'ল সংযুক্ত মুক্তি বাহিনী, অসম।

আৱেগ প্ৰৱণ বহিৰাগত এজনৰ অসমীয়াৰ আত্মপৰিচয়ৰ সংজ্ঞাটোৰ আঁৰত নিহিত থকা ৰহস্যবোৰ চকুত নপৰে। এই সংজ্ঞাটোৱে গোড়া হিন্দুত্বই নিৰ্ধাৰণ কৰি দিয়া আচাৰ অনুষ্ঠান আৰু খাদ্য অভ্যাসৰ লগত নিকট সম্পৰ্ক থকা সম্প্ৰদায়-উচ্চবৰ্ণৰ হিন্দুসকলক সুবিধাজনক স্থান দিয়ে। গোড়া হিন্দুত্বৰ অনুগামী বৈষ্ণৱ গুৰু গোসাঁইৰ তাত শৰণ লোৱা সকলক পৱিত্ৰ আচাৰ অনুষ্ঠানৰ ৰহস্যত দীক্ষা দিয়া হয়। ভাষা বা ভাষাতত্ত্বৰ গ্ৰহণযোগ্য আধুনিক

সংজ্ঞাৰ আঁৰত এতিয়াও হিন্দু মতান্ধতাৰ পুৰণি ধ্যান-ধাৰণাবোৰ জীয়াই আছে। সেয়েহে কিছুদিন আগলৈ মানুহে নিজৰ গুৰিগোষ্ঠী আৰ্যাবৰ্তৰ বুলি কৈ গৰ্ববোধ কৰাটো এটা সাধাৰণ ঘটনা আছিল; যদিও অৱশ্যে এই ধৰণৰ পৰিয়ালবোৰৰ শতকৰা ৮০ ভাগেই জনজাতীয় সকলৰ মাজৰ পৰা আহিহে আৰ্যিকৃত হৈছিল; অৰ্থাৎ শৰণ লোৱা পদ্ধতিৰে হিন্দু সমাজত অন্তৰ্ভুক্ত হৈছিল। এই সংস্কাৰবোৰ ইমান গভীৰলৈ শিপাইছে যে এই প্ৰথাৰে (শৰণ লোৱা প্ৰথাৰে) অহা মানুহখিনি প্ৰকৃত হিন্দু অসমীয়া বুলি বিবেচিত হ'বলৈ এক বা দুই পুৰুষ কাল অতিবাহিত হ'ব লগা হয়। সাম্প্ৰতিক কালৰ আন্তঃ-নৃগোষ্ঠীয় সংঘৰ্ষৰ অন্যতম ভয়াবহ নিদৰ্শন হ'ল ১৯৮৭ চনত গহপুৰত হোৱা সংঘৰ্ষটো। আক্ৰান্ত সকলৰ বাবেও এই ঘটনাত আক্ৰমণ নমাই অনা হৈছিল সেই জনজাতীয় গাঁওসমূহৰ ওপৰত যিবোৰ গাঁৱৰ জনজাতীয় ৰাইজ অসমীয়াৰ ওচৰ চাপি আহিছিল।

প্ৰায় এক দশক পূৰ্বে অগ্ৰণী অসমীয়া লেখক সকলে অসমৰ অনাৰ্য পটভূমিত আৰ্যীয় আঁতডালত আলোকপাত কৰিবলৈ উদগ্ৰীৱ হৈ উঠিছিল। আৰু এক ঐশ্বৰিক বিধানৰ যোগেদি বিষয়-বৈভৱ আৰু শিক্ষা-দীক্ষা একপক্ষীয়ভাৱে কুক্ষিগত কৰিছিল তেতিয়াৰ 'আৰ্য' পৰিয়ালবোৰে। ইয়াৰ ফলত জনজাতিৰ জীৱন পদ্ধতিৰ প্ৰতি জাগৰিত হৈছিল অশ্ৰদ্ধা আৰু ঘৃণাৰ মনোভাব। মাৰ্জিত আলাপ-আলোচনা বা কথা-বতৰাৰ পৰা সম্প্ৰতি এইবোৰ আঁতৰিছে যদিও সৰ্বসাধাৰণৰ মাজত বা ঘৰুৱা কথা-বতৰাবোৰত জনজাতীয় সকলৰ প্ৰতি অৱজ্ঞাৰ মনোভাৱ দেখাদেখিকৈ আছে। এইটো ঠিক যে গণতান্ত্ৰিক আৰু ক্ৰান্তিকাৰী অসমীয়া চিন্তাবিদসকলে অসমীয়া সংস্কৃতিৰ আচল ঐতিহ্য সমতাৰ ভিত্তিত বিভিন্ন জনগোষ্ঠীৰ আৰু সাংস্কৃতিক উপাদানৰ সমন্বয়কে অসমীয়া সংস্কৃতিৰ প্ৰকৃত ঐতিহ্য বুলি কৈ আহিছে। কিন্তু এই দৃষ্টিভঙ্গী এতিয়ালৈকে সৰ্বজনগ্ৰাহ্য হোৱা নাই।

অসম আন্দোলনৰ উৎপত্তি আৰু লক্ষ্যসমূহ যিয়েই নহওক কিয় সামগ্ৰিকভাৱে অসমৰ অনা-অসমীয়া নৃগোষ্ঠীবোৰে ইয়াক যেনে তেনে অসমীয়াৰ আধিপত্য সংহতকৰণৰ বাবে চলোৱা এক বিপদজনক প্ৰচেষ্টা

বুলিহে বিবেচনা কৰিছিল। এই আন্দোলনটোৱে অসমীয়াৰ আধিপত্যৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ নৃগোষ্ঠীগত জাগৰণৰ সৃষ্টি কৰিলে। অসমৰ এক বিষাক্ত বাতাবৰণত নৃগোষ্ঠীয় জাগৰণবোৰে প্ৰায়ে এক ধৰণৰ প্ৰতিক্ৰিয়ামূলক উগ্ৰজাতীয়তাবাদী চৰিত্ৰ গ্ৰহণ কৰিছে। এইটো ভাবিলে আচৰিত লাগে যে অসম আন্দোলনৰ ভৰপকৰ সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বই আকস্মিক ভাবেই শিক্ষানুষ্ঠান আৰু কাৰ্যালয়সমূহত অনুসূচিত জাতি-জনজাতিৰ বাবে থকা ২০ শতাংশ সংৰক্ষণ উঠাই দিয়াৰ দাবী কৰিছিল। আৰু তেওঁলোকৰ বাবে থকা জলপানিৰ বিৰোধিতা কৰিছিল।

অসমীয়া জাতি গঠন প্ৰক্ৰিয়া চলি আছে আৰু ই সম্পূৰ্ণ হ'বলৈ এতিয়াও যে বহুদূৰ বাকী এইকথা অৱশেষত অনিচ্ছাকৃতভাৱে হ'লেও সম্ভ্ৰান্ত অসমীয়া সকলে মানি লৈছে। তেওঁলোকে এইটোও উপলব্ধি কৰিব পাৰিছে যে এই প্ৰক্ৰিয়াটো ব্যাপক আৰু ক্ষিপ্ৰতৰ কৰিবলৈ লোৱা প্ৰশাসনিক পদক্ষেপ বুমেৰাং হ'বলৈ বাধ্য। কিন্তু তেওঁলোকে বুজাপৰা, সমিল মিল আৰু সহিষ্ণুতাৰ নিচিনা বিকল্প পথ ল'বলৈ এতিয়াও অনিচ্ছুক অথবা অসমৰ্থ।

জনজাতীয় উগ্ৰজাতীয়তাবাদী সকলে প্ৰতিহিংসা চৰিতাৰ্থ কৰিবলৈ গৈ আকৌ অসমীয়া জাতিসত্তাৰ অস্তিত্বকেই নুই কৰি কয় যে ই আচলতে পৰজীৱীৰ এক ক্ষুদ্ৰ চামনি আৰু অসমৰ আটাইতকৈ ভাল বস্তুখিনি ভোগ কৰি নোদোকা হৈ পৰা এটা 'কৃত্ৰিম' সামাজিক স্তৰ। তেওঁলোকে ভাষা আৰু পৰিব্যাপ্তি লাভ কৰা নৃগোষ্ঠীয় গাঁঠনিৰ সাক্ষ্য প্ৰমাণবোৰ পোনচাতেই উৰাই দিয়ে। সংস্কৃতায়নে আগৰ চিন মোকাম নোহোৱা কৰিলেও অসমীয়া সম্ভ্ৰান্তসকল কিন্তু নিৰ্ভেজাল আৰ্য্য নহয়, অৱশ্যে তেওঁলোকে সেই বুলিয়ে দাবী কৰে। অতিকথাই অসমীয়া আৰু জনজাতি উভয়কে একেদৰে প্ৰৱঞ্চনা কৰিছে।

অসমীয়াকৰণৰ প্ৰক্ৰিয়াৰ বিৰোধিতা কৰা জনজাতিসকলৰ সমালোচনা আৰু বৈৰিতাই এই কথাটোৱেই স্পষ্ট কৰে যে সামাজিক সমতা, পৰস্পৰৰ প্ৰতি সমান আৰু সহযোগিতাৰ ভিত্তিত গণতান্ত্ৰিক পদ্ধতিৰেহে বৰ্তমান অৱস্থাত অসমীয়া জাতিৰ পৰিপুষ্টি সম্ভৱ। সামান্যতম বল প্ৰয়োগ বা বাধ্যবাধকতাই ইতিমধ্যে গঢ়ি উঠা ভেটিটো বিপদাপন্ন কৰিব পাৰে।

আমি ইতিমধ্যে ওপৰত অসমীয়া জাতীয়তাবাদৰ ক্ষেত্ৰত থকা জনজাতীয় সকলৰ বিভিন্ন ক্ষোভ আৰু দুৰ্ভাৱনাৰ কথা উল্লেখ কৰিছোঁ। অসমীয়া জাতীয়তাবাদী সকলে কোনো দিনেই এই কথাটো বুজিবলৈ সক্ষম নহ'ল যে জনজাতি সকল আজি আৰু অসমীয়া সমাজত জীণ যাবলৈ সিমান আগ্ৰহী নহয়, বৰং প্ৰকৃততে তেওঁলোকে তেওঁলোকৰ নিজা পৰিচয় বজাই ৰাখিবলৈ আগ্ৰহী। কিছুমান ঘন বসতিৰ জনজাতীয় অঞ্চলৰ শিক্ষাৰ মাধ্যম অসমীয়া হোৱা কাৰণে জনজাতীয় ল'ৰা-ছোৱালীয়ে যথেষ্ট অসুবিধা পায়, অসমীয়া ভাষা তেওঁলোকৰ চিনাকিয়েই নহয়। মানৱীয় সমতা আৰু ভ্ৰাতৃত্ববোধৰ ধাৰণা প্ৰভৃত শক্তিশালী বুলি পৰিগণিত হোৱা এখন বিশ্বত জনজাতীয় আচাৰ-ব্যৱহাৰ আৰু ধ্যান-ধাৰণাৰ প্ৰতি গোড়া হিন্দুসকলে প্ৰদৰ্শন কৰা ঘৃণা আৰু তেওঁলোকৰ মইবৰ ভাবে জনজাতীয় সকলৰ মনত গভীৰ ক্ষোভ আৰু অসন্তুষ্টিৰ সৃষ্টি কৰিছে। সৰ্বোপৰি সংৰক্ষণ আৰু অইন সাংবিধানিক উপায়েৰে জনজাতীয় ভাই সকলক নিজৰ স্তৰলৈ উন্নীতকৰণৰ বাবে অসমীয়া সকলে নিষ্ঠা সহকাৰে কোনো প্ৰচেষ্টা নচলালে। ৰাজ্য প্ৰশাসনত নিজৰ আধিপত্য থকাৰ সুবিধা লৈ চাকৰি আৰু শিক্ষানুষ্ঠানত আসন সংৰক্ষণৰ ক্ষেত্ৰত অসমীয়া বৰ্ণহিন্দুৱে অৱজ্ঞা আৰু বিধি পঠালি দি কুটাঘাতহে কৰিছে। আটাইতকৈ ভয়ঙ্কৰ কথাটো হ'ল এই যে জনজাতীয় বেল্ট সংমণ্ডল, যিবোৰ জনজাতি সকলৰ বাবে সংৰক্ষিত, তাত তেওঁলোকে দ্ৰুতগতিত মাটি হেৰুৱাই সম্পূৰ্ণভাবে নিৰাপত্তাহীন হৈ পৰিছে। গুৰুত্বপূৰ্ণ সুৰক্ষাৰ প্ৰশ্ন জড়িত এই ব্যৱস্থাটো যে আদিৰে পৰা ফোঁপোলা আছিল আৰু ইয়াক কাৰ্যকৰী কৰা ব্যৱস্থাটোৱেই যে ইয়াক অৰ্থহীন কৰি পেলাইছিল, সেই কথাটো প্ৰমাণ কৰাটো টান নহয়।

সেয়েহে জনজাতীয় লোক সকলে ৰাজনৈতিক অধিকাৰৰ কাৰণে তোলা দাবী অসংগত নহয়। তেওঁলোকে দ্ব্যৰ্থহীন ভাবে ঘোষণা কৰিছে যে যিহেতু ৰাজ্যৰ প্ৰশাসন অইনে নিয়ন্ত্ৰণ কৰে সেয়ে তেওঁলোকে এই প্ৰশাসনৰ পৰা প্ৰাথমিক ন্যায়খিনিও আশা কৰাটো বৃথা। অসমীয়া মধ্যবিত্তই আঁকোৰগোজভাবে এই বিশেষ দাবীৰ প্ৰতি ইমান দিনে কোনো কৰ্ণপাতেই

কৰা নাই। দুই এক সন্মানজনক ব্যতিক্ৰমৰ বাহিৰে অসমীয়া সংবাদ-পত্ৰসমূহে এই নৃগোষ্ঠীয় আৰু জনজাতীয় জাগৰণবোৰক ষড়যন্ত্ৰ হিচাপে, অইনৰ উচতনিত সংঘটিত কৰা হিংসাত্মক কাৰ্যকলাপ আৰু উন্মাদনাৰ বহিঃপ্ৰকাশ বুলি হেয় জ্ঞান কৰি আহিছে। অসমৰ বাহিৰৰ এজন উচ্চ ন্যায়ালয়ৰ বিচাৰপতিয়ে জনস্বাৰ্থৰ খাতিৰত জনজাতি মহিলাৰ ওপৰত পুলিচৰ গণ ধৰ্ষণৰ গোচৰ বিচাৰৰ বাবে নোলোৱালৈকে জনজাতি গাঁও সমূহত, বিশেষকৈ ১৯৮৭ চনত জনজাতীয় মহিলাৰ ওপৰত, অসম পুলিচে চলোৱা আতিশয্যৰ কথা কাকতবোৰত অপ্ৰকাশিত অৱস্থাতেই আছিল। প্ৰায়ভাগ অসমীয়াই জনজাতীয় জাগৰণবোৰক এক অসমীয়া বিৰোধী ষড়যন্ত্ৰ বুলি ভবা কাৰণেই এই জাগৰণ দমন কৰিবলৈ পুলিচে লোৱা নিষ্ঠুৰ দমন-পীড়ণৰ ক্ষেত্ৰত তেওঁলোকৰ বিশেষ মূৰ কামোৰণি নাই।

শ শ বড়ো মানুহ পুলিচৰ গুলীত নিহত হোৱা, হাজাৰ হাজাৰজন গৃহহীন হোৱা আৰু এতিয়াও হাজাৰ হাজাৰজন পুলিচী সন্ত্ৰাসৰ বাবে ভূটানত আশ্ৰয় গ্ৰহণ কৰি থাকিবলগীয়া হোৱা ঘটনা সত্ত্বেও বড়োলেণ্ডৰ দাবীত চলা আন্দোলনটোৱে অসম চৰকাৰ আৰু অসমীয়া ৰাইজৰ গভীৰ মনোযোগ আদায় কৰিব পৰা নাই। তেওঁলোকৰ বিৰুদ্ধে কোনো বিদ্বেষমূলক মনোভঙ্গী নথকা বহুতো নিৰপৰাধী অসমীয়া মানুহক বড়ো উগ্ৰপন্থী সকলে হিংস্ৰ উপায়েৰে গুলীয়াই বা বোমা মাৰি হত্যা কৰিছে। কথাটো হ'ল এই যে তীব্ৰ আৰু নিৰৱচ্ছিন্ন ভাবে দমন পীড়ন চলাই যোৱা সত্ত্বেও বড়ো আন্দোলনটো নিষ্প্ৰভ হৈ যোৱাৰ কোনো চিন দেখা পোৱা নাই। ই এক আকস্মিক বিস্ফোৰণো নহয়। ১৯৬৭ চনত পি.টি.চি.এ. য়ে জনজাতিসকলৰ বাবে উত্থাপন কৰা পৃথক ৰাজ্যৰ দাবীৰ দ্বাৰা এক দীৰ্ঘস্থায়ী আৰু গণ আন্দোলনৰ ভেটি স্থাপন কৰা হৈছিল। বৰ্তমানৰ বড়ো আন্দোলনৰ আৰম্ভণি হৈছিল তেনেকৈয়ে। তেতিয়াৰে পৰা বিভিন্ন সময়ত বড়ো সকলে এক পৃথক পথ অনুসৰণ কৰাৰ কাৰণে তেওঁলোকৰ মাজত থকা দৃঢ়তা আৰু সংহতি দেখুৱাই আহিছে। এই আন্দোলনসমূহৰ জৰিয়তে তেওঁলোকে বড়ো ভাষাক শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি লাভ, বড়ো ভাষাক সহযোগী চৰকাৰী ভাষা হিচাপে

স্বীকৃতি লাভ আদিকে ধৰি এটাৰ পিচত এটাকৈ দাবী পূৰণ কৰিবলৈ সমৰ্থ হৈছে। সঁচা কথা তেওঁলোকৰ মতে এই প্ৰস্তাৱ কাগজতহে আছে, অসম চৰকাৰে গুৰুত্ব সহকাৰে কাৰ্যকৰী কৰিবলৈ চেষ্টা কৰা নাই।

পূৰণি গোৱালপাৰা জিলাৰ অংগ আৰু এতিয়াৰ কোক্ৰাঝাৰ জিলাৰ পৰাই এই আন্দোলনৰ নেতৃত্ব বহনকাৰী অংশটো আহিছে, অসমীয়াৰ লগত এই ঠাইৰ লোকসকলৰ সম্পৰ্ক যৎসামান্যহে। কালিচৰণ ব্ৰহ্ম নামৰ এজন বড়ো সংস্কাৰকৰ নেতৃত্বৰ দ্বাৰা পৰিচালিত হৈ বড়ো সকলে এই শতিকাৰ দ্বিতীয় দশকত ব্ৰহ্ম ধৰ্মৰ নিচিনা এক ধৰ্মীয় পন্থা অৱলম্বন কৰিছিল আৰু গাহৰি খোৱা আৰু দেশী মদ খোৱাৰ নিচিনা অপৱিত্ৰ বুলি কোৱা অভ্যাসবোৰ পৰিহাৰ কৰিছিল। কালিচৰণ ব্ৰহ্মই সমাজ সংস্কাৰৰ বাণী প্ৰচাৰ কৰিছিল আৰু বড়ো সকলক নিজৰ ভৰিৰ ওপৰত থিয় হ'বলৈ আৰু এটা আধুনিক জাতিলৈ উধাবলৈ প্ৰেৰণা যোগাইছিল। তেওঁলোকৰ নিজস্ব লিখিত সাহিত্য নাছিল বাবে আৰু তেওঁলোকৰ মাজত আধুনিক শিক্ষাৰ প্ৰসাৰ সীমিত হোৱাৰ লগতে বাহিৰৰ পৃথিৱীখনৰ সৈতে তেওঁলোকৰ সম্পৰ্ক কম আছিল বাবেই চুবুৰীয়া অসমীয়া মানুহখিনিৰ তুলনাত তেওঁলোকৰ উন্নয়নৰ গতি যথেষ্ট মন্থৰ আছিল। অধিকন্তু, তেওঁলোকৰ গঞা ভাই সকলে নতুন ব্ৰহ্ম ধৰ্ম আৰু ধৰ্মীয় আচাৰ-অনুষ্ঠানবোৰ গ্ৰহণ কৰি তেওঁলোকৰ নেতৃত্ব মানি লোৱা নাছিল।

এইটো এটা বিতৰ্কিত প্ৰশ্ন যে স্বাধীনোত্তৰ কালত তেওঁলোকৰ প্ৰতি কৰা অৱহেলা আৰু বৈষম্যমূলক আচৰণে তেওঁলোকক বিদ্ৰোহী কৰি তুলিছে নে সঁচাকৈ এই সময়ছোৱাত তেওঁলোকৰ জীৱনধাৰাৰ সামান্যভাবেও উন্নতি হৈছে আৰু ইয়ে তেওঁলোকৰ মনত অধিক আকাংক্ষা জগাই তুলিছে। অসহায় বড়ো খেতিয়ক সকলৰ লাওলোৱা অৱস্থা হ'লেও তেওঁলোকৰ মাজৰ মধ্যবিত্ত শ্ৰেণীটোৰ মাজত সামান্য পৰিমাণে হ'লেও সাক্ষৰতা বাঢ়িছে আৰু কিছুলোকে চাকৰি-বাকৰি পাইছে। ১৯৬১ চনৰ ভাৰতৰ লোক পিয়ল (Vol I. Part II C) মতে সামগ্ৰিকভাবে ভাৰতবৰ্ষত অনুসূচিত জনজাতি সকলৰ মাজত সাক্ষৰতাৰ হাৰ ৮.৫৪ শতাংশ, বিহাৰত ৯.১৬ শতাংশ, অন্ধ্ৰপ্ৰদেশত ৪.৪১ শতাংশ, কিন্তু অসমৰ ক্ষেত্ৰত এইটো হ'ল ২৩.৫৮ শতাংশ।

অধিক সংখ্যক জনজাতি লোক বাস কৰা কিছুমান আৰক্ষী এলেকা অইন কিছুমান সাধাৰণ আৰক্ষী এলেকাৰ সৈতে এটা তুলনা কৰি চোৱা যাওক। উদাহৰণ স্বৰূপে, ১৯৮১ চনৰ পিয়ল মতে আমি দেখোঁ যে পুৰণি দৰং জিলাৰ ওদালগুৰি এলেকাত আছিল ১২২ খন নিম্ন প্ৰাথমিক বিদ্যালয়, ২ খন হাইস্কুল, ১ খন ডাক্তৰখানা আৰু ১ খন আবাসিক চিকিৎসালয়। অনুৰূপভাৱে মূলতঃ অসমীয়া বসতি থকা অঞ্চল চতিয়াত আছিল ১৮৮ খন নিম্ন প্ৰাথমিক বিদ্যালয়, ১২ খন হাইস্কুল, ৫ খন ডাক্তৰখানা আৰু ১৭ খন আবাসিক চিকিৎসালয়। আন এখন অসমীয়া অধ্যুসিত অঞ্চল মঙ্গলদৈত আছিল ৩০৮ খন নিম্ন প্ৰাথমিক বিদ্যালয়, ২ খন হাইস্কুল, ৮ খন ডাক্তৰখানা আৰু ৬ খন আবাসিক চিকিৎসালয়। ওদালগুৰিত ৪৩ খন গাঁৱত পকী ৰাস্তা, চতিয়াত ৬১ খনত আৰু মঙ্গলদৈত ৯৪ খনত। কামৰূপ জিলাৰ জনজাতি অধ্যুষিত তামুলপুৰ অঞ্চলত ১৪২ খন নিম্ন প্ৰাথমিক বিদ্যালয়, ৫ খন হাইস্কুল, ৬ খন ডাক্তৰখানা আৰু দুখন আবাসিক চিকিৎসালয় আৰু ৩৫ খন গাঁৱত পকী ৰাস্তা আছিল। অসমীয়া অধ্যুসিত কমলপুৰ অঞ্চলত আছিল ২০৮ খন নিম্ন প্ৰাথমিক বিদ্যালয়, ৬ খন হাইস্কুল, ৫ খন ডাক্তৰখানা আৰু ৪৯ খন গাঁৱত পকী ৰাস্তা। নলবাৰীত আছিল ৫১০ খন নিম্ন প্ৰাথমিক বিদ্যালয়, ৮ খন হাইস্কুল, ১০ খন ডাক্তৰখানা আৰু ৭ খন আবাসিক চিকিৎসালয় আৰু ৬৩ খন গাঁৱত পকী ৰাস্তা। কোক্ৰাঝাৰ অঞ্চলত য'ত জনজাতি সকলৰ অৱস্থা তুলনামূলকভাৱে আগবঢ়া তাত আছিল ২৬২ খন নিম্ন প্ৰাথমিক বিদ্যালয়, ৩ খন হাইস্কুল, ১০ খন ডাক্তৰখানা, ১০ খন আবাসিক চিকিৎসালয় আৰু ৯৪ খন গাৱঁত পকী ৰাস্তা। এই পৰিসংখ্যাই এইটোৱেই সূচায় যে উন্নয়নৰ দিশৰ পৰা জনজাতি অঞ্চলবোৰ অসমীয়া অঞ্চলবোৰতকৈ পিছপৰা হ'লেও উগ্ৰ বড়ো প্ৰচাৰৰ দ্বাৰা আমাক ভবাই তোলা ধৰণে জনজাতি অঞ্চলবোৰ কোনো পধ্যেই একোখন মৰুভূমি নহয়।

ৰাজীৱ গান্ধী দেশৰ প্ৰধানমন্ত্ৰী হৈ থকা সময়ত যৌথভাবে দিয়া এখন স্মাৰক পত্ৰত বৰ্তমানৰ অসমৰ ভৌগোলিক পৰিসীমাৰ পৰা ফালৰি কাটি এখন পৃথক বড়ো ৰাজ্যৰ দাবীৰ যুক্তিযুক্ততা প্ৰমাণ কৰিবলৈ বি. পি. এ. চি.

আৰু এ. বি. এচ. ইউয়ে ২৫টা কাৰণ সন্নিবিষ্ট কৰিছিল। দুৰ্ভাগ্যৰ কথা এইবোৰত একেখিনি কথাকে পুনৰুক্তি কৰা হৈছিল আৰু এইবোৰ প্ৰায়েই অলংকাৰসৰ্বস্ব আছিল। কেইটামান দাবী অধিক অতিৰঞ্জিত যেনহে লাগে। পৰিস্থিতিটোৰ ৰাজনৈতিক জটিলতা অনুধাৱন কৰিবলৈ স্মাৰকপত্ৰখনত কোনো চেষ্টা কৰা হোৱা নাই। অসমীয়া মানুহৰ প্ৰতি বিদ্বেষমূলক আচৰণ কৰি তেওঁলোকৰ দুখ বঢ়াই তুলিব বিচৰা কেন্দ্ৰীয় চৰকাৰ এখনেহে এনে এখন পৃথক ৰাজ্য সৃষ্টি কৰিব পাৰে। এই আন্দোলনটোৰ নেতা সকল কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থনৰ ওপৰত ইমানেই বিশ্বাসী যে তেওঁলোকে ২০,০০০ বৰ্গমাইল এলেকাৰ লক্ষ লক্ষ মানুহৰ ওপৰত চলোৱা আৰু তেওঁলোকে স্বেচ্ছামূলক লোক গণনা বুলি অভিহিত কৰা দলিল এখনকে প্ৰকৃত আৰু সঁচা লোক গণনা বুলি চৰকাৰৰ ওচৰত দাখিল কৰিছিল। এই "স্বেচ্ছামূলক" লোক গণনাৰ দ্বাৰা তেওঁলোকে বেচ সুবিধাজনকভাবে এইটো প্ৰতিষ্ঠা কৰিছে যে য'ত পূৰ্বৰ লোকপিয়লৰ মতে বহু অঞ্চলত বড়ো মানুহৰ সংখ্যা মুঠ জনসংখ্যাৰ ২০-ৰ পৰা ৩৫ শতাংশ বুলি নিৰ্দ্ধাৰণ কৰা হৈছিল সেইটো প্ৰকৃতাৰ্থত হ'ব লাগে ৬০-ৰ পৰা ৭০ শতাংশহে! এইয়া অতি বেছি অতিৰঞ্জিত আৰু ই দেখ দেখকৈ তথ্য সমূহৰ বিকৃতকৰণ। আচলতে পূৰ্বৰ লোকগণনা প্ৰতিবেদনবোৰত বড়ো জনসংখ্যা বাস্তৱতকৈ কম বুলি নিৰ্দ্ধাৰণ কৰা সম্ভৱপৰ হ'লেও সেই ভুল ইমান বেছি কেতিয়াও হ'ব নোৱাৰে আৰু প্ৰকৃত তথ্যৰ ইমান বেছি বিকৃতকৰণ সম্ভৱ নহয়।

এনেকৈয়ে বড়ো ৰাজ্যৰ দাবীটো বাস্তৱ ভিত্তিতকৈ অধিক পৰিমাণে আৱেগ আৰু উচ্ছ্বাসৰ ওপৰতহে বৰ্তি থকা যেন লাগে। ঐতিহাসিক ভাবেও এই অঞ্চলটো এককভাবে বড়ো সকলৰ আবাসভূমি বুলি ক'ব পৰা নাযায়। স্বীকাৰ্য যে যিহেতু বৰ্তমানৰ বহু অসমীয়া লোক আদিতে বড়ো মূলৰ আছিল সেয়েহে বড়ো আৰু অসমীয়াৰ মাজত এক পানী নসৰকা বিভাজন কৰাটো টান। আনহাতে বড়োসকলৰ ক্ষোভবোৰো গুৰুত্বপূৰ্ণ আৰু এইবোৰৰ যুক্তিসঙ্গত কাৰণো আছে। এই ক্ষোভবোৰ যে ৰাজনৈতিক অধিকাৰ নিদিয়াকৈ সমূলি আঁতৰ কৰিব পৰা নাযায়— তেওঁলোকে লোৱা এই

দৃষ্টিভঙ্গী সন্দৰ্ভত আলোচনা বিলোচনাৰ যথেষ্ট অৱকাশো আছে। এখন পৃথক ৰাজ্য নিদিয়াকৈ তেওঁলোকৰ এই অধিকাৰ সমূহ কেনেকৈ পূৰণ কৰা হ'ব সেইটোৱেই হ'ল এই দেশৰ ভাবীকালৰ গণতন্ত্ৰৰ সমৰ্থক আৰু বন্ধুসকলৰ ওচৰত এক ৰাজনৈতিক প্ৰত্যাহ্বান। কিন্তু এই দাবীটো প্ৰকৃত এক সংঘীয় গাঁঠনিতহে পূৰণ কৰিব পৰা যায়।

যদি কোনোবাই এই গণতান্ত্ৰিক দাবীটো মানি ল'ব নোখোজে তেনেহ'লে বুজিব লাগিব তেওঁ আমাৰ মনোযোগ অইন ফালে নিব বিচাৰিছে। আলফাই বাস্তৱিকতে সেই কৌশলেই অৱলম্বন কৰিছে। আমাৰ ধাৰণা মতে আলফা-হ'ল অসমীয়া উগ্ৰজাতীয়তাবাদৰ অন্তিম ৰণ। ধাৰণা হয় বিপ্লৱৰ কথাৰে ই তাৰ ফেডাৰেল দৃষ্টিভঙ্গী অস্বীকাৰ কৰা কাৰ্যক ঢাকি ৰাখিব বিচাৰিছে। ইয়াৰ দ্বাৰা আলফাৰ অন্ততঃ এচাম সদস্যৰ প্ৰশ্নাতীত দেশপ্ৰেম অস্বীকাৰ কৰা বা অপযশ দিয়াৰ চেষ্টা কৰা হোৱা নাই। সমাজ পৰিৱৰ্তনৰ ক্ষেত্ৰত গভীৰ তাত্ত্বিক মনোনিবেশৰ অভাৱে কিন্তু গভীৰ অনুশীলনত মনোনিবেশৰ অভাৱকে সূচায়। উত্তৰ পূৰ্বাঞ্চলত জাত-পাত আৰু জাতি গঠনৰ সমস্যাবোৰ অৱহেলা কৰি বা উৰাই দি আলফাই আচলতে অসমীয়া সমাজক আজিৰ এই অচলাৱস্থালৈ টানি অনা শক্তিবোৰৰেই হাতৰ খেলনা হৈ পৰিছে।

প্ৰায় ২০০ লাখ জনসংখ্যাৰ অসমত নিবনুৱাৰ সংখ্যা অলপতে ২০ লাখ হৈছেগৈ। নিবনুৱা যুৱকসকলে তেওঁলোকৰ ভাগ্যক এনেধৰণৰ এখন সমাজৰেই সমস্যা বুলি মানি নলয়। তেওঁলোক গভীৰ আৰু তিক্তভাবে হতাশাগ্ৰস্ত আৰু মধ্যবিত্ত নেতৃত্বৰ ৰাজনৈতিক আদৰ্শৰ প্ৰতি তেওঁলোকৰ মনোভাৱ সাঘাংতিক ধৰণে শত্ৰুভাবাপন্ন। একে সময়তে অসমীয়া জাতীয়তাবাদৰ মাজত নিহিত কিছুমান অন্ধবিশ্বাস আৰু ভ্ৰান্ত ধাৰণা তেওঁলোকে পৰিহাৰ কৰিব পৰা নাই। তেওঁলোকে ভাবে যে নিবনুৱা সমস্যা অসমৰ ওপৰত অসমীয়াৰ নিয়ন্ত্ৰণ নথকা কথাটোৰেই নিদৰ্শন। সেয়েহে অসমৰ আকাশে বতাহে আজি "স্বাধীন আৰু সাৰ্বভৌম অসমৰ" নতুন শ্লোগান। জনজাতি বিদ্ৰোহ, অসমীয়া সমাজত সংহতিহীনতাৰ বিপদ,

সামাজিক অৱক্ষয় আৰু স্থবিৰতাৰ সুস্পষ্ট লক্ষণবোৰকে ধৰি অসমৰ অইন সকলো সমস্যাই অসমীয়া জাতিৰ পতনৰ লক্ষণ বুলি পৰিগণিত হৈছে। আৰু অসমীয়া জাতিসত্তাৰ পুনৰুজ্জীৱন বিচৰা হৈছে হিংসা আৰু অস্ত্ৰৰ শক্তিৰ যোগেদি। বৰ্ণহিন্দু উগ্ৰজাতীয়তাবাদে অসমীয়া মধ্যবিত্তৰ কুশীদজীৱী মনোভাৱ, অৰ্দ্ধ সামন্ততান্ত্ৰিক ধ্যান-ধাৰণা, ঔপনিবেশিক শাসনত স্থানীয় মূলধন গঠনৰ অভাৱ (ইয়াৰ ফলত বৃহৎ বুৰ্জোৱাৰ নিয়ন্ত্ৰণৰ বাহিৰত এটা পুঁজিবাদী শিল্প বিপ্লৱ সংঘটিত হোৱা নাই) প্ৰকৃত গণতন্ত্ৰৰ বাবে অত্যাৱশ্যকীয় সংগ্ৰামৰ পথ লোৱা আদি অসমীয়া জাতীয়তাবাদৰ দুৰ্বলতা সমূহৰ কোনো অন্তৰ্দৃষ্টি সম্পন্ন ব্যাখ্যা আগবঢ়োৱা হোৱা নাই। হিংসাৰ পথ গ্ৰহণ আৰু অসমীয়া জাতীয়তাবাদৰ চাৰিওফালে থকা দুৰ্বলতাবোৰ বুজিব নোৱাৰাৰ ফলত এই ডেকাসকল অতি সহজেই দেশপ্ৰেমৰ চমকপূৰ্ণ শ্লোগান থকা এক ফেচীবাদী শিবিৰত সোমাই পৰিব পাৰে।

এনেকুৱা এটা পটভূমিত আলফাৰ কিছুমান নীতি-নিৰ্দেশনাত্মক বিবৃতিয়ে চিন্তাত পেলায়। উদাহৰণ স্বৰূপে অসমত কোনো ধৰণৰ শ্ৰেণী নিৰ্যাতন আছে বুলি আলফাই নেমানে। তেওঁলোকৰ মতে ইয়াৰ কাৰণ হ'ল, এইযে অসমীয়া মধ্যবিত্ত এটা বুৰ্জোৱা শ্ৰেণী নহয়। বৰ্ণবাদী নিপীড়ন আৰু অৰ্দ্ধ-সামন্ততান্ত্ৰিক শোষণৰ মাজত থকা চিৰকলীয়া সম্পৰ্কক তেওঁলোকে নীৰৱে উপেক্ষা কৰিছে। ভাৰতবৰ্ষৰ পৰা পৃথক হৈ আহি স্বাধীন হ'ব পাৰিলেই সকলো নৃগোষ্ঠী আৰু জনজাতিকেই সম্পূৰ্ণ মৰ্যাদা দিব বুলি আলফাই প্ৰতিশ্ৰুতি দিছে। ইতিমধ্যে জনজাতি আৰু অইন জাতিসত্তাবোৰক "নিৰ্জাতিকৰণ" কৰিব লাগিব। তেওঁলোকৰ পক্ষে নোযোৱা ৰাইজৰ তীব্ৰ আকাঙ্ক্ষাৰ প্ৰতি এয়া এক অৰ্দ্ধ ফেচীবাদী উত্তৰ। ভৱিষ্যতৰ কোনো এক কল্পৰাজ্যত সমতা আৰু ন্যায় পোৱাৰ আশাত জনজাতীয় লোকসকলে জ্বলন্ত সমস্যাৰাজি স্থগিত ৰখা কথাটো ৰাজনৈতিকভাৱে অবাস্তৱ। নিপীড়িত জনতাৰ বিশ্বাস আদায়ৰ পথ এইটো নহয়। এইটো এনেয়ে উল্লেখ কৰিব পাৰি যে মাজে সময়ে আলফাৰ দৃষ্টিভঙ্গী শুধৰাবলৈ আমি চেষ্টা কৰিছিলোঁ যদিও ইয়াৰ উগ্ৰজাতীয়তাবাদী মূলৰ বাবে আলফাৰ মাজত থকা স্বৈৰাচাৰী

প্ৰৱণতাৰ কথাও আমি বহুদিন আগতে উল্লেখ কৰিছিলোঁ। আলফাৰ পূৰ্ব অনুমতি নোলোৱাকৈ আলফা সম্পৰ্কে কোনো বাতৰি বা লেখনী প্ৰকাশ কৰিলে মৃত্যুদণ্ড বিহা হ'ব বুলি— সাংবাদিক সকললৈ দিয়া ভাবুকিয়ে আমি আগতে কৰা বিশ্লেষণ শুদ্ধ আছিল বুলিয়ে প্ৰমাণ কৰিলে। কাৰ্যসূচী আৰু দৃষ্টিভঙ্গীৰ এক মৌলিক পৰিৱৰ্তনেহে আলফাৰ বাবে এক জনপ্ৰিয় গণতান্ত্ৰিক আন্দোলনৰ শক্তি আৰু গতি আনি দিব পাৰে।

আটাইতকৈ প্ৰয়োজনীয় কথাটো হ'ল অসমৰ প্ৰকৃত গণতান্ত্ৰিক শক্তিবোৰৰ বাবে এখন উমৈহতীয়া মঞ্চ গঢ়া। সংখ্যালঘু উগ্ৰজাতীয়তাবাদৰ দ্বাৰা প্ৰলুব্ধ নোহোৱাকৈ বৰ্ণহিন্দু উগ্ৰজাতীয়তাবাদৰ বিৰুদ্ধে এনে এখন উমৈহতীয়া মঞ্চৰ পৰা সংগ্ৰাম কৰিব লাগিব, বিভিন্ন নৃগোষ্ঠী আৰু জাতিসত্তা সমূহক বৃহৎ বুৰ্জোৱাৰ বহুৱা নকৰাকৈ স্বায়ত্ত শাসন আৰু সংঘীয় ব্যৱস্থাৰ বাবে এই মঞ্চৰ পৰা প্ৰচেষ্টা চলোৱাৰ লগতে মিছা গৌৰৱৰ উন্মাদনাৰে উত্তেজিত নকৰি অসমৰ আহত জাতীয় আৱেগ উপশমৰ বাবে এই মঞ্চৰ যোগেদি চেষ্টা চলাব লাগিব আৰু ইয়াৰ পতাকাৰ তলত আধিপত্যকামী সম্প্ৰদায় বা সম্প্ৰদায় সমূহৰ দুখীয়া আৰু নিপীড়িত মানুহখিনিকো সংগঠিত কৰিব পৰা যাব।

অৱশ্যে কেন্দ্ৰৰ ভূমিকা বিবেচনা নকৰাকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনৈতিক গাঁঠনিৰ সালসলনিৰ প্ৰস্তাৱ কৰাটো বৰ যুক্তিযুক্ত নহয়। দৰাচলতে বৰ্তমানৰ সংবিধানৰ অধীনত একমাত্ৰ কেন্দ্ৰীয় চৰকাৰৰহে এনেকুৱা ধৰণৰ সাল-সলনি ঘটোৱাৰ ক্ষমতা আছে। ইন্দিৰা গান্ধী প্ৰধানমন্ত্ৰী হিচাপে থকা প্ৰথম ছোৱা কাৰ্যকালত বিষয়া মহলত ফেডাৰেল গাঁঠনিৰে অসমখনক পুনৰ গঠিত কৰাৰ কথা উঠিছিল। নিৰাপত্তাহীন বোধ কৰা অসমীয়াতকৈ কেন্দ্ৰীয় চৰকাৰে জনজাতি সকলৰ ক্ষোভবোৰ অধিক আৱেগহীনভাবে বিবেচনা কৰিব পৰা অৱস্থাত আছে। ৰাজ্যপাল এল. পি. সিঙে প্ৰস্তাৱিত বড়ো ৰাজ্যখনৰ নাম উদয়াচলৰ সলনি বড়োলেণ্ড প্ৰস্তাৱ কৰিছিল আৰু সেইটো উগ্ৰপন্থীসকলে কৃতজ্ঞচিত্তে মনত ৰাখিছে।

কিন্তু কেন্দ্ৰীয় চৰকাৰৰ নজিৰে বিশ্বাস কৰিবলৈ উদ্বুদ্ধ নকৰে যে কেন্দ্ৰ

উত্তৰ-পূৰ্বাঞ্চলত দীৰ্ঘস্থায়ী শান্তি-সম্প্ৰীতিৰ বাবে আগ্ৰহী। অঞ্চলটোত প্ৰত্যেকখন ৰাজ্য গঠনৰ ঘটনাই জাতিসমূহৰ মাজত বিভাজন অধিক গাঢ়হে কৰিছে। সীমা বিবাদবোৰ স্থায়ী হৈছে আৰু এইবোৰে অসম-নগালেণ্ড সীমান্ত অঞ্চল মেৰাপানীত ঘটাৰ নিচিনা ভয়াবহ ৰক্তক্ষয়ী ঘটনাৰ সৃষ্টি কৰিছে। কেন্দ্ৰীয় চৰকাৰে এনেধৰণৰ উত্তেজনাবোৰ হ্ৰাস কৰা আৰু বুজাবুজিৰ ভাব গঢ়ি তুলিবলৈ বিশেষ একো কৰা নাই। যদি ফেডাৰেল গাঁঠনিৰ পৰিকল্পনাটো ওপৰৰ পৰা জাপি দিয়া হয় তেনেহ'লে ই মাথো কেন্দ্ৰৰ স্বাৰ্থহে ৰক্ষা কৰিব। বিচ্ছিন্নতা আৰু সংঘাতৰ বিৰুদ্ধে নিজৰ মাজত গঢ় লোৱা নিৰাপত্তা ব্যৱস্থাৰ লগতে সহযোগিতা আৰু ভ্ৰাতৃত্বমূলক আদান-প্ৰদান বঢ়োৱাৰ উদ্দেশ্যে লোৱা এক ব্যৱস্থাৰ সৈতে গোটেই কামটো আৰম্ভ হ'ব লাগিব তলৰ পৰা। যদি ফেডাৰেল গাঁঠনিটো এক গণতান্ত্ৰিক পথ বুলি ভবা হয় তেতিয়াহ'লে একমাত্ৰ গণতান্ত্ৰিক শক্তিবোৰেহে ইয়াক কাৰ্যকৰী কৰিব পাৰিব।

*(**Mainstream** পত্ৰিকাৰ ১৯৮৯ চনৰ বাৰ্ষিক সংখ্যাত প্ৰকাশিত এই লেখকৰ ইংৰাজী প্ৰবন্ধৰ অনুবাদ)*

✡✡✡